# শংকৰদেৱৰ সাহিত্যত নদী
# আৰু
# তৎসংশ্লিষ্ট বিষয় সম্ভাৰ

ড° জয়জ্যোতি গোস্বামী
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ
দিশপুৰ মহাবিদ্যালয়

২০০৯ চন

# শংকৰদেৱৰ সাহিত্যত নদী
# আৰু
# তৎসংশ্লিষ্ট বিষয় সম্ভাৰ

13896

Minor Research
DISPUR COLLEGE
Guwahati-6

DISPUR COLLEGE LIBRARY
GUWAHATI-6
DISPUR COLLEGE

ড° জয়জ্যোতি গোস্বামী
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ
দিশপুৰ মহাবিদ্যালয়

২০০৯ চন

# RIVERS AND ASSOCIATE OBJECTS IN SANKARDEV'S WORKS

13896

DISPUR COLLEGE LIBRARY
GUWAHATI-6
DISPUR COLLEGE

(A minor research project undertaken with a financial assistance from the U G C
No. F. 5-138/2006-07 (MRP/NER)/5413 dtd 28 MAR 2007.)

Submitted by
**Dr. Joy Jyoti Goswami**
Senior Lecturer, Assamese Department
Dispur College

2009

13896

DISPUR COLLEGE LIBRARY
GUWAHATI-6
DISPUR COLLEGE

# আগকথা

অসমীয়া সাহিত্যৰ যুগ স্ৰষ্টা মহান কবি শংকৰদেৱৰ সাহিত্যৰ সুৰভিয়ে আজি চাৰে পাঁচ শ বছৰতকৈও অধিক কাল অসমৰ জনগণক মোহিত কৰি আহিছে। এইগৰাকী মহান সাহিত্যিকৰ সাহিত্য কৰ্মৰাজিৰ বিভিন্ন দিশৰ পৰা বিভিন্ন জনে আলোচনা বিলোচনা কৰি আহিছে। তথাপিও যেন সূক্ষ্মাতিসূক্ষ্ম বিচাৰৰ অনেক অৱকাশ ৰৈ গৈছে বুলি ধাৰণা হয়। এই দৃষ্টিৰেই বিচাৰ কৰিবৰ যত্নেৰে "শংকৰদেৱৰ সাহিত্যত নদী আৰু তৎসংশ্লিষ্ট বিষয় সম্ভাৰ" বিষয় সম্পৰ্কে অধ্যয়ন কৰিবলৈ এক আঁচনি প্ৰস্তুত কৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাহায্য লাভৰ বাবে আবেদন জনোৱা হয়। সেই মৰ্মে আমাৰ এই কাৰ্যত আয়োগে No. F. 5-138/2006-07 (MRP/NER)/5413 dtd 28 MAR 2007 পত্ৰ যোগে অনুমোদন জনায়। সেয়েহে "পক্ষীসৱ উৰে যেন পক্ষ অনুসাৰে" এই আপ্তবাণী মনত বাখি পংগু হৈ পৰ্বত বগাবলৈ যোৱাৰ দৰে কামটিত আগবঢ়া হ'ল।

বিষয়টি নিৰ্বাচন কৰোতে মূল বিষয় হিচাবে নদীক কিয় লোৱা হৈছে এই বিষয়ে প্ৰথম অধ্যায়ত আলোচনা কৰা হৈছে। শংকৰদেৱৰ সাহিত্যত প্ৰকৃতি শীৰ্ষক বিষয় লৈ নানা আলোচনা তথা অধ্যয়ন হৈছে কিন্তু কেৱল নদী আৰু নদী সংশ্লিষ্ট বিষয় লৈ আলোচনা দৃষ্টিগোচৰ হোৱা নাই। তাকেই কৰিবলৈ যাওঁতে শংকৰদেৱৰ ৰচনাৰ সুসম্পাদিত সংকলন এটিৰ ওপৰতেই নিৰ্ভৰ কৰা হৈছে যদিও কেইবাটিও সংগ্ৰহ পঢ়ি চোৱা হৈছে। ইয়াৰ উপৰিও মাজুলীৰ বেঙেনাআটি, গড়মূৰ, কমলাবাৰী সত্ৰ, গোলাঘাটৰ পুখুৰীপাৰ সত্ৰ, যোৰহাটৰ কাঠবাপু সত্ৰ, ধলৰ সত্ৰ আৰু নগাঁৱৰ বৰদোৱাত সংৰক্ষিত দশম, কীৰ্তন আদি সাঁচিপতীয়া পুথিসমূহৰ ওপৰতো চকু ফুৰোৱা হৈছে। দ্বিতীয়তে শংকৰদেৱৰ জীৱনৰ সৈতে সম্পৃক্ত নদী সংশ্লিষ্ট বিষয়টি যুগুত কৰোতে প্ৰধানকৈ চৰিত পুথিৰ ওপৰতেই নিৰ্ভৰ কৰা হৈছে যদিও বৰদোৱা, বৰপেটা, সুন্দৰীদিয়া, পাটবাউসী, কোঁচ বেহাৰ, মধুপুৰ, কাকতকুটা, গাংমৌ, বেলগুৰি সত্ৰ আদিলৈ গৈ তাৰ পৰা তথ্য তথা সমল সংগ্ৰহ কৰা হৈছে।

গ্ৰন্থখনিৰ বিষয়সমূহ আলোচনা কৰোতে গ্ৰন্থখনিত আলোচ্য বিষয়সমূহ সম্পূৰ্ণভাৱে উপস্থাপন কৰাৰ চেষ্টা কৰা হৈছে যদিও মাজে মাজে দুই এঠাইত অনিচ্ছাকৃতভাৱে কিবা বিষয় বৈ যোৱাটোও অস্বাভাৱিক নহয়। তাৰ বাবে আমি ক্ষমা প্ৰাৰ্থী।

বিষয়সমূহ উল্লেখ কৰোতে সংশ্লিষ্ট পুথিৰ প্ৰসংগটিৰ বিস্তৃত ব্যাখ্যালৈ নগৈ উল্লেখ মাত্ৰ কৰি পদৰ উদ্ধৃতি দিয়া হৈছে। দুখনি গ্ৰন্থত উল্লেখ থকা একে প্ৰসংগৰ একে উক্তিসমূহ প্ৰথমে উল্লেখ কৰা উদ্ধৃতিৰ লগতে থুপাই যোৱা হৈছে। তাকেই কৰিবলৈ যাওঁতে পুথিৰ নাম আৰু পদৰ সংখ্যা উল্লেখ কৰা হৈছে।

নদী তথা পানী সম্পৰ্কীয় কিছুমান বিষয় যেনে জলাঞ্জলি, তিত্তয়, ধুবাইলা, পখালৈ আদি বিষয়ৰ বহল আলোচনা কৰা হোৱা নাই। তৃতীয় অধ্যায়ৰ নিৰ্দিষ্ট স্থানত এই সম্পৰ্কে উল্লেখ কৰা হৈছে।

কৃতজ্ঞতা স্বীকাৰ ঃ প্ৰাৰম্ভতেই আমাক এই গৱেষণা কাৰ্যত আগবাঢ়িবলৈ অনুমতি দিয়াৰ বাবে দিশপুৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° অমৰ শইকীয়াদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

গৱেষণা গ্ৰন্থখনিৰ প্ৰণয়নৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ কৰ্তৃপক্ষলৈ কৃতজ্ঞতা জনাইছো।

গ্ৰন্থখনিৰ প্ৰাৰম্ভিক আঁচনি যুগুত কৰাৰে পৰা সামৰণিলৈকে বিভিন্ন ক্ষেত্ৰত দিহা পৰামৰ্শ দি আমাক ঋণী কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক বিশিষ্ট পণ্ডিত গৱেষক শংকৰদেৱ বঁটা বিজয়ী ড° কেশৱানন্দ দেৱগোস্বামীৰ ওচৰত কৃতজ্ঞতাৰে শিৰ দোঁৱাইছো।

গৱেষণাৰ তথ্য-পাতি সংগ্ৰহৰ কামত বিভিন্ন সত্ৰলৈ যাওঁতে সত্ৰসমূহৰ সত্ৰাধিকাৰসকলকে আদি কৰি অভিজ্ঞ ভকত-বৈষ্ণৱসকলে আমাক বিভিন্ন সমল দি সহায় কৰিছে। তাৰবাবে তেওঁলোক সকললৈ সশ্ৰদ্ধ কৃতজ্ঞতা নিবেদন কৰিলো।

অধ্যয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, শিৱসাগৰ মহাবিদ্যালয়ৰ পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, দিশপুৰ মহাবিদ্যালয়ৰ পুথিভঁৰাল, গুৱাহাটী জিলা পুথিভঁৰাল, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ গ্ৰন্থাগাৰ, বৰদোৱা গ্ৰন্থাগাৰ আৰু কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰৰ কৰ্তৃপক্ষলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।

গৱেষণাৰ সময়ছোৱাত নানা প্ৰকাৰে উৎসাহ যোগোৱাৰ বাবে সহৃদয় সহকৰ্মী সকলোৰে এই চেগতে শলাগ ল'লো।

নিজৰ এশ এবুৰি কামৰ মাজতো মোক বিভিন্ন ধৰণে সহায় কৰা আমাৰ গৃহস্থ শ্ৰী দুলাল গোস্বামী দেৱৰ ওচৰতো কৃতজ্ঞ হৈ ৰ'লো।

আমাৰ ল'ৰা-ছোৱালী দুটি ক্ৰমে মাইনা (গৌৰৱ) আৰু অকু (গাৰ্গী)য়ে সিহঁতৰ নিজৰ ধৰণে সদায় প্ৰেৰণা দি আহিছে। সিহঁতৰ লগতে মোৰ সমূহ শুভাকাংখীলৈ আন্তৰিক স্নেহ তথা শলাগ আগবঢ়ালো।

সদৌ শেষত নিজৰ কাম আঁতৰাই থৈ অশেষ কষ্ট কৰি কম সময়ৰ ভিতৰতে ছপা-বন্ধাৰ কামখিনি কৰি গ্ৰন্থখনি নিৰ্দিষ্ট সময়ৰ ভিতৰত দাখিল কৰাত বিশেষ অৰিহণা যোগোৱা মোৰ ভ্ৰাতৃ প্ৰতীম শ্ৰীনৰেন বৰালৈ স্নেহসিক্ত কৃতজ্ঞতা জনালো।

বৈ যোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি---

দিশপুৰ মহাবিদ্যালয়, গুৱাহাটী
মাৰ্চ ২০০৯ চন

(জয়জ্যোতি গোস্বামী)
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ

সূচীপত্ৰ


আগ কথা ঃ 〇১

প্ৰথম অধ্যায় ঃ

অৱতৰণিকা ঃ ১

দ্বিতীয় অধ্যায় ঃ

শংকৰদেৱৰ জীৱন আৰু সাহিত্যৰ চমু পৰিচয় ১২

তৃতীয় অধ্যায় ঃ

শংকৰদেৱৰ সাহিত্যত নদী আৰু তৎসংশ্লিষ্ট বিষয় সন্ধান ১৯

ক) জলচৰ আৰু জলজ জীৱ ঃ ২৩

খ) জলজ পুষ্প ঃ ৩৭

গ) জলাধাৰ ঃ ৯২

ঘ) ঢৌৰ সমাৰ্থক শব্দ ঃ ১৩৫

ঙ) নদীৰ নাম ঃ ১৪০

চ) পানীৰ সমাৰ্থক শব্দ ঃ ১৫৮

ছ) বিজুলীৰ সমাৰ্থক শব্দ ঃ ১৮৮

জ) মেঘৰ সমাৰ্থক শব্দ ঃ ১৯৭

ঝ) নদীৰ সৈতে সংশ্লিষ্ট অন্যান্য বিষয়সমূহ ঃ ২১৩

চতুৰ্থ অধ্যায় ঃ

শংকৰদেৱৰ জীৱনৰ সৈতে সম্পৃক্ত নদী আৰু তৎসংশ্লিষ্ট বিষয় ২৬২

নিৰ্বাচিত গ্ৰন্থ পঞ্জী ঃ ২৭২

## সংকেত সূচী

| | |
|---|---|
| কীৰ্তন | (কী) |
| ভাগৱত প্ৰথম স্কন্ধ | (ভা. প্ৰ. স্ক.) |
| ভাগৱত দ্বিতীয় স্কন্ধ | (ভা. দ্বি. স্ক.) |
| ভাগৱত দশম স্কন্ধ | (ভা. দ. স্ক.) |
| ভাগৱত একাদশ স্কন্ধ | (ভা. এ. স্ক.) |
| ভাগৱত দ্বাদশ স্কন্ধ | (ভা. দ্বা. স্ক.) |
| হৰিশ্চন্দ্ৰ উপাখ্যান | (হ. উ.) |
| ৰুক্মিণী হৰণ কাব্য | (ৰু. হ. কা.) |
| অজামিল উপাখ্যান | (অ. উ.) |
| অমৃত মথন কাব্য | (অ. ম. কা.) |
| বলি ছলন কাব্য | (ব. ছ. কা.) |
| কুৰুক্ষেত্ৰ কাব্য | (কু. ক্ষে. কা.) |
| ভক্তি প্ৰদীপ | (ভ. প্ৰ.) |
| অনাদি পাতন | (অ. পা.) |
| নিমি নব সিদ্ধ সংবাদ | (নি. ন. সি. সং.) |
| উত্তৰা কাণ্ড ৰামায়ণ | (উ. কা. ৰা.) |
| কালী দমন নাট | (কা. দ. না) |
| কেলি গোপাল নাট | (কে. গো. না.) |
| ৰুক্মিণী হৰণ নাট | (ৰু. হ. না.) |
| পাৰিজাত হৰণ নাট | (পা. হ. না.) |
| গুণ মালা | (গু. মা.) |
| কথা সূত্ৰ | (ক. সূ.) |
| ছেদ | (ছে.) |
| সম্পাদনা | (সম্পা.) |
| পৃষ্ঠা | (পৃ) |

## প্ৰথম অধ্যায়

## অৱতৰণিকা

প্ৰাচীন কালৰে পৰা বিশ্ব সাহিত্যত নদীয়ে এক বিশিষ্ট স্থান গ্ৰহণ কৰি আহিছে। সাধাৰণভাৱে ভাৰতীয় সাহিত্য আৰু বিশেষভাৱে অসমীয়া সাহিত্যও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। আদিম মানৱে বিশ্ব প্ৰকৃতিৰ বিভিন্ন বিষয়ৰ পৰাই তেওঁলোকৰ অভিজ্ঞতাসমূহ অৰ্জন কৰিছিল। মানুহ প্ৰাকৃতিক জীৱ। প্ৰকৃতিৰ কোলাতেই জন্ম লৈ প্ৰকৃতিৰ কোলাতেই লালিত-পালিত হৈ লাহে লাহে মানুহে প্ৰকৃতিৰ মহিমামণ্ডিত ৰূপৰ সন্ধান পালে। প্ৰকৃতিৰ মাজত লুকাই থকা শক্তিক চিনিব পাৰি মানুহে এদিন প্ৰকৃতিক ভয় কৰিবলৈও শিকিলে। তাৰে পৰাই হৃদয়ত ভক্তি ভাবৰ উদ্ভৱ হ'ল। প্ৰকৃতিৰ প্ৰতি ভক্তিত গদগদ হৈ প্ৰকৃতিৰ বিভিন্ন উৎপাদন যেনে– নদী, জল, বৰষুণ, অগ্নি, গছ, পাহাৰ-পৰ্বত, মেঘ, ৰ'দ, বতাহ আদি সকলোতে দেৱত্ব আৰোপ কৰি প্ৰকৃতিক পূজা কৰিবলৈ, স্তুতি কৰিবলৈ নানা স্তুতি গীত ৰচনা কৰিলে। জ্ঞান-বিজ্ঞান চৰ্চাৰে মগজুৰ উৎকৰ্ষ ঘটা হৃদয় বৃত্তিৰ প্ৰসাৰ ঘটা মানুহে এদিন উপলব্ধি কৰিলে যে মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক অতিকে অন্তৰংগ। অনাদি কালৰে পৰা প্ৰকৃতি মানুহৰ সুখ-দুখ হৰ্ষ-বিষাদৰ সহচৰী স্বৰূপ। নদী এই প্ৰকৃতিৰেই এক অবিচ্ছেদ্য অংগ।

নদী পৃথিৱীৰ প্ৰাণ স্বৰূপ। পৃথিৱীত গঢ়ি উঠা মানৱ সভ্যতাৰ সৃষ্টিকৰ্তা হৈছে নদী। ভাৰতীয় সভ্যতাও ইয়াৰ ব্যতিক্ৰম নহয়। নদীয়েই হৈছে জীৱন দায়িনী মাতৃ স্বৰূপা। সেয়ে ভাৰতবৰ্ষ খন হৈ পৰিছে নদীমাতৃক দেশ। নদীৰ উৎস কেইবাটাও– ওখ পৰ্বতৰ স্তূপীকৃত বৰফ বা হিম প্ৰবাহ, নিজৰা, জলপ্ৰপাত নতুবা পানীৰে উপচি পৰা কোনো হ্ৰদ বা সৰোবৰ। এই উৎসৰ পৰা ওলাই আহোঁতে নদীৰ আকৃতি নিচেই ঠেক হয়। তাকেই কোৱা হয় জান বা জুৰি। জান বা জুৰি পাহাৰৰ শিলে শিলে ঠেকা খাই কুলু কুলু ধ্বনিৰে পাহাৰৰ ওপৰৰ পৰা ভৈয়ামলৈ নামি আহে তেতিয়াই বহল আৰু গভীৰ ৰূপ ধাৰণ কৰি নদী বা নৈ নাম লয়। এইদৰে হৈ আহোঁতে একোটি মূল সুঁতিত অন্য নদী আহি লগ হৈ মূল নদীখনক পৰিপুষ্ট কৰে। তাকেই কোৱা হয় উপনদী। কেতিয়াবা মূল নদীখনৰ পৰা একোটি জলধাৰা অন্য ফালে নিজস্ব গতিৰে বৈ গৈ কোনো ডাঙৰ নদী বা সাগৰ বা উপসাগৰত পৰে তাকেই কোৱা হয় শাখা নদী। এতিয়া ভৌগোলিক দিশৰ পৰা আমি এনে এটি সংজ্ঞা দিব পাৰোঁ যে যি পানী ভাগ কোনো পৰ্বত, পাহাৰৰ সৰোবৰৰ পৰা ওলাই নানা ঠাইৰ মাজেৰে বৈ গৈ কোনো সাগৰ বা হ্ৰদত পৰে তাকেই নদী বোলা হয়।

সুজলা নদীৰ দুয়োপাৰ অতিকে সাৰুৱা। এনেকুৱা সাৰুৱা মাটি শইচেৰে নদন বদন হৈ একোখন দেশ, দেশৰ মানুহক জীৱনী শক্তি প্ৰদান কৰে। কেতিয়াবা একোখনি কল্যাণ দায়িনী নদীয়ে বাৰিষা ফেনেফোটোকাৰে বৈ আহি প্লাৱন সৃষ্টি কৰি মানুহৰ জীৱন যাত্ৰা দুৰূহ কৰি তোলে। মধুৰ সলিল ৰাশি সেয়ে কেতিয়াবা হৈ পৰে দুখৰ চকুলো। তথাপিও পানীয়েই হৈছে প্ৰাণীৰ প্ৰাণ। পানীৰ অবিহনে জীৱ জন্তু, উদ্ভিদ, মানুহ কোনোৱেই জীয়াই থকা সম্ভৱ নহয়। পৃথিৱীৰ ৭০ শতাংশই পানীয়ে আবৰি আছে। বাকী ৩০ শতংশহে মাটি। সাগৰ, নদী, হ্ৰদ, পৃথিৱীৰ অন্তৰ্ভাগ পনীৰে পূৰ্ণ হৈ আছে আৰু আমাৰ শ্বাস প্ৰশ্বাসৰ বায়ুতো

পানীৰ অস্তিত্ব বিদ্যমান। আমাৰ দেহতো দুই তৃতীয়াংশই পানী। বহু বিজ্ঞানীয়ে সাগৰৰ লুণীয়া পানীতেই যে প্ৰথম জীৱৰ সৃষ্টি সেই কথা বিশ্বাস কৰে।

ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে পানী মানুহৰ এহাতে দাস আৰু অন্যহাতে হৰ্তাকৰ্তা বিধাতা। যি ঠাইতেই পানীৰ প্ৰাচুৰ্য তাতেই উচ্চ সভ্যতাৰ উত্থান ঘটিছে। এজোকন মানুহ অন্য খাদ্য নোখোৱাকৈ দুমাহতকৈও অধিক দিন জীয়াই থাকিব পাৰে, কিন্তু পানী নোখোৱাকৈ অৰ্থাৎ পানীৰ অবিহনে এসপ্তাহৰ বেছি দিন জীয়াই থাকিব নোৱাৰে। প্ৰাণীৰ দেহত থকা পানীৰ ২০ শতাংশৰ যদি অভাৱ ঘটে তেন্তে সেই প্ৰাণীৰ মৃত্যু সুনিশ্চিত।

উন্নত দেশসমূহত পানী কেৱল খোৱাৰ বাবেই ব্যৱহাৰ নহয়। ঘৰুৱা বিভিন্ন কাম-কাজৰ পৰিষ্কাৰ পৰিচ্ছন্নতা, আদিৰ কামত পানীৰ ব্যৱহাৰ হোৱাৰ উপৰিও কৃষিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা কৰে। উদ্যোগসমূহতো প্ৰচুৰ পানীৰ আৱশ্যকতা আছে আৰু পানীৰ পৰা বিদ্যুৎ শক্তি উৎপাদন কৰা হয়, লগতে পৰিবহনৰ ক্ষেত্ৰতো পানীৰ গুৰুত্বপূৰ্ণ স্থান আছে।

প্ৰাণীৰ জীৱনী শক্তি পানীৰ সৃষ্টি প্ৰক্ৰিয়া বিশ্ব প্ৰকৃতিয়ে অন্তহীন গতিৰে অব্যাহত ৰাখিছে। সাগৰৰ পানী সূৰ্যৰ তাপত বাষ্প হৈ আকাশলৈ গৈ চেঁচাঁহৈ গোট মাৰি মেঘ বা ডাৱৰে বৰষুণ হৈ পুনৰ পৃথিৱীলৈ উভতি আহে। তেনেকৈ বৰষুণ হৈ পৰা পানীয়েই পুনৰ বাষ্পত পৰিণত হয়। এয়েই হৈছে অসমাপ্ত জলচক্ৰ। পানীৰ সৃষ্টি প্ৰক্ৰিয়া কেৱল বাষ্প, মেঘ- বৰষুণতে আবদ্ধ যদিও ইয়াৰ লগতে আছে বৰ্ষা ঋতুত মেঘে মেঘে হোৱা ঘৰ্ষণ, তাৰ ফলত উদ্ভৱ হোৱা চিকমিক বিদ্যুৎ প্ৰভা, বজ্ৰপাত, গাজনি, ঢেৰেকণি, ডাৱৰত সূৰ্যৰ পোহৰে সৃষ্টি কৰা সাতোৰঙী ৰাম ধেনু আদিৰ অপূৰ্ব লীলা-খেলা। এই সকলোবোৰে প্ৰতি আকৃষ্ট হৈয়েই আদিম মানৱে নদীক দেৱতা ৰূপে জ্ঞান কৰিছিল। সময়ৰ সোঁতত সেয়ে নদী, সাগৰ, পানী মেঘৰ স্তুতি গীতসমূহৰ সৃষ্টি হৈছিল।

এলিজাবেথীয় যুগৰ ইংৰাজী সাহিত্যত টেইমচকে আদি কৰি নদীৰ নাম উল্লেখ কৰা হৈছে। ৱৰ্ডছৱৰ্থ, শেলী, স্পেনছাৰ আৰু অন্যান্য কবিসকলেও তেওঁলোকৰ সাহিত্যত নদী, হ্ৰদ, ইত্যাদিৰ কথা উল্লেখ কৰিছে।

ভাৰতীয় সাহিত্যতো নদী আৰু তাৰ লগত জড়িত নানা বিষয়ৰ উল্লেখ আছে। এই সন্দৰ্ভত পবিত্ৰ নদী গংগাৰ কথা উল্লেখ কৰিব পাৰি। নদীৰ পবিত্ৰ জল পূজাৰ বাবে অত্যাৱশ্যকীয় বস্তু। নিম্নোক্ত শ্লোকটিত আমি পবিত্ৰ পানীৰ উল্লেখ পাওঁ, যাৰ অৰ্থ হৈছে গংগা অৱাহন--

"গংগে চ যমুনা চৈব
গোদাৱৰী সৰস্বতী
নৰ্মদা সিন্ধু কাবেৰী
জল সন্নিহিতো ভৱ।"

এই সাতখন নদীৰ উপৰিও উৎপত্তিৰ ক্ষেত্ৰত পৰশুৰামৰ স্মৃতি বিজড়িত আৰু আখ্যানে চিহ্নিত লৌহিত্য বা ব্ৰহ্মপুত্ৰ স্নানৰ গুৰুত্বৰ কথা তলৰ শ্লোকটিত পোৱা যায়--

"ব্ৰহ্মাপুত্ৰ মহাবাহু
শান্তনুকুলনন্দন
অমোঘা গৰ্ভ সম্ভূতা
পাপম লৌহিত্যমে হৰ।"

কেৱল অসমৰে নহয়, সুদূৰ নেপালৰ পৰা তীৰ্থ যাত্ৰী আহি ইয়াত স্নান কৰি পাপনাশ হয় বুলি বিশ্বাস কৰে। পৰশুৰাম কুণ্ডত স্নানৰ বাহিৰেও অশোকাষ্টমীত ব্ৰহ্মাপুত্ৰত স্নান কৰাটো পুণ্যৰ কাম বুলি বিশ্বাস কৰা

হয়।

**সংস্কৃত সাহিত্যত নদী ঃ**

ভাৰতৰ প্ৰাচীনতম গ্ৰন্থ হৈছে ঋগ্বেদ। ঋগ্বেদত ঋষি সিন্ধুক্ষিতে উনৈশখন নদীৰ স্তুতি কৰিছে। এই উনৈশখন নদীৰ ভিতৰত সিন্ধু নদীকেই আটাইতকৈ তেজস্বিনী বুলি উল্লেখ কৰিছে। নদী স্তুতিত এইদৰে কোৱা হৈছে--

ইমংমে গংগে, যমুনে সৰস্বতী শুতুদ্রি স্তোমং সচেতা পুৰুষ্ণ্যা।
আসিক্ন্যা মৰু দ্বৃধে বিতস্তয়ার্জীকীয়ে শৃনুহ্যা সুষোময়া।।
তৃষ্টাময়া প্ৰথমং যাবতে সজুঃ সুসৰ্ত্বা ৰসয়া শ্বেত্যা ত্যা।
ত্বং সিন্ধো কুভয়া গোমতীং ক্ৰুমুং মেহৎস্না সৰথং যাভিয়ীয়মে।। [১]

নদী আৰু পানীৰ সৈতে সংশ্লিষ্ট মেঘ বা ডাৱৰে সংস্কৃত সাহিত্যত বিশিষ্ট স্থান গ্ৰহণ কৰিছে। মহাকবি কালিদাসৰ অমৰ সৃষ্টি 'মেঘদূত' এখনি দূত কাব্য। ইয়াত কবিয়ে মেঘক দূত হিচাপে অংকন কৰি মেঘৰ ওপৰত ব্যক্তিসত্বা আৰোপ কৰিছে।

ভাৰতীয় পৰম্পৰা অনুসৰি জগতত একো বস্তুৱেই অচেতন নহয়। 'অচৈতান্যং ন বিদ্যতে।' সেয়েহে "মেঘদূতত আমি দেখিবলৈ পাইছো সাধাৰণ দৃষ্টিত কেৱল "ধূম জ্যোতিঃ সলিল মৰুতং সন্নিপাতঃ" অৰ্থাৎ ধোঁৱা, পোহৰ, পানী আৰু বায়ুৰ সমাবেশ মাত্ৰ নিৰ্জীৱ মেঘ খণ্ডকে কালিদাসৰ নায়ক যক্ষই হৃদয় সংবাদ জনাই দৌত্য কাৰ্যত নিয়োগ কৰিছে।

মেঘদূতত মানৱ মনৰ ওপৰত বৰ্ষা ঋতুৰ গভীৰ প্ৰভাৱ সুন্দৰকৈ প্ৰকাশ পাইছে। কুবেৰৰ নিৰ্বাসিন দণ্ডৰ কাৰণে প্ৰিয়তমাৰ পৰা আঁতৰি অলকাপুৰীৰ পৰা গৈ ৰামগিৰিত থাকিবলগীয়া হোৱা বিৰহী যক্ষই "আষাৰস্য প্ৰথম দিৱসে" আকাশত এচপৰা কলীয়া ডাৱৰ দেখি বিৰহত কাতৰ হৈ পৰিছে--

মেঘালোকে ভৱতি সুখিনোহপ্যন্যথাবৃত্তি চেতঃ।
কণ্ঠাশ্লেষ প্ৰণয়িনি জনে কিং পুনৰ্দুৰসংস্থে।।

-- মেঘদূত, পূৰ্ব মেঘ- ৩ [২]

কেৱল মেঘেই নহয়-- এই কাব্যত শ্ৰৱণ মধুৰ মেঘৰ গাজনি মানস সৰোবৰ, নিজৰাৰ পানী, ইন্দ্ৰধনু, বাৰিষাৰ পানীৰ লগত ওতপ্ৰোত সম্বন্ধ থকা চহোৱা মাটিৰ গোন্ধ, বৰষুণ, নৰ্মদা নদী, বেত্ৰৱতী নদীৰ সুস্বাদু জল, জলকণা, বিজুলীলতা, তৰংগ, আকাশীগংগা, শিলাবৃষ্টি আদি নানা বিষয়ৰ অৱতাৰণা কৰিছে।

'ঋতুসংহাৰ' কাব্যতো মহাকবিয়ে পশুপক্ষীৰ শৃংগাৰ চেষ্টাৰ বৰ্ণনাৰ প্ৰসংগত বৰ্ষা ঋতুৰ উল্লেখ কৰিছে--

ময়ুৰ ময়ুৰীসবে বৰ্ষা ঋতু সমাগমে
সকলোৱে আনন্দত মতলীয়া হয়।
সম্ভ্ৰম আলিংগণে চুম্বন মানস কৰি
প্ৰেমেৰে চালি ধৰি নাচিবলৈ লয়। [৩]

'ৰঘুবংশ'ৰ দ্বিতীয় সৰ্গত বৰ্ণনাত আছে যে "গিৰী নদীৰ জলকণা বহন কৰি অনা আৰু বনফুলৰ সুৰভিৰে সুগন্ধিত মৃদু বতাহে ছত্ৰ বিহীন দিলীপে ৰ'দত কষ্ট পোৱা দেখি চোঁৱৰ বুলাই দিছে।" [৪]

আমাৰ মূল আলোচ্য বিষয় যিহেতু শংকৰদেৱৰ সাহিত্য সেয়ে সংস্কৃত সাহিত্যৰ বিস্তৃত আলোচনালৈ যোৱা নহ'ল।

শংকৰদেৱৰ সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে অসমৰ মৌখিক সাহিত্য আৰু শংকৰদেৱৰ পূৰ্বৰ লিখিত সাহিত্যত এনেবোৰ বিষয়ৰ কেনে ভূমিকা আছে তাৰ বিষয়ে এটি চমু আলোচা আগবঢ়োৱা হ'ল।

**অসমৰ লোক সাহিত্যত নদী ঃ**

প্ৰাচীন কালত "নদীশত সমা যুক্ত" কামৰূপ নামে জনাজাত অসমৰ চাৰিসীমা আছিল এনে-

"কৰতোৱা সমাশ্ৰিত্যাং যাবদ্দিকৰ বাসিনী।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোৱা তু পশ্চিমে।।
তীৰ্থ শ্ৰেষ্ঠা দিক্ষুনদী পূৰ্বস্যাং গিৰি কণ্যকে।

..........................................................................

দক্ষিণে ব্ৰহ্মাপুত্ৰস্য লাক্ষায়াঃ সঙ্গামাবধি।।
কামৰূপ ইতিখ্যাতঃ সৰ্বশাস্ত্ৰেস্যু নিশ্চিতঃ।"[৫]

এনে এখন দেশৰ সুজলা নদী সুফলা পথাৰৰ বুকুত গঢ়ি উঠা সভ্যতাৰ সুশীল স্পৰ্শত সৃষ্টি হোৱা জনমনৰ মুক্ত প্ৰকাশ লোক সাহিত্যসমূহত নৈ, বিল, পানী, বতাহ, বৰষুণ, বিজুলী, মেঘ, ডাৱৰ আদি নদী-সংযুক্ত নানা বিষয় প্ৰত্যক্ষ বা পৰোক্ষভাৱে নীবিড় সম্পৰ্কিত হৈ আছে। তাৰেই কিছু কথা উল্লেখ কৰা হ'ল।

লোক সাহিত্যক নিম্নোক্ত ধৰণে ভাগ কৰিব পৰা যায়--

ক) গীতি সাহিত্য, খ) সাধু কথা, গ) মন্ত্ৰ, ঘ) প্ৰবচন, ফকৰা যোজনা, সাঁথৰ, ঙ) ডাকৰ বচন।

এই আলোচনাত গীতি সাহিত্যৰ ওপৰতহে গুৰুত্ব দিয়া হ'ব।

অসমীয়া গীতি সাহিত্যৰ অনবদ্য উপাদান হৈছে বিহুগীত। বিহুগীত অসমীয়াৰ হিয়াৰ আমঠু বঙালি বিহুৰ অবিচ্ছেদ্য অংগ। বসন্তৰ আগমনৰ লগে লগে প্ৰকৃতি সেইজীয়া হয়, নানা বৰণীয়া ফুলেৰে জাতিষ্কাৰ হয়, অসমৰ হাবিবন নানা পক্ষীৰ কাকলিৰে ভৰি পৰে, মন কমোৱা তুলাৰ দৰে উৰে, ডেকা গাভৰুৰ মনত সৃষ্টি হয় প্ৰেমৰ উন্মাদনাথ এনে উন্মাদনাই প্ৰকৃতিৰ গাত ভেজা দি গীত হৈ প্ৰকাশ পায়। গতিকে প্ৰেম, বিৰহ, গাভৰুৰ ৰূপৰ বৰ্ণনা আদি নানা বিষয় প্ৰকাশিত হোৱা বিহু গীতবোৰত প্ৰকৃতিৰ ফুল, চৰাই আদি নানা উপাদানৰ লগতে নদী আৰু নদী-সংশ্লিষ্ট বিষয়সমূহৰো অৱতাৰণা হৈছে।

নদী অসমীয়াৰ জীৱন প্ৰৱাহৰ কেন্দ্ৰ স্বৰূপ। শিশু কালৰে পৰা নৈৰ বুকুত উমলি জামলি ডাঙৰ হোৱা ডেকা গাভৰুৱে যৌৱনত হৃদয়ৰ ভাৱ প্ৰকাশ কৰাৰ মুহূৰ্ততো নৈখনৰ আশ্ৰয় লয়। সেয়ে বিহুগীতবোৰত জাঁজি, দিখৌ, দিহিং, দিচাং, ভোগদৈ, কাকডোঙা, ধনশিৰী, লুইত ব্ৰহ্মপুত্ৰৰ প্ৰভাৱ অপৰিসীম। উদাহৰণ স্বৰূপে কেইফাকিমান উল্লেখ কৰা হ'ল।

লুইতৰ পাৰৰে বালি ঐ লাহৰী
লুইতৰ পাৰৰে বালি।
উঘা পকোৱাদি পকাই পকাই সুধিলো
পেটৰ কথা নক'লা ফালি।

ধনশিৰী দলংখন ভেটিলে ঐ চেনাইকণ
লোহাৰে শলখা মাৰি,
তোমাকে আমাকে ভেটিলে সমাজে

দুটি দেহা দুগালে কৰি।

ব্ৰহ্মপুত্ৰ পাৰৰে ব্ৰহ্ম থুৰি জোপি
আমি বিছমৰা ঠাই,
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই।

******

তোমাৰে মুখখনি মালি মাছৰ নিচিনা
বামী মাছৰ নিচিনা চুলি।

(উপমা অলংকাৰ)

হাতো পদুমী ভৰিও পদুমী
পদুমী ছোৱালীৰ নাও।

(ৰূপক অলংকাৰ)

ছোৱালী লোতেপা বিজুলী চকুৱা
মুখত মিচিকনি হাঁহি।

(উপমা আলংকাৰ)

অসমীয়াত লোক বিশ্বাস মতে বসন্ত ৰোগৰ অধিষ্ঠাত্ৰী দেৱী হ'ল আই বা শীতলা। বসন্ত ৰোগৰ নিৰাময়ৰ বাবে আইক সন্তুষ্ট কৰিবলৈ নামতী সকলে ভক্তিভাৱে গোৱা 'আইনাম', 'আই সবাহৰ নাম' 'আসন পতা সবাহৰ নাম', শীতলাৰ নাম সমূহতো বিভিন্ন নদীৰ নাম উল্লেখ পোৱা যায়। লগতে নদীৰ লগত জড়িত শব্দসমূহো বিভিন্ন ৰূপত ব্যৱহাৰ হৈছে–

দুৰ্গাপদে নৌকাখনি এ হৃদয়তে চৰে।
আপদ কুম্ভীৰ ভয়ে সমুদ্ৰতে তাৰে।

(ৰূপক অলংকাৰ)

মালিনীৰ ঘাটতে আয়ে স্নান কৰে
লাহৰ কেশে তাৰি মেলি

******

লুইতৰ বালি তিয়াব নোৱাৰি
বৰুণে নিতিয়াই মানে।

******

যমুনাৰ তীৰতে আয়ে চিনান (স্নান) কৰে
লাহৰ কেশেতাৰি মেলি।

******

মানাহৰে পানী আনাগৈ ভৱানী
তামাৰ কলসী লৈ।

ইত্যাদি

অসমীয়া বিবাহ অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত বিয়ানাম সমূহতো নৈৰ উল্লেখ মন কৰিবলগীয়া। বিবাহ অনুষ্ঠানৰ জোৰোণ দিয়া, পানী তোলা, নোওৱা-ধুওৱা, হোমৰ গুৰিত বহা, দৈয়ন দিয়া আদি আনুষ্ঠানিক

কাৰ্যবোৰৰ লগত খাপখুৱাই লোৱা নামবোৰতো নদী সম্পৰ্কীয় নানা বিষয় সোমাই আছে।

কাষে ঘট লোৱা বাধে
মাথাই লোৱা মালা।
যমুনালৈ যাব লাগে
নকৰিবা হেলা।

******

জলভৰি যশোদা পাছলৈ নাচাবা
সাগৰো আহিব ভাঁহি।

******

আইদেউৰে চোতালতে হালি আছে নল
কলহে কলহে ঢালে যমুনাৰে জল।

পাৰমাৰ্থিক তথা দেহতাত্ত্বিক বিষয়েৰে পৰিপূৰ্ণ দেহ বিচাৰৰ গীতবোৰতো প্ৰতীকী অৰ্থত নদী, নাও, নৌকা আদি শব্দসমূহৰ প্ৰয়োগ ঘটিছে।

কেতিয়াবা কোনো গীতত সংসাৰখন এখন নদী, মনটো নৌকা, গুৰুজন নাৱৰ গুৰিয়াল, ইহকাল পৰকাল, নদীখনৰ দুয়োটা পাৰ হিচাপে অংকিত হৈছে। কেতিয়াবা সংসাৰখনক সমুদ্ৰও বুলিছে—

অ'ভাই অসাৰ মানৱী দেহা ..........
কিমতে তৰিব আমি অপাৰ এই ভৱনদী
জনম-মৰণ লৈয়া বেহা ...........
অথিৰ চিতৰ নৌকা কাণ্ডাৰী বিহীন
প্ৰবেশিয়া মহাকাল মাৰে চিনভিন।

(ৰূপক অলংকাৰ)

******

সংসাৰ সমুদ্ৰ মাজে নৌকা এক বহে।
কাণ্ডাৰী মাধৱ গুৰু ভকতক কহে।।
আশা পাল লৈলে ভাই নৌকা হৈব ভাৰী।
সমুদ্ৰৰ মধ্যে পৰি বুৰিব কাণ্ডাৰী।

(ৰূপক অলংকাৰ)

******

আৰ এক নদী আছে বয় তীক্ষ্ণ ধাৰে।
কাল নিকাল দুটি পখী ইপাৰে সিপাৰে।

(ৰূপক অলংকাৰ)

অসমক গাঁৱে-ভূঞে ব'ৰাগী স্বভাব কবি সকলে বাতত টোকাৰী লৈ গাই ফুৰা কাৰণে এই গীতবোৰক টোকাৰী গীত বোলা হয়। এনেকৈ গাইফুৰা শিৱ বিষয়ক 'সদাশিৱৰ গীত'ত এনেদৰে নদীৰ নাম উল্লেখ আছে—

সভাৰ মধ্যে বহি শিৱই ডম্বৰু বজাই হৰ হে।
ব্ৰহ্মপুত্ৰই বেঢ়ি আছে, ভোলানাথ বসি আছে
ত্ৰিশূলত কৰিছে শয়ন হৰ হে।

কাৰ্যবোৰৰ লগত খাপখুৱাই গোৱা নামবোৰতো নদী সম্পৰ্কীয় নানা বিষয় সোমাই আছে।

কাষে ঘট লোৱা বাগে
মাথাই লোৱা মালা।
যমুনালৈ যাব লাগে
নকৰিবা হেলা।

******

জলভৰি যশোদা পাছলৈ নাচাবা
সাগৰো আহিব ভাঁহি।

******

আইদেউৰে চোতালতে হালি আছে নল
কলহে কলহে ঢালে যমুনাৰে জল।

পাৰমাৰ্থিক তথা দেহতাত্ত্বিক বিষয়েৰে পৰিপূৰ্ণ দেহ বিচাৰৰ গীতবোৰতো প্ৰতীকী অৰ্থত নদী, নাও, নৌকা আদি শব্দসমূহৰ প্ৰয়োগ ঘটিছে।

কেতিয়াবা কোনো গীতত সংসাৰখন এখন নদী, মনটো নৌকা, গুৰুজন নাৱৰ গুৰিয়াল, ইহকাল পৰকাল, নদীখনৰ দুয়োটা পাৰ হিচাপে অংকিত হৈছে। কেতিয়াবা সংসাৰখনক সমুদ্ৰও বুলিছে--

অ'ভাই অসাৰ মানৱী দেহা ...........
কিমতে তৰিব আমি অপাৰ এই ভৱনদী
জনম-মৰণ লৈয়া বেহা ............
অথিৰ চিতৰ নৌকা কাণ্ডাৰী বিহীন
প্ৰবেশিয়া মহাকাল মাৰে চিনভিন।

(ৰূপক অলংকাৰ)

******

সংসাৰ সমুদ্ৰ মাজে নৌকা এক বহে।
কাণ্ডাৰী মাধৱ গুৰু ভকতক কহে।।
আশা পাল লৈলে ভাই নৌকা হৈব ভাৰী।
সমুদ্ৰৰ মধ্যে পৰি বুৰিব কাণ্ডাৰী।

(ৰূপক অলংকাৰ)

******

আৰ এক নদী আছে বয় তীক্ষ্ণ ধাৰে।
কাল নিকাল দুটি পক্ষী ইপাৰে সিপাৰে।

(ৰূপক অলংকাৰ)

অসমৰ গাঁৱে-ভূঞে ব'ৰাগী স্বভাৱ কবি সকলে বাতত টোকাৰী লৈ গাই ফুৰা কাৰণে এই গীতবোৰক টোকাৰী গীত বোলা হয়। এনেকৈ গাইফুৰা শিৱ বিষয়ক 'সদাশিৱৰ গীত'ত এনেদৰে নদীৰ নাম উল্লেখ আছে—

সভাৰ মধ্যে বহি শিৱই ডম্বৰু বজাই হৰ হে।
ব্ৰহ্মপুত্ৰই বেঢ়ি আছে, ভোলানাথ বসি আছে
ত্ৰিশূলত কৰিছে শয়ন হৰ হে।

জন্টাৰ মাজে ভাগিৰথী কৰে টল মল হৰ হে।

কামৰূপী আৰু গোৱালপৰীয়া লোক গীতসমূহ অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ। স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ এই গীতসমূহতো বিভিন্ন নদীৰ নাম উল্লেখ আছে

যমুনাৰ বালিতে কানাই বহি আছে
মাথাৰে মুকলি চুলি।

(কামৰূপী লোক গীত)

কামৰূপী লোকগীতসমূহত ঠায়ে ঠায়ে সাগৰ, নৌকা, বৰষুণ আদি শব্দসমূহো প্ৰতীকী অৰ্থত ব্যৱহৃত হৈছে—

কি কৈ তাৰি যামে আত
অপাৰ সাগৰ ঢৌৰে জোৱাৰ
উঠে ঘনে ঘনে পাক।
ঢুলুকি ঢুলুকি নৌকাই পানী খালে
তিলে পৰিমাণ কায়।।
আনেলি নেলিকা না-বৰষুণে
সাতো সাগৰৰ বেৰা।

গোৱালপৰীয়া লোক গীতসমূহতো যমুনা, গংগা, চম্পা, ধল্লা, তোৰসা, বায়ডাক আদি নদী, নৈৰ ঘাট, ঢৌ আদিৰ উল্লেখ আছে—

সখীৰে হে সখী আয়
আৰতো যমুনাৰ জলে যৰনা।

******

"আজি গংগাৰ ধাৰে যেনে ঢৌ ঢৌ বোল বালা" ......................
"আজি ধল্লা নদীত যেমন চিৎকাৰে মাটি। ......................

******

তোৰষা নদীৰ পাৰে পাৰে ৰায়দাক নদীৰ পাৰে
সোণাৰ বন্ধু গান কৰিয়া যায়।

আখ্যানমূলক লোক গীতসমূহ অসমীয়া লোক সাহিত্যৰ বৰপেৰাটিৰ এপদ সুবগা চৰোৱা সোণৰ সাতসৰী। বুৰঞ্জীমূলক, কিম্বদন্তীমূলক বা জনশ্ৰুতিমূলক আৰু কাল্পনিক আখ্যান গীতবোৰত কাহিনী বৰ্ণনাৰ মাজে মাজে বিভিন্ন পৰিস্থিতিত নদী সম্পৰ্কীয় বিভিন্ন বিষয়ে ভুমুকি মাৰিছে।

চুখায়ফা বা বোখা ৰজাৰ সোণাৰী কুঁৱৰীৰ তোলনীয়া পুত্ৰ নাহৰক লৈ ৰচিত নাহৰ গীতত নাহৰে মজং বেহাৰলৈ ওলাই যোৱা প্ৰসংগত এনেদৰে আছে

নাহৰ চেনামুৰা ওলায় ৰাতিপুৱা
ছকুৰি কুকুৰাৰ ভাৰ,
দিহিং নৈৰে পানী কৰে তলে বলে
ঘাটৈয়ে নকৰে পাৰ।

উজনি অসমত প্ৰচলিত 'চিকন সৰিয়হৰ গীত'ত সাত ককাই ভাইৰ দুজন চিকন আৰু সৰিয়হক আহোম ৰজাৰ ৰাজপাটলৈ মন মেলা বুলি সন্দেহ কৰি মাৰি পেলোৱাৰ কাহিনী আছে। ইয়াত লুইতৰ নাম উল্লেখ আছে—

লুইতত মাৰিলৰ লেবা
শদিয়াত আছে কেঁচাইখাতী গোসানী
তেওঁলৈ সৎকাৰ কৰা।

তেনেদৰে দিহিঙৰ থানলৈ অহা বিবৰণ থকা চিকন গোসাইৰ গীতত আছে–

দিহিঙে উটিলে মলয়া চন্দন
ধৰোঁতে নহলে কেওঁ।

স্বৰ্গদেউ গোৰীনাথ সিংহৰ দিনত প্ৰজাদ্ৰোহী বুলি বাইজে পুৰণি গুদামৰ ওচৰৰ পড়ীয়া বালিত বধ কৰা সম্ভ্ৰান্ত নগঞা বিয়য়া বাখৰ বৰাক লৈ ৰচিত হোৱা বাখৰ বৰাৰ গীতত এনেদৰে আছে–

লুইতৰ বাঙলীগৰা
ভৰলুমুখতে ঘৰবাৰী সাজিছে
পালেহি বাখৰ বৰা।

কলি কালৰ গীত বুলি জন সমাজত প্ৰচলিত থকা এটি গীতত কলিকাল সম্পৰ্কে ভৱিষ্যৎবাণী কৰা প্ৰসংগত এনেদৰে আছে–

গংগা নৈত শিঙলাব উজান ঐ পৰিব
দিখৌ নৈ কুঢ়িবে ভৰা।
দিচৈ নৈৰ কাযতে গজি ঐ উঠিব
লহপহ ঝাও বন ডৰা।
লুইতৰ তেজেৰে এসোঁতা বব ঐ
সকলো মানিব তথা।
লুইত নৈ গাভৰু পৰ্বতত লাগিব
কোনে দিব পাৰে বাধা।।

শংকৰদেউ ৰজাৰ পুতেক মণিকোঁৱৰ, কোঁৱৰৰ পত্নী ফুকনৰ জীয়ৰী কাঁচন মতী, তেওঁলোকৰ পুত্ৰ ফুল কোঁৱৰ আৰু দয়িতা পচতুলা গাভৰুক লৈ সৃষ্টি হোৱা ফুলকোঁৱৰ আৰু মণি কোঁৱৰৰ গীতত ৰৰছা কুঁৱৰীয়ে কেঁচা পান, কেঁচা তামোল কাটি চাকুলি ভাৰ পাতি ঠগী শৰাইৰে ববৰুৱাক ঘৰলৈ সোপাৰৰ তামুলীক পঠিওৱাৰ প্ৰসংগত বিল আৰু পদুম শব্দৰ ব্যৱহাৰ এনেকৈ আছে–

নবিলৰ মাজতে পদুম ফুলি থাকে
ভোমোৰাই ভোমৰি আছে।

যোল বছৰ বয়সত জুইবাণ মাৰি জলকুঁৱৰীয়ে মণিকোঁৱৰক হৰণ কৰা বৰ্ণনাত এনেকৈ আছে–

বৰডুবিৰ মাজতে গৰিলাই গুজৰি
পানীতে খেলি খেলায়
শিঙৰ সোহৰণি মগৰৰ দপনিত
সৰুৰৰ মাছে পলায়।

জনা গাভৰু আৰু গোপী চন কোঁৱৰৰ আখ্যান বৰ্ণিত জনা গাভৰুৰ গীতত লুইত আৰু দিহিং নদীৰ নাম উল্লেখ আছে এনেদৰে–

লুইতে এৰিলে দীঘলী এসুঁতি
দিহিঙে এৰিলে কূল।

প্ৰোষিত ভৰ্তিকা নায়িকাৰ বিৰহ বৰ্ণিত বাৰমাহী গীত সমূহতো নৈ সম্পৰ্কীয় বিষয়ৰ উল্লেখ পোৱা

যায়—

শাওণৰ মাহতে মেঘে বৰিষয় ধাৰে।

বাম বাৰেমাহী গীত।

শাওণ মাহতে বাপু জলে অৱতাৰ।

******

সাগৰত সেতু বান্ধি আনিলা উদ্ধাৰি।।

সীতা বাৰমাহী গীত।

শাওণৰ মাহতে বাপু জল ধীৰে বয়।

সীতা বাৰমাহী গীত।

ভাদৰে মাহতে শান্তি অতি বড় খৰ।
নদী শুকাল নালা শুকাল পৰিল বালি চৰ।।

শান্তি বাৰমাহী গীত।

অসমীয়া সমাজত প্ৰচলিত ফকৰা যোজনাতো নদ-নদী, জল, লুইত আদি বিষয়ে নানা প্ৰসংগত সাঙোৰ খাই আছে—

অথাই সাগৰত কাঠীজাল মৰা।

******

অন্ন জল জানা অধিক দান।
তাৰ পৰৰৰ নাহিকে আন।।

******

আইৰ সমান হ'ব কোন
নৈৰ সমান বব কোন।

তেনেদৰে বেছিকৈ গালি শপনি দিয়া মুনিহে তিৰোতাক মাৰিব নোৱাৰা কাৰ্যক এনেদৰে তুলনা কৰা হৈছে—

ডাকে দেৱা ঝৰেনা
গৰ্জে ভাতাৰ মাৰেনা।

(দেৱা মানে মেঘ) গোৱালপৰীয়া লোক গীত

শুভকাৰ্য শুভ দিনবাৰ চা সম্পন্ন কৰা প্ৰসংগত এনেদৰে কোৱা হয়—

নদী দেখি কৰি স্নান
পাত্ৰ দেখিয়া কৰি দান।

সামৰ্থ্য নথকা মানুহে ডাঙৰ কাম কৰিবলৈ যোৱা অৰ্থত এনেদৰে কোৱা হয়—

নাদৰ ভেঁকুলীয়ে চাব খোজে সাগৰ।।

অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন চৰ্যাপদ সমূহতো এনে বহু কথাৰ উল্লেখ পোৱা যায়। চৰ্যাপদ সমূহ তিব্বতৰ মহাজনী বৌদ্ধ সম্প্ৰদায়ৰ ৮৪ জন মহাসিদ্ধৰ অন্তৰ্ভুক্ত তেইশজন সিদ্ধাচাৰ্যৰ ৰচনা। এই তেইশজন সিদ্ধাচাৰ্যৰ ভিতৰত অসমৰ বুলি স্বীকৃত সিদ্ধাচাৰ্যৰ অন্যতম লুই পাদৰ নাম এই প্ৰসংগত উল্লেখযোগ্য। তেওঁ লুইত পাৰৰ কবি। "লোক বুৎপত্তিৰ পিনৰ পৰা চালেও এই কথাৰ সত্যতা উপলব্ধি কৰা যায়। ব্ৰহ্মপুত্ৰ নদীৰ পুৰণি নাম লোহিত বা লুইত। লুইত পাদ (লৌহিত্য পাদ) অৰ্থাৎ লোহিত নদী প্ৰবাহিত দেশ বা পুৰণি কামৰূপ। 'পাদ' মানে দাঁতি অঞ্চল, দেশ। এতেকে লোহিত + পাদ = লোহিত পাদ

বা লুইত পাদ; সেয়ে সংক্ষেপে বিশেষ ব্যক্তিজনক বুজাবলৈ লুইতপাদ বা লুইপা বোলা হৈছে। গতিকে লুইত পাদৰ চিনাকি হ'ল লুইত নদী প্ৰবাহিত দেশৰ মানুহ।"[৬]

লুইপাদৰ দ্বাৰা ৰচিত পটমঞ্জৰী ৰাগৰ "কাআ তৰুবৰ" শীৰ্ষক চৰ্যাটিত তেওঁৰ নাম এনেদৰে আছে--

লুই ভণই গুৰু পুচ্ছিঅ জান।।

******

ভণই লুই আমহে ঝানে দিঠা।

(চৰ্যা নং ১)

অসমৰ সামাজিক জীৱনৰ বিভিন্ন দিশৰ ওপৰত নদ-নদীৰ বহুতো প্ৰভাৱ আছে। মুদৈয়ে নাৱেৰে বেহা বেপাৰ কৰা, নাৱৰীয়াই যাত্ৰীক নদীত পাৰ কৰা, জালোৱাই মাছ ধৰা আদি বিভিন্ন কাৰণত নদীয়ে বেলেগে বেলেগে ঠাইৰ নানা শ্ৰেণীৰ মানুহৰ মাজত সংযোগ সম্প্ৰীতি স্থাপন কৰিছে। নদীৰ লগত মৎস্যজীৱী নদীয়াল জাতিৰো গভীৰ সম্পৰ্ক। চৰ্যা গীতত নদীৰ গুৰুত্ব, যাত্ৰীৰ অহা যোৱা, নাৱৰ প্ৰয়োজন, নাৱৰীয়াৰ কৃষি সম্পৰ্কে নানা চিত্ৰ আছে। এই সকলোবোৰ চৰ্যাত প্ৰতীকি অৰ্থত ব্যৱহাৰ কৰিছে। এনেবোৰ কথাৰ উল্লেখ থকা কেইফাকি মান পদ উল্লেখ কৰা হ'ল--

সহজ যান অৰ্থত বিশ্ব ব্ৰহ্মাণ্ডৰ গতি প্ৰবাহক নদীৰ লগত তুলনা কৰিছে এনেদৰে--

ভৱনই গহন গম্ভীৰ বেগে বাঁহী।

চৰ্যা নং-৫

এই নদী পাৰ হ'বলৈ অদ্বয় জ্ঞানৰ দ্বাৰা নিধান প্ৰাপ্তিৰ পথক সাকোঁৰ লগত তুলনা কৰিছে--

সাক্ক মত চড়িলে দাহিন বাম মা হোহী।

চৰ্যা নং-৫

তেনেদৰে সহজীয়াসকলে শূন্যতাৰ লগত কৰুণাক মিলাই লোৱা প্ৰসংগত এনেদৰে আছে--

সোণে ভৰিলী কৰুণা নাৱী।

ৰূপক অলংকাৰ, চৰ্যা নং-৮

সেইদৰে বৌদ্ধ ধৰ্মত কায়, বাক, চিত্ত, ভৱ সংসাৰ আৰু মহাসুখৰ এনেদৰে উপমা দিছে।

তিশৰন নাৱী কিঅ অঠক মাৰী।
নিঅ দেহ কৰুণা শূনমে হেৰী।।
তৰিলা ভৱজলধি জিম কৰি মাঅ সুইনা।
মঝ বেণী তৰংগম মুনিআ।।

চৰ্যা নং-১৩

কোনোটো চৰ্যাত গংগা, যমুনা নদীক ৰূপক হিচাবে অংকন কৰিছে--

গংগা জউনা মাঝেৰে বহই নাই।

চৰ্যা-১৪

চৰ্যা পদৰ পাছতে অসমীয়া সাহিত্যৰ লিখিত নিদৰ্শন হিচাপে চতুৰ্দশ শতিকাৰ মাধৱ কন্দলি, হৰিবৰ বিপ্ৰ, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী আৰু ৰুদ্ৰ কন্দলিৰ ৰচিত কাব্যসমূহ পাওঁ। এই কেইজন কবিৰ ৰচনাতো আলোচ্য বিষয়সমূহৰ একাধিক উল্লেখ আছে। এই পাঁচজন কবিৰ ভিতৰত পিছৰ যুগৰ যুগস্ৰষ্টা কবি শংকৰদেৱে কাব্যৰ ৰসাস্বাদন কৰি 'হস্তীৰো দেখিয়া লাদ, শশা যেন ফাৰে মাৰ্গ'[৭] বুলি অনুভৱ কৰি নতশিৰ হৈ "অপ্ৰমাদী কবি" ৰূপে আখ্যা দিয়া শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ ৰচনাৰ পৰা কিছু উদাহৰণ আগবঢ়োৱা হ'ল।

মনোৰম কথক মাধৱ কন্দলিৰ অনুপম অনুবাদ কৰ্ম 'সপ্ত কাণ্ড ৰামায়ণ'ৰ বিভিন্ন প্ৰসংগত পদ্ম, কমল, মেঘ, জল, বৃষ্টি, মন্দাকিনী আদি বিভিন্ন বিষয়ৰ সংযোগত ৰূপক উপমা, উৎপ্ৰেক্ষা আদি সহজ কাব্যালংকাৰৰ সৃষ্টি হৈছে। ৰামায়ণ তেওঁৰ মৌলিক ৰচনা নহ'লেও তাত তেওঁ কাব্য ৰস সৃষ্টিত স্বকীয় প্ৰতিভাৰ প্ৰকাশ ঘটিছে।

আদিকাণ্ড ৰামায়ণৰ বত্ৰিশ নং অধ্যায়ত মিথিলাৰ ৰজা জনক নন্দিনী সীতা স্বয়ম্বৰ সভালৈ অহা প্ৰসংগত সীতাৰ ৰূপৰ বৰ্ণনাত এনেদৰে আছে--

নয়নক দেখি আতিশয় পায়া লাজ।
পলাই গৈয়া কমল থাকিল জল মাজ।।

ব্যতিৰেক অলংকাৰ, (পদ ১৩)

নব পদ্মকোষ যেন দুখানি চৰণ।।

উপমা অলংকাৰ, (পদ ৩১)

অযোধ্য কাণ্ড ৰামায়ণৰ প্ৰথম অধ্যায়ত সীতাক বিবাহ কৰি ৰামচন্দ্ৰ সপত্নীক অযোধ্যালৈ যোৱা প্ৰসংগত এনেদৰে আছে--

চন্দ্ৰৰ উদয়ে যেন কুমুদ প্ৰকাশ।

উপমা অলংকাৰ, (পদ ৮)

উক্ত কাণ্ডৰে বিংশ অধ্যায়ত চিত্ৰকূট পৰ্বতৰ চিত্ৰ বৰ্ণনাত ৰাম চন্দ্ৰই সীতাৰ ৰূপ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে--

বদন কমল তোৰ দেখন্তে আহ্লাদ।

ৰূপক অংকাৰ, (পদ ৭৫)

জনকৰ জীৱ দেখ নদী মন্দাকিনী।
তোমাৰ সদৃশ সুশোভিত মধ্যক্ষীনী।।

উপমা অংকাৰ, (পদ ৭৭)

উক্ত আলোচনাৰ পৰা এই কথাই বুজিব পাৰি যে সংস্কৃত সাহিত্যৰ উপৰিও মানুহৰ মুখে মুখে বাগৰি অহা অসমীয়া গীত-মাত কথা, প্ৰাক-শংকৰী যুগৰ সাহিত্য সকলোতে নদী আৰু নদী সম্পৰ্কীয় বিভিন্ন বিষয় বাখৰ পতোৱা বিৰিৰ দৰে খাজ খাই সোমাই আছে। শংকৰদেৱৰ সাহিত্যহে যিহেতু আমাৰ মুখ্য আলোচনাৰ বিষয় সেয়ে এই বিষয়ে বিস্তৃত আলোচনালৈ আগবঢ়া নহ'ল।

**পাদটীকা**

১। ঋগ্বেদ, দশম মণ্ডল, ৭৫ নং সূক্ত।
২। উদ্ধৃত, কেশদা মহন্ত- কালিদাসৰ সাহিত্য - পৃ. ১৫৭
৩। প্ৰাগুক্তগ্ৰন্থ, পৃ. ১৫৪
৪। প্ৰাগুক্তগ্ৰন্থ, পৃ. ১৫৫
৫। যোগিনী তন্ত্ৰ, একাদশ পটল- ১৭-১৮ ০।
৬। পৰীক্ষিত হাজৰিকা, চৰ্যাপদ, পৃ. ৪৩
৭। মাধৱ কন্দলি, সপ্তকাণ্ড ৰামায়ণৰ উত্তৰাকাণ্ড, পদ নং ৬, পৃ. ৪৪০

## দ্বিতীয় অধ্যায়
## শংকৰদেৱৰ জীৱন আৰু সাহিত্যৰ চমু পৰিচয়

**জীৱন পৰিচয় ঃ** অসমৰ ধৰ্ম সাহিত্য আৰু সংস্কৃতিৰ গুৰু 'যাকেৰি নাহিকে উপাম' সৰ্বগুণাকৰ শংকৰদেৱৰ ১৪৪৯ খৃষ্টাব্দত নগাঁৱৰ বৰদোৱাৰ আলিপুখুৰীত জন্ম হয়। শৈশৱ কালতেই পিতৃ কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যাৰ বিয়োগ ঘটাত বুঢ়ীমাক খেৰসূতীয়ে তেওঁক ডাঙৰ দীঘল কৰে। বুঢ়ীমাকৰ স্নেহত ডাঙৰ হোৱা শংকৰদেৱে বাৰ বছৰলৈকে খেলা-ধুলা কৰি কটোৱাত তেওঁক এদিন বুঢ়ীমাকে গুৰু মহেন্দ্ৰ কন্দলীৰ টোলত পঢ়িবলৈ থলেগৈ আৰু যথা সময়ত শংকৰদেৱে জ্ঞান বিদ্যা অৰ্জন কৰি স্বপ্ৰতিভাৱে মহিমামণ্ডিত হ'ল। কথিত আছে যে বৰ্ণমালা শিকিয়েই তেওঁ হেনো আ-কাৰ, ই-কাৰ নোহোৱাকৈ "কৰতল কমল- কমল দল নয়ন" এই কোমল গীতটি ৰচনা কৰি গুৰু মহেন্দ্ৰ কন্দলীক চমৎকৃত কৰিছিল। ছাত্ৰাৱস্থাতে তেওঁ হৰিচন্দ্ৰ উপাখ্যান কাব্যখন ৰচনা কৰিছিল আৰু মাৰ্কণ্ডেয় পুৰাণৰ পৰা প্ৰথমে কাপ লৰি হৰিচন্দ্ৰ পক্ষান কৰিছে চাৰি খুটা মাৰি সেৱকলৈ।[1]

শিক্ষা সাং কৰি ঘৰলৈ উভতি আহি শংকৰদেৱে শিৰোমণি ভূঞাৰ বিষয়বাব লয় আৰু নিচেই কম বয়সতে এই শ্ৰেষ্ঠ সন্মান লাভ কৰাৰ বাবে ডেকাগিৰি নাম পায়।

একৈশ বছৰ বয়সত শংকৰদেৱে সূৰ্যবতী আইৰ পাণি গ্ৰহণ কৰে, কিন্তু বিয়াৰ তিনি বছৰৰ পিছত মনু নামে এটি কন্যা সন্তান জন্ম দি আই পৰলোকগামী হয়। পত্নী বিয়োগৰ বাবে মনত বৈৰাগ্যভাৱ ওপজাত তেওঁ তীৰ্থ ভ্ৰমণৰ উদ্দেশ্যে ওলাই যায়। সুদীৰ্ঘ বাৰ বছৰ কাল তীৰ্থ ভ্ৰমণ কৰি উভতি অহাত জ্ঞাতি আৰু বংশ পৰিয়ালৰ নিৰ্বন্ধত পুনৰ কালিন্দী আইক বিবাহ কৰায়। তাৰ পিছতে কুসুম্বৰ সবিয়হ তলীতে বৰদোৱা বা বটদ্ৰৱাত অসমৰ প্ৰথম কীৰ্তন ঘৰ নিৰ্মাণ কৰি ভক্তি ধৰ্মৰ প্ৰচাৰৰ বীজ তাতে ৰোপন কৰে। কিন্তু কছাৰীৰ উপদ্ৰৱত আঠ বছৰ মানৰ পিছত ক্ৰমে গাংমৌ, কুমোৰাকটা, বেলগুৰি আদি ঠাইত থাকিবলৈ লয়। বেলগুৰিতে শংকৰদেৱৰ মাধৱদেৱৰ সৈতে মণিকাঞ্চন সংযোগ ঘটে। তাত চৈধ্য বছৰ মান কাল থকাৰ পিছত পুনৰ ভটিয়াই আহি কাপালা চূণ পোৱা আৰু কমাৰকুচি আদি ঠাইত থাকিবলৈ লয়। শেষত পাটবাউসী পাই তাতে স্থায়ীভাৱে বসতি কৰে। তাৰ পৰা দ্বিতীয় বাৰ তীৰ্থ ভ্ৰমণৰ উদ্দেশ্যে গৈ ছমাহৰ অন্তত ঘূৰি আহে। সেই সময়ত শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ বাবে কেইজন মান ব্ৰাহ্মণে সিহঁতৰ প্ৰভূত্ব আৰু সন্মান সমাজত কমি যোৱাৰ আশংকা কৰি নৰনাৰায়ণ ৰজাক গুৰুৰ বিষয়ে নানা কথা লগালে। শঙ্কৰদেৱৰ সহযোগী কেইগৰাকীমানে তেতিয়া ৰাজ নিগ্ৰহ ভোগ কৰিবলগীয়া হয়। কিন্তু ৰাজসভাত যুক্তি তৰ্কৰে মহাপুৰুষ গৰাকীয়ে বিপক্ষীসকলৰ মুখত ছাই সানে আৰু ৰজা সন্তুষ্ট হৈ গুৰুক অনেক আগ্ৰহ দেখুৱায়। তাতে কাকতকুটা মধুপুৰ নামে ঠাইত গুৰুজনে এখনি সত্ৰ পাতে আৰু পৰম বান্ধৱ প্ৰধান শিষ্য মাধৱদেৱৰ ওপৰত ধৰ্মৰ ভাৰ দি ১৫৬৮ শকত সেই ঠাইত নৰনাট সামৰে।

### শংকৰদেৱৰ সাহিত্য কৃতি ঃ

"শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ সময়ত তেওঁৰ নিজৰ ৰচনাৱলী আৰু তেওঁৰ অনুৰক্ত মাধৱদেৱ, অনন্ত কন্দলী, ৰামসৰস্বতী আদিৰ পদ-পুথি আৰু নাট-গীতে এক প্ৰধান মাধ্যম ৰূপে কাম কৰিছিল। অনেক লেখকে গীত পদৰ মাধুৰ্যই আৰু নাট-অভিনয়ৰ উল্লাসপূৰ্ণ সৌন্দৰ্যই আকৰ্ষণ কৰি ভক্তি ধৰ্মৰ সোঁতত

পেলাইছিলহি। মধ্যযুগৰ এই ধৰ্ম আন্দোলন আৰু সেই সময়ৰ সাহিত্য ওতপ্ৰোতভাৱে ইটোৰ সিটোৰ লগত জড়িত। শংকৰদেৱে নিজেই এই বিৰাট বৈষ্ণৱ সাহিত্যৰ সৃষ্টিৰ পথ মুকলি কৰি দিছিল। তেওঁৰ পূৰ্বৰ কবিসকলৰ পৰা এক সাহিত্যিক ভাষা আৰু কেইটিমান ছন্দৰ আদৰ্শ পাইছিল। নিজৰ প্ৰতিভা শক্তিৰে তেওঁ সেই ভাষাৰ পৰিসৰ আৰু কমনীয়তা বঢ়াই তাৰ নতুন ছন্দ যোগ কৰি বৈষ্ণৱ সাহিত্যৰ বিবিধ প্ৰকাশৰ উপযোগী কৰিলে। নাট আৰু বৰগীতৰ কাৰণে ভাষাৰ এটি বিশিষ্ট ভঙ্গিও তেওঁ সৃষ্টি কৰিছিল।"[২]

শংকৰদেৱৰ সংস্কৃত ৰচনা 'ভক্তিৰত্নাকৰ', তোটক ছন্দৰ 'মধুদানৱ দাৰণ' স্তোত্ৰ আৰু নাটৰ শ্লোকসমূহ বাদ দি তেওঁৰ অসমীয়া ৰচনাৱলীক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি ঃ

(১) **কাব্য আৰু উপাখ্যান ঃ** ক) হৰিচন্দ্ৰ উপাখ্যান, খ) ৰুক্মিণী হৰণ, গ) অজামিল উপাখ্যান, ঘ) অমৃত মন্থন, ঙ) বলিছলন, চ) কুৰুক্ষেত্ৰ।

(২) **ভক্তি তত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ** ক) ভক্তি প্ৰদীপ, খ) অনাদি পাতন, গ) নিমিনৱসিদ্ধ সংবাদ।

(৩) **অনুবাদমূলক গ্ৰন্থ ঃ** ক) ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশম (আদিছোৱা), একাদশ আৰু দ্বাদশ স্কন্ধ, খ) উত্তৰাকাণ্ড ৰামায়ণ।

(৪) **নাট ঃ** ক) পত্নী প্ৰসাদ, খ) কালিদমন, গ) কেলি গোপাল, ঘ) ৰুক্মিণী হৰণ, ঙ) পাৰিজাত হৰণ, চ) ৰাম বিজয়।

(৫) গীত ঃ বৰগীত, ভটিমা।

(৬) নাম প্ৰসঙ্গৰ পুথি ঃ ক) কীৰ্তন, খ) গুণমালা।

১) কাব্য আৰু উপাখ্যান ঃ

ক) **হৰিশ্চন্দ্ৰ উপাখ্যান ঃ** শংকৰদেৱৰ প্ৰথম কাব্য হৰিশ্চন্দ্ৰ উপাখ্যানৰ কথাবস্তু মাৰ্কণ্ডেয় পুৰাণ (৭—৯ অধ্যায়)ৰ পৰা গ্ৰহণ কৰা হৈছে। 'কাব্যখনৰ আৰম্ভণিতে "মাধৱক আৰাধিলে যেন লাগে হৌক" নীতিৰ বীজ ৰোপন কৰি কাব্যৰ অন্তত "ধৰ্মৰ প্ৰভাৱে হৰিশ্চন্দ্ৰপুৰী, ভৈ গৈল স্বৰ্গৰ সমান" (৫১০ পদ) বুলি ফলাগমত নি কাহিনীটো উপনীত কৰিছে। .... কাব্যখনৰ প্ৰতিপাদ্য বিষয় 'ধৰ্ম'। বৈষ্ণৱ হৰিশ্চন্দ্ৰৰ চৰিত্ৰ আৰু মাহাত্ম্য ইয়াত বাচ্য, বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব ইয়াৰ লক্ষ্যাৰ্থ আৰু শান্তৰস ইয়াত ব্যঞ্জিত বা প্ৰতীয়মান অৰ্থ।'[৩]

খ) **ৰুক্মিণী হৰণ ঃ** অসমৰ বৈষ্ণৱ সমাজৰ মাজত অতিকৈ জনপ্ৰিয় কাব্য 'ৰুক্মিণী হৰণ' শংকৰদেৱৰ দ্বিতীয়খনি কাব্য। বেজবৰুৱাৰ ভাষাত 'ই শংকৰদেৱৰ অমৃতময় লেখনীৰ অমৃত ধাৰা।'[৪] 'ৰুক্মিণী হৰণ পুথিখন যে শংকৰে তেওঁৰ ডেকা কালত ৰচনা কৰিছিল এইটোৰ অলপ আভাস পোৱা যায় আৰু তেওঁ বৰদোৱা, বেলগুৰি আদি ঠাই এৰি ভাটীলৈ অহাৰ আগেয়েই যে এইটোও বুজিব পাৰি।'[৫]

'হৰি বংশ'ৰ পৰা গ্ৰহণ কৰা কাহিনী ভাগত 'ভাগৱত পুৰাণ'ৰো কথা মিহলাই 'মধুমিশ্ৰ দুগ্ধস্বাদ' দিবলৈ প্ৰয়াস কৰা 'কৃষ্ণৰ কিংকৰ কবি' শংকৰৰ কবি প্ৰতিভা কাব্যখনত বহলভাৱে প্ৰতিভাত হৈছে।'[৬]

গ) **অজামিল উপাখ্যান ঃ** ভাগৱত শাস্ত্ৰৰ ৬ষ্ঠ স্কন্ধৰ প্ৰথম তিনিটা অধ্যায়ে অজামিলৰ আখ্যান প্ৰকাশ কৰিছে যদিও শংকৰদেৱে তেওঁৰ 'অজামিল উপাখ্যান' ভাগৱতৰ ৫ম স্কন্ধৰ ২৬শ অৰ্থাৎ শেষৰ অধ্যায়ৰ নৰক বৰ্ণনাৰে আৰম্ভ কৰিছে। দুয়োটা স্কন্ধৰে বিষয়বস্তু গ্ৰহণ কৰি মূল কাহিনী ভাগত আৰু তাৰ উপস্থাপন ক্ষেত্ৰত কোনো পৰিবৰ্তন নঘটোৱাকৈ কাব্যখনি তেওঁ ৰচনা কৰিছে। কাব্যখনিত সহৃদয় ভক্তিৰসিকৰ আস্বাদনীয় শান্তৰসৰ ঘনীভূত ব্যঞ্জনা আছে। "বীভৎস আৰু লগতে ভয়ানক ৰসৰ সাৰ্থক ব্যঞ্জনাৰে সহৃদয় ৰসিকজনক নি ভক্তিৰ অমৃতময় হ্ৰদত নিমগ্ন কৰোৱাৰ ক্ষেত্ৰত 'অজামিল উপাখ্যান' এখনি উত্তম কাব্য।"[৭]

অনাচাৰী পাপী অজামিলে পুত্ৰ নাৰায়ণৰ নাম লৈ যমদূতৰ হাতৰ পৰা মুক্তি লভি বৈকুণ্ঠগামী হোৱা আখ্যানৰ জৰিয়াতে ইয়াত 'হৰিতো অধিক মহানামৰ' প্ৰভাৱৰ কথা ব্যাখ্যা কৰিছে।

ঘ) **অমৃত মন্থন ঃ** ভাগৱতৰ অষ্টম স্কন্ধ (৮/৫/১১— ৮/১২/৪৭)ৰ পৰা কাহিনী ভাগ লৈ ৰচনা কৰা 'অমৃত মন্থন' শংকৰদেৱৰ চতুৰ্থখন কাব্য। বিষ্ণু শক্তি-মাহাত্ম্য প্ৰকাশৰ উদ্দেশ্যৰ অনুকূলে তেওঁ বৰ্ণনা প্ৰস্তুত কৰিছে যদিও মূল কাহিনীটোৰ কোনো পৰিবৰ্তন ঘটোৱা নাই

ঙ) **বলিছলন ঃ** ভাগৱতৰ অষ্টম স্কন্ধৰ শেষৰ কেই অধ্যায়ৰ কাহিনী লৈ বলিছলন কাব্যখন ৰচনা কৰিছে আৰু ঠাই বিশেষে বামণ পুৰাণৰ পৰাও সহায় লৈছে। কাব্যখনত বলিক ছলনা কৰি সুতলপুৰীলৈ পঠোৱালৈকে মূল আখ্যান ভাগ ভাগৱতৰ। সুতলপুৰীৰ বৰ্ণনা আৰু বিষ্ণু চক্ৰৰ দ্বাৰা দৈত্যকুল নিয়ন্ত্ৰিত হোৱাৰ বৰ্ণনাত বামন পুৰাণৰ মিশ্ৰ উপাদান দৃষ্টিগোচৰ হয়।

চ) **কুৰুক্ষেত্ৰ ঃ** 'কুৰুক্ষেত্ৰ' ভাগৱতৰ দশম স্কন্ধৰ অংশ বিশেষ (১০/৮/৮২—৮৪)ৰ ভক্তিৰস প্ৰকাশৰ অনুবাদ। 'ইয়াত কাব্যসুলভ কাহিনীৰ অভাৱ হ'লেও ইয়াৰ অনুবাদ ৰীতি, পৰিস্থিতি চিত্ৰণ, উপমা প্ৰয়োগে কাব্য ৰসিকক আকৰ্ষণ কৰে। "ভাগৱতৰ পৰা কাহিনী ভাগ লৈ জীৱনৰ শেষৰ ফালে নিজৰ পৰিপক্ক উপলব্ধিৰে শংকৰ কবিয়ে সমস্ত আবেগ ঢালি এই কাব্যত ব্ৰজবাসীসকলৰ লগত 'ব্ৰজৰ বান্ধৱ' মাধৱৰ অন্তিম মিলনৰ চিত্ৰ আঁকিছে।"[৮]

২. **ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ**

ক) **ভক্তি প্ৰদীপ ঃ** শংকৰদেৱৰ "তীব্ৰ লেখনীৰ ভক্তি-ব্যাখ্যা "ভক্তি প্ৰদীপ"ৰ ধৰ্মমতক পৰিপুষ্টতা আৰু ৰচনা পদ্ধতিৰ পৰিণত অৱস্থালৈ চাই গুৰুজনাৰ ৮৭/৮৮ বছৰত পুথিখন বিৰচিত হৈছিল বুলিহে বিশ্বাস হয়।

ভক্তি প্ৰদীপ গ্ৰন্থত কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ মাধ্যমেৰে ভক্তিতত্ত্ব ব্যাখ্যা কৰা হৈছে। 'অব্যভিচাৰিণী ভক্তি'ৰ লক্ষণ আৰু নীতিৰ বিশদ ব্যাখ্যাই 'ভক্তি প্ৰদীপ'ৰ উদ্দেশ্যে আৰু সেয়ে তাৰ বৈশিষ্ট্য।

খ) **অনাদি পাতন ঃ** ভাগৱতৰ তৃতীয় স্তন্ধ আৰু 'বামন পুৰাণ'ৰ আধাৰত ৰচনা কৰা 'অনাদি পাতন' "তেওঁৰ জীৱনৰ বিয়লি বেলাত ৰতি বুলি ঠাৱৰ কৰা হৈছে।"[১০]

অনাদি পাতনত সৃষ্টিৰ আদি আৰু প্ৰলয় প্ৰকৃতিআৰু চৌবিশ তত্বৰ উৎপত্তি, চৰাচৰ প্ৰাণীৰ বিকাশ, সপ্তদ্বীপ, সপ্তসাগৰ, নৱবৰ্ষ, জ্যোতিষ চক্ৰ, নৰক, দেহতত্ত্ব আদি কথাৰ বৰ্ণনা দিয়া হৈছে। এই জটিল তাত্ত্বিক কথাবোৰ সহজভাৱে ব্যাখ্যা কৰিব পৰাতেই শঙ্কৰদেৱৰ দক্ষতা প্ৰকাশ পাইছে।

গ) **নিমি নৱসিদ্ধ সংবাদ ঃ** শ্ৰীমদ্ভাগৱত পুৰাণৰ একাদশ স্কন্ধৰ ২য়ৰ পৰা ৫ম অধ্যায়লৈ এই চাৰিটা অধ্যায়ৰ কথাখিনি শংকৰদেৱে সাৱলীল ভাষাৰে অনুবাদ কৰিছে। নিমি ৰজা আৰু ন জন সিদ্ধ পুৰুষৰ কথোপকথনৰ মাধ্যমেৰে ইয়াত ভক্তিতত্বৰ আলোচনা কৰা হৈছে।

**অনুবাদমূলক গ্ৰন্থ ঃ**

ক) **ভাগৱত ঃ** শংকৰদেৱে ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশম, একাদশ আৰু দ্বাদশ স্কন্ধ অনুবাদ কৰে।

ভাগৱতৰ প্ৰথম স্কন্ধ অনুবাদ কৰোঁতে মূলৰ তুৰ্থ, পঞ্চম, ত্ৰয়োদশ, চতুৰ্দশ আৰু পঞ্চদশ অধ্যায়ৰ কথা অত্যন্ত চমু কৰিছে। অৱশ্যে সকলো ঠাইতে অধ্যায়বোৰৰ অন্তত নিজৰ কথা, উপদেশ, তুতি প্ৰাৰ্থনা যোগ দি তাৰ মাজেদি নিজৰ মৌলিকতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। সকলো পুথিতেই মহাপুৰুষৰ বক্তব্য স্বৰূপে থকা এনে উপদেশবোৰে অনুবাদৰ মৌলিকতা প্ৰদান কৰাৰ উপৰিও সেইবোৰ একো একোটা স্বতন্ত্ৰ মৌলিক কবিতাৰ দৰে হৈ পৰিছে। এই স্কন্ধত বৰ্ণিত বিষয়সমূহ হ'ল ব্যাস নাৰদ সংবাদ, নাৰদৰ

পূৰ্বজন্ম কথন, অশ্বত্থামাৰ শিৰচ্ছেদ, শ্ৰীকৃষ্ণৰ দ্বাৰকা গমন, পৰীক্ষিতৰ জন্ম বৃত্তান্ত, ধৃতৰাষ্ট্ৰৰ সংসাৰ ত্যাগ, পৃথিৱী আৰু ধৰ্মৰ কথোপকথন, পৰীক্ষিতৰ কালিনিগ্ৰহ আৰু পৰীক্ষিতৰ ওচৰলৈ শুকদেৱৰ আগমন।

**দ্বিতীয় স্কন্ধৰ** অনুবাদ শংকৰদেৱে বৰ চমু কৰিছে। মূলৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ কথাখিনি কেৱল বাৰটি পদতে সামৰা হৈছে, চতুৰ্থ অধ্যায় শেষ হৈছে ৫৮ সংখ্যক পদত। এশ এটি পদতে পঞ্চম আৰু ষষ্ঠ অধ্যায়ৰ সামৰণি পৰিছে। এই স্কন্ধৰ বিষয়বস্তু হ'ল ভাগৱতৰ মহাধৰ্ম কথন, সৃষ্টি বৰ্ণনা, বিৰাট পুৰুষৰ ঐশ্বৰ্য আৰু বিভূতি, ভগৱানৰ লীলা আৰু পৰীক্ষিতৰ প্ৰশ্নোত্তৰ ৰূপে শুকদেৱৰ ভাগৱত ব্যাখ্যা।

**দশম স্কন্ধ ঃ** মূল ভাগৱতৰ ৯০ টা অধ্যায় শংকৰদেৱে ভাঙনি কৰিছে। মূলৰ ১—৪৭ শ অধ্যায়লৈকে আদ্য দশমৰ অন্তৰ্ভুক্ত হৈছে। বিশেষ একো কথা বাদ দিয়া বা আগাপিছা নকৰাকৈ তেওঁ প্ৰত্যেকটো অধ্যায় দীঘল বা চুটি কৰিছে। আদ্য দশমৰ কোনো কোনো অংশ শঙ্কৰদেৱে সংক্ষেপ কৰিছে আৰু সহজে বুজিব পৰাকৈ প্ৰাঞ্জল ভাষাত প্ৰকাশ কৰিছে।

আদিৰে পৰা গোপী উদ্ধৱ সংবাদলৈকে আদ্য দশমৰ ভিতৰুৱা বিষয়। কবিৰ অনুবাদ ৰীতি আৰু বৰ্ণনাৰ মাধুৰ্যই বিষয়বস্তুক পাঠকৰ মনোগ্ৰাহী কৰি তুলিছে। শংকৰদেৱৰ অনুবাদ শ্ৰেণী ৰচনাৰ ভিতৰত "দশম স্কন্ধ ভাগৱতৰ ভাঙনি সবাতোকৈ মনোৰম আৰু কবিত্বপূৰ্ণ।"[১১]

**একাদশ স্কন্ধ ঃ** শংকৰদেৱে একাদশ স্কন্ধ ভাগৱতৰ ২য় অধ্যায়ৰ পৰা পঞ্চম অধ্যায়লৈকে থকা কথাখিনিক 'নিমিনৱসিদ্ধ সংবাদ' নাম দি পোনতে ৰচনা কৰে। তাৰ পিছত একাদশ স্কন্ধৰ পদ ৰচনা কৰে। একাদশ স্কন্ধ ৰচনা কৰোঁতে এইকেইটা অধ্যায়ত হাত দিয়া নাই। প্ৰথম অধ্যায় ৰচনা কৰিয়েই ষষ্ঠ অধ্যায় আৰম্ভ কৰিছে। ইয়াৰ বিষয় বস্তুবোৰ হ'ল— শ্ৰীকৃষ্ণৰ যদুবংশ ধ্বংসৰ ইচ্ছা, ঋষিৰ শাপ, দেৱকূলৰ দ্বাৰা কৃষ্ণ স্তুতি, শ্ৰী কৃষ্ণ উদ্ধৱ সংবাদ, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান, অৰ্জুনৰ উদ্ধৱ বিষাদ আৰু বিদুৰৰ মৈত্ৰেয় ঋষিৰ আশ্ৰমলৈ গমন।

**দ্বাদশ স্কন্ধ ঃ** মূল দ্বাদশ স্কন্ধৰ কথা মাজে মাজে চুটি কৰি শংকৰদেৱে অনুবাদ কৰিছে। ইয়াত মূলৰ কথাত বিশেষ যোগ দিয়া নাই। প্ৰথমতে চন্দ্ৰবংশৰ কথা কৈ ঘাইকৈ কলিৰ ধৰ্ম আৰু কল্কী অৱতাৰৰ কথা কৈছে। এই স্কন্ধ ভাগৱতৰ পুনৰালোচনা কৰিব পাৰি।

খ) **উত্তৰাকাণ্ড ৰামায়ণ ঃ** উত্তৰাকাণ্ড ৰামায়ণ শংকৰদেৱৰ সাহিত্য প্ৰতিভাৰ অন্য এক বহুমূলীয়া স্বাক্ষৰ। প্ৰাক-শংকৰী যুগৰ কবি মাধৱ কন্দলী অনুদিত বাল্মিকী ৰামায়ণৰ আদি আৰু উত্তৰা কাণ্ড শংকৰদেৱৰ দিনতেই পোৱা হোৱা নাছিল বাবে, মাধৱদেৱ আৰু শংকৰদেৱে ক্ৰমে আদি আৰু উত্তৰাকাণ্ড ৰচনা কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে সমসাময়িক বৈষ্ণৱ কবি অনন্ত কন্দলীয়ে জনশ্ৰুতি সাপেক্ষে মাধৱ কন্দলীৰ ৰামায়ণৰ ভেটীতে নতুনকৈ এখন ৰামায়ণ ৰচনা কৰিব খুজিছিল। "মাধৱ কন্দলীৰ কবিতা ৰামায়ণ ঢাকি তুচকৈ গুচাবৰ মন দিলে অনন্ত কন্দলীয়ে। তেহে গুৰুজনত বিপ্ৰে স্বগত শৰণাপন্ন হৈ প্ৰাৰ্থীলৈ ৰ'বৰ হেতু। পাছে গুৰুজনে বোলে বৰাপো, তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা গুচাব খোজে, আমি ধৰোঁ গোসত তুমি হোৱা আগে। তেহে আদ্য উত্তৰা কৰিছে।"[১২]

শংকৰদেৱে উত্তৰাকাণ্ড সীতাৰ বনবাস অধ্যায়েৰে আৰম্ভ কৰি ৰামচন্দ্ৰৰ স্বৰ্গযাত্ৰা অধ্যায়ত শেষ কৰিছে। সৰ্বমুঠ ৩১ টি অধ্যায়ত কাণ্ডটো সামৰা হৈছে।

৪. নাট ঃ

ক) **পত্নী প্ৰসাদ ঃ** পত্নী প্ৰসাদ নাটৰ মূল ভাগৱতৰ দশম স্কন্ধ। বৈদিক ক্ৰিয়া কৰ্মত বিশ্বাসী ব্ৰাহ্মণসকল, হৰিভক্তি পৰায়ণা ব্ৰাহ্মণ পত্নীসকল, ভোকাতুৰ গোপীগণ আৰু কৃষ্ণক কেন্দ্ৰ কৰি ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন

কৰাটোৱেই নাট' খনিৰ লক্ষ্য। এইখন তেওঁৰ প্ৰথম নাট।

খ) **কালি দমন (বা কালীয় দমন)** ঃ ভাগৱতৰ দশম স্কন্ধৰ পৰা কালি দমন নাটৰ কাহিনীভাগ সংগ্ৰহ কৰা হৈছে। ইয়াত দুষ্ট দুৰ্দান্ত শক্তিৰ প্ৰতীক কালি নাগৰ দৰ্পচূৰ্ণ আৰু বনাগ্নি পানৰ কাহিনীৰ জৰিয়তে কৃষ্ণৰ মাহাত্ম্য ঘোষিত হৈছে।

গ) **কেলিগোপাল** ঃ ভাগৱতৰ দশম স্কন্ধৰ কৃষ্ণ আৰু বৃন্দাবনৰ গোপীসকলৰ ৰাসলীলাৰ আধাৰত এই নাট ৰচনা কৰা হৈছে। "নাটখনৰ পুৰ্বৰাগ, অভিসাৰ মান, বিপ্ৰলদ্ধ আৰু মিলন-মহোৎসৱ আদিয়ে এইখনক নাটকীয় কৰি তুলিছে। সংগীত বহুলতাৰ বাবে ইয়াক গীতি নাট বা সংগীতালেখ্য পৰ্যায়ত অন্তৰ্ভুক্ত কৰিব পাৰি।"[১৩]

ঘ) **ৰুক্মিণী হৰণ** ঃ ৰুক্মিণী হৰণ নাটৰ কাহিনীভাগ ভাগৱতৰ দশম স্কন্ধৰ পৰা লোৱা হৈছে যদিও ভালেখিনি দিশত ইয়াত কবিৰ মৌলিক প্ৰতিভাৰ স্ফুৰণ ঘটিছে। শৃংগাৰ, হাস্য, কৰুণ, বীৰ আদি ৰসৰ সমাবেশ ঘটিলেও ভক্তিৰস ইয়াৰ মূল ৰস।

ঙ) **পাৰিজাত হৰণ** ঃ বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ আৰু হৰিবংশৰ আখ্যানত আধাৰত শংকৰদেৱে এই নাট ৰচনা কৰে। উৎকৃষ্ট চৰিত্ৰ সৃষ্টি, সংলাপ, পৰিৱেস ৰচনাৰ উপৰিও সকলো নাটকীয় গুণেৰে সমৃদ্ধ এই নাট শংকৰদেৱৰ শ্ৰেষ্ঠ নাট্যকৃতি।

চ) **ৰাম বিজয়** ঃ ৰামায়ণৰ কাহিনীলৈয়ে ৰচনা কৰা তেওঁৰ একমাত্ৰ নাট ৰাম বিজয়ৰ মূল ৰামায়ণৰ আদি কাণ্ড। ৰাম লক্ষ্মণৰ বিশ্বামিত্ৰৰ লগত আশ্ৰমলৈ গমন, তাৰ পিচত সীতাৰ স্বয়ম্বৰ উপলক্ষে মিথিলালৈ গমন, হৰধনু ভঙ্গ, পৰশুৰামৰ দৰ্পচূৰ্ণ আৰু সীতসহ অযোধ্যালৈ প্ৰত্যাৱৰ্তন এয়ে হৈছে নাটখনিৰ বিষয়বস্তু।

৫. গীত ঃ

ক) **বৰগীত** ঃ "অসমীয়া বৈষ্ণৱ গীতি সাহিত্যৰ প্ৰধান দুটি ধাৰা হৈছে বৰগীত আৰু ভটিমা। ভক্তি আন্দোলন প্ৰধানতঃ অনুভুতি প্ৰৱণ আৰু ই প্ৰাণৰ উচ্ছ্বাসক মুখৰ কৰি তোলে। ভাৰতৰ বিভিন্ন প্ৰদেশৰ বৈষ্ণৱ আন্দোলনসমূহে বিভিন্ন ভাষাত লিৰিক বা গীতি কবিতাৰ জন্মদান দিলে। অসমতো বৈষ্ণৱ আন্দোলন এই বিষয়ত সৃষ্টিশীল হৈ উঠে আৰু তাৰ ফলস্বৰূপে গীতসমূহে সেই আন্দোলনক বিস্তাৰ লাভত সহায় কৰি ঋণমুক্ত হয়।"[১৪]

'বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত। সেইবাবেই ইয়াক 'বৰ' গীত বোলা হয়। ইংৰাজ কবি হেৰিকেও (Herrick) কেতবোৰ আধ্যাত্মিক ভাৱৰ কবিতা ৰচনা কৰি সেইবোৰৰ নাম দিছিল Noble Numbers; আমাৰ সাহিত্যতো বৰগীতবোৰ Noble Numbers."[১৫]

"বৰগীতত আছে বেদান্তৰ মৰ্ম সহজ-সৰল ভাষাত; তাত বহি আছে আধ্যাত্মিক চিন্তা ঐকান্তিক ভক্তিৰ গদ্‌গদ্ সুৰত আৰু আছে বিশ্বম্ভৰ 'ভগৱান স্বয়ং' শ্ৰীকৃষ্ণৰ বিশ্ব বিমোহন বাল্য ৰূপৰ বিৰল জকমকীয়া শব্দৰ আধাৰত।"[১৬]

খ) **ভটিমা** ঃ শংকৰদেৱৰ ভটিমাসমূহক তিনিটা ভাগত বিভক্ত কৰিব পাৰি,

১) নাটকীয় ভটিমা

২) নাটৰ বাহিৰৰ দেৱ ভটিমা

৩) ৰাজ ভটিমা।

নাটৰ অন্তৰ্গত ভটিমাসমূহো দেৱ ভটিমাই। বিষয়বস্তুৰ ফালৰ পৰা পাৰ্থক্য নাথাকিলেও দেৱ ভটিমা কাৰ্যত নাটৰ বাহিৰৰ বস্তু, নাটৰ অন্তৰ্গত নহয়। শ্ৰীকৃষ্ণৰ বাল্য জীৱনৰ কথাৰে তেওঁ তিনিটা দেৱ ভটিমা

ৰচনা কৰিছে।

কোঁচ ৰজা নৰনাৰায়ণৰ প্ৰশস্তিৰে শংকৰদেৱে ৰাজ ভটিমা ৰচনা কৰে।

ছন্দ আৰু শব্দ সংযোজনাৰ চাতুৰ্য আৰু অনুপ্ৰাসৰ ধ্বনি-প্ৰতিধ্বনি ভটিমাসমূহৰ বিশিষ্ট লক্ষণ। ভটিমাৰ ভাষা বৰগীতৰ দৰেই কৃত্ৰিম ব্ৰজবুলি।

**নাম প্ৰসংগৰ পুথি ঃ**

ক) **কীৰ্তন ঃ** শংকৰদেৱ প্ৰচলিত একশৰণ নাম ধৰ্মৰ মূল পুথি কীৰ্তন তেওঁৰ অনুপম সৃষ্টি; নৱবিধ ভক্তিৰ ভিতৰত শংকৰদেৱে শ্ৰৱণ আৰু কীৰ্তনকে মুখ্য স্থান দিছে। "চৰিতত আছে যাৰ আজ্ঞা পাই তেওঁ ধৰ্ম প্ৰকাশ কৰে সেই জগন্নাথৰ মহিমা বৰ্ণোৱা 'উৰেষা বৰ্ণন'ৰ এক্কেশটি কীৰ্তনেই ইয়াৰ ভিতৰত প্ৰথম। বৰদোৱাতেই সম্ভৱতঃ ভাগৱতৰ তৃতীয়, ষষ্ঠ, সপ্তম, অষ্টম আদিৰ পৰা 'কীৰ্তন ঘোষা'ৰ অন্তৰ্গত 'অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত্ৰ, হৰমোহন, বলিছলন, গজেন্দ্ৰোপাখ্যান চতুৰ্বিংশতি অৱতাৰ বৰ্ণন আৰু ধ্যান বৰ্ণন লিখা হৈছিল। ............ বেলগুৰিত থাকোতে ভক্তি বিৰোধী আন্দোলনক লক্ষ্য কৰি তেওঁ বিবিধ পুৰাণত ভেজা দি 'পাষণ্ড মৰ্দন' আৰু 'নাম অপৰাধ' ৰচনা কৰে। এই সময়তেই শ্ৰীকৃষ্ণৰ শিশু জীৱন বৰ্ণোৱা খণ্ডকেইটিও ৰচিত হয়। শিশু লীলা, ৰাসক্ৰীড়া, কংসবধ, গোপী উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছা পূৰণ আৰু অক্ৰুৰৰ বাঞ্ছা পূৰণ।' এই খণ্ডকেইটি ভাগৱতৰ দশম স্কন্ধৰ পূৰ্বাৰ্দ্ধৰ ওপৰত প্ৰতিষ্ঠিত। কোঁচ ৰাজ্যত থাকোতে শংকৰদেৱে সেই স্কন্ধৰ উত্তৰাৰ্দ্ধ আৰু একাদশ দ্বাদশ স্কন্ধৰ কথাৰে কীৰ্তন ঘোষাৰ বাকী কেইটি খণ্ড ৰচে— "জৰাসন্ধৰ যুদ্ধ, কাল যৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্তক হৰণ, নাৰদৰ কৃষ্ণ দৰ্শন, দ্বিজপুত্ৰ আনয়ন, বেদস্তুতি, কৃষ্ণ লীলা মালা, ৰুক্মিণীৰ প্ৰেম কলহ, ভৃগুপৰীক্ষা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ আৰু ভাগৱতৰ তাৎপৰ্য।

'কীৰ্তন ঘোষা'ৰ বৰ্তমান ক্ৰম ৰাম চৰণৰ দ্বাৰা নিৰূপিত আৰু মাধৱদেৱৰ দ্বাৰা অনুমোদিত। প্ৰথমে ৰচিত হোৱাতো 'উৰেষা বৰ্ণন' অধ্যায়টিৰ শেষৰ ফালে স্থাপিত হোৱাটো অৰ্থপূৰ্ণ। ইপালে 'ৰুক্মিণীৰ প্ৰেম কলহ' আৰু 'ভৃগু পৰীক্ষা' এই সময়তে কীৰ্তন ঘোষাৰ পৰা বাদ পৰি যোৱা সম্ভৱ। 'ৰত্নাকৰ কন্দলী'ৰ 'সহস্ৰনাম বৃতান্ত'ও বোধ হয় মাধৱদেৱৰ সমৰ্থনেৰে এই কালতে 'কীৰ্তন ঘোষা'ৰ অন্তৰ্গত কৰি লোৱা হয়।"[১৭]

বেজবৰুৱাৰ ভাষাত "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন ৰচিত।"[১৮] "কীৰ্তনৰ ভাষাৰ কবিত্বময় সৌন্দৰ্য, ক্ষিপ্ৰতা আৰু দৃঢ়তা, বৰ্ণনাৰ সৌন্দৰ্য আৰু জটিল কথাৰ সৰ্বজনগ্ৰাহ্য সৰল অথচ সূক্ষ্ম প্ৰকাশ লক্ষণীয় বিষয়।"[১৯]

খ) **গুণমালা ঃ** মহাৰাজ নৰনাৰায়ণৰ অনুৰোধক্ৰমে ভাগৱতৰ বাৰ স্কন্ধৰ সাৰ ভাগ লৈ ৰচনা কৰা 'গুণমালা' পুথিখনি তেওঁৰ অপূৰ্ব কাব্য প্ৰতিভাৰ নিদৰ্শন। কৃষ্ণৰ গুণ বা লীলামালা ইয়াত চমৎকাৰ ৰূপত বৰ্ণিত হৈছে।

পাদটীকা ঃ

১) মহেশ্বৰ নেওগ (সম্পাদনা) গুৰু চৰিত কথাঃ পৃ ২৪ দ ৫৬)।

২) মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰী শঙ্কৰদেৱ পৃ ১১৫।

৩) কেশদা মহন্ত ঃ কাব্য তত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য পৃ ২২।

৪) বেজবৰুৱাৰ ৰচনাৱলী ঃ পৃ ১৭৩।

৫) প্ৰাগযুগ ঃ পৃ ১৮৩।

৬) হৰি নাৰায়ণ দত্ত বৰুৱা ঃ সম্পাদনা ৰুক্মিণী হৰণ কাব্য পদ ৫ পৃ ২।

৭) কেশদা মহন্ত ঃ প্ৰাগযুগ পৃ ৩৯।

৮) কেশদা মহন্ত ঃ কুৰুক্ষেত্ৰ যাত্ৰা (অসমীয়া সাহিত্যৰ বুৰঞ্জী, সম্পা. শিৱনাথ বৰ্মন) পৃ ১৬২।

৯) মহেশ্বৰ নেওগ ঃ (সম্পাদিত) ভক্তি প্ৰদীপ, প্ৰস্তাৱনা।

১০) মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰী শঙ্কৰদেৱ পৃ ৭৬।

১১) মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা (মহেশ্বৰ নেওগ ৰচনাৱলী) পৃ ৫৪৮।

১২) উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ঃ (সম্পাদিত) কথাগুৰু চৰিত পৃ ১১৯।

১৩) হৰিচন্দ্ৰ ভট্টাচাৰ্য ঃ কেলিগোপালৰ আলোচনা (অসমীয়া সাহিত্যৰ বুৰঞ্জী, প্ৰকাশক আবিষ্কাৰ, অসম পৃ ২৩১।

১৪) মহেশ্বৰ নেওগ ঃ মহেশ্বৰ নেওগ ৰচনাৱলীৰ অন্তৰ্গত অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ৫৫০।

১৫) বাণীকান্ত কাকতি ঃ বৰগীত (বাণীকান্ত ৰচনাৱলী) পৃ ৪৪।

১৬) মহেশ্বৰ নেওগ ঃ প্ৰাযুক্ত পৃ ৫৫১।

১৭) মহেশ্বৰ নেওগ ঃ (ভূমিকা) কীৰ্তন ঘোষা আৰু নাম ঘোষা পৃ ২০-২১।

১৮) লক্ষীনাথ বেজবৰুৱা ঃ শ্ৰীশ্ৰী শঙ্কৰদেৱ (বেজবৰুৱা গ্ৰন্থাৱলী) পৃ ১৫৮।

১৯) মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা (মহেশ্বৰ নেওগ ৰচনাৱলী ঃ প্ৰথম খণ্ড) পৃ ৫৫০।

## তৃতীয় অধ্যায়

### শংকৰদেৱৰ সাহিত্যত নদী আৰু তৎসংশ্লিষ্ট বিষয়

মূলতঃ একশৰণ নামধৰ্ম সমাজত প্ৰচাৰ কৰিবৰ কাৰণেই কাব্য, গীত, নাট, ৰচনা কৰি যোৱা যুগস্ৰষ্টা শংকৰদেৱৰ সাহিত্য প্ৰতিভাৰ গুণ গৰিমা, তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱৰ গুৰু ভটিমাটিতেই অনন্য ৰূপত প্ৰকাশ পাইছে—

"গীত কবিত্ব গুণ শংকৰদেৱৰ
কীৰিতি গয়ো বহুদূৰ।"

"প্ৰাক-শংকৰী যুগৰে হওক বা শংকৰী যুগৰে হওক, নগণ্য সংখ্যক ৰচনাৰ বাহিৰে সকলো সাহিত্য কৃতিয়েই অনুবাদমূলক অথবা অনুসৃষ্টি শ্ৰেণীৰ। অনুবাদ বুলিলে ভাষান্তৰীকৰণকে বুজায় যদিও সংস্কৃত ভাষাত এই শব্দৰ অৰ্থ হৈছে 'ব্যাখ্যামূলক পুনৰুক্তি।' শংকৰদেৱৰ ক্ষেত্ৰত এই দুয়োটা অৰ্থই খাপ খায়। অনুবাদৰ ক্ষেত্ৰত শংকৰদেৱে মূলৰ অনুসৰণতকৈ নিজৰ ধৰ্ম প্ৰচাৰৰ অনুকুল বিষয় বাছি লৈ উপস্থাপন কৰাতহে অধিক গুৰুত্ব দিছে। তদুপৰি বিষয়বস্তু পূৰ্ণাংগ কৰি তুলিবৰ কাৰণে কেতিয়াবা বিভিন্ন উৎসৰ কথা একত্ৰ কৰিছে, কেতিয়াবা ভাগৱত সম্পৰ্কিত কথাত টীকাকাৰ শ্ৰীধৰ স্বামীৰ 'ভাৱাৰ্থ দীপিকা'ৰহে অনুসৰণ কৰিছে। সমসাময়িক সামাজিক সকলৰ গ্ৰহণ ক্ষমতা আৰু উপযোগিতালৈ লক্ষ্য ৰাখি দাৰ্শনিক জটিলতা পৰিহাৰ কৰি সৰস কাহিনীমূলক কথাত অধিক গুৰুত্ব দিয়া হৈছে। বহুস্থলত প্ৰাসংগিকভাৱে থলুৱা ৰীতি-নীতিৰ বৰ্ণনা কৰিছে; নগৰ, ঋতু, বন, উপবন, আদিৰ বৰ্ণনাত স্থানীয় বৈশিষ্ট্য আৰোপ কৰিছে। তৎসম আৰু তদ্ভৱ শব্দৰ উপৰি স্থানীয় তথা জনমানসত প্ৰচলিত জতুৱা ভাষা প্ৰয়োগ কৰা হৈছে। ফলত বৰ্ণনীয় বিষয়সমূহ জনসাধাৰণৰ বাবে আচহুৱা নহৈ সহজতে হৃদয়ৰ আপোন হৈ পৰিছে। গতিকে অনুবাদমূলক বুলি শংকৰদেৱৰ 'গীত কবিত্ব গুণ' অৱজ্ঞা কৰিব নোৱাৰি। শংকৰদেৱৰ ৰচনাৱলীত প্ৰাক্তন কবিসকলৰ দ্বাৰা পূৰ্বে দৃষ্ট হোৱা বিষয়ো বসন্ত কালত পুৰণি গছত নকৈ ওলোৱা পাতে-ফুলে নতুন সৌন্দৰ্য সঞ্চাৰ কৰাৰ দৰে নতুনকৈ সৌন্দৰ্যমণ্ডিত হৈ প্ৰকাশ পাইছে।[১]

"সকল অনুবাদসমূহত মাজে মাজে প্ৰয়োগ কৰা নিজা সৃষ্টিৰ দিশত সেইবোৰত মাটিৰ গোন্ধ বিদ্যমান। পৰিৱেশ, প্ৰকৃতিয়ে চিনাকি থলুৱা ৰূপত দেখা দিছে; উপমেয়, উপমানৰ আধাৰত কেতিয়াবা তত্ত্ব আৰু দাৰ্শনিক কথাই জুমুৰি বান্ধিলেও এইবোৰ নিৰস অনুপভোগ্য হৈ থকা নাই। একোটা পৰিস্থিতি বা পৰিৱেশনৰ কাৰণে নিজাৱৰীয়াকৈ কুশল, চিত্ৰকৰৰ দৰে একোখন চিত্ৰ আঁকি তেনে পটভূমিত বিষয় উপস্থাপনেৰে অদ্ভুত সাফল্য লাভ কৰা দেখা যায়।"[২]

"প্ৰতিটো বনৰ পাত জাংফাই মিনা কৰা ৰূপ জাতিস্কাৰ"[৩] অসমৰ প্ৰকৃতিৰ মাজত লালিত পালিত শংকৰদেৱৰ কবিসত্বাত বিশ্ব প্ৰকৃতিৰ বিমোহন ৰূপৰ বৰ্ণিল আভা বিচ্ছুৰিত হৈছে। তাৰেই ফল স্বৰূপে সৰ্ব কালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষজনাৰ সাহিত্যত বৰ্ণনীয় বিষয়সমূহে প্ৰকৃতিৰ সকলো উপাদানৰ গাত আউলি অপৰূপ

শোভা পৰিগ্ৰহ কৰি পাঠক-শ্ৰোতাক বিমুগ্ধ কৰিছে। আমাৰ আলোচ্য বিষয়বস্তুলৈ লক্ষ্য ৰাখি প্ৰকৃতিৰ উপাদানৰ ব্যৱহাৰৰ বিষয়টি নদী আৰু তৎসংশ্লিষ্ট বিষয় তথা শব্দ সম্ভাৰৰ ভিতৰতে সীমাবদ্ধ ৰখা হ'ব।

শংকৰদেৱৰ সাহিত্যত ব্যৱহাৰ হোৱা নদীৰে সৈতে সংশ্লিষ্ট বিষয় তথা শব্দসমূহ উল্লেখ কৰা হ'ল।

ক) জলচৰ আৰু জলজ জীৱ ঃ

১) জীৱ-জন্তু ঃ কচ্ছপ, কম্বু, কুম্ভীৰ, কুকম, কূৰ্ম, গ্ৰাহ, ঘৰিয়াল, তিমিংগিল, মগৰ, মৎস্য, মাছ, মীন, শংখ, শুহ।

২) জলচৰ পক্ষী ঃ চক্ৰবাক, ৰাজহংস।

খ) জলজ পুষ্প ঃ অৰবিন্দ, ইন্দিবৰ, উতপল, কমল, কঞ্জ, কুমুদ, নীৰজ, পদ্ম, পংকজ, ভেট, সৰোৰুহ।

গ) জলাধাৰ ঃ জলধি, জলনিধি, জান, ডোবা, তৰংগিনী, দীঘি, নদ-নদী, নিৰ্ঝৰ, পয়সি, পয়োধি, পয়োনিধি, পুখুৰী, ৰাবিধি, মহোদধি, সমুদ্ৰ, সৰোবৰ, সাগৰ, সিন্ধু, হ্ৰদ।

ঘ) ঢৌৰ সমাৰ্থক শব্দ ঃ উৰ্মি, কল্লোল, ঢৌ, তৰংগ।

ঙ) নদীৰ নাম ঃ অলকানন্দা, আকাশী গংগা, কাবেৰী, কৃতমালা, কৌশিকী, গংগা, গণ্ডকী, গোমতী, জাহ্নৱী, তাম্ৰপৰ্ণী, টেস্বুৱানী (জান), নৰ্মদা, পুষ্পভদ্ৰা, ব্ৰহ্মপুত্ৰ, বৈতৰণী, ভাগীৰথী, মহানদী, যমুনা, লোহিত, সৰযু, সৰস্বতী, সিন্ধু।

চ) পানীৰ সমাৰ্থক শব্দ ঃ উদক, জল, বন, নীৰ, পানী, বাৰি।

ছ) বিজুলীৰ সমাৰ্থক শব্দ ঃ তড়িত, বিজুৰ, বিজুৰি, বিজুলী, বিদ্যুৎ।

জ) মেঘৰ সমাৰ্থক শব্দ ঃ অম্বুদ, ঘন, জলদ, জলধৰ, নীৰদ, মেঘ।

ঝ) নদীৰ সৈতে সংশ্লিষ্ট অন্যান্য বিষয় তথা শব্দসমূহ ঃ

ই — ইন্দ্ৰচাপ, ইন্দ্ৰধনু।

ক — কণিকা, কালিন্দী।

গ — গৰ্জন, গাজ।

জ — জল বুদবুদ, জাজি।

ড — ডুব।

ত — তট, তীৰ।

দ — দ্বীপ।

ন — নাব, নিঘতি, নৌকা।

প — পাদোদক, পুণ্ডৰীকাক্ষ।

ফ — ফেন।

ব — বজোবাৰ, বজ্রপাত, বৰিষ, বৰুণ, বাতবৃষ্টি, বাৰিষা, বুৰ, বৃষ্টি, বৃষ্টিপাত।

ম — মৃণাল, মোলান।

শ — শিকৰ, শিশিৰ, শিলাবৃষ্টি।

স — স্নান, সোন্ত, স্রোত।

হ — হিম।

ক্ষ — ক্ষীৰোদধি, ক্ষীৰসাগৰ।

আলোচ্য বিষয়সমূহ আমি দুটা ৰূপত ব্যৱহাৰ হোৱা দেখা পাইছো।

ক) প্রত্যক্ষভাৱে

খ) পৰোক্ষভাৱে

ক) প্রত্যক্ষভাৱে বুলি কওঁতে তাৰ অভিধা অৰ্থ পোনপটীয়াকৈ প্রকাশ কৰা বিষয়লৈ লক্ষ্য কৰা হৈছে। যেনে ঃ

"মৎস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত।।
সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়া।
নধৰিলে সমুদ্ৰে তোমাৰ মৎস্য কায়া।।"

(কীৰ্তন ঃ চ. অ. ২)

খ) পৰোক্ষভাৱে বোলোতে শব্দসমূহ অলংকাৰ ৰূপে ব্যৱহৃত হোৱাৰ প্রতি দৃষ্টি ৰখা হৈছে।

যেনে ঃ

চৰণ পংকজ আছে প্ৰকাশি।

ৰূপক অলংকাৰ, (কী. ধ্যা. ব. ১২)

পীত বস্ত্ৰে শোভে শ্যামল কায়।
তড়িত-জড়িত জলদ প্ৰায়।।

উপমা অলংকাৰ, (কী. ধ্যা. ব. ১২ )

অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত দেখা যায় যে আলোচ্য শব্দসমূহ বিভিন্ন অৰ্থালংকাৰ ৰূপত প্ৰয়োগ হৈছে আৰু শব্দালংকাৰৰ শ্ৰুতি মাধুৰ্যও ঠায়ে ঠায়ে সেইবোৰৰ জৰিয়তে প্ৰকাশ পাইছে।

ব্যৱহৃত অলংকাৰ সমূহৰ এটি পৰিচয় দিয়া হ'ল।[৪]

১. উপমা ঃ স্পষ্ট আৰু বৈচিত্ৰজনিত সাদৃশ্যকে উপমা বোলে। এই সাদৃশ্য গুণগত, ক্ৰিয়াগত আৰু গণক্ৰিয়া উভয়গত হ'ব পাৰে।

উপমা অলংকাৰক কেইবাভাগে ভাগ কৰা হৈছে–

লুপ্তোপমা– উপমেয়, উপমান, সাধাৰণ ধৰ্ম আৰু সাদৃশ্যৰ কোনো এটাৰ, দুটাৰ বা তিনিটাৰ বাচক শব্দ উপস্থিত নাথাকিলে তাকে লুপ্তোপমা বোলে।

প — পাদোদক, পুণ্ডৰীকাক্ষ।

ফ — ফেন।

ব — বজোবাৰ, বজ্রপাত, বৰিষ, বৰুণ, বাতবৃষ্টি, বাৰিয়া, বুৰ, বৃষ্টি, বৃষ্টিপাত।

ম — মৃণাল, মোলান।

শ — শিকৰ, শিশিৰ, শিলাবৃষ্টি।

স — স্নান, সোত, স্রোত।

হ — হিম।

ক্ষ — ক্ষীৰোদধি, ক্ষীৰসাগৰ।

আলোচ্য বিষয়সমূহ আমি দুটা ৰূপত ব্যৱহাৰ হোৱা দেখা পাইছো।

ক) প্রত্যক্ষভাবে

খ) পৰোক্ষভাবে

ক) প্রত্যক্ষভাবে বুলি কওঁতে তাৰ অভিধা অৰ্থ পোনপটিয়াকৈ প্ৰকাশ কৰা নিময়ালৈ লক্ষ্য কৰা হৈছে। যেনে ঃ

"মৎস্য ৰূপে অবতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত।।
সত্যব্রত ৰাজাক দেখাইলা নিজ মায়া।
নধৰিলে সমুদ্রে তোমাৰ মৎস্য কায়া।।"

(কীৰ্ত্তন ঃ চ. অ. ২)

খ) পৰোক্ষভাবে বোলোতে শব্দসমূহ অলংকাৰ ৰূপে ব্যৱহৃত হোৱাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। যেনে ঃ

চৰণ পংকজ আছে প্ৰকাশি।

ৰূপক অলংকাৰ, (কী. ধ্যা. ৰ. ১২)

পীত বস্ত্রে শোভে শ্যামল কায়।
তড়িত-জড়িত জলদ প্ৰায়।।

উপমা অলংকাৰ, (কী. ধ্যা. ৰ. ১২ )

অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত দেখা যায় যে আলোচ্য শব্দসমূহ বিভিন্ন অৰ্থালংকাৰ ৰূপত প্ৰয়োগ হৈছে আৰু শব্দালংকাৰৰ শ্ৰুতি মাধুৰ্যও ঠায়ে ঠায়ে সেইবোৰৰ জৰিয়তে প্ৰকাশ পাইছে।

ব্যৱহৃত অলংকাৰ সমূহৰ এটি পৰিচয় দিয়া হ'ল।[৫]

১. উপমা ঃ স্পষ্ট আৰু বৈচিত্ৰজনিত সাদৃশ্যকে উপমা বোলে। এই সাদৃশ্য গুণগত, ক্ৰিয়াগত আৰু গুণক্ৰিয়া উভয়গত হ'ব পাৰে।

উপমা অলংকাৰক কেইবাভাগে ভাগ কৰা হৈছে—

লুপ্তোপমা— উপমেয়, উপমান, সাধাৰণ ধৰ্ম আৰু সাদৃশ্যৰ কোনো এটাৰ, দুটাৰ বা তিনিটাৰ বাচক শব্দ উপস্থিত নাথাকিলে তাকে লুপ্তোপমা বোলে।

পূৰ্ণোপমা— যি উপমাত উপমেয়, উপমান, সাধাৰণ ধৰ্ম আৰু তুলনা বা সাদৃশ্য বৰ্তমান তাকে পূৰ্ণোপমা বোলে।

মালোপমা— এটা উপমেয়ক লৈ অনেক উপমান থাকিলে তাক মালোপমা বোলে।

স্মৰণোপমা— সদৃশ বস্তুৰ অনুভৱৰ পৰা উপজা সৃষ্টিয়েই স্মৰণোপমা।

২) প্ৰতি বস্তুপমা— কোনো বস্তু, অৰ্থাৎ বাক্যাৰ্থৰ উপমান স্বৰূপ আন বাক্যাৰ্থ উপস্থাপিত হ'লে আৰু সেই উপমেয় বাক্যাৰ্থত আৰু উপমাৰ বাক্যাৰ্থৰ একে সাধাৰণ ধৰ্মকে যদি বিভিন্ন শব্দৰে বুজোৱা হয়; তাৰ ফলত যদি উপমাবাচক শব্দ নোহোৱাকৈ উপমাৰ অৰ্থ সূচিত হয় তেনেহ'লে প্ৰতিবস্তুপমা অলংকাৰ হয়।

৩) প্ৰতীপ— বিপৰীত বা ওভোটা উপমাকে প্ৰতীপ বুলি কোৱা হয়। ইয়াত উপমানক উপমেয় আৰু, উপমেয়ক উপমান ৰূপে কল্পনা কৰা হয়।

৪) ৰূপক ঃ অতি সাদৃশ্য হেতুকে উপমেয়ৰ ওপৰত উপমানক আৰোপিত কৰাকে ৰূপক বোলে। ৰূপক সাধাৰণতে তিনি প্ৰকাৰৰ—

ক) পৰম্পৰিত

খ) সাংগ

গ) নিৰংগ।

ক) পৰম্পৰিত ৰূপক — যদি এটা উপমেয়ত উপমানৰ আৰোপ আন এটা উপমেয়ত উপমান আৰোপৰ কাৰণ হয়, তেতিয়া পৰম্পৰাক্ৰমে ইটোৰ পিচত সিটোকৈ যি ৰূপক হয়, তাকে পৰম্পৰিত ৰূপক বোলে। পৰম্পৰিত ৰূপকবোৰত অংগাংগি সম্বন্ধ নাথাকে, কিন্তু প্ৰথম ৰূপকটো বিস্তাৰ কৰিবৰ কাৰণে বাকীকেইটা ৰূপকৰ প্ৰয়োজন হয়।

খ) সাংগ ৰূপক — এটা বস্তুক কোনো এটা বস্তুৰ লগত তুল্যৰূপতা দেখুৱাই তাৰ বাকী ভাগ বিলাককো সেই বস্তুৰ বাকী ভাগ বিলাকৰ লগত তুল্যৰূপতা দেখুৱাকে সংগ ৰূপক বোলে।

ক) নিৰংগ ৰূপক — উপমেয়ত উপমানৰ অভেদত্ব আৰোপ কৰিলে নিৰংগ ৰূপক সিদ্ধ হয়।

৫) উৎপ্ৰেক্ষা ঃ উপমেয়ক উপমান বুলি কৰা একপক্ষীয় প্ৰবল সন্দেহৰ ভেটিত উপমেয় উপমানৰ যি একৰূপতাৰ কল্পনা হয় তাকে উৎপ্ৰেক্ষা অলংকাৰ বোলে।

৬) ব্যতিৰেক অলংকাৰ ঃ উপয়েমক উপমানতকৈ উৎকৃষ্ট বা নিকৃষ্ট কৰি দেখুৱালে ব্যতিৰেক অলংকাৰ হয়।

৭) অপহ্নুতি— উপমেয়ক নহয় বুলি অস্বীকাৰ কৰি উপমানক হয় বুলি প্ৰতিষ্ঠিত কৰাকে অপহ্নুতি অলংকাৰ বোলা হয়।

৮) ভ্ৰান্তিমান অলংকাৰ —অতিশয় মিল থকা বাবে এটা বস্তুক আন এটা বস্তু বুলি কল্পনা কৰি যি ভুলত পৰা যায় তাক ভ্ৰান্তিমান অলংকাৰ বোলে।

৯) অতিশয়োক্তি — সিদ্ধ অধ্যৱসায় চমৎকৃত জনক হ'লে তাক অতিশয়োক্তি অলংকাৰ বোলে। এই অলংকাৰত উপমানে উপমেয়ক গ্ৰাস কৰি পেলায়।

১০) নিদৰ্শনা — দুটা বাক্যাৰ্থ বা পদাৰ্থৰ সম্বন্ধটো যদি বাস্তৱৰূপে চালে অসম্ভৱ হয় আৰু সেই অসম্ভৱতাৰ দূৰ কৰিবলৈ উপমাৰ কল্পনা কৰিব লগা হয় তেনেহ'লে তাক নিদৰ্শনা অলংকাৰ বোলে।

১১) অৰ্থান্তৰ ন্যাস — কোনো এটা বিশেষ উক্তিৰ সমৰ্থনত আন এটা উক্তি উপস্থাপন কৰাকে অৰ্থান্তৰ ন্যাস বোলে।

১২) বিৰোধ বা বিৰোধাভাস — দুটা বস্তু পৰস্পৰ বিৰোধী যেন লাগিলেও তাৰ তাৎপৰ্যৰ পৰা যেতিয়া সেই বিৰোধৰ অৱসান হয় তেতিয়াই বিৰোধ অলংকাৰ হয়।

১৩) সন্দেহ অলংকাৰ — উপমেয় আৰু উপমানৰ ভিতৰত সন্দেহ উপজিলে তাক সন্দেহ অলংকাৰ বোলে।

এতিয়া আলোচ্য বিষয় তথা শব্দসমূহৰ ব্যৱহাৰৰ বিশদ আলোচনা আগবঢ়োৱা হ'ল।

## (ক) জলজ আৰু জলচৰ জীৱ

### ১) জীৱ জন্তু ঃ

**কচ্ছপ ঃ**

কীৰ্তনৰ 'উৰেষা বৰ্ণন' অধ্যায়ৰ দ্বিতীয় কীৰ্তনত দক্ষিণ সাগৰৰ বৰ্ণনাত জলচৰ জীৱ 'কচ্ছপ'ৰ প্ৰত্যক্ষ প্ৰয়োগ আছে এনেদৰে—

আছে ভয়ংকৰ মৎস্য কচ্ছপ বহল।

(কী. উ. ব. ২১)।

একাদশ স্কন্ধ ভাগৱতত প্ৰভাস তীৰ্থত যদু বংশ ধবংস হোৱা বৰ্ণনাত এনেদৰে আছে—

উটে মৰা শৰ মৎস কচ্ছপ আকাৰ।

(ভা. এ. স্ক. ১৭৮০৩)

অমৃত মন্থন কাব্যত মন্দৰ পৰ্বত ধাৰণ প্ৰসংগত এনেদৰে আছে—

একৰূপে তেতিক্ষণে ভৈলন্ত কচ্ছপ।

(অ. ম. ক. ১৬৭)।

মন্দৰক কচ্ছপে পাইলেক গৈয়া ভেট।

******

ভৰি খুম্পি কচ্ছপে উৰ্দ্ধক দোংগা দিল।

(অ. ম. কা. ১৭১)।

তলত কচ্ছপে পিঠি পাতি আছা ধৰি।।

******

কিবা সুৰসুৰাই হেন কচ্ছপৰ মন।।

(অ. ম. কা. ১৭৩)।

তেনেকৈ সাগৰ মন্থনৰ সময়ত পৰ্বতৰ পাকত সগৰেও পাক লোৱাত জলজন্তু সৱৰ বিপৰ্যয় সুৰ বৰ্ণনাত আছে—

মগৰ কুম্ভীৰ মৎস কচ্ছপৰ পাল।

(অ. ম. কা. ১৮০)

অনাদি পাতনত বসুমতীৰ অৱস্থা প্ৰসংগত আছে

যেতিক্ষণে তোলৈ হামি কচ্ছপ অনন্তে।

(অ. পা. ২২)

পাতালৰ সৃষ্টি প্ৰসংগত এনেদৰে আছে–

আছন্ত অনন্ত কচ্ছপৰ ওপৰত ।।

(অ. পা. ৯৪)

তেনেকৈ, উত্তৰা কাণ্ড ৰামায়ণৰ সপ্ত বিংশ অধ্যায়ত কালে সুৰুচি ঋষিৰ বেশ ধৰি অযোধ্যালৈ আহি শ্ৰীৰাম চন্দ্ৰক অৱতাৰ সম্বৰণৰ অৰ্থে অনুৰোধ কৰা সম্পৰ্কে এনেদৰে আছে–

কচ্ছপ স্বৰূপে পিঠিত মন্দৰ

ধৰিলা কৰিয়া লীলা।

(উ. কা. ৰা. ২২)।

কম্বু ঃ

পানীৰে সৈতে সম্পৰ্কিত কম্বু বিষয়টি উপমান ৰূপে শংকৰদেৱে নানা প্ৰসংগত ব্যৱহাৰ কৰিছে। কীৰ্তনৰ কংস বধ অধ্যায়ত কৃষ্ণ মথুৰালৈ যোৱাৰ পিচত গোপ নাৰী সবে বিৰহাকুল ভাবে কৃষ্ণৰ গুণানুকীৰ্তন কৰা প্ৰসংগত এনেদৰে আছে–

কম্বুকণ্ঠে কৌস্তুভ প্ৰকাশে।

ৰূপক অলংকাৰ, (কী. ক. ব. ২৫৪)

কাল যৱন বধ অধ্যায়ত কাল যৱনে মাধৱৰ পৰম সুন্দৰ বেশ দৰ্শন কৰা প্ৰসংগত আছে–

কম্বুকণ্ঠ মাজে কৌস্তুভ শোভয়।

ৰূপক অলংকাৰ, (কা. য. ব. ৬২)

কৃষ্ণৰ ৰূপৰ বৰ্ণনা প্ৰসংগত ভাগৱত আছে–

ৰুচিৰ চিবুক কম্বুকণ্ঠ মনোহৰ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৭২৮)

তেনেকৈ,

মনোহৰ কম্বুকণ্ঠ কৌস্তুভে শোভিত।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২০৬৫)

ভাগৱতৰ দশম স্কন্ধত অক্ৰূৰে স্নানৰ সময়ত পানীৰ তলত কৃষ্ণক দেখা প্ৰসংগত আছে

কম্বুকণ্ঠে শোভে কৌস্তুভ সুবৰ্ণে

.................................।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৪৭২)

ৰুক্মিণী হৰণ কাব্যত ৰুক্মিণীৰ ৰূপ বৰ্ণনাত এনেদৰে আছে–

চাৰু কম্বু কণ্ঠক দেখন্তে মনোহৰ।।

(ৰু. হ. কা. ২১)

13896
2/4/09

বলি ছলন কাব্যত অদিতিৰ গৰ্ভজাত নাৰায়ণৰ অদ্ভুত বালক ৰূপ বৰ্ণনা প্ৰসংগত আছে–

কম্বুকণ্ঠ মাজে কৌস্তুভ বিৰাজে।

ৰূপক অলংকাৰ, (ব. ছ. কা. ১৬৮)

তেনেকৈ বামনৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে–

চাৰু কৰ্ণ কম্বুকণ্ঠ বহল হৃদয়।

ৰূপক অলংকাৰ, (ব. ছ. কা. ১৮৫)

পাৰিজাত হৰণ নাটৰ দেব ভটিমাত আছে–

অৰি অৰবিন্দ কৌমুদী কম্বুপাণি।

ধনশ্ৰী ৰাগ পৰিতালৰ 'দেখু সখী' শীৰ্ষক কৃষ্ণৰ ৰূপ বৰ্ণনা সূচক ভটি বৰগীতত এনেদৰে আছে,

জলে কম্বু গলে গজমতি।।

ৰূপক অলংকাৰ, (বৰগীত)

গুণমালাত কৃষ্ণৰ ৰূপ বৰ্ণনাত বিষয়টিৰ প্ৰয়োগ এনেদৰে আছে–

কৌস্তুভে উজ্বল শোভে কম্বুগল।।

(গু. মা. ৫৩)

**কুম্ভীৰ ঃ**

জলজ জীৱ কুম্ভীৰ বিষয়টিৰো বিভিন্ন প্ৰসংগত প্ৰয়োগ কৰিছে।

কীৰ্তনৰ উৰেষা বৰ্ণন অধ্যায়ত দক্ষিণ সাগৰৰ পাৰৰ বৰ্ণনাত আছে–

কুম্ভীৰ মগৰ মৎস্যে কৰে হুলস্থুল।

(কী. উ. ব. ২১)

দশম স্কন্ধৰ আৰম্ভণিতে ৰজা পৰীক্ষিতে শুক মুণিৰ পৰা নাৰায়ণ কৃষ্ণৰ অৱতাৰৰ লীলা জানিবলৈ বিচৰা প্ৰসঙ্গত আছে–

দুৰ্ঘোৰ সাগৰ সেনা বল কৌৰৱৰ।
দ্ৰোণ ভীষ্ম কৰ্ণ তাত কুম্ভীৰ মগৰ।।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১০৬৫৮)

ভাগৱতৰ দশম স্কন্ধত হৰি ভকতিৰ মহিমা বৰ্ণন প্ৰসঙ্গত এনেদৰে আছে–

কামক্ৰোধ ভৈলা তাত কুম্ভীৰ মগৰ।

(ভা. দ. স্ক. ১০৯৮৬)

তেনেকৈ সাগৰৰ বৰ্ণনা প্ৰসংগত আছে

কুম্ভীৰ মগৰ গ্ৰাহ সঞ্চৰে প্ৰকটে।

(ভা. দ. স্ক. ১২৮১৩)

ভাগৱতৰ দশম স্কন্ধৰ পাঞ্চজন্য বধ প্ৰসঙ্গত এনেদৰে আছে–

কুম্ভীৰক ভয়ে যেন মৎস্যক পলাই।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১২৮২০)

ভাগৱতৰ একাদশ স্কন্ধত উপদেশ প্ৰসংগত আছে–

কামক্ৰোধ কুম্ভীৰ মগৰ।

উপমা অলংকাৰ. (ভা. এ. স্ক. ১৭৮৫৯)

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন প্ৰসংগত আছে—

কুম্ভীৰ মগৰে কৰে উড়ুফাল

..................................

(ভা. দ্বা. স্ক. ১৮৬৯৬)

তেনেকৈ, সেই প্ৰসংগতে আছে—

পৰ্বত আকাৰ কুম্ভীৰ ধৰিয়া

গিলে কতো উদগাৰে।।

কুম্ভীৰবো পৰা মগৰে লৈ যায়

তাৰে পৰা তিমিংগিলে।

(ভা. দ. স্ক. ১৮৬৯৯)

ঋষিয়ে ধ্যানৰ অন্তত পুনৰ নিজকে পুষ্পভদ্ৰা তীৰৰ আশ্ৰমত আবিষ্কাৰ কৰা বৰ্ণনাত আছে—

নাহি জলজন্তু একো কুম্ভীৰ মগৰ।

(ভা. দ. স্ক. ১৮৭৩২)

অমৃত মন্থন কাব্যত কৰ্ম অৱতাৰ বৰ্ণনা প্ৰসঙ্গত আছে

মগৰ কুম্ভীৰ ভয়ে পসিল পাতাল।

(অ. ম. কা. ৩৩৭)

তেনেকৈ সমুদ্ৰ মন্থনৰ বৰ্ণনাত আছে—

মগৰ কুম্ভীৰ মৎস কাচ্ছপৰ পাল।

(অ. ম. কা. ১৮০)

দেবাসুৰৰ সমৰ বৰ্ণনাত এনেদৰে আছে—

হুলস্থুল কৰৈ যেন কুম্ভীৰ মগৰ।

(অ. ম. কা. ৪১৮)

কুৰুক্ষেত্ৰ কাব্যত জম্বৱতীয়ে নিজ বিবাহ বৰ্ণনা কৰা প্ৰসঙ্গংগত আছে—

উজৰিল জলজন্তু কুম্ভীৰ মগৰ।

(কু. কা. ২১১)

উত্তৰাকাণ্ড ৰামায়ণৰ ঊনত্ৰিংশ অধ্যায়ত লক্ষণ বিৰহৰ তাপত ৰামৰ মানসিক অৱস্থা বৰ্ণনা প্ৰসংগত আছে—

খাই লক্ষণৰ শোক কুম্ভীৰ মগৰে।

(ৰূপক অলংকাৰ) (উ. কা. ৰা. ঊ. অ. ১৩)

কূৰ্ম / কূৰুম ঃ

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা অধ্যায়ত এনেদৰে আছে–

কূৰ্ম অৱতাৰ ভৈলা ক্ষীৰো দধিতীৰে।

(কী. চ. অ. ৩)

ভাগৱতৰ প্ৰথম স্কন্ধৰ মঙ্গলাচৰণ আৰু ঋষি প্ৰশ্ন অধ্যায়ত আছে–

মৎস্য কূৰ্ম আদি অংশ অৱতাৰ যাৰ।

(ভা. প্ৰ. স্ক. ১)

ভাগৱতৰ দশম স্কন্ধত অক্ৰূৰৰ কৃষ্ণ স্তুতি প্ৰসংগত আছে–

নমো কূৰ্ম ৰূপে পৃষ্ঠে ধৰিলা মন্দৰ।

( ভা. দ. স্ক. ১২৪৮৭)।

দ্বাদশ স্কন্ধ ভাগৱততো ভাগৱতৰ সংক্ষিপ্ত বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

কূৰ্ম ৰূপে মন্দৰ ধৰিলা কান্ধ পাতি।

( ভা. দ. স্ক. ১৮৮১১)।

'অমৃত মন্থন' কাব্যত কূৰ্ম অৱতাৰ প্ৰসংগত আছে

গাৱ মূৰি দিয়া মহা কূৰ্মে তুলি হাসি।

(অ. ম. ১৬৯)।

কেলি গোপাল নাটৰ মুক্তি মংগল ভটিমাত আছে–

কূৰুম ৰূপে ক্ষীৰ সাগৰ মাথনে যো ধৰিলে।।

(কে. গো. না.)।

গুণ মালাত অৱতাৰ বৰ্ণন প্ৰসংগত আছে–

কূৰ্ম কলেবৰ ধৰিলা মন্দৰ।

( গু. মা. ৩৪)।

গ্ৰাহ / গ্ৰাস ঃ

কীৰ্তনৰ গজেন্দ্ৰোপাখ্যান অধ্যায়ত ত্ৰিকূট পৰ্বতৰ সৰোবৰত ক্ৰীড়াৰত গজেন্দ্ৰক গ্ৰাহে আক্ৰমণ কৰা প্ৰসংগত আছে–

দেখিল তাক পাছে মহা গ্ৰাসে।

(কী. গ. উ. ২১)

গজেন্দ্ৰক গ্ৰাহে আজুৰি টানে।
হস্তীও গ্ৰাহক আজুৰি আনে।।

(কী. গ. উ. ২২)

গ্ৰাহ গজেন্দ্ৰৰ যুদ্ধ মিলিল।।

(কী. গ. উ. ২৩)

গ্ৰাহ গজেন্দ্ৰৰ যুদ্ধ বৰ্ণনা প্ৰসংগত আছে–

গ্ৰাহ গজেন্দ্ৰৰ কিছু নুহি ভংগ জয়।

(কী. গ. উ. ২৫)

গ্ৰাহৰ বাঢ়িলা বল পিয়া স্বাদ পানী।।

(কী. গ. উ. ২৬)

মহাগৰ্ব্বে ভ্ৰমন্তে ধৰিল জল গ্ৰাহে।

(কী. গ. উ. ২৮)

গজেন্দ্ৰই বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ কৰা স্তুতিত সন্তুষ্ট হৈ হৰিয়ে গ্ৰাহক বধ কৰাৰ বৰ্ণনাত আছে এনেদৰে—

চক্ৰ ধৰি তেখনে ছিৰিলা গ্ৰাহ মুখ।

(কী. গ. উ. ৩৪)

কৃষ্ণ পৰশনে গ্ৰাহো শাপক নিস্তৰি।।

(কী. গ. উ. ৩৬)

উৰেষা বৰ্ণনত অষ্টম কীৰ্তনত এনেদৰে আছে—

ইন্দ্ৰিয় আৱৰ্ত গ্ৰাহ ভৈল ৰাগদ্বেষ।।

ৰূপক অলংকাৰ, (উ. ব. ৮৭)

অষ্টাদশ কীৰ্তনত অপাৰ সাগৰ স্বৰূপ সংসাৰত কামক্ৰোধ আদি ৰিপুৰ তুলনা প্ৰসংগত এনেদৰে আছে—

কাম ক্ৰোধ গ্ৰাহে সদায় আকুল

দুঃখচয় ভৈল ফেন।।

ৰূপক অলংকাৰ, (উ. ব. ১৮৫)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণ আৰু বলোৰামে সান্দীপণি মুনিৰ মৃত পুত্ৰ উদ্ধাৰ কৰিবলৈ সাগৰৰ তীৰত উপস্থিত হোৱা প্ৰসংগত সাগৰৰ বৰ্ণনাত আছে এনেদৰে—

কুম্ভীৰ মগৰ গ্ৰাহ সঞ্চৰে প্ৰকটে।

(ভা. দ. স্ক. ১২৮১৩)

**ঘৰিয়াল ঃ**

ভাগৱতৰ দ্বিতীয় স্কন্ধত ভগৱানৰ লীলা অৱতাৰ প্ৰসংগত জলচৰ প্ৰাণী ঘৰিয়ালৰ উল্লেখো মন কৰিব লগীয়া—

মৎস শুহ ঘৰিয়াল হৈবে সবে লালকাল

সাগৰ তৰসি যাইবে তেৰে।।

(ভা. ২য়. স্কন্ধ ৫৩৯)

**তিমিংগিল ঃ**

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কুম্ভীৰো পৰা মগৰে লৈ যায়

তাৰে পৰা তিমিংগিলে।

(ভা. দ্বা. স্ক. ১৮৬৯)

মগৰ ঃ

কীৰ্ত্তনত উৰেষা বৰ্ণন অধ্যায়ত মালৱ দেশৰ অৱন্তীপুৰ নগৰৰ ৰজা ইন্দ্ৰদ্যুম্নই মাধৱক আৰাধনা কৰাৰ উদ্দেশ্যে দক্ষিণ সাগৰৰ পাৰত প্ৰজাগণেৰে সৈতে উপস্থিত হোৱা প্ৰসংগত সাগৰৰ বৰ্ণনাত আছে—

কুম্ভীৰ মগৰ মৎস্য কৰে হুলস্থূল।।

(কী. উ. ৰ. ২১)

ভাগৱতৰ দশম স্কন্ধত আৰম্ভণিতে ৰজা পৰীক্ষিতে শুকমুনিৰ পৰা নাৰায়ণৰ কৃষ্ণ অৱতাৰৰ বিষয়ে জানিবলৈ প্ৰশ্ন কৰা প্ৰসংগত আছে—

দ্ৰোণ ভীষ্ম কৰ্ণ তাত কুম্ভীৰ মগৰ।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১০৬৫৮)

কৃষ্ণ আৰু বলোৰামে সান্দীপণি মুনিৰ মৃত পুত্ৰ উদ্ধাৰ কৰিবলৈ সাগৰৰ তীৰত উপস্থিত হোৱা প্ৰসংগত সাগৰৰ বৰ্ণনাত আছে এনেদৰে—

কুম্ভীৰ মগৰ গ্ৰাহ সপ্তৰে প্ৰকটে।

(ভা. দ. স্ক. ১২৮১৩)

একাদশ স্কন্ধ ভাগৱতত যদুবংশ ধ্বংস বৰ্ণনাৰ পিছত উপদেশ প্ৰসংগত এনেদৰে আছে—

চিন্তা ভৈল দুইপাৰ মাংস ছিণ্ডি খাই গাৰ
কামক্ৰোধ কুম্ভীৰ মগৰ।

(ৰূপক অলংকাৰ, ১৭৮৫৯)

দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন প্ৰসংগত এনেদৰে আছে—

কুম্ভীৰ মগৰে কৰে উডুফাল
দেখি ভৈল ঋষি ত্ৰাস।।

(ভা. দ্বা. স্ক. ১৮৬৯৬)

ভয়ংকৰ মৎস্য মগৰে বেঢ়িয়া
ঠোঁটে খুণ্টিয়াই মাৰে।

******

কুম্ভীৰো পৰা মগৰে লৈ যায়
তাৰে পৰা তিমিংগিলে।

(ভা. দ্বা. স্ক. ১৮৬৯৯)

মাৰ্কণ্ডেয় ঋষিয়ে সাতকল্প দৰ্শনৰ অন্তত নিজকে পুনৰ পুষ্পভদ্ৰা নদীৰ তীৰত আৱিষ্কাৰ কৰাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

নাহি জলজন্তু একো কুম্ভীৰ মগৰ।

(ভা. দ্বা. স্ক. ১৮৭৩২)

হৰিশচন্দ্ৰ উপাখ্যানত বক ৰূপী বিশ্বামিত্ৰ আৰু শৰালিৰূপী বশিষ্ঠৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কুম্ভীৰ মগৰে খেদি খাই গোটে গোটে।

(হ. উ. কা. ৫৭৫)

অমৃত মন্থন কাব্যত দেৱাসুৰৰ অমৃত মন্থনৰ সময়ত মন্দৰ পৰ্বত ধাৰণ কৰিবলৈ কূৰ্ম ৰূপ ধৰি বিষ্ণুৱে সাগৰত বুৰ দিয়া বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মগৰ কুম্ভীৰ ভয়ে পশিল পাতাল।

(অ. ম. কা. ১৭০)

অমৃত পান কৰা দেৱতা আৰু অমৃতৰ পৰা বঞ্চিত অসুৰৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

একথান ভৈল যেন দুখন সাগৰ।
হুলস্থূল কৰৈ যেন কুম্ভীৰ মগৰ ।।

(উপমা অলংকাৰ, অ. ম. কা. ৪১৯)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণমহিষীসকলে কুৰুক্ষেত্ৰত সমবেত হোৱা নাৰীসকলৰ আগত নিজা নিজা বিবাহৰ বৰ্ণনা কৰা প্ৰসংগত জাম্ববতীৰ বিবাহ বৰ্ণনাত এনেদৰে আছে—

উজবিল জল জন্তু কুম্ভীৰ মগৰ।
মহাবেগে খলকিল সকল সাগৰ।।

(কু. ক্ষে. কা. ২১১)

উত্তৰাকাণ্ড ৰামায়ণৰ ঊনত্ৰিংশ অধ্যায়ত লক্ষ্মণ বিৰহৰ তাপত তাপিত ৰামৰ মানসিক অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

খাই লক্ষ্মণৰ শোক কুম্ভীৰ মগৰে।।

ৰূপক অলংকাৰ, (উ. কা. কা. অ. ১৩)

**মৎস্য ঃ**

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা অধ্যায়ত আছে এনেদৰে—

মৎস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমত।

******

নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া।

(কী. চ. অ. ২)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত উদ্ধৱে বিদুৰৰ আগত যদুগণে কৃষ্ণৰ মূল্য বুজি নোপোৱা বুলি খেদ কৰা প্ৰসংগত এনেদৰে আছে—

ক্ষীৰসাগৰত আছিলন্ত শশধৰ।
মৎস্যে যেন বোলে ইও এক জলচৰ।।

উপমা অলংকাৰ, (শ্ৰী. কৃ. বৈ. প্ৰ. ১৯৫)

কীৰ্তনৰ 'উৰেষা বৰ্ণন' অধ্যায়ত দক্ষিণ সাগৰৰ বৰ্ণনাত আছে—

কুম্ভীৰ মগৰ মৎস্যে কৰে হুলস্থুল।।

(কী. উ. ব. ২১)

ঊনবিংশ কীৰ্তনত শ্ৰীক্ষেত্ৰত বিষ্ণুৰ অৱতাৰসমূহৰ বিগ্ৰহ দৰ্শনৰ বৰ্ণনাত আছে—

মৎস্য মাধৱক গৈয়া হোৱে দৰশন।

(কী. উ. ন. ১৯৬)

ভাগৱতৰ প্ৰথম স্কন্ধত মংগলাচৰণ আৰু ঋষি প্ৰশ্ন অধ্যায়ত আছে--

মৎস্য কুৰ্ম আদি অংশ অৱতাৰ যাক।

(ভা. প্ৰ. স্ক. ১)

ভাগৱতৰ দ্বিতীয় স্কন্ধত ভগৱন্তৰ লীলা বৰ্ণনা প্ৰসংগত আছে এনেদৰে--

ধৰি মহা মৎস্য কায় ভক্ত সত্যব্ৰত ৰায়

..................................

(ভা. দ্বি. স্ক. ৫২৯)

তেনেদৰে ৰাম অৱতাৰ বৰ্ণনা প্ৰসংগত আছে--

মৎস্য শুহ ঘৰিয়াল হৈবে সব লালকাল

(ভা. দ্বি. স্ক. ৫৩৯)

ভাগৱতৰ দশম স্কন্ধত শুকমুনিয়ে পৰীক্ষিতৰ আগত কলীনাগে বাসস্থান ৰূপে হ্ৰদটো বাছি লোৱাৰ কাৰণ বৰ্ণনা কৰা প্ৰসংগত আছে--

মহা মৎস্য গোট সকুটুম্বে ফুৰৈ চৰি।

(ভা. দ. স্ক. ১১৩৩৪)

গৰুড় পক্ষীয়ে সেই মাছটো খাই পেলোৱাত অন্য মাছৰ অৱস্থা বৰ্ণনা প্ৰসংগত আছে--

পৰম অনাথ ভৈল আন মৎস্য গণ।

(ভা. দ. স্ক. ১১৩৩৫)

তেতিয়া ঋষি সৌভৰিয়ে শাপ দিয়া বৰ্ণনাত আছে--

যদি দুনাই খান্ত ঐত মৎস্য একপ্ৰাণী।

(ভা. দ. স্ক. ১১৩৩৬)

শৰৎ কালৰ শোভা বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

দোভাৰ জলত সূৰ্যৰ তাপত
কমাইৰ মৎস্য অপাৰ।
যেন মহাদুখী কুটুম্বী মনুষ্যে
দুখৰ নেদেখে পাৰ।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৭৮)

অক্ৰুৰে কৃষ্ণ বলোৰামক মথুৰালৈ লৈ যোৱাৰ বাটত কৃষ্ণক স্তুতি কৰা প্ৰসংগত এনেদৰে আছে--

নমো মহা মৎস্য প্ৰলয়ৰ জলচৰ।

(ভা. দ. স্ক. ১২৪৮৭)

কৃষ্ণই সান্দীপণি মুণিৰ পুত্ৰ উদ্ধাৰৰ অৰ্থে সাগৰত বুৰ মাৰি পাঞ্চজন্য অসুৰক ধৰিব খোজোতে অসুৰ পলাই যোৱা কাৰ্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে--

কুম্ভীৰক ভয়ে যেন মৎস্যক পলাই।।

উপমা অলংকাৰ (ভা. দ. স্ক. ১২৮২০)

একাদশ স্কন্ধৰ ভাগৱতৰ প্ৰথম অধ্যায়ত শ্ৰীকৃষ্ণৰ মাহাত্ম্য বৰ্ণন প্ৰসংগত এনেদৰে আছে--

যাহাৰ বিভূতি মৎস্য আদি অৱতাৰ।

(ভা. এ. স্ক. ১৭৪৭৫)

যদুগণে যদুবংশৰ ঘাতকস্বৰূপ মুষল চূৰ্ণীকৃত কৰি সাগৰত পেলাই নিঃচিহ্ন কৰিব খোজা বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

মৎস্যৰ গৰ্ভত দেখি সেহি লোহা খানি।

(ভা. এ. স্ক. ১৭৫২০)

প্ৰভাস তীৰ্থত যদু বংশ ধ্বংস হোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

উটে মৰা শৰ মৎস্য কচ্ছপ আকাৰ।

উপমা অলংকাৰ (ভা. এ. স্ক. ১৭৮০৩)

দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন প্ৰসংগত এইদৰে আছে–

ভয়ঙ্কৰ মৎস্য মগৰে বেঢ়িয়া

ঠোঠে খুন্টিয়াই মাৰে।

(ভা. দ্বা. স্ক. ১৮৬৯৯)

'হৰিশ্চন্দ্ৰ উপাখ্যান'ত ৰজা হৰিশ্চন্দ্ৰই শ্মশান থলীত মৃত পুত্ৰক দেখি শোকাতুৰ হৈ পৰা প্ৰসংগত এনেদৰে আছে–

মৎস্য যেন তোক মই বিকিলো পাপীষ্ঠে।

(হ. উ. ৪০০)

'অমৃত মথন' কাব্যত দেৱাসুৰৰ অমৃত মথন বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

মগৰ কুম্ভীৰ মৎস্য কচ্ছপৰ পাল।

(অ. ম. কা. ১৮০)

'কুৰুক্ষেত্ৰ' কাব্যত কৃষ্ণ মহিষী লক্ষণাই সমবেত নাৰীসকলৰ আগত নিজৰ বিবাহ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে–

নিৰ্ম্মিয়া চক্ৰক মৎস্য ভ্ৰমাইলা আকাশে।

(কু. ক্ষে. কা. ২৯১)

কিন্তু আমাঠৈৰ মৎস্য মহা বিলক্ষণ।।

বাহিৰত ঢাকি আছে তোমাঠৈৰ মৎস্য।

(কু. ক্ষে. কা. ২৯২)

এতেকেসে শ্ৰেষ্ঠ আতি আমাঠৈৰ মৎস্য।।

******

সিটো মৎস্য ভেদে যিটো যি পাৱে কণ্যাক।।

(কু. ক্ষে. কা. ২৯৪)

পাৰে যিবা বীৰে ইটো মৎস্য ভেদিবাক।

(কু. ক্ষে. কা. ২৯৯)

হানে বাণ নজানে মৎস্যৰ থান থিত।

(কু. ক্ষে. কা. ৩০৩)

জানি থিত মৎস্যৰ ছায়াক চাহি জলে।

(কৃ. ক্ষে. কা. ৩০৪)

কথমপি মৎস্যক চুইলেক মাত্র শৰে।

(কৃ. ক্ষে. কা. ৩০৫)

লীলায়ে ছেদিলা মৎস্য দেখি বিদ্যমান।।

******

দুইখণ্ড হুয়া মৎস্য পৰিলা মটিত।

(কৃ. ক্ষে. কা. ৩০৭)

'ভক্তি প্রদীপ'ৰ কৃষ্ণ 'অৰ্জুন সংবাদ' অধ্যায়ত কৃষ্ণই অৰ্জুনৰ আগত ভক্তিহীন জ্ঞান যোগৰ বিষয়ে কোৱা প্ৰসংগত এনেদৰে আছে–

মৎস্য আশা কৰে যেন বৃষ্টিৰ জলত।
সুধা জ্ঞান-যোগ জানা সখি সেহিমত।।

উপমা অলংকাৰ, (ভ. প্র. ১৯)

'নিমি নৱ সিদ্ধ সংবাদ'ত অৱতাৰ তত্ব কথন প্ৰসংগত এনেদৰে আছে–

মৎস্য ৰূপে অৱতাৰ পুৰুষ পৰাণ।

(নি. ন. সি. সং. ২৮৮)

উত্তৰাকাণ্ড ৰামায়ণৰ সপ্তবিংশ অধ্যায়ত সুৰুচি ঋষিৰ বেশ ধৰি শ্ৰীৰাম অৱতাৰ সম্বৰণৰ অৰ্থে ৰাম চন্দ্ৰক অনুৰোধ কৰা প্ৰসংগত এনেদৰে আছে–

ধৰি মৎস্য কায়　　সত্যব্ৰত ৰায়
প্ৰলয় জলে তাৰিলা।　　(উ. কা. ৰা. ২২)

'গুণমালা'ত শ্ৰীকৃষ্ণৰ অৱতাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

ভৈলা মহা মৎস্য　　ব্ৰহ্মাৰ নমস্য।

(গুণমালা ২৮)

ধৰি মৎস্য কায়　　সত্যব্ৰত ৰায়।

(গুণমালা ৩৩)

**মাছ ঃ**

ভাগৱতৰ একাদশ স্কন্ধত যদুগণে ঋষি শাপত ত্ৰাশিত হৈ যদুবংশ ঘাতক স্বৰূপে মুষল চূৰ্ণীকৃত কৰি নিশ্চিহ্ন কৰিব খোজা প্ৰসংগত এনেদৰে আছে—

অৱশেষ লোহাক খেপিলা জল মাজে।
কিবা বস্তু বুলি তাক গিলিলেক মাছে।

(ভা. দ. স্ক. ১৭৫২০)

একাদশ স্কন্ধত গ্ৰন্থকাৰৰ পৰিচয় অধ্যায়ত উপদেশ প্ৰসংগত এনেদৰে আছে—

দিনে হোৱৈ আয়ুপাত　　চেতন নাহিকে গাত
অলপ পানীৰ যেন মাছ।

(উপমা অলংকাৰ, ভা. এ. স্ক. ১৮০২৪)

অৰ্জুনৰ মুখে যুধিষ্ঠিৰে কৃষ্ণৰ বৈকুণ্ঠ গমনৰ বাৰ্তা পাই ব্যাকুল হোৱা অৱস্থা বৰ্ণনাৰ পিছত উপদেশ অধ্যায়ত শংকৰদেৱে বিষলতা স্বৰূপ সংসাৰৰ নীতি ব্যাখ্যা প্ৰসংগত এনেদৰে আছে—

প্ৰথমে মধুৰ খালে বিষ লাগে পাচে।
নজানি বৰশী যেন গিলি মৰে মাছে।।

উপমা অলংকাৰ, (ভা. এ. স্ক. ১৮২২৪)

ৰুক্মিনী হৰণ কাব্যত ৰুক্মিণীয়ে কৃষ্ণ আৰু শিশুপালক তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

দুগ্ধ এৰি কোনজনে পিয়ে মাছো পানী।।

(প্ৰতিবস্তু উপমা, ৰু. হ. কা. ২৯২)

ৰুক্মিনী হৰণৰ পিছত যদুবীৰ গণে শত্ৰু সৈন্যক বেঢ়ি লোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বেৰাত্তে এৰাইবাক নাপৰিল একো প্ৰাণী।
জালৰ মাছক যেন মাৰে শেলে হানি।।

(উপমা অলংকাৰ, ৰু. হ. কা. ৫৯০)

মীন ঃ

কেলিগোপাল নাটৰ মুক্তি মংগল ভটিমাত এনেদৰে আছে—

মীনৰূপে ঃ প্ৰলয় পয়সি ঃ সত্যব্ৰত যো তাৰিলে।

শংখ ঃ

কীৰ্তনৰ ধ্যান বৰ্ণনত বৈকুণ্ঠপতি বিষ্ণুৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম ধাৰী।।

(কী. ধ্যা. ব. ১৯)

অজামিলোপাখ্যানত বিষ্ণুদূতৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম শাৰ্ঙ্গ ধনু
সবে ধৰি আছা হাতে।

(কী. অ. উ. ৭)

শিশুলীলা অধ্যায়ত কৃষ্ণৰূপ বৰ্ণনাত আছে—

শংখ চক্ৰ গদা পদ্ম কৰত তোমাৰ।।

(কী. শি. লী. ১)

উৰেষা বৰ্ণন অধ্যায়ত প্ৰথম কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নই মাধৱক কেনেকৈ আৰাধনা কৰিব সেই কথা চিন্তা কৰা প্ৰসংগত আছে—

শংখ চক্ৰ গদা পদ্ম যাৰ চাৰি কৰে।

(কী. উ. ব. ৯)

নৱম কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নই অষ্টভুজ দামোদৰক স্বপ্নত দেখা প্ৰসংগত আছে এনেদৰে—

শংখ চক্ৰ গদা পদ্ম চাৰু বাৰু অসি।

(কী. উ. ব. ১১১)

ত্ৰয়োদশ কীৰ্তনত ইন্দ্ৰদ্যুম্নৰ বিষ্ণু স্তুতি প্ৰসংগত আছে—

কৰে শংখ চক্ৰ পদ্ম গদা।

(কী. উ. ব. ১৪৫)

ভাগবতৰ প্ৰথম স্কন্ধত অভিমন্যু উত্তৰাৰ পুত্ৰই জন্ম হৈয়েই কৃষ্ণৰ ৰূপ দৰ্শন কৰা প্ৰসংগত আছে—

শংখ চক্ৰ গদা পদ্ম আছে চাৰি হাতে।

(ভা. প্ৰ. স্ক. ১০৯)

দশম স্কন্ধত কংসৰ কাৰাগাৰত বসুদেৱ দৈৱকীয়ে কৃষ্ণক স্তুতি কৰা প্ৰসংগত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম ঢাকা নাৰায়ণ।

(ভা. দ. স্ক. ১০৭৪১)

ব্ৰহ্মাই কৃষ্ণৰ সখা গোপ বালক, গো, গোবৎস সকলোবোৰ হৰণ কৰা প্ৰসংগত আছে—

শংখ চক্ৰ গদা সবাৰো হাতত।

(ভা. দ. স্ক. ১১১০৮)

অক্ৰূৰে কৃষ্ণ বলোৰামক মথুৰালৈ লৈ যোৱা পথত যমুনাত স্নান কৰা প্ৰসংগত আছে এনেদৰে—

শংখ চক্ৰ গদা পংকজ হাতত

দিব্য বনমালা গলে।।

(ভা. দ. স্ক. ১২৪৭২)

সান্দীপনি মুনিৰ পুত্ৰ উদ্ধাৰ প্ৰসংগত এনেদৰে আছে—

মোহোৰ জলত ফুৰৈ শংখ ৰূপ ধৰি।

(ভা. দ. স্ক. ১২৮১৭)

শ্ৰীকৃষ্ণই পাঞ্চজন্য অসুৰক ধৰি গুৰু পুত্ৰক বিচাৰি নাপাই তাৰ শংখ শৰীৰ ধুই লোৱা বৰ্ণনাত আছে—

শৰীৰ শংখ তাৰ লৈলন্ত পখালি।

(ভা. দ. স্ক. ১২৮২২)

কৃষ্ণই মুণি পুত্ৰক বিচাৰি যমৰ নগৰলৈ যোৱাৰ বৰ্ণনাত আছে—

পুৰি পাঞ্চজন্য শংখ কেশৱে ফুংকিলা।

(ভা. দ. স্ক. ১২৮২৩)

শংখ ধ্বনি শুনি জানিলন্ত যমৰজা।

(ভা. দ. স্ক. ১২৮২৪)

সান্দীপনি মুনিক পুত্ৰ দান কৰি কৃষ্ণ মথুৰাত উপস্থিত হোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মেঘে যেন গাজৈ ৰথ চক্ৰ ঘোষ

পুৰিলন্ত শংখ ধ্বনি।

(ভা. দ. ১২৮৪৭)

ফুংকৈ শংখ ভেৰী তবল কাহাল

বাৰৈ বীৰ ঢাকঢোল।

(ভা. দ. স্ক. ১২৮৫১)

ভাগবতৰ দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ বট পত্ৰত বাল মুকুন্দ দৰ্শন প্ৰসংগত এনেদৰে আছে—

শংখ প্ৰায় কৰ্ণ দুই বলয় বলিত।

(উপমা অলংকাৰ, ভা. দ স্ক. ১৮৭১৩)

ৰুক্মিনী হৰণ কাব্যত কৃষ্ণই শিশুপালক পৰাজয় কৰি আনন্দ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পাঞ্চজন্য শংখ ফুংকিলন্ত হৃষীকেশ।

(ৰু. হ. কা. ৩৮২)

অমৃত মথন কাব্যত দৈত্য দানবৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি দেৱতাসকলে ব্ৰহ্মা সহিতে বিষ্ণুক কৰা স্তুতিত সন্তুষ্ট হৈ বিষ্ণুৱে দেৱতাসকলক আগত দৰ্শন দিয়া প্ৰসংগত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম ধৰি নকৰিয়া ছদ্ম
প্ৰত্যেক দেৱক দেখা দিলা।

(অ. ম. কা. ৪১)

কৃষ্ণৰ চতুৰ্ভুজ মূৰ্ত্তিক দেৱতাগণে পুনৰ স্তুতি কৰা প্ৰসংগত এনেদৰে আছে—

নমো নমো নাৰায়ণ নিৰঞ্জন নিৰাকাৰ
শংখ চক্ৰ গদা পদ্মধৰ।

(অ. ম. কা. ৪৭)

দৈত্য আৰু দানবৰ যুদ্ধত কাৰ্তিকে তাৰকাসুৰক বধ কৰা বধ প্ৰসংগত এনেদৰে আছে—

ফুংকিলন্ত শংখ গোট দৈত্যক নিদলি।

(অ. ম. কা. ৪৪৮)

দৈত্যৰাজ বলিয়ে দৈত্য মায়া প্ৰদৰ্শন কৰি দেৱতাসকলক আক্ৰমণ কৰাত বিষ্ণুৱে অষ্টভুজ ৰূপে দেৱতাসকলক ৰক্ষা কৰিবলৈ অহা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম অসি চৰ্ম বাণ।

(অ. ম. কা. ৫১৩)

বলিছলন কাব্যত দৈত্য গুৰু শুক্ৰাচাৰ্যই দৈত্যেন্দ্ৰ বলিক ৰক্ষা কবচ প্ৰদান কৰা প্ৰসংগত এনেদৰে আছে—

দিব্য শংখ গোট দৈত্যেন্দ্ৰক দিলা আনি।।

(ব. ছ. কা. ৩০)

এই কাব্যত স্বৰ্গৰ অমৰাৱতীৰ প্ৰাচুৰ্য বৰ্ণনাত এনেদৰে আছে—

কাহাৰি মহৰি কৰতাল ভেৰি
গোমুখ শংখৰ বোল।।

(ব. ছ. কা. ৫৪)

দৈত্যৰাজ বলিয়ে সেনাসবৰ সৈতে ইন্দ্ৰৰ অমৰাৱতীক আক্ৰমণৰ উদ্দেশ্যে বেৰি লোৱা সম্পৰ্কে এনেদৰে আছে—

পাছে দৈত্যৰায় সেনাক জন্টায়
ফুংকিলা শংখক বলি।

(ব. ছ. কা. ৫৬)

শংখ ধ্বনি শুনিয়া কাম্পয় দেৱৰাজ।

(ব. ছ. কা. ৬০)

দেৱতাৰ মংগলৰ অৰ্থে দেৱমাতা অদিতিয়ে পয়োব্ৰত পালন কৰি বিষ্ণুক আৰাধনা কৰাত বিষ্ণু সন্তুষ্ট হৈ দেখা দিয়া প্ৰসংগত এনেদৰে আছে—

ধৰিয়া আছন্ত শংখ চক্ৰ গদা পদ্ম।

(ব. ছ. কা. ১৩৬)

অদিতিৰ গৰ্ভত জন্ম লোৱা অদ্ভুত বালক বামনৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম ধৰি সদা

আছন্ত ত্ৰৈলোক্য নাথে।।

(ব. ছ. কা. ১৬৭)

বলি ৰজাই বামনক তিনি পদ ভূমি উছৰ্গা কৰা প্ৰসংগত বিষ্ণুৰ দিব্য কায়া বৰ্ণনাত এনেদৰে আছে—

পাঞ্চজন্য শংখ গদা কৌমুদকী নাম।।

(ব. ছ. কা. ৩১৮)

দৈত্যৰাজ বলিৰ দান কাৰ্যত অসন্তুষ্ট দৈত্যগণে মাধৱৰ বিৰুদ্ধে যুদ্ধ কৰা প্ৰসংগত কৃষ্ণৰ চতুৰ্ভুজ ৰূপৰ বৰ্ণনাত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম হাতে চাৰি অস্ত্ৰ।।

(ব. ছ. কা. ৩৬৮)

মাধৱৰ সৈন্য আৰু দৈত্যগণৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে —

বৈৰিক জিনিয়া শংখ ফুংকিল জয়ন্তে।।

(ব. ছ. কা. ৩৯২)

পাৰিজাত হৰণ নাটত গড়ুৰ স্কন্ধত উঠি কৃষ্ণই নৰকাসুৰক বধ কৰিবলৈ যুদ্ধ যাত্ৰাৰ বৰ্ণনা সূচক কানাড়া ৰাগৰ 'চললি গোবিন্দ' শীৰ্ষক গীতত এনেদৰে আছে—

ফুকল শংখ হৰি বাৰে বাৰে।

**শুহ ঃ**

ভাগৱতৰ দ্বিতীয় স্কন্ধত ৰাম অৱতাৰ বৰ্ণনা প্ৰসংগত আছে—

মৎস্য শুহ ঘৰিয়াল হৈবে সবে লালকাল

সাগৰ তৰসি যাইবে তেৰে।

(ব. ছ. কা. ৫৩৯)

**২) জলচৰ পক্ষী ঃ**

**চক্ৰবাক ঃ**

জলচৰ পক্ষী চক্ৰবাকৰ বিষয়ে শঙ্কৰদেৱৰ সাহিত্যত উল্লেখ আছে। হৰমোহন অধ্যায়ৰ দিব্য উপবনৰ বৰ্ণনা প্ৰসংগত আছে—

শোভে চক্ৰবাক ৰাজহংস জাক

মৃণাল ভুঞ্জে উভঞ্জি।।

(কী. হ. মো. ২৮)

**ৰাজহংস ঃ**

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ত বৈকুণ্ঠৰ বৰ্ণনাত এনেদৰে আছে–

আছে ৰাজহংস সমূহে ৰঞ্জি।

(কী. ধ্যা. ব. ৩ )

ভাগৱতৰ দশম স্কন্ধত উদ্ধৱে নন্দ গৃহত গৈ উপস্থিত হোৱা প্ৰসংগত এনেদৰে আছে–

কমল বনত মত্ত ৰাজহংস চৰে।

(ভা. দ. স্ক. ১১৩৪১)

গজেন্দ্ৰোপাখ্যানত ত্ৰিকূট পৰ্বতৰ সৰোবৰৰ বৰ্ণনাত এনেদৰে আছে–

ৰাজহংস আদি যতেক পক্ষী।

পৰি পৰি থাকে নযায় উপেক্ষি।।

(কী. গ. উ. ১১)

উৰেষা বৰ্ণন অধ্যায়ৰ দ্বিতীয় কীৰ্তনত দক্ষিণ সাগৰৰ পাৰৰ সৰোবৰৰ সৌন্দৰ্য বৰ্ণনাত এনেদৰে আছে–

চাৰু সৰোবৰক পংকজে আছে ৰঞ্জি।

ৰাজহংস ভুঞ্জে তাত মৃণাল উভঞ্জি।।

(কী. উ. ব. ২১)

ভাগৱতৰ দশম স্কন্ধৰ ৰাস ক্ৰীড়া বৰ্ণনাত গোপীসকলে অন্তৰ্দ্ধাণ হোৱা কৃষ্ণক বিচাৰি ব্যাকুল হোৱা প্ৰসংগত এনেদৰে আছে–

হে ৰাজহংসী পৰম হৰিষি

ভ্ৰমস কমল বনে।

(ভা. দ. স্ক. ১১৯৭৬)

ইয়াৰ উপৰিও কোঢ়া, কংক, বক আদি জলচৰ পক্ষীৰ উল্লেখো শংকৰদেৱৰ সাহিত্যত পোৱা যায়।

## (খ) জলজ পুষ্প

**অৰবিন্দ ঃ**

কীৰ্তনৰ স্যমন্তক হৰণ অধ্যায়ত এনেদৰে আছে–

অৰৱিন্দ লোচন গোবিন্দ দামোদৰ।।

ৰূপক অংলকাৰ (কী. স্য. হ. ৫)

ভাগৱতৰ প্ৰথম স্কন্ধত কুন্তীৰ শ্ৰীকৃষ্ণ স্তৱ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

নমো নমো মুকুন্দ চৰণ অৰবিন্দ।

ৰূপক অলংকাৰ, (ভা. প্ৰ. স্ক. ১১৫)

তেনেকৈ পাৰিজাত হৰণ নাটৰ আৰম্ভণিৰ ভটিমাত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

অৰি অৰবিন্দ কৌমুদী কম্বুপাণি।

প্ৰতীপ অলংকাৰ

মল্লাৰ ৰাগ পৰিতালৰ 'মধুৰ মুৰুতি' শীৰ্ষক বৰগীতত এনেদৰে আছে ঃ

অৰবিন্দ নিন্দি, পাৱ নৱ পল্লৱ ........

(ব্যতিৰেক অলংকাৰ)

মাহুৰ ধনশ্ৰী ৰাগ পৰিতালৰ 'গোপীনী প্ৰাণ' শীৰ্ষক বৰগীতত কৃষ্ণ যেতিয়া গোকুলৰ পৰা অক্ৰূৰৰ সৈতে মথুৰালৈ গমন কৰিলে তেতিয়া বিৰহাকুল গোপীয়ে মনৰ ভাব প্ৰকাশ কৰিছে এনেদৰে--

....... পেখবো নাহি আৰ, সেহি বদন অৰবিন্দ।

(ৰূপক অলংকাৰ)

উতপল ঃ

কীৰ্তনৰ 'ধ্যান বৰ্ণন' অধ্যায়ত বৈকুণ্ঠৰ ধ্যান বৰ্ণন প্ৰসংগত আছে--

সুগন্ধি পদ্ম শোভে উতপল।

(কী. ধ্যা. ব. ২)

কীৰ্তনৰ গজেন্দ্ৰ উপাখ্যানত ত্ৰিকুট পৰ্বতত থকা সৰোবৰৰ বৰ্ণনাত এনেদৰে আছে--

কুমুদ সিন্ধু উতপল ফুল।

(কী. ধ্যা. ব. ১২)

হৰমোহনৰ দিব্য উপবনৰ পুষ্প সুশোভিত ৰূপৰ বৰ্ণনা প্ৰসংগত আছে এনেদৰে--

সুবৰ্ণ কমল ভেট উতপল .......

(কী. হ. মো. ২৮)

ৰাস ক্ৰীড়া অধ্যায়ত গোপী আৰু কৃষ্ণৰ ৰাস ক্ৰীড়া বৰ্ণনাত কৃষ্ণ স্পৰ্শক উৎপলৰ সুগন্ধিৰ লগত তুলনা কৰিছে---

উৎপল সুগন্ধি কৃষ্ণ বান্ধ কন্ধে লই।

উপমা অলংকাৰ, (কী. ৰা. ক্ৰী. ১৪১)

সখ্য ভক্তিৰ উৎকৃষ্ট নিৰ্দশন কীৰ্তনৰ দামোদৰ বিপ্ৰ আখ্যান ভাগত বিপ্ৰ দামোদৰে দ্বাৰকাৰ পৰা উভতি গৈ নিজৰ গৃহদৰ্শন কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

দীঘি সৰোবৰ পুষ্পিত উৎপল

.........................

(কী. দা. বি. আ. ২৫)

ভাগৱতৰ দশম স্কন্ধত বৃন্দাবনৰ সৌন্দৰ্য বৰ্ণনাত আছে--

লগতে উৎপল পদ্ম ৰেণু আসৈ উৰি।

(ভা. দ. স্ক. ১১৩৫৭)

ভগৱতৰ দশম স্কন্ধত শৰত কালৰ বৃন্দাবনৰ সৌন্দৰ্য বৰ্ণনাত আছে--

ফুলে উতপল নক্ষত্ৰ সকল

.........................

(ভা. দ. স্ক. ১১৪৭২)

বৃন্দাবনত গোপীসকলে নটবৰ কৃষ্ণৰ সাজোন কাচোনৰ বৰ্ণনা কৰিছে এইদৰে--

কিশলয় মৈবা পাখি পংকজ উৎপলে।

(ভা. দ. স্ক. ১১৮৪৯৯)

ভাগবতৰ দ্বাদশ স্কন্ধত মাৰ্কেণ্ডয় ঋষিৰ আশ্ৰমৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কৰৈ কান্তি তপোবন          কুমুদ উৎপল যেন।

(ভা. দ্বা. স্ক. ১৮৬২৮)

ৰুক্মিণী হৰণ কাব্যত ৰুক্মিণীৰ কথা মতে দ্বাৰকাৰ কৃষ্ণৰ ওচৰলৈ যোৱা বেদনিধিৰ দ্বাৰকা দৰ্শন প্ৰসংগত দ্বাৰকাৰ সৌন্দৰ্য বৰ্ণনাত এনেদৰে কৰিছে—

ফুলি আছে সুগন্ধি কমল উতপল।

(ৰু. হ. কা. ১১৪)

একেখনি কাব্যতে কৃষ্ণই মহা আৰম্বৰেৰে কুণ্ডিল নগৰত প্ৰবেশ কৰা প্ৰসংগত কুণ্ডিল নগৰৰ বৰ্ণনাত আছে—

জলত কমল          ভেট উতপল।

..............................

(ৰু. হ. কা. ২০২)

অমৃত মথন কাব্যত শ্ৰীকৃষ্ণই মোহিনী ৰূপ ধৰোতে মোহিনী ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে ৰূপৰ তুলনা দিয়া হৈছে—

নীল উৎপলৰ কান্তি শোভে কলেবৰ।

(অ. ম. কা. ৩৩৮)

লক্ষ্মীৰ স্বয়ম্বৰ সভাত লক্ষ্মীয়ে মাধৱক বৰমাল্য অৰ্পণ কৰা প্ৰসংগত এনেদৰে আছে—

আতি আথেবেথে          মাধৱৰ মাথে

দিলা উৎপলৰ মালা।

(অ. ম. কা. ৩০২)

'অনাদি পাতন'ত ঈশ্বৰে ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ— এই তিনি মূৰ্তি ধাৰণ কৰা বৰ্ণনা প্ৰসংগত বিষ্ণু অৱতাৰৰ বৰ্ণনাত আছে—

নীল উতপল সম শ্যাম কলেবৰ।

(অ. পা. ১৩৬)

পত্নী প্ৰসাদ নাটৰ দ্বিতীয় ভটিমাত কৃষ্ণ প্ৰশস্তিত এনেদৰে আছে—

কৰ্ণে নব দুহোঁ উতপল ডোল।।

পাৰিজাত হৰণ নাটকৰ আৰম্ভণিৰ ভটিমাত এনেদৰে আছে—

কৰতল ৰাতা উৎপল ফুল।

উপমা অলংকাৰ (পা. হ. না)

'ৰুক্মিণী হৰণ নাট'ত হৰিদাস ভাটে ৰুক্মিণীৰ আগত কৃষ্ণৰ আৰু 'ৰাম বিজয় নাট'ত কনকাৱতীয়ে সীতাৰ আগত ৰামৰ ৰূপ বৰ্ণনা কৰা প্ৰসংগত আছে এইদৰে—

কৰতল উতপল ৰাতা।

(উপমা অলংকাৰ)

ৰাজ ভটিমাত মল্ল নৃপতিৰ প্ৰশস্তিত এনেদৰে আছে—

নীল উতপল                    পেখিয়ে শৰীৰক
মৃণাল সদৃশ ভুজ দেখি।

কঞ্জ ঃ

পত্নী প্ৰসাদ নাটত ব্ৰাহ্মণীসকলে কৃষ্ণ প্ৰেমত অধীৰ হৈ ক্ৰন্দন কৰি কৃষ্ণৰ পৰা বিদায় লৈ ঘৰ অভিমুখে যাত্ৰা কৰা প্ৰসংগত গৌৰী ৰাগৰ জৌতিমান তালৰ 'মোহে মাধৱ' শীৰ্ষক গীতত এনেদৰে আছে--

কঞ্জ লোচন                    দুখ মোচন
কতিহু চৰণ চলাই।

ৰূপক অলংকাৰ, (প. প্ৰ. না)

গৌৰী ৰাগৰ বিষম তালৰ এটি বৰগীতত কৃষ্ণৰ নয়নৰ তুলনা প্ৰসংগত আছে--

ওৰে সখি পেখোৰে            কঞ্জ লোচন
চললি নন্দ কুমাৰ।

(ৰূপক অলংকাৰ) (ব. গী.)

নাট মল্লাৰ ৰাগ পৰিতালৰ 'মধুৰ মুৰতি' শীৰ্ষক বৰগীতত এনেদৰে আছে--

লীলা বিনোদী                    কম্বু কৌমুদী
চক্ৰ কেলি কঞ্জ ধাৰো।।

কমল ঃ

শংকৰদেৱৰ সাহিত্যত পানীৰে সৈতে নিবিড় সম্পৰ্কিত কমল শব্দটিৰ সঘন প্ৰয়োগ আছে। প্ৰত্যক্ষ প্ৰয়োগতকৈও পৰোক্ষ অৰ্থাৎ উপমা, ৰূপক আদি অলংকাৰ হিচাবে বিষয়টিৰ অধিক প্ৰয়োগ ঘটিছে।

শংকৰদেৱৰ ছাত্ৰাৱস্থাৰে ৰচনা কোমল গীতটিত এনেদৰে আছে--

কৰতল কমল কমল দল নয়ন।
পৰপদ লয়কৰ কমলজ বয়ন।।

(উপমা অলংকাৰ)

কীৰ্তনৰ "চৰ্তুবিংশতি অৱতাৰ" অধ্যায়ত এনেদৰে আছে--

তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।

ৰূপক অলংকাৰ (কী. চ. অ. ১)

প্ৰহ্লাদ চৰিত্ৰৰ দ্বিতীয় কীৰ্তনৰ ঘোষাত আছে--

ৰাম কৰা দায়া কমল লোচন।

ৰূপক অলংকাৰ (কী. প্ৰ. চ. ২)

তৃতীয় কীৰ্তনৰ চাৰি সিদ্ধৰ বিষ্ণুৰূপ দৰ্শন প্ৰসংগত এনেদৰে আছে--

কমল নেত্ৰক দেখন্তে সুখ।

ৰূপক অলংকাৰ (কী. প্ৰ. চ. ৩২)

গজেন্দ্ৰোপাখ্যানত সৰোবৰত গ্ৰাহৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ গজেন্দ্ৰই মাধৱক স্তুতি কৰা প্ৰসংগত এইদৰে আছে--

শুণ্ডে মেঘ্রাই ধৰিলন্ত সুবৰ্ণ কমল।

(কী. গ. উ. ৩১)

হৰমোহন অধ্যায়ত দিব্য উপবনৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা প্ৰসংগত আছে–

সুবৰ্ণ কমল ভেট উতপল
ফুলি ফুলি আছে বঞ্জি।

(কী. হ. মো. ২৮)

একে অধ্যায়ৰে চতুৰ্থ কীৰ্তনত দিব্য কন্যাৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে–

চক্ষু কমলৰ পাশি .................

উপমা অলংকাৰ (কী. হ. মো. ৩০)

******

............... চৰণ কমল মাজে
বত্নৰ নুপুৰ ৰুণ জুন।

ৰূপক অলংকাৰ (কী. হ. মো. ৩৩)

কীৰ্তনৰ শিশু লীলাৰ প্ৰথম কীৰ্তনত শিশু কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

কমল লোচন চাৰু অৰুণ অধৰ।।

ৰূপক অলংকাৰ (কী. শি. লী. ১)

চৰণ কমল যেন .............।

ৰূপক অলংকাৰ (কী. শি. লী. ৩)

একে অধ্যায়ৰে সপ্তম কীৰ্তনত কৃষ্ণৰ মাহাত্ম্য দেখি ব্ৰহ্মা মোহিত হৈ কৃষ্ণক দণ্ডৱত প্ৰণাম কৰা প্ৰসংগত আছে–

আনন্দতে নয়নৰ জলে।
সিঞ্চিলন্ত চৰণ কমলে।।

ৰূপক অলংকাৰ (কী. শি. লী. ৯৮)

তেনেকৈ নৱম কীৰ্তনত কালি নাগে ক্ৰোধত খেদি আহি কৃষ্ণ দৰ্শন পোৱা প্ৰসংগত এনেদৰে আছে-

কমল লোচন মুখ প্ৰসন্ন।

ৰূপক অলংকাৰ (কী. শি. লী. ১২৬)

ৰাস ক্ৰীড়া অধ্যায়ৰ অষ্টম কীৰ্তনৰ ঘোষাত আছে–

মোহন দেহ দৰিশন গোপাল প্ৰাণ
পেখো মুখ কমল।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ঘো. ৮)

কংশ বধ অধ্যায়ৰ একবিংশ কীৰ্তনত কৃষ্ণ অক্ৰুৰৰ লগত মথুৰালৈ যোৱাত হৰি বিৰহত গোকুলৰ গোপনাৰী সবে কৃষ্ণৰ গুণ বৰ্ণাই, ব্যাকুল হোৱা প্ৰসঙ্গত কৃষ্ণৰ নয়ন উপমা দিছে এনেকৈ–

...... কচিকৰ কমল লোচন।

ৰূপক অলংকাৰ (কী. ক. ব. ২৫২)

ত্ৰয়োবিংশ কীৰ্তনত অক্ৰুৰে ৰাম কৃষ্ণক মথুৰালৈ লৈ যোৱাৰ পথত যমুনাৰ জলত স্নান কৰিবলৈ লৈ পানীত বুৰ মাৰোতে জলৰ মাজত সহস্ৰফলাযুক্ত অনন্তৰ কোলাত কৃষ্ণৰ ৰূপ দৰ্শন কৰা প্ৰসংগত আছে–

...... আৰুণ নেত্ৰ কমলৰ পাশি।

উপমা অলংকাৰ (কী. ক. ব. ২৭৯)

দুখানি চৰণ যেন কমল।

উপমা অলংকাৰ (কী. ক. ব. ২৮৩)

পঞ্চবিংশ কীৰ্তনত কৃষ্ণ গৈ মথুৰাত প্ৰৱেশ কৰা বৰ্ণনাত আছে–

কমল লোচন হাসি কটাক্ষে চাহান্তে।

ৰূপক অলংকাৰ (কী. ক. ব. ৩১২)

তেনেকৈ মুখ কমলাক যেন নয়নে পিয়ন্ত।

ৰূপক অলংকাৰ (কী. ক. ব. ৩১৫)

ঊনত্ৰিংশ কীৰ্তনত কুবলয় বধৰ পিছত কৃষ্ণৰ বৰ্ণনা প্ৰসংগত আছে–

প্ৰকাশে কৃষ্ণৰ মুখ কমল।

ৰূপক অলংকাৰ (কী. ক. ব. ৩৭৩)

কমল লোচন নুগুছে হাস।

ৰূপক অলংকাৰ (কী. ক. ব. ৩৭৪)

গোপী উদ্ধৱ সংবাদ অধ্যায়ত কৃষ্ণৰ বাৰ্তা লৈ অহা উদ্ধৱৰ ৰথ দেখি গোপীসকলৰ হোৱা মনৰ অৱস্থা বৰ্ণন প্ৰসংগত এনেদৰে আছে–

নিলেক কমল লোচন স্বামী।

(গো. উ. সং. ৭)

কাল যবন বধ অধ্যায়ত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে–

প্ৰফুল্ল মুখ কমল .............

ৰূপক অলংকাৰ (কী. কা. ব. ৬১)

............ নুপুৰ পদ কমলে।

ৰূপক অলংকাৰ (কী. কা. ব. ৬৩)

'স্যমন্তক হৰণ'ৰ সপ্তম কীৰ্তনত দৈৱকীয়ে কৃষ্ণৰ চিন্তাত অধিৰ হৈ শোকত কৃষ্ণৰ ৰূপ বৰ্ণনা কৰি ক্ৰন্দন কৰা প্ৰসংগত আছে–

মুখচন্দ্ৰ মুহি সৰি।<br>
কমল লোচন হৰি।।

ৰূপক অলংকাৰ (কী. স্য. হ. ৪৪)

নাৰদৰ কৃষ্ণ দৰ্শন অধ্যায়ৰ প্ৰথম কীৰ্তনৰ ঘোষাত আছে–

কমল লোচন ৰাম প্ৰভু ৰঘুপতি।

(কী. না. কৃ. দ. ঘো. ১)

দৈৱকীৰ পুত্ৰ আনয়ন অধ্যায়ত তৃতীয় কীৰ্তনৰ ঘোষাত আছে–

কমল লোচন কলুষ মোচন।

(কী. দৈ. পু. আ. ঘো. ৩)

উৰেষা বৰ্ণন অধ্যায়ৰ তৃতীয় কীৰ্তনত মাধৱে লক্ষ্মীৰ আগত সৃষ্টি কাৰ্যৰ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে–

ৰহিলো নাভি কমলৰ হন্তে।

ৰূপক অলংকাৰ (কী. উ. ব. ৩১)

কমল লোচন মুখ প্ৰসন্ন।

ৰূপক অলংকাৰ (কী. উ. ব. ৩৩)

তেনেকৈ অষ্টম কীৰ্তনত ইন্দ্ৰদ্যুম্নৰ বিষ্ণু স্তুতি প্ৰসংগত এনেদৰে আছে--

বিষয় সাগৰে মজো কমল লোচন।

ৰূপক অলংকাৰ (কী. উ. ব. ৮৬)

নৱম কীৰ্তনত আছে এনেদৰে--

প্ৰসন্ন বদন জ্বলে কমল লোচন।

ৰূপক অলংকাৰ (কী. উ. ব. ১২৩)

অষ্টাদশ কীৰ্তনত দেৱ-দেৱীৰ স্তুতি প্ৰসংগত আছে--

কমল লোচনী নমো কাত্যায়নী

............................

ৰূপক অলংকাৰ (কী. উ. ব. ১৯১)

ভাগৱতৰ প্ৰথম স্কন্ধত নাৰদৰ পূৰ্ব জন্ম প্ৰসংগত আছে--

কৃষ্ণক চিন্তিবে লৈলো হৃদয় কমলে।

(ভা. প্ৰ. স্ক. ৫৪)

এই স্কন্ধতে পঞ্চ পাণ্ডৱ আৰু নগৰবাসীক এৰি কৃষ্ণ দ্বাৰকালৈ যোৱাৰ বাটত শ্ৰীকৃষ্ণৰ অন্তৰত হোৱা শোকাকুল অৱস্থা বৰ্ণনা প্ৰসংগত আছে--

কমল নেত্ৰৰ নীৰ বহে সৰসৰি।

ৰূপক অলংকাৰ, (ভা. প্ৰ. স্ক. ২০১)

দ্বিতীয় স্কন্ধত আছে

শ্ৰৱন কীৰ্তন কৰে যিটোজন

তাৰ হৃদি কমলত।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ৬১১)

একেই স্কন্ধতে বৈকুণ্ঠৰ ভক্তৰ বৰ্ণনা প্ৰসঙ্গত আছে--

সবে শ্যাম কলেৱৰ কমল লোচন।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ৬২২)

সেই বৈকুণ্ঠৰ পতিৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে--

চৰণ কমল ৰত্ন মঞ্জীত জুৰয়।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ৬৩৬)

দশম স্কন্ধত কৃষ্ণৰ জন্ম বৰ্ণনা প্ৰসংগত আছে--

কমল লোচন চাৰিভুজে চাৰি অস্ত্ৰ।

(ভা. দ. স্ক. ১০৭২৫)

চক্ৰবাত অসুৰে কৃষ্ণক হৰি লৈ যোৱাত কৃষ্ণক কেনেকৈ যশোদাই ক্ৰন্দন কৰা বৰ্ণনাত এনেদৰে আছে--

হা বাপ কমল লোচন অনুশ্যাম।

(ভা. দ. স্ক. ১০৮৭৩)

খেলাৰ পৰা নহা দেখি যশোদাই কৃষ্ণক মতা প্ৰসংগত আছে--

কৃষ্ণ কৃষ্ণ বাপ পুত্ৰ কমল লোচন।

(ভা. দ. স্ক. ১০৯৭৯)

ব্ৰহ্মাৰ কৃষ্ণৰ মাহাত্ম্য দৰ্শন প্ৰসংগত আছে--

কমল নয়ন চাৰু হাসিত নয়ন।

(ভা. দ. স্ক. ১১১১০)

ইয়াৰ পিছতে ব্ৰহ্মাৰ কৃষ্ণ স্তুতি সম্পৰ্কত এনেদৰে আছে--

...................... ......................

প্ৰফুল্ল মুখ কমল।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১১৩৮)

তেনেকৈ,

নমো কৃষ্ণ বৃষ্ণি কুল কমল প্ৰকাশ সূৰ্য

(ভা. দ. স্ক. ১১১৫১)

কালী দমন প্ৰসংগত কালী সৰ্পই সহস্ৰফনা তুলি মহাদৰ্পে ক্ৰোধত কৃষ্ণক খেদি আহি কৃষ্ণৰ ৰূপ দেখি স্তম্ভিত হৈ পৰা বৰ্ণনাত আছে--

কমল লোচন চান্দ বদন সুন্দৰ।

(ভা. দ. স্ক. ১১২৩৭)

কৃষ্ণৰ কালী দমন কাৰ্যত আনন্দিত হৈ পৰা নন্দ যশোদাৰ কাৰ্য বৰ্ণনাত আছে--

মিলিত মনত সুখ কৃষ্ণৰ কমল মুখ

মধু পিৱে নেত্ৰভৃংগ ভৰি।।

(ভা. দ. স্ক. ১১৩৪১)

শৰত কালৰ বৃন্দাবনৰ শোভা বৰ্ণন প্ৰসংগত কমলৰ পত্যক্ষ প্ৰয়োগ আছে--

পুষ্পিত কমলে আছে সৰোবৰ বন্তি।

(ভা. দ. স্ক. ১১৪৮৯)

বৃন্দাবনৰ গোপী সৱে কৃষ্ণৰ গুণ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে--

নেত্ৰ ভৃংগ পিৱে যেন বদন কমল।

(ভা. দ. স্ক. ১১৪৯৮)

তেনেকৈ,

ফুলিলে কমল বন আৰ যেন চলে।

(ভা. দ. স্ক. ১১৫০৩)

কৃষ্ণৰ বংশী ধ্বনি শুনি মোহিত হৈ পৰা নদী সবৰ কাৰ্য বৰ্ণনা প্ৰসংগত আছে এনেকৈ--

উৰ্মি হস্তে অনেক কমল ফুল লই।

(ভা. দ. স্ক. ১১৫২১)

গোপীসকলৰ কৃষ্ণৰ প্ৰতি থকা স্নেহ প্ৰকাশৰ বৰ্ণনাত এনেদৰে আছে--

কৃষ্ণ মুখ কমলক নেত্রে ভৰি পিবৈ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৫৩৫ )

শ্ৰীকৃষ্ণৰ গোপীৰ বস্ত্ৰহৰণ লীলা বৰ্ণনাত পানীত সাতুৰি থকা গোপীসকলক এনেদৰে তুলনা কৰা হৈছে—

প্ৰফুল্ল কমল যেন ভাঁসে শাৰী শাৰী।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৫৪৬ )

তেনেকৈ গোপীসকলে কৃষ্ণক বস্ত্ৰভিক্ষা কৰা প্ৰসংগত এনেদৰে আছে—

কমল নয়ন দিয়োক বসন।

উৎপ্ৰেক্ষা অলংকাৰ, (ভা. দ. স্ক. ১১৫৫৬ )

দশমৰ ৰাস লীলা বৰ্ণনাত গোপীসকলৰ কাৰুণ্য বচনত কৃষ্ণৰ স্নেহাকুল অবস্থা বৰ্ণন প্ৰসংগত এনেদৰে আছে—

লোতকে বেঢ়িল দুই কমল লোচন।

(ভা. দ. স্ক. ১১৯১৭ )

দশম স্কন্ধত কৃষ্ণৰ গুণ বৰ্ণনা প্ৰসংগত আছে—

উচ্ছায়া পাপঞ্ম গান্ত বদন কমলে।

(ভা. দ. স্ক. ১২০৭৭ )

শ্ৰীকৃষ্ণৰ ৰাস লীলা বৰ্ণন প্ৰসংগত আছে এনেদৰে—

বদন কমলে ধৰ্ম বিন্দু জালে

(ভা. দ. স্ক. ১২১২১ )

শৰত কালৰ বৃন্দাবনৰ সৌন্দৰ্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

কুমুদ কমল বায়ু বাসে অতিশয়।

(ভা. দ. স্ক. ১২২২৫ )

কৃষ্ণৰ মোহন বংশী ধ্বনি শুনি প্ৰকৃতি বিষ্মিত হোৱা প্ৰসংগত এনেদৰে আছে—

পৰম বিকল হৰয় কমল।

(ভা. দ. স্ক. ১২২৬২)

বৃন্দাবনত খেলা কৰি ধেনু বৎসলৈ গোকুললৈ উভতি অহা কৃষ্ণৰ ওচৰ চাপি স্নেহ প্ৰকাশ কৰা বৰ্ণনা প্ৰসংগত আছে—

হাস্যতে চেতন হৰই নয়ন ভ্ৰমৰে কৰৈ

মুখ কমলৰ মধু পান।

(ভা. দ. স্ক. ১২২৭৬ )

অৰিষ্টাসুৰ দমন প্ৰসংগত এনেদৰে আছে—

দৈত্যক সমুখ ভৈলা কমল নয়ন।।

(ভা. দ. স্ক. ১২২৯০)

কংশৰ আদেশত অক্ৰূৰে কৃষ্ণক লৈ যোৱা প্ৰসংগত আছে—

আজি এই মাথে মই কৰিবো প্ৰণাম পৰি

মাধৱৰ চৰণ কমল।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৩৯১)

কৃষ্ণই মথুৰাত প্ৰৱেশ কৰা সময়ত মথুৰাৰ নাৰীসকলে গৃহৰ ওপৰৰ পৰা কৃষ্ণৰ ৰূপ চাই বিমোহিত হোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তাসম্বাৰ মন কমল নয়ন
হৰিলা হৰি একান্তে।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৫৩২)

তেনেকৈ কুব্জাৰ মনোৰথ পূৰণ প্ৰসংগত আছে—

দিলন্ত প্ৰবোধ মাতি কমল নয়নে।।

(ভা. দ. স্ক. ১২৫৭৩)

কৃষ্ণ মথুৰালৈ যোৱাত গোকুলৰ গোপী সবৰ মনৰ ভাৱ বৰ্ণনাত আছে—

আজি সুপ্ৰভাত হৈব মথুৰা পুৰীৰ।
দেখিবো কৃষ্ণৰ মুখ কমল ৰুচিৰ।।

(ভা. দ. স্ক. ১২৫৮০)

মথুৰাত কৃষ্ণই কুবলয় হস্তী বধ কৰাৰ বৰ্ণনা প্ৰসংগত আছে—

ৰুধিৰৰ চিটা মাজে মাজে লাগি
প্ৰকাশৈ মুখ কমলে।।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৬২৬)

কৃষ্ণ মথুৰালৈ যোৱাৰ পিচত গোপী সবৰ বিৰহাৱস্থা বৰ্ণনা প্ৰসংগত এইদৰে আছে—

দেখিবো কমল নেত্ৰ আসিবন্ত হৰি।

(ভা. দ. স্ক. ১২৮৭৩)

উদ্ধৱে কৃষ্ণৰ অনুৰোধক্ৰমে নন্দ গৃহত উপস্থিত হৈ কি দেখিলে তাৰ বৰ্ণনা প্ৰসংগত আছে—

কমল বনত মত্ত ৰাজহংস চৰে।

(ভা. দ. স্ক. ১২৮৯৮)

নন্দই উদ্ধৱৰ আগত কৃষ্ণৰ গুণ বৰ্ণোৱা শুনি শোকাকুল হৈ পৰা যশোদাৰ দুখ বৰ্ণনত আছে—

কলম লোচন পুত্ৰ নাই মোৰ ঘৰে।

(ভা. দ. স্ক. ১২৯২৩)

একাদশ স্কন্ধত ব্ৰহ্মা ত্ৰিপুৰাৰীৰ কৃষ্ণস্তৱৰ প্ৰসংগত আছে—

যাক জ্ঞানী গণে চিন্তে হৃদয় কমল।।

(ভা. এ. স্ক. ১৭৫৪৫)

কৃষ্ণৰ বিয়োগ আশংকাত ব্যাকুল হৈ পৰা পৰম ভক্ত উদ্ধৱৰ দুখ দেখি কৃষ্ণৰ মনত উদয় হোৱা বেজাৰ বৰ্ণনা প্ৰসংগত আছে—

অসন্তোষে কিছো চপৰাইলা মাথ
সংকোচ মুখ কমল।।

(ভা. এ. স্ক. ১৭৬০৩)

কমল নয়ন ভৰি বহৱৈ লোতক।

(ভা. এ. স্ক. ১৭৬০৮)

যদু বংশৰ ধ্বংস দেখি হোৱা বলভদ্ৰৰ শোকাতুৰ অবস্থা বৰ্ণনাত এনেদৰে আছে—

কমল নেত্ৰৰ নীৰ ধাৰে বহি যাই।

(ভা. এ. স্ক. ১৭৮৩১)

বলোভদ্ৰৰ দেহাৱসানৰ পিচত কৃষ্ণৰ শোকাকুল অবস্থাৰ বৰ্ণনা প্ৰসংগত আছে—

কমল নেত্ৰৰ নীৰ পৰৈ সৰসৰি।।

(ভা. এ. স্ক. ১৭৮৩৮)

******

কমল নেত্ৰৰ পৰা বইৰে লোতক ধাৰা

(ভা. এ. স্ক. ১৭৮৪৬)

অশ্বত্থৰ তলত ব্যাধৰ শৰত আঘাতত মৃতপ্ৰায় কৃষ্ণক দেখি শোকত অধিৰ হোৱা উদ্ধৱক লক্ষ্য কৰি কৃষ্ণৰো—

কমল নেত্ৰৰ নীৰ বহে সৰসৰি।

(ভা. এ. স্ক. ১৭৮৮১)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান অধ্যায়ত দেৱতা সকলে নিজৰ নিজৰ ঠাইলৈ কৃষ্ণক আমন্ত্ৰণ কৰা প্ৰসংগত আছে—

কাহাকো সিদ্ধান্ত নিদিয়া মাধৱে

মুদিলা নেত্ৰ কমল।

(ভা. এ. স্ক. ১৭৯৩৭)

কৃষ্ণ বিৰহ শোকত বিহ্বলা হোৱা দৈৱকীৰ শোক বৰ্ণনাত আছে—

কমল লোচন পুত্ৰ গৈলি কোন ভিতি।।

(ভা. এ. স্ক. ১৭৯৮২)

কৃষ্ণ বিৰহত ৰুক্মিণীকে আদি কৰি অষ্ট মহিষীৰ শোক বৰ্ণনা প্ৰসঙ্গত এনেদৰে আছে—

কমল নয়ন হাস্য নিৰীক্ষণ

সুমৰি গোপ্য আলাপ।

(ভা. এ. স্ক. ১৮০১১)

উদ্ধৱে গুণ বৰ্ণাই বিলাপ কৰা প্ৰসংগত আছে --

কমল নেত্ৰক দেখি মিলে মহাসুখ।।

(ভা. এ. স্ক. ১৮১৩২)

অৰ্জুন হস্তিনাপুৰলৈ আহি কৃষ্ণ বিয়োগৰ বাৰ্তা পাই ক্ৰন্দন কৰা প্ৰসংগত এনেদৰে আছে—

আকে লাগি এৰি গ'লা কমল লোচন।

(ভা. এ. স্ক. ১৮২০৯)

দ্বাদশ স্কন্ধ ভাগৱতত তপমগ্ন মাৰ্কণ্ডেয় ঋষিৰ হৃদয়ত শিৱই যোগমায়াৰ বলেৰে প্ৰৱেশ কৰা বৰ্ণনাত আছে—

পশিল ঋষিৰ গৈয়া হৃদয় কমলে।।

(ভা. এ. স্ক. ১৮৭৪৮)

হৰিশ্চন্দ্ৰ উপাখ্যানত বাকলি বসন পিন্ধি ভিক্ষুকৰ বেশ লোৱা হৰিশ্চন্দ্ৰ ৰজাৰ পত্নী শৈব্যাৰ শাৰীৰিক

কষ্টত ম্লান পৰা সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শিশিৰ লাগিয়া যেন সংকোচ কমল।

উপমা অলংকাৰ, (হ. উ. ১৫৯)

ভাৰ্যা পুত্ৰ সমন্বিতে ৰাজ্যৰ বাহিৰলৈ যোৱাৰ সময়ত তেওঁক প্ৰজাগণে বেঢ়ি ধৰা প্ৰসংগত আছে—

দেখন্তে পৰম সুখ          তোম্মাৰ কমল মুখ

(হ. উ. ১৬৬)

তেওঁলোকৰ ভিক্ষুক জীৱনত হ'ব পৰা দুখৰ সম্ভাৱনা দেখি ৰাজ্যৰ প্ৰজাগণে শৈব্যাৰ ৰূপৰ কথা কৈ দুখ কৰা প্ৰসংগত এনেদৰে আছে—

হা মাৱ মহাদই          চন্দ্ৰে সূৰ্যে নেদেখই

তোৰ মুখ কমল ৰুচিৰ।

উপমা অলংকাৰ, (হ. উ. ১৭১)

মৃত পুত্ৰ ৰোহিতাশ্বক দেখি হোৱা চাণ্ডালবেশী ৰজা হৰিশ্চন্দ্ৰৰ মনৰ ভাব বৰ্ণনা প্ৰসংগত আছে—

এহয় আয়ত দুই কমল লোচন।

ৰূপক অলংকাৰ, (হ. উ. ৩৮৪)

ৰজা হৰিশ্চন্দ্ৰক পুনৰ আগৰ ৰূপত দেখি ৰাজ্যৰ প্ৰজাগণে আনন্দ প্ৰকাশ কৰা প্ৰশ্নত আছে—

তোম্মাৰ কমল মুখ পিয়োহো নয়নে।

ৰূপক অলংকাৰ, (হ. উ. ৪৮১)

ৰুক্মিণী হৰণ কাব্যত ভীষ্মক নন্দিনী ৰুক্মিণীৰ ৰূপ বৰ্ণনা প্ৰসঙ্গত এনেদৰে 'কমল' বিষয়টিৰ ব্যৱহাৰ হৈছে—

আয়ত লোচন সম নোহয় কমলে।

ব্যতিৰেক অলংকাৰ, (ৰু. হ. ১৯)

দেখন্তে সন্তোষ দুই চৰণ কমল।

ৰূপক অলংকাৰ, (ৰু. হ.)

তেনেকৈ বেদনিধিৰ দ্বাৰকা দৰ্শন আৰু শ্ৰীকৃষ্ণৰ কুণ্ডিল নগৰী দৰ্শন প্ৰসংগত এনেদৰে আছে—

ফুলি আছে সুগন্ধি কমল উতপল।

(ৰু. হ. ১১৪)

জলত কমল ভেট উতপল।

(ৰু. হ. ২০২)

অজামিল উপাখ্যানত উপদেশ প্ৰসংগত আছে—

একচিত্তে চিন্তা তান          চৰণ কমল।

(অ. উ. ৫৩৮৮)

অজামিলে সাৰূপ্য মুক্তি লাভ কৰা প্ৰসংগত এনেদৰে আছে—

নয়ন কমল মুখ চন্দ্ৰৰ মণ্ডল।।

ৰূপক অলংকাৰ, (ভা. অ. উ. ৫৫২০)

যম ৰজাই বিষ্ণু দূতৰ আগত বিষ্ণু মাহাত্ম্য বৰ্ণোৱা প্ৰসংগত এইদৰে আছে—

সনক সনন্দ          সিদ্ধে অৱাধন্ত

যাহাৰ পদ কমল।

ৰূপক অলংকাৰ, (অ. উ. ৫৬৬৪)

অমৃত মথন কাব্যত শ্ৰীকৃষ্ণই চতুৰ্ভুজ ৰূপ ধাৰণ কৰি দেৱতাৰ আগত দৰ্শন দিয়া প্ৰসংগত এনেদৰে আছে—

মৰকত শ্যামতনু ভ্ৰূৰ যুগ যেন ধনু
ৰুচিকৰ কমল লোচন।

(অ. ম. কা. ৪২)

চৰণ কমল মাজে বক্ষৰ নুপুৰ বাজে
আজানু লম্বিত বনমালা।।

(অ. ম. কা. ৪৫)

লক্ষীদেৱীৰ স্বয়ম্বৰ সভাত প্ৰৱেশ প্ৰসংগত এনেদৰে আছে—
এক কমলক যেন অনেক ভ্ৰমৰে।।

(অ. ম. কা. ২৫৬)

পিতৃ সমুদ্ৰই লক্ষ্মীক শ্ৰীকৃষ্ণক চিনাকি কৰি দিয়া প্ৰসংগত আছে—
মেঘ সম শ্যাম তনু কমল লোচন।

(অ. ম. কা. ২৬১)

শ্ৰীকৃষ্ণক মোহিবলৈ গৈ লক্ষ্মীয়ে নিজে মোহিত হোৱা কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—
কমল লোচন পাপ বিমোচন।

..............................

(অ. ম. কা. ৩০০)

অমৃত মন্থনৰ সময়ত শ্ৰীকৃষ্ণই মোহিনী ৰূপ ধাৰণ কৰা প্ৰসংগত আছে—
মুখ কমলক আতি দেখি ৰুচিকৰ।।

(অ. ম. কা. ৩৩৯)

মুখ কমলক যেন পিয়ৈ নেত্ৰ ভৰি।

(অ. ম. কা. ৩৬৬)

তেনেকৈ কৃষ্ণৰ ৰূপৰ বৰ্ণনাত আছে—
কমল লোচন চাৰু বদন মণ্ডল।

(অ. ম. কা. ৫১১)

বলি ছলন কাব্যত নাৰায়ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে—

পাপবিমোচন আয়ত লোচন
শোভে কমলক গঞ্জি।।

ব্যতিৰেক অলংকাৰ, (ব. ছ. কা. ১৬৬)

চৰণ কমল অতি সুকোমল

(ব. ছ. কা. ১৬৯)

কণক কমল লোচন যুগল

(ব. ছ. কা. ১৭৩)

ব্ৰহ্মচাৰী ৰূপী বামনৰ ৰূপ বৰ্ণনাত আছে—

দেখি সুখী ভৈল দুই চৰণ কমল।।

(ব. ছ. কা. ১৮৬)

বামনে বালি ৰজাক প্ৰশংসা কৰা প্ৰসঙ্গত এনেদৰে আছে—

কুলৰ কমল ফুল বংশৰ উদ্ধাৰ।।

(ব. ছ. কা. ১৬৩)

তেনেকৈ বলিৰ সভাত উপস্থিত হোৱা প্ৰহ্লাদৰ ৰূপৰ বৰ্ণনাত আছে—

কমল লোচন চাৰু বদন মণ্ডল।

(ব. ছ. কা. ৪৪৮)

কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কমল লোচন চাৰু মকৰ কুণ্ডল।

(ব. ছ. কা. ৫৮৯)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণ বলৰাম আৰু নন্দ যশোদাৰ মিলন প্ৰসঙ্গত আছে—

স্নেহেস্ৰৱে কমল নেত্ৰৰ নীৰ ঝৰি।

(কু. ক্ষে. কা. ৮৮)

গোপীসকলৰ জীৱন দেখি কৃষ্ণৰ গোপীসকলৰ প্ৰতি প্ৰেমভাৱ ওপজা বৰ্ণনাত আছে—

কমল নেত্ৰৰ পৰা পৰে নীৰ ঝৰি।

(কু. ক্ষে. কা. ১৩৪)

সূৰ্য দুহিতা কালিন্দীয়ে দ্ৰৌপদীৰ আগত কৃষ্ণৰ কথা কৈ থকা প্ৰসংগত এনেদৰে আছে—

কৃষ্ণৰ চৰণে ধৰি হৃদয় কমলে।

(কু. ক্ষে. কা. ২২৮)

কৃষ্ণ বিৰহত ব্ৰজবাসীয়ে শোক কৰা বৰ্ণনাত আছে—

কমল লোচন স্বামী দুনাই নেদেখিবো আমি

(কু. ক্ষে. কা. ৪৬৩)

দৈৱকীৰ পুত্ৰ আনয়ন অধ্যায়ত কৃষ্ণৰ ৰূপৰ বৰ্ণনাত এনেদৰে আছে—

মৌৰে ৰঞ্জিত চাৰু চৰণ কমল।

(কু. ক্ষে. কা. ৫৩৭)

দৈত্যৰাজ বলিৰ প্ৰেম ভাৱ তথা ভক্তি ভাৱত সন্তুষ্ট কৃষ্ণৰ হৃদয় দ্ৰৱিত হোৱাৰ বৰ্ণনা প্ৰসংগত আছে—

পৰৈ জল কমল নেত্ৰৰ সৰসৰি।

(কু. ক্ষে. কা. ৫৭৯)

ভক্তি প্ৰদীপৰ তৃতীয় অধ্যায়ত অৰ্জুনে কৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে—

যদুকুল কমল প্ৰকাশ দিনকৰ।

(ভ. প্ৰ. ১১৫)

চতুৰ্থ অধ্যায়ত কৃষ্ণই অৰ্জুনক ভকত লক্ষণ কোৱাৰ প্ৰসংগত আছে—

কমল নয়নে বুলিলা বচন।

(ভ. প্ৰ. ১২১)

একে অধ্যায়ত চতুৰ্ভূজ নাৰায়ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে–

কমল নয়ন বদন প্ৰসন্ন

ৰূপক অলংকাৰ, (ভ. প্ৰ. ১৩৪)

পঞ্চম অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত তেওঁৰ নামৰ বিষয়ে কোৱাৰ প্ৰসংগত আছে–

শ্ৰীবৎস লাঞ্ছন, কৃষ্ণ কমল-লোচন।।

ৰূপক অলংকাৰ, (ভ. প্ৰ. ১৮৬)

ষষ্ঠ অধ্যায়ত শ্ৰীকৃষ্ণৰ চৰণ চিহ্ন বৰ্ণনা প্ৰসংগত আছে–

ধবজ বজ্ৰ যব আৰু অংকুশ কমল।

(ভ. প্ৰ. ২৬৩)

উত্তৰাকাণ্ড ৰামায়ণৰ সপ্তম অধ্যায়ত ৰাম চন্দ্ৰৰ যজ্ঞলৈ আগমন প্ৰসংগত শ্ৰী ৰামচন্দ্ৰৰ ৰূপৰ বৰ্ণনাত আছে–

ৰত্নৰ নূপুৰ বাজে চৰণ কমল।।

(উ. কা. ৰা. ৪১) (ৰূপক অলংকাৰ।)

একত্ৰিংশ অধ্যায়ত আছে–

নিৰ্মল কমলে সৰোবৰ সব শোভে।

(উ. কা. ৰা. ৫৫)

পাৰিজাত হৰণ নাটৰ আৰম্ভণিৰ ভটিমাত এনেকৈ আছে–

কমল কেলি কমল কলহংস।

নয়ন কমল মুহ ...........

কমল পদতল .........................

(পা. হ. না)

সত্যভামাৰ অভিমান ভাঙিবলৈ কৃষ্ণই চেষ্টা কৰা প্ৰসংগত আছে–

কমল নয়নক নীৰ ঝুৰাবে .....................

(পা. হ. না. ক. সূ.)

পয়াৰতো তেনেকৈ আছে–

কমল নয়ন ভৰি ঝুৰি বহে নীৰ।।

(পা. হ. না.) (ৰূপক অলংকাৰ)।

কালী দমন নাটৰ আৰম্ভণিৰ ভটিমাত আছে–

জয় জয় যদুকুল কমল প্ৰকাশক।

(কা. দ. না.)

কৌ ৰাগৰ পৰিতালৰ 'দেখোৰে দেখো' শীৰ্ষক গীতত গোপীসবৰ শোক বৰ্ণনাত এনেদৰে আছে–

কমল নয়নে নিৰেখিয়ে কোনে

হৰব হামাৰ দুখ।

(ৰূপক অংলকাৰ) (কা. দ. না.)

যশোদাৰ বিলাপ প্ৰসংগতো আছে—

..... ব্ৰজেৰ জীৱন ............. কমল নয়ন ..........।

(ৰূপক অলংকাৰ)

কালী দমনৰ পিছত বনাগ্নিৰ দ্বাৰা আক্ৰান্ত হৈ ত্ৰাসজৰ্জৰিত ব্ৰজবাসীয়ে কৃষ্ণৰ ওচৰত শৰণ লোৱাৰ বৰ্ণনা প্ৰসংগত ভাটিয়ালি ৰাগ পৰিতালৰ 'ত্ৰাহি ত্ৰাহি হেৰো' শীৰ্ষক গীতত এনেদৰে আছে—

কমল নয়ন এ ব্ৰজ জীৱন

(ৰূপক অলংকাৰ)

কৃষ্ণই গোপগোপী, পিতৃ-মাতৃ, ধেনু বৎসসহ গোকুললৈ যাত্ৰা কৰা বৰ্ণনাত কল্যাণ ৰাগ খৰমান তালৰ 'বাৱত বেনু' শীৰ্ষক গীতত এনেদৰে আছে—

কানুক কমল অমল মুহ হেৰি

চললি লহু লহু পাৰে।

(ৰূপক অলংকাৰ)।

ৰুক্মিণী হৰণ নাটত ৰুক্মিণীয়ে বেদনিধিক কৃষ্ণৰ ওচৰলৈ পঠিওৱা প্ৰসংগত অহিৰ ৰাগৰ জৌতিমান তালৰ গীতত আছে—

কয়লো কমল নয়ন চিৰ আশ।।

(উৎপ্ৰেক্ষা অলংকাৰ)।

ৰুক্মিণীৰ পত্ৰ পঢ়ি হোৱা কৃষ্ণৰ অৱস্থা বৰ্ণনাত আছে—

............ কমল নয়নক নীৰ ঝুৰয়ে লাগল .........

(ক. সূ.)।

কৃষ্ণৰ প্ৰেম অনুৰাগৰ বৰ্ণনা প্ৰকাশক গৌৰী ৰাগৰ ৰূপক তালৰ গীতত এনেদৰে আছে—

কমল নয়ন পুৰি বাৰি ঝুৰাৱত

(ৰূপক অলংকাৰ)।

কেলি গোপাল নাটত গোপী সবৰ কৰুণ বচন শুনি কৃষ্ণৰ মনৰ অৱস্থা বৰ্ণনাত আছে—

কমল লোচন দুহু লোতকে পুৰল।

গোপীসকলৰ বচনতো তেনেদৰে আছে—

হে কমল লোচন দুঃখ বিমোচন .......

ধনশ্ৰী ৰাগ এক তালিৰ 'বেকত ভেল মুৰাৰি' শীৰ্ষক গীতত এনেদৰে আছে—

কমল নয়ন ঝোৰে বাৰি।।

কৃষ্ণৰ বংশী শুনি বিমোহিত হোৱা প্ৰকৃতিৰ অৱস্থা অহিৰ ৰাগ এক তালিৰ 'মাই মাই হৰিক বিছুৰি' গীতত এনেদৰে আছে—

শুনিয়া মোহন ধ্বনি তম্ভিত তৰংগিনী

পুলক কমলকুল দোলে।

ৰাম বিজয় নাটকৰ আৰম্ভণী ভটিমাত আছে এনেকৈ—

জয় জয় ৰঘু কুল কমল প্ৰকাশক ........

মাৰীচ সুবাহু বধৰ পিচত ঋষি বিশ্বামিত্ৰই ৰামচন্দ্ৰক আশীৰ্বাদ দিয়া প্ৰসংগত আছে—

ৰঘুকুল কমল প্ৰকাশক সূৰ্য ৰাম চন্দ্ৰ ..........

বিশ্বামিত্ৰই ৰামৰ আগত সীতাৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

নয়ন নিবেশি কমল জল মাজ।

শ্ৰীৰামচন্দ্ৰৰ ৰূপৰ বৰ্ণনা শুনি সীতাৰ হৰ্যন্বিতা অৱস্থাৰ বৰ্ণনা ধনশ্ৰী ৰাগ এক তালিৰ 'স্বামীক চৰিত্ৰ' শীৰ্ষক গীতত এনেদৰে আছে–

কমল নয়নে ঝুৰে বাৰি।।

গৌৰী ৰাগৰ বিষম তালৰ 'সোই সোই' শীৰ্ষক গীতত এনেদৰে আছে–

অন্তৰজল ফুটয় কমল

(বৰগীত)।

কেদাৰ ৰাগৰ 'পাৰে পৰি হৰি' শীৰ্ষক গীতত মানুহৰ চিত্তবৃত্তিৰ তুলনা প্ৰসংগত আছে এনেদৰে–

কমল দল জল চিত্ত চঞ্চল

(বৰগীত), (লুপ্তোপমা)।

সুহাই ৰাগ জ্যোতি তালৰ শ্ৰীৰাম মঞিও অতি শীৰ্ষক বৰগীতত এনেদৰে আছে–

হৃদয় কমলে হৰি বৈঠহ

........................

গৌৰী ৰাগ জৌত তালৰ এটি বৰগীতত এনেদৰে আছে–

কমল লোচন চিন্ত চিত্ত চেতন লাই।

গুণমালাতো সেইদৰে কৃষ্ণ গুণ প্ৰকাশ কৰা প্ৰসংগত আছে–

পাতক মোচন কমল লোচন।

ৰূপক অলংকাৰ, ( গু. মা. ৫)।

হাসিত বয়ান কমল নয়ান।

ৰূপক অলংকাৰ, ( গু. মা. ৩৩৬),

তেনেকৈ,

.............. চৰণ কমল।

ৰূপক অলংকাৰ, ( গু. মা. ৩৪৩)

কুমুদ ঃ

কীৰ্তনৰ গজেন্দ্ৰোপাখ্যানত ত্ৰিকূট পৰ্বতৰ সৰোবৰৰ বৰ্ণনাত এনেদৰে আছে–

কুমুদ সিন্ধু উতপলকুল।

(কী. গ. উ. ১২)

ভাগৱতৰ দশম স্কন্ধত শৰত কালৰ বৃন্দাবনৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত আছে–

কুমুদ কমল বায়ু বাসে আতিশয়।।

(ভা. দ. স্ক. ১২২৫)

এই স্কন্ধৰে গোপী উদ্ধৱ সংবাদ প্ৰসংগত আছে–

কুন্দ কুমুদ চন্দ্ৰে সুশোভিত আতি।

(ভা. দ. স্ক. ১৩০৫৮)

ভাগৱতৰ দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ আশ্ৰমৰ বৰ্ণনা প্ৰসংগত আছে—

কৰৈ কান্তি তপোবন কুমুদ উৎপল যেন

(ভা. দ্বা. স্ক. ১৮৬২৮)

মল্ল নৃপতিৰ প্ৰশস্তিসূচক ৰাজ ভটিমাত এনেদৰে আছে—

নিজ কুল কুমুদ প্ৰকাশিত ইন্দু।

ভক্তি প্ৰদীপত অৰ্জুনৰ কৃষ্ণ স্তুতিত এনেদৰে আছে—

ভকতৰ পৰম আনন্দ কুমুদ শশধৰ।

(ভ. প্ৰ. ১১৫)

**নীৰজ ঃ**

নাট মল্লাৰ ৰাগৰ 'মধুৰ মুৰতি' শীৰ্ষক বৰগীতত কৃষ্ণৰ ৰূপ বৰ্ণনাত বিষয়টিৰ ব্যৱহাৰ হৈছে এনেদৰে-

কনক কিৰীট জড়িত ৰতনা নব

নীৰজ নয়ন বিকাশা।।

(ৰূপক অলংকাৰ)

**পংকজ ঃ**

পংকজ শংকৰদেৱৰ অতিশয় প্ৰিয় বিষয়। প্ৰত্যক্ষ প্ৰয়োগৰ উপৰিও বিভিন্ন বিষয়ৰ উপমান ৰূপে পংকজ শব্দটিৰ তেওঁৰ সাহিত্যত মনোৰম প্ৰয়োগ ঘটিছে। পংকজ উপমান প্ৰয়োগৰ জৰিয়তে বৰ্ণনীয় বিষয়সমসূহে এক অনিৰ্বচনীয় ৰূপ-সৌন্দৰ্য ধাৰণ কৰিছে।

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ত বৈকুণ্ঠপতিৰ ধ্যান প্ৰসংগত আছে—

চৰণ পংকজ আছে প্ৰকাশি।

ৰূপক অলংকাৰ (কী. ধ্যা. ব. ১২)

শঙ্খ চক্ৰ গদা পংকজধাৰী।।

ৰূপক অলংকাৰ (কী. ধ্যা. ব. ১৯)

অৰুণ লোচন পংকজ পাশি।

উপমা অলংকাৰ (কী. ধ্যা. ব. ২৩)

তাৰ মাজে ৰত্ন পংকজ মালা।

(কী. ধ্যা. ব. ২৫)

ধ্বজ বজ্ৰাংকুশ পংকজ যৰে।

(কী. ধ্যা. ব. ২৬)

ৰাস ক্ৰীড়া অধ্যায়ত কৃষ্ণৰ ৰূপ আৰু লীলা বৰ্ণনাত আছে—

গলত অম্লান পংকজ মালা।

(কী. ৰা. ক্ৰী. ৩৫)

ধ্বজ বজ্ৰ পংকজ অংকুশে অলংকৃত।।

(কী. ৰা. ক্ৰী. ৬৭)

গোপীসবে কৃষ্ণ অন্তৰ্দ্ধান হোবা দেখি একচিত হৈ কৃষ্ণৰ গুণ গাই বিলাপ কৰা প্ৰসংগত আছে–

কৃষ্ণ পদ পংকজে নিবিড় কৰি চিত্ত।

(কী. ৰা. ক্ৰী. ৮৩)

কৃষ্ণক বিচাৰি গোপীসব ব্যাকুল হোবা প্ৰসংগত আছে–

মোহন হসিত কটাক্ষে সহিত

দেখায়ো মুখ পংকজ।

ৰূপক অলংকাৰ, (কী. ৰা. ক্ৰী. ৮৯)

পংকজ লোচন নেদেখি তোমাৰ

মৰো হেৰা সবে দাসী।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ৯০)

গোপীসকলৰ দুখ দেখি কৃষ্ণই গোপীসকলৰ আগত পুনৰ দেখা দিয়া প্ৰসংগত আছে–

মুখ পংকজক পিয়ে তবধ নয়নে।।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ১১১)

গোপী কৃষ্ণৰ ৰাস ক্ৰীড়া বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

কৃষ্ণ হস্ত পংকজ পৰম সুখকৰ।

(কী. ৰা. ক্ৰী. ১৪৩)

শোভে সবে বদন পংকজ ঘৰ্ম জলে।।

(কী. ৰা. ক্ৰী. ১৪৫)

ধ্বজ বজ্ৰ পংকজ খোজত বান্ধি যায়।

(কী. ৰা. ক্ৰী. ১৮৮)

কংস বধ অধ্যায়ত একবিংশ কীৰ্তনত কৃষ্ণ ৰূপ বৰ্ণনা প্ৰসংগত আছে–

চৰণ পংকজ মনোৰম।

ৰূপক অলংকাৰ (কী. ক. ব. ২৫৮)

অক্ৰূৰে কৃষ্ণ বলোৰামক মথুৰালৈ লৈ যোৱাৰ বাটত যমুনা নদীত স্নান কৰোতে পানীৰ মাজত কৃষ্ণৰ চৰ্তুভুজ ৰূপ দেখা পোবা বৰ্ণনাত আছে–

শঙ্খ চক্ৰ গদা পংকজ ধাৰী।।

(কী. ক. ব. ২৮১)

তেনেকৈ উনত্ৰিংশ কীৰ্তনত আছে–

পদ পংকজৰ নুপূৰ বাজে।।

ৰূপক অলংকাৰ (কী. ক. ব. ৩৭৩)

এই অধ্যায়ত মুষ্টিকৰ লগত যুদ্ধ প্ৰসংগত আছে

জলে সম যেন পংকজ কোশ।

উপমা অংলকাৰ (কী. ক. ব. ৩৯৯)

মুচুকুন্দৰ স্তুতি অধ্যায়ত মুচুকুণ্ডৰ শ্ৰীকৃষ্ণৰ ৰূপ দৰ্শন প্ৰসংগত এনেদৰে আছে–

অৰুণ লোচন পংকজ পাসি।

(কী. মু. স্তু. ৭৮)

পদযুগ যেন পংকজ কোষ।

উপমা অলংকাৰ (কী. মু. স্ত. ৭৯)

স্যমন্তক হৰণ অধ্যায়ত দৈৱকীয়ে কৃষ্ণৰ চিন্তা ক্ৰন্দন কৰা প্ৰসংগত আছে–

কেয়ুৰ কংকন ৰঞ্জে।
পদ পংকজ গঞ্জে।।

ব্যতিৰেক অলংকাৰ (কী. স্য. হ. ৪৭)

বিপ্ৰপুত্ৰ আনয়ন অধ্যায়ত কৃষ্ণই লোকালোক পাৰহৈ জলৰ মাজত প্ৰবেশ কৰা প্ৰসঙ্গত আছে -

পদ দুই পংকজৰ কান্তি।

উপমা অলংকাৰ (কী. বি. পু. আ. ৩৬)

দামোদৰ বিপ্ৰ আখ্যানত দামোদৰে দ্বাৰকাৰ পৰা উভতি গৈ নিজৰ গৃহৰ সমীপ দৰ্শন প্ৰসংগত আছে-

-

দীঘি সৰোবৰ পুষ্পিত উৎপল
প্ৰফুল্ল পংকজে ৰজে।

(কী. দা. বি. আ. ২৫)

বেদস্তুতি অধ্যায়ত বেদগণৰ কৃষ্ণ স্তুতি প্ৰসংগত আছে–

তযু পদ পংকজে মজোক মোৰ মন।

ৰূপক অলংকাৰ (কী. বে. স্তু. ১০)

কৃষ্ণ লীলা মালা অধ্যায়ত কৃষ্ণই যুধিষ্ঠিৰক নিজ ৰূপ দেখুওৱা প্ৰসংগত আছে–

প্ৰসন্ন মুখ পংকজ জ্যোতি।

ৰূপক অলংকাৰ (কী. কৃ. লী. মা. ৭৭)

চৰণ পংকজে মঞ্জীৰ বোল।

ৰূপক অলংকাৰ (কী. কৃ. লী. মা. ৮০)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে–

বদন পংকজ আছে প্ৰকাশি।

ৰূপক অলংকাৰ (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৮৭)

শ্ৰীকৃষ্ণৰ বিয়োগত বাতৰি পাই 'পিশাচৰ বেশ' লোৱা যুধিষ্ঠিৰৰ মনোকষ্ট বৰ্ণনা কৰা প্ৰসংগত আছে-

-

কৃষ্ণ পদ পংকজক ধৰি হৃদয়ত।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১৭৬)

কৃষ্ণ পদ পংকজ হৃদয়ে কৰি স্থিৰ।

ৰূপক অলংকাৰ (কী. শ্ৰীকৃ. বৈ. প্ৰ. ১৭৭)

উৰেষা বৰ্ণন অধ্যায়ত মালৱ দেশৰ অৱন্তী পুৰী নগৰৰ ৰজা ইন্দ্ৰদ্যুম্নই মাধৱক আৰাধনা কৰিবলৈ গৈ উপস্থিতি হোৱা দক্ষিণ সাগৰৰ পাৰৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনাত আছে–

চাৰু সৰোবৰক পংকজে আছে ৰঞ্জি।

(কী. উ. ব. ২৯)

ভাগৱতৰ প্ৰথম স্কন্ধত অভিমন্যু পত্নী উত্তৰাৰ পুত্ৰই জন্ম গ্ৰহণ কৰিয়েই কৃষ্ণৰ ৰূপ দৰ্শন কৰা

প্ৰসংগত আছে—

চৰণ পংকজ ৰঞ্জে বজ্ৰৰ নূপুৰ।

ৰূপক অংলকাৰ, (ভা. প্ৰ. স্ক. ১১১)

কুন্তীৰ শ্ৰীকৃষ্ণ স্তৱ প্ৰসংগত আছে—

নমো নাভি পংকজ পংকজ মালাধাৰ।
নমো নেত্ৰ পংকজ পংকজ পাৰ যাৰ।।

ৰূপক অংলকাৰ, ছেকানুপ্ৰাস অলংকাৰ, (ভা. প্ৰ. স্ক. ১১৬)

ভীষ্মই মোক্ষ লাভ কৰা প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত আছে—

অলকা আবৃত্ত মুখ পংকজক
দেখন্তো উল্লেসে মতি।

ৰূপক অংলকাৰ (ভা. প্ৰ. স্ক. ১৫৮)

পৃথিৱী আৰু ধৰ্মৰ কথোপ কথন প্ৰসঙ্গত এনেদৰে আছে—

নাই ৰতি বিষয়ত কৃষ্ণ পদ পংকজত
কৰন্ত ভকতি মহাধীৰ।

ৰূপক অংলকাৰ (ভা. প্ৰ. স্ক. ২৪৬)

অৰুণ পংকজ পাৰ পৰশে উল্লসে গাৰ
...............................

ৰূপক অংলকাৰ (ভা. প্ৰ. স্ক. ২৫০)

নয়ন পংকজ পাসি সুনাসা ইষত হাসি
...............................

ৰূপক অংলকাৰ (ভা. প্ৰ. স্ক. ২৫৪)

পৰীক্ষিতৰ ওচৰলৈ শুকমুনিৰ আগমন প্ৰসংগত শুক মুনিৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে—

.................. ..................
চৰণ পংকজ কোষ।

(ভা. প্ৰ. স্ক. ৪০৪)

ভাগৱতৰ দ্বিতীয় স্কন্ধৰ প্ৰাৰম্ভতে ভাগৱত মহা ধৰ্মৰ মহিমা কীৰ্তন প্ৰসংগত আছে—

কৃষ্ণ পদ পংকজক হৃদয়ত ধৰি।

ৰূপক অংলকাৰ (ভা. দ্বি. স্ক. ৪২৫)

ভাগৱতৰ দশম স্কন্ধত কংসৰ কাৰাগাৰত কৃষ্ণৰ জন্মৰ সময়ৰ পৰিৱেশ বৰ্ণনাত আছে—

নদ নদী প্ৰসন্ন পংকজে জাতিস্কাৰ।

(ভা. দ. স্ক. ১০৭২২)

গোকুলৰ গোপী সবে যশোদাৰ পুত্ৰ হোৱা বুলি জানি সাজি-কাচি চাবলৈ যাত্ৰা কৰা প্ৰসংগত এনেদৰে আছে—

মুখ পংকজক আতি ৰঞ্জিলা কুমকুমে।

ৰূপক অংলকাৰ (ভা. দ. স্ক. ১০৮০০)

কৃষ্ণৰ পুতনা বধ প্ৰসংগত পুতনাৰ দিবা নাৰী ৰূপ বৰ্ণনা প্ৰসঙ্গত আছে এনেদৰে—

সেহি বল্লি আছৈম্রগ পংকজ নিশেষ।

ৰূপক অংলকাৰ (ভা. দ. স্ক. ১০৮২১)

ব্ৰহ্মাৰ মোহ শীৰ্ষক অধ্যায়ত গো, গোবৎস গোপবালক সকলোবোৰকে কৃষ্ণৰ মহিলা চাবৰ বাবে নি এবছৰৰ পিচত পুনৰ আহি সকলোবোৰ একে ধৰণে দেখি কৃষ্ণ মায়া বুলি বুজিব পাৰি তধা লাগি চাই থকা অৱস্থাতে সকলোবোৰে কৃষ্ণৰ মূৰ্তি গ্ৰহণ কৰা প্ৰসংগত আছে—

মস্তকৰ পৰা পাদ পংকজ পৰ্যন্তে।
তুলসীৰ মালা অৰ্পি আছে পুণ্যবন্তে।।

ৰূপক অংলকাৰ (ভা. দ. স্ক. ১১১০৯)

এই প্ৰসংগতে ব্ৰহ্মাৰ কৃষ্ণ স্তুতিত এনেদৰে আছে—

আহিয়ো বিচাৰি চাৰি বেদেলৈয়ো পাবৈ প্ৰভু
তযু পাদ পংকজ ধূলিক।

ৰূপক অংলকাৰ (ভা. দ. স্ক. ১১১৪৯)

কালী দমন লীলা বৰ্ণনাত কৃষ্ণৰ ৰূপ দেখি তধা লাগি চাই থকা প্ৰসংগত আছে—

ধ্বজ বজ্ৰ পংকজ অংকুশে অলংকৃত।।

(ভা. দ. স্ক. ১১২৪৩)

এই প্ৰসংগতে গোকুলবাসীয়ে কৃষ্ণৰ চৰণ চিহ্ন চাই কৃষ্ণক বিচাৰি যোৱা বৰ্ণনাত আছে—

ধ্বজ বজ্ৰ পংকজ অংকুশ চিন চাই।

(ভা. দ. স্ক. ১১২৫৭)

কালী সৰ্পক দমন কৰি কৃষ্ণই সৰ্পক ৰমনক দীপলৈ যাবলৈ আদেশ দিয়া প্ৰসংগত আছে—

ধ্বজ বজ্ৰ পংকজ পাবৰ চিহ্ন যত।

(ভা. দ. স্ক. ১১৩১৭)

ব্ৰজবাসীয়ে কৃষ্ণই কালী সৰ্পক দমন কৰাৰ আনন্দ প্ৰকাশ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

এহি মতে ব্ৰজবাসী নেত্ৰে যেন পিয়ৈ আসি
হৰি পদ পংজৰ বশ।

(ভা. দ. স্ক. ১১৩৪৩)

বৃন্দাবনত ধেনু চৰাই গৃহলৈ উভতি যোৱা কৃষ্ণক গোকুলবাসীয়ে স্নেহ প্ৰদৰ্শন কৰা প্ৰসংগত এনেদৰে আছে—

কৃষ্ণ পাদপংজক কৰৈ মাত্ৰ ধ্যান।

ৰূপক অংলকাৰ (ভা. দ. স্ক. ১৪৬৪)

তেনেদৰে বৃন্দাবনত নটবৰ কৃষ্ণৰ ৰূপৰ বৰ্ণনাত আছে—

গলে পংকজৰ মালা অতি জাতিষ্মাৰ।

ৰূপক অংলকাৰ (ভা. দ. স্ক. ১১৪৯৪)

ধ্বজ বজ্ৰ পংকজে বঞ্জিত বৃন্দাবন।

(ভা. দ. স্ক. ১১৪৯৫)

এই প্ৰসংগতে গোপীসকলে কৃষ্ণৰ গুণ বৰ্ণনা কৰা প্ৰসংগত আছে—

কিশলয় মৈৰা পাখি পংকজ উৎপলে।

(ভা. দ. স্ক. ১১৪৯৯)

তেনেদৰে–

ধ্বজ বজ্র পংকজ অংকুশে অলংকৃত।

(ভা. দ. স্ক. ১১৫০৬)

বিপ্ৰপত্নী প্ৰসাদ অধ্যায়ত কৃষ্ণ আৰু বলোৰাম বিপ্ৰৰ গৃহত উপস্থিত হোৱাৰ লগে লগে বিপ্ৰ পত্নীসকলে কৃষ্ণৰ ৰূপ দৰ্শন কৰা প্ৰসংগত আছে–

প্ৰফুল্ল পংকজ মুখে দেখি অল্পহাস।

(ভা. দ. স্ক. ১১৬০৮)

শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন ধাৰণ বৰ্ণনা প্ৰসঙ্গত এনেদৰে আছে–

চৰণ পংকজে আমি পশিলো শৰণ।

(ভা. দ. স্ক. ১১৭১৩)

তযু পদ পংকজেসে জীৱন আমাৰ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৭১৪)

অৰুণ পংকজ নেত্ৰ দেখন্তে সন্তোষ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৭২৭)

এই প্ৰসংগতে গোপীসকলৰ আনন্দ বৰ্ণনাত এনেদৰে আছে–

পুলকিত তনু নয়নৰ নীৰ ঝৰে।
কৃষ্ণ পদ পংকজক হৃদয়ত ধৰে।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৭৫৭)

বৰুণ লোকৰ পৰা কৃষ্ণই নন্দক উদ্ধাৰ কৰি অনাৰ পিছত নন্দই দেখা কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসঙ্গত এনেকৈ আছে–

পংকজ নয়ন হসিত বয়ন
..............................

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৮৪৯)

চৰণ পঙ্কজ মঞ্জিৰে ৰঞ্জিত
..............................

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৮৫০)

শ্ৰীকৃষ্ণৰ ৰাসলীলা বৰ্ণনা প্ৰসঙ্গত কৃষ্ণৰ বংশী ধ্বনি শুনি কাম বিমোহিত হৈ স্বামী পুত্ৰ এৰি গোপীসকল কৃষ্ণৰ ওচৰলৈ অহাত কৃষ্ণই তেওঁলোকক গৃহলৈ উভতি যাবলৈ কোৱাত গোপী সকলে স্তুতি কৰা প্ৰসংগত আছে–

তযু পদ পংকজৰ আশ্চৰ্য মহিমা জানি
ভজিলো আমিয়ো সেহি দেখি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৯১০)

ৰাসক্ৰীড়াত গোপী সবৰ মাজত চন্দ্ৰৰ দৰে শোভা কৰা, কৃষ্ণৰ বৰ্ণনাত আছে–

গলে জ্বলৈ বৈজয়ন্তী পংকজৰ মালা।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৯৩০)

যমুনাৰ বালিত কোনো গৰাকী কামমত্ত গোপীয়ে কৃষ্ণক আলিঙ্গন কৰা প্ৰসংগত আছে–

মুখ পংকজক যেন পিয়ে নেত্ৰ ভৃংগে।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৯৩৯)

ৰাস লীলাৰ মাজতে কৃষ্ণ অন্তৰ্দ্ধান হোৱাত কৃষ্ণক বিচাৰি ফুৰা বৰ্ণনাত আছে—

ধ্বজ বজ্ৰ পংকজ অংকুশে অলংকৃত।।

(ভা. দ. স্ক. ১২০০৬)

গোপীসবে কৃষ্ণৰ গুণ বৰ্ণাই স্তুতি কৰা প্ৰসংগত আছে—

কৃষ্ণৰ চৰণ পংকজ আতি
নিবিড় কৰিয়া চিত।।

(ভা. দ. স্ক. ১২০৪১)

পংকজ লোচন দেখিয়ো তোমাৰ
মৰো হেৰা সৱে দাসী।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৪৭)

পুনু পুনু দেখায় বদন পংকজ
মনত অৰ্পা মদন।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৫১)

হে প্ৰভু তযু যিটো চৰণ পংকজ যুগ
পৰম কোমল সুকুমাৰ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৫৮)

গোপীসবৰ সপ্ৰেম ভক্তি দেখি স্নেহত আতুৰ কৃষ্ণ যেতিয়া ব্যক্ত হ'ল তেতিয়া কৃষ্ণৰ ৰূপৰ বৰ্ণনাত এনেদৰে আছে—

অৰুণ পংকজ জ্যোতি নয়ন যুগল।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৬৩)

গোপী সকলে কৃষ্ণৰ কোটি কোটি চন্দ্ৰমাৰ দৰে ৰূপ দেখি
থাকিলা কৃষ্ণৰ হস্ত পংকজত ধৰি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৭৭)

ধ্বজ বজ্ৰ পংকজক হৃদয়াত ঘসে।

(ভা. দ. স্ক. ১২০৭৮)

মুখ পংকজক পিয়ে তৱধ নয়নে।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৭৯)

ৰাস ক্ৰীড়াত শ্ৰান্ত হৈ পৰা কোনো এক গোপ বালাৰ কাৰ্য প্ৰসংগত আছে—

কৃষ্ণ হস্ত পংকজ পৰম সুখকৰ
তাক ধৰি মৰৈ আনি স্তনৰ ওপৰ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২১৪০)

তেনেদৰে এই প্ৰসংগত অনেক বাৰ ব্যৱহাৰ হৈছে—

চৰণ পংকজ যিটো ব্ৰহ্মাৰ দুৰ্লভ

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২১৪১)

শোভে সব বদন পংকজ ঘৰ্ম জলে।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২১৪৩)

কৃষ্ণ-বলোৰামে শৰত কালত চন্দ্ৰাবলী নিশাক প্ৰশংসা কৰি গীত গোৱা শুনি গোপীসকলে কৰা আচৰণ বৰ্ণনাত আছে—

কৃষ্ণ পদ পংকজক হৃদয়ে ধৰি থাকে।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২২৩০)

কৃষ্ণই ধেনু চাৰি ব্ৰজ ধামত প্ৰবেশ কৰা প্ৰসংগত এনেদৰে আছে—

ধ্বজ বজ্ৰ যব অংকুশ পংকজ
খোজত বান্ধন্ত যায়।

(ভা. দ. স্ক. ১২২৬৭)

কংসৰ আদেশত কৃষ্ণক নিবলৈ ব্ৰজ অভিমুখে ৰাওনা হোৱা অক্ৰূৰৰ মনোভাব বৰ্ণনা প্ৰসংগত এনেকৈ আছে—

যিটো পদ পংকজক পূজে ব্ৰহ্মা মহাদেৱ
লক্ষ্মীয়ো অৰ্চন্ত প্ৰতিনিত।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৩৯২)

পদ পংকজৰ ধূলি মাথে লৈবো হাতে তুলি
..........................................

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৩৯৭)

অক্ৰূৰে গোপ পুৰ পাই গোবিন্দৰ খোজৰ চিহ্ন দেখা পোৱা প্ৰসংগত এনেকৈ আছে—

এহিটো প্ৰভুৰ পদ পংকজৰ ধূলি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৪০৬)

অক্ৰূৰে এনে চৰণ চিহ্নতে প্ৰণাম কৰা কাৰ্য চাই থকা সময়ত ৰাম কৃষ্ণৰ ৰূপৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

আজানু লম্বিত ভুজ পংজকজ নয়ন।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৪১১)

অক্ৰূৰে ৰাম কৃষ্ণক লৈ মধুপুৰলৈ যাত্ৰা কৰা পথত যমুনা নদীত বুৰ মাৰি স্নান কৰোতে পানীৰ তলত অনন্তৰ কোলাত কৃষ্ণক দেখা প্ৰসঙ্গত এনেদৰে আছে—

প্ৰসন্ন বদন অৰুণ নয়ন
যেন পকজৰ পাসি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৪৭১)

পদ পংকজৰ পাসি যেন ভৈল
চাৰু আংগুলিৰ পান্তি।

******

ধ্বজ বজ্ৰ যব অংকুশ পংকজ
প্ৰকাশৈ চিহ্ন সকল।।

(ভা. দ. স্ক. ১২৪৭৪)

কৃষ্ণ মথুৰাত প্ৰবেশ কৰা সময়ত তেওঁৰ ৰূপ দেখি মথুৰাৰ নাৰী সকল বিমোহিত হোৱা বৰ্ণনা প্ৰসংগত আছে-

চৰণ পংকজে পুজিলেক মনে

.................................

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৫৩৪)

মথুৰাপুৰীত যুৱতীসকলেও

মুখ পংকজক যেন পিবৈ অনুৰাগে।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৫৭৮)

মথুৰাত কৃষ্ণই কুবলয় হস্তী বধ কৰা প্ৰসংগত এনেদৰে আছে—

কুম্ভস্থলে পাদ পংকজ ভিবিয়া

কৰিয়া অতি আক্ৰান্ত।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৬২৪)

চানুৰ আৰু মুষ্টিকৰ লগত ৰাম কৃষ্ণৰ মল্লযুদ্ধ বৰ্ণনা প্ৰসংগত প্ৰথমে কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

অৰুণ নয়ন নৱ পংকজৰ কোষ।।

উপমা অলংকাৰ (ভা. দ. স্ক. ১২৬৪১)

ৰাতুল কোমল পদ পংকজ যুগল।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৬৪৬)

তেনেদৰে মল্লযুদ্ধ বৰ্ণনাত আছে

অৰুণ পংকজ লোচন জ্বলয়

কুন্দ কড়ি সম দান্ত।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৬৯৩)

চানুৰ মুষ্টিক বধৰ পিছত কৃষ্ণই কৌতুকে নৃত্য কৰা বৰ্ণনাত এনেদৰে আছে—

ধ্বজ বজ্ৰ পংকজ অংকুশ চিহ্ন যত।

(ভা. দ. স্ক. ১২৭২৪)

কৃষ্ণ সখা উদ্ধৱে মথুৰাৰ পৰা গোকুললৈ গৈ নন্দ ৰজাৰ আগত কৃষ্ণ বাৰ্তা দিয়াৰ প্ৰসংগত নন্দই কৃষ্ণৰ গুণ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

ধ্বজ বজ্ৰ যৱ পংকজ অংকুশ

চিহ্ন আছে পৰি পৰি।

(ভা. দ. স্ক. ১২৯১২)

নন্দ যশোদাৰ আগত উদ্ধৱে কৃষ্ণ মাহাত্ম্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

ৰত্নৰ নূপুৰে পদ পংকজ ৰঞ্জিত।

ৰূপক অলংকাৰ

হৃদি মধ্যে দেখা সেই পংকজ লোচন।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২৯৫৫)

গোপীসবে উদ্ধৱক কৃষ্ণৰ বাৰ্তা সোধা প্ৰসংগত এনেদৰে আছে--

কৃষ্ণ পদ পংকজক থাকৈ মনে ধৰি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১৩০৬০)

তেনেদৰে কৃষ্ণ বিৰহ দুখ উদ্ধৱৰ আগত প্ৰকাশ কৰা বৰ্ণনাত আছে—

ধ্বজ বজ্ৰ পংকজ অংকুশে অলংকৃত।

(ভা. দ. স্ক. ১২৩০৭২)

ইয়াৰ পৰৱৰ্তী অধ্যায়ত গোপী সকলৰ ভাগ্য প্ৰশংসা প্ৰসংগত আছে--

ৰাস ক্ৰীড়া উৎসৱত হেন পাদ পংকজক

গোপী গণে অৰ্পিলে স্তনত।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১৩১০৬)

উদ্ধৱৰ মথুৰালৈ প্ৰত্যাবৰ্তন বৰ্ণনাত নন্দ যশোদা আদি ব্ৰজবাসীয়ে কৃষ্ণক জনাবলৈ কোৱা প্ৰসংগত আছে--

কৃষ্ণৰ চৰণ পংকজত সিটো

নেৰোক আমাৰ মনে।

(ভা. দ. স্ক. ১৩১১০)

একাদশ স্কন্ধ ভাগৱতত ব্ৰহ্মা আদি দেৱতা সকলৰ দ্বাৰকালৈ গমন প্ৰসংগত দ্বাৰকাপতি কৃষ্ণৰ ৰূপৰ বৰ্ণনাত আছে—

তৰুণ অৰুণ পংকজ লোচন

সুৰলিত ভ্ৰূৱ দুই।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১৭৫০৪)

ধ্বজ বজ্ৰ যৱ পংকজ অংকুশে

কৰন্তে আছে দীপিতি।।

ৰূপক অলংকাৰ (ভা. এ. স্ক. ১৭৫৩৭)

কৃষ্ণ উদ্ধৱ সংবাদ অধ্যায়ত কৃষ্ণৰ বিয়োগৰ আশংকাত উদ্ধৱে শোকত ক্ৰন্দন কৰা বৰ্ণনাত আছে—

তোমাৰ চৰণ পংকজ পুজিবে

কতো পুণ্যে পাইবো লাগ।

ৰূপক অলংকাৰ (ভা. এ. স্ক. ১৭৫৯৮)

কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ আগে আগে উদ্ধৱে কৃষ্ণৰ পৰা বিদায় লোৱা প্ৰসংগত এনেদৰে আছে--

কৃষ্ণৰ অৰুণ চৰণ পংকজ

ধৰি হৃদয়ৰ মাজে।

ৰূপক অলংকাৰ (ভা. এ. স্ক. ১৭৭৬৩)

যদু বংশ ধ্বংস হোৱাৰ পিচত কৃষ্ণই মৌন হৈ আকাশৰ তলাত চতুৰ্ভুজ ৰূপ ধৰি বহি থকা সময়ত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

নয়ন পংকজ পাসি মুখে মনোহৰ হাসি

.........................................

ৰূপক অলংকাৰ (ভা. এ. স্ক. ১৭৮৪৯)

মনোহৰ উৰু স্থলে　　　শ্ৰীবৎস পংকজ জ্বলে

.................................

চৰণ পংকজ কোষ　　　শুনি নূপুৰৰ ঘোষ

.................................

ৰূপক অলংকাৰ (ভা. এ. স্ক. ১৭৮৫১)

যদু বংশৰ ধ্বংসৰ পিছত কৃষ্ণই অশ্বত্থৰ ছাঁত বহাৰ ভংগি বৰ্ণনাত আছে–

অশ্বত্থত আউজিয়া　　　দক্ষিণ উৰুত থৈয়া

পংকজ আৰুণ বাম পাৱ।

উপমা অলংকাৰ (ভা. ত্ৰ. স্ক. ১৭৮৫৩)

আশ্বত্থৰ তলত ব্যাধৰ শৰৰ আঘাতত মৃতপ্ৰায় কৃষ্ণক দেখি উদ্ধৱে শোকত অধিৰ হৈ কৃষ্ণৰ গুণ নাম গোৱা প্ৰসংগত আছে–

কাৰ পাদ পংকজক জাগ্তিবো নিদ্ৰাত।।

ৰূপক অলংকাৰ (ভা. ত্ৰ. স্ক. ১৭৮৭৬)

ধ্বজ বজ্ৰ পংকজ অংকুশে অলংকৃত।

কাৰ খোজ নেদেখি থাকিবো পৃথিবীত।।

(ভা. ত্ৰ. স্ক. ১৭৮৭৮)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিচত ব্ৰজধামত বিমঙ্গল হোৱা দেখি গোপী সকলে কৃষ্ণকে ধ্যান কৰা প্ৰসংগত আছে–

ধ্বজ বজ্ৰ মনোহৰ　　　হেন পদ পংকজৰ

লৈবেক নাপালো ধুৱাই ধূলি।।

ৰূপক অলংকাৰ (ভা. এ. স্ক. ১৮৩১০)

ভাগৱতৰ দ্বাদশ স্কন্ধৰ উপদেশ প্ৰসংগত আছে–

যেন তেন মত　　　তোমাৰ চৰণ

পংকজত মোৰ মতি।

(ভা. দ্বা. স্ক. ১৮৬৩৯)

মাৰ্কণ্ডেয় ঋষিয়ে তপস্যাৰ বলেৰে দেখা পোৱা নাৰায়ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

ঈষত হাসিত মুখ পংকজ লোচন।

ৰূপক অলংকাৰ (ভা. দ্বা. স্ক. ১৮৬৪৪)

মাৰ্কণ্ডেয় ঋষিৰ আখ্যান বৰ্ণনাত উপদেশ প্ৰসংগত এনেদৰে আছে–

তযু পদ পংকজেসে　　　বজ্ৰ পদ্মৰে আতি

পশোক মানস ৰাজহংস।।

(ভা. দ্বা. স্ক. ১৮৭০৪)

মাৰ্কণ্ডেয় ঋষিয়ে বটপত্ৰত বাল মুকুন্দক দৰ্শন পোৱা প্ৰসংগত এনেদৰে আছে–

অৰুণ পংকজনেত্ৰ দেখন্তে সন্তোষে।

ৰূপক অলংকাৰ (ভা. দ্বা. স্ক. ১৮৭১০)

ৰুক্মিণী হৰণ কাব্যৰ আৰম্ভণিতে মঙ্গলাচৰণত কৃষ্ণৰ বন্দনা এনেদৰে আছে

কৃষ্ণ পাদপংকজ যুগল মনে ধৰি।

ৰূপক অলংকাৰ, (ক. হ. কা. ৪)

কৃষ্ণৰ চক্ৰই যুদ্ধত শিশুপালৰ ব্ৰহ্মাবান ছাই ভস্ম কৰা বৰ্ণনাৰ পিছত শংকৰদেৱে অধ্যায়ৰ শেষত লিখিছে—

নমো হৰি পদ                পংকজ যুগল

..............................

ৰূপক অলংকাৰ (ক. হ. কা. ৩৫৩)

'অজামিল উপাখ্যান'ত যমদূতৰ মুখত বিষ্ণু দূতৰ বৰ্ণনা শুনি যম ৰজাই কৰা আচৰণ সম্পৰ্কে এনেদৰে আছে—

কৃষ্ণ পাদ পংকজক মনত স্মৰিল।

ৰূপক অলংকাৰ (অ. উ. ৫৫৭৩)

শেষৰ অধ্যায়ত কৃষ্ণৰ মহিমা বৰ্ণন প্ৰসংগত আছে—

কৃষ্ণ পদপংকজৰ                মধু পিয়ৈ যিটো নৰ

তাৰ মন নপৰে কৰ্মত।

ৰূপক অলংকাৰ (অ. উ. ৫৬৭৫)

কুৰুক্ষেত্ৰ কাব্যৰ কৃষ্ণ বলৰাম আৰু নন্দ-যশোদাৰ মিলনৰ কথা বৰ্ণনা প্ৰসংগত যশোদা প্ৰমুখ্যে গোপী সকলৰ কৃষ্ণক দেখা পোৱাৰ উল্লাস বৰ্ণনাত আছে—

পাইলো প্ৰেম পংকজ নেত্ৰক দৰিশন।।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ৭৬)

তাহান দেখিবো পাদ পংকজ দুতয়।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ৭৭)

যশোদাই কৃষ্ণৰ পূৰ্বৰ কথা স্মৰণ কৰা প্ৰসংগত আছে—

ধ্বজ বজ্ৰ পংকজ খোজতে আছে বান্ধি।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ১১৩)

কৃষ্ণ আহি সকলোৰে আগত উপস্থিত হোৱা প্ৰসংগত আছে—

তৰুণ অৰুণ পংকজৰ পাসি প্ৰায়।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ১২৩)

চৰণ পংকজ দুইক দেখন্তে সন্তোষ।

ৰূপক অলংকাৰ (কু. ক্ষে. কা. ১২৬)

নাৰদৰ বাক্যত কৃষ্ণক পৰম ঈশ্বৰ বুলি জানি বসুদেৱে কৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে—

তযু পাদ পংকজত পশিলো শৰণে।।

ৰূপক অলংকাৰ (কু. ক্ষে. কা. ৪৯৯)

দৈৱকীৰ পুত্ৰ আনয়ন কাহিনী বৰ্ণনাত বলিৰ ৰাজ সভাত ৰামকৃষ্ণ দুয়ো প্ৰৱেশ কৰা প্ৰসংগত এনেদৰে আছে—

নয়ন পংকজ ৰঞ্জে বদন মণ্ডল।

(ভা. দ. স্ক. ৫৩৩)

ইন্দ্ৰ সেনৰ স্তুতি প্ৰসংগত এনেদৰে আছে—

তযু পাদ পংকজ চিন্তিবো সৰ্বথা।

ৰূপক অলংকাৰ (কু. কা. ৫৭৩)

ভক্তি প্ৰদীপত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত চাণ্ডালীনীৰ ভক্তি বৰ্ণনা কৰা প্ৰসংগত আছে—

মোৰ পাদ পংকজক ধৰি হৃদয়ত।

ৰূপক অলংকাৰ (ভ. প্ৰ. ৯৯)

অনাদি পাতনত মঙ্গলাচৰণত এনেদৰে আছে—

কৃষ্ণ পদ পংকজক ধৰি হৃদয়ত।

ৰূপক অলংকাৰ (অ. পা. ৫)

ইয়াৰ পিছত সন্তগুণে কচিকৰ বিষ্ণু ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

নয়ন পংকজ যুগ দেখন্তে সন্তোষ।

ৰূপক অলংকাৰ (অ. পা. ১৩৭)

পদ পংকজত জ্বলৈ ৰত্নৰ নূপুৰ।

ৰূপক অলংকাৰ (অ. পা ১৩৯)

নিমি নৱসিদ্ধ সংবাদত মঙ্গলাচৰণ অধ্যায়ত এনেদৰে আছে—

প্ৰভু পদ পংকজক ধৰি হৃদয়ত।

ৰূপক অলংকাৰ (নি. ন. সি. সং. ৩)

ইয়াৰ পাছতে নাৰদ বসুদেৱৰ সংবাদ প্ৰসংগত আছে—

কৃষ্ণ পদ পংকজক ভজে ব্ৰহ্মা হৰে।

ৰূপক অলংকাৰ (নি. ন. সি. সং. ৮)

উত্তৰাকাণ্ড ৰামায়ণৰ সপ্তম অধ্যায়ত যজ্ঞস্থলীত শ্ৰীৰাম চন্দ্ৰৰ ৰূপ বৰ্ণনাত আছে—

ভ্ৰুৰ সুৱলীত নেত্ৰ পংকজ পৰাই।

উপমা অলংকাৰ (উ. কা. ৰা. ৩৭)

দ্বাত্ৰিংশ অধ্যায়ত ৰামচন্দ্ৰৰ কায়া বিষ্ণুৰ ৰূপত প্ৰৱেশ কৰা বৰ্ণনা প্ৰসংগত আছে—

নয়ন পংকজ পাসি বয়নে ঈষত হাসি

..................................

ৰূপক অলংকাৰ (উ. কা. ৰা. ৮)

.................... ....................

যুৱৈ পাদ পংকজে নূপুৰ।

(উ. কা. ৰা. ১০)

পত্নী প্ৰসাদ নাটৰ দ্বিতীয় ভটিমাত এনেদৰে আছে—

অৰুণ নয়ন দুহো পংকজ পাতা।

..................................

অৰুণ চৰণ দুহো পংকজ কোষ।

লুপ্তোপমা

যৰ পংকজ ধ্বজ অংকুশে শোহে।

নাটৰ শেষত শ্যাম ৰাগ পৰিতালৰ 'গোপাল চলে' শীৰ্ষক গীতত এনেদৰে আছে–

চৰণ পংকজ মণি মঞ্জিৰ বোল।

ৰূপক অলংকাৰ

পাৰিজাত হৰণ নাটত আৰম্ভণিৰ ভটিমাত এনেদৰে আছে–

পদ পংকজ ঝুৰে ৰতন মঞ্জিৰ।

(ৰূপক অলংকাৰ)

******

ৰহু হৃদি পংকজ সেহি মুৰাৰি।

(ৰূপক অলংকাৰ )

নাৰদৰ মুখে ৰুক্মিণীক পাৰিজাত ফুল দিয়া শুনি সত্যভামাৰ শোক প্ৰকাশক কল্যাণ ৰাগৰ জৌতি তালৰ মানিনী মাই' শীৰ্ষক গীতত এনেদৰে আছে–

নয়ন পংকজ ঝুৰে বাৰি।

(ৰূপক অলংকাৰ)

কৃষ্ণই নৰকাসুৰক বধ কৰাৰ পিত বসুমতীয়ে কৃষ্ণক প্ৰণাম কৰি কোৰা প্ৰসংগত আছে–

তোহাৰি চৰণ পংকজে কাতৰ কয় ................

(ৰূপক অলংকাৰ)

গৌৰী ৰাগৰ জৌতি তালৰ 'লীলা গতি যাই' শীৰ্ষক গীতত শ্ৰীকৃষ্ণ সত্যভামা সহ ইন্দ্ৰৰ ওচৰলৈ যোৱা বৰ্ণনাত আছে এনেদৰে–

পদ পংকজ মঞ্জিৰ বোলে

.......................

সত্যভামা শচীৰ বাক যুদ্ধত সত্যভামাই শচীক বিদ্ৰূপ কৰা প্ৰসংগত আছে–

আজু চৰণ পংকজৰজ পৰশি .........

ৰূপক অলংকাৰ

ৰুক্মিণীয়ে সত্যভামাৰ আগত কৃষ্ণৰ মহিমা প্ৰকাশ কৰা প্ৰসংগত বসন্ত ৰাগ পৰিতালৰ 'অতয়ে কৈছে' শীৰ্ষক গীতত এনেদৰে আছে–

ওহি অৰুণ পদ পংকজক ধিয়াই।

ৰূপক অলংকাৰ

শেষত মুক্তি মংগল ভট্টিমাত এনেদৰে আছে–

হৰিকো পদ পংকজ ভজমান।

কালী দমন নাটত গোকুলত অমংগল হোৱা দেখি নন্দ যশোদাই ভয়ত কাতৰ হৈ কৃষ্ণক নিচাৰি গোপ গোপীৰ সৈতে বৃন্দাবনলৈ যোৱা বৰ্ণনা প্ৰসংগত 'গৌৰী ৰাগ পৰিতালৰ যশোৱা আৱে' শীৰ্ষক গীতত এনেদৰে আছে–

ধবজ ব্ৰজ পংকজ দেখিয়ে দহে আসি।

কালি দমনৰ পিছত নাগ পত্নীৰ কৃষ্ণ স্তুতি প্ৰসংগত আছে–

ইটো পাদ পংকজৰ পাইলা ধূলাচয়।

ৰূপক অলংকাৰ

কৃষ্ণই কালী সৰ্পক কালি হ্ৰদ এৰি যাবলৈ নিৰ্দেশ দিয়া প্ৰসঙ্গত আছে—

হামাৰ চৰণক চিহ্ন ঃ ধ্বজ বজ্ৰ পংকজ ঃ তোহাৰি ফনাত লাগি ৰহল ............

কৃষ্ণৰ বনাগ্নি পান প্ৰসংগত গোপগোপী সকলৰ কাৰ্য বৰ্ণনাত এনেদৰে আছে—

নয়ন ভ্ৰমৰে মুখ পংকজক প্ৰেমে পান কৰিয়ে ৰহল ..........

ৰূপক অলংকাৰ ঃ (ক. সূ.)

কৃষ্ণই গোপ গোপী ধেনু সংগে বংশী শংখ বাই গোকুললৈ যাত্ৰা কৰা প্ৰসংগত এনেদৰে আছে—

কৃষ্ণ মুখ পংকজ কটাক্ষে নিৰোখি এ গোকুলে চললি—

ৰূপক অলংকাৰ (ক. সূ.)

ৰুক্মিণী হৰণ নাটৰ আৰম্ভণিৰ ভটিমাত আছে—

পদ পংকজ ৰজ পৰশিনী গঙ্গা

..............................

সিন্ধু ৰাগ এক তালিৰ 'আৰে জগত গুৰু' শীৰ্ষক গীতত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

নয়ন পংকজ ভুজ লম্বিত জানু।

ৰূপক অলংকাৰ

চৰণ পঙ্কজ মহ মঞ্জিৰ বোলে।।

ৰূপক অলংকাৰ

ৰুক্মিণীৰ আগত হৰিদাস ভাটে গোৱা ভটিমাত আছে—

নয়ন পংকজ নৱ পাতা।

মৃদু পদপংকজ বিকাশ।।

ৰুক্মিণীয়ে বেদনিধিক কৃষ্ণৰ ওচৰলৈ পঠিওৱাৰ প্ৰসংগত 'অহিৰ ৰাগ জৌতিমান তালৰ 'কেশৱ এ' শীৰ্ষক গীতত এনেদৰে আছে—

তুৱা পদ পংকজ জীৱন জগবাস।

ৰুক্মিণীৰ স্বয়ম্বৰ সভাত প্ৰৱেশ কৰা কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত গৌৰী ৰাগ একতালি 'মধাই আৱত' শীৰ্ষক গীতত এনেদৰে আছে—

পংকজ বয়ন নয়নে কৰো পান।

তেনেদৰে,

মুখ পংকজ যৈচে নয়নে পান কৰত।

(ক. সূ.)

শ্ৰীকৃষ্ণই ৰুক্মবীৰক বধ কৰিবলৈ উদ্যত হোৱা প্ৰসংগত আছে—

দেৱী ৰুক্মিণী তাহে দেখিয়ে ......... শ্ৰীকৃষ্ণক চৰণ পংকজ ধৰি কাতৰ কৰয় বোলল ....

(ক. সূ.)

ৰুক্মিণী কৃষ্ণৰ মিলনৰ বৰ্ণনা সূচক কল্যাণ ৰাগৰ খৰমান তালৰ 'কৰত বিহাৰ' শীৰ্ষক গীতত এনেদৰে আছে—

ঘন ঘন নয়ন পঙ্কজ মুহ হেৰি

........................

তেনেকৈ কথা সূত্ৰত আছে যে ৰুক্মিণীয়ে

শ্ৰীকৃষ্ণৰ চৰণ পংকজ পৰমানন্দে পৰিচৰ্যা কয়ে সৰ্বথা ৰহল।

(ক. সু.)

নাটৰ শেষত মুক্তি মংগল ভটিমাত এনেদৰে আছে—

পদ পংকজৰহ অজকৰু সেব।।

কেলিগোপাল নাটৰ আৰম্ভণিতে শ্যাম ৰাগ এক তালিৰ শ্যাম মুকতি শীৰ্ষক গোপী কৃষ্ণৰ প্ৰৱেশ গীতত আছে—

নয়ন পংকজ জ্যোতি ঈষত হাসা।

ৰাসক্ৰীড়ালৈ আহিব নোৱাৰা গোপী সকলে গৃহত ধ্যানতেই কৃষ্ণক আলিংগন কৰি প্ৰেমে পুলকিত হোৱা বৰ্ণনা কেদাৰ ৰাগৰ জৌতিমান তালৰ 'হৰিকো গোপিনী' শীৰ্ষক গীতত এনেদৰে আছে—

হৃদি পদপংকজ ধৰয় ঝুৰয় নীৰ

প্ৰেমে পুলক ভেলিকাই।

তেনেদৰে,

বিৰাজিত পাদ পংকজ পৰম ঈশ্বৰ শ্ৰীগোপালক সমীপ পাবন .....

(ক. সু.)

ভকতিত বশ্য পৰমেশ্বৰ কৃষ্ণৰ গুণানুকীৰ্তন প্ৰসংগত আছে—

যাকেৰি পদপংকজ সদায়ে সেৱত .........

(ক. সু.)

কৃষ্ণ অন্তৰ্দ্ধান হোৱাত গোপীসৱে কৃষ্ণক বিচাৰি চলাথ কৰা বৰ্ণনা গান্ধাৰ ৰাগ এক তালিৰ 'ওৰে সখি পেখো' শীৰ্ষক গীতত এনেদৰে আছে—

ধ্বজ বজ্ৰ পংকজ খোজ হেৰলোৰে

............................

গোপী সবৰ বিৰহ প্ৰকাশক আশোৱাৰী ৰাগ একতালিৰ 'গোপিনী কৈছে' শীৰ্ষক গীতটিত আছে এনেদৰে—

তুৱা পদ পংকজ জীৱন আধাৰ।

(ৰূপক অলংকাৰ)

গোপীসৱে অন্তৰ্যামী কৃষ্ণৰ ৰূপ চিন্তা কৰি কৈছে—

সোহি পদ পংকজ হামাৰ তন উপৰে অৰ্পহ নাথ .............

গোপী কৃষ্ণৰ ৰাসলীলা প্ৰকাশক গৌৰী ৰাগ জৌতি তালৰ 'কৰত সুৰত কেলি' গীতত গোপী কৃষ্ণৰ লীলা বৰ্ণনাত এনেদৰে আছে—

হৰি কাহ্নু কৰ পংকজ জল মাজে।।

গোপী কৃষ্ণৰ জলকেলি সমাপনৰ পিচত এনেদৰে আছে—

কাহ্ন কৃষ্ণ মুখ পংকজ নয়ন ভৃংগ ভৰি পিৱত ......

(ক. সু.)

ৰাম বিজয় নাটত আৰম্ভণিৰ ভটিমাত এনেদৰে আছে—

হৃদি পংকজে ধৰ ভাই।

সিনন্ধুৰা ৰাগ একতালিৰ 'ভেলি পৰবেশ' শীৰ্ষক গীতত শ্ৰীৰাম ৰূপ বৰ্ণনা প্ৰসংগতত আছে—

পংকজ নয়ন বয়ন মন্দ হাস।

(ৰূপক অলংকাৰ)

তেনেদৰে সোহাই ৰাগ একতালিৰ 'আৰে জনক সূতা' গীতত সীতাৰ ৰূপ বৰ্ণনাত আছে—

পাদ পংকজ মণি মঞ্জিৰ বোল।

(ৰূপক অলংকাৰ)

ঋষি বিশ্বামিত্ৰই ৰাম চন্দ্ৰৰ আগত সীতাৰ ৰূপ বৰ্ণনা কৰা প্ৰসংগত আছে—

পদপংকজ নব পল্লৱ পান্তি।

(ৰূপক অলংকাৰ)

কনকাৱতীয়ে সীতাৰ আগত ৰাম চন্দ্ৰৰ ৰূপ বৰ্ণনা কৰা চপয়ত আছে—

নয়ন পংকজ নব পাতা।

ধ্বজ যব পংকজ কান্তি।।

সীতা স্বয়ম্বৰ সভালৈ অহা বৰ্ণনাত আছে—

..... সুবৰ্ণ পংকজ মালা হাতে দি এ কাহু সখী সব সহিত .......

(ক. সু.)

"ঈশ্বৰৰ ওচৰত সৰ্বতোভাৱে আত্মসমৰ্পণ কৰিব লাগিলে মন বুদ্ধি আদি সকলো ইন্দ্ৰিয় বৃত্তিবোৰৰ ভিতৰেদি কুসুম সুৰভিত হৰি নামৰ প্ৰবাহহে চলিব লাগে। ........... ভক্তই যেতিয়াই প্ৰভুৰ পাদ মূলত আশ্ৰয় পাবৰ যোগ্য হয় নে নহয় বুলি নিজৰ ওপৰত অন্তৰ্দৃষ্টি স্থাপন কৰে তেতিয়াও একান্ত ভক্তৰ মনত সংশয়বহে উদ্ৰেক হয়। কাণ, চকু, জিভা, মন আদি ইন্দ্ৰিয় বৃত্তিবোৰেও ঈশ্বৰৰ গৌৰৱ ধ্যান অৱহেলা কৰি নিজ নিজ স্বভাৱত চলা যেন ভাৱ ইন্দ্ৰিয় সকলৰ প্ৰতি ভৰ্ৎসনাত উদ্দীপিত হৈ উঠে।"[৯]

তেনে ভাৱ প্ৰকাশক ধনশ্ৰী ৰাগ পৰিতালৰ 'পামৰু মন' শীৰ্ষক বৰগীতটিত আছে—

অৱনিশি সেৱতু ৰাম পৰম পহু

বহু হৃদি পংকজ সেৰা।

(ৰূপক অলংকাৰ)

গৌৰী ৰাগ বিষম তালৰ 'ওৰে সখি' শীৰ্ষক কৃষ্ণৰ নন্দ কুমাৰ ৰূপ প্ৰকাশক এটি গীতত আছে এনেদৰে—

পদ পংকজ মঞ্জিৰ ঝুৰে

...............................

(ৰূপক অলংকাৰ)

মাহুৰ ধনশ্ৰী ৰাগ পৰিতালৰ 'গোপিনী প্ৰাণ' শীৰ্ষক এটি গীতত বিৰহাকুল গোপীৰ মনোভাৱ বৰ্ণনাত আছে এনেদৰে—

মুখ পংকজ মধু পানা।

(ৰূপক অলংকাৰ)

ধনশ্ৰী ৰাগ পৰিতালৰ 'দেখো সখি' শীৰ্ষক কৃষ্ণৰ ৰূপ বৰ্ণনা সূচক এটি গীতত এনেদৰে আছে—

পদ পংকজ মঞ্জিৰ ৰোলে।

(ৰূপক অলংকাৰ)

তেনেকৈ, আশোৱাৰী ৰাগৰ পৰিতালৰ 'আনন্দে গোবিন্দে' শীৰ্ষক গীতত এনেদৰে আছে–

বাম কাযে শিংগাবেত অৰুণ পংকজ নেত্ৰ

.......................................

(ৰূপক অলংকাৰ)

তোৰ বসন্ত ৰাগৰ জৌতি তালৰ 'কহৰে উদ্ধৱ' শীৰ্ষক গীতত উদ্ধৱৰ আগত গোপী সবৰ কৃষ্ণ বিৰহ দুখ প্ৰকাশ প্ৰসংগত আছে–

ধ্বজা বজ্ৰ যব পংকজা চাই।

তেনেদৰে ধনশ্ৰী ৰাগ পৰিতালৰ 'ৰাম মেৰি' শীৰ্ষক এটি গভীৰ ভক্তিভাৱ প্ৰকাশ গীতত এনেদৰে আছে–

ৰাম মেৰি হৃদয় পংকজে বৈছে।

ধনশ্ৰী ৰাগ একতালিৰ 'মাই মাধৱ বিৰহ' শীৰ্ষক গোপী বিৰহৰ অন্য এটি গীতত এনেদৰে আছে–

পংকজ পাত অহিত হিম বাৰি।

**পদ্ম ঃ**

শংকৰদেৱৰ সাহিত্যত পদ্ম শব্দৰ প্ৰত্যক্ষ প্ৰয়োগ হোৱাৰ উপৰিও দেখা যায় যে কৃষ্ণৰ ৰূপৰ বৰ্ণনাত শংকৰদেৱৰ প্ৰিয় উপমান হৈছে পদ্ম। কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণন অধ্যায়ত গ্ৰাহ গজেন্দ্ৰৰ যুদ্ধৰ সময়ত গজেন্দ্ৰই ত্ৰাণকৰ্তা বিষ্ণুক স্তুতি কৰা প্ৰসংগত আছে–

শুণ্ডে মেৰাই পদ্ম গোট ওপৰক তুলি।

(কী. গ. উ. ২৬)

এনে উক্তি গজেন্দ্ৰ উপাখ্যানতো আছে।

(কী. গ. উ. ৩৩)

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ত বৈকুণ্ঠৰ বৰ্ণনা প্ৰসংগত আছে–

সুগন্ধি পদ্ম শোভে উতপল।

(কী. ধ্যা. ব. ২)

বৈকুণ্ঠপতি কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে–

চৰণ পদ্ম দেখি সুখী হই।

(কী. ধ্যা. ব. ১১)

অংকুশ পদ্ম ধ্বজ বজ্ৰ যব।

(কী. ধ্যা. ব. ১২)

অজামিলোপাখ্যানত বিষ্ণু দূতৰ ৰূপ বৰ্ণনাত এনেদৰে আছে–

পদ্মপত্ৰ সম আয়ত লোচন।

উপমা অলংকাৰ, (কী. অ. উ. ৫)

একে প্ৰসংগতে অজামিল উপাখ্যান কাব্যতো এনেদৰে আছে। (অ. উ. ৫৩৭৪)

চাৰিৰো আজানু লাম্বিত পদ্মৰ
মালা শোভা কৰে গলে।

(অ. উ. ৫৩৭৪)

শংখ চক্র গদা পদ্ম শাৰ্ংগ ধনু

..............................

.................... ....................

পাৰ নৱ পদ্ম কোষ।

উপমা অলংকাৰ, (কী. অ. উ. ৭)

তেনেকৈ কৃষ্ণৰ মাহাত্ম্য বৰ্ণনা প্ৰসংগত আছে--

যিজনাৰ মনে হৃদয় পদ্মত

নিচিন্তে কৃষ্ণ চৰণ।

ৰূপক অলংকাৰ, (কী. অ. উ. ২৩)

প্ৰহ্লাদ চৰিত্ৰত বৈকুণ্ঠৰ সপ্তম দ্বাৰৰ দুৱৰী জয় বিজয়ৰ ৰূপ বৰ্ণনাত আছে--

পদ্মনেত্ৰ বদন মণ্ডলে।

ৰূপক অলংকাৰ, (কী. প্ৰ. চ. ১৯)

এই অধ্যায়তে চাৰি সিদ্ধই দেখা পোৱা বিষ্ণুৰ মূৰ্ত্তি বৰ্ণনা প্ৰসংগত আছে—

ফুৰন্ত পদ্ম আউৰ হাতে লই।।

(কী. প্ৰ. চ. ৩৬)

এই অধ্যায়ৰে চতুৰ্থ কীৰ্তনৰ ঘোষাত আছে—

পদ্ম পাণি জীৱ মোহন ৰাম।

ৰূপক অলংকাৰ (কী. প্ৰ. চ. ঘো. ৪)

হিৰণ্য কশিপুৰ বধৰ পিচত নৃসিংহ ৰূপী ভগৱন্তই প্ৰহ্লাদক আৰ্শীবাদ দিয়া প্ৰসংগত আছে—

হস্ত পদ্মোতাৰ পৰশিলা শিৰ

..............................

ৰূপক অলংকাৰ (কী. প্ৰ. চ. ২২৪)

এই প্ৰসংগতে প্ৰহ্লাদে নৃসিংহ ৰূপী কৃষ্ণক স্তুতি কৰা বৰ্ণনাত এনেদৰে আছে--

তযু হস্ত পদ্ম শিৰে দিলা মোৰ

ৰূপক অলংকাৰ (কী. প্ৰ. চ. ২২৯)

গজেন্দ্ৰ উপাখ্যান অধ্যায়ত ত্ৰিকুট পৰ্বতৰ সৰোবৰৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত আছে—

পদ্ম গন্ধে পাইল জলৰ তীৰি।

(কী. গ. উ. ১৭)

পদ্মৰ ধূলয়ে সুগন্ধিত জল।

(কী. গ. উ. ১৮)

উক্ত অধ্যায়ৰ শেষত জীৱনৰ অনিত্য স্বৰূপ বৰ্ণনাত এনেদৰে আছে--

পদ্মৰ পত্ৰৰ যেন জল নুহি থিৰ।।

উপমা অলংকাৰ, (কী. গ. উ. ৩৮)

একেই প্ৰসংগতে এই উক্তি বহু ঠাইত ব্যৱহৃত হৈছে। (ভা. প্ৰ. স্ক. ১৫৬, ভা. দ. স্ক. ১০৬৮, ১১০৭৭, অ. উ. ৫৪০৭)।

হৰমোহন অধ্যায়ত শিৱৰ কৃষ্ণ স্তুতি প্ৰসংগত আছে—

হৃদয়ত পাদ-পদ্ম থাকোক সৰ্বথা।।

ৰূপক অলংকাৰ (কী. হ. মো. ১৩)

এই অধ্যায়তে দিব্য কন্যাৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে—

মুখচন্দ্ৰ সম শোভে পদ্মৰ সুৰভি লোভে
বেঢ়ি মধুকৰে কৰে ৰোল।

ভ্ৰান্তিমান অলংকাৰ (কী. হ. মো. ৩৩)

শিশু লীলা অধ্যায়ত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে—

শংখ চক্ৰ গদা পদ্ম কৰত তোমাৰ।

(কী. শি. লী. ১)

চৰণ কমল যেন নৱ পদ্মকোষ।

উপমা অলংকাৰ (কী. শি. লী. ৩)

শংখ চক্ৰ গদা পদ্ম ধৰি।

(কী. শি. লী. ৯৫)

******

মাধৱৰ পাদপদ্ম দুই।

ৰূপক অলংকাৰ (কী. শি. লী. ৯৫)

দুখানি পাৱ নৱ পদ্মকোষ।

ৰূপক অলংকাৰ (কী. শি. লী. ১২৮)

ৰাস ক্ৰীড়া অধ্যায়ত শৰত কালৰ বিতোপন ৰাতি বৰ্ণনা প্ৰসংগত আছে—

কুমকুমে অৰুণ লক্ষ্মী মুখ পদ্ম সৰি।

(কী. ৰা. ক্ৰী. ২)

একেই প্ৰসংগতে ভাগৱতৰ ৰাস ক্ৰীড়াতো এনে উক্তি আছে। (ভা. দ. স্ক. ১২৮৬১)

পদ্মগাদী ৰাতে অতি শীতল।

(কী. ৰা. ক্ৰী. ৩৬)

শৰত কালৰ বিকশ পদ্মৰ
..........................

(কী. ৰা. ক্ৰী. ৮৫)

একেই প্ৰসংগতে ভাগৱতৰ দশম স্কন্ধতো এনেদৰে আছে। (ভা. দ. স্ক. ১২০৪৩)

গোপীসবৰ দৰ্পচূৰ্ণ কৰিবৰ বাবে কৃষ্ণ অন্তৰ্দ্ধান হোৱাত গোপীসৱে কৃষ্ণগুণ গাই কৃষ্ণক বিচাৰি ব্যাকুল হোৱা প্ৰসংগত আছে—

হেন হস্তপদ্ম আনি প্ৰাণনাথ
..............................

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ৮৮)

একেই প্ৰসংগতে ভাগৱতৰ দশম স্কন্ধতো এনেদৰে আছে। (ভা. দ. স্ক. ১২০৪৬)

কামক মৰ্দিয়া হেন পাদ পদ্ম
অৰ্পিয়ো আমাৰ স্তনে।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ৮৯)

একেই প্ৰসংগতে ভাগৱতৰ দশম স্কন্ধতো এনেদৰে আছে। (ভা. দ. স্ক. ১২০৪৭)

জোনো পাদ পদ্মে তৃণ শিলা লাগি

প্ৰাণনাথ পান্ত দুঃখ।।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ৯২)

একেই প্ৰসংগতে ভাগৱতৰ দশম স্কন্ধতো এনেদৰে আছে। (ভা. দ. স্ক. ১২০৫০)

তেনেদৰে নৱম কীৰ্তনৰ ঘোষাত আছে—

পদ্মপাণি হামি কাহে যাওঁ।

(কী. ৰা. ক্ৰী. ঘোষা. ৯)

গোপসকলৰ ব্যাকুল অৱস্থা বৰ্ণনাত আছে—

ভকত কামদ পাদপদ্ম মনোৰম।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ৯৫)

হে প্ৰভু তযু পাদ-পদ্ম সুকুমাৰ।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ১০৩)

কৃষ্ণই গোপীসকলৰ আগত পুনৰ দেখা দিয়া বৰ্ণনা প্ৰসংগত আছে—

গলত পদ্মৰ মালা দেখন্তে তৃপিতি।

(কী. ৰা. ক্ৰী. ১০৭)

ত্ৰয়োদশ কীৰ্তনৰ ঘোষাত এনেদৰে আছে—

পদ্মপাণি গোপী ৰঞ্জন ............

(কী. ৰা. ক্ৰী. ঘো. ১৩)

কৃষ্ণ আৰু গোপীৰ জল ক্ৰীড়া বৰ্ণনাত আছে—

দেখি হস্ত পদ্মে হৰি আপুনি।।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ১৫২)

বদন পদ্ম চায়া এক দৃষ্টি।

ৰূপক অলংকাৰ (কী. ৰা. ক্ৰী. ১৫৬)

কংস বধ অধ্যায়ত ৰাম কৃষ্ণ মথুৰাত প্ৰৱেশ কৰোতে নাৰীসকলে তেওঁলোকক চাই থকা বৰ্ণনাত আছে—

সুপ্ৰীতি প্ৰফুল্ল মুখ পদ্ম যত নাৰী।।

(কী. ক. ব. ৩১৪)

গোপী উদ্ধৱ সংবাদ অধ্যায়ত গোপীসকলে উদ্ধৱক দেখা পোৱা প্ৰসংগত উদ্ধৱৰ ৰূপ বৰ্ণনাত আছে—

নৱ পদ্ম যেন জ্বলে লোচন।

উপমা অলংকাৰ (কী. গো. উ. সং. ৯)

পদ্মসম শোভে মুখ মণ্ডল।

******

গলত জ্বলে নৱ পদ্মমালা।।

উপমা অলংকাৰ (কী. গো. উ. সং. ১০)

কাল যবন বধ অধ্যায়ত কাল যবনে মাধৱৰ সুন্দৰ বেশ দৰ্শন কৰা প্ৰসংগত এনেদৰে আছে—

নৱপদ্ম সম আয়ত অৰুণ

..............................

উপমা অলংকাৰ (কী. গো. উ. সং. ৬১)

মুচুকুন্দ স্তুতি অধ্যায়ত মুচুকুন্দৰ শ্ৰীকৃষ্ণৰ ৰূপ দৰ্শন প্ৰসংগত এনেদৰে আছে—

পদ্মসম শোভে মুখমণ্ডল।

উপমা অলংকাৰ (কী. মু. স্তু. ৭৭)

মুচুকুন্দ ৰজাই কৃষ্ণৰ পৰিচয় বিচৰা প্ৰসংগত আছে—

পদ্ম পত্ৰ সম ভৰি।
কণ্টকত যেন কৰি।।

উপমা অলংকাৰ (কী. মু. স্তু. ৮৩)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ৰ প্ৰথম কীৰ্তনৰ ঘোষাত নাৰায়ণৰ বন্দনা কৰিছে এনেদৰে—

মাধৱ পদ্মনাভ ভগৱন্ত।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ঘো. ১)

এই অধ্যায়তে কৃষ্ণৰ ৰূপ বৰ্ণন প্ৰসংগত এনেদৰে আছে—

পদ্মক নিন্দে নয়ন কান্তি।

ব্যতিৰেক অলংকাৰ (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৮৮)

কৃষ্ণ বিয়োগৰ বিষাদ দগ্ধ অৰ্জুনৰ অৱস্থা বৰ্ণনাত এনেদৰে আছে—

কৃষ্ণ পাদপদ্মে নছাড়ে মাতি।।

ৰূপক অলংকাৰ, (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১৬৯)

উদ্ধৱে বিদুৰৰ আগত কৃষ্ণ গুণ গোৱা প্ৰসংগত আছে—

কৃষ্ণ মুখ পদ্মক কৰন্তে নেত্ৰে পান।।

ৰূপক অলংকাৰ, (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ২০০)

নুপূৰে ৰঞ্জে পাদপদ্ম কোষ।

ৰূপক অলংকাৰ (কী. কৃ. বৈ. প্ৰ. ২২২)

উৰেষা বৰ্ণন অধ্যায়ৰ প্ৰথম কীৰ্তনত মলয় দেশৰ অৱন্তীপুৰীৰ ৰজা ইন্দ্ৰদ্যুম্নই বিষ্ণুক কেনেদৰে আৰাধনা কৰিব সেই কথা চিন্তা কৰা প্ৰসংগত আছে—

শঙ্খ চক্ৰ গদা পদ্ম যাৰ চাৰি কৰে।

******

পদ্ম পত্ৰ সম চাৰু লোচন আয়ত।

(কী. উ. ব. ৯)

পঞ্চম কীৰ্তনত নাৰীসকলৰ বৰ্ণনা প্ৰসংগত আছে—

আয়ত লোচন পদ্মৰ পাসি।

লুপ্তোপমা অলংকাৰ (কী. উ. ব. ৫২)

দশম কীৰ্তনত বিষ্ণুৱে অষ্টভুজ ৰূপে ৰজা ইন্দ্ৰদ্যুম্নক দেখা দিয়াৰ প্ৰসংগত আছে—

নূপুৰে বজিয়া আছে পাদপদ্ম দুই।

ৰূপক অলংকাৰ (কী. উ. ব. ১২৩)

দ্বাদশ কীৰ্তনত বিশ্বকৰ্মাই বিষ্ণু প্ৰতিমা নিৰ্মাণ কৰা প্ৰসংগত আছে--

পদ্মসম লোচন শ্ৰীবৎস বক্ষ স্থালে।।

উপমা অলংকাৰ (কী. উ. ব. ১৩৭)

অষ্টাদশ কীৰ্তনত কৃষ্ণ স্তুতি বিধি প্ৰসংগত আছে--

জয় পদ্ম পত্ৰ সদৃশ লোচন

............................

উপমা অলংকাৰ (কী. উ. ব. ১৮৪)

ভূষণে ভূষিত গলে বনমালা

পদ্ম পত্ৰ সম আখি।

উপমা অলংকাৰ (কী. উ. ব. ১৮৭)

ভাগৱতৰ প্ৰথম স্কন্ধত অভিমন্যু পত্নী উত্তৰাৰ পুত্ৰই জন্ম গ্ৰহণ কৰিয়েই শ্ৰীকৃষ্ণৰ ৰূপ দৰ্শন কৰা প্ৰসংগত আছে--

শঙ্খ চক্ৰ গদা পদ্ম আছে চাৰি হাতে।

(ভা. প্ৰ. স্ক. ১০৮)

উপদেশ প্ৰসংগত আছে এনেদৰে--

আৰ অৰ্থে নেৰিবা কৃষ্ণৰ পাদ পদ্ম।

ৰূপক অলংকাৰ, (ভা. প্ৰ. স্ক. ১৫৫)

ভীষ্মই মোক্ষ লাভ কৰা প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে-

ঘৰ্ম বিন্দু লাগি লৰন্তে চৰন্তে

মুখপদ্ম কৰে কান্তি।

ৰূপক অলংকাৰ (ভা. প্ৰ. স্ক. ১৬০)

তোমাৰ বদন পদ্ম দেখিয়া

পাসৰে সংসাৰ দুখ।

ৰূপক অলংকাৰ (ভা. প্ৰ. স্ক. ১৬৬)

পৃথিবী আৰু ধৰ্মৰ কথোপ কথন প্ৰসংগত আছে--

পদ্ম যব বজ্ৰ ধ্বজে অংকুশ অংকিত খোজে

....................................

(ভা. প্ৰ. স্ক. ২৫১)

ৰজা পৰীক্ষিতৰ কাহিনী বৰ্ণনা প্ৰসংগত ৰজাই মৃগয়া কৰিবলৈ গৈ ধ্যানস্থ শমীক ঋষিক দেখা প্ৰসংগত আছে--

দেখন্তে শমীক ঋষি পদ্মাসন কৰি।

(ভা. প্ৰ. স্ক. ৩৩২)

দ্বিতীয় স্কন্ধৰ প্ৰাৰম্ভতে কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন প্ৰসংগত আছে--

কৃষ্ণৰেসে পাদ পদ্ম স্মৰিবে মনত।

ৰূপক অলংকাৰ (ভা. দ্বি. স্ক. ৪২৯)

সৃষ্টিৰ বৰ্ণনাৰ আৰম্ভণিতে মংগলাচৰণ প্ৰসংগত বিশ্বামিত্ৰ, পৰাশৰ আদি মুণিগণৰো চিত্ত চাঞ্চল্য ঘটা বৰ্ণনা প্ৰসংগত আছে—

কামিনী জনৰ মুখপদ্ম সুললিত।
দেখি তাৰাসবো ভৈল কামে বিমোহিত।।

ৰূপক অলংকাৰ (ভা. দ্বি. স্ক. ৪৬২)

নাৰায়ণৰ নাভি কমলত ব্ৰহ্মাৰ জন্ম বৰ্ণনা প্ৰসংগত আছে—

পদ্মত উপজি ব্ৰহ্মা তাতে বসি চয়।
******
পদ্মৰ তন্তুত বজাই ভিতৰ পশিলা।।

(ভা. দ্বি. স্ক. ৩১৭)

******
পদ্মৰ চকাত আসি বসিলা দুনাই।

(ভা. দ্বি. স্ক. ৬১৮)

ব্ৰহ্মাৰ বৈকুণ্ঠ দৰ্শন প্ৰসংগত কৃষ্ণ ৰূপ বৰ্ণনাত এনেদৰে আছে—

ধ্বজ বজ্ৰ পদ্ম যৱ অংকুশে অংকিত।।

(ভা. দ্বি. স্ক. ৬৩৭)

হেন পাদপদ্ম বিধি প্ৰেমে আছে চাই।।

ৰূপক অলংকাৰ (ভা. দ্বি. স্ক. ৬৪২)

কংসৰ কাৰাগাৰত দৈৱকীৰ গৰ্ভত বিষ্ণুৱে স্থিতি লোৱা বুলি জানি ব্ৰহ্মা আৰু হৰই ত্ৰিদশ দেৱতা সহ কৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে—

আপুনি ভকত তৰে ই বৈকুণ্ঠত গৈল এৰি
তযু পাদপদ্ম নৌকা দুই।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১০৭১৪)

কংসৰ কাৰাগাৰত কৃষ্ণৰ জন্ম বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পাদপদ্ম দুখানিক দেখন্তে তৃপিতি।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১০৭২৭)

ইয়াৰ পিচতে বসুদেৱ-দৈৱকীৰ কৃষ্ণ স্তুতি প্ৰসংগত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম ঢাকা নাৰায়ণ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১০৭৪১)

পুতনা বধ প্ৰসংগত পুতনাৰ দিব্য নাৰী ৰূপ বৰ্ণনাত আছে—

হাতত ফুৰাৱে পদ্ম বসন সহিত।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১০৮২২)

চক্ৰবাত অসুৰে কৃষ্ণক লৈ যোৱা বৰ্ণনা প্ৰসংগত জীৱনৰ ক্ষণস্থায়ীক তুলনা কৰা হৈছে এনেদৰে-

জীৱন চঞ্চল পদ্মপত্ৰ জল।

উপমা অলংকাৰ (ভা. দ. স্ক. ১০৮৬৮)

উপদেশ প্ৰসংগত শংকৰদেৱে সংসাৰ নদী পাৰ হোৱা উপায় দিয়া প্ৰসংগত আছে—

মাধৱৰ পাদপদ্ম নৌকা কৰি সাৰ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১০৯৮৯)

গোপ বালকৰসৈতে কৃষ্ণৰ বনভোজন বৰ্ণনাত যমুনাৰ প্ৰসংগত এনেদৰে আছে—

পদ্মগন্ধে ভ্ৰমৰক কৰয় আহ্বান।

(ভা. দ. স্ক. ১১০৪৪)

বেঢ়ি বেঢ়ি পদ্মক গুঞ্জৰৈ হুয়া মত্ত।

(ভা. দ. স্ক. ১১০৪৫)

এই প্ৰসংগতে গোপ শিশু সকলে কৃষ্ণক চাৰিও ফালে বেঢ়ি লৈ ভোজন কৰিবলৈ বহা দৃশ্যৰ অনুপম বৰ্ণনা প্ৰসংগত আছে—

পদ্মৰ চকাক যেন পত্ৰে আছে বেঢ়ি।
পদ্মৰ কণিকা ভৈল নন্দৰ তনয়।
গোপ শিশু গণ পদ্ম পত্ৰৰ আন্বয়।।

উপমা অলংকাৰ (ভা. দ. স্ক. ১১০৪৮)

ব্ৰহ্মাৰ কৃষ্ণ মহিমা দৰ্শন বৰ্ণনাৰ পিচৰ উপদেশত এনেদৰে আছে—

কৃষ্ণৰ কৃপাত পাছে অৰ্দ্ধেক বয়স গৈলে
পাইলা ব্ৰহ্মা পদ্ম কল্পত।

(ভা. দ. স্ক. ১১০৭৬)

ব্ৰহ্মাই কৃষ্ণৰ মহিমা চাবলৈ সমস্ত গোৎস হৰণ কৰাত কৃষ্ণই নিজে সকলোৰে ৰূপ ধৰি কিছুদিন থকাৰ পিচত এদিন ব্ৰহ্মাৰ আগত সকালোবোৰে চতুৰ্ভুজ ৰূপত প্ৰকাশ হোৱা বৰ্ণনাত আছে—

শংখ চক্ৰ গদা পদ্ম সবাবো হাতত।

(ভা. দ. স্ক. ১১১০৮)

এই প্ৰসংগতে ব্ৰহ্মাই কৃষ্ণৰ চৰণত সেৱা কৰি স্তুতি কৰা বৰ্ণনাত আছে—

তিয়াইলন্ত দুয়ো পাদপদ্ম গেবিন্দৰ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১১২৮)

বিশেষত শুনা স্বামী তযু নিজ ভৃত্য আমি
নাভি পদ্মে হয়ো আছো জাত।

(ভা. দ. স্ক. ১১১৪৬)

******

তাৰে সংসাৰত মৰৈ যাৰে নৰে নতু কৰৈ
তযু পাদ পদ্মত ভকতি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১১৫০)

ধেনুকাসুৰ বধ কৰি সংগী সৰৰ সৈতে ঘৰলৈ উভটি যোৱা কৃষ্ণৰ প্ৰতি ব্ৰজ গোপী সকলৰ প্ৰেম ভক্তিৰ বৰ্ণনা দিয়া প্ৰসংগত আছে—

গোবিন্দৰ মুখপদ্ম মধু দেখি জীয়ে।

(ভা. দ. স্ক. ১১২০৯)

শ্ৰীকৃষ্ণই কালী সৰ্পক দমন কৰিবৰ উদ্দেশ্যে কালী হ্ৰদত জাপ দিয়াত কালীয়ে ক্ৰোধত বীৰদৰ্পে খেদি আহি কৃষ্ণৰ ৰূপ দেখি স্তম্ভিত হোৱা বৰ্ণনা প্ৰসংগত আছে—

আৰুণ লোচন চাৰু নৱ পদ্মকোষ।

উপমা অলংকাৰ (ভা. দ. স্ক. ১১২৪৩)

কৃষ্ণক কালী সৰ্পৰ বান্ধোনত মৃতপ্ৰায় অৱস্থাত দেখি নন্দ যশোদা, ব্ৰজাসী, গোপ আদি সকলোৱে ক্ৰন্দন কৰা অৱস্থা বৰ্ণনাত এনেদৰে আছে—

কৃষ্ণৰ বদন পদ্ম নয়নে নিৰেখি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১২৬৪)

কালী দমন প্ৰসংগত কৃষ্ণই পোৱা আঘাতৰ বৰ্ণান এনেদৰে আছে—

তাৰো শিৰোৰত্ন লাগি অতি ৰংগা

ভৈলা পাদ পদ্ম দুই।

(ভা. দ. স্ক. ১১২৮৩)

কৃষ্ণ বলোৰাম আৰু গোপ বালকসকলৰ খেলা আৰু প্ৰলম্বাসুৰ বধ প্ৰসংগত বৃন্দাবনৰ সৌন্দৰ্য বৰ্ণনাত এনেদৰে আছে—

লগতে উৎপল পদ্মৰেণু আসৈ উৰি।

(ভা. দ. স্ক. ১১৩৫৭)

বৃন্দাবনত নটবৰ কৃষ্ণৰ ৰূপ গোপীসৱে বৰ্ণনা কৰা প্ৰসংগত আছে

হেন মুখপদ্মক প্ৰভুৰ যিটো দেখি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৪৯৮)

কৃষ্ণৰ বস্ত্ৰ হৰণ লীলা প্ৰসংগত এনেদৰে আছে—

কৃষ্ণ পাদপদ্ম হৃদয়ে ধৰিয়া

ব্ৰজত ভৈলা প্ৰৱেশ।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৫৬৮)

শ্ৰীকৃষ্ণই গোবৰ্দ্ধন পৰ্বত ধাৰণ কৰি গোকুলবাসীক বৰষুণৰ পৰা ৰক্ষা কৰা বৰ্ণনা প্ৰসংগত আছে—

দুই পাদপদ্মে প্ৰভু পৃথিৱীক ডিৰি।

(ভা. দ. স্ক. ১১৭২৬)

এই প্ৰসংগতে কৃষ্ণৰ ৰূপ বৰ্ণনাত আছে—

ইষৎ হসিত মুখ শ্যাম পদ্ম কোষ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৭২৭)

দুখানি চৰণ যেন নৱ পদ্ম কোষ।

উপমা অলংকাৰ (ভা. দ. স্ক. ১১৭৩২)

নন্দ আৰু গোপসকলে কৃষ্ণ মহিমা আলোচনা কৰা প্ৰসংগত আছে—

যেন পদ্ম পুষ্প প্ৰমত্ত মাতংগে

কৌতুকত থাকৈ ধৰি।।

(ভা. দ. স্ক. ১১৭৬৫)

কৃষ্ণৰ বংশীনাদ শুনি কামে বিমোহিত হৈ গোপীসকলে স্বামী-পুত্ৰ এৰি কৃষ্ণৰ ওচৰলৈ অহাৰ বাবে

কৃষ্ণই তেওঁলোকক গৃহলৈ উভতি যাবলৈ কোৱাত গোপীসকলে কৰা স্তুতি প্ৰসংগত এনেদৰে আছে—

শিৰত তনাত নাথ হস্ত পদ্ম দিয়া আনি

.................................

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৯১৫)

বৃন্দাবনত গোপীসৰব সৈতে অপৰ্যন্ত ক্ৰীড়া কৰাৰ অন্তত সকলো যমুনাৰ বালিলৈ যোৱাৰ প্ৰসংগত এনেদৰে আছে—

পদ্মৰ সুৰভি যাতে আতি সুশীতল।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১৯৩৩)

গোপীসকলৰ দৰ্পচূৰ্ণ কৰিবলৈ গৈ কৃষ্ণ হঠাতে অন্তৰ্দ্ধান হোৱাত গোপীসকলে বিৰহত আতুৰ হৈ কৃষ্ণক বিচাৰি জড় বস্তুকো কৃষ্ণৰ বতৰা সোধা প্ৰসংগত আছে—

প্ৰিয়াৰ কান্ধত হাত থৈয়া আউৰ
হাতে পদ্মগোট ধৰি।

(ভা. দ. স্ক. ১১৯৭৩)

যিটো পাদপদ্ম ব্ৰহ্মায়ো অৰ্চন্ত
স্মৰণে বিপদে হৰৈ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২০৫১)

গোপীসকলৰ ভক্তিত তুষ্ট হৈ কৃষ্ণ পুনৰ আবিৰ্ভাৱ হোৱা প্ৰসংগত কৃষ্ণৰ কথা বৰ্ণনাত এনেদৰে আছে—

আতি প্ৰকাশিত পদ্মনাভি সৰোবৰ।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৬৮ )

পাদপদ্ম দুখানিক দেখি মনোহৰ।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৬৯ )

কৃষ্ণই গোপীসৰব সৈতে পুনৰ আনন্দত মগ্ন হোৱা প্ৰসংগত যমুনাৰ বৰ্ণনাত আছে—

পদ্মবনে জলচৰ পক্ষীৰ আৱাৰে।।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২০৮৬)

ৰাসক্ৰীড়াত কৃষ্ণই গোপীসকলক আলিংগন কৰা বৰ্ণনাত আছে—

হৃদয় পদ্মত যাকৈ চিন্তে যোগীজন।

ৰূপক অলংকাৰ/(ভা. দ. স্ক. ১২১৪২)

দেখি হস্তপদ্মে অতি গোপালে আপুনি।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২১৫৪)

ৰাসলীলা বৰ্ণনাৰ শেষত উপদেশত কৃষ্ণত ভক্তিত মহিমা প্ৰসংগত এইদৰে আছে—

যাৰ পদপদ্ম হৃদয়ত চিন্তি
মুখে গুণনাম ধৰৈ।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১২১৯০)

কংসৰ আদেশত অক্ৰুৰে ৰাম-কৃষ্ণক মথুৰালৈ লৈ যাবলৈ বুলি ব্ৰজ অভিমুখে যাওনা হোৱাৰ পাছত মনতে কৃষ্ণ কথা চিন্তা কৰা প্ৰসংগত এনেদৰে আছে—

সিটো হস্তপদ্ম আনি উছৰ্গিয়া দিয়া পানী
পাইলা বলি ত্ৰৈলোক্য সম্পত্তি।।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৩৯৭)

চৰণত পৰিবাৰ দেখি সেই হস্তপদ্ম
দিবা কৃষ্ণদেৱে মোৰ মাথে।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৩৯৮

অক্ৰুৰে কৃষ্ণৰ চৰণ চিহ্নতে কৰি প্ৰণাম কৰা চাই থকা ৰাম-কৃষ্ণৰ ৰূপক বৰ্ণনাত এনেদৰে আছে—

ধ্বজ বজ্ৰ পদ্মে দুইবো পদ অলংকৃত।

ৰূপক অলংকাৰ/ভা. দ. স্ক ১২৪১৩

ৰাম-কৃষ্ণ মথুৰাত প্ৰবেশ কৰাৰ সময়ত মথুৰাৰ নাৰীসকলে গৃহৰ ওপৰৰ পৰা কৃষ্ণৰ ৰূপৰ বৰ্ণনাত এনেদৰে আছে—

সুনাসিকা মুখ অলকে আবৃত
যেন শ্যাম পদ্ম কোষ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৫৩০)

দোভাৰো সুন্দৰ বদন পদ্মক
দেখে নিতে নেত্ৰ ভৰি।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৫৩৬)

চানুৰ আৰু মুষ্টিকৰ সৈতে মল্ল যুদ্ধ কৰা প্ৰসংগত আছে এনেদৰে—

ধ্বজ বজ্ৰযৰ পদ্ম অংকুশে অংকিত।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৬৪৭)

দেৱৰো দুৰ্লভ এহি পাদপদ্ম
স্তনত অৰ্পিয়া ধৰৈ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৬৯৭)

কৃষ্ণৰ হাতত মৃত্যুবৰণ কৰি কংসই পৰম গতি পোৱা বৰ্ণনাত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম ধৰি চাৰি হাত।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৭৫৬)

সান্দীপনি মুনিৰ পুত্ৰ উদ্ধাৰ কৰি ৰাম-কৃষ্ণ মথুৰালৈ উভতি অহা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কৃষ্ণ মুখ পাদ্ম দেখি সুখী ভৈলা
জুৰাইল সবাৰো প্ৰাণ।।

ৰূপক অলংকাৰ, (ভা. দ. স্ক ১২৮৫০)

কৃষ্ণ মুখ পাদ্ম                    মধু পিবৈ যেন
নয়ন ভ্ৰমৰ ভৰি।

ৰূপক অলংকাৰ/ভা. দ. স্ক ১২৮৫৩

দশম স্কন্ধৰ শেষৰ গোপী উদ্ধৱ সংবাদ অধ্যায়ত উদ্ধৱে কৃষ্ণৰ অনুৰোধ ক্ৰমে গোপীসকলক তেওঁৰ বাৰ্তা দিবলৈ গকুললৈ যাত্ৰা কৰা প্ৰসংগত আছে--

হৃদয় পদ্মত ধৰি কৃষ্ণৰ চৰণ।

ৰূপক অলংকাৰ/ভা. দ. স্ক ১২৮৯১

ৰজা নন্দই উদ্ধৱক দেখি আদৰ সাদৰ কৰি কৃষ্ণ বাৰ্তা সোধা প্ৰসংগত আছে--

কৈসানি দেখিবো                    মুখপদ্ম সিটো
আমি সবে নেত্ৰ ভৰি।

ৰূপক অলংকাৰ/ ভা. দ. স্ক ১২৯০৮

নন্দ যশোদাৰ আগত উদ্ধৱে কৃষ্ণ মাহাত্ম্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

শংখ চক্ৰ গদা পদ্ম কৰে ধৰে তুলি।

ৰূপক অলংকাৰ/ভা. দ. স্ক ১২৯৩৫

গোপীসবে উদ্ধৱক দেখা পোৱা বৰ্ণনাত এনেদৰে আছে--

জ্বলৈ যেন পদ্মসম বদন মণ্ডল।

ৰূপক অলংকাৰ/ভা. দ. স্ক ১২৯৮৩

গোপীসকলে উদ্ধৱৰ আগত কৃষ্ণৰ ওপৰত অভিমান কৰি কোৱা প্ৰসংগত এনেকৈ পোৱা যায়--

কেনমতে লক্ষ্মী তান সেৱৈ পাদপদ্ম।

ৰূপক অলংকাৰ/ভা. দ. স্ক ১৩০০২

ভাগৱতৰ একাদশ স্কন্ধত কৃষ্ণই উদ্ধৱক নানা উপদেশ দি বিদায় দিয়াৰ পিছত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

প্ৰকাশৈ বদন চাৰু শ্যাম পদ্মকোষ।

ভা.এক. স্ক. ১৭৭৭১

যদুবীৰগণ কৃষ্ণৰ উপদেশ অনুসৰি প্ৰভাস তীৰ্থলৈ গৈ স্নান দান কৰা বৰ্ণনা পিছত তেওঁলোকৰ দেহৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

সূৰ্যৰ কিৰণে যেন জ্বলৈ পদ্মকান্তি।।

উপমা অলংকাৰ, (ভা.এ.স্ক ১৭৭৯১)

যদুবংশ ধ্বংসৰ পিছত বলোভদ্ৰই আত্মহত্যা কৰিবলৈ সাগৰ তীৰত বহা বৰ্ণনাত এনেদৰে আছে--

সাগৰৰ তীৰত বসিয়া পদ্মাসনে।

(ভা.এ.স্ক ১৭৮৩৪)

বংশ ধ্বংস হোৱাৰ পিছত কৃষ্ণ মৌন হৈ অশ্বত্থৰ তলত চতুৰ্ভুজ ৰূপ লৈ বহি থকা বৰ্ণনাত এনেদৰে আছে—

মুখপদ্ম কৰৈ কান্তি যেন ভ্ৰমৰাৰ প্ৰান্তি
কপালত কুটিল অলক।

ৰূপক অলংকাৰ, (ভা.এ.স্ক ১৭৮৪৯)

কৃষ্ণ সমন্বিতে সকলো শেষ হোৱা বাৰ্তা পাই ৰুক্মিনীকে আদি কৰি কৃষ্ণৰ অষ্ট মহিষী কৃষ্ণক বিচাৰি শোকত আতুৰ হোৱা বৰ্ণনাত আছে—

নয়ন পদ্মৰ নীৰ পৰৈ ঝৰি।

ৰূপক অলংকাৰ, (ভা.এ.স্ক ১৮০০৯)

এই প্ৰসংগতে কৃষ্ণৰ গুণ বৰ্ণনা প্ৰসংগত আছে—

চন্দ্ৰতো অধিক মুখপদ্ম সিটো
থাকিবে নাপাইলো চাই।

ৰূপক অলংকাৰ/ (ভা.এ.স্ক ১৮০১০)

আউৰ নেদেখিবো পদ্মমুখ সিটো
জ্বলৈ যেন চন্দ্ৰ কোটি।

ৰূপক অলংকাৰ, (ভা.এ.স্ক ১৮০১২)

অৰ্জুনে কৃষ্ণৰ সৈতে কটোৱা দিনৰ স্মৃতি ৰোমন্থন কৰা প্ৰসংগত আছে—

যাৰ পাদপদ্ম সদায়ে সেৱন্ত
ব্ৰহ্মা শিৱ সৰপতি।

ৰূপক অলংকাৰ, (ভা.এ.স্ক ১৮২৪১)

কৃষ্ণ বিয়োগত পাণ্ডৱৰ অৱস্থা বৰ্ণনাত আছে—

কৃষ্ণৰ অৰুণ যিটো পাদপদ্ম দুই।

ৰূপক অলংকাৰ, (ভা.এ.স্ক ১৮২৫৫)

পদ্ম নেত্ৰ দুতয় দেখন্তে হৰে তাপ।

ৰূপক অলংকাৰ, (ভা.এ.স্ক ১৮২৫৮)

দ্বাদশ স্কন্ধত কৃষ্ণৰ পৃথিৱীত থকালৈকে পৃথিৱীৰ কোনো অনিষ্ট হোৱা নাছিল বুলি বৰ্ণনা কৰা প্ৰসংগত আছে এনেদৰে—

যাৰে পাদপদ্ম পৃথিৱী পৰশি
আছিলা জগত পতি।

ৰূপক অলংকাৰ, (ভা.দ্বা.স্ক ১১৮৩৮২)

মাৰ্কন্দেয় ঋষিয়ে বিষ্ণুক স্তুতি কৰা প্ৰসংগত আছে—

নমো নমো দুয়ো ঈশ্বৰ পাদপদ্ম।

ৰূপক অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৬৫১)

তেওঁৰ স্তুতিত সন্তুষ্ট হৈ নৰনাৰায়ণে ঋষিক বৰ দিবলৈ বিচৰাৰ বিষয়ে নিজৰ মনোভাব ব্যক্ত কৰা প্ৰসংগত আছে—

মনেয়ো দেখিলে মাত্র তযু পাদপদ্ম।

ৰূপক অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৬৭৮)

এই অধ্যায়ৰ পিছৰ উপদেশত কবিয়ে কৈছে

মই অচেতন জানি প্ৰাণ প্ৰভু পদ্মপানি

আপুনি চিন্তিয়ো মোৰ হিত।

ৰূপক অলংকাৰ, (ভা. দ্বা. স্ক. ১১৮৭০৫)

মাৰ্কণ্ডেয় ঋষিয়ে বটপত্ৰত বালমুকুন্দ দৰ্শন পোৱা প্ৰসংগত আছে -

সুন্দৰ বদন চন্দ্ৰ নৱ পদ্মকোষ।

লুপ্তোপমা অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৭০০)

পদ্মগৰ্ভ অৰুণ নেত্ৰৰ প্ৰান্ত দেশ।

ৰূপক অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৭১২)

দুই হাতে ধৰি দুই চৰণ পদ্মক।

ৰূপক অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৭১৫)

'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যৰ মঙ্গলা চৰণত এনেদৰে আছে—

কৃষ্ণ পাদপদ্ম যুগ হৃদয়ত ধৰি।

(হ. উ. ২)

'ৰুক্মিণী হৰণ' কাব্যত ৰুক্মিণী হৰণৰ পিছত কৃষ্ণৰ সৈন্যাই বিপক্ষৰ সকলো শত্ৰু সৈন্যক নিধন কৰাৰ পিছত নিঃশব্দ হৈ পৰা ৰণথলীৰ বৰ্ণনা প্ৰসংগত আছে—

অনেক বহল যেন পদ্ম বনখান।

উপমা অলংকাৰ, (ৰু. হ. কা. ৫৯২)

ৰুক্মিণীৰ বিবাহ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পদ্মাসনে বসিয়া আসন্ত হংস যানে।

ৰূপক অলংকাৰ, (ৰু. হ. কা. ৬৯৮)

'অজামিল উপাখ্যান'ত উপদেশত কৃষ্ণ ভক্তিৰ অপাৰ মহিমা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

আছে হৃদিপদ্ম মাজে ঈশ্বৰৰ কৃষ্ণত বাজে

আন কোনদেৰে দিব গতি।

ৰূপক অলংকাৰ, ( অ. উ. ৫৩৩৭)

যম ৰজাই যমদূতৰ আগত বিষ্ণুদূতৰ পৰিচয় দিয়া প্ৰসংগত আছে—

শংখ চক্ৰ গদা পদ্ম সবাৰো হাতত।

ৰূপক অলংকাৰ, (অ. উ. ৫৫৮৭)

'অমৃত মন্থন' কাব্যৰ মংগলাচৰণত এনেদৰে আছে—

মাধৱৰ পাদপদ্ম ধৰি হৃদয়ত।

ৰূপক অলংকাৰ, (অ. ম. কা. ৩)

সাগৰ মন্থনত উপজা সমুদ্ৰ কণ্যা লক্ষ্মীৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

পাদপদ্ম দেখন্তে সুৰেশ।।

ৰূপক অলংকাৰ, (অ. ম. কা. ২২৯)

ব্ৰহ্মাই লক্ষ্মীৰ সয়ম্বৰৰ সভা পাতিবলৈ পৰামৰ্শ দিয়া প্ৰসংগত এনেদৰ আছে--

হাতত পদ্মৰ মালা　　　আপোন ইচ্ছাৰে বালা

বৰন্তোক যাৰ আছে ভাগ।

ৰূপক অলংকাৰ/ অ.ম. স্ক ২৩৪

দৈত্যৰ অত্যাচাৰত থাকিব নোৱাৰি দেৱতাসকলে কৃষ্ণক ত্ৰাণ কৰিবলৈ স্তুতি কৰাত কৃষ্ণ আবিৰ্ভৱ হোৱা প্ৰসংগত কৃষ্ণৰ অষ্টভুজ বৰ্ণনাত এনেদৰে আছে--

শংখ চক্ৰ গদা পদ্ম অসি চৰ্ম বাণ।

ৰূপক অলংকাৰ/ অ. ম. স্ক ৫১৩

বলিছলন কাব্যৰ মঙ্গলচৰণত বলি ৰজাক বৈষ্ণৱ প্ৰহ্লাদে বিজয়ী হ'বলৈ আশীৰ্বাদ দিয়া প্ৰসংগত আছে এনেদৰে--

পিন্ধাইলা পদ্মৰ মালা বৈষ্ণৱ প্ৰহ্লাদ।

ৰূপক অলংকাৰ, (ব. ছ. কা. ৩১)

অদিতিয়ে কৃষ্ণক স্তুতি কৰা প্ৰসংগত এনেদৰে আছে--

তযু পাদপদ্ম ৰেণু থাকন্ত উপাসি।

ৰূপক অলংকাৰ, (ব. ছ. কা. ১৩১)

অদিতিৰ স্তুতিত সন্তুষ্ট হৈ কৃষ্ণ আবিৰ্ভৱ হোৱা প্ৰসংগত আছে--

কিৰীটি কুণ্ডলে মুখপদ্ম কৰে কান্তি।

ৰূপক অলংকাৰ, (ব. ছ. কা. ১৩৪)

তেনেকৈ

ধৰিয়া আছন্ত শংখ চক্ৰ গদা পদ্ম।

( ব. ছ. কা. ১৩৬)

কৃষ্ণই অদিতিৰ সন্তানৰূপে জন্মহোৱ প্ৰসংগত নৱজাত শিশুৰ ৰূপ বৰ্ণনাত আছে--

শংখ চক্ৰ গদা　　　পদ্ম ধৰি সদা

..................

ৰূপক অলংকাৰ, ( ব. ছ. কা. ১৬৭)

চৰণ কমল অতি সুকোমল

জ্বলে যেন পাদ্মকোষ।।

ৰূপক অলংকাৰ, (ব. ছ. কা. ১৬৯)

বলিৰ যজ্ঞস্থলীত বামনে প্ৰৱেশ কৰা প্ৰসংগত এনেদৰে আছে--

বামনৰ পাদপদ্ম পখালিলা বলি।

ৰূপক অলংকাৰ, (ব. ছ. কা. ২২৯)

বলিৰ ত্ৰৈলোক্য বামণে লোৱা বুলি শুনি দৈত্য সমাজে কৃষ্ণৰ পাৰিষদৰ সৈতে যুদ্ধ কৰা প্ৰসংগত কৃষ্ণৰ পৰিষদসকলৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

শংখ চক্ৰ গদা পদ্ম হাতে ধৰি চাৰি অস্ত্ৰ।

ৰূপক অলংকাৰ, (ব. ছ. কা. ৩৬৮)

কুৰুক্ষেত্ৰ কাব্যৰ আৰম্ভণিতে কৃষ্ণ যদুগণৰ সৈতে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰা প্ৰসংগত আছে–

ঈষত হসিত মুখ নৱ পদ্মকোষ।

লুপ্তোপমা অলংকাৰ, ( কু.ক্ষে. কা. ২৪)

কুৰুক্ষেত্ৰলৈ গৈ ইষ্ট, মিত্ৰ, কুটুম্ব সকলোকে লগ পাই যদুকুলৰ নব নাৰীসকলৰ মনত আনন্দৰ জোৱাৰ উঠাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

হৰিষে প্ৰফুল্ল মুখপদ্ম সমনেত্ৰ।

উপমা অলংকাৰ, (কু.ক্ষে. কা. ৩৭)

কুৰুক্ষেত্ৰত সকলোৱে যাদৱ বংশক প্ৰশংসা কৰা প্ৰসংগত এনেদৰে আছে–

হেন মাধৱক বান্ধৱ মানিয়া
মুখপদ্ম দেখানিতে।

ৰূপক অলংকাৰ, (কু.ক্ষে. কা. ৬৬)

যাৰ পাদপদ্ম পৰশে সম্পূৰ্ণ
ভৈল্ল ভুমি কৃতকৃত্যা।।

ৰূপক অলংকাৰ, (কু.ক্ষে. কা. ৬৮)

কৃষ্ণ বলোৰাম আৰু নন্দ যশোদাৰ মিলন প্ৰসংগত কৃষ্ণ ৰূপ বৰ্ণনাত এনেদৰে আছে–

ঈষত ৰাতুল যেন নৱ পদ্মকোষ।

ৰূপক অলংকাৰ, (কু.ক্ষে. কা. ১২৬)

উদ্ধৱ প্ৰমুখ্যে মহা মন্ত্ৰগণ সমন্বিতে মাধৱ ৰাজসভালৈ গৈ যুধিষ্ঠিৰ আদি সুহৃদ সবৰ সৈতে দেখা-দেখি হোৱা প্ৰসংগত আছে–

পাদপদ্ম দুই দেখন্তে সবাৰো
মিলিল শাপ প্ৰলয়।

ৰূপক অলংকাৰ, (কু.ক্ষে. কা. ১৬৪)

এই প্ৰসংগত যুধিষ্ঠিৰকে আদি কৰি সকলোৱে কৃষ্ণক স্তুতি কৰা বৰ্ণনাত আছে এনেকৈ–

মহা মহন্তৰ হৃদয়ত ইটো
থাকে পাদপদ্ম দুই।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ১৬৭)

কৃষ্ণ মহিষীসকলে নিজৰ নিজৰ বিবাহ বৰ্ণনা কৰা প্ৰসংগত সত্যায়ে পাঞ্চালীক এনেদৰে কৈছে–

এহিবুলি পাদ্য অৰ্ঘ্য ধুপে পুহি
কৃষ্ণৰ পাদপদ্মক

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ২৭৬)

এনে প্ৰসংগতে লক্ষ্মণাৰ বৰ্ণনাত আছে এনেদৰে—

পাদপদ্ম ধৰিলা মোৰ চিত।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ২৯০)

কুৰুক্ষেত্ৰত মুনিসৱে কৃষ্ণক দেখা কৰিবলৈ আহি কৃষ্ণক কৰযোৰে প্ৰৰ্থনা কৰা প্ৰসংগত এনেদৰে আছে—

হেন পাদপদ্ম দেখিলো সাক্ষাতে
কতবা পুণ্যাৰে ফলে।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ৩৬৭)

উপদেশ প্ৰসংগত কৃষ্ণৰ মাহাত্ম্য প্ৰসংগত আছে—

হৃদিপদ্ম মধ্যে আছাহা মাধৱ
বান্ধৱ ততো নাদৰো।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ৪৭১)

দৈৱকীৰ পুত্ৰ আনয়ন অধ্যায়ত ইন্দ্ৰসেন ৰজাই কৃষ্ণক ভক্তি কৰা প্ৰসংগত এনেদৰে আছে—

কৃষ্ণ পাদপদ্ম দুইক তুলি লৈয়া মাথে।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ৫৬১)

ভক্তি প্ৰদীপ গ্ৰন্থত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত নিজৰ নাম কথন কৰা প্ৰসংগত এনেদৰে আছে—

পদ্মনাভ শম্ভু বিভু প্ৰভু ভগৱন্ত।

(ভ. প্ৰ. ১৮৭)

অৰ্জুনৰ আগত শ্ৰীকৃষ্ণই নিজ ৰূপে দৰ্শন দিয়া প্ৰসংগত এনেদৰে আছে—

প্ৰসন্ন বদন পদ্ম দেখন্তে তৃপিতি।

(ভ. প্ৰ. ২৫৫)

শংখ চক্ৰ গদা পদ্ম ধৰি আছা হাতে।

(ভ. প্ৰ. ২৫৮)

চৰণ পংকজ যেন নব পাদ্ম কোষ।

উপমা অলংকাৰ, (ভ. প্ৰ. ২৬২)

অৰ্জুনে কৃষ্ণক পৰম ঈশ্বৰ বুলি স্তুতি কৰা প্ৰসংগত আছে—

তযু পাদপদ্মে সদা মখন্তোক মতি।

ৰূপক অলংকাৰ, (ভ. প্ৰ ২৭৬)

অৰ্জুনৰ প্ৰশ্নোত্তৰত কৃষ্ণই নিজৰ থানৰ মহিমা বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

শংখ চক্ৰ গদা পদ্ম ধৰি থাকৈ
ৰত্নৰ মন্দিৰে পশি।

(ভ. প্ৰ. ২৯৭)

'অনাদি পাতন' গ্ৰন্থত জম্বুদ্বীপৰ মাজৰ মেৰু পৰ্বতৰ বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

কৰৈ কান্তি পদ্মৰ মণিকা যেন স্থান।

উপমা অলংকাৰ, (অ. প. ৯৮)

তেনেদৰে নাৰদ নামৰ গিৰিবৰৰ বৰ্ণনাত আছে--

পদ্মৰ কৰ্ণিকা যেন চৌপাশে কেশৰ।

উপমা অলংকাৰ, (অ. পা. ১০১)

পৰমেশ্বৰে ৰুদ্ৰ আৰু ব্ৰহ্মাৰ সৃষ্টিৰ পাছত সত্ত্বগুণে বিষ্ণুৰূপে অৱতাৰ হোৱা প্ৰসংগত আছে--

ঈষত হসিত মুখ শ্যাম পদ্মকোষ।

লুপ্তোপমা অলংকাৰ (অ. পা. ১৩৭)

ব্ৰহ্মা বিষ্ণু আৰু ৰুদ্ৰ তিনিও একমত নোহোৱা দেখি বনমালীয়ে সৃষ্টিৰ উদ্দেশ্য পূৰ্ণ নহ'ল বুলি নিজে ব্যক্ত হোৱা প্ৰসংগত আছে এনেদৰে--

প্ৰফুল্ল পদ্মত যেন পড়ি আছে
উত্তম ভ্ৰমৰা পান্তি।

(অ. পা. ১৪৯)

শংখ চক্ৰ গদা পদ্ম চাৰি হাতে
কৰৈ আতি জাতিস্কাৰ।

(অ. পা. ১৫১)

আপাদ লম্বিত সুবৰ্ণ পদ্মৰ
গলে বৈজয়ন্তী মালা।

(অ. পা. ১৫২)

অষ্টাদশ পুৰাণৰ নাম কথন প্ৰসংগত এনেদৰে আছে--

ভাৰত পদ্মৰ এহি অষ্টাদশ দল।

(অ. পা. ১৯৭)

তেনেদৰে দেহৰ মহিমা প্ৰসংগত আছে--

আছি অষ্টাদশ পদ্ম হৃদয় নিৰ্মল।

(অ. পা. ২০৬)

নৱ পদ্মকল্প কথা বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

পদ্মৰ চকাত ব্ৰহ্মা বসিয়া আছন্ত।

(অ.পা ২৪৬)

কৈৰ হন্তে আইল পদ্ম মনত আসুখ।

(অ.পা ২৪৭)

পদ্মৰ মূলত ব্ৰহ্মা বিচাৰি নাপাইলা।

******

পদ্মাতে ৰহিলা ব্ৰহ্মা অসন্তোষ মনে।।

(অ.পা ২৪৮)

নিমি নৱ সিদ্ধ সংবাদত কৃষ্ণ ভক্তি মাহাত্ম্য বৰ্ণন প্ৰসংগত আছে--

কৃষ্ণ পাদ পদ্মৰ অৰুণ নখ পান্তি।
যাৰমনে চোৰে তাৰে সুশীতল কান্তি।।

(নি. ন. সি. সং ৯৭)

নাৰায়ণে স্বৰ্গৰ অপস্বেৰীসকলৰ ৰূপৰ অহংকাৰ চূৰ্ণ কৰিবলৈ অসংখ্য সুন্দৰী নাৰী সৃষ্টি কৰা বৰ্ণনাত আছে—

সমস্তে পদ্মিনী শৰীৰত পদ্ম ঘ্ৰাণ।

(নি. ন. সি. সং ২৬৬)

পদ্মৰ সৌৰভ শৰীৰত পায়া ঘ্ৰাণ।

(নি. ন. সি. সং ২৭২)

শংকৰদেৱে কৃষ্ণৰ ওচৰত নিজকে সমৰ্পণ কৰা প্ৰসংগত এনেদৰে আছে

নমো নমো কৃষ্ণ পদ পংকজক
হৃদয় পদ্মত ধৰি।

ৰূপক অলংকাৰ (নি. ন. সি. সং ৩৩৯)

উত্তৰাকাণ্ড ৰামায়ণৰ প্ৰথম অধ্যায়ত এনেদৰে আছে—

ৰাম পাদপদ্ম দুই হৃদয়ত ধৰি।

ৰূপক অলংকাৰ, (উ.কা.ৰা. ৫)

ষষ্ঠ অধ্যায়ত চতুৰ্ভুজ নাৰায়ণৰ বৰ্ণনাত আছে—

শংখ চক্ৰ গদা পদ্ম আছে চাৰি হাতে।

(উ.কা.ৰা. ৬)

সপ্তম অধ্যায়ত ৰাম চন্দ্ৰই যজ্ঞলৈ অহা লব কুশৰ ৰূপ বৰ্ণনাত আছে—

পদ্ম পত্ৰৰ সম সেই আয়ত লোচন।

ৰূপক অলংকাৰ (উ.কা.ৰা. ৪৮)

সপ্তবিংশ অধ্যায়ত কালে সুৰুচি নামে ঋষিৰ বেশ ধৰি ৰাম চন্দ্ৰৰ আগত নিজৰ পৰিচয় ব্যক্ত কৰি শ্ৰীৰাম অৱতাৰ সম্বৰণৰ অৰ্থে অনুৰোধ কৰা প্ৰসংগত এনেদৰে আছে—

সেহি নাভি পদ্মে ব্ৰহ্মা উপজিলা
জানিয়া বেদ সুলভে।।

(উ.কা.ৰা. ১৭)

অষ্টবিংশ অধ্যায়ত অযোধ্যা এৰি লক্ষ্মণে সৰযুৰ তীৰত গৈ বহাৰ বৰ্ণনাত আছে—

বসিলা লক্ষ্মণ পাছে পদ্মাসন ভিৰি।

(উ.কা.ৰা. ১৩২)

ৰুক্মিণী হৰণ নাটত ৰুক্মিণীয়ে বেদনিধিৰ হাতত কৃষ্ণলৈ প্ৰেৰণ কৰা পত্ৰত এনেদৰে আছে—

......সুৰাসুৰ বন্দিত পাদপদ্ম .......
............

কেলিগোপাল নাটত শ্ৰীকৃষ্ণই প্ৰথমে গোপীসকক তেওঁক আৰু বৃন্দাবনৰ শোভা দেখা পোৱাৰ পিছত গুছি যাবলৈ কোৱাত দুখত গোপীসকলৰ দেহ মনৰ অৱস্থা কেনে হৈছিল সেয়া বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

জৈচে শিশিৰ পৰি পদ্ম সংকোচিত ভেল।

উপমা অলংকাৰ (ক. সু. )

গোপীৰ গৰ্ব ভাব দেখি কৃষ্ণ অন্তৰ্দ্ধান হোৱাত গোপীসৱে অন্তৰ্যামী কৃষ্ণৰ ঈশ্বৰৰ ৰূপ চিন্তা কৰা প্ৰসংগত আছে—

সে হস্তপদ্ম হামাৰ মাথে থৈয়োসিয়া সখী। .........

ৰূপক অলংকাৰ

গোপীসৱৰ প্ৰেম ভাৱনাত আকুল হৈ কৃষ্ণ আবিৰ্ভাৱ হোৱাত গোপীসকলে কৃষ্ণক বেৰি ধৰা প্ৰসংগত এনেদৰে আছে—

............ কাঁহু পাদপদ্ম, কাঁহ হস্তপদ্ম কাঁহু বাহু কান্ধে লৈয়া শুঙ্গহ।

ৰূপক অলংকাৰ (ক. সু. )

ৰামবিজয় নাটৰ শেষত কথাসূত্ৰত এনেদৰে আছে—

শ্ৰীকৃষ্ণ পাদপদ্ম প্ৰসাদত ............

(ক. সু.)

গুণমালাত কৃষ্ণৰ ৰূপৰ বৰ্ণনা প্ৰসংগত আছে—

হাৰ বক্ষস্থলে পদ্ম মালা গলে।

(গু. মা. ১৯৬)

শংকৰদেৱে আত্ম-পৰিচয় প্ৰসংগতো পদ্ম শব্দটি বহু ঠাইত বহুবাৰ ব্যৱহাৰ কৰিছে।

**ভেট ঃ**

ভেট ফুল জলজ পুষ্প। শংকৰদেৱৰ ৰচনাত এই বিষয়টিয়েও স্থান পাইছে।

কীৰ্তনৰ হৰমোহন অধ্যায়ত দিবা উপবনৰ সৰোবৰৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সুবৰ্ণ কমল ভেট উতপল

ফুলি ফুলি আছে ৰঞ্জি।

(কী. হ. মো. ২৮)

ৰুক্মিনী হৰণ কাব্যত বেদনিধিৰ মুখে ৰুক্মিনীৰ বাৰ্তা পাই শ্ৰীকৃষ্ণই গৈ কুণ্ডিল নগৰত প্ৰবেশ কৰা প্ৰসংগত নগৰৰ পুখুৰীৰ বৰ্ণনাত এনেদৰে আছে—

জলত কমল ভেট উতপল

পদ্ম আছে ফুলি ফুলি।

(ৰু. হ. ২০২)

**সৰোৰুহ ঃ**

ধ্যান বৰ্ণন অধ্যায়ত বিষ্ণুৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

নাভি সৰোৰুহ ৰুচিৰ পান্তি।

উপমা অলংকাৰ, (কী. ধ্যা. ব. ১৫)

'ৰুক্মিনী হৰণ নাট'ৰ আৰম্ভণি ভটিমাত এনেদৰে আছে—

যাকেৰি চৰণ সৰোৰুহ ব্ৰহ্মা

শংকৰ কৰো নিত্য সেৱ।

(ৰূপক অলংকাৰ)

ৰুক্মিণী হৰণ নাটত ৰুক্মিণীয়েবেদনিধিৰ হাতত শ্ৰীকৃষ্ণলৈ দিয়া পত্ৰত এনেদৰে আছে—

শ্ৰীশ্ৰী কৃষ্ণ চৰণ সৰোৰুহেষু............। তব চৰণ সৰোৰুহে............

ৰুক্মিণীৰ পত্ৰ পাই শ্ৰীকৃষ্ণই বেদনিধি আৰু উদ্ধৱক লগত লৈ সাৰথি দাৰুক সহ কুণ্ডিল নগৰলৈ অহা প্ৰসংগত মাহুৰ ৰাগৰ পৰিতাপৰ 'কুণ্ডিনকু আৱত' শীৰ্ষক গীতত কৃষ্ণৰ ৰূপ বৰ্ণনা এনেদৰে আছে—

মঞ্জিৰ ৰঞ্জিত চৰণ সৰোৰুহ
শংকৰ কহ হৰি দাস।।

(ৰূপক অলংকাৰ)

আসোৱাৰী ৰাগৰ 'জয় জয় যাদৱ' শীৰ্ষক বৰগীতটিত এনেদৰে আছে—

কেশৱ চৰণ সৰোৰুহ কিংকৰ
শংকৰ এহু অভিলাষী।।

(ৰূপক অলংকাৰ)

তেনেকৈ ধনশ্ৰী ৰাগৰ 'হেৰহু মাই চলালি বিপিন মধাই' শীৰ্ষক বৰগীতটিত কৃষ্ণৰ ভুবন মোহন ৰূপৰ বৰ্ণনত এনেদৰে আছে—

বংকিম নয়ন সৰোৰুহ হাসি
হেৰইতে ভুবন ভুলাই।।

(ৰূপক অলংকাৰ)

## (গ) জলাধাৰ

**জলধি ঃ**

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ৰ ঘোষাত এনেদৰে পোৱা যায়—

মজিলো ভৱ-জলধিত আমি।।

ৰূপক অলংকাৰ, (কী. ধ্যা. ব. ঘো. ১)

ৰুক্মিণী হৰণ নাটৰ মুক্তি মংগল ভটিমাত এনেদৰে আছে—

যোহি জলধি মহ বান্ধল সেতু।

কেলি গোপাল নাটৰ মুক্তি মংগল ভটিমাত এনেদৰে আছে—

জলধি বান্ধল সেতু।

**জলনিধি ঃ**

আশোৱাৰী ৰাগৰ 'জয় জয় যাদৱ' শীৰ্ষক বৰগীতত এনেদৰে আছে—

জয় জয় যাদৱ জলনিধিজা ধৱ ধাতা

**জান ঃ**

ভাগৱতৰ দশম স্কন্ধত বৃন্দাবনৰ বাৰিষা ঋতুৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

খাল খাম ভৰি ভূমি ভাগিনৰৈ জান।

(ভা. দ. স্ক. ১১৪২৯)

ডোবা ঃ

ভক্তি প্ৰদীপত হৰিভক্তা চাণ্ডালীয়ে হৰিবিমুখ ইন্দ্ৰপূজক দ্বিজক দেখি খেদ কৰা প্ৰসংগত এইদৰে আছে—

যেন গংগা এৰি ডোবাক যায় হাস্তি।

(ভ. প্ৰ. ৬৬)

তৰংগিনী ঃ

কেলিগোপাল নাটত অহিৰ ৰাগ, একতালিৰ 'মাই মাই হৰিক বিছুৰি' শীৰ্ষক গীতত গোপী সবে গুণ গাই দিৱস কটোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শুনিয়া মোহন ধ্বনি     তম্ভিত তৰংগিনী
পুলক কমল কোল দোলে।

দীঘি ঃ

কীৰ্তনৰ হৰমোহন অধ্যায়ত দিব্য উপবনৰ বৰ্ণনা প্ৰসংগত আছে—

মহামনোহৰ     দীঘি সৰোবৰ
তাৰ মাজে মাজে আছে।।

(কী. হ. মো. ২৭)

কালযৱন বধ অধ্যায়ত দ্বাৰকাৰ বৰ্ণনাত আছে

দিব্য সৰোবৰ দীঘি দেখি বিতোপন।।

(কী. দা. বি. আ. ২৫)

দামোদৰ বিপ্ৰ আখ্যানত দামোদৰে কৃষ্ণৰ প্ৰসাদত লাভ কৰা নিজৰ গৃহ দৰ্শন প্ৰসংগত আছে—

দীঘি-সৰোবৰ     পুষ্পিত উৎপল
প্ৰফুল্ল পংকজে ৰজে।।

(কী. দা. বি. আ. ২৫)

বলিছলন কাব্যত ইন্দ্ৰৰ অমৰাৱতীৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তাতে দিব্যঘৰ     দীঘি সৰোবৰ
পৰি পক্ষী কৰে নাদ।

(ব. ছ. কা. ৫২)

বামন ৰূপী বিষ্ণুৱে দানৱ ছলেৰে তিনি ত্ৰৈলোক্য লোৱাৰ পিছত দৈত্যৰাজ বলিয়ে বিষ্ণুৰ আদেশ মৰ্মে সুতল পুৰীত প্ৰৱেশ কৰা প্ৰসংগত সুতল পুৰীৰ বৰ্ণনাত এনেদৰে আছে—

তাৰকাছে আছে দিব্য দিঘী সৰোবৰ।

(ব. ছ. কা. ৫৭৮)

নদ / নদী ঃ

কীৰ্তনৰ 'গজেন্দ্ৰোপাখ্যান'ত ত্ৰিকূট পৰ্বতৰ প্ৰকৃতিৰ চিত্ৰ বৰ্ণনাত আছে—

নদী-নদ অশেষ বিশেষ সৰোবৰ।

(কী. গ. উ. ৫)

হৰমোহন অধ্যায়ত শিৱই মোহিনীৰ ৰূপত মোহিত হৈ দ্বীপ দ্বীপান্তৰ লোকে যেদি ফুৰা বৰ্ণনা প্ৰসংগত আছে—

গিৰি গুহা বন নদ নদী সৰোবৰ।
খেদিয়া ফুৰন্ত হৰে দ্বীপ দ্বীপান্তৰ।।

(কী. হ. মো. ৬১)

শিৱই পাৰ্বতীৰ আগত নিজৰ দোষ স্বীকাৰ কৰা প্ৰসংগত আছে—

কন্যাক ফুৰিলো খেদি    গিৰি গুহা বন নদী

(কী. হ. মো. ৮৮)

শিশুলীলা অধ্যায়ত কৃষ্ণই মাটি খোৱা প্ৰসংগত যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত সমস্ত জগতখনকে দেখাপোৱাৰ বৰ্ণনাত আছে—

গিৰি বন নদী গ্ৰাম নগৰ।।

(কী. শি. লী. ২৯)

কীৰ্তনৰ ৰাসক্ৰীড়া অধ্যায়ত বৃন্দাবনত কৃষ্ণৰ বংশী ধ্বনি শুনি সকলো স্তম্ভিত হোৱাৰ বৰ্ণনা প্ৰসংগত আছে—

নদীসৰো শুনি তম্ভি থাকে মৌন ভাৱে।।

(কী. ৰা. ক্ৰী. ১৭৯)

কংসবধ অধ্যায়ত অক্ৰুৰৰ কৃষ্ণ স্তুতিত কৃষ্ণই যে সকলোৰে মুল সেই কথা বৰ্ণোৱা প্ৰসংগত এনে উপমা আছে—

যেহেন নদ-নদী সমুদায়।
অনেক পথে সাগৰক যায়।।

উপমা অলংকাৰ, (কী. ক. ব. ২৮৯)

অক্ৰুৰৰ বাঞ্ছা পূৰণ অধ্যায়ত অক্ৰুৰৰ স্তুতিত সন্তুষ্ট হৈ কৃষ্ণই ভকতৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰা প্ৰসংগত কৈছে—

যত নদী-নদ    সিও তীৰ্থ হয়
শিলাৰ প্ৰতিমা দেৱ।

(কী. অ. বা. পূ. ৮)

জৰাসন্ধৰ যুদ্ধ অধ্যায়ত ৰামকৃষ্ণই জৰাসন্ধৰ সৈন্য বধ কৰা প্ৰসংগত আছে—

শোণিতে নদী প্ৰৱহাইলা তয়।।

(কী. জ. যু. ৭)

উৰেষা বৰ্ণন অধ্যায়ৰ বিংশ কীৰ্তনত ক্ষেত্ৰ বিধি প্ৰসংগত আছে—

আছে যত নদী নদ তীৰ্থ পৃথিৱীত।

(কী. উ. ব. ২০৪)

ভাগৱতৰ প্ৰথম স্কন্ধত নাৰদৰ পূৰ্বজন্ম কথন প্ৰসংগত আছে—

এৰাইলো নগৰ গ্ৰাম নদী-নদ দেশ।

(ভা. প্ৰ. ১৫৩)

কুন্তীৰ কৃষ্ণ স্তৱ প্ৰসংগত এনেদৰে আছে—

যেন জাহ্নি গংগাক নিৰোধ কৰে যদি
সাগৰত পৰয় তথাপি দেৱনদী।।
..............................................।।

উপমা অলংকাৰ, (ভ. প্ৰ. ১২৬)

ভাৰত যুদ্ধ সাংগ হোৱাৰ পিছত শ্ৰীকৃষ্ণৰ দ্বাৰকাপুৰী প্ৰৱেশ প্ৰসংগত এনেদৰে আছে—

চলাইলন্ত নদ নদী নগৰ অশেষ

(ভা. প্ৰ. স্ক. ২০২)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণৰ জন্মৰ সময়ত পৰিৱেশ বৰ্ণনাত আছে—

নদনদী প্ৰসন্ন পংকজে জাতিস্মাৰ।।

(ভা. দ. স্ক. ১০৭২২)

বসুদেৱে শ্ৰীকৃষ্ণক নন্দৰ গৃহলৈ লৈ যোৱা প্ৰসংগত আছে—

বাৰিষা যমুনা নদী ফেনে ফোটোকাৰে।

(ভা. দ. স্ক. ১০৭৫৩)

হৰি ভকতিৰ মহিমা বৰ্ণনা কৰিবলৈ গৈ শংকৰদেৱে উপদেশ প্ৰসংগত সংসাৰগনক আৰু হৰি ভক্তিক নানা বিষয়ৰ লগত তুলনা কৰি বৰ্ণনীয় বিষয়ক সহবোধ্য কৰি তুলিছে—

আশা নামে নদী ঘোৰ জল মহাধন।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১০৯৮৬)

অপ্ৰয়াসে তৰা আশা নদীৰ নিকাৰ।।

(ভা. দ. স্ক. ১০৯৮৯)

শ্ৰীকৃষ্ণৰ বাসাসুৰ আৰু বকাসুৰ বধ বৰ্ণনাত আছে—

সমস্তে বৎসক         পিয়াইল পানী
নমায়া নদীত পাচে।

(ভা. দ. স্ক. ১০৯৯৯)

ব্ৰহ্মাই কৃষ্ণৰ মহিমা চাবৰ বাবে গো, গো বৎস, গোপ বালক সকলোবোৰ হৰণ কৰি নি এবছৰৰ পিছত পুনৰ চাবলৈ আহি সকলোবোৰকে দেখি কৃষ্ণৰ মায়া বুলি বুজিব পাৰি নিজৰ ভুল উপলব্ধি কৰা প্ৰসংগত আছে—

সাগৰৰ আগে ক্ষুদ্ৰ নদী কৰে চটি।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১১০৪)

বৃন্দাবনৰ বাৰিষা ঋতুৰ বৰ্ণনাৰ লগতে বাৰিষা ঋতুক মানৱ জীৱনৰ নানা বিষয়ৰ লগত তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

নতবৈ বিপথে আতি ক্ষুদ্ৰ নদী যত।
কৰৈ অকাৰ্যক যেন ধৰ্মৰ গৰ্বত।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪০২)

******

হুয়া নদী সব সমে সংগম সাগৰ।
কৰিল কল্লোল মহা উৰ্মি ভয়ংকৰ।
যেন যিটো যোগীৰ নুগুচৈ কম কষ্ট
বিষয়ক পাইলে পুনৰপি হৱৈ ভ্ৰষ্ট।।

(ভা. দ. স্ক. ১১৪৩৮)

গোপীসকলে কৃষ্ণৰ গুণগান কৰা প্ৰসংগত কৃষ্ণৰ অধৰামৃত পান কৰি থকা বংশীটিকো গোপীসকলে ঈৰ্ষাৰ চকুৰে চোৱাৰ লগতে প্ৰশংসা কৰা প্ৰসংগত আছে—

যাৰ জলপানে ত্ৰাহি বংশী ভৈল পুষ্ট।
তাৰ মাতৃ তুল্য ইটো নদীয়ে সন্তুষ্ট।।

(ভা. দ. স্ক. ১১৫০২)

বৃন্দাবনত ধেনুচাৰি ফুৰা কৃষ্ণৰ কাৰ্য বৰ্ণনাত আছে—

নদী নমাই গুৱালে গৰুক পিয়াই পানী।

(ভা. দ. ১১৫৮০)

বিপ্ৰ পত্নী প্ৰসাদ অধ্যায়ত কৃষ্ণ আৰু বলৰাম বিপ্ৰৰ গৃহত উপস্থিত হোৱাৰ লগে লগে বিপ্ৰ পত্নীসকলে একো বাধা নামানি উত্ৰাৱল হৈ কৃষ্ণক চাবলৈ অহা কাৰ্য তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

যেন যৈত মন তৈত চাবি বান্ধে যদি।
সাগৰত তথাপিতো বহি পৰে নদী।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১১৬০৪)

শ্ৰীকৃষ্ণই গোবৰ্দ্ধন পৰ্বত ধাৰণ কৰি ইন্দ্ৰৰ দৰ্প চূৰ্ণ কৰাৰ পিছত কৃষ্ণৰ অভিষেক কৰাত সকলো আনন্দিত হোৱা প্ৰসংগত আছে—

নদী সৱে বহৱৈ প্ৰলম্বি পয়ামৃত।।

(ভা. দ. স্ক. ১১৬০৪)

নন্দ, গোপগন আৰু গোপ কুমাৰসকলে এদিন দেৱী অম্বিকাৰ দৌল দৰশন কৰিবলৈ যোৱাৰ প্ৰসংগত আছে—

সৰস্বতী নদীত কৰিয়া সৱে স্নান।

(ভা. দ. স্ক. ১২২০৩)

গোপীসৱে দিনত কৃষ্ণৰ বিৰহত কৃষ্ণৰ গুণ গান গাই থকা বৰ্ণনাত কৃষ্ণৰ বংশী ধ্বনি শুনি নদীবিলাকে কৰা আচৰণ বৰ্ণনা কৰা প্ৰসংগত আছে —

নদী সবো শুনি পালটি বহিয়া
তত্তি থাকৈ মোহ ভাৱে।

(ভা. দ. স্ক. ১২২৫৯)

আমি যেন সিয়ো নদীয়ো নপায়া
কৃষ্ণৰ চৰণ বেণু।

******

অচেতন নদী সিয়ো মোহ যায়
কিকৈবো মোৰ অৱস্থা। (ভা. দ. স্ক. ১২২৬০)

উপদেশ প্ৰসংগত হৰি নামৰ মাহাত্ম্য বৰ্ণনাত আছে—

হৰিসে তাৰিবে মোৰ সংসাৰ নদীত।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৩২৭)

অক্ৰূৰে কংসৰ আদেশ অনুসৰি কৃষ্ণক নিবলৈ ব্ৰজলৈ আহি কৃষ্ণৰ খোজতে প্ৰণাম কৰা প্ৰসংগত আছে—

ভৱনদী তৰিবাৰ এহি দৃঢ় নাৱ।

(ৰূপক অলংকাৰ ১২৪০৮)

অক্ৰূৰৰ কৃষ্ণস্তুতি প্ৰসংগত কৃষ্ণৰ সৰ্বদেৱময় ৰূপৰ মহিমা বৰ্ণনাত এনেদৰে আছে—

যেন যত নদী মানে সাগৰত পৰে।।

(উপমা অলংকাৰ ১২৪৮২)

উপদেশ অধ্যায়ত কৃষ্ণ নাম মাহাত্ম্য বৰ্ণনাত আছে এনেদৰে—

এহিসে কৰিবে কালনদীত উদ্ধাৰ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৫২৬)

বসুদেৱ দৈৱকীয়ে কৃষ্ণ বলোৰামে চানুৰ মুষ্টিকৰ সৈতে কৰা মল্লযুদ্ধ চাই থাকিব নোৱাৰি দুখ কৰা প্ৰসংগত আছে—

একেবাৰে পৰি নপাইলো দুনাই
বিপদ নদীৰ পাৰ।।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৭০৩)

গোপী উদ্ধৱ সংবাদ অধ্যায়ত উদ্ধৱে গোপী সকলৰ আগত কৃষ্ণৰ বাৰ্তা দিয়া প্ৰসংগত আছে—

সমস্ত নদীৰ যেন নানা পথে
সাগৰত পৰৈ জল।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১৩০৪২)

একাদশ স্কন্ধ ভাগৱতত শ্ৰীকৃষ্ণই যাদৱ সকলৰ সৈতে প্ৰভাস তীৰ্থলৈ যাত্ৰাকৰাৰ উদ্যোগৰ পিছত দ্বাৰকাত হোৱা অমংগলৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

অকালতে বাঢ়ে নদী নদ সৰোবৰ।

(ভা. এ. স্ক. ১৭৫৬৭)

প্ৰভাস তীৰ্থত যদুবীৰ সকলৰ মাজত সংঘটিত হোৱা যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

সেনাৰ শোণিতে নদী বৱৈ বালি বুৰি।।

(ভা. এ. স্ক. ১৭৮০৩)

যদুবংশ ধ্বংস বৰ্ণনাৰ শেষত উপদেশ প্ৰসংগত এনেদৰে আছে—

আশা নামে নদী ঘোৰ একোমতে নাই ওৰ

ধনে আবো ভৈল মহাজল।।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৭৮৫৯)

একাদশ স্কন্ধৰ শেষত উপদেশ অধ্যায়ত নাম মাহাত্ম্য বৰ্ণনা প্ৰসংগত আছে—

আলজাল এৰি হৰিক সুমৰি

সুখে ভৱ নদী তৰা।।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৮৩১৬)

দ্বাদশ স্কন্ধ ভাগৱতত শুকমুনিয়ে ৰজা পৰীক্ষিতক নিত্য প্ৰলয় ব্যৱস্থাৰ বিষয়ে কোৱা প্ৰসংগত এনেদৰে আছে—

যেন নদী সমস্তৰ জল যায় বহি।

তথাপি আগতে দেখে নদী আছে ৰহি।।

......................................................।।

উপমা অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৪৭৭)

এই স্কন্ধতে মাৰ্কণ্ডেয় ঋষিৰ আশ্ৰমৰ বৰ্ণনা প্ৰসংগত আছে—

পুষ্পভদ্ৰা নদী তটে প্ৰকটে প্ৰকাশৈ পুনু

পাথৰৰ তন্ত মনোৰম।।

(ভা. দ্বা. স্ক. ১৮৬২৬)

মাৰ্কণ্ডেয় ঋষিৰ ভগবান্মায়া দৰ্শন প্ৰসংগত আছে—

পুষ্পভদ্ৰা নদী তট নিকটত

বিযুক্ত চিত্তন্তে আছে।

(ভা. দ্বা. স্ক. ১৮৬৯৩)

মাৰ্কণ্ডেয় ঋষিয়ে বালমুকুন্দৰ নাসাৰন্ধ্ৰেৰে প্ৰৱেশ কৰি সমস্ত জগত দৰ্শন কৰাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

নদী নদ দীৰ্ঘ সৰোবৰ বন যত।

(ভা. দ্বা. স্ক. ১৮৭২১)

পুষ্পভদ্ৰা নদী নিজ দেখন্ত আশ্ৰম।।

(ভা. দ্বা. স্ক. ১৮৭২৪)

সাতকল্প দৰ্শনৰ অন্তত ঋষিয়ে নিজকে পুনৰ পুষ্পভদ্ৰা নদীৰ তীৰৰ আশ্ৰমত আবিষ্কাৰ কৰাৰ বৰ্ণনা প্ৰসংগত আছে এনেকৈ—

পুষ্প ভদ্ৰা নদীৰ তীৰত মহাসুখে।

জাগি যেন স্বপ্নৰ স্মৰন্ত বাম মুখে।।

(ভা. দ্বা. স্ক. ১৮৭৩৩)

হৰিশ্চন্দ্ৰ উপাখ্যানত কৃষ্ণ ভক্ত, সন্ত, একছত্ৰী ৰজা হৰিশ্চন্দ্ৰৰ দুৰাৱস্থা দেখি দেৱতাসকলে দুখ কৰা প্ৰসংগত আছে—

যাহাৰ যজ্ঞত নদী বহিলেক ঘৃতি।

( হ. উ. ১৯৯)

ৰাণী শৈব্যাই শ্মশানত শ্ৰীহীন ৰজা হৰিশ্চন্দ্ৰক চিনিব পাৰি পূৰ্বৰ শৌৰ্য বীৰ্যৰ কথা স্মৰণ কৰি শোক কৰা প্ৰসংগত এনেদৰে আছে —

নদীসৰে উঠে পঙ্ক স্বৰ্গতো লাগয় চঙ্ক

শত্ৰুৰ যাইবাক পুৰী নাই।

(হ. উ. ৪১৮)

বক ৰূপী বিশ্বামিত্ৰ আৰু শৰলি ৰূপী বশিষ্ঠৰ যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

শৰীৰৰ তেজ নদী যেন বহি যায়।

উপমা অলংকাৰ, (হ. উ. ৫৯৩)

'ৰুক্মিনী হৰণ' কাব্যত ৰুক্মিণীক তিলেকতে কৃষ্ণক আনি দিয়াৰ আশ্বাস দি বেদনিধিয়ে দ্বাৰকালৈ গমন কৰা প্ৰসংগত এনেদৰে আছে—

ছাৰিলন্ত নদ নদী অনেক দুৰ্গম পথ

পৰ্বত নগৰ গ্ৰাম দেশ।

(ৰু. হ. কা. ১১০)

শ্ৰীকৃষ্ণই বেদনিধি, বিশ্বকেতু নৃপতিসহ চতুৰংগ সেনালৈ মহা আড়ম্বৰেৰে কুণ্ডিল নগৰত প্ৰৱেশ কৰা বৰ্ণনা প্ৰসংগত এইদৰে আছে—

অল্প নদী যতেক নামন্তে উঠে পংক।

প্ৰজাৰ হিৰত দশো দিশে লাগে চংক।।

(ৰু. হ. কা. ১৯২)

অমৃত মথন কাব্যত সুৰাসুৰ সহিত ব্ৰহ্মাৰ শিব-স্তুতি প্ৰসংগত এনেদৰে আছে—

নাড়ীগণে নদীৰূপে ভৈলন্ত হৃদয়।।

(অ. ম. কা. ১৯৭)

সাগৰ মন্থনত ওপজা সাগৰ কন্যা লক্ষ্মী দেৱীক স্বয়ম্বৰ উপলক্ষে স্নান কৰোৱা বৰ্ণনা প্ৰসংগত এনেকৈ আছে —

গংগাদেৱী আদি কৰি সুবৰ্ণৰ ঘট ধৰি

আসিলন্ত পুণ্য নদী যত।।

(অ. ম. কা. ২৩৮)

দেৱাসুৰৰ যুদ্ধৰ ভয়াবহ অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে —

ৰুধিৰে বহিল নদী এক ভয়ংকৰ।।

ৰূপক অলংকাৰ, (অ. ম. কা. ৪৬০)

'বলিছলন' কাব্যত দৈত্যৰাজ বলিৰ ভয়ত ত্ৰস্তমান দেৱতা সকলৰ দুৰাৱস্থা দেখি দেৱমাতা অদিতিৰ মানসিক অস্থিৰতা বৰ্ণনা প্ৰসংগত এনেদৰে আছে —

বিপদ নদীত পৰি নপাইলোহো পাৰ।

ৰূপক অলংকাৰ, (ব. ছ. কা. ১০০)

ব্ৰহ্মাই অদিতিৰ গৰ্ভস্থিত মাধৱক স্তুতি কৰা প্ৰসংগত আছে—

তুমি কাল নদীত জগত ভাসি যায়।

ৰূপক অলংকাৰ, (ব. ছ. কা. ১৫৬)

বলি ৰজাৰ যজ্ঞত বৰ্ণনা প্ৰসংগত আছে —

নৰ্মদা নদীৰ আসি উত্তৰ তীৰত।

(ব. ছ. কা. ১৮৯)

বামন ৰূপী বিষ্ণু বলিৰ যজ্ঞশালালৈ যোৱা বৰ্ণনাত এনেদৰে আছে

চলিযান্ত ধীৰে ধীৰে

নৰ্মদা নদীৰ তীৰে।। (ব. ছ. কা. ২১৩)

বামন ৰূপী বিষ্ণু বলিৰ যজ্ঞশালালৈ যোৱা বৰ্ণনাত আছে—

চলি যান্ত ধীৰে ধীৰে।

নৰ্মদা নদীৰ তীৰে।। (ব. ছ. কা. ২১৩)

বামন ৰূপী বিষ্ণুৰ বিৰাট ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে —

নদী সব নাড়ীত নখত শিলাচয়।

(ব. ছ. কা. ৩১৬)

বামনৰ পাদোদকৰ পৰা গংগা উৎপত্তি হোৱা বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

ত্ৰৈলোক্যক পবিত্ৰ কৰিয়া দেৱ নদী।

বহিবে লাগিলা পিছে আকাশক ভেদি।।

(ব. ছ. কা. ৩৩০)

বামন ত্ৰৈলোক্যৰ ৰজা হোৱাৰ পিছত দশোদিশে হোৱা মংগলাৱস্থাৰ বৰ্ণনা প্ৰসংগত আছে—

পদ্মামৃতে প্ৰলম্পি আপুনি নদী বহে।।

(ব. ছ. কা. ৫৫২)

'আনদি পাতন'ত ৰজা পৰীক্ষিতে নাৰায়ণৰ জগত সৃজন ব্যাখ্যা শুনিবলৈ বিচৰা প্ৰসংগত আছে —

যিমতে সৃজিলা নদনদী সৰোবৰ।

(অ. পা. ১১)

পাতালৰ সৃষ্টি শীৰ্ষক অধ্যায়ত জম্বুদ্বীপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পকা ফল খহিয়া শিলাত পৰে গই।

তাৰ ৰসে মহানদী এক যায় বই।।

(অ. পা. ১০৫)

জম্বু ৰসে নদী বহে জম্বুনদী নাম।।

( অ. পা. ১০৬)

ত্ৰিমূৰ্তিৰ প্ৰতি ভগৱৎ নিৰ্দেশ শীৰ্ষক অধ্যায়ত মনুষ্য দেহৰ মহিমা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তপ্ত জম্বুনদী যেন সোনাৰ প্ৰকাশ।

উপমা অলংকাৰ, (অ. পা. ২০৮)

গ্ৰহ আৰু পদ্মকল্পৰ কথা শীৰ্ষক অধ্যায়ত নৰকৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে —

যিটো মন্দমতি বেদ পন্থ ছন্ন কৰে।

বৈতৰণী নদীত যাতনা ভুঞ্জি মৰে।।

(অ. পা. ২৮২)

'নিমি নবসিদ্ধ সংবাদ'ত কলিকালত কৃষ্ণ নামৰ মাহাত্ম্য ক'ত বেছিকৈ প্ৰচাৰ হ'ব সেই কথা কোৱা প্ৰসংগত আছে—

তাম্ৰপৰ্ণী কৃতমালা নদী পয়োস্বিনী।
প্ৰতিচী কাবেৰী মহানদী পয়োভিনী।।

(নি. ন. সি. সং. ৩৯৭)

উত্তৰা কাণ্ড ৰামায়ণৰ চতুৰ্থ অধ্যায়ত শ্ৰীৰামচন্দ্ৰই অশ্বমেধ যজ্ঞৰ আয়োজন কৰি লক্ষ্মণক আদেশ দিয়া প্ৰসংগত এইদৰে আছে—

পুণ্য নদী গোমতীৰ তীৰত সত্বৰে গৈয়া
যজ্ঞশালা কৰিয়ো নিৰ্মাণ।

(উ. কা. ৰা. ১)

গোমতী নদীৰ তীৰে ৰত্নৰ মন্দিৰ বীৰে
সজাইলন্ত পৰম প্ৰাৰম্ভে।

(উ. কা. ৰা. ৩)

পঞ্চবিংশ অধ্যায়ত গৰ্গ ঋষিয়ে অযোধ্যালৈ অহা কাৰণ ব্যাখ্যা কৰা প্ৰসংগত এনেদৰে আছে—

সিন্ধু নদী তীৰ জুৰি সৈন্ধৱ গন্ধৰ্ব ৰাজ
ৰহি আছে কৰি মহাগৰ্ব।

(উ. কা. ৰা. ১৬)

ষষ্ঠবিংশ অধ্যায়ত ভৰত আৰু ভৰতৰ পুত্ৰই সৈন্ধৱ গন্ধৰ্বক বধ কৰি নগৰ পতাৰ বৰ্ণনা প্ৰসংগত আছে—

পাতিলন্ত নগৰ নদীৰ দুই তীৰে।।

(উ. কা. ৰা. ৩১)

'কেলিগোপাল' নাটৰ আৰম্ভণিৰ ভটিমাত কৃষ্ণ নাম মাহাত্ম্য বৰ্ণনাত এনেদৰে আছে —

যাকুনাম ধৰি অধম পাপী
পাৰত ভৱনদী পাৰ।

(ৰূপক অলংকাৰ)

শ্ৰীকৃষ্ণৰ বংশী ধ্বনি শুনি প্ৰকৃতিয়েও আনন্দ লাভ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে —

..... নদীসৱ কামে কম্পয়ে ৰহ।

সমাসোক্তি অলংকাৰ, (ক. সু.)

**নিৰ্ঝৰ ঃ**

মালৱ দেশৰ অৱন্তী পুৰৰ ৰজা ইন্দ্ৰদ্যুম্নই মাধৱক আৰাধনা কৰিবলৈ গৈ উপস্থিত হোৱা দক্ষিণ সাগৰৰ পাৰৰ প্ৰাকৃতিক পৰিৱেশ বৰ্ণনা কৰা প্ৰসংগত আছে—
কীৰ্তনৰ উৰেষা বৰ্ণন অধ্যায়ত

উচ্চ শিখৰৰ পৰা বহৰে নিৰ্ঝৰ।

(কী. উ. ৰ. ২২)

ভাগৱতৰ দশম স্কন্ধত বৃন্দাবনত গোপবালক সকলৰ লগত কৃষ্ণ বলৰামৰ খেলা আৰু প্ৰলম্বাসুৰ বধ বৰ্ণনা প্ৰসংগত বৃন্দাবনৰ সুন্দৰ বৰ্ণনাত এনেদৰে আছে—

শুনি অসংখ্যাত তাত নিৰ্ঝৰৰ নাদ।

(ভা. দ. স্ক. ১১৩৫৫)

বাৰিষা কালৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পৰ্বতৰ নিঝৰৰ নাদ শুনি আতি।
গোপগণ সম উনাৰন্ত কাণ পাতি।।

(ভা. দ. স্ক. ১১৪৫৮)

**পয়সি ঃ**

কেলি গোপাল নাটত মুক্তিমংগল ভটিমাত কৃষ্ণত গুণানুকীৰ্তনত এনেদৰে আছে—

মীন ৰূপে ঃ প্ৰলয় পয়সি ঃ সত্যব্ৰত যোতাৰিলে।

**পয়োধি ঃ**

কীৰ্তনৰ অক্ৰুৰৰ বাঞ্ছা পূৰণ অধ্যায়ৰ ঘোষাত এনেদৰে ব্যৱহাৰ হৈছে—

গোপাল কৃপাল পালিয়ো বাপ
পাপ পয়োধিত মৰো।।

ৰূপক অলংকাৰ, ( কী. অ. বা. পূ. ঘো. ১)

ৰামবিজয় নাটত মুক্তিমংগল ভটিমাত সীতা উদ্ধাৰৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বান্ধল সেতু পয়োধিক বাৰি।

**পয়োনিধি ঃ**

কীৰ্তনৰ কৃষ্ণ লীলামালা অধ্যায়ৰ চতুৰ্থ কীৰ্তনত কৃষ্ণই দ্বাৰকা পুৰী নিৰ্মাণ কৰা প্ৰসংগত এনেদৰে আছে—

নিৰ্মিলা দ্বাৰকা পুৰী পয়োনিধি মাজে।

(কী. কৃ. লী. মা. ৫৩)

ৰুক্মিনী হৰণ কাব্যত আৰম্ভণিতে মংগলাচৰণত কৃষ্ণৰ বন্দনা প্ৰসংগত এনেদৰে আছে—

যাৰ নাম স্মৰি তৰে পাপ পয়োনিধি।

ৰূপক অলংকাৰ, (ৰু. হ. কা. ১)

ৰুক্মিনী হৰণ নাটৰ আৰম্ভণিতে দেৱ ভটিমাত এনেদৰে আছে—

তাহে শুনিতে ভণিতে পাৰত
পাপ পয়োনিধি পাৰ।।

ৰূপক অলংকাৰ

ৰুক্মিনীয়ে তেওঁক শিশুপাললৈ বিয়া দিব বুলি শুনি বেদনিধিৰ আগত কৃষ্ণলৈ বাৰ্তা পঠিওৱা

প্ৰসংগত ৰুক্মিনীৰ শোক প্ৰকাশক অহিৰ ৰাগৰ জ্যোতিমান তালৰ কেশৱ এ হামা কৰি শীৰ্ষক গীতটিত এনেদৰে আছে—

বিপদ পয়োনিধি পয়লো মুৰাৰু।

ৰূপক অলংকাৰ

**পুখুৰী ঃ**

ভাগৱতৰ দশম স্কন্ধত পুতনা বধ প্ৰসংগত নিজ ৰূপ ধৰি অচেতন হৈ মাটিত পৰা পুতনাৰ বৰ্ণনাত আছে—

শুকান পুখুৰী যেন পেট আছে খালী।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১০৮৩৩)

শ্ৰীকৃষ্ণই ব্যোমাসুৰ বধ কৰা প্ৰসংগত অসুৰৰ শাৰীৰিক বৰ্ণনাতো এনেদৰে আছে। (ভা. দ. স্ক. ১২৩৭৯)

'ৰুক্মিণী হৰণ' কাব্যত কুণ্ডিল নগৰৰ বৰ্ণনা প্ৰসংগত আছে—

অসংখ্য পুখুৰী চপচপ কৰি
চাৰু জলে আছে ভাৰি।

(ৰু. হ. কা. ২০১)

**বাৰিধি ঃ**

আশোবাৰী ৰাগ পৰিতালৰ 'শুন শুন ৰে সুৰ' শীৰ্ষক বৰগীতত ৰাম চন্দ্ৰই ৰাৱণৰ বিৰুদ্ধে সমৰ সজ্জা কৰা বৰ্ণনাত এনেদৰে আছে—

বাৰিধি তীৰ তৰি কৰে গুৰুতৰ গিৰি

**মহোদধি ঃ**

কীৰ্তনৰ বেদস্তুতি অধ্যায়ৰ দ্বিতীয় কীৰ্তনৰ ঘোষাত ৰূপক হিচাপে ব্যৱহৃত হৈছে—

মায়া মহোদধি মাঝে মজিলোহো
মাধৱ মোক উদ্ধাৰ।।

ৰূপক অলংকাৰ, (কী. বে. স্তু. ঘো. ২)

**সমুদ্ৰ ঃ**

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰৰ প্ৰথম কীৰ্তনত কৃষ্ণৰ প্ৰথম অৱতাৰ বৰ্ণনা প্ৰসংগত আছে—

নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া।।

(কী. চ. অ. ২)

ভাগৱতৰ দ্বিতীয় স্কন্ধত ভগবানৰ লীলা অৱতাৰ বৰ্ণন প্ৰসংগত আছে—

ধন্বন্তৰি ৰূপে হৰি অমৃতৰ ঘট ধৰি
সমুদ্ৰৰ পৰা হৈলা বাজ।

(ভা. দ্বি. স্ক. ৫৩১)

তেনেকৈ ৰাম অৱতাৰ বৰ্ণনা প্ৰসংগত আছে—

তিনিদিন ব্ৰত ধৰি থাকিবন্ত লীলা কৰি
তভো যেৱে সমুদ্ৰ নাসন্ত।।

(ভা. দ্বি. স্ক. ৫৩৮)

পাচে ভৰি গতি কৰি সসৈন্যে সমুদ্ৰ তৰি
সুবেলে ৰহিবা ৰাম দেৱ।

(ভা. দ্বি. স্ক. ৫৪০)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণই চতুৰ্ভুজ ৰূপে গোবৰ্দ্ধন পৰ্বত ধাৰণ কৰাৰ সময় কৃষ্ণৰ বৰ্ণনাত আছে—

সমুদ্ৰ কোটিত কৰি দেখিয় গম্ভীৰ।

ব্যতিৰেক অলংকাৰ, (ভা. দ. স্ক. ১১৭৩৪)

কৃষ্ণৰ সৈতে ৰজনী ৰক্ষি দিনত গোপী সকলে কৃষ্ণৰ গুণ গান কৰি কটোৱা সময়ত কৃষ্ণৰ বংশী ধ্বনি শুনি বিমোহিত হৈ পৰা কৃষ্ণসাৰ হৰিণৰ ভাৰ্যাগণৰ লগত নিজকে তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

গুণ সমুদ্ৰক পায়া গোবিন্দক
তেজি নযায় পুনৰপি।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২২৭০)

চানুৰ মুষ্টিকৰ লগত মল্লযুদ্ধ কৰা সময়ত বলোৰামৰ ৰূপ বৰ্ণনাত আছে—

সমুদ্ৰ কোটিতো কৰি গহীন গম্ভীৰ।

ব্যতিৰেক অলংকাৰ, ভা. দ. স্ক. ১২৬৪৮)

দ্বাদশ স্কন্ধ ভাগৱতত পৰীক্ষিতৰ ব্ৰহ্মাজ্ঞান লাভ শীৰ্ষক অধ্যায়ত এনেদৰে আছে—

আনন্দ সমুদ্ৰে সমূলে মজিলা
গৈল মায়া বন্ধ ছিৰি।

ৰূপক অলংকাৰ, ভা. দ্বা. স্ক. ১৮৫৫১)

ভাগৱতৰ সংক্ষিপ্ত বৰ্ণনা শীৰ্ষক অধ্যায়ত এনেদৰে আছে—

ৰবিষ সমুদ্ৰ দ্বীপ পৰ্বত সমান।

(ভা. দ্বা. স্ক. ১৮৮০৬)

অমৃতমথন কাব্যৰ মংগলাচৰণ শীৰ্ষক অধ্যায়ত দৈত্যৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি পৰিত্ৰাণৰ উপায় বিছাৰি ত্ৰিদশ দেৱতাই ব্ৰহ্মাসহ বিষ্ণুক স্তুতি কৰা প্ৰসংগত এইদৰে আছে—

চাৰি বেদে চাৰি ভুজ সমুদ্ৰে উদৰ।
জগতকে ব্যাপি আছে যাৰ কলেৱৰ।।

(অ. ম. কা. ৩৫)

কূৰ্ম অৱতাৰ শীৰ্ষক অধ্যায়ত সমুদ্ৰ মন্থনত উঠি অহা হলাহল বিষৰ জ্বালা সহিব নোৱাৰি তাৰ পৰা ৰক্ষা পাবলৈ সুৰাসুৰ সহ ব্ৰহ্মাই শিৱক স্তুতি কৰা প্ৰসংগত এনেদৰে আছে—

জিহ্বা ভৈলা অনল সমুদ্ৰ ভৈলা কুক্ষি।।

(অ. ম. ক. ১৯৬)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণ বলোৰাম আৰু নন্দ যশোদাৰ মিলন শীৰ্ষক অধ্যায়ত ব্ৰজেশ্বৰী যশোদাই দৈৱকীকে আদি কৰি সমবেত নাৰী সকলৰ আগত কৃষ্ণ গুণ বৰ্ণোৱা প্ৰসংগত এনেদৰে আছে—

প্ৰেম সমুদ্ৰত মন মজে পুনু পুনু।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ১১৬)

**সৰোবৰ ঃ**

কীৰ্তনৰ ধ্যানবৰ্ণন অধ্যায়ত বৈকুণ্ঠৰ বৰ্ণনাত আছে—

চাৰু সৰোবৰ নিৰ্মল জল।

(কী. ধ্যা. ব. ২)

গজেন্দ্ৰোপাখ্যান অধ্যায়ত ত্ৰিকূট পৰ্বতৰ সৌন্দৰ্য বৰ্ণনাত আছে—

নদ নদী অশেষ বিশেষ সৰোবৰ।

(কী. গ. উ. ৫)

উক্ত বৰ্ণনাতে গজেন্দ্ৰই জলক্ৰীড়া কৰা প্ৰসংগত আছে—

তাহাৰ মাজে সৰোবৰ এক।

(কী. গ. উ. ১০)

নামিল গৈয়া সৰোবৰ মাজে।।

(কী. গ. উ. ১৮)

কীৰ্তনৰ হৰমোহন অধ্যায়ত দিব্য উপবনৰ বৰ্ণনা প্ৰসংগত আছে—

দীঘি সৰোবৰ
মহা মনোহৰ

(কী. হ. মো. ২৭)

এই অধ্যায়ত হৰই দিব্য কন্যাৰ ৰূপত ব্যাকুল হোৱা বৰ্ণনা প্ৰসংগত আছে—

গিৰিগুহা বন নদ নদী সৰোবৰ।
খেদিয়া ফুৰন্ত হৰে দ্বীপ-দ্বীপান্তৰ।।

(কী. হ. মো. ৬১)

'কালযৱন বধ' অধ্যায়ত দ্বাৰকা নগৰীৰ বৰ্ণনাত আছে—

দিব্য সৰোবৰ দীঘি দেখি বিতোপন।

(কা. ব. ৫২)

নাৰদৰ কৃষ্ণ দৰ্শন অধ্যায়ত দ্বাৰকানগৰৰ বৰ্ণনা প্ৰসংগত আছে—

দিব্য সৰোবৰ পুষ্পিত বনে।

(না. কৃ. দ. ১৪)

দামোদৰ বিপ্ৰাখ্যানত বিপ্ৰই কৃষ্ণৰ ওচৰৰ পৰা উভতি গৈ নিজ গৃহ দেখা পোৱা বৰ্ণনাত আছে—

দীঘি সৰোবৰ পুষ্পিত উৎপল।

(কী. দা. বি. আ. ২৫)

উৰেষা বৰ্ণন অধ্যায়ত মালৱ দেশৰ অৱন্তীপুৰী নগৰৰ ৰজা ইন্দ্ৰদ্যুম্নই মাধৱক আৰধনা কৰিবলৈ গৈ প্ৰজাগণ সমন্বিতে দক্ষিণ সাগৰৰ পাৰত উপস্থিত হোৱা প্ৰসংগত সেই স্থানৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা প্ৰসংগত আছে—

চাৰু সৰোবৰক পংকজে আছে ৰহিত।

(কী. উ. ব. ২১)

ৰজা ইন্দ্ৰদ্যুম্নৰ স্তুতিত সন্তুষ্ট হৈ বিষ্ণুৱে তেওঁক আশীৰ্বাদ দিয়া প্ৰসংগত আছে—

যজ্ঞ অৱশেষ যজ্ঞ জল অনুপাম।
হুইবে তীৰ্থ ইন্দ্ৰদ্যুম্ন সৰোবৰ নাম।।

(কী. উ. ব. ১৫২)

ভাগৱতৰ প্ৰথম স্কন্ধত নাৰদৰ পূৰ্বজন্ম কথন প্ৰসংগত আছে—

বনমধ্যে দেখিলো বিচিত্ৰ সৰোবৰ।।

(ভা. প্ৰ. স্ক. ৫৪)

ভাগৱতৰ দশম স্কন্ধত বাৰিষা কালত বৃন্দাবনৰ পশু-পক্ষীৰ কাৰ্য বৰ্ণনা প্ৰসংগত আছে—

কণ্টকে যুগুত সৰোবৰৰ তীৰত।
তাতে বঁৰে তথাপি চকোৰা পক্ষী যত।।
যেন গৃহবাস ঘোৰ দুখময় জানি।
তথাপিতো নেৰয় তাক দুৰাশয় প্ৰাণী।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৪৬)

ইয়াৰ পিছৰ অধ্যায়ত শৰতৰ শোভা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পক্ষীকৰৈ ধ্বনি সৰোবৰ ছানি
বিকশিত পুষ্পবন।

(ভা. দ. স্ক. ১১৪৭৩)

বসন্তকালতকৈও মনোৰম শৰত কালৰ প্ৰকৃতিৰ বৰ্ণনাত এনেদৰে আছে—

পুষ্পিত কমলে আছে সৰোবৰ ৰঞ্জি।

(ভা. দ. স্ক. ১১৪৮৯)

কৃষ্ণ গোপীৰ ৰাসক্ৰীড়া প্ৰসংগত কৃষ্ণৰ ৰূপৰ বৰ্ণনাত এনেদৰে আছে—

অতি প্ৰকাশিত পদ্মনাভি সৰোবৰ।।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২০৬৮)

একাদশ স্কন্ধ ভাগৱতত দ্বাৰকাত মহা উৎপাত আৰু শ্ৰীকৃষ্ণৰ যাদৱ সকলৰ সৈতে প্ৰভাসলৈ যাবলৈ উদ্যোগ শীৰ্ষক অধ্যায়ত এনেদৰে আছে—

অকালতে বাঢ়ে নদী নদ সৰোবৰ।

(ভা. এ. স্ক. ১৭৫৬৭)

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিৰ আশ্ৰমৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

আছে যত সৰোবৰ নিৰ্মল পৱিত্ৰজল
পদ্মবনে হংসৰ আবাৰ।।

(ভা. দ্বা. ক. ১৮৬২৭)

হৰিশ্চন্দ্ৰ উপাখ্যানত বক ৰূপী বিশ্বামিত্ৰ আৰু শৰালি ৰূপী বশিষ্ঠৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

দিব্য সৰোবৰ মাজে উঠি ভৈল পংক।

(হ. উ. কা. ৫৯৬)

ৰুক্মিনী হৰণ কাব্যত দেদনিপিৰ দ্বাৰকা দৰ্শন প্ৰসংগত এনেদৰে আছে

সৰোবৰ চয় চাৰু জলে আছে ভৰি।

(ৰু. হ. কা. ১১৪)

বলিছলন কাব্যত ইন্দ্ৰৰ অগ্ৰাৱতীৰ নন্দন কাননৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

দিব্য সৰোবৰ নিৰ্মিলা বিস্তৰ

নন্দন বনৰ কোল।

(ব. ছ. কা. ৪৬)

তেনেদৰে গৃহৰ বৰ্ণনাত আছে—

তাতে দিব্য ঘৰ দীঘি সৰোবৰ

পৰি পক্ষী কৰে নাদ।

(ব. ছ. কা. ৫২)

বামনৰূপী বিষ্ণুৰ আজ্ঞামতে বলি ৰজাই সুতল পুৰীত প্ৰৱেশ কৰা প্ৰসংগত সুতলপুৰীৰ বৰ্ণনাত এনেদৰে আছে—

তাৰ কাছে আছে দিব্য দিঘী সৰোবৰ।।

(ব. ছ. কা. ৫৭৮)

উত্তৰাকাণ্ড ৰামায়ণৰ ষষ্ঠবিংশ অধ্যায়ত ভৰত পুত্ৰই সৈন্ধাৱ গন্ধৰ্বক বধ কৰি সিন্ধু নদীৰ দুয়োপাৰে নগৰ পতাৰ বৰ্ণনাত এনেদৰে আছে—

দিলা দৌল দীঘি সৰোবৰ থানে থান।

(উ. কা. ৰা. য. অ. ৩৩)

তেনেদৰে লক্ষ্মণৰ পুত্ৰৰ নগৰৰ বৰ্ণনাত এনেদৰে আছে—

থানে থানে দিলা দীঘী সৰোবৰ আলি।

(উ. কা. ৰা. ৫৩)

সাগৰ ঃ

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনাত ৰাম অৱতাৰ প্ৰসংগত আছে—

লংকাত পশিলা সাগৰত বান্ধি সেতু।

(কী. চ. অ. ৯)

তেনেকৈ, সমুদ্ৰ মন্থনৰ বৰ্ণনাত আছে—

সাগৰ মথন্তে অমৃতৰ ঘট ধৰি।

(কী. চ. অ. ২৩)

******

অপ্ৰয়াসে আনি তুমি মথিলা সাগৰ।।

(কী. চ. অ. ৩২)

এই অধ্যায়তে কৃষ্ণ মাহাত্ম্য বৰ্ণনা প্ৰসংগত আছে—

পাপ সাগৰত এহিসে নাৱ।

ৰূপক অলংকাৰ, (ধা. ৰ. ২৬)

অজামিল উপাখ্যানত নাম মাহাত্ম্য বৰ্ণনা প্ৰসংগত আছে—

হৰিনাম বিনা পাপ সাগৰত
কাহাৰো নাহি নিস্তাৰ।

ৰূপক অলংকাৰ, (কী. অ. উ. ২৭)

তেনেকৈ,

সংসাৰ সাগৰ তৰি সিটো নৰে
দুৰ্লভ মোক্ষক পাৱে।

ৰূপক অলংকাৰ (কী. অ. উ. ৩৩)

কীৰ্তনৰ গজেন্দ্ৰোপাখ্যান অধ্যায় ক্ষীৰ সাগৰৰ বৰ্ণনাত আছে—

ক্ষীৰ সাগৰৰ মাজে ত্ৰিকূট পৰ্বত।

(কী. গ. উ. ২)

ক্ষীৰ সাগৰৰ ঢৌ চৌভিতি উথলে।।

(কী. গ. উ. ৪)

এই অধ্যায়তে ত্ৰিকূট পৰ্বতত থকা সৰোবৰৰ বৰ্ণনা প্ৰসংগত সৰোবৰ এইদৰে বৰ্ণনা দিছে—

সাগৰ সংকাশ দেখি প্ৰত্যেক।।

উপমা অলংকাৰ, (কী. গ. উ. ১০)

হৰমোহন অধ্যায়ৰ শেষৰ কীৰ্তনত ভাগৱত তত্ত্ব ব্যাখ্যা প্ৰসংগত আছে–

পুৰুষ উদ্ধাৰ কৰি সংসাৰ সাগৰে তৰি
অন্তকালে যায় বিষ্ণুপুৰী।

ৰূপক অলংকাৰ, (কী. হ. মো. ৯৮)

বলিছলন অধ্যায়ৰ পঞ্চম কীৰ্তনৰ ঘোষাত হৰি নামৰ মাহাত্ম্য এইদৰে ব্যক্ত হৈছে—

হৰি ৰাম হৰি ৰাম ঘোষিও ভাই
সংসাৰ সাগৰ তৰ।

ৰূপক অলংকাৰ, (ব. ছ. ৫)

শিশু লীলা অধ্যায়ৰ দ্বিতীয় কীৰ্তনৰ ঘোষাত এই দৰে আছে—

ৰাম পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰ।

ৰূপক অলংকাৰ, (কী. শি. লী. ২)

তৃতীয় কীৰ্তনত যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত সমস্ত জগত দেখা পোৱা বৰ্ণনা প্ৰসংগত আছে–

সাতোখান দ্বীপ সাতো সাগৰ।

(কী. শি. লী. ২৯)

কীৰ্তনৰ ৰাসক্ৰীড়া অধ্যায়ৰ তৃতীয় কীৰ্তনত 'ৰাস ক্ৰীড়া অধ্যায়'শ্ৰৱনৰ ফল কথন প্ৰসংগত আছে—

কৃষ্ণক ভকতি বাঢ়িবে তাৰ।
কাম সাগৰে সুখে হৈবে পাৰ।।

ৰূপক অলংকা, (কী. ৰা. ক্ৰী. ১৭১)

'কংসবধ' অধ্যায়ত অক্ৰূৰৰ কৃষ্ণস্তুতি প্ৰসংগত সকলো ধৰ্ম, সকলো দেব-দেৱতাৰ মূলতেই যে পৰম পুৰুষ ভগবান কৃষ্ণ সেই কথা উপমাৰ যোগেদি এনেদৰে প্ৰকাশিত হৈছে—

যেহেন নদনদী সমুদায়।
অনেক পথে সাগৰক যায়।।

উপমা অলংকাৰ, (কী. কং. ব. ২৮৯)

"জৰাসন্ধৰ যুদ্ধ" অধ্যায়ত জৰাসন্ধৰ পদাতিক সৈন্যৰ বৰ্ণনাত আছে–
সাগৰ সংকাশ দেখি পয়াতি।

ৰূপক অলংকাৰ, (কী. জ. যু. ৫)

কালযৱন বধ অধ্যায়ত দ্বাৰকা নগৰ নিৰ্মাণ প্ৰসংগত আছে–
এহি বুলি সাগৰ মধ্যত দামোদৰ।

(কী. কা. ব. ৫১)

মুচুকুন্দ স্তুতি অধ্যায়ৰ সামৰণিত শংকৰদেৱে কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ প্ৰসংগত কৈছে–
পাপ সাগৰত ইসে কৰিবে উদ্ধাৰ।

ৰূপক অলংকাৰ (কী. মু. স্তু. ১১৯)

স্যমন্তক হৰণ অধ্যায়ত জাম্বৱন্তই কৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে–
যাৰ মহাক্ৰোধে কটাক্ষতে গ্ৰাহে
সাগৰ কল্লোল কৰে।
লংকাক লাগিয়া মাজে বাট দিলা
ডৰিয়া অতি সাগৰে।।

(কী. স্যা. হ. ৩৪)

এই অধ্যায়ৰে যষ্ঠ কীৰ্তনৰ ভনিতাত হৰি নামৰ মহিমা ঘোষণা প্ৰসংগত আছে–
বোলা হৰি হৰি তৰা সংসাৰ সাগৰ।

ৰূপক অলংকাৰ (কী. স্যা. হ. ৪১)

নাৰদৰ কৃষ্ণ দৰ্শন অধ্যায়ত দ্বাৰকা নগৰীৰ বৰ্ণনা প্ৰসংগত আছে–
সাগৰ বেঢ়ি ভৈল গড়খাই।

(কী. না. কৃ. দ. ১৩)

দৈৱকীৰ পুত্ৰ আনয়ন অধ্যায়ত দ্বিতীয় কীৰ্তনৰ ঘোষাত আছে–
স্বামী মোক পাৰ কৰা করুণা সিন্ধু
সংসাৰ সাগৰে।

ৰূপক অলংকাৰ, (কী. দৈ. পু. আ. ঘো. ২)

বেদ স্তুতি অধ্যায়ৰ ঘোষাত আছে–
হৰি হৰিয়ো ক্লেশ হে
হৃষীকেশ করুণা সাগৰ।

ৰূপক অলংকাৰ, (কী. বে. স্তু. ঘো. ১)

বেদগণৰ কৃষ্ণ স্তুতি প্ৰসংগত আছে–
দুঃখ সাগৰত ত্ৰাণ কৰা হৰি

ৰূপক অলংকাৰ, (কী. বে. স্তু. ১৭)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত কৃষ্ণই যদুগণক প্ৰভাস তীৰ্থলৈ যাবলৈ কোৱা প্ৰসংগত এনেদৰে

আছে—

দানপুণ্যে হয়ো মহা দুৰ্গতি নিস্তাৰ।
যেন মহা নাৱে সাগৰত কৰে পাৰ।।

ৰূপক অলংকাৰ (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ২২)

শ্ৰীকৃষ্ণই উদ্ধৱৰ আগত দ্বাৰকা নগৰী নিঃশেষ হৈ যাব বুলি কোৱা প্ৰসংগত আছে—

সাগৰৰ জলে যাইবে তল।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৩১)

কৃষ্ণ সহিতে যদুগণ প্ৰভাস তীৰ্থলৈ যোৱাৰ প্ৰসংগত আছে—

নাৱে ভৈলা সাগৰৰ পাৰ।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৭০)

বিপ্ৰশাপত অভিশপ্ত যদুগণে প্ৰভাস তীৰ্থত পৰস্পৰৰ ভিতৰতে যুদ্ধত প্ৰবৃত্ত হোৱা প্ৰসংগত এনেদৰে আছে—

সাগৰৰ তীৰক ঢাকিলা মৰা শৰে।
******
পাছে বলভদ্ৰ গৈলা সাগৰৰ তীৰ।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৮৩)

এই অধ্যায়ৰে নৱম কীৰ্তনত কৃষ্ণই দাৰুকক দিয়া উপদেশ প্ৰসংগত আছে—

মঞ্জি এড়িলাত আসি বুড়াইব সাগৰে।।
সবন্ধু বান্ধৱে সাগৰত হৈবা পাৰ।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১১০)

দ্বাদশ কীৰ্তনত শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণত পিছৰ অৱস্থা বৰ্ণনা প্ৰসংগত আছে—

ক্ষেনেকতে দ্বাৰকাক বুৰাইলা সাগৰে।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১৪৩)

******
অদ্যাপিও সাগৰত দেখিয় প্ৰত্যেক।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১৪৪)

উদ্ধৱে বিদুৰৰ আগত যদুগণে কৃষ্ণৰ মাহাত্ম্য বুজি নাপালে বুলি দুখ কৰা প্ৰসংগত আছে—

ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১৯৫)

উৰেষা বৰ্ণন অধ্যায়ত মালয় দেশৰ অৱন্তীপুৰী নগৰৰ ৰজা ইন্দ্ৰদ্যুম্নই মাধৱক আৰাধনা কৰিবলৈ সেই দেশৰ প্ৰজাগণ সমন্বিতে দক্ষিণ সাগৰৰ পাৰত উপস্থিত হোৱাৰ বৰ্ণনা প্ৰসংগত আছে—

পাইলন্ত দক্ষিণ সাগৰৰ গৈয়া তীৰ।

(কী. উ. ব. ১৮)

চতুৰ্থ কীৰ্তনত বিষ্ণুৱে ব্ৰহ্মাৰ আগত পুৰুষোত্তম ক্ষেত্ৰৰ বৰ্ণনা কৰা প্ৰসংগত আছে—

দক্ষিণ সাগৰ তীৰে আছে সিদ্ধ বট।

(কী. উ. ব. ৩১)

পঞ্চম কীৰ্তনৰ ঘোষাত হৰি নামৰ মাহাত্ম্য এইদৰে বৰ্ণনা কৰিছে--

পাপ সাগৰে আন গতি নাই।।

ৰূপক অলংকাৰ, (কী. উ. ৰ. ঘো. ৫)

উৰেষা বৰ্ণনৰ পঞ্চম কীৰ্তনত শ্ৰী ক্ষেত্ৰৰ মহানন্দী তীৰ্থ বৰ্ণনা প্ৰসংগত এনেদৰে আছে--

লোকৰ কৰিয়া পাপ উপান্ত।
দক্ষিণ সাগৰক বহি যান্ত।।

(কী. উ. ৰ. ৪৯)

অষ্টম কীৰ্তনত ইন্দ্ৰদ্যুম্নৰ বিষ্ণুস্তুতি প্ৰসংগত আছে--

বিষয় সাগৰে মজো কমল লোচন।

ৰূপক অলংকাৰ (কী. উ. ৰ. ৮৬)

******

সংসাৰ সাগৰে জল বিষয়ৰ ক্লেশ।

ৰূপক অলংকাৰ (কী. উ. ৰ. ৮৭)

******

সংসাৰ সাগৰে মজিলো মাধৱ
আমাক প্ৰভু উদ্ধাৰা।।

ৰূপক অলংকাৰ (কী. উ. ৰ. ৯৮)

একাদশ কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নক বিষ্ণুৱে স্বপ্নাদেশ দিয়া প্ৰসংগত আছে--

যাইবা সাগৰৰ তীৰ।

(কী. উ. ৰ. ১১৭)

******

ঢৌ লাগি সাগৰৰ।
নকম্পন্ত তৰুবৰ।।

(কী. উ. ৰ. ১১৮)

স্বপ্ন ভংগ হোৱাৰ পিছত ৰজাই

সাগৰত কৰি স্নান।

(কী. উ. ৰ. ১২২)

দ্বাদশ কীৰ্তনত বিষ্ণুৰ দাৰু মূৰ্তি নিৰ্মাণ প্ৰসংগত বিপ্ৰৰূপী বিষ্ণুৱে ৰজাক মাধৱক আৰাধনা কৰিবলৈ কোৱা প্ৰসংগত আছে--

সংসাৰ সাগৰে আত কিছু নাহি সাৰ।।

ৰূপক অলংকাৰ, (কী. উ. ৰ. ১৩০)

বিপ্ৰ ৰূপী বিষ্ণুৱে বসুমতীক ভাগ্যৱতী আখ্যা দিয়া প্ৰসংগত এনেদৰে আছে--

কিনো ভাগ্যৱতী সসাগৰা বসুমতী।

(কী. উ. ৰ. ১৩২)

বিষ্ণুৱে ইন্দ্ৰদ্যুম্নক তৰুৰ তললৈ মাতি নিয়া প্ৰসংগত এনেদৰে আছে--

আসিয়োক ঐক এৰি সাগৰৰ তীৰ।

(কী. উ. ৰ. ১৩৩)

হেন শুনি এড়ি ৰাজা সাগৰৰ তট।

(কী. উ. ব. ১৩৪)

ত্ৰয়োদশ কীৰ্তনৰ ঘোষাত আছে এনেকৈ—

কমলাকান্ত কৰা কৃপা করুণা সাগৰ।।

(কী. উ. ব. ঘো. ১৩)

চতুৰ্দশ কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নৰ স্তুতিত সন্তুষ্ট বিষ্ণুৱে আশীৰ্বাদ দিয়া প্ৰসংগত আছে

যাবে চন্দ্ৰ সূৰ্য থাকে শপত সাগৰ।
ভ্ৰমিবে তোমাৰ যশ ত্ৰৈলোক্য ভিতৰ।।

(কী. উ. ব. ১৫২)

পঞ্চদশ কীৰ্তনত ব্ৰহ্মাৰ দৌলৰ ওপৰত মাধৱৰ ধ্বজ দণ্ড দেখাৰ ফল কথনত প্ৰসংগত আছে—

ভূমিত পৰিয়া প্ৰণাম কৰিয়া
পাপ সাগৰক তৰে।।

ৰূপক অলংকাৰ, (কী. উ. ব. ১৬৮)

ষোড়শ কীৰ্তনত মাৰ্কণ্ডেয় হ্ৰদত মন্ত্ৰ উচ্চাৰণ বিধি প্ৰসংগত আছে -

সংসাৰ সাগৰে মগ্ন পাপগ্ৰস্ত অচেতন
মোতপৰে নাই দুৰাচাৰ।

ৰূপক অলংকাৰ, (কী. উ. ব. ১৬৯)

অষ্টাদশ কীৰ্তনত জগন্নাথ স্তুতি প্ৰসংগত আছে এনেদৰে—

দুৰ্ঘোৰ সংসাৰ আত নাই পাৰ
অপাৰ সাগৰ যেন।

ৰূপক অলংকাৰ, (কী. উ. ব. ১৮৫)

ভাগৱতৰ তাৎপৰ্য অধ্যায়ত কলিকালৰ বিষয়ে এনেদৰে আছে—

দোষৰ সাগৰ কলি আত হৰি নাম লৈলি
ধৰ্ম অৰ্থ পাৱে মোক্ষ কাম।

(নী. ভা. তাৎ. ২)

ভাগৱতৰ প্ৰথমত মহাভাগৱত শাস্ত্ৰ শীৰ্ষক অধ্যায়ত এনেদৰে আছে

সসাগৰা পৃথিৱী জিনিলা একৰথে।

(ভা. প্ৰ. স্ক. ১২ )

ভাগৱতৰ প্ৰথম স্কন্ধত উপদেশ প্ৰসংগত এনেদৰে আছে—

নাম মাত্ৰ ল'লে তৰি সংসাৰ সাগৰ।।

ৰূপক অলংকাৰ, (ভা. প্ৰ. স্ক. ১৫৩)

ভাৰত যুদ্ধ অন্ত হোৱাৰ পিছত ৰজা যুধিষ্ঠিৰৰ সাম্ৰাজ্য সীমা বৰ্ণনা প্ৰসংগত আছে—

সাগৰ পৰ্য্যন্তে পাইলা ৰাজ্য জম্বুদ্বীপে।

(ভা. প্ৰ. স্ক. ১৮০)

উত্তৰা পুত্ৰ পৰীক্ষিতৰ জাতকৰ্মত সমবেত হোৱা ঋষিসকলৰ আশীৰ্বাদ প্ৰসংগত আছে-

প্ৰতাপে আদিত্য যেন গম্ভীৰে সাগৰ।।

(ভা. প্ৰ. স্ক. ২২৪)

পৃথিৱী আৰু ধৰ্মৰ কথোপকথন প্ৰসংগত বসুমতীৰ কৃষ্ণ বিৰহ শোকৰ আগিলা বৰ্ণনাত আছে -

হেন প্ৰভু গৈলা তেজি শোক সাগৰত মজি

মৰো হেন প্ৰভুৰ বিৰহে।

ৰূপক অলংকাৰ, (ভা. প্ৰ. স্ক. ২৫৩)

ৰজা পৰীক্ষিতে কলিক ৰাজ্যৰ বাহিৰ হ'বলৈ দিয়া আদেশৰ প্ৰত্যুত্তৰত কলিয়ে উত্তৰ দিয়া প্ৰসংগত আছে—

সসাগৰা পৃথিৱী তোমাৰ সবে ৰাজ।

(ভা. প্ৰ. স্ক. ২৯০)

কলিয়ে শৰণাগতক ত্যাগ নকৰিবলৈ পৰীক্ষিতক অনুনয় কৰা প্ৰসংগত আছে এনেদৰে—

সাগৰত থাকে যেন মহাৰত্ন চায়।

তৈবেকি শামুকে তাত নকৰে আশ্ৰয়।।

(ভা. প্ৰ. স্ক. ২৯১)

দ্বিতীয় স্কন্ধৰ মঙ্গলাচৰণ প্ৰসংগত আছে যে যিজনে ইন্দ্ৰিয় জয় কৰিব পাৰে—

বিন্ধ্যাগিৰি পাৰে তেঁৱে সাগৰ তৰিত।।

(ভা. প্ৰ. স্ক. ৪৬৩)

সৃষ্টি তত্ত্ব বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কলি পাপ সাগৰত বিনে কৃষ্ণ কীৰ্তনত

আনমতে নাহিকে নিস্তাৰ।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ৪৮০)

বিৰাট পুৰুষৰ বিভুতি বৰ্ণনা অধ্যায়ত এনেদৰে আছে—

নমো নমো কৃষ্ণ প্ৰভু কৰুণা সাগৰ।

(ভা. দ্বি. স্ক. ৫২৩)

এই স্কন্ধতে ভগৱানৰ লীলা অৱতাৰ বৰ্ণনাত ৰাম অৱতাৰ বৰ্ণনা প্ৰসংগত আছে—

দক্ষিণ সাগৰ তীৰে ভক্তসমে ৰঘুবৰে।

অনন্তৰে ৰহিবন্ত যাই।

(ভা. দ্বি. স্ক. ৫৩৮)

ক্ৰোধ দৃষ্টি তাপ লাগি তাপিত সাগৰ পানী

..............................

সাগৰ তৰসি যাইবে তেৱে।।

(ভা. দ্বি. স্ক. ৫৩৯)

দশম স্কন্ধ ভাগৱতৰ আৰম্ভণিতে ৰজা পৰীক্ষিতে শুকমুনিৰ পৰা নাৰায়ণৰ কৃষ্ণ অৱতাৰৰ লীলা জানিবলৈ বিচৰা প্ৰসংগত আছে—

দুৰ্ঘোৰ সাগৰ সেনা বল কৌৰবৰ।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১০৬৫৮)

কৃষ্ণ জন্মৰ সময়ৰ পৰিৱেশ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সাগৰৰ লগত গৰ্জন্ত জলধৰ।

(ভা. দ্বি. স্ক. ১০৭২৪)

অধ্যায় শেষৰ উপদেশ প্ৰসংগত আছে—

পাপ সাগৰত তল গৈল হেন জানি।।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ১০৭৫৯)

সংসাৰ সাগৰ ঘোৰ দুখৰ নাহিকে ওৰ

ৰূপক অলংকাৰ, (ভা. দ্ব. স্ক. ১০৭৭৭)

******

ইটো আহা প্ৰিয়তম দুখৰ সাগৰ দেৰ।

(ভা. দ্ব. স্ক. ১০৭৭৯)

যশোদাই কৃষ্ণৰ মুখত সমস্ত জগত দেখা পোৱা বৰ্ণনা প্ৰসংগত আছে—

চন্দ্ৰ সূৰ্য বায়ু বহ্নি পৰ্বত সাগৰ।

(ভা. দ্ব. স্ক. ১০৮৮৯)

সসাগৰা মহী বায়ু সূৰ্য শশী

তাৰাগণে তৈতে আছে।

(ভা. দ. স্ক. ১৩৯১৯)

ব্ৰহ্মাই গো, গোবৎস, গোপবালক সকলোবোৰ হৰণ কৰি নিয়াত কৃষ্ণই সকলোবোৰৰে ৰূপ ধৰি আকৌ আগৰ দৰেই কিছুদিন যোৱাৰ পিছত গোবৎসৰ অদ্ভুত আচৰণ দেখা প্ৰসংগত আছে—

আনন্দ সাগৰে মন মজিল একান্ত।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ১১০৮৪)

গোৱালসকলেও পুত্ৰসকলক সাৱটি ধৰি অপূৰ্ব আনন্দ পোৱা বৰ্ণনাত আছে—

স্নেহ ৰসসাগৰত নিমৰ্জ্জিলা মন।।

ৰূপক অলংকাৰ (ভা. দ্বি. স্ক. ১১০৮৬)

ব্ৰহ্মাই কৃষ্ণৰ মহিমা উপলব্ধি কৰি নিজৰ ভুল বুজি পোৱাৰ প্ৰসংগত এনেদৰে আছে—

সাগৰৰ আগে ক্ষুদ্ৰ নদী কৰে চাটি।

উপমা অলংকাৰ (ভা. দ্বি. স্ক. ১১১০৪)

কৃষ্ণৰ মহিমা দেখি অচেতন প্ৰায় হোৱা ব্ৰহ্মাক কৃষ্ণই উদ্ধাৰ কৰা প্ৰসংগত আছে—

কৰিলা ব্ৰহ্মাক মোহ সাগৰে উদ্ধাৰ।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ১১১২১)

ব্ৰহ্মা মোহ অধ্যায়ত শেষৰ অধ্যায়ৰ উপদেশত কৃষ্ণ মহাত্ম বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সংসাৰ সাগৰ সুখে হোৱৈ পাৰ

বৎস খোজ সমসৰ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১১৫৯)

কালি দমন লীলা বৰ্ণনাৰ উপদেশ প্ৰসংগত এনেদৰে আছে—

কলি পাপ সাগৰত গৈল তল লোক যত

তথাপি চেতন নাহি গাত।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১২১৪)

কালী নাগৰ বন্ধনত অচেতন হৈ পৰা কৃষ্ণক দেখি নন্দ যশোদা আৰু গোকুলৰ প্ৰজা সকলোৱে ক্ৰন্দন কৰা বৰ্ণনাত আছে—

প্ৰচণ্ড বতাসে যেন সাগৰ কল্লোল।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১২৬০)

কৃষ্ণই কালি সৰ্পৰ দৰ্পচূৰ্ণ কৰি কালিক হ্ৰদ এৰি যাবলৈ আদেশ কৰা প্ৰসংগত আছে—

চল সাগৰক ঐৰ সম্ভ্ৰেমে অন্তৰ।।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৩১৪)

ৰমণক দ্বীপত পূৰ্বতে গৰুড় আৰু কালি সৰ্পৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

খলকিয়া সাগৰ কাখৰ প্ৰকম্পিল।

(ভা. দ. স্ক. ১১৩২৬)

এই বৰ্ণনাৰ শেষৰ ফালে উপদেশত কৃষ্ণ নাম যে কলিকালত পাপৰ পৰা উদ্ধাৰৰ মূল মন্ত্ৰ এই কথা বৰ্ণনা প্ৰসংগত আছে—

পৰম দুৰ্জন কলি পাপৰ সাগৰ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৩৩৮)

কালি দমন লীলা বৰ্ণনাৰ অন্তত উপদেশ প্ৰসংগত এনেদৰে আছে—

যমৰ এহিসে হেতু ৰাম নাম বান্ধি সেতু

সংসাৰ সাগৰে হোৱা পাৰ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৩৫২)

প্ৰলম্বাসুৰ বধ লীলা বৰ্ণনাৰ অন্তত উপদেশ প্ৰসংগত এনেদৰে আছে—

সংসাৰ সাগৰে ৰাম নামে বান্ধা সেতু।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৪০২)

বৃন্দাবনৰ বাৰিষা ঋতু বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

হয়া নদী সবসমে সঙ্গম সাগৰ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৪৩৮)

ইয়াৰ পাছতে শৰৎ কালৰ সৌন্দৰ্যক মানৱ জীৱনৰ বিভিন্ন কাৰ্যৰ লগত তুলনা কৰি বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

শৰৎ কালত নিশ্চল সাগৰ

উৰ্মিৰ ৰোল নুশুনি।

চিত শান্ত কৰি বেদ পাঠ এৰি

যেন মৌন থাকে মুণি।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৭৯)

বিপ্ৰ পত্নী প্ৰসাদ আখ্যান বৰ্ণনাত কৃষ্ণ বলৰাম গৈ বিপ্ৰৰ গৃহত উপস্থিত হোৱাৰ লগে লগে সকলোৱে কোনো বাধা নামানি চাবলৈ উভ্ৰাৱল হৈ অহা কাৰ্যক এনেদৰে তুলনা কৰা হৈছে—

যেন যৈতে মন তৈতে চাবি বান্ধে যদি।

সাগৰত তথাপিতো বহি পৰে নদী।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৬০৪)

উপদেশ প্ৰসংগত কৃষ্ণ নামৰ মাহাত্ম্য কীৰ্তনত এনেদৰে আছে—

তেৱেসে তৰিবা সোখে সংসাৰ সাগৰে।

ৰূপক অলংকাৰ, (ভা. দ্বি. স্ক. ১১৬২৩)

শ্ৰীকৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰি গকুলবাসীক ইন্দ্ৰৰ কোপৰ পৰা ৰক্ষা কৰাত ইন্দ্ৰৰ দৰ্পচূৰ্ণ হোৱাত ইন্দ্ৰই লাজে ভায়ে ক্ৰন্দন কৰি কৃষ্ণক স্তুতি কৰা প্ৰসংগত এনেদৰে আছে—

তোমাক দেখিয়া ভয় সাগৰত মজে।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১১৭৯৩)

ভকতৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ মনুষ্য লীলা দেখুওৱা কৃষ্ণৰ মহিমা প্ৰকাশ কৰিবলৈ গৈ কবিয়ে লিখিছে—

অমৃত সাগৰ পাই কোনে খাৰ খায়।

প্ৰতীপ অলংকাৰ, (ভা. দ. স্ক. ১১৯৪২)

কৃষ্ণৰ হাতত মৃত্যুবৰণ কৰি কংসই পৰম গতি পোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কৃপাৰ সাগৰ তুমি ঈশ্বৰ মুৰাৰি।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৭৫৯)

সান্দিপণি মুণিয়ে ৰামকৃষ্ণক তেওঁৰ পুত্ৰৰ মৃত্যুৰ কাৰণ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

প্ৰভাস ক্ষেত্ৰত সাগৰত তল গৈল।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২৮০৬)

সান্দিপণি মুণিৰ পুত্ৰক উদ্ধাৰ কৰিবলৈ কৃষ্ণ বলোৰাম যোৱাৰ প্ৰসংগত এনেদৰে আছে—

কতো বেলি পাইলা গৈয়ো সাগৰৰ তীৰ।।

(ভা. দ. স্ক. ১২৮১২)

ক্ষণেক তম্ভিল যেন সাগৰৰ তটে।

(ভা. দ. স্ক. ১২৮১৩)

সাগৰৰ ৰাম কৃষ্ণ স্তুতি প্ৰসংগত এনেদৰে আছে—

কৰিলন্ত তুটি পৰি সপটে সাগৰে।।

(ভা. দ. স্ক. ১২৮১৪)

সেই সময়তে কৃষ্ণই গুৰুৰ পুত্ৰক সাগৰৰ তলৰ পৰা আনি দিবলৈ কোৱা প্ৰসংগত এনেদৰে আছে—

মাধৱে বোলন্ত ওৱা শুনিয়ো সাগৰ।

(ভা. দ. স্ক. ১২৮১৫)

সাগৰে পাঞ্চজন্য দৈত্যাই গুৰুৰ পুত্ৰক হৰণ কৰা বুলি কোৱাত কৃষ্ণই ততালিকে সাগৰত বুৰ দিয়া প্ৰসংগত আছে—

সাগৰৰ বাণীহেন শুনি তাৰক্ষণে।

(ভা. দ. স্ক. ১২৮১৮)

গোপী উদ্ধৱ সংবাদত উদ্ধৱে গোপীসবৰ আগত কৃষ্ণৰ বাৰ্তা দিয়া প্ৰসংগত এনেদৰে আছে—

সমস্ত নদীৰ যেন নানা পথে

সাগৰত পৰৈ জল।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১৩০৪২)

একাদশ স্কন্ধ ভাগৱতত যদুবীৰসকলে পিণ্ডাৰক তীর্থলৈ যোৱা প্ৰসংগত এনেদৰে আছে -

ফুৰৈ ক্ৰীড়া কৰি সাগৰৰ তীৰে তাৰে।

(ভা. এ. স্ক. ১৭৫০০)

যদুগণে যদুবংশৰ ঘাতক স্বৰূপ মুষল চূৰ্ণীকৃত কৰি নিচিহ্ন কৰিব খোজা প্ৰসংগত আছে এনেকৈ--

ভসাইলা সাগৰে তাৰ গুণ্ডি যদুৰাজে।

(ভা. এ. স্ক. ১৭৫১৯)

সাগৰত পেলাইলা লোহাৰ গুণ্ডি যত।

(ভা. এ. স্ক. ১৭৫২১)

কৃষ্ণই যদুগণৰ আগত প্ৰভাস তীৰ্থত দানৰ মাহাত্ম্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে যে–

জানিবাসা দানেসে দুৰ্গতি দুখ হৰে।
যেন মহানাৱে সাগৰত পাৰ কৰে।।

উপমা অলংকাৰ (ভা. এ. স্ক. ১৭৫৭৮)

যদুগণ সদলবলে প্ৰভাস তীৰ্থলৈ যাত্ৰা কৰা বৰ্ণনাত আছে–

সাগৰ কল্লোল হেন উৰ্মিৰ আস্ফালে।

উপমা অলংকাৰ, (ভা. এ. স্ক. ১৭৫৮৩)

এই অধ্যায়ৰ শেষৰ উপদেশত এনেদৰে আছে–

অমৃত সাগৰত ক্ৰীড়ে যিটো প্ৰাণী।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৭৭৪৭)

যদুবীৰ গণৰ প্ৰভাস তীৰ্থ যাত্ৰা বৰ্ণনাত এনেদৰে আছে–

ভৈলা সাগৰৰ পাৰৰ চৰিয়া নাৱত।

(ভা. এ. স্ক. ১৭৭৮৭)

প্ৰভাসত যদুগণৰ মাজত হোৱা ক্ৰন্দলৰ বৰ্ণনাত এনেদৰে আছে–

খলকিল যেন চন্দ বতাসে সাগৰ।

উপমা অলংকাৰ, (ভা. এ. স্ক. ১৭৭৯৭)

লাগিল সমৰ সাগৰৰ তীৰ জুৰি।

(ভা. এ. স্ক. ১৭৮০৩)

ঋষিৰ শাপ অনুসৰি লোহাৰ গুড়িৰ পৰা যদুবংশ ঘাতক মাদুৰী বন গজা প্ৰসংগত আছে–

ঋষি শাপে যিটো সাগৰ তীৰ জুৰি।

(ভা. এ. স্ক. ১৭৮১৫)

যদুবীৰগণ সবংশে ধ্বংস হোৱা বৰ্ণনা প্ৰসংগত আছে–

ঢাকিলেক মৰা শৰে সাগৰৰ তীৰ।

(ভা. এ. স্ক. ১৭৮২৭)

দেখিয়া শোণিতময় সাগৰৰ জল।

(ভা. এ. স্ক. ১৭৮২৭)

যদুবংশ ধ্বংস হোৱা দেখি বলোভদ্ৰই আত্মত্যাগ কৰা প্ৰসংগত আছে–

সাগৰ তীৰত বসিলা পদ্মাসনে।

(ভা. এ. স্ক. ১৭৮৩৪)

যদুবংশ ধ্বংস আৰু বলোৰামৰ দেহত্যাগৰ পিছত কৃষ্ণ মৌন হৈ অশ্বত্থৰ তলত চতুৰ্ভুজ ৰূপ লৈ বহি থকাৰ সময়ত কৃষ্ণৰ চৰণযুগলৰ বিষয়ে এনেদৰে আছে—

সংসাৰ সাগৰ সেতু          দুৰ্জ্জনৰ ধুমকেতু

(ভা. এ. স্ক. ১৭৮৫২)

শ্ৰীকৃষ্ণ উদ্ধৱ সংবাদ শীৰ্ষক অধ্যায়ত এনেদৰে আছে—

মই এবিলাতে আসি বুৰাইবে সাগৰে।।

******

সবন্ধু বান্ধৱে সাগৰৰ হৈবা পাৰ।।

(ভা. এ. স্ক. ১৭৯১৪)

এই অধ্যায়ৰ শেষৰ উপদেশত আছে—

দোষৰ সাগৰ          যদি কলি ইটো

আতো আছে মহা গুণ।।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৭৯৫০)

পৰৱৰ্তী অধ্যায়ত কৃষ্ণ ভক্তিৰ বিষয়ে এইদৰে আছে—

কৃষ্ণৰ ভকতি সুখ সাগৰ শঙ্কাশ।।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৭৯৫৯)

দাৰুকে দ্বাৰকাত যদু বংশ ধ্বংসৰ বাৰ্তা দিয়া প্ৰসংগত আছে—

পৰিল সকলে সাগৰৰ তীৰ জুৰি।

(ভা. এ. স্ক. ১৭৯৬৮)

দ্বাৰকাৰ সকলো গৈ প্ৰভাস তীৰ্থত যদুবীৰ গণক পৰি থকা দেখা বৰ্ণনাত আছে—

সাগৰ তীৰক মৃতকে আছে বেঢ়ি।

(ভা. এ. স্ক. ১৭৯৭৪)

সাগৰৰ উৰ্মি যেন উথলিল ৰাৱে।

উপমা অলংকাৰ, (ভা. এ. স্ক. ১৭৯৭৫)

যদুবীৰসকলৰ সংখ্যাৰ বিশাল স্বৰূপ বুজাবলৈ গৈ কোৱা হৈছে এনেদৰে—

সাগৰ সংকাশ যিটো যদুবীৰ যত।

অতিশয়োক্তি অলংকাৰ, (ভা. এ. স্ক. ১৮০০০)

যদুবীৰসকলৰ সংকাৰৰ সময়ত কামদেৱ আদি কুমাৰসকল পত্নীসকলে স্বামীৰ লগত অনুগমন কৰা বৰ্ণনা প্ৰসংগত আছে—

সাগৰৰ তীৰ          জুৰিলেক জুই

শিশুৰ শুনি ক্ৰন্দন।

(ভা. এ. স্ক. ১৮০১৭)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ গামী হোৱাৰ পিচৰ বৰ্ণনাত এনেদৰে আছে—

দ্বাৰকা নগৰ          সমূলপ্ৰে তল

গৈল সাগৰ জলে।।

(ভা. এ. স্ক. ১৮০১৮)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত উপদেশ প্ৰসংগত এনেদৰে আছে—

কৃষ্ণেসে ৰক্ষাৰ হেতু        ৰাম নামে বান্ধি সেতু
সংসাৰ সাগৰ হোৱা পাৰ।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৮০২৪)

দ্বাৰকাৰ প্ৰজাগণে কৃষ্ণৰ প্ৰিয় শখা অৰ্জুনক দেখি শোক কৰা প্ৰসংগত আছে—

সাগৰৰ বালি জুলি কৰন্ত বিলাপ।

(ভা. এ. স্ক. ১৮০৪৮)

ইয়াৰ পিছত উপদেশ প্ৰসংগত আছে এনেদৰে—

আচন্ত ঈশ্বৰ কৃষ্ণ সুখৰ সাগৰ।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৮১৪৩)

কৃষ্ণ বিয়োগৰ পিছত পাণ্ডৱ সকলৰ অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

আজিসে ৰক্ষিলে সসাগৰা ৰাজ্য সুখে।

(ভা. এ. স্ক. ১৮২৭৫)

একাদশ স্কন্ধৰ শেষত সাধু সংগৰ প্ৰয়োজন সম্পৰ্কত এনেদৰে আছে—

হোৱে লয়লাসে        সাধুৰ সংগেসে
সংসাৰ সাগৰে নাৰ।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৮৩১৭)

দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন প্ৰসংগত এনেদৰে আছে—

চাৰিয়ো ভিতিৰ        সাগৰৰ উৰ্মি
পৃথিৱী আসে বুৰাই।

(ভা. দ্বা স্ক. ১৮৬৯৫)

অপাৰ সাগৰে        পৰি পুনু ঋষি
দুখৰ ওৰ নপান্ত।।

(ভা. দ্বা স্ক. ১৮৭০১)

******

সাগৰ নগৰ গ্ৰাম বৰিষ পৰ্বত।।

(ভা. দ্বা স্ক. ১৮৭২৪)

শিৱ পাৰ্বতীয়ে ধ্যান মগ্ন মাৰ্কণ্ডেয় ঋষিক তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

নিৰ্বাত সময়ে যেন সাগৰ গম্ভীৰ।

উপমা অলংকাৰ (ভা. দ্বা স্ক. ১৮৭৪২)

দ্বাদশ স্কন্ধৰ শেষত ভাগৱতৰ তাৎপৰ্য কথন প্ৰসংগত এনেদৰে আছে

ক্ষত্ৰিয়ে পঢ়িয়া পাইবে        সসাগৰা বসুমতী
বৈদ্যে পঢ়ি পাইবে মহা নিধি।

(ভা. দ্বা. স্ক. ১৮৮৫১ )

হৰিশ্চন্দ্ৰ উপাখ্যানৰ প্ৰস্তাৱনা অধ্যায়ত ৰজা হৰিশ্চন্দ্ৰৰ গুণ বৰ্ণনা প্ৰসংগত আছে

সৰ্বগুণে গুণান্বিত        সাগৰ গম্ভীৰ।।

লুপ্তোপমা অলংকাৰ, (হ. উ. ৯)

তেওঁৰ সাম্ৰাজ্য বৰ্ণনা প্ৰসংগত আছে—

জল সাগৰক লাগি ভৈল অধিকাৰ।

(হ. উ. ১২)

বিশ্বামিত্ৰ ঋষিয়ে দানবীৰ হৰিশ্চন্দ্ৰক দান খোজা আৰু ৰজাই দান দিয়া প্ৰসংগত এনেদৰে আছে—

সসাগৰা পৃথিৱী তোৰ যত অধিকাৰ।

(হ. উ. ৯৪)

দিলো ঋষি সসাগৰা পৃথিৱী মণ্ডল।

(হ. উ. ৯৯)

ৰজা হৰিশ্চন্দ্ৰৰ দুৰাবস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সসাগৰা বসুমতী তৃণ যেন কৰি মতি

ঋষিক উচৰ্গি দিলা দান।

(হ. উ. ২৮২)

শ্মশানস্থলীত ৰজা হৰিশ্চন্দ্ৰই পুত্ৰ ৰোহিতাশ্বৰ মৃতদেহ দেখি ক্ৰন্দন কৰা প্ৰসংগত এনেদৰে আছে-

-

কৈক যাস মোক শোক সাগৰে পেহলাই।।

ৰূপক অলংকাৰ, (হ. উ. ৩৯৯)

বকৰূপী বিশ্বামিত্ৰ আৰু শৰালিৰূপী বশিষ্ঠৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সাগৰত পৰি দুই পক্ষীৰ আন্দোল।

(হ. উ. ৫৭৬)

পখাত উঠাৰে যত সাগৰৰ জল।

(হ. উ. ৫৭৮)

ৰুক্মিণী হৰণ কাব্যত ৰজা ভীষ্মকে ৰুক্মিণীৰ বিবাহ প্ৰসংগত কৃষ্ণৰ গুণ গান গোৱাত ৰুক্ম বীৰে কৃষ্ণৰ বিপক্ষে কোৱা প্ৰসংগত এনেদৰে আছে—

ভাগোসে তৰাই কৃষ্ণ সাগৰত পৰি।

(ৰু. হ. কা. ৫৯)

ৰুক্মিণীৰ সয়ম্বৰ সভাত ৰুক্মিণীক দেখি ৰজাসকলৰ মদন বিকাৰ হোৱা বৰ্ণনাত এনেদৰ আছে—

কাম সাগৰত তল যায় চিত

ৰূপক অলংকাৰ (ৰু. হ. কা. ২৭৭)

ৰুক্মিনী হৰণৰ পিছত বিপক্ষৰ ৰজাসকলেৰে কৃষ্ণৰ লগত যুদ্ধ হোৱাত দৈৱকীৰ কথা মতে বলোভদ্ৰই যাদৱ সেনা লৈ কৃষ্ণক সহায় কৰিবলৈ যোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

লৰিল যাদৱ সেনা সাগৰ সমান।।

অতিশয়োক্তি অলংকাৰ (ৰু. হ. কা. ৩১৯)

জৰাসন্ধ আৰু বলোভদ্ৰৰ যুদ্ধত জৰাসন্ধই বলোভদ্ৰক কৰ্কৰ্থনা কৰা প্ৰসংগত এনেদৰে আছে—

দুভায়েৰে জাম্প দিলি সাগৰৰ মাজে।

(ৰু. হ. কা. ৪০৮)

বহিবে লাগিলা যেন সাগৰ উভতি।

অতিশয়োক্তি অলংকাৰ, (ক. হ. কা. ৪৩৯)

শিশুপালে কৃষ্ণ বলোৱামক তিৰস্কাৰ কৰা প্ৰসংগত আছে—

একোমতে নেৰাই যেবে সাগৰত জাম্প দিয়া

পলাই গৈলা মোত যুদ্ধ হাৰি।

(ক. হ. কা. ৪৪৮)

ৰুক্মবীৰে কৃষ্ণৰ বিপক্ষে যুদ্ধ যাত্ৰা কৰা প্ৰসংগত এনেদৰে আছে—

সাগৰত বুৰ দিয়া পাতালে লুকায়।

(ক. হ. কা. ৪৬১)

যুদ্ধ জয়ৰ পিছত যাদৱ সেনা দ্বাৰকালৈ উভতি যোৱা বৰ্ণনা প্ৰসংগত আছে—

প্ৰচণ্ড যাদৱী সেনা সাগৰ সংকাশ।

(ক. হ. কা. ৬০৭)

অজামিলোপাখ্যানত পাপ অনুসৰি নৰকত হ'ব পৰা শাস্তি বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পৰে তেজ বিষ্ঠা পূজ মুত্ৰৰ সাগৰে।

(অ. উ. ৫২৯৪)

সকলো শাস্তিৰ পৰা ৰক্ষা পাবলৈ উপদেশ অধ্যায়ত এনেদৰে আছে—

জানি পাপ সাগৰত তৰিতে কৰা কাম।

ৰূপক অলংকাৰ, (অ. উ. ৫৩২৩)

কলি যুগৰ বৈশিষ্ট্য প্ৰসংগত এনেদৰে আছে—

পাপ সাগৰত তল গৈলা শিলা

আউৰ চিন্তা আন কাজ।

ৰূপক অলংকাৰ (অ. উ. ৫৪৮৩)

অধ্যায়ান্তৰত কৃষ্ণ নামৰ মাহাত্ম্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

অপাৰ সংসাৰ সাগৰ তৰিতে

কৃষ্ণেসে সুদৃঢ় নাৱ।

ৰূপক অলংকাৰ, (অ. উ. ৫৫৩৮)

পৰম দুৰ্লভ মাধৱৰ নাম

সংসাৰ সাগৰে নাৱ।

ৰূপক অলংকাৰ, (অ. উ. ৫৬০১)

যম ৰজাই যম দূতৰ আগত নামৰ মাহাত্ম্য কোৱা প্ৰসংগত আছে—

দুৰ্ঘোৰ সংসাৰ সাগৰ তৰণ

হৰিসে সুদৃঢ় নাৱ।

(অ. উ. ৫৬০৭)

অমৃত মথন কাব্যত ইন্দ্ৰই বলি ৰজাক সাগৰ মন্থন কৰা বিষয়ে কোৱা প্ৰসংগত আছে—

অমৃতক পাই ক্ষীৰ সাগৰক মথি।।

(অ. ম. কা. ১২১)

বলি ৰজাই দৈত্যসকলক এই বিষয়ে কৈ একগোট হ'বলৈ আদেশ দিয়া প্ৰসংগত এনেদৰে আছে–

অমৃতক খাওঁ ক্ষীৰ সাগৰক মথি।

(অ. ম. কা. ১২৫)

দেৱতা আৰু দানৱসকল সাগৰ মথিবৰ বাবে একত্ৰিত হোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

একত্ৰিত ভৈল যেন দুখান সাগৰ।।

অতিশয়োক্তি অলংকাৰ, (অ. ম. কা. ১৩২)

সাগৰ মথিবৰ বাবে মন্দৰ পৰ্বত আনি পেলোৱা বৰ্ণনা প্ৰসংগত আছে–

সসাগৰা ভূমি কম্পি কম্পি লৈলা ঠাই।।

(অ. ম. কা. ১৪২)

মন্দৰ পৰ্বত আনি থাকোতে বাটতে পৰি যোৱাত সকলোৰে বিপৰ্যয় হোৱা দেখি বিষ্ণুৱে গৰুড়ৰ স্কন্ধত উঠি বাম হাতে মন্দৰ পৰ্বত তুলি অনা বৰ্ণনাত এনেদৰে আছে–

ৰংগে বিষ্ণু ৰথ ধৰিলন্ত পথ

ক্ষীৰ সাগৰক লাগি।

(অ. ম. কা. ১৫৫)

দেৱাসুৰে মন্দৰ পৰ্বতক মথনি কৰি সাগৰ মথিবলৈ ধৰা প্ৰসংগত এনেদৰে আছে–

অগাধ সাগৰ জল ৰহিবাৰ নাহি থল

তল গৈলা মন্দৰ সমুলি।।

(অ. ম. কা. ১৬২)

মন্দৰ পৰ্বত সাগৰৰ তললৈ বহি যোৱাত দেৱাসুৰৰ বিষাদ হোৱা দেখি বিষ্ণুৱে চিন্তা কৰা প্ৰসংগত আছে–

অগাধ সাগৰৰ জল নমনিয় পাৰ।

(অ. ম. কা. ১৬৬)

বিষ্ণুৱে তেতিয়া কুৰ্ম ৰূপ ধৰি মন্দৰ পৰ্বত তুলি ধৰা বৰ্ণনাত আছে এনেদৰে–

দিলা বুৰ সাগৰত ডেৰ দিয়া নামি।।

(অ. ম. কা. ১৬৯)

কম্পি গৈল পৃথিৱী সাগৰ খলকিল।

(অ. ম. কা. ১৭০)

দৈত্য দানৱৰ সাগৰ মন্থন বৰ্ণনা প্ৰসংগত আছে–

পৰম উৎসুকে সৱে মন্থন্ত সাগৰ।।

(অ. ম. কা. ১৭৮)

পৰ্বতৰ পাকত যেন সাগৰো পাক লৈল।

(অ. ম. কা. ১৭৯)

এহিমতে দেৱাসুৰে মথন্ত সাগৰ।

(অ. ম. কা. ১৮৯)

সাগৰ মন্থনত প্ৰথমতে হলাহল বিষ উঠি অহাত সুৰাসুৰ সহ ব্ৰহ্মাই শিবক স্তুতি কৰাত শিবই সেই বিষ পান কৰিবলৈ যোৱা বৰ্ণনাত আছে—

হেন জানি মই ক্ষীৰ সাগৰক যাওঁ।

(অ. ম. কা. ২০৯)

শিবই বিষ পান কৰাৰ পাছত দেৱাসুৰৰ পুনৰ সাগৰ মন্থন বৰ্ণনাত আছে—

সাগৰ মথিবে ৰঙ্গে লাগিলা দুনাই।।

(অ. ম. কা. ২১৭)

মন্দৰ গিৰিত লগাইলেক খৰপাক।

ফুৰৈ সাগৰত যেন কুমাৰৰ চাক।।

(অ. ম. কা. ২২০)

সমুদ্ৰ মন্থনত আবিৰ্ভাৱ হোৱা লক্ষ্মী দেৱীৰ ৰূপ দেখি দেৱাসুৰ, ঋষি মুণি সকলো কামাতুৰ হোৱা বৰ্ণনাত এনেদৰে আছে—

কাম সাগৰত মৰো হেৰা চৰণত ধৰো

ৰূপক অলংকাৰ, (অ. ম. কা. ২৩২)

লক্ষ্মী দেৱীৰ স্বয়ম্বৰ বৰ্ণনাত এনেদৰে আছে—

মূৰ্তি ধৰি আসি ভৈলা সাগৰ প্ৰত্যেক।।

(অ. ম. কা. ২৪৩)

******

দিলন্ত সাগৰে ৰংগে লৈলন্ত গোসানী।।

(অ. ম. কা. ২৪৪)

******

সাগৰ বুলিলা পাছে লক্ষ্মীক বুজাই।

(অ. ম. কা. ২৫০)

******

আগভৈলা সাগৰ গোসানী যান্ত পাছে।

(অ. ম. কা. ২৫২)

লক্ষ্মীৰ ৰূপ দেখি স্বয়ম্বৰ সভাত ইজনে সিজনে কোনে তেওঁক লাভ কৰিব সেই বিষয়ে কোবাকুই কৰা প্ৰসংগত এনেদৰে আছে—

কোনে গংগা সাগৰত আছে অপসায়।

(অ. ম. কা. ২৫৯)

স্বয়ম্বৰ সভাত পিতৃ সাগৰে লক্ষ্মী দেৱীক উপদেশ দিয়া প্ৰসংগত আছে—

সাগৰ বহিলা এহি উপদেশ বুলি।

(অ. ম. কা. ২৬৭)

লক্ষ্মীদেৱীয়ে লয়লাস গতিৰে আগবঢ়া প্ৰসংগত এনেদৰে আছে—

সাগৰ নন্দিনী হেন মনে অনুমানি।

(অ. ম. কা. ২৭৮)

লক্ষীদেৱীয়ে বিষ্ণুক স্বামী ৰূপে বৰণ কৰাৰ পিছত পুনৰ সাগৰ মন্থনৰ বৰ্ণনা কৰাৰ পিছত আছে—

হাতে ফোত কৰি বাসুকিক ধৰি

সাগৰ মথিবে লৈল।

(অ. ম. কা. ৩০৬)

সাগৰ মথিবে লাগিল দুনাই

মনত পৰম তুষ্টি।

(অ. ম. কা. ৩০৭)

সাগৰ মন্থনত বৈদ্য ধন্বন্তৰীৰ আবির্ভাব হোৱা প্রসংগত এনেদৰে আছে—

কেশৱৰ অংশে সাগৰত ভৈলা জাত।

(অ. ম. কা. ৩১৮)

সাগৰ মন্থনত উঠি অহা অমৃতক লৈ দৈত্য দানৱৰ মাজত কন্দল হোৱা বৰ্ণনা প্রসংগত আছে—

সাগৰ মথিলো দেৱ দৈত্যো সাজু হই।

(অ. ম. কা. ৩৩৪)

দৈত্য দানৱ সকলোৱে পবিত্রভাৱে অমৃত ভক্ষণ কৰিবলৈ সাজু হোৱা প্রসংগত এনেদৰে আছে—

সাগৰত নামিয়া কৰিলা স্নান দান।

(অ. ম. কা. ৩৬১)

দেৱতা আৰু দৈত্যৰ যুদ্ধ বৰ্ণনা প্রসংগত এনেদৰে আছে—

ক্ষীৰ সাগৰৰ তীৰ জুৰি নিৰন্তৰ।

(অ. ম. কা. ৪১৮)

একখান ভৈল যেন দুখান সাগৰ।।

অতিশয়োক্তি অলংকাৰ, (অ. ম. কা. ৪১৯)

******

সাগৰত ভৈলা যেন তৰঙ্গ তুমুল।

উপমা অলংকাৰ, (অ. ম. কা. ৫৩০)

দেৱ দানৱৰ যুদ্ধত দানৱৰ শৰে ইন্দ্ৰক ঢাকি পেলোৱাত বাকী দেৱতাসকল বিহ্বল হোৱা বৰ্ণনাত এনেদৰে আছে—

যেন বাণিজ্যৰ সাগৰত বুৰাই নাৱ।

(অ. ম. কা. ৫৮৩)

ইন্দ্ৰৰ নমুচিৰ সৈতে যুদ্ধ বৰ্ণনা প্রসংগত আছে এনেদৰে—

সাগৰক তৰিলো গোখোজে যাওঁ তল।

(অ. ম. কা. ৫৯৭)

বলিছলন কাব্যত বলি ৰজাৰ বল বিক্ৰম দেখি ইন্দ্ৰই গুৰু বৃহস্পতিৰ ওচৰত বলি ৰজাৰ প্ৰতি হোৱা ভয়ৰ পৰা উদ্ধাৰ পোৱাৰ বুদ্ধি বিচৰা প্রসংগত এনেদৰে আছে—

বলি সাগৰত তল যাঞও সবান্ধৱে।।

ৰূপক অলংকাৰ, (ব. ছ. কা. ৬৫)

বামন ৰূপী বিষ্ণুৱে যজ্ঞশালাত উপস্থিত হৈ বলি ৰজাক পূর্বপুৰুষ হিৰণ্যাক্ষৰ বিষয়ে কোৱা প্রসংগত

আছে—

পাছে সাগৰক মাগিলেক যুদ্ধ দান।
দেখিয়া সাগৰে ভয়ে তৰতৰিমান।।

(ব. ছ. কা. ২৪০)

অধ্যায়ৰ শেষত উপদেশ প্ৰসংগত এনেদৰে আছে—

পাতক সাগৰে দৃঢ় নাৰ হৰিনাম।

(ব. ছ. কা. ৪০৫)

বামনক দুই পদ ভূমি দান কৰাৰ পিছত নিঃস্ব হৈ পৰা বলিক তৃতীয় পদ ভূমি বিচাৰি বামনে ক্ৰোধ প্ৰকাশ কৰা প্ৰসংগত আছে—

পাতাল পৰ্যন্তে সসাগৰী বসুমতী।।

(ব. ছ. কা. ৪১৬)

বামনৰ নিষ্ঠুৰ তৰ্জন গৰ্জন শুনিও মহন্ত পুৰুষ বলি ৰজাই ধৈৰ্য ধৰি শুনি থাকি বিযুক্ত উত্তৰ দিয়া প্ৰসংগত এনেদৰে আছে—

মহন্ত পুৰুষ ধীৰ গম্ভীৰ সাগৰ।
বিযুক্ত সাদৰি হেন দিলন্ত উত্তৰ।।

(ব. ছ. কা. ৪৩৪)

বলিছলনৰ পিছত বামনক ত্ৰৈলোক্যৰ ৰজা ৰূপে অভিষিক্ত কৰা প্ৰসংগত এনেদৰে আছে—

দুৰ্বাক্ষিত দধি ফল চাৰি সাগৰৰ জল
অনাইলা সুবৰ্ণ ঘট ভৰি।

(ব. ছ. কা. ৫৪৭)

ইন্দ্ৰ আৰু বামন দুয়ো অমৰাৱতী গৈ পোৱাৰ পিছত মাতৃ অদিতিয়ে বামনক প্ৰশংসা কৰা প্ৰসংগত এনেদৰে আছে—

মোক শোক সাগৰত কৰিলাহা পাৰ।

ৰূপক অলংকাৰ, (ব. ছ. কা. ৫৬৭)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণই সপৰিয়ালে, সবান্ধৱে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰা প্ৰসংগত এনেদৰে আছে—

সাগৰৰ উৰ্মি যেন উল্লাসে বতাহে।

উপমা অলংকাৰ, (কু. ক্ষে. কা. ১৯)

কুৰুক্ষেত্ৰত কৌৰৱ পাণ্ডৱৰ ভাৰ্যসকল যদুবংশী নাৰী আৰু গোপীসকলে লগ হৈ আলাপ কৰা সমাজত কৃষ্ণ মহিষীসকলে নিজ নিজ বিবাহ বৰ্ণনা কৰোতে জাম্বৱতীয়ে নিজৰ বিবাহ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

নেদে দেখা সাগৰৰ অপগৰ্ব দেখি।

কু. ক্ষে. কা. ২১০

******

মহাবেগে খলকিল সকল সাগৰ।

কু. ক্ষে. কা. ২১১

দৈৱকীয়ে কৃষ্ণ আৰু বলোৰামক কংসই বধ কৰা নিজ পুত্ৰ ছটিকো আনি দিবলৈ অনুৰোধ কৰা

প্ৰসংগত এনেদৰে আছে--

মোক শোক সাগৰে তাৰিয়ো নাৰায়ণ।।

ৰূপক অলংকাৰ ( কৃ. ক্ষে. কা. ৫২৫)

চিৰকাল ভৈল সাগৰত গৈল প্ৰাণ।।

কৃ. ক্ষে. কা. ৫২৬

দৈৱকীৰ পুত্ৰ আনয়ন প্ৰসংগত ইন্দ্ৰসেনে কৃষ্ণক ভজনা কৰা প্ৰসংগত আছে এনেদৰে -

তত্তিয়া আছন্ত প্ৰেম সাগৰত মজি।

ৰূপক অলংকাৰ, ( কৃ. ক্ষে. কা. ৫৫৪)

'ভক্তি প্ৰদীপ'ত কৃষ্ণই ধনঞ্জয়ক নাম মাহাত্মাৰ বিষয়ে কোৱা প্ৰসংগত এনেদৰে আছে—

সংসাৰ সাগৰে মগ্নি সুজান কাণ্ডাৰ।।

মোক এৰি সংসাৰ সাগৰে যাইবা তল।

ৰূপক অলংকাৰ (ভ. প্ৰ. ১৭২)

'অনাদি পাতন'ত জগত সৃষ্টি প্ৰসংগত আছে—

সপ্তদ্বীপ বসুমতী সপত সাগৰ।

(অ. পা. ১১)

বসুমতীৰ অবস্থান প্ৰসংগত এনেদৰে আছে—

পৰ্বতৰ উপৰত সসাগৰা মহী।

(অ. পা. ২১)

মহা প্ৰলয়ৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সাগৰকো শুষিলা সূৰ্যৰ ৰশ্মি জালে।

(অ. পা. ৩০)

সাতখণ্ড পৃথিবীৰ লেখ দিয়া প্ৰসংগত এনেদৰে আছে—

আছে সাতো দ্বীপ সাগৰৰ চাৰ কাষে।

সাতখান সাগৰে সাতকো বেঢ়ি আছে।।

(অ. পা. ৯৭)

পৰ্বতসমূহৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

দীৰ্ঘে পূব পশ্চিম সাগৰে আছে জুৰি।

(অ. পা. ১১০)

জম্বুদ্বীপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বেঢ়ি আছে চতুৰ্ভিতে লবণ সাগৰে।

(অ. পা. ১২০)

প্লক্ষদ্বীপৰ প্ৰসংগত এনেদৰে আছে—

তাক বেঢ়ি আছে গুৰ সাগৰৰ জলে।

কুশদ্বীপৰ বৰ্ণনাত এনেদৰে আছে—

তাক বেঢ়ি আছে মহা সুৰাৰ সাগৰে ।

(অ. পা. ১২৯)

ক্রৌঞ্চ দ্বীপৰ প্ৰসংগত এনেকৈ আছে—

ঘৃতৰ সাগৰে তাক বেঢ়িছে চৌপাশে।

শোক নামৰ দ্বীপ প্ৰসংগত আছে এনেদৰে—

দধিৰ সাগৰে তাক বেঢ়িছে চৌৰ্ভিতি।

(অ. পা. ১২২)

শাল্মলী দ্বীপৰ প্ৰসংগত এনেদৰে আছে—

তাকো বেঢ়ি আছে মহা দুগ্ধৰ সাগৰে।

পুস্কৰ দ্বীপৰ প্ৰসংগত এনেদৰে আছে—

তাক জলসাগৰে চৌভিতি বেঢ়ি আছে।

(অ. পা. ১২৩)

সাতদ্বীপ সাতো সাগৰৰ এহি স্থিতি।

(অ. পা. ১২৪)

কৃষ্ণৰ উপদেশত ব্ৰহ্মাই জগত সৃজন কৰা প্ৰসংগত এনেদৰে আছে—

অণ্ডকোষে উপজিল সপত সাগৰ।

(অ. পা. ২৫৫)

পৰম অগাধ জল সাগৰ অপাৰ।

(অ. পা. ২৫৭)

বিষ্ণুৱে বৰাহ অৱতাৰ ধৰি অগাধ সাগৰৰ পৰা পৃথিৱী উদ্ধাৰ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

দিলা সাগৰত জাম্প বৰাহে হৰিষি।

(অ. পা. ২৫৯)

সাগৰৰ জল লোম গুৰিত শুকাইল।

(অ. পা. ২৬০)

'নিমি নৱ সিদ্ধ সংবাদ'ত অৱতাৰ তত্ত্ব কথন প্ৰসংগত এনেদৰে আছে—

সীতাৰ নিমিত্তে সেতু বান্ধিলা সাগৰে।

(নি. ন. সি. স. ৩০৯)

******

নিৰ্ম্মিয়া দ্বাৰকা পুৰী সাগৰৰ জলে।

(নি. ন. সি. স. ৩১৪)

উত্তৰাকাণ্ডৰ ৰামায়ণৰ প্ৰথম অধ্যায়ত আছে—

সাগৰত সেতু বান্ধি বধি ৰাৱণক।

(উ. কা. ৰা. ১৩)

অষ্টম অধ্যায়ত লৱ-কুশই ৰজা দশৰথ আৰু ৰামৰ গুণ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

ক্ষমায়ে ধৰণী ধৈৰ্য্যে গম্ভীৰ সাগৰ।।

উপমা অলংকাৰ উ. কা. ৰা. ৫

যেন নাৰায়ণ ৰাম সম্ভীৰে সাগৰ।

উপমা অলংকাৰ, (উ. কা. ৰা. ১২)

লৱ-কুশই সুন্দৰাকাণ্ড বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

সাগৰ লংঘিলা তেৱে বীৰ হনুমন্ত।।

(উ. কা. ৰা. ৩৮)

তেনেকৈ—

সাগৰ তৰিয়া দুনাই পৃথিবীক আইল।

(উ. কা. ৰা. ৫০)

শ্ৰীৰামচন্দ্ৰই লংকা জয় কৰিবলৈ যাবলৈ সমুদ্ৰক বাট বিচৰা প্ৰসংগত এনেদৰে আছে—

সাগৰত পন্থ পাছে মাগিলন্ত মাজে।

(উ. কা. ৰা. ৫৭)

কম্পি গৈল সাগৰতো লাগিল চমক।

(উ. কা. ৰা. ৫৯)

দ্বদশ অধ্যায়ত ৰামচন্দ্ৰৰ অভিষেক বৰ্ণনাত আছে—

চাৰ সাগৰৰ জল যোগাইলা বানৰ বল
বশিষ্ঠে কৰিলা অভিষেক।

(উ. কা. ৰা. ৫)

পঞ্চদশ অধ্যায়ত ইন্দ্ৰৰ হাতত হনুমন্তৰ মৃত্যু হোৱা প্ৰসংগত আছে—

দেখক গোখোজ যেন সাগৰ সংকাশ।

(উ. কা. ৰা. ৩৭)

লৱ কুশই সীতাক নিৰ্বাসিন দিয়া প্ৰসংগ অৱতাৰণা কৰোতে শোকানলত মূৰ্ছা যোৱা ৰামে পুনৰ চেতন পাই প্ৰিয়া বিচ্ছেদৰ সন্তাপত জৰ্জৰিত হোৱা বৰ্ণনাত আছে—

অপাৰ সাগৰে বান্ধিলোহো শিলাসেতু।

(উ. কা. ৰা. ৭১)

ত্ৰয়োবিংশ অধ্যায়ত সীতাৰ পাতাল প্ৰৱেশৰ পিছত শ্ৰীৰামচন্দ্ৰই শোকত ক্ৰন্দন কৰা বৰ্ণনাত আছে-

গৈল বন্ধৈ মোক শোক সাগৰে পেল্লাই।।

ৰূপক অলংকাৰ (উ. কা. ৰা. ১৩)

সীতাৰ পাতাল প্ৰৱেশৰ পিচত পৃথিবীৰ প্ৰতি ৰামৰ ক্ৰোধ প্ৰকাশ হোৱা প্ৰসংগত এনেদৰে আছে—

শুষিবোহো শৰে সাত সাগৰৰ জল।

(উ. কা. ৰা. ৩৫)

ষষ্ঠবিংশ অধ্যায়ত ভৰত, ভৰত পুত্ৰ তক্ষক আৰু পুষ্কৰৰ যুদ্ধ যাত্ৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সাগৰ সঙ্কাশ সেনা যাই একথোপে।

অতিশয়োক্তি অলংকাৰ, (উ. কা. ৰা. ৫)

অষ্টবিংশ অধ্যায়ত লক্ষ্মণে ৰামচন্দ্ৰক এৰি যোৱা প্ৰসংগত আছে এনেদৰে—

শোক সাগৰত গৈল তল প্ৰভু
শ্ৰুতি জ্ঞান আউৰ নাই।

(উ. কা. ৰা. ১)

উনত্ৰিংশ অধ্যায়ত লক্ষ্মণ বিৰহৰ তাপত ৰামৰ মনৰ অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মজিলো সীতাৰ তাপে অপাৰ সাগৰে।

ভাই লক্ষ্মণৰ শোক কুম্ভীৰ মগৰে।।

ৰূপক অলংকাৰ, (উ. কা. ৰা. এ. ত্ৰিং. অ ১৩)

একত্ৰিংশ অধ্যায়ত আছে—

দোষৰ সাগৰ ইটো কলি যদি পাপী।

ৰূ পক অলংকাৰ (উ. কা. ৰা. ১০১)

দ্বাত্ৰিংশ অধ্যায়ত শ্ৰীৰাম চন্দ্ৰৰ শৰীৰ বিষ্ণুত প্ৰৱেশ কৰা প্ৰসংগত আছে—

ভকত অভয় পাত্ৰ তাপহাৰী শ্বেত ছত্ৰ

সংসাৰ সাগৰে মহানাৱ।

ৰূপক অলংকাৰ (উ. কা. ৰা. ১২)

'ৰাম বিজয়' নাটৰ আৰম্ভণিৰ ভটিমাত এনেদৰে আছে—

সমৰক নাগৰ নাগৰ সাগৰ

সীতাৰ স্বয়ম্বৰ সভাত সীতাৰ ৰূপ দেখি ব্যাকুল হোৱা ৰজা সবৰ সংলাপত এনেদৰে আছে—

হে প্ৰাণেশ্বৰী কাম সাগৰে মগন ভেলো।

ৰূপক অলংকাৰ

'কেদাৰ' ৰাগৰ এটি বৰগীতত হৃষীকেশ ভগৱন্তক সংসাৰৰ দুখৰ পৰা পৰিত্ৰাণ কৰিবলৈ মিনতি কৰা প্ৰসংগত এনেদৰে আছে—

কহতু শঙ্কৰ এ দুঃখ সাগৰ

পাৰকৰা হৃষীকেশ।

'গুণ মালা'ত এনেদৰে আছে—

মথিলা সাগৰ নৱেলা ভাগৰ।। (গু. মা. ৩৪)

মাৰিবাক তৰে পেহলাইলা সাগৰে।। (গু. মা. ২৪৫)

সিন্ধু ঃ

কীৰ্তনৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ বৈকুণ্ঠৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মজিল আনন্দ সিন্ধু জলে।

ৰূপক অলংকাৰ, (কী. প্ৰ. চ. ১৪)

'গজেন্দ্ৰোপাখ্যান' অধ্যায়ৰ শেষত হৰি নাম শ্ৰৱণৰ মহিমা ব্যাখ্যা প্ৰসংগত আছে—

সত্বৰে সংসাৰ সিন্ধু তৰিবাক লাগে।।

ৰূপক অলংকাৰ, (কী. গ. উ. ৩৭)

'কংস বধ' অধ্যায়ৰ ঊনবিংশ কীৰ্তনৰ ঘোষাত হৰিনামৰ মাহাত্ম্য প্ৰকাশ কৰিছে এইদৰে—

তৰি হৰি নামে সংসাৰ সিন্ধু।

(ৰূপক অলংকাৰ, (কং. ব. ঘো. ১৯)

দৈৱকীৰ পুত্ৰ আনয়ন অধ্যায়ৰ তৃতীয় কীৰ্ত্তনৰ ঘোষাত আছে—

স্বামী মোক পাৰ কৰা করুণা সিন্ধু।

ৰূপক অলংকাৰ, (দৈ. পু. আ. ঘো. ২)

ভাগৱতৰ প্ৰথম স্কন্ধত নাৰদৰ পূৰ্ব জন্ম কথন শীৰ্ষক অধ্যাত আছে—

আনন্দ সিন্ধুত মন মুহিলা আম্মাৰ।

(ৰূপক অলংকাৰ, ভা. প্ৰ. স্ক. 56]

ভীষ্মৰ মোক্ষলাভ বৰ্ণনা প্ৰসংগত আছে—

ভকতৰ বন্ধু করুণাৰ সিন্ধু

(ৰূপক অলংকাৰ, ভা. প্ৰ. স্ক. ১৬১)

দ্বিতীয় স্কন্ধত ভগৱানৰ লীলা অৱতাৰ বৰ্ণনা প্ৰসংগত ৰাম অৱতাৰ বৰ্ণনাত আছে—

নানা দ্ৰব্য সমৰ্পিয়া চৰণে শৰণ লৈয়া

স্তুতি কৰিবন্ত সিন্ধুৰাজ।

(ভা. দ্বি. স্ক. ৫৩৯)

দশম স্কন্ধত বসুদেৱে কৃষ্ণক নন্দ গৃহলৈ যমুনা নদী পাৰ কৰি পলুৱাই লৈ যোৱা প্ৰসংগত এনেদৰে আছে —

ৰামক দিলন্ত যেন পন্থ সিন্ধুৰাজে।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১০৭৫৩)

বিপ্ৰপত্নী প্ৰসাদ আখ্যানত বিপ্ৰপত্নী সকলে কৃষ্ণক দৰ্শন কৰি হৃদয়ত আনন্দ উপলব্ধি কৰা বৰ্ণনাত এনেদৰে আছে—

আনন্দ সিন্ধুত নিমজ্জিল নাৰীগণে।।

(ৰূপক অলংকাৰ, ভা. দ. স্ক. ১১৬১১)

কৃষ্ণই গোপীসবৰ সৈতে ক্ৰীড়া কৰা প্ৰসংগত এনেদৰে আছে—

আপুনি আনন্দ সিন্ধু জগত নিবাস।।

(ৰূপক অলংকাৰ, ভা. দ. স্ক. ১১৯৪১)

গধূলি গোধন লৈ গৃহলৈ উভতি অহা কৃষ্ণক পাই হোৱা গোপী সবৰ আনন্দৰ বৰ্ণনা প্ৰসংগত আছে—

মৰি উপজয় প্ৰায় কৃষ্ণক দিনান্তে পায়

আনন্দ সিন্ধুত যেন মজে।।

ৰূপক (অলংকাৰ, ১২২৭৭)

সান্দিপণি মুনিৰ মৃত পুত্ৰ উদ্ধাৰ কৰিবলৈ গৈ ৰাম কৃষ্ণ সাগৰ তীৰত উপস্থিত হোৱাত সাগৰে তেওঁলোকক ৰত্ন আদি লৈ পূজা কৰা প্ৰসংগত আছে এনেদৰে—

আসিলা জগত গুৰু দেখি সিন্ধুৰাজ।

(ভা. দ. স্ক. ১২৮১৪)

কৃষ্ণই গুৰুপুত্ৰ সাগৰৰ তলৰ পৰা আনি দিবলৈ কোৱা প্ৰসংগত এনেদৰে আছে—

শুনি সিন্ধু কৰযোৰে বিনাৱন্ত পাচে।।

(ভা. দ. স্ক. ১২৮১৫)

বলিছলন কাব্যত দৈত্যেন্দ্ৰক গড়ুৰ পক্ষীয়ে নাগপাশেৰে বন্ধাৰ পাছত হোৱা দুৰ্গতি বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

আপদ সিন্ধুত নিমজিলা দৈত্যপতি।

ৰূপক অলংকাৰ, (ব. ছ. ৪২৪)

কুৰুক্ষেত্ৰ কাব্যত সপৰিয়ালে যদুগণৰ সৈতে কুৰুক্ষেত্ৰলৈ যোৱা কৃষ্ণক গোকুলত গোপীসৱে দেখা কৰিবলৈ গৈ আলিংগন কৰা মুহূৰ্তৰ বৰ্ণনাত এনেদৰে আছে—

আনন্দ সিন্ধুত মজি ভৈল কৃষ্ণময়।

ৰূপক অলংকাৰ, (কু. ক্ষে. কা. ১৩০)

উত্তৰাকাণ্ড ৰামায়ণৰ একাদশ অধ্যায়ত ৰামচন্দ্ৰই সীতা উদ্ধাৰৰ বাবে লংকালৈ যাবলৈ সমুদ্ৰক বাট খোজাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ৰামক নেদন্ত দেখা গৰ্বে সিন্ধু ৰাজে।

ৰূপক অলংকাৰ, (উ. কা. ৰা. ৫৭)

কেলিগোপাল নাটৰ আৰম্ভণিত ভটিমাত কৃষ্ণ প্ৰশস্তিত এনেদৰে আছে—

আনন্দ-সিন্ধু সাধুজন বন্ধু........

(ৰূপক অলংকাৰ)

ৰাম বিজয় নাটত সখী কনকাৱতীৰ মুখে স্বয়ম্বৰলৈ অহা ৰামচন্দ্ৰৰ ৰূপত বৰ্ণনা শুনি সীতা আনন্দিত হোৱাৰ বৰ্ণনা ধনশ্ৰী ৰাগৰ একতালিৰ 'স্বামীক চৰিত্ৰ' শীৰ্ষক গীতটিত এনেদৰে আছে—

আনন্দ সিন্ধু মগন মন কামিনী .............

(ৰূপক অলংকাৰ)

ৰাজ ভট্টিমাত মল্ল নৃপতিৰ প্ৰশস্তিত এনেদৰে আছে—

গহীন গম্ভীৰ ধীৰ পেখিতে সিন্ধু।।

**হ্ৰদ ঃ**

কীৰ্তনৰ শিশুলীলা অধ্যায়ত কালী দমন প্ৰসংগত এনেদৰে আছে—

কালীৰ হ্ৰদক তাক নাজানি।

(কী. শি. লী. ১২২)

হ্ৰদৰ মাজে জাম্প দিলা পাছে।।
ঢউ উঠলিল খলকি হ্ৰদ।

(কী. শি. লী. ১২৫)

কালিক খেদাইলা হ্ৰদৰ ডাকি।।

(কী. শি. লী. ১৫৩)

ভৈল হ্ৰদ যিটো নিৰ্মল জল।

(কী. শি. লী. ১৫৪)

কৃষ্ণলীলা মালা অধ্যায়ত কৃষ্ণ লীলাৰ চমু বৰ্ণনাত আছে—

বিষময় হ্ৰদ তাক নাজানি।
হ্ৰদৰ খেদাইলা তাক নিকালি।

(কী. কৃ. লী. ১৭)

উৰেষা বৰ্ণন অধ্যায়ৰ চতুৰ্দশ কীৰ্তনত ইন্দ্ৰদ্যুম্ন ৰজাৰ স্তুতিত সন্তুষ্ট হৈ বিযুগে ৰজাক আশীৰ্বাদ দিয়া প্ৰসংগত আছে—

হ্ৰদৰ নৈঋত কোণে আছে সিদ্ধ বট।

(কী. উ. ৱ. ১৫৪)

ষোড়শ কীৰ্তনত পঞ্চতীৰ্থ বিধি প্ৰসংগত আছে—

মাৰ্কণ্ডেয় হ্ৰদে গৈয়া উত্তৰক মুখ দিয়া
হেন মন্ত্ৰ কৰিবে উচ্চাৰ।

(কী. উ. ৱ. ১৬৯)

নমো শিৱ মহা শান্ত সমস্ত পাপৰ অন্ত
স্নান কৰো মাৰ্কণ্ডেয় হ্ৰদে।

(কী. উ. ৱ. ১৭০)

ভাগৱতৰ দশম স্কন্ধত কালীদমন প্ৰসংগত এনেদৰে আছে—

কালীৰ হ্ৰদত নামি নিৰন্তৰে গোপ শিশু
পাৱৈ মানে পিলে বিষ পানী।

(ভা. দ. স্ক. ১১২১৮)

গোবিন্দে দেখন্তে পাছে গৰু গোপ মৰি আছে
সৰ্পৰ হ্ৰদৰ পানী খাই।

(ভা. দ. স্ক. ১১২১৯)

******

একেসৰ্পে মহাবল হ্ৰদৰো অগাধ জল
খেদাইলা কিমতে পায়া লাগ।

(ভা. দ. স্ক. ১১২১৯)

কালী হ্ৰদৰ বৰ্ণনাত আছে—

কালীৰ হ্ৰদৰ সিটো কি কহিবে কথা।

(ভা. দ. স্ক. ১১২২৬)

পাচে বিষময় সিটো দেখি হ্ৰদ খণ্ড।

(ভা. দ. স্ক. ১১২২৯)

কৃষ্ণই কালীক দমন কৰিবলৈ সাজু হোৱাৰ প্ৰসংগত আছে—

দিলা কৃষ্ণে আটোপে হ্ৰদৰ মাজে জাম্প।

(ভা. দ. স্ক. ১২২২৩১)

******

চোতত আটাস পাৰি যেন হ্ৰদ খণ্ড।

(ভা. দ. স্ক. ১১২৩৪)

কৃষ্ণই হ্ৰদত জাপ দিয়াত হ্ৰদৰ পানীত হেন্দোলনি কালী সৰ্পৰ গাত লগাত কালিয়ে সেই পৰাভৱ সহিব নোৱাৰি খেদি আহি কৃষ্ণৰ ৰূপ দেখি একেথিৰে চাই থকা বৰ্ণনাত আছে—

কায় ক্ষান্তি আতি সিটো হ্ৰদক সুহাই।

(ভা. দ. স্ক. ১১২০৬)

ইপিনে গোকুলত বিমংগল দেখি নন্দ যশোদা ৰোহিনী সহ সকলো আহি যমুনাৰ তীৰত উপস্থিত হৈ কালিসৰ্পৰ বন্ধতাত কৃষ্ণ বন্দী হৈ থকা দেখা প্ৰসংগত আছে—

দেখৈ হ্ৰদ মাজে পাচে পৰি আছা হৰি।

(ভা. দ. স্ক. ১১২৫৯)

কৃষ্ণক তেনে অৱস্থাত দেখি যশোদাৰ লগতে নন্দ ৰজা আৰু গোপ গোপীসকলে শোকত আতুৰ হৈ প্ৰাণ ত্যাগ কৰিব খোজা প্ৰসংগত আছে—

দেখৈ হ্ৰদত দুখে জাম্প দিবে যায়।

(ভা. দ. স্ক. ১১২৭২)

কৃষ্ণই কালী নাগৰ দৰ্প চূৰ্ণ কৰাৰ পিছত কৃষ্ণই কালীক হ্ৰদ এৰি যাবলৈ নিৰ্দেশ দিয়া প্ৰসংগত আছে এনেদৰে—

হ্ৰদৰ ভুঞ্জোক জল পশু পক্ষী নৰ।

(ভা. দ. স্ক. ১১৩১৪)

******

আজি ধৰি হৌক হ্ৰদ প্ৰৰম প্ৰখ্যাত।।

(ভা. দ. স্ক. ১১৩১৫)

সেইমতে কালী নাগ গুচি যোৱাত

সেহি দিন ধৰি হ্ৰদ কৃষ্ণৰ প্ৰসাদে।

ভৈল জল নিৰ্মল অমৃতময় স্বাদে।

(ভা. দ. স্ক. ১১৩২০)

কালী সৰ্প ৰমনক দ্বীপ এৰি কালী হ্ৰদলৈ অহাৰ কাৰণ ব্যাখ্যা প্ৰসংগত এনেদৰে আছে—

এৰি কিয় তাক কালী আইলা হ্ৰদ জলে।।

(ভা. দ. স্ক. ১১৩২১)

হেন শুনি বেগে আসি হ্ৰদে দিলা বুৰ।

(ভা. দ. স্ক. ১১৩০৩)

হ্ৰদক লাগিলা যিবা হেতু পক্ষী ৰায়।

(ভা. দ. স্ক. ১১৩০৩)

পুৰ্বতে হ্ৰদত ঋষি আছিলা সৌভৰি।

(ভা. দ. স্ক. ১১৩৩৪)

নন্দ যশোদা আৰু ৰোহিনীয়ে কালী হ্ৰদত কৃষ্ণই জাপ দিয়া বাবে কৃষ্ণক স্নেহসিক্ত খং কৰা প্ৰসংগত আছে এনেদৰে—

জুৰাইলা হৃদয় আতি কৃষ্ণক বোলন্ত মাতি

কিয় কালি হ্ৰদে দিয়া জাম্প।

(ভা. দ. স্ক. ১১৩৪২)

শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন ধাৰণ লীলাৰ পিছত নন্দ আৰু গোপসকলে কৃষ্ণ মহিমা আলোচনা কৰা প্ৰসংগত এনেদৰে আছে—

দুৰ্জ্জন কালীক দমিয়া হ্ৰদৰ

খেদাইলা এন্তে নিকালি।

(ভা. দ. স্ক. ১১৭৭০)

'কুৰুক্ষেত্ৰ' কাব্যত কুৰুক্ষেত্ৰ তীৰ্থ বৰ্ণনাত এনেদৰে আছে—

ক্ষত্ৰিয়ৰ ৰুধিৰে নিৰ্ম্মিলা হ্ৰদচয়।।

(কু. ক্ষে. কা. ১২)

কুৰুক্ষেত্ৰ তীৰ্থত যদুগণে স্নান কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ৰামৰ হ্ৰদত ৰঙ্গে কৰিলন্ত স্নান।

(কু. ক্ষে. কা. ৩০)

গোকুলত কৃষ্ণ বলোৰাম আৰু নন্দ-যশোদাৰ মিলন বৰ্ণনাত যশোদাই কৃষ্ণৰ গুণ বৰ্ণোৱা প্ৰসংগত এইদৰে আছে—

হ্ৰদৰ খেদাইলা দমি কালীক নিকালি।

(কু. ক্ষে. কা. ১০৮)

বসুদেৱে আয়োজন কৰা যজ্ঞত ঋষিসকলে স্নান কৰা প্ৰসংগত এনেদৰে আছে—

ৰাম হ্ৰদে নামি আগকৰি যজমান।

(কু. ক্ষে. কা. ৪০৯)

******

পত্নীসমে সৌৰিও নামিলা ৰাম হ্ৰদে।

(কু. ক্ষে. কা. ৪১০)

'পত্নী প্ৰসাদ' নাটৰ আৰম্ভণি ভটিমাত এনেদৰে আছে—

খেদল হ্ৰদমহ তাহে নিকালি।

(প. প্ৰ. না.)

'পাৰিজাত হৰণ' নাটৰ শেষৰ মুক্তিমংগল ভটিমাত এনেদৰে আছে—

কালিন্দী হ্ৰদে মৰ্দ্দল কালী।

কালিদমন নাটত বিভিন্ন প্ৰসংগত গীত, সংলাপ আৰু কথা সূত্ৰত হ্ৰদ শব্দটি ব্যৱহাৰ হৈছে।

কৃষ্ণৰ সংগী গোপবালকসকলে কালী হ্ৰদত বিষপানী পান কৰা প্ৰসংগত এনেদৰে আছে—

"সে বিষময় পানী.......... হ্ৰদক জল উদৰ ভৰি পান কৰল।"

(ক. সূ.)

কৃষ্ণই সখীসবক আশ্বাস দিয়াৰ প্ৰসংগত আছে—

"উহি কালিয়ক হ্ৰদ............. "

কৃষ্ণই কালীনাগক দমন কৰিবৰ উদ্দেশ্যে কালি হ্ৰদত জপিয়াই পৰা বৰ্ণনা প্ৰসংগত আছে—

..........বিষময় কালিৰ হ্ৰদত জাম্প কয়ল। সে অনন্ত বীৰ্যক প্ৰচণ্ড প্ৰতাপে হ্ৰদক উৰ্ম্মি উথলি.............

(ক. সূ.)

কানাড়া ৰাগৰ পৰি তালৰ কালীন্দী জলমহ শীৰ্ষক গীতত এনেদৰে আছে—

উৰ্ম্মি উথলি হ্ৰদ কৰু ৰোল।

তেনে প্ৰসংগতে আকৌ আছে—

ঐচা জলকেলি কৰিলে হ্ৰদৰ পৰম আন্দোল মিলিল .......

(ক. সূ.)

তদনন্তৰ হ্ৰদক আন্দোল..........

(ক. সূ.)

কৃষ্ণ সৰ্পদংশনাত হ্ৰদত মৃতপ্ৰায় হৈ পৰি থকা প্ৰসংগত আছে

তাহে পেখি শিশুসব ....... হ্ৰদক তীৰে ৰহল।

(ক. সূ.)

সেই সময়তে গোকুলত বিমংগল হোৱা দেখি কৃষ্ণৰ বিপদৰ আশংকা কৰি নন্দ-যশোদা গোপ গোপীসকলৰ সৈতে কৃষ্ণক বিচাৰি ভয়ত কাতৰ হৈ বৃন্দাবনলৈ যোৱা বৰ্ণনাত এনেদৰে আছে—

নন্দ যশোদা হ্ৰদক তীৰ পাৱল..............গোপ শিশুসব হ্ৰদক নিৰেখি............।

(ক. সূ.)

কৃষ্ণক কালিহ্ৰদত মৃতপ্ৰায় অৱস্থাত দেখি যশোদাই বিলাপ কৰা প্ৰসংগত এনেদৰে আছে—

"........লগত মৰো হ্ৰদে ঝাম্প দিয়া।"

তেনেদৰে যশোদাৰ কাৰ্য বৰ্ণনাত আছে—

হা কৃষ্ণ বুলি হ্ৰদত ঝাম্প দিতে যায়।

(ক. সূ.)

কালীসৰ্পৰ দৰ্পচূৰ্ণ কৰি কৃষ্ণই কালীক কালিহ্ৰদ এৰি যাবলৈ নিৰ্দেশ দিয়া প্ৰসংগত এনেদৰে আছে—

.........ওহি যমুনাক হ্ৰদ চোড়ি তোহাৰি পূৰ্ব স্থান ৰমনক দ্বীপ............

তেনেদৰে কথাসূত্ৰত আছে—

............শ্ৰীকৃষ্ণ কালিক দমিয়ে হ্ৰদ হন্তে দূৰ...........।

এই প্ৰসংগতে যশোদাই কৃষ্ণক প্ৰশ্ন কৰিছে এনেদৰে—

......কি নিৰ্মিত্তে হ্ৰদক মাজে ঝাম্প দেলহ.........

'গুণমালা'ত কালি দমন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কদম্বে চড়িলা    হ্ৰদত পৰিলা।

(গুণমালা. ৯৭)

## (ঘ) চৌৰ সমাৰ্থক শব্দ

**উৰ্মি ঃ**

কীৰ্তনৰ বিপ্ৰপুত্ৰ আনয়ন প্ৰসংগত এনেদৰে আছে—

ঘোৰ উৰ্মি বায়ু উথলয়।।

(কী. বি. পু. আ. ২৯)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ বাতৰি পাই দ্বাৰকাৰ প্ৰজাসকলৰ মাজত

হোৱা শোকাকুল অবস্থা বৰ্ণনা প্ৰসংগত আছে এনেকৈ--

ক্ৰন্দনৰ উৰ্মি অতি উথলিল বড়।

উপমা অলংকাৰ (কী. শ্ৰী. বৈ. প্ৰ. ১৩৬)

কীৰ্তনৰ উৰেষা বৰ্ণন অধ্যায়ত ৰজা ইন্দ্ৰদ্যুম্নৰ বিষ্ণু স্তুতি প্ৰসংগত এনেদৰে আছে--

শোক তৃষ্ণা উৰ্মিক দেখন্তে চমৎকাৰ।

ৰূপক অলংকাৰ (কী. উ. ৰ. ৮৮)

ভাগৱতৰ দশম স্কন্ধত কালী দমন লীলা বৰ্ণনাত কৃষ্ণই কালিন্দী হ্ৰদত জাপ দিয়াত প্ৰসংগত এনেদৰে আছে--

উৰ্মিৰ আন্দোলে জল প্ৰলম্পিল পুনু।।

(ভা. দ. স্ক. ১১২৩২)

কালি হ্ৰদত সৰ্পৰ বন্ধনত অচেতন হৈ পৰা কৃষ্ণক দেখি গোপ গোপীসকলে ক্ৰন্দন কৰা প্ৰসংগত এনেদৰে আছে--

ক্ৰন্দনৰ উৰ্মি উথলিল মহাৰোল।

ৰূপক অলংকাৰ (ভা. দ. স্ক. ১১২৬০)

প্ৰলম্বাসুৰ বধ প্ৰসংগত বৃন্দাবনৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনাত আছে এনেদৰে--

নদীৰ উৰ্মিত জল চিটিকিয়া পৰে।

(ভা. দ. স্ক. ১১৩৫৭)

অগাধ হ্ৰদৰ উৰ্মি দেখি ভয়ভীতি।

(ভা. দ. স্ক. ১১৩৫৯)

বৰ্ষা বৰ্ণন প্ৰসংগত বাৰিষাৰ প্ৰকৃতিৰ বৰ্ণনাত আছে--

কৰিল কল্লোল মহা উৰ্মি ভয়ংকৰ।।

উপমা অলংকাৰ (ভা. দ. স্ক. ১১৪৩৮)

তেনেকৈ শৰত কালত প্ৰকৃতি বৰ্ণনাত আছে--

শৰত কালত নিশ্চল সাগৰ

উৰ্মিৰ ৰোল নুশুনি।

উপমা অলংকাৰ (ভা. দ. স্ক. ১১৪৭৯)

ভাগৱতৰ দশম স্কন্ধত বৰ্ণনা কৰা অনুসৰি কৃষ্ণৰ মোহন বংশীৰ ধ্বনি শুনি নদী সবে

উৰ্মি হস্তে অনেক কমল ফুল লৈ।

(ভা. দ. স্ক. ১১৫২১)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণ বলোৰামে সান্দীপনি মুনিক গুৰু দক্ষিণা দিয়া প্ৰসংগত সাগৰৰ বৰ্ণনাত আছে এনেকৈ--

বায়ুৰ আন্দোলে মহা উৰ্মি চমৎকাৰ।।

(ভা. দ. স্ক. ১২৮১৩)

একাদশ স্কন্ধ ভাগৱতত যদুগণে সদলবলে প্ৰভাস তীৰ্থলৈ কৰা যাত্ৰাৰ এনেদৰে উপমা দিয়া হৈছে--

সাগৰ কল্লোল হেন উৰ্মি আস্ফালে।

উপমা অলংকাৰ (ভা. এ. স্ক. ১৭৫৮৩)

যদু বংশ ধ্বংসৰ বাতৰি পাই দ্বাৰকাবাসীয়ে প্ৰভাস তীৰ্থলৈ গৈ শোকত আতুৰ হোৱা বৰ্ণনাতআছে এনেদৰে—

সাগৰৰ উৰ্মি যেন উথলিল বাৰে।।

উপমা অলংকাৰ (ভা. এ. স্ক. ১৭৯৭৫)

দ্বাৰকাৰ বাল্য বৃদ্ধ বিধৱা অনাথ নাৰীসকলৰ কৃষ্ণৰ প্ৰিয় সখা অৰ্জুনক দেখি হোৱা শোকাকুল অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

উথলিল ক্ৰন্দনৰ উৰ্মি মহাৰোল।

ৰূপক অলংকাৰ (ভা. এ. স্ক. ১৮০৪৯)

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

চাৰিও ভিতিৰ সাগৰৰ উৰ্মি
পৃথিৱী আসে বুৰাই।।

(ভা. দা. স্ক. ১৮৬৯৫)

উৰ্মিৰ আস্ফালে জলৰ আন্দোলে
..............................

(ভা. দা. স্ক. ১৮৬৯৮)

বতাহে হিল্লোলে উৰ্মিৰ আন্দোলে
..............................

(ভা. দা. স্ক. ১৮৭০০)

ধৰৈ জলজন্তু লাগে উৰ্মিৰ আন্দোল।

(ভা. দা. স্ক. ১৮৭২৭)

অমৃত মথন কাব্যত দেৱাসুৰৰ যুদ্ধত অসুৰসকলক বধ কৰাৰ বাতৰি পাই হোৱা অসুৰ পত্নীসকলৰ হাহাকাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শুনি দানৱৰ নাৰী কান্দে হিয়ে ভুকু মাৰি
ক্ৰন্দনৰ উৰ্মি উথলিল।

(অ. ম. কা. ৬২৭)

কুৰুক্ষেত্ৰ কাব্যত শ্ৰীকৃষ্ণই যদুগণৰ সৈতে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰা বৰ্ণনাত এনেদৰে আছে—

সাগৰৰ উৰ্মি যেন উল্লাসে বতাসে।

উপমা অলংকাৰ (কু. ক্ষে. কা. ১৯)

উত্তৰকাণ্ড ৰামায়ণৰ একাদশ অধ্যায়ত লৱ-কুশৰ দ্বাৰা অযোধ্যা কাণ্ডৰ কাহিনী বৰ্ণোৱা প্ৰসংগত এনেকৈ আছে—

ক্ৰন্দনৰ উৰ্মি উথলিলা সমজ্যাত।।

ৰূপক অলংকাৰ (উ. কা. ৰা. ৮ )

কেলি গোপাল নাটত গোপীসকলৰ কৃষ্ণ বিৰহত কৰা ক্ৰন্দনৰ বৰ্ণনাত এনেধৰণে আছে—

....... সে ক্ৰন্দনা উৰ্মি গগন মণ্ডল বেঢ়াৱল ..........

(কে. গো. না. ক. সূ.)

কল্লোল ঃ

কীৰ্তনৰ 'স্যমন্ত হৰণ'ৰ পঞ্চম কীৰ্তনত জাম্বৱন্তই শ্ৰীকৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে—

যাৰ মহাক্ৰোধে কটাক্ষতে গ্ৰাহে

সাগৰ কল্লোল কৰে।

( কী. স্যা. হ. ৩৪)।

ভাগৱতৰ দশম স্কন্ধত কালী দমন বৰ্ণনাত শ্ৰীকৃষ্ণই কালী হ্ৰদত জাপ দিয়া প্ৰসংগত আছে এনেকৈ-

শুনিলেক কালী সিটো শবদ কল্লোল।

( ভা. দ. স্ক. ১১২৩৪)

দশম স্কন্ধ ভাগৱতৰ বাবিষাৰ বৰ্ণনাত প্ৰত্যক্ষ প্ৰয়োগ হৈছে এনেদৰে—

কৰিল কল্লোল মহা উৰ্মি ভয়ংকৰ।

উপমা অলংকাৰ, ( ভা. দ. স্ক. ১১৪৩৮)।

কালীয় দমন বৰ্ণনাত কৃষ্ণৰ অচেতন ৰূপ দেখি গোকুলৰ গোপ গোপীসকলোৱে ক্ৰন্দন কৰা বৰ্ণনাত এনেদৰে আছে—

ক্ৰন্দনৰ উৰ্মি উথলিলা মহাবোল।

প্ৰচণ্ড বাতাসে যেন সাগৰে কল্লোল।

( ভা. দ. স্ক. ১১২৬০)।

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন প্ৰসংগত আছে এইদৰে—

পৰম কল্লোল নৃত্য গীত বোল

শুনন্ত চাৰিও পাশে।।

( ভা. দ্বা. স্ক. ১৮৬৯৪)।

ঢৌ ঃ

ঢৌ পানীৰে সৈতে নিবিড় সম্পৰ্ক থকা বিষয়। এই বিষয়টো সৰহ সংখ্যক পদত উপমা অলংকাৰ ৰূপে ব্যৱহাৰ হৈছে। প্ৰত্যক্ষ প্ৰয়োগো যথেষ্ট আছে। কীৰ্তনৰ গজেন্দ্ৰোপাখ্যানত থকা অনুসৰি—

ক্ষীৰ সাগৰৰ ঢৌ চৌভিতি উথলে।

(কী. গ. উ. ৪)

শিশুলীলা অধ্যায়ত কৃষ্ণৰ কালি দমন লীলা বৰ্ণনা প্ৰসংগত আছে—

ঢউ উথলিল খলকি হ্ৰদ।

(কী. শি. লী. ১২৫)

উৰেষা বৰ্ণন অধ্যায়ৰ প্ৰথম কীৰ্তনত দক্ষিণ সাগৰৰ বৰ্ণনাত এনেদৰে আছে

ঢউগণ নাছে যে অগাধ গম্ভীৰ।

(কী. উ. ব. ১৮)

অষ্টাদশ কীৰ্তনত কৃষ্ণ স্তুতি বিধি প্ৰসংগত আছে—

ৰোগে ভৈল ঢউ ইহাতে মজিলো
উদ্ধাৰা প্ৰভু আমাক।

(ৰূপক অলংকাৰ, কী. উ. ব. ১৮৬)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণক বসুদেৱে নন্দৰ ঘৰত থবলৈ লৈ যোৱা প্ৰসংগত যমুনা নদীৰ বৰ্ণনাত আছে—

ঢৌ দেখি লাগে ভয় ভাগে বজোবাৰ।

(ভা. দ. স্ক. ১০৭৫৩)

এই স্কন্ধতে উপদেশ প্ৰসংগত বিষয়-সংসাৰৰ তুলনাত এনেদৰে আছে—

নানাবিধ তৃষ্ণা আত ঢৌ সৰ্বক্ষণ।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১০৯৮৬)

কৃষ্ণ আৰু বলোৰামে সান্দীপণি মুনিৰ মৃত পুত্ৰক উদ্ধাৰ কৰিবলৈ সাগৰৰ তীৰলৈ যোৱা প্ৰসংগত এনেদৰে আছে—

উথলয় ঢউ আতি পৰ্বত আকাৰ।

(ভা. দ. স্ক. ১২৮১৩)

ভাগৱতৰ একাদশ স্কন্ধত যদুবংশৰ ঘাতক স্বৰূপ মূষল চূৰ্ণীকৃত কৰি সাগৰত পেলাই নিঃশ্চিহ্ন কৰিব খোজা প্ৰসংগত এনেদৰে আছে—

চাপিল তীৰত সিটো ঢৌৰ আস্ফালত।

(ভা. এ. স্ক. ১৭৫২১)

দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণুমায়া দৰ্শন প্ৰসংগত এনেদৰে আছে—

প্ৰচণ্ড বতাসে ঢৌ উথলয়
লঙ্ঘিয়া আসে আকাশ।

(ভা. দ্বা. স্ক. ১৮৬৯৬)

কতো তল যান্ত কতো পানী খান্ত
কতো ঢৌৰে মাৰে লৰা।

(ভা. দ্বা. স্ক. ১৮৬৯৮)

হৰিশচন্দ্ৰ উপাখ্যান কাব্যত বকৰূপী বিশ্বমিত্ৰ আৰু শৰালি ৰূপী বশিষ্ঠৰ প্ৰলয় সদৃশ যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

উটে বুৰে ঢৌত প্ৰজা পৰ্বত শিখৰ।

(হ. উ কা. ৫৭৯)

**তৰংগ ঃ**

ভাগৱতৰ দ্বিতীয় স্কন্ধত ব্ৰহ্মাৰ মুখে কৃষ্ণৰ লীলা শুনি নাৰদৰ মনত ভক্তি প্ৰেমভাৱ ওপজা প্ৰসংগত এনেদৰে আছে—

নাৰদৰ উঠি গৈলা প্ৰেমৰ তৰংগ।।

(ভা. দ্বি. স্ক. ৫৮৪)

ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণৰ বংশী ধ্বনি শুনি বিমোহিত হৈ নদীসৱে কৰা কাৰ্য্য বৰ্ণনা প্ৰসংগত আছে এনেকৈ—

হুয়া মোহগ্ৰস্ত তৰংগ কম্পাৱে
অতি প্ৰেমে পুনু পুনু।।

(ভা. দ. স্ক. ১২২৬০)

অমৃত মথন কাব্যত দেৱতা দানৱৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

সাগৰত ভৈলা যেন তৰংগ তুমূল।।

উপমা অলংকাৰ, (অ. ম. কা. ৫৩০)

## (৬) নদীৰ নাম

**অলকানন্দা ঃ**

কীৰ্তনৰ শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত শ্ৰীকৃষ্ণই উদ্ধৱক বদৰিকাশ্ৰমলৈ যাবলৈ কোৱা প্ৰসংগত অলাকানন্দা নদীৰ বিষয়ে এনেদৰে আছে—

অলকানন্দাক দৰশনে।
এড়িবে সমস্ত পাপগণে।।

(কী. শ্ৰী. বৈ. প্ৰ. ৫৩)

**কাবেৰী ঃ**

ভক্তি প্ৰদীপত কৃষ্ণই অৰ্জুনৰ আগত তীৰ্থ সবে নিজকে শুদ্ধ কৰিবলৈ হৰি ভক্তৰ সংগ বিচৰা কথা বৰ্ণোৱা প্ৰসংগত অন্য তীৰ্থৰ লগতে কাবেৰী তীৰ্থৰ নামো উল্লেখ কৰিছে—

গংগা বাৰাণসী কেদাৰ কাবেৰী .......

(ভ. প্ৰ. ১২৭)

**কৌশিকী ঃ**

ভক্তি প্ৰদীপত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত ভকতৰ সংগত পৱিত্ৰ হ'বলৈ বিচাৰি ফুৰা তীৰ্থ সমূহৰ উল্লেখ কৰা প্ৰসংগত তীৰ্থ ৰূপা কৌশিকী নদীৰ এনেদৰে উল্লেখ আছে—

.....................
কৌশিকী, শোনাক
আনো যত তীৰ্থ আছে।

(ভ. প্ৰ. ১২৭)

**আকাশী গংগা ঃ**

কীৰ্তনৰ কংস বধ অধ্যায়ত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বক্ষস্থলে মুকুতাৰ হাৰ।

আকাশী গংগাৰ যেন ধাৰ।।

উপমা অলংকাৰ, (কী. কং, ৰ. ২৫৭ )

ভাগৱতৰ দশম স্কন্ধত গোবৰ্দ্ধন ধাৰণ লীলা প্ৰসংগত ইন্দ্ৰৰ দৰ্পচূৰ্ণ হোৱাৰ পিচত ইন্দ্ৰই কৃষ্ণক স্তুতি কৰা সন্দৰ্ভত এনেদৰে আছে—

আকাশী গংগাৰ জল সিঞ্চিলা শিৰত।

(ভা. দ. স্ক. ১১৮১১)

বলি ছলন কাব্যত ইন্দ্ৰৰ অমৰাৱতী বৰ্ণনাত এনেদৰে আছে—

গড়গড় খাই আকাশী গংগাই

বহে অমৰাৱতী বেঢ়ি।

(ব. ছ. কা. ৪৮)

উত্তৰাকাণ্ড ৰামায়ণৰ একত্ৰিংশ অধ্যায়ত ৰামচন্দ্ৰৰ স্বৰ্গ যাত্ৰা প্ৰসংগত আছে

আসিয়া আকাশী গংগা সিঞ্চি যান্ত জল।

(উ. কা. ৰা. এ. অ. ১৫ )

**গংগা ঃ**

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ অধ্যায়ত বামন অৱতাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তযু পাদোদকে গংগা ভৈলা উতপতি।

(কী. চ. অ. ৬)

অজামিল উপাখ্যানত কৃষ্ণ মাহাত্ম্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

গংগা গয়া কাশী প্ৰয়াগ সেতুত।

(কী. অ. উ. ৩১)

তেনেকৈ,

প্ৰয়াগ গংগাৰ জলত নিৱাস .........

(কী. অ. উ. ৩৮)

উৰেষা বৰ্ণন অধ্যায়ত ৰজা ইন্দ্ৰদ্যুম্নই দেখা পোৱা অনুপম তীৰ্থ মহানদীৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

গংগাৰ সমান তীৰ্থ বিশেষ।

(কী. উ. ব. ৪৯)

এই অধ্যায়ৰে উনবিংশ অধ্যায়ত উৰিষ্যাত শ্ৰীক্ষেত্ৰত স্নান কৰা প্ৰসংগত আছে

শ্বেতগংগা জলে বিধিবতে স্নান কৰে।

(কী. উ. ব. ১৯৬)

ভাগৱতৰ প্ৰথম স্কন্ধত কুন্তীৰ কৃষ্ণ স্তৱ প্ৰসংগত এনেদৰে আছে—

যেন জাজি গংগাক নিৰোধ কৰে যদি ........

উপমা অলংকাৰ, (ভা. প্ৰ. স্ক. ১২৬)

পৰীক্ষিত ৰজাৰ বিষ্ণু ভক্তি বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তেজিলন্ত শুকশিয়ো শৰীৰ গংগাত।

ৰূপক অলংকাৰ, (ভা. প্ৰ. স্ক. ৩০৩)

শৌনক আদি ঋষিসকলৰ আগত সুতে অনন্ত শকতি ভগৱন্তৰ মাহাত্ম্য ব্যাখ্যা কৰা প্ৰসংগত এনেদৰে আছে—

সেহি অৰ্ঘ্য জলে গংগা হুয়া জাত

জগত পবিত্ৰ কৰে।

(ভা. প্ৰ. স্ক. ৩২০)

ৰজা পৰীক্ষিতে কৃষ্ণ পাদোদক গংগাৰ মাহাত্ম্য বুজি পাই গংগাৰ পাৰত বহি কৃষ্ণক চিন্তা কৰা বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

বসিলন্ত কুশপাৰি গংগাৰ তীৰত।।

(ভা. প্ৰ. স্ক. ৩৬৩)

জগত পবিত্ৰকাৰী হেনয় গংগাক।

মনক নিশ্চয় কৰি গংগাৰ তীৰত।।

(ভা. প্ৰ. স্ক. ৩৬৪, ৩৬৫)

ৰজা পৰীক্ষিতে তপস্যা কৰা ঠাইলৈ বহু ঋষিৰ আগমন হোৱাত ৰজাই

গংগাৰ তীৰত পাতি বহল সমাজ।

(ভা. প্ৰ. স্ক. ৩৭১)

পৰীক্ষিতে নিজে কৃষ্ণৰ একান্ত সেৱক হ'বলৈ বাঞ্ছা কৰি ঋষি আৰু গংগাক সেই অংগীকাৰৰ সাক্ষী কৰিছে—

জানা ঋষি সব সাক্ষী হৈবা গংগামাৰ।

(ভা. প্ৰ. স্ক. ৩৮২)

ভাগৱতৰ দশম স্কন্ধত গোকুলৰ নন্দোৎসৱ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

দধি দুগ্ধ ঘৃত ঘোলে বহাইলেক গাংগ।

(ভা. দ. স্ক. ১০৮০৩)

দশম স্কন্ধ ভাগৱতত উপদেশ প্ৰসংগত হৰি নামৰ মাহাত্ম্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

যাহাৰ মুখত থাকৈ হৰি হেন নাম।

গংগা গয়া কাশী পুস্কৰো নাই কাম।।

(ভা. দ. স্ক. ১০৮৫৫)

দশম স্কন্ধৰে অন্য এক অধ্যায়ৰ শেষৰ উপদেশ প্ৰসংগত শংকৰদেৱে কৃষ্ণ আৰু অন্য দেৱতাৰ পূজাৰ তুলনা কৰিছে এনেদৰে—

গংগা জল এৰি কাদোৱানী পানী খাই।

প্ৰতীপ অলংকাৰ, (ভা. দ. স্ক. ১১৬০৪)

মথুৰাত কৃষ্ণই কংসৰ সেনাক যুদ্ধক বধ কৰা বৰ্ণনা প্ৰসংগত এনেৰে আছে—

কটকৰ ৰুধিৰে বহাইলা যেন গংগা।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১২৫৯১)

ভাগৱতৰ একাদশ স্কন্ধত ব্ৰহ্মা ত্ৰিপুৰাৰিৰ কৃষ্ণস্তৱৰ প্ৰসংগত এনেদৰে আছে—

তযু পাদোদক গংগাজলে কৰি স্নান।

(ভা. এ. স্ক. ১৭৫৫৫)

শ্ৰীকৃষ্ণই উদ্ধৱক বদৰিকাশ্ৰমলৈ যাবলৈ কোৱা প্ৰসংগত এনেদৰে আছে-

গংগাত কৰিয়া স্নান জপিবা আমাৰ নাম।

(ভা. এ. স্ক. ১৭৭৫৩)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিচত বিদুৰৰ মৈত্ৰেয় ঋষিৰ আশ্ৰমলৈ গমন প্ৰসংগত আছে-

একবাৰ হৰি পাৱ চুইলা মাত্ৰ গংগা মাৱ।

(ভা. এ. স্ক. ১৮১৫৩)

বিদুৰে ধৃতৰাষ্ট্ৰক তীৰ্থলৈ নিয়া প্ৰসংগত এনেদৰে আছে-

নিশা ভাগে গংগাৰ কৰিলা দুইকো পাৰ।

(ভা. এ. স্ক ১৮১৬৭)

ৰজা যুধিষ্ঠিৰে--

উঠি ৰাজা প্ৰভাতে গংগাত কৰি স্নান।

(ভা. এ. স্ক. ১৮১৬৯)

ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ দেহ ত্যাগ প্ৰসংগত আছে-

গংগাত দিলন্ত জাম্প দুয়ো পুত্ৰ শোকে।

(ভা. এ. স্ক. ১৮১৭১ )

যুধিষ্ঠিৰে ধৃতৰাষ্ট্ৰক মন্দিৰত দেখা নাপাই নাৰদক সোধাত নাৰদে কোৱা প্ৰসংগত এনেদৰে আছে-

গংগা দ্বাৰে যোগ চিন্তি পৰম দিৱসে।

(ভা. এ. স্কা. ১৮১৭৫))

এই স্কন্ধৰ শেষৰ উপদেশত গংগা জলৰ পবিত্ৰতাৰ প্ৰসংগত এনেদৰে আছে-

যদি গংগা জল কৰ্দমে মিসল

তাতো আছে মহাফল।

(ভা. এ. স্ক. ১৮৩১৫)

ভাগৱতৰ দ্বাদশ স্কন্ধত পৰীক্ষিতৰ ব্ৰহ্ম জ্ঞান লাভ অধ্যায়ত আছে-

পাছে পৰীক্ষিত গংগাৰ তীৰত

বসিলা কুশ বিছাই।

(ভা. দ্বা. স্ক. ১৮৫৫০)

তপমগ্ন ৰজা পৰীক্ষিতৰ ব্ৰহ্মময় অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে-

অসংখ্যাত নৌকা পুৰু সাজ কৰি

গংগাত বেঢ়িয়া আছে।

(ভা. দ্বা. স্ক. ১৮৫৫৩)

হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যত ব্ৰাহ্মণে ৰাণী শৈব্যাক মৃত পুত্ৰ ৰোহিতাশ্বক নি গংগাত উটাই দিবলৈ কোৱা প্ৰসংগত এনেদৰে আছে-

আৰু কোনে আৱে খৰিবে পুৰিবে

গংগাত নিয়া ভসাউ।

(হ. উ. ৩৬৯)

সেই অনুসৰি ৰাণী শৈব্যাই পুত্ৰৰ দেহ লৈ যোৱা প্ৰসংগত এনেদৰে আছে—

গংগাৰ তীৰক কান্দন্তে লড়িলা

জ্বলিল পুত্ৰ সন্তাপ।

(হ. উ. ৩৭০)

গংগাৰ তীৰত চণ্ডাল ৰূপী হৰিশ্চন্দ্ৰই পত্নী শৈব্যা আৰু পুত্ৰক চিনি পোৱাৰ পিচত তিনিও একেলগে অগ্নিত জাহ যাবলৈ সাজু হোৱা প্ৰসংগত এনেদৰে আছে—

গংগা তীৰে নিৰ্মিলা বহল চিতা খান।।

(হ. উ. ৪৪৬)

******

স্নানিলন্ত দুয়ো গৈয়া গংগা জলে।।

(হ. উ. ৪৪৭)

ঋষিবৰ বশিষ্ঠৰ তপস্যাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পশিলন্ত গংগাৰ জলৰ অভ্যন্তৰ।।

(হ. উ. ৫১৮)

অজামিল উপাখ্যানত অজামিলে নিজৰ পাপ স্মৰণ কৰি মনত অতি কষ্ট পাই গংগাৰ দ্বাৰলৈ যোৱা প্ৰসংগত আছে —

কৃষ্ণ কৃষ্ণ বুলি গংগা দ্বাৰক চলিল।।

(কী. অ. উ. ৫৫০৫)

সেই প্ৰসংগতে এনেদৰে আছে—

আকাশৰ পৰা গংগা যথাত পৰন্ত।

(কী. অ. উ. ৫৫০৬)

******

বহে গংগা জল যেন ফটিক সংকাশ।

(কী. অ. উ. ৫৫০৮)

বৈকুণ্ঠৰ চাৰি পাৰিসদ অজামিলৰ সন্মুখত উপস্থিত হোৱাত তেওঁ কৃষ্ণক স্মৰি প্ৰাণ ত্যাগ কৰা প্ৰসঙ্গত আছে—

গংগাত পৰিল সিটো পূৰ্ব কলেবৰ।

(কী. অ. উ. ৫৫১৯)

অমৃত মথন কাব্যত ত্ৰিদশ দেৱতাৰ কৃষ্ণ স্তুতি প্ৰসংগত কৃষ্ণৰ চৰণ দৰ্শন লাভ কৰি তেওঁলোকৰ শৰীৰ জুৰ পৰা অৱস্থাক এনেদৰে তুলনা কৰিছে —

যেন বন হস্তীচয় এৰায় দাবাগ্নি ভয়

গংগাৰ জলত দিয়া বুৰ।।

উপমা অলংকাৰ, (অ. ম. কা. ৪৯)

সমুদ্ৰ কন্যা লক্ষ্মীক সয়ম্বৰ উপলক্ষে স্নান কৰোৱা প্ৰসংগত এনেদৰে আছে —

গংগাদেৱী আদি কৰি সুৰ্বণৰ ঘট ধৰি
আসিলন্ত পুণ্য নদী যত।।

(অ. ম. কা. ২৩৮)

লক্ষ্মী দেৱীয়ে সয়ম্বৰ সভাত প্ৰৱেশ কৰা সময়ত লক্ষ্মীৰ অপৰূপ ৰূপ লাৱণ্য দেখি সমবেত সিদ্ধ মুণিগণে কোনে লক্ষ্মীক লভ কৰিব এই বিষয়ে কাণে কাণে কোৱা কুই কৰা প্ৰসংগত এনেদৰে আছে –

কোনে গংগা সাগৰত আছে তপসায়।।

(অ. ম. কা. ২৫৯)

অমৃত মথন কাব্যত কবিৰ আত্ম পৰিচয় প্ৰসংগত হৰি কথা বৰ্ণনাৰ বঢ়া-টুটাৰো যে মহাফল আছে তাৰ তুলনা এনেদৰে কৰা হৈছে–

গংগাত মিসল হৰে বৃষ্টি জল
তাক কোনজনে বাছে
হৰিৰ কথাত কিবা বঢ়াটুটা
তাতো মহা ফল আছে।

(অ. ম. কা. ৩১৩)

বলিছলন কাব্যৰ মংগলাচৰণ অধ্যায়ত এনেদৰে আছে–

ইটো কৃষ্ণ কথা গংগাজল পটন্তৰ।।

উপমা অলংকাৰ, (ব. ছ. কা. ৭)

কাশ্যপ ঋষিৰ হাজাৰ বছৰ ধ্যান বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

গংগাৰ জলত পশি নিৰ জন স্থানে।।

(ব. ছ. কা. ১০২)

বামনে বলিৰ পৰা দ্বিতীয় পদভূমি লোৱাৰ পাছত দেৱতা, ঋষি সকলোৱে তেওঁক স্তুতি কৰা আৰু প্ৰজাপতিয়ে কৃষ্ণৰ চৰণৰ নখ লাগি ভাগি যোৱা ব্ৰহ্মাডিম্বৰ নিৰ্মল জলধাৰা কমণ্ডলু পাতি ধৰি সেই জলেৰে বামনৰ চৰণ ধুওৱা প্ৰসংগত এনেদৰে আছে–

বিষ্ণু পাদোদকে গংগা ভৈলা উতপতি।।

(ব. ছ. কা. ৩২৯)

তেনেকৈ, গংগা ভৈলা কিৰীটি পতাকা পটন্তৰ।।

(ব. ছ. কা. ৩৩০)

দৈত্যৰাজ বলিয়ে বামনক ত্ৰৈলোক্য দান দিয়া কাৰ্যত অসন্তুষ্ট হৈ দানৱ সেনাই বিষ্ণু সেনাৰ লগত যুদ্ধ কৰা প্ৰসংগত বিষ্ণু সেনাই দানৱ সেনাক সংহাৰ কৰা বৰ্ণনাত আছে এনেদৰে–

দানৱৰ ৰুধিৰে বহালৈ তৈত গাংগ।

(ব. ছ. কা. ৩৯৯)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণৰ মহাত্মা বৰ্ণনা প্ৰসংগত আছে এনেদৰে–

যাৰ বাক্য বেদ পাদোদক গংগা
ত্ৰৈলোক পবিত্ৰ কৰে।

(কু. ক্ষে. কা. ৬৭)

বসুদেৱে মায়াত মোহিত হৈ পৰম পুৰুষ কৃষ্ণক পুত্ৰ বুলি অনাদৰ কৰি মহামুনি নাৰদৰ পৰা অৰ্পণা কৰ্মৰ বিষয়ে জানিব খোজাত মুনি গণে বসুদেৱৰ কথাত হাস্য কৰা দেখি নাৰদে মায়াৰ মহিমাৰ বিষয়ে এনেদৰে কৈছে—

যেন তীৰবাসী গংগাজল তেজি যায়।

উপমা অলংকাৰ, (কৃ. কে. কা. ৩৭৭)

ভক্তি প্ৰদীপত অৰ্জুনক শ্ৰীকৃষ্ণই তেওঁৰ ভক্তা চাণ্ডালীৰ কথা কোৱা প্ৰসংগত এনেদৰে আছে—

সখীগণ সমে খেৰি খেলাইবাক
গংগাৰ তীৰক গৈলা।

(ভ. প্ৰ. ৪৭)

শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত ইন্দ্ৰভক্ত দ্বিজে নাৰায়ণক অৱহেলা কৰি ইন্দ্ৰক পূজা কৰা দেখি চাণ্ডালীয়ে খেদ কৰা কথা বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

যেন গংগা এৰিয়া ডোবাক যায় হাষ্ঠি।

উপমা অলংকাৰ, (ভ. প্ৰ. ৬৬)

কৃষ্ণৰ অৰ্জুনৰ আগত বিভিন্ন তীৰ্থৰ নাম কথন প্ৰসংগতো গংগাৰ উল্লেখ আছে। যেনে ঃ

গংগা বাৰাণসী .....................

(ভ. প্ৰ. ১২৭, ১৬১)

নিমি নৱসিদ্ধ সংবাদত দ্ৰুমিল সিদ্ধই নিমি ৰজাৰ আগত বামনৰ চৰিত্ৰ কথন কৰা প্ৰসংগত আছে—

পাদোদকী গংগা কৰে জগত পবিত্ৰ।

(ভ. প্ৰ. ৩০৬)

সপ্তবিংশ অধ্যায়ত কালে সুৰুচি ঋষিৰ বেশ ধৰি অযোধ্যালৈ আহি ৰাম চন্দ্ৰৰ আগত নিজৰ পৰিচয় ব্যক্ত কৰি ৰামচন্দ্ৰক অৱতাৰ সম্বৰণ কৰিবলৈ কোৱা প্ৰসংগত পূৰ্বৰ বিভিন্ন অৱতাৰৰ বিষয়ে সোঁৱৰাই দিয়া সম্পৰ্কে এনেদৰে আছে—

চৰণৰ নখে কটাহ ফুটাইলা
গংগা পৰশিয়া ভৰি।

(উ. কা. ৰা. স. বিং. অ. ২৪ )

তেনেদৰে, অষ্টবিংশ অধ্যায়ত কালৰ সৈতে কথোপ কথন কৰি থকা অৱস্থাত আগমন হোৱা দুৰ্বাসা ঋষিৰ অভ্যৰ্থনাৰ্থে ভোজনৰ আয়োজন কৰা বৰ্ণনাত এনেদৰে আছে—

দধি দুগ্ধ পঞ্চামৃত বহাইলন্ত গাংগ।

(উ. কা. ৰা. অ. বিং. অ. ৫২)

**গোমতী ঃ**

উত্তৰাকাণ্ড ৰামায়ণৰ চতুৰ্থ অধ্যায়ত ৰাম চন্দ্ৰই অশ্বমেধ যজ্ঞৰ আয়োজন কৰি লক্ষ্মণক আদেশ দিয়া প্ৰসংগত আছে—

পুণ্য নদী গোমতীৰ তীৰত সত্বৰে গৈয়া

যজ্ঞশালা কৰিয়ো নিৰ্মাণ।

(উ. কা. ৰা. চ. অ. ১)

তেনেকৈ ৰামৰ আদেশ মতে লক্ষ্মণেও,

গোমতী নদীৰ তীৰে          ৰত্নৰ মন্দিৰ বীৰে
সজাইলন্ত পৰম প্ৰাৰম্ভে।

(উ. কা. ৰা. চ. অ. ৩)

সপ্তম অধ্যায়ত লৱকুশৰ ৰামচন্দ্ৰৰ যজ্ঞলৈ আগমন প্ৰসংগত এনেদৰে আছে—

অনুক্ৰমে পাইলা পাছে গোমতীৰ তীৰ।

(উ. কা. ৰা. স. অ. ৩)

**জাহ্নবী ঃ**

অজামিল উপাখ্যানত অজামিলৰ মুক্তি লাভ শীৰ্যক অধ্যায়ত অজামিলে হেমৱন্ত পৰ্বতত কৃষ্ণৰ চৰণ চিন্তা কৰিবলৈ যোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

জাহ্নবী জলত ৰংগে কৰিলন্ত স্নান।

(অ. উ. ৫৫০৯)

ভক্তি প্ৰদীপত অৰ্জুনৰ আগত কৃষ্ণই চাণ্ডালীৰ ভক্তিৰ বিষয়ে কওঁতে চাণ্ডালীয়ে ইন্দ্ৰক আৰাধনা কৰা এজন ব্ৰাহ্মণক লগ পোৱাৰ বিষয়ে বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

কৰি কৃতাঞ্জলি          জাহ্নবী তীৰত
বৈঠা বান্ধি বসি আছে।।

(ভ. প্ৰ. ৫৩)

**টেম্বুৱানী ঃ**

শংকৰদেৱৰ সাহিত্যত তেওঁৰ আত্ম-পৰিচয় প্ৰসংগত টেম্বুৱানী ঠাইৰ নাম উল্লেখ থকাটো এক উল্লেখযোগ্য বিষয়—

টেম্বুৱানী বন্ধে গ্ৰাম          বৰদোৱা যাৰ নাম
..............................

(হৰিশ্চন্দ্ৰ উ. ২৯২)

টেম্বুৱানী বন্ধে          বৈসাইলা প্ৰবন্ধে
বৰদোৱা নামে গ্ৰাম।

(কৃ. হ. কা. ৫২৯)

টেম্বুৱানী বন্ধে গ্ৰাম          বটদ্ৰৱা যাৰ নাম
..............................

(অ. উ. ৫৬০৯)

বৰদৱা নামে          আছিলেক গ্ৰাম
টেম্বুৱানী বন্ধে যাৰ।

(অ. ম. ৩০৯)

টেম্বুৰানী বান্ধে গ্ৰাম        বটপ্ৰৱা যাৰ নাম

..................................

(ব. ছ. ৩৫৪)

**নৰ্মদা ঃ**

বলিছলন কাব্যত দৈত্যৰাজ বলিয়ে যজ্ঞ সমাপন কৰি দান দিয়া প্ৰসংগত এনেদৰে আছে—

সেহিবেলা বলি যজ্ঞ কৰে সমাপত।
নৰ্মদা নদীৰ আসি উত্তৰ তীৰত।।

(ব. ছ. কা. ১৮৯)

বামন ৰূপী বিষ্ণুৱে বলিক ছলনা কৰাৰ উদ্দেশ্যে দৈত্যৰাজ বলিৰ যজ্ঞশালালৈ যোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

চলি যান্ত ধীৰে ধীৰে।
নৰ্মদা নদীৰ তীৰে।।

(ব. চ. কা. ২১৩)

**পুষ্পভদ্ৰা ঃ**

ভাগৱতৰ দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ আশ্ৰম বৰ্ণনা প্ৰসংগত পুষ্পভদ্ৰা নদীৰ উল্লেখ এনেদৰে আছে—

পুষ্পভদ্ৰা নদীতটে        প্ৰকটে প্ৰকাশৈ পুনু

..............................

(ভা. দ্বা. স্ক. ১৮৬২৬)

মাৰ্কণ্ডেয় মুণিৰ ভাগৱন্মায়া দৰ্শন শীৰ্ষক অধ্যায়ত মুণিয়ে তপ কৰা বৰ্ণনাত এনেদৰে আছে—

পুষ্পভদ্ৰা নদী        তট নিকটত
বিষ্ণুক চিন্তন্তে আছে।।

(ভা. দ্বা. স্ক. ১৮৬৯৩)

মাৰ্কণ্ডেয় মুণিৰ ভগৱন্মায়া দৰ্শন প্ৰসংগত বাল মুকুন্দৰ নাসাৰন্ধ্ৰেদি প্ৰবেশ কৰি সৃষ্টি দেখা বৰ্ণনাত আছে এনেদৰে—

পুষ্পভদ্ৰা নদী নিজ দেখন্ত আশ্ৰম।।

(ভা. দ্বা.স্ক. ১৮৭২৪)

মাৰ্কণ্ডেয় ঋষিয়ে সাত কল্প দৰ্শনৰ অন্তত বটবৃক্ষ পত্ৰত বাল মুকুন্দক ধ্যান কৰি থাকি ধ্যানৰ অন্তত চকু মেলি চাই নিজকে পুনৰ আশ্ৰমতে আবিষ্কাৰ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পুষ্পভদ্ৰা নদীৰ তীৰত মহাসুখে।
জাগি যেন স্বপ্নৰ স্মৰন্ত ৰাম মুখে।।

(ভা. দ্বা. স্ক. ১৮৭৩৩)

ব্ৰহ্মপুত্ৰ ঃ

ভাগৱতৰ একাদশ স্কন্ধত কবিৰ আত্ম পৰিচয় প্ৰসংগত ব্ৰহ্মপুত্ৰ নদীৰ নাম উল্লেখ আছে—

ৰৰদোৱা নামে গ্ৰাম        শস্যে মৎস্যে অনুপাম
ব্ৰহ্মপুত্ৰ বত্ত যাৰ কাছে।

(ভা. ৭. ক. ১৮০২০)

বৈতৰণী ঃ

কীৰ্তনৰ প্ৰহ্লাদ চৰিত্ৰ অধ্যায়ত হিৰণ্য কশিপু; বধৰ পিচত প্ৰহ্লাদৰ কৃষ্ণ স্তুতি প্ৰসংগত আছে—

ভৱ বৈতৰণী        মাজে মজিলোহো
নেৰে মোক শোক ভয়।

ৰূপক অলংকাৰ, (কী. প্ৰ. চ. ২৩০)

অজামিল উপাখ্যানৰ 'বিভিন্ন পাপৰ বিভিন্ন নৰক' শীৰ্ষক অধ্যায়ত মানুহক হৰিক ভক্তি কৰিবলৈ নিদিয়া জনৰ কেনে দুৰ্গতি হ'ব পাৰে তাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বৈতৰণী নদীত পেলাৱে দূতে ধৰি।
মল মূত্ৰ জল মাত্ৰ পিয়ে পেট ভৰি।।

(অ. উ. ৫৩১০)

অনাদি পাতনত 'গ্ৰহ আৰু পদ্মকল্পৰ কথা' শীৰ্ষক অধ্যায়ত বেদপন্থ ছাৰা কৰা লোকৰ কেনে বিড়ম্বনা হ'ব পাৰে তাৰ বৰ্ণনা প্ৰসংগত এনে দৰে আছে—

বৈতৰণী নদীত যাতনা ভুঞ্জি মৰে।।

(অ. পা. ২৮২)

মুকুতিৰ নিদান স্বৰূপ ৰাম নামৰ মাহাত্ম্য প্ৰকাশক ধনশ্ৰী ৰাগৰ 'বোলহু ৰাম' শীৰ্ষক বৰগীতটিত বৈতৰণী নদীৰ এনেদৰে উল্লেখ আছে—

ভৱ বৈতৰণী        তৰণী সুখ সৰণী
নাহি নাহি নাম সমানা।।

(ৰূপক অলংকাৰ)

ভাগিৰথী ঃ

ভাগৱতৰ দ্বাদশ স্কন্ধত তক্ষকে কৃষ্ণচৰণ চিন্তি ধ্যান কৰি থকা ৰজা পৰীক্ষিতক দংশন কৰিবলৈ ব্ৰাহ্মণ বেশে যোৱা প্ৰসংগত ভগিৰথী নদীৰ নাম উল্লেখ আছে—

তক্ষকে পাইলেক আসি ভাগিৰথী তীৰ।

(ভা. দ্বা. স্ক. ৬৬)

মহানদী ঃ

কীৰ্তনৰ উৰেষা বৰ্ণন অধ্যায়ৰ পঞ্চম কীৰ্তনত শ্ৰীক্ষেত্ৰৰ বৰ্ণনা প্ৰসংগত মহানদীৰ উল্লেখ আছে—

আছন্ত তীৰ্থ মহানদী নাম।।

(কী. উ. ব. ৪৮)

যমুনা ঃ

কীৰ্তনৰ শিশু লীলা অধ্যায়ত কংসৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ বসুদেৱে কৃষ্ণক নন্দৰ গৃহলৈ যমুনা পাৰ কৰি লৈ যোৱাৰ বৰ্ণনাত এনেদৰে আছে—

দেখি ভয়ে যমুনা আপুনি দিলা বাট।

(কী. শি. লী. ৫ )

এই অধ্যায়ৰে কৃষ্ণৰ গোপীৰ বস্ত্র হৰণ লীলা প্রসংগত গোপীসৱে যমুনাত স্নান কৰাৰ বৰ্ণনাত এনেদৰে আছে—

বিবস্ত্রে নামিল গৈয়া যমুনাৰ নীৰে।।

(কী. শি. লী. ৮১)

এই অধ্যায়াতে কৃষ্ণৰ কালী দমন লীলা বৰ্ণনাত কৃষ্ণই গোপ শিশু সকলৰ লগতে যমুনাৰ তীৰত উপস্থিত হোৱা বৰ্ণনাত আছে এনেদৰে --

পাইলা যমুনাৰ তীৰৰ লক্ষ্য।।

(কী. শি. লী. ১২১ )

একে অধ্যয়তে শ্রীকৃষ্ণই 'মনুষ্য চেষ্টা দৰশি' কালী হ্রদত মৃতকৰ বেশ ধৰি থকা দেখি গোপ-গোপী সকলে ক্রন্দন কৰা বৰ্ণনাত এনেদৰে আছে—

কান্দে যমুনাৰ তীৰক বেঢ়ি।

(কী. শি. লী. ১৩৫ )

কালী দমনৰ পিচত কৃষ্ণই গোপ গোপী পিতা মাতা সমন্বিতে যমুনাৰ তীৰত নিশা যাপন কৰা বৰ্ণনাত আছে এনেদৰে—

যমুনা তীৰত বঞ্চিলা ৰাতি।

(কী. শি. লী. ১৫৮ )

ৰাসক্রীড়া অধ্যায়ত কৃষ্ণই গোপীসকলক লৈ ক্রীড়া কৰাৰ বৰ্ণনা প্রসংগত আছে--

আনন্দে নামিল গৈয়া যমুনাৰ বালি।।

(কী. ৰা. ক্রী. ১১৪ )

হাসিয়া সিঞ্চে যমুনাৰ জল।।

(কী. শি. লী. ১৫৬)

গোপীসৱে যশোদাৰ আগত কৃষ্ণৰ গুণ বৰ্ণনা কৰা প্রসংগত আছে—

হৰিষ বঢ়ায়া যেৱে ক্রীড়ে যমুনাত।

(কী. ৰা. ক্রী. ১৯৩ )

কৃষ্ণ আৰু গোপীৰ অনংগ কেলিৰ বৰ্ণনা প্রসংগত এনেদৰে আছে--

যমুনাৰ জলে নামি জল সিঞ্চে।।

(কী. শি. লী. ২৩৭)

কংস বধৰ অধ্যায়ত অক্রুৰে কৃষ্ণ বলৰামক মথুৰালৈ লৈ যোৱা বৰ্ণনাত এনেদৰে আছে যে বায়ুতকৈয়ো বেগে ৰথ চলাই তেওঁ—

পাইল গৈয়া পাছে যমুনা-কূল।

(কী. কং. ব. ২৭২)

জৰাসন্ধৰ যুদ্ধ অধ্যায়ত জৰাসন্ধৰ সৈন্যগণে দ্বিতীয় বাৰ কৃষ্ণৰ সৈতে যুঁজিবলৈ সাজু হোৱাৰ প্ৰসংগত এনেদৰে আছে—

যমুনা-তীৰে বৈল ৰাজা-ঝাক।

(কী. জ. যু. ১০)

কৃষ্ণ লীলা মালা অধ্যায়ত অক্ৰূৰে মধ্যাহ্ন সন্ধ্যা বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

মজিলা যমুনাত দানপতি।।

(কী. কৃ. লী. মা. ৩৬)

এই অধ্যায়তে বলোভদ্ৰৰ লীলা বৰ্ণনাত আছে—

যমুনাক আঝুৰিলা নাংগল ভেজাই।।

(কী. কৃ. লী. মা. ৬৭)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত বিদুৰে উদ্ধৱক লগ পোৱা প্ৰসংগত এনেদৰে আছে—

যমুনা তীৰত উদ্ধৱক পাইলা লাগ।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১৮২)

কৃষ্ণ বিয়োগ শোকত দগ্ধ উৰ্দ্ধৱে বিদুৰৰ আগত কৃষ্ণৰ গুণ গোৱা প্ৰসংগত আছে—

ভ্ৰমন্ত যমুনা তবে মুৰাৰি।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ২০৭)

ভাগৱতৰ প্ৰথম স্কন্ধত বসুমতীক ব্ৰহ্মাই ভগৱন্তই কৃষ্ণ ৰূপে অৱতাৰ হৈ পৃথিবীৰ মহাভাৰ দূৰ কৰিব বুলি প্ৰবোধ দিয়া প্ৰসংগত আছে—

যমুনা পুলিনে অন্ন খাইবো লক্ষ্মীপতি।।

(ভা. দ্বি. স্ক. ৫৬০)

ভাগৱতৰ দশম স্কন্ধত কংসৰ কাৰাগাৰত জন্ম হোৱা কৃষ্ণক বসুদেৱে নন্দৰ গৃহলৈ লৈ যোৱা বৰ্ণনা প্ৰসংগত আছে—

বাৰিষা যমুনা নদী ফেনে ফোটোকাৰ।

(ভা. দ. স্ক. ১০৭৫৩)

অপ্ৰসায়ে বসুদেৱ যমুনা চৰাইল।

(ভা. দ. স্ক. ১০৭৫৪)

গকুলত ৰাম-কৃষ্ণই ক্ৰীড়া কৰা বৰ্ণনা প্ৰসংগত আছে—

যমুনা তীৰত ৰংগে খেলাৱন্ত খেড়ি।

(ভা. দ. স্ক. ১০৯৭৭)

শ্ৰীকৃষ্ণ বৎসাসুৰ আৰু বকাসুৰ বধ শীৰ্ষক অধ্যায়ত গোপ গোপীসকলেৰে নন্দ, যশোদা, ৰোহিনী, কৃষ্ণ, বলোৰাম সকলো বৃন্দাবনলৈ যোৱা প্ৰসংগত এনেদৰে আছে—

বৃন্দাবন গোবৰ্দ্ধন দেখি যমুনাৰ বালি

ৰাম কৃষ্ণ ভৈলা আনন্দিত।

(ভা. দ. স্ক. ১০৯৯৫)

গোপ বালকৰে সৈতে কৃষ্ণৰ বনভোজন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

যমুনাৰ বালি নমাই বুলিলা বচন।।

(ভা. দ. স্ক. ১১০৪৪)

কৃষ্ণৰ কালিয় দমন লীলা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

গোপ শিশু সব সমে যমুনাৰ তীৰে তীৰে

ধেনুগণ ফুৰন্ত চৰাই।।

(ভা. দ. স্ক. ১১২১৮)

যমুনা জলক কৃষ্ণে নিৰ্মল কৰিবে মনে

কালীক খেদাইলা তৈৰ পাচে।।

কিহেতু অনেক যুগ যমুনা জলত ৰহৈ

সিটো কালি মহা খলাচৰ।।

(ভা. দ. স্ক. ১১২২১)

শ্ৰীকৃষ্ণই কালী নাগক দমন কৰিবলৈ কালী হ্ৰদত জাপ দিয়াৰ লাগে লাগে সিফালে গকুলত নন্দ যশোদাকে ধৰি ব্ৰজবাসীয়ে বিমংগল দেখি কৃষ্ণক বিচাৰি বৃন্দাবনলৈ আহি কৃষ্ণক দেখা পোৱা বৰ্ণনাত আছে এনেদৰে-

এহিমতে যমুনাৰ তীৰক আন্টাইল।

(ভা. দ. স্ক. ১১২৫৮)

তেওঁলোকে হ্ৰদৰ মাজত কালী সৰ্পৰ বন্ধনত অচেতন হৈ পৰি থকা কৃষ্ণক দেখি শোকাতুৰ হৈ পৰা বৰ্ণনাতো আছে—

কান্দি পৰি যমুনাৰ তীৰ বেঢ়ি।

(ভা. দ. স্ক. ১১২৬০)

সেই একে প্ৰসংগতে যশোদা শোকত আতুৰ হৈ প্ৰাণ ত্যাগ কৰিবলৈ ওলোৱা বৰ্ণনাত আছে—

এহি যমুনাৰ জলে জাম্প দিয়া মৰো।।

(ভা. দ. স্ক. ১১২৭১)

কালী দমন লীলাৰ পিছতে কৃষ্ণৰ বনাগ্নি পান লীলা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কৃষ্ণৰ লগত গোপ গোপী যত

যমুনা তীৰত ৰৈল।।

(ভা. দ. স্ক. ১১৩৪৪)

গোপ কুমাৰীসৱৰ কাত্যায়নী ব্ৰতৰ বিৱৰণ প্ৰসংগত এনেদৰে আছে—

এহিমতে পাইলা পাছে যমুনাৰ তীৰ।।

(ভা. দ. স্ক. ১১৫৪১)

বালিৰ প্ৰতিমা সাজি যমুনা তীৰত।

(ভা. দ. স্ক. ১১৫৪২)

শ্ৰীকৃষ্ণৰ গোপীৰ বস্ত্ৰ হৰণ লীলাৰ প্ৰসংগত এনেদৰে পোৱা যায় যে— গোপীসবে এদিন পূৰ্বৰ দৰে

বিবস্ত্ৰে নামিলা সবে যমুনাৰ নীৰে।

(ভা. দ. স্ক. ১১৫৪৫)

বৃন্দাবনত কৃষ্ণই গোপ শিশুসবৰ সৈতে ধেনু চাৰি ফুৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পাইলা পিছে যমুনাৰ তীৰ যদুৰায়।।

(ভা. দ. স্ক. ১১৫৭৯)

******

আপুনো ভুঞ্জিলা জল যমুনাৰ আনি।।

(ভা. দ. স্ক. ১১৫৮০)

বিপ্ৰপত্নী প্ৰসাদ অধ্যায়ত কৃষ্ণ আৰু বলৰাম বিপ্ৰগৃহত উপস্থিত হোৱাত ব্ৰাহ্মণীয়ে কৃষ্ণৰ ৰূপ দেখা বৰ্ণনা প্ৰসংগত আছে—

যমুনাৰ তীৰে নৱ অশোক বনত।

(ভা. দ. স্ক. ১১৬০৫)

শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন ধাৰণ লীলাৰ পিছত নন্দ আৰু গোপসকলে কৃষ্ণ মহিমাৰ বিষয়ে আলোচনা কৰাৰ প্ৰসংগত আছে যে কৃষ্ণই কালিক দমন কৰি হ্ৰদৰ পৰা যেদাই—

কৰিলা নিৰ্বিঘ্ন জল যমুনাৰ
শিশু মহা বলশালী।।

(ভা. দ. স্ক. ১১৭৭০)

বৰুণৰ দূতৰ দ্বাৰা নন্দ হৰণ আৰু শ্ৰীকৃষ্ণৰ দ্বাৰা নন্দ উদ্ধাৰ অধ্যায়ত বৰুণৰ দূতে নন্দক লৈ যোৱাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে যে— নন্দ ৰজাই নিশা ভাগত একাদশী ব্ৰতৰ স্নান কৰিবলৈ গৈ—

আথে বেথে বুৰ দিলা যমুনাৰ জলে।

(ভা. দ. স্ক. ১১৮১৮)

শ্ৰীকৃষ্ণই নন্দক বৰুণৰ দূতে নিয়া বুলি গম পাই উদ্ধাৰ কৰিবলৈ গৈ—

দিলন্ত পাচতে বুৰ যমুনাত নামি।।

(ভা. দ. স্ক. ১১৮২০)

কৃষ্ণই নন্দক বৰুণৰ হাতৰ পৰা উদ্ধাৰ কৰি অনাৰ পাছত নন্দই কৃষ্ণৰ ৰূপ মহিমা দৰ্শন কৰা প্ৰসংগত আছে এনেদৰে—

পূৰ্বতে অক্ৰূৰে যেন দেখিলন্ত
যমুনা জলত নামি।

(ভা. দ. স্ক. ১১৮৫২)

কৃষ্ণৰ ৰাসক্ৰীড়াৰ বৰ্ণনাত বৃন্দাবনৰ গোপীসবৰ সৈতে যমুনাৰ বালিত ক্ৰীড়া কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে --

দেখি পাছে যমুনাৰ বালি সুকোমল।

(ভা. দ. স্ক. ১১৯৩৩)

কৃষ্ণই গোপীৰ দৰ্পচূৰ্ণ কৰিবলৈ গৈ আৰু তেওঁৰ প্ৰাণত ভক্তি বঢ়াবৰ উদ্দেশ্যে অন্তৰ্দ্ধান হোৱাত গোপীসবে কৃষ্ণ বিৰহত আতুৰ হৈ গছ-গছনি সকলোকে কৃষ্ণৰ বাৰ্তা সোধাৰ প্ৰসংগত আছে এনেদৰে—

যমুনাৰ তীৰত থকা তীৰ্থবাসী
মিছা নামাতিবা জানি।

(ভা. দ. স্ক. ১১৯৭০)

গোপীসকল কৃষ্ণ বিৰহত আতুৰ হোৱা বৰ্ণনাত আছে—

যমুনাৰ বালি বেৰি কৃষ্ণ বুলি পাৰৈ গেৰি
গগন লংঘিল সিটো ধ্বনি।

(ভা. দ. স্ক. ১২০৬০)

শ্ৰীকৃষ্ণৰ ৰাস লীলা শীৰ্ষক অধ্যায়ত কৃষ্ণই গোপীসকলৰ সৈতে জলক্ৰীড়া কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

যমুনা জলত গৈয়া নামিলন্ত হৰি।

(ভা. দ. স্ক. ১২১৫৬)

******

কৌতুকে কৰিলা যমুনাত জলকেলি।

(ভা. দ. স্ক. ১২১৫৮)

******

কৌতুহলে খেলে যমুনাত জল ঝাণ্টি।।

(ভা. দ. স্ক. ১২১৬১)

কৃষ্ণই গোপীসকলৰ ভক্তিত সন্তুষ্ট হৈ পুনৰ দেখা দি হৈ কৃষ্ণই গোপীসকলক লৈ যমুনাৰ বালিত নমা বৰ্ণনা প্ৰসংগত আছে—

প্ৰবেশিলা আসিহেন যমুনাৰ বালি।

(ভা. দ. স্ক. ১২০৮৭)

সেই যমুনাৰে পাৰৰ বৰ্ণনাত আছে—

যমুনাৰ সমীপত উপবন চয়।

(ভা. দ. স্ক. ১২১৬৯)

বৃন্দাবনত খেলা কৰি কৃষ্ণই গধূলি ধেনুবলাক লৈ গকুললৈ উভতি অহা গম পাই কোনো কোনো গোপীয়ে আনন্দত অধীৰ হৈ যশোদাক বাৰ্তা দিয়া বৰ্ণনা প্ৰসংগত আছে—

গোধূলে আবৃত হৈয়া যেৰে যমুনাত গৈয়া
কৰৈ ক্ৰীড়া তোমাৰ নন্দনে।।

(ভা. দ. স্ক. ১২২৭১)

অক্ৰুৰে ৰাম কৃষ্ণক লৈ মথুৰালৈ যাত্ৰা কৰাৰ পথত ৰাম কৃষ্ণই ৰথৰ পৰা নামি জল পান কৰা বৰ্ণনাত আছে—

ৰথৰ নামিয়া ৰাম-কৃষ্ণে পিলা
জল যমুনাৰ পাছে।

(ভা. দ. স্ক. ১২৪৬৬)

তেনেদৰে অক্ৰুৰে সন্ধ্যা কৰিব খোজা প্ৰসংগত এনেদৰে আছে—

নামিল যমুনা জলে দানপতি
মইতো সন্ধ্যা কৰো বুলি।।

(ভা. দ. স্ক. ১২৪৬৭)

কৃষ্ণ মথুৰালৈ যোৱাৰ পিছত বৃন্দাবনৰ গোপীসকলে কৃষ্ণক স্মৰণ কৰা প্ৰসংগত এনেদৰে আছে—

দেখি গৈয়া যমুনাৰ সুকোমল বালি।।

স্মৰণোপমা অলংকাৰ, (ভা. দ. স্ক. ১২৮৭২)

উদ্ধৱ গোপী সংবাদ শীৰ্ষক অধ্যায়ত নন্দ বজাই মথুৰাৰ পৰা কৃষ্ণৰ বাৰ্তা লৈ বৃন্দাবনলৈ অহা উদ্ধৱৰ আগত কৃষ্ণৰ গুণ বৰ্ণনা কৰা প্ৰসংগত আছে এনেদৰে—

ই নদী যমুনা গিৰী গোবৰ্দ্ধন

বৃন্দাবন ক্ৰীড়া স্থান।

(ভা. দ. স্ক. ১২৯১২)

একাদশ স্কন্ধত শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত সন্তাপত অধীৰ হৈ ক্ৰন্দন কৰি থকা উৰ্দ্ধৱক ভক্ত বিদুৰে লগ পোৱা প্ৰসংগত এনেদৰে আছে—

যমুনা তীৰত মহাভাগৱত

উদ্ধৱক পাইলা লাগ।।

(ভা. এ. স্ক. ১৮০৭৩)

উদ্ধৱে কৃষ্ণৰ গুণ বৰ্ণনা কৰি বিলাপ কৰা প্ৰসংগত এনেদৰে আছে—

ভ্ৰমিলন্ত যমুনাৰ তীৰত মুৰাৰি।।

(ভা. এ. স্ক. ১৮১০৭)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণ মহিষীসকলে কৌৰৱ-পাণ্ডৱৰ মহিষীসকল আৰু গোকুলৰ গোপীসকলোৰে মিলিত সভাত নিজ নিজ বিবাহ বৰ্ণনা প্ৰসংগত কৃষ্ণ মহিষী কালিন্দীয়ে দ্ৰৌপদীৰ আগত নিজৰ বিবাহ বৰ্ণনা কৰা প্ৰসংগত আছে—

কৃষ্ণকেসে চিন্তো আসি যমুনাৰ জলে।।

(কু. ক্ষে. কা. ২২৮)

******

পাইলা যমুনাৰ তট নিকট আম্মাৰ।।

(কু. ক্ষে. কা. ২২৯)

কালিয় দমন নাটত কৃষ্ণই কালীক দমন কৰি ৰমনক দ্বীপলৈ যাবলৈ আদেশ দিয়া প্ৰসংগত আছে এনেদৰে—

"সম্প্ৰতি ওঁহি যমুনাক হ্ৰদ চোড়ি ..............."

কালি দমনৰ পিছত ব্ৰজবাসীসবে যমুনাৰ তীৰত নিশা কটোৱা প্ৰসংগত আছে—

"যমুনা তীৰে শুতি ৰহল" (ক. সু.)

কালিয় দমন নাটৰ মুক্তি মঙ্গল ভটিমাত আছে এনেদৰে—

যোহি যমুনা জলে যামিনি কামিনি

মিলি কৰয় ৰংগ কেলি।।

কেলি গোপাল নাটত কৃষ্ণ অন্তৰ্দ্ধান হোৱা প্ৰসংগত এনেদৰে আছে—

"গোপীসবে তাহাক সংগে লৈয়া ঃ যমুনাক বালি নামি কহ ........."

(ক. সু.)

গোপীসকলৰ ভক্তিত বশ্য হৈ কৃষ্ণ পুনৰ আবিৰ্ভাৱ হৈ ৰাসক্ৰীড়া কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

"যমুনাক বালি নামি ঃ ৰাসমণ্ডল কয়ল ..........."　　　　(ক. সূ.)

শ্ৰীকৃষ্ণই শংখচূড়ক বধ কৰাৰ পিছত গোপীসকলৰ সৈতে জলকেলি কৰাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

"গোপীসব সহিত ঃ যমুনাক জল প্ৰৱেশি.........."　　　　(ক. সূ.)

শংকৰদেৱৰ অনন্য সৃষ্টি গুণমালাত বসুদেৱে কৃষ্ণক কংসৰ কাৰাগাৰৰ পৰা নন্দৰ ঘৰলৈ লৈ যোৱা বৰ্ণনাত এনেদৰে আছে–

নামানিয় কূল　　যমুনা বিপুল।

(গু. মা. ৬৫ )

তেনেকৈ কৃষ্ণৰ গোপীৰঞ্জনৰ বৰ্ণনাত আছে–

যমুনাৰ নীৰে　　স্নানি ধীৰে ধীৰে।

(গু. মা. ১০৩ )

হলিৰামে দ্বিবিধ বানৰ বধ কৰা প্ৰসংগত এনেদৰে আছে–

নাংগল টানিলা　যমুনা আনিলা।

(গু. মা. ২৫১)

**লোহিত/লৌহিত্য/লোহিত্য ঃ**

ভাগৱতৰ দশম স্কন্ধত কবিৰ আত্ম পৰিচয় প্ৰসংগত এনেদৰে লৌহিত্যৰ নাম উল্লেখ আছে–

ৰৰদোৱা নামে গ্ৰাম　　শস্যে মৎস্যে অনুপাম

লৌহিত্যৰ আতি অনুকূল।

(ভা. দ. স্ক. ১২১২৬)

হৰিশ্চন্দ্ৰ উপাখ্যানত কবিৰ আত্ম পৰিচয় প্ৰসংগত লৌহিত্যৰ নাম এনেদৰে আছে–

টেম্বুৱানী বন্ধে গ্ৰাম　　ৰৰদোৱা যাৰ নাম

লোহিত্যৰ জলে অনুকূল।

(হ. উ. ২৯২)

অজামিল উপাখ্যান কাব্যত কবিৰ আত্ম পৰিচয় প্ৰসংগত লোহিত নদীৰ নাম উল্লেখ আছে–

টেম্বুৱানী বন্ধে গ্ৰাম　　বটদ্ৰৱা যাৰ নাম

লোহিতৰ আতি অনুকূল।

(অ. উ. ৫৬০৯)

তেনেদৰে অমৃত মথন কাব্যত–

কাছতে লোহিত　　সৰ্বগুণান্বিত

স্বৰ্গেসে উপমা যাৰ।।

(অ. ম. কা. ৩০৯)

বলিছলন কাব্যত কবিৰ আত্ম পৰিচয় প্ৰসংগত আছে এনেদৰে–

টেম্বুৱানী বান্ধে গ্ৰাম　　বটদ্ৰৱা যাৰ নাম

লোহিতৰ জলে অনুকূল।

(ব. ছ. কা. ৩৫৪)

ভক্তি প্ৰদীপত কৃষ্ণই অৰ্জুনৰ আগত হৰি ভকতৰ সংগত পৱিত্ৰ হ'বলৈ বিচৰা তীৰ্থসমূহৰ উল্লেখ কৰা প্ৰসংগত এনেদৰে আছে—

লোহিত পুস্কৰ ক্ষেত্ৰ পয়স্বিনী

..................................

(ভ. প্ৰ. ১২৮)

উত্তৰাকাণ্ড ৰামায়ণৰ ঊনবিংশ অধ্যায়ত কবিৰ আত্ম পৰিচয় প্ৰসংগত লৌহিত্য নদীৰ উল্লেখ আছে—

বৰদোৱা নামে গ্ৰাম শস্যে মস্যে অনুপাম

লোহিত্যৰ জলে অনুকূল।

(উ. কা. ৰাম. ঊ. অ. ১)

**সৰযু ঃ**

ভক্তি প্ৰদীপত কৃষ্ণই অৰ্জুনৰ আগত হৰি ভকতৰ সংগত পবিত্ৰ হ'বলৈ বিচৰা তীৰ্থ সমূহৰ উল্লেখ কৰা প্ৰসংগত এনেদৰে আছে—

কৌশিকী, শোনাক, সৰযু গণ্ডকী

(ভ. প্ৰ. ১২৭)

উত্তৰাকাণ্ড ৰামায়ণৰ অষ্টবিংশ অধ্যায়ত লক্ষ্মণে শ্ৰীৰামচন্দ্ৰৰ সত্য ৰক্ষৰ বাবে ৰাজ্য এৰি যোৱা প্ৰসংগত সৰযু নদীৰ এনেদৰে উল্লেখ আছে—

উজাই কতো দূৰ সৰযুৰ তীৰি তীৰি।

(উ. কা. ৰা. অ. অ. ১৩২)

ঊনত্ৰিংশ অধ্যায়ত শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক বিচাৰি যোৱা প্ৰসংগত এনেদৰে আছে—

ৰাঘৱো পাইলন্ত পাছে সৰযুৰ তীৰ।

(উ. কা. ৰা. উ. অ. ৭৩)

******

সৰযুৰ তীৰে তীৰে খোজক নিহালি।।

(উ. কা. ৰা. উ. অ. ৭৬)

একত্ৰিংশ অধ্যায়ত ৰামচন্দ্ৰৰ স্বৰ্গ যাত্ৰা বৰ্ণনা প্ৰসংগত ৰামচন্দ্ৰৰ লগতে প্ৰজাগণো গমন কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সৰযুৰ তীৰে তীৰে আতি অনুপামে।

পুত্ৰৱতে প্ৰজাক পালিন্তে যান্ত ৰামে।।

(উ. কা. ৰা. এ. অ. ৪১)

**সৰস্বতী ঃ**

ভাগৱতৰ দশম স্কন্ধত "সুদৰ্শন বিদ্যাধৰৰ শাপ মুক্তি আৰু শংখচূড় বধ" শীৰ্ষক অধ্যায়ত এদিন নন্দ প্ৰমুখ্যে গোপগণ দেৱী অম্বিকাৰ দৌল দৰশন কৰিবলৈ যোৱাৰ বৰ্ণনা প্ৰসংগত আছে

সৰস্বতী নদীত কৰিয়া সবে স্নান।

(ভা. দ. স্ক. ১২২০৩)

সৰস্বতী তীৰে সিটো বঞ্চিলা ৰজনী।।

(ভা. দ. স্ক. ১২২০৫)

**সিন্ধু ঃ**

ভক্তি প্ৰদীপত কৃষ্ণই অৰ্জুনৰ আগত হৰি ভকতৰ মহিমা কৰলৈ গৈ ভকতৰ সংগত পবিত্ৰ হ'বলৈ বিচাৰি ভকতৰ পিছে পিছে ফুৰা তীৰ্থ সমূহৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে —

.......................... ..................

কাশী মধ্য কাঞ্চী সিন্ধু।

(ভ. প্ৰ. ১২৭)

নিমি নৱসিদ্ধ সংবাদত কলি কালত হৰি নাম কীৰ্তনৰ মাহাত্মাৰ বিষয়ে ক'বলৈ যোৱা প্ৰসংগত কেইবাখনো নদীৰ নাম উল্লেখ আছে—

তাম্ৰপৰ্ণী কৃতমালা নদী পয়স্বিনী।
প্ৰতিচী কাবেৰী মহানদী পয়োভিনী।।
যিদেশত থাকে তাৰ ভুঞ্জে যিটো জল।
সমস্ত ভকত হৈবে হৃদয় নিৰ্মল।।

(ভ. প্ৰ. ৩৯৭)

## (চ) পানীৰ সমাৰ্থক শব্দ

**উদক ঃ**

কীৰ্তনৰ উৰেষা বৰ্ণন অধ্যায়ৰ অষ্টাদশ কীৰ্তনত জগন্নাথ স্তুতি প্ৰসংগত এনেদৰে আছে—

প্ৰলম্পি আছয়
বিষয়-উদকে
মহামোহে আত পাক।

ৰূপক অলংকাৰ, (কী. উ. ব. ১৮৬)

ভাগৱতৰ দ্বাদশ স্কন্ধত শুক মুনিয়ে ৰজা পৰীক্ষিতৰ আগত প্ৰাকৃত প্ৰলয়ৰ ব্যাখ্যা কৰা প্ৰসংগত এনেদৰে আছে—

পৃথিৱী জলত পশে উদক তেজত।

(ভা. দ. স্ক. ১৮৪৮৭)

**জল ঃ**

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ অধ্যায়ত নাৰায়ণৰ প্ৰথম অৱতাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মৎস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমত

উদ্ধাবিলা চাবিবেদ প্ৰলয় জলত।

(কী. চ. অ. ২)

পাষণ্ড মৰ্দ্দন অধ্যায়ত হৰি ভক্তি বিমুখ জনক নিন্দা কৰা প্ৰসংগত এইদৰে আছে

তীৰ্থ বুলি কৰে জলত শুদ্ধি।

(কী. পা. ম. ৬১)

এই প্ৰসংগতে অশুদ্ধ মনৰ কৰ্মৰ বিষয়ে এনেদৰে আছে–

অশুদ্ধ মনৰ কৰ্মসকল।

স্ৰবে যেন আৱাঁ ঘটৰ জল।।

উপমা অলংকাৰ, (কী. পা. ম. ৬৮)

ধ্যান বৰ্ণন অধ্যায়ত বৈকুণ্ঠৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

চাৰু সৰোবৰ নিৰ্মলজল।

(কী. ধ্যা. ব. ২)

অজামিলোপাখ্যানত গোবিন্দ নামৰ মাহাত্ম্য প্ৰসংগত এনেদৰে আছে–

প্ৰয়াগ গংগাৰ জলত নিবাস

কৰে দশ কল্পমান।।

(কী. অ. উ. ৩৮)

প্ৰহ্লাদ চৰিত্ৰ অধ্যায়ত বৈকুণ্ঠৰ মাহাত্ম্য বৰ্ণন প্ৰসংগত আছে–

মজিল আনন্দ সিন্ধু জলে।

ৰূপক অলংকাৰ, (কী. প্ৰ. চ. ১৪)

প্ৰহ্লাদ চৰিত্ৰ অধ্যায়ত হিৰণ্য কশিপুৰ তপস্যা বৰ্ণনা প্ৰসংগত এনেদৰে পোৱা যায়–

খলকিল জল সাতো সাগৰ।

(কী. প্ৰ. চ. ৮৬)

হিৰণ্য কশিপুৰে প্ৰহ্লাদক বিষ্ণু ভক্ত হোৱা কাৰণে শাস্তি দিয়া প্ৰসংগত আছে–

জলত ডুবায়া উপৰে পৰ্বত

পেহলায়া কতোহো ঝান্তে।।

(কী. প্ৰ. চ. ১৩১)

গজেন্দ্ৰোপাখ্যানত ক্ষীৰ সাগৰৰ মাজৰ ত্ৰিকূট পৰ্বতৰ সৌন্দৰ্য বৰ্ণনাত এনেদৰে আছে–

পখালে পৰ্বত সুশীতল গন্ধ জলে।।

(কী. গ. উ. ৪)

******

স্ফটিক নিৰ্মল জল দেখি মনোহৰ।।

(কী. গ. উ. ৫)

গজেন্দ্ৰই ত্ৰিকূট বনৰ সৰোবৰৰ ওচৰত উপস্থিত হোৱা বৰ্ণনাত এনেদৰে আছে–

পদ্ম গন্ধ পাইলা জলৰ তীৰে।।

(কী. গ. উ. ১৭)

গজেন্দ্ৰই সেই সৰোবৰৰ পানী পান কৰা প্ৰসংগত এনেদৰে আছে–

পদ্মৰ ধূলায়ে সুগন্ধিত জল।
পিলেক তৃষায়ে হুয়া বিকল।।

(কী. গ. উ. ১৮)

গজেন্দ্ৰই সৰোবৰৰ পানীত স্নান কৰা আৰু হস্তিনীসবৰ সৈতে ক্ৰীড়া কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

অগাধ জল আতিশয় জুৰ।
******
হস্তিনী সমে কৰে জল ক্ৰীড়া।।

(কী. গ. উ. ১৯)

পিয়াবে জল গৃহস্থৰ ঠান।।
******
গৰ্বে জল ক্ৰীড়া কৰে মাতংগে।

(কী. গ. উ. ২০)

******
জলত গজেন্দ্ৰে ক্ৰীড়ে উল্লাসে।

(গ. উ. ২১)

এই সৰোবৰত ক্ৰীড়া কৰি থকা অৱস্থাত গজেন্দ্ৰক গ্ৰাহে আক্ৰমণ কৰা বৰ্ণনাত আছে—

মহা গৰ্বে ভ্ৰমন্তে ধৰিল জল গ্ৰাহে।।

(কী. গ. উ. ২৮)

অধ্যায়টিৰ শেষত উপদেশ প্ৰসংগত অথিৰ জীৱনৰ উপমা এনেদৰে আছে—

পদ্মৰ পত্ৰৰ যেন জল নুহি থিৰ।।

উপমা অলংকাৰ, (কী. গ. উ. ৩৮)

শিশু লীলা অধ্যায়ত কৃষ্ণই মাটি খোৱা প্ৰসংগত যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত সমস্ত জগতখনকে দেখা পোৱাৰ বৰ্ণনাত আছে—

সমস্তে জীৱ জ্যোতি তেজ জল ।

(কী. শি. লী. ৩০)

শিশু লীলা অধ্যায়তে ব্ৰহ্মাই কৃষ্ণৰ গোৰক্ষ দামুৰি চুৰি কৰি নিয়া প্ৰসংগত ব্ৰহ্মাই কৃষ্ণই মায়া কৰি সৃষ্টি কৰা গোৰক্ষ দামুৰিবোৰৰ চতুৰ্ভুজ ৰূপ দৰ্শন কৰা বৰ্ণনাত এনেদৰে আছে—

সজল জলদ যেন শ্যাম।

উপমা অলংকাৰ, (কী. শি. লী. ৯৩)

একে অধ্যায়তে কৃষ্ণৰ কালী দমন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

জল ক্ৰীড়া কৰা বাহু আস্ফালি।
ক্ৰোধে খেদি আহি দেখিলে কালী।।

(কী. শি. লী. ১২৫)

কৃষ্ণই কালী হ্ৰদত জল ক্ৰীড়া কৰা বৰ্ণনাত এনেদৰে আছে—

আনন্দে জলক ফুৰা আউদালি।

(কী. শি. লী. ১২৮)

নন্দ যশোদা আৰু গোপী সবে বৃন্দাবনলৈ আহি কৃষ্ণক কালী হ্রদত সৰ্প বন্ধনত দেখা অবস্থাৰ বৰ্ণনাত আছে—

জলৰ মাজে মৃতকৰ বেশ।

(কী. শি. লী. ১৩৪)

কৃষ্ণই কালী সৰ্পক মন কৰি হ্রদৰ পৰা খেদি দিয়াৰ পিচত—

ভৈল হ্রদ যিটো নিৰ্ম্মল জল।

(কী. শি. লী. ১৫৪)

ৰাসক্ৰীড়া অধ্যায়ত গোপীসকলে কৃষ্ণৰ গুণানুকীৰ্তন কৰি কৃষ্ণক বিচাৰি ব্যাকুল হোৱা বৰ্ণনাত আছে—

বিষময় জল অঘপুতনাত

ৰাখিলা বৃষ্টিতো হন্তে।

(কী. ৰা. ক্ৰী. ৮৬)

কৃষ্ণ গোপীৰ ৰাসক্ৰীড়া কাৰ্যক মেঘ গৰ্জন, বৰষুণ, বিজুলীৰ লগত তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

ঘৰ্ম জলে কণিকা গৰ্জনে ভৈলা গীত।

(কী. ৰা. ক্ৰী. ১৩৬)

এই অধ্যায়ৰ চতুৰ্দশ কীৰ্তনত কৃষ্ণই গোপীসকলৰ সৈতে যমুনা নদীত ক্ৰীড়া কৰা বৰ্ণনাত আছে—

যমুনা জলত নামিলা হৰি।

(কী. ৰা. ক্ৰী. ১৫৪)

কৃষ্ণৰ জল কেলিক হস্তীৰ জল কেলিৰ লগত তুলনা কৰা প্ৰসংগত আছে—

শ্ৰান্ত হুয়া যেন মাতঙ্গ ৰাজে।
হস্তিনী সমে ক্ৰীড়ে জল মাজে।।

(কী. ৰা. ক্ৰী. ১৫৫)

তেনেকৈ,

কৰন্ত গোপী সমে জল খেড়ি।

(কী. ৰা. ক্ৰী. ১৫৫)

হাসিয়া সিঞ্চে যমুনাৰ জল।।

(কী. ৰা. ক্ৰী. ১৫৬)

জলত গোপীক কৃষ্ণে ক্ৰীড়িলা।

(কী. ৰা. ক্ৰী. ১৫৭)

জল ক্ৰীড়াৰ অন্তত কৃষ্ণৰ সৈতে গোপীসৱে শৰত ৰাত্ৰিত যমুনাৰ কাষৰ বনত ভ্ৰমণ কৰা বৰ্ণনাত আছে—

জলে স্থলে পুষ্প সুৰভি বাসে।

(কী. ৰা. ক্ৰী. ১৫৮)

অষ্টাদশ কীৰ্তনত কৃষ্ণ গোপীৰ অনংগ কেলিৰ বৰ্ণনা প্ৰসংগত আছে—

সজল মেঘ মাধৱৰ কায়।

(কী. ৰা. ক্ৰী. ২০৬)

যমুনা জলে নামি জল সিঞ্চে।।

(কী. বা. ক্ৰী. ২০৭)

কংস বধ অধ্যায়ত অক্ৰূৰৰ কৃষ্ণ স্তুতি প্ৰসংগত আছে–

জলপাদে দেখা দিয়া হৰি।

(কী. ক. ব. ২৯২)

জলৰ উঠিল অতি সত্বৰে।

(কী. ক. ব. ২৯৩)

বিপ্ৰপুত্ৰ আনয়ন অধ্যায়তঅৰ্জুনে বিপ্ৰক পুত্ৰক আনি দিব বুলি অংগীকাৰ কৰা প্ৰসংগত আছে–

কৰিলন্ত আচান্ত পবিত্ৰ জল চুই।

(কী. বি. পু. আ. ১২)

কৃষ্ণ আৰু অৰ্জুনে বিপ্ৰপুত্ৰক উদ্ধাৰ কৰিবলৈ সাতখন পৃথিৱী আৰু সাত সাগৰ এৰি লোকালোকৰ সিপাৰে যাত্ৰা কৰা প্ৰসংগত আছে–

তাক এৰি জল পাইলা গই।

(কী. বি. পু. আ. ২৯)

প্ৰবেশিলা সেহি জল মাঝে।।

(কী. বি. পু. আ. ৩০)

দামোদৰ বিপ্ৰ আখ্যানত কৃষ্ণ কিদৰে সন্তুষ্ট হয় হৈ বিষয়ে বিপ্ৰ দামোদৰক কোৱা প্ৰসংগত আছে–

ভকত সকলে পূজে ফুলে জলে

তুষ্ট হওঁ তাকে পাই।

(কী. দা. বি. আ. ১৬)

কৃষ্ণ লীলা মালা অধ্যায়ত দুৰ্যোধনৰ যুধিষ্ঠিৰৰ সভা দৰ্শন প্ৰসংগত আছে–

স্থল হেন বুলি পৰিলা জলে।।

ভ্ৰান্তিমান অলংকাৰ, (কী. কৃ. লী. মা. ৮৬)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত শ্ৰীকৃষ্ণই যদুগণক দ্বাৰকা ধ্বংসৰ বিষয়ে কোৱা প্ৰসংগত আছে–

সাত দিন অৱসানে সমস্তে দ্বাৰকা মানে

সাগৰৰ জলে যাইবে তল।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৩১)

শ্ৰীকৃষ্ণই যদুগণক প্ৰভাস তীৰ্থলৈ যাত্ৰা কৰিবলৈ কোৱা প্ৰসংগত আছে–

প্ৰভাসক চলি যাও আমি।

স্নান দান কৰো জলে নামি।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৬৮)

যদু বংশ ধ্বংসৰ অন্তত বলোৰামে প্ৰাণত্যাগ কৰাৰ পিছত কৃষ্ণৰ কাৰ্য বৰ্ণনাত আছে–

মাধৱো পাছে প্ৰভাসৰ জলে।

স্নান কৰি গৈলা অশ্বত্থ-তলে।।

(কী. কৃ. বৈ. প্ৰ. ৮৫)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিচত উদ্ধৱে বিদুৰৰ আগত যদু বংশৰ ধ্বংসৰ কাহিনী বৰ্ণনা কৰা প্ৰসংগত

আছে—

সবাকে নিলা প্ৰভাসৰ জলে।

(কী. কৃ. বৈ. গ্ৰ. ২১৬)

মাধৱে পাছে স্নান কৰি জলে।।

(কী. কৃ. বৈ. গ্ৰ. ২১৮)

উৰেষা বৰ্ণন অধ্যায়ত ৰজা ইন্দ্ৰদ্যুম্নই বিষ্ণু স্তুতি কৰা প্ৰসংগত আছে—

সংসাৰ সাগৰে জল বিষয়ৰ ক্লেশ।

(কী. উ. ৰ. ৮৭)

তেনেকৈ,

জল যন্ত্ৰ চক্ৰে জৰী বদ্ধ হুয়া

খণ্ড ঘট যেন মতে।

(কী. উ. ৰ. ৯৬)

ৰজাৰ স্তুতি সন্তুষ্ট হৈ বিষ্ণুৱে ৰজা ইন্দ্ৰদ্যুম্নক স্বপ্নাদেশ দিয়া প্ৰসংগত এনেদৰে আছে-

বৃক্ষক দেখিবা পাছে।

জল থল মাজে আছে।।

(কী. উ. ৰ. ১১৭)

স্বপ্নভংগ হোৱাৰ পিছত ইন্দ্ৰদ্যুম্নই সাগৰৰ পাৰত নিজে গৈ মঞ্জাঠীৰ বৰ্ণসম তৰুৰ দেখা পোৱা বৰ্ণনাত আছে—

পড়িয়া জলৰ কাছে।

যেন সুখে শুতি আছে।।

(কী. উ. ৰ. ১২৫)

ইন্দ্ৰদ্যুম্ন ৰজা স্তুতিত সন্তুষ্ট হৈ বিষ্ণুৱে আশীৰ্বাদ দিয়া প্ৰসংগত এনেদৰে আছে-

যজ্ঞ অৱশেষ যত জল অনুপাম।

হুইবে তীৰ্থ ইন্দ্ৰদ্যুম্ন-সৰোবৰ নাম।।

(কী. উ. ৰ. ১৫২)

এই অধ্যায়তে পঞ্চ তীৰ্থ বিধি প্ৰসংগত এনেদৰে আছে—

নাভি মাত্ৰ জলে নামি বিধিৱতে দেৱঋষি

ত্ৰিলোদকে কৰিব তৰ্পণ।

(কী. উ. ৰ. ১৭০)

জলত নামিয়া পাছে অংগ ন্যাস কৰি।

পঢ়িব কৱচ মনে নাৰায়ণ স্মৰি।।

(কী. উ. ৰ. ১৯৮)

অন্তৰ্জলে নামি কৰি অঘ মৰিষণ।

তীৰত উঠিয়া পাছে উঠিয়া বসন।।

(কী. উ. ৰ. ২০০)

সন্ধ্যা আচৰিব কৰি সূৰ্যক বন্দন।

তিলে জলে বিধিবতে কৰিব তৰ্পণ।।

(কী. উ. ব. ২০১)

জলে থাকি জলাঞ্জলি নিদিব ভূমিত।
থলে থাকি জলত নিদিব কদাচিত।।
জলত থাকিয়া কৰে থলত তৰ্পণ।
ব্যৰ্থ হই তাৰ নাপাবন্ত পিতৃগণ।।

(কী. উ. ব. ২০২)

এই অধ্যায়ৰে উপদেশ প্ৰসঙ্গত শঙ্কৰদেৱে মনুষ্য জীৱনৰ ক্ষণ স্থায়ীত্বৰ কথা এনেদৰে উপমা সহ কৈছে–

পদ্মপত্ৰ জল জীৱন চঞ্চল।

(ভা. প্ৰ. স্ক. ২৫৬)

সুতে শৌনক আদি ঋষিসকলৰ আগত কৃষ্ণৰ মহিমা ব্যাখ্যা কৰা প্ৰসংগত আছে–

যাৰ পাদনখে ব্ৰহ্মাণ্ড ফুটাইলা
পৰে জলধাৰা বই।
দিলা অৰ্ঘ্য পাৱে সেহি জল বিধি
কমণ্ডলু পাতি লৈ।।

(ভা. প্ৰ. স্ক. ৩২০)

পৰীক্ষিতৰ ওপৰত ব্ৰহ্মশাপ শীৰ্ষক অধ্যায়ত ৰজা পৰীক্ষিতে ধ্যানস্থ শমীক ঋষিক পানী বিচৰা প্ৰসংগত এনেদৰে আছে–

শুকাই ওষ্ঠ কণ্ঠ মোৰ কৰা জল দান।

(ভা. প্ৰ. স্ক. ৩৩৪)

ধ্যানস্থ শমীকৰ পৰা একো সঁহাৰি নাপাই ৰজাই কোপিত হৈ তপস্বী শমিকৰ ডিঙিত মৰা সাপ এডাল আঁৰি দিয়াত শমীক পুত্ৰ শৃংগীয়ে ৰজাক শাপ দিয়া প্ৰসংগত এনেদৰে আছে–

কুশিকৰ জল চুয়া কৰিলা আচান্ত।।

(ভা. প্ৰ. স্ক. ৩৪১)

ভাগৱতৰ দ্বিতীয় স্কন্ধত সৃষ্টি বৰ্ণনাৰ আৰম্ভণিতে মংগলাচৰণ প্ৰসংগত আছে–

বিশ্বামিত্ৰ পৰাশৰ আদি মুণি গণ।
জল বায়ু পত্ৰ মাত্ৰ কৰন্ত ভোজন।।

(ভা. দ্বি. স্ক. ৪৬১)

দশম স্কন্ধত যশোদা ৰোহিনী আৰু গোপীসকলৰ দ্বাৰা কৃষ্ণৰ অভিষেক আৰু বন্দনা কৰা প্ৰসংগত আছে–

কৃষ্ণৰ অংগক দুনাই জপে জল চুই।।

(ভা. দ. স্ক. ১০৮৩৭)

চক্ৰবাত অসুৰে কৃষ্ণক লৈ যোৱা বৰ্ণনাৰ পিছতে দিয়া উপদেশ অধ্যায়ত জীৱনৰ ক্ষণস্থায়ীত্ব সম্পৰ্কে আছে–

জীৱন চঞ্চল পদ্মপত্ৰ জল।

প্ৰতিবস্তুপমা অলংকাৰ, (ভা. দ. স্ক. ১০৮৬৮)

কৃষ্ণই চক্ৰবাত অসুৰক আকাশতে বধ কৰিলত কৃষ্ণ সহ মাটিত পৰা চক্ৰবাতৰ বুকুৰ পৰা কৃষ্ণক নি গোপীসবে মাতৃ যশোদাৰ কোলাত দিয়া প্ৰসংগত যশোদাৰ মনোভাব বৰ্ণনাত এনেদৰে আছে—

পুত্ৰ মুখ দেখি তাপ গুচিল সকলে।
কনৰ নুমাইলা জুই যেন বৃষ্টি জলে।।

(ভা. দ. স্ক. ১০৮৮২)

উপদেশ প্ৰসংগত হৰি ভকতিৰ মহিমা বৰ্ণনাত আছে—

আশা নামে নদী ঘোৰ জল মহাধন।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১০৯৮৬)

গোপ বালকৰ লগত খেলা খেলি শ্ৰান্ত হৈ পৰা কৃষ্ণক গোপবালক সকলে পৰিচৰ্যা কৰা প্ৰসংগত আছে—

পুণ্যৱন্তে কতোহো শীতল জল সিঞ্চে।

(ভা. দ. স্ক. ১১১৭৭)

এই অধ্যায়তে কৃষ্ণৰ কালী দমন লীলাৰ পিচত কৃষ্ণই কালীক ৰমনক দ্বীপলৈ পঠিওৱা বৰ্ণনাত আছে—

যমুনা জলত কৃষ্ণে নিৰ্মলি কৰিবে মনে
কালীক খেদাইলা তৈৰ পাচে।।

(ভা. দ. স্ক. ১১২২১)

ৰজা পৰীক্ষিতে কালী দমন লীলাৰ বৰ্ণনা শুনি শুক মুনিক প্ৰশ্ন কৰা প্ৰসংগত আছে—

কি হেতু অনেক যুগ যমুনা জলত বঞ্চে
সিটো কালি মহা খলচৰ।।

(ভা. দ. স্ক. ১১২২২১)

একে সৰ্প মহাবল হ্ৰদৰো অগাধ জল
খেদাইলা কিমতে পায়া লাগ।

(ভা. দ. স্ক. ১১২২২)

ইয়াৰ পৰৱৰ্তী অধ্যায়ত কালী হ্ৰদৰ বিৱৰণ প্ৰসংগত আছে—

দুৰ্ঘোৰ অগাধ জল ব্যাপি আছে সাপে।
উথলয় জল বিষবহ্নিৰ প্ৰতাপে।।

(ভা. দ. স্ক. ১১২২৬)

খলকত যায় জল দুৰত উফৰি।।

(ভা. দ. স্ক. ১১২২৭)

কৃষ্ণই কালী দমনৰ অৰ্থে কালী হ্ৰদত জাপ দিওঁতে হ্ৰদৰ জলৰাশিৰ বিৱৰণ দিয়া প্ৰসংগত এনেদৰে আছে—

জগতৰ গুৰু ভৰে, পৰিলা প্ৰকাশি।
প্ৰচণ্ড শবদে উথলিল জলৰাশি।।
উৰ্মিৰ আন্দোলে জল প্ৰলম্পিল পুনু।
চৰ্তুভিতি গৈল জল একশত ধনু।।

(ভা. দ. স্ক. ১১২৩২)

কৃষ্ণই কালী হ্ৰদত নামি খেলা কৰা বৰ্ণনা এনেদৰে আছে—

দুই বাহু দণ্ডে ডাম্ফি মাৰি মহাৰংগে।
উথলন্ত জলে যেন প্ৰমত্ত মাতংগে।।

(ভা. দ. স্ক. ১১২৩৩)

কালী সৰ্পই হ্ৰদৰ কল্লোলিত পানীয়ে কালী সৰ্পৰ গাত আঘাত কৰা প্ৰসংগত আছে—

গাৱত লাগিল গৈয়া জলৰ আন্দোল।

(ভা. দ. স্ক. ১১২৩৪)

কালী হ্ৰদত মৃতপ্ৰায় অৱস্থাত কৃষ্ণক দেখা পাই যশোদাই শোকত প্ৰাণ ত্যাগ কৰিব খোজা প্ৰসংগত এনেদৰে আছে—

এহি যমুনাৰ জলে জাম্প দিয়া মৰো।।

(ভা. দ. স্ক. ১১২৭১)

কালী সৰ্পক দমন কৰি সৰ্পক সপৰিয়ালে ৰমনক দ্বীপলৈ যাবলৈ আদেশ দিয়া প্ৰসংগত এনেদৰে আছে—

হ্ৰদৰ ভুঞ্জোক জল পশু পক্ষী নৰ।।

(ভা. দ. স্ক. ১১৩১৪)

কালী সৰ্প গুচি যোৱাৰ পিচত
ভৈল জল নিৰ্মল অমৃতময় স্বাদ।।

(ভা. দ. স্ক. ১১৩২০)

এই স্কন্ধতে বৃন্দাবনৰ প্ৰকৃতি বৰ্ণনা প্ৰসংগত আছে—

দশোদিশ উফৰি নিঝৰি জল যায়।

(ভা. দ. স্ক. ১১৩৫৬)

নদীৰ উৰ্মিত জল চিটিকিয়া পৰে।

(ভা. দ. স্ক. ১১৩৫৭)

কাষৰ প্ৰলম্পি জল যায় চৰ্তুভিত্তি।

(ভা. দ. স্ক. ১১৩৫৯)

দশম স্কন্ধৰ বৰ্ষা বৰ্ণন প্ৰসংগত এনেদৰে আছে—

বৃষ্টি জল পায়া শস্য কৰৈ হলফল।
******
শুখাই পৰৈ জল পুনু অত্যন্ত আসুখ।

(ভা. দ. স্ক. ১১৪৩৫)

বাৰিষাৰ নতুন পানীয়ে প্ৰকৃতিক মনোহৰ ৰূপ দিয়া কাৰ্যক হৰি ভক্তিয়ে মানুহৰ মন সুন্দৰ কৰা কাৰ্যক তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

কৰৈ স্নান পান যত জল স্থল বাসী।।

(ভা. দ. স্ক. ১১৪৩৬)

বাৰিষা কালত গছৰ শিপাই পানী সেৱন কৰি ডাল-পাত মেলি জাতিস্মাৰ হোৱা কাৰ্যৰ লগত উপবাস কৰি শীৰ্ণ হোৱা শৰীৰে অন্ন গ্ৰহণ কৰি পুষ্টি লাভ কৰা কাৰ্যৰ লগত তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

বৃক্ষসবে বৃষ্টিব শিফায়ে পিবৈ জল।

(ভা. দ. স্ক. ১১৪৪৫)

সুসমৃদ্ধ বৃন্দাবনত কৃষ্ণই গোপ গণব সৈতে ক্ৰীড়া কৰা বৰ্ণনাত আছে–

জলব নিকটে গৈয়া পবিত্ৰ শিলাত।
কৌতুহলে ভোজন কৰন্ত দধি ভাত।।

(ভা. দ. স্ক. ১১৪৫৯)

ধেনু গণেও

পৰম তৃপিতি হুয়া কৰি জল পান।

(ভা. দ. স্ক. ১১৪৬১)

ইয়াৰ পৰবৰ্তী অধ্যায়ত শৰত কালব মনোৰম বৰ্ণনা প্ৰসংগত আছে–

গগন নিৰ্মল স্বচ্ছ ভৈল জল
দুৰ গৈল মেঘ গণ।

(ভা. দ. স্ক. ১১৪৭২)

শৰত কালে চাৰি প্ৰকাৰ কাৰ্য সাধন কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

যত জল মানে সবে স্বচ্ছ ভৈল
শৰতে হৈল মল।।

(ভা. দ. স্ক. ১১৪৭৫)

তেনেকৈ, শৰত কালৰ কাৰ্যক বিত্তলোভ এৰি মন শুদ্ধ কৰা মুণি সকলৰ লগত তুলনা কৰা প্ৰসংগত আছে–

মেঘ গণে জল সৰ্বস্ব এৰিয়া
শুক্ল কৰিলেক গাব।
যেন মুনি সবে বিত্ত লোভ তেজি
ভৈল মহা শুদ্ধ ভাব।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৭৭)

তেনেকৈ সকলো ঠাইতে জলদান নকৰা কাৰ্যক জ্ঞানী গুৰুৱে সকলো শিষ্যকে গুপ্ত জ্ঞান নিদিয়াৰ লগত তুলনা কৰিছে–

পৰ্বত সকলে সততে নকৰে
সবে ঠাইত জল দান।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৭৭)

তেনেদৰে, শৰত কালৰ অন্য এক কাৰ্যক দুখী মানুহৰ লগত তুলনা কৰা প্ৰসংগত আছে–

দোভাৰ জলত সূৰ্যৰ তাপত
কমাবৈ মৎস্য অপাৰ।
যেন মহাদুখী কুটুম্বী মনুষ্যে
দুখৰ নেদেখে পাৰ।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৭৮)

এনে সুন্দৰ শৰত কালৰ শোভা বিজড়িত বৃন্দাবনত কৃষ্ণৰ লীলা বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

ভুঞ্জি স্বচ্ছল জল সুৰভি শীতল
বায়ুৰ পৰশ পাই।

(ভা. দ. স্ক. ১১৪৮৩)

ৰাম-কৃষ্ণৰ সন্মুখত গোপীসকলৰ গীত শীৰ্ষক অধ্যায়ত কৃষ্ণৰ অধৰামৃত পান কৰি থকা বাঁহীটোক পুষ্ট কৰা নদী খনক গোপীসৱে প্ৰশংসা কৰা প্ৰসংগত আছে—

যাৰ জল পানে এহি বংশী ভৈল পুষ্ট।
আৰ মাতৃতুল্য ইটো নদীযে সন্তুষ্ট।।

(ভা. দ. স্ক. ১১৫০২)

শ্ৰীকৃষ্ণৰ গোপীৰ বস্ত্ৰ হৰণ লীলা বৰ্ণনাত আছে—

কৰৈ জলকেলি লীলা কৃষ্ণক সুমৰি।।

(ভা. দ. স্ক. ১১৫৪৫)

তেনেকৈ,

নিয়ো বস্ত্ৰ সবেও জলৰ পৰা উঠি।।

(ভা. দ. স্ক. ১১৫৪৯)

গোপীসকলো—

আকণ্ঠ জলত মজি আছে জাৰে
কাম্পে তৰতৰি বুক।

(ভা. দ. স্ক. ১১৫৫৫)

বিপ্ৰপত্নী প্ৰসাদ অধ্যায়ত শ্ৰীকৃষ্ণই ৰৌদ্ৰ পীড়াত তৃষ্ণাতুৰ হৈ যমুনাৰ পানী পান কৰা প্ৰসংগত আছে—

আপুনি ভুঞ্জিলা জল যমুনাৰ আনি।

(ভা. দ. স্ক. ১১৫৮০)

নন্দ আদি গোপসকলৰ গোকুলত ইন্দ্ৰ যজ্ঞৰ আয়োজন বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

কৰৈ জল বৃষ্টি সৰ্বলোকৰ জীৱন।

(ভা. দ. স্ক. ১১৬৫২)

ইয়াৰ পৰৱৰ্তী অধ্যায়ৰ শেষৰ উপদেশ প্ৰসংগত অথিৰ জীৱনৰ এই উপমা দিছে—

যেহেন জলৰ ৰেখা।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৭০১)

শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন পৰ্বত ধাৰণ লীলা প্ৰসংগত আছে এনেদৰে—

আকৰ্ণ শবদে বৰিষয় জলধাৰে।

(ভা. দ. স্ক. ১১৭০৬)

******

পৰৈ জলধাৰা তন্ত্ৰ থূলন্তৰ ।।

(ভা. দ. স্ক. ১১৭০৭)

এই প্ৰসংগতে বৰ্ণিত হোৱা অনুসৰি কৃষ্ণৰ একো অপকাৰ কৰিব নোৱাৰি মেঘ গণক ইন্দ্ৰই সম্বৰণ কৰিবলৈ কোৱাত মেঘ গুচি গৈ আকাশ নিৰ্মল হোৱাৰ বৰ্ণনাত আছে—

এবে সবে সুখাইলে বৃষ্টিৰ জল মানে।

(ভা. দ. স্ক. ১১৭৪৫)

গোবৰ্দ্ধন ধাৰণৰ পিছত নন্দ আৰু গোপসকলে কৃষ্ণৰ মহিমা বৰ্ণন কৰা প্ৰসংগত আছে–

কৰিলা নিৰ্বিঘ্ন জল যমুনাৰ
শিশু মহা বলশালী।।

(ভা. দ. স্ক. ১১৭৭০)

ইয়াৰ পিছতে বৰুণৰ দূতে নন্দক হৰণ কৰাত নন্দক কৃষ্ণই উদ্ধাৰ কৰা প্ৰসংগত আছে–

আথেবেথে বুৰ দিলা যমুনাৰ জলে।

(ভা. দ. স্ক. ১১৮১৮)

নন্দক উদ্ধাৰ কৰাৰ পিছত নন্দই কৃষ্ণৰ ৰূপ দেখাৰ বৰ্ণনা প্ৰসংগত আছে–

পূৰ্বতে অক্ৰূৰে যেন দেখিলন্ত
যমুনা জলত নামি।

(ভা. দ. স্ক. ১১৮৫২)

দশমৰ এক মনোমোহা আৰু বিতোপন অধ্যায় ৰাস লীলাত গোপী সবৰ কৃষ্ণ স্তুতি প্ৰসঙ্গত আছে–

শুন পূৰ্ব কথা স্বামী জলে নামি আছো আমি
বস্ত্ৰ লৈয়া চৰিলা কদম্ব।

(ভা. দ. স্ক. ১১৯০৮)

গোপীসকলৰ দৰ্প চূৰ্ণ কৰিবৰ বাবে কৃষ্ণ অন্তৰ্দ্ধান হোৱাত গোপীসবে নিজকে কৃষ্ণ বুলি ভাবি কৃষ্ণৰ লীলা সমূহৰ অভিনয় কৰা প্ৰসংগত আছে এনেদৰে–

কতো বস্ত্ৰ থৈয়া তীৰে জলে গৈয়া পৰে।

(ভা. দ. স্ক. ১২০০০)

কালিন্দী উপকূলত শ্ৰীকৃষ্ণৰ লগত গোপীসকলৰ পুনৰ মিলন শীৰ্ষক অধ্যায়ত কৃষ্ণৰ ৰূপৰ মহিমা বৰ্ণনা বিষয়ত আছে–

সজল মেঘত যেন বিজুলী সঞ্চৰে।।

(ভা. দ. স্ক. ১২০৬৭)

গোপীসকলৰ ভক্তিত বশ্য হৈ কৃষ্ণই যত গোপী তত কৃষ্ণ ৰূপলৈ বৃন্দাবনত কৰা ৰাস ক্ৰীড়াৰ বৰ্ণনা প্ৰসঙ্গত আছে–

কৃষ্ণৰ অসংখ্য মূৰ্তি জলৈ যেন
সজল মেঘ আশ্ৰয়।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১২১২২)

******

গুণ গীত ভৈল মেঘৰ গৰ্জ্জনি
বৃষ্টি জল ভৈল ঘাম।

(ভা. দ. স্ক. ১২১২২)

কৃষ্ণই যমুনাত গোপীসবৰ সৈতে কৰা জল ক্ৰীড়া কৰা বৰ্ণনাত আছে–

যমুনা জলত গৈয়া নামিলন্ত হৰি।

(ভা. দ. স্ক. ১২১৫৬)

বাহু ডাম্ফ মাৰি কতো উথলন্ত জল।
(ভা. দ. স্ক. ১২১৫৭)

অনেক হস্তিনী লৈয়া ক্ৰীয়ে জল মাজে।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১২১৫৮)

ফুৰি ফুৰি গোপীকো জল সিঞ্চলন্ত হৰি।।
(ভা. দ. স্ক. ১২১৬০)

কৌতুহলে খেলে যমুনাত জল ঝান্টি।।
(ভা. দ. স্ক. ১২১৬১)

কতো কতো সিঞ্চে জল কৃষ্ণক আবৰি।।
(ভা. দ. স্ক. ১২১৬২)

গোবিন্দকো বেঢ়ি গোপীসবে সিঞ্চে জল।
(ভা. দ. স্ক. ১২১৬৩)

এহিমতে জলে থলে কৃষ্ণে কৰি কেলি।
জলক উঠিয়া লৈয়া ৰংগে গোপী মেলি।
(ভা. দ. স্ক. ১২১৬৬)

যমুনাৰ ওচৰৰ উপবন বৰ্ণনাত আছে—
জল স্থল পুষ্পে সুবাসিত আতিশয়।।
(ভা. দ. স্ক. ১২১৬৯)

সুদৰ্শন বিদ্যাধৰ শাপ মুক্তি আৰু শংখচূড় বধ অধ্যায়ত এদিন নন্দ আৰু গোপগণে দেবী অম্বিকাৰ দৌল দৰশন কৰিবলৈ যোৱা প্ৰসঙ্গত আছে—
জল মাত্ৰ পিয়া গোপগণে কৰি ব্ৰত।
(ভা. দ. স্ক. ১২২০৫)

গোষ্ঠলৈ অক্ৰূৰ আগমন শীৰ্ষক অধ্যায়ত অক্ৰূৰে ৰাম কৃষ্ণক লৈ মধুপুৰলৈ যাত্ৰা কৰা প্ৰসংগত আছে—
ৰথৰ নামিয়া ৰাম কৃষ্ণে পিলা
জল যমুনাৰ পাছে।
(ভা. দ. স্ক. ১২৪৭৬)

সেই প্ৰসংগতে অক্ৰূৰে কৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে—
বৃষ্টি জলে ভৈল তীৰ্থ বিৰাট তোমাৰ।।
(ভা. দ. স্ক. ১২৪৮৫)

কৃষ্ণই অক্ৰূৰক বিৰাট ৰূপ দেখুৱাই অন্তৰ্দ্ধান হোৱাৰ পিছত আছে—
উঠিলা জলৰ পৰা পাছে দান পতি।
(ভা. দ. স্ক. ১২৪৯৭)

চানুৰ আৰু মুষ্টিকৰ লগত ৰামকৃষ্ণৰ মল্ল যুদ্ধ বৰ্ণনা প্ৰসঙ্গত কৃষ্ণৰ মুখত ঘৰ্মজলক তুলনা কৰা প্ৰসংগত আছে—

জলৰ কণিকা সহিতে জ্বলয়

..........................

(ভা. দ. স্ক. ১২৬৯২)

কংসবধ অধ্যায়ৰ অন্তত উপদেশ প্ৰসংগত দুষ্টমতি সকলৰ তুলনা প্ৰসংগত আছে–

শতবাৰ জলত পখালে যদি গাত্ৰ।

অপবিত্ৰ তথাপি সুৰাৰ যেন পাত্ৰ।।

(ভা. দ. স্ক. ১২৭৭১)

পাঞ্চজন্য দৈত্য বধ প্ৰসংগত কৃষ্ণই সাগৰক কোৱাৰ প্ৰসঙ্গত আছে–

তোমাৰ জলত সিটো তল গৈয়া আছে।

(ভা. দ. স্ক. ১২৮১৫)

সেই প্ৰসংগত সিন্ধু বাজে কৈছে–

মোহোৰ জলত ফুৰৈ শঙ্খৰূপ ধৰি।

(ভা. দ. স্ক. ১২৮১৭)

কৃষ্ণই তেতিয়া

দিলন্ত জলত বুৰ নামি নাৰায়ণে।।

(ভা. দ. স্ক. ১২৮১৮)

এই প্ৰসংগত জল শব্দৰ এনেদৰে ব্যৱহাৰ হোৱা দেখা যায়–

ফুৰন্ত আটোপে কৃষ্ণে জলক বিদাৰি।

(ভা. দ. স্ক. ১২৮১৯)

পাঞ্চজৈন্য দৈত্যক কৃষ্ণই ধৰিব খোজা প্ৰসংগত আছে–

গম্ভীৰ জলত পশি পলাই মহাবেগে।

(ভা. দ. স্ক. ১২৮২০)

গোপী উদ্ধৱ সংবাদ শীৰ্ষক অধ্যায়ত কৃষ্ণৰ মাহাত্ম্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে–

সজল জলদ শ্যাম শৰীৰ নিৰোজ।।

(ভা. দ. স্ক. ১২৯৩৫)

উদ্ধৱে গোপীসবৰ আগত কৃষ্ণৰ সৰ্বব্যাপ্ত ৰূপৰ ব্যাখ্যা কৰা প্ৰসংগত এনেদৰে আছে–

সমস্ত নদীৰ যেন নানা পথে

সাগৰত পৰৈ জল।।

(ভা. দ. স্ক. ১৩০৪২)

ভাগৱতৰ একাদশ স্কন্ধত ভকতৰ বৈশ্য কৃষ্ণৰ কৃপালু গুণৰ কথা বৰ্ণনা প্ৰসংগত আছে–

সেই একচলু জল তুলসীৰ পাতে।

(ভা. এ. স্ক. ১৭৫৯১)

ঠাই বিশেষে সংসাৰৰ অনিত্যতাৰ কথা ক'বলৈ গৈ কোৱা হৈছে–

জীৱন জলৰ ৰেখা।

উপমা অলংকাৰ, (ভা. এ. স্ক. ১৭৬০৫/ ১৮০৮২)

কৃষ্ণৰ উপদেশত যদুগণ প্ৰভাস তীৰ্থলৈ যোৱা প্ৰসংগত আছে–

নামিয়া তীৰ্থৰ জলে যাদৱ বিশেষে।

(ভা. এ. স্ক. ১৭৭৮৯)

প্ৰভাস তীৰ্থত পৰস্পৰৰ সৈতে যুঁজ কৰি যদুগণ নিঃশেষ হৈ যোৱা নিজান বৰ্ণনাক তুলনা কৰা প্ৰসঙ্গত আছে—

যেন জল পৰি ঘোৰ অগণি নুমাইল।।

(ভা. এ. স্ক. ১৭৮২৮)

যদুগণৰ তেজেৰে

দেখিয়া শোণিত ময় সাগৰৰ জল।।

(ভা. এ. স্ক. ১৭৮৩০)

যদু বংশ ধ্বংস হোৱাৰ পিছত বলোৰামৰ মনৰ ভাব বৰ্ণনা প্ৰসংগত আছে—

পিণ্ডক জলক লাগি নাথাকিল সঞ্চ।।

(ভা. এ. স্ক. ১৭৮৩২)

দৈৱকীয়ে কৃষ্ণ বিচ্ছেদৰ দুখ বৰ্ণনা কৰা প্ৰসংগতো উক্ত কথাষাৰ আছে।
শ্ৰীকৃষ্ণই কুল সংহৰি বৈকুণ্ঠগামী হোৱাৰ লগে লগে

দ্বাৰকা নগৰ সমূলপ্তে তল
গৈল সাগৰৰ জল।।

(ভা. এ. স্ক. ১৮০১৮)

একাদশ স্কন্ধত গ্ৰন্থকাৰৰ পৰিচয় প্ৰসঙ্গত মানুহৰ দিনে দনে আয়ুস ক্ষয় হৈ যোৱাৰ কথা তুলনা কৰিছে অলপ পানীৰ মাছৰ লগত—

নিতে শুখাই পৰৈ জল তাতে কৰৈ কৌতুহল
..................................

(ভা. এ. স্ক. ১৮০২৪)

দ্বাদশ স্কন্ধত শুক মুনিয়ে ৰজা পৰীক্ষিতক চতুৰ্বিধ প্ৰলয়ৰ কথা কোৱা প্ৰসংগত নিত্য প্ৰলয়ৰ বিষয়ে কৰৈলে গৈ কৈছে—

যেন নদী সমস্তৰ জল যাই বহি।

উপমা অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৪৭৭)

তেনেকৈ প্ৰকৃত প্ৰলয় বৰ্ণনা প্ৰসংগত আছে—

প্ৰলয়ৰ জলে ভৰে ব্ৰহ্মাণ্ড ভিতৰ।।

(ভা. দ্বা. স্ক. ১৮৪৮৬)

পৃথিৱী জলত পশে উদক তেজত।

(ভা. দ্বা. স্ক. ১৮৪৮৭)

আত্যন্তিক লয়ৰ প্ৰসঙ্গত ব্ৰহ্ম আৰু সংসাৰক অভেদত্বৰ বিষয়ে এনেদৰে কোৱা হৈছে—

জলত সুৰ্য্যক যেন দেখি ভিন্ন ভিন্ন।
সেহিমতে জানিবা ব্ৰহ্মাবো ভেদহীন।

(ভা. দ্বা. স্ক. ১৮৪৯৪)

নাৰায়ণৰ স্তৱ বৰ্ণন অধ্যায়ত শৌনক ঋষিয়ে সুতক মাৰ্কণ্ডেয় ঋষিৰ কথা সোধা প্ৰসংগত আছে—

কিমতে বৰ্ত্তিলা সিটো একাৰ্ণৱ জলে।

(ভা. দ্বা. স্ক. ১৮৬০৫)

******

ভয়ংকৰ একাৰ্ণৱ জলত ভ্ৰমন্ত।

(ভা. দ্বা. স্ক. ১৮৬০৭)

মাৰ্কণ্ডেয় ঋষিৰ আশ্ৰম বৰ্ণনাত আছে—

আছে যত সৰোবৰ নিৰ্মল পবিত্ৰ জল

পদ্ম বনে হংসৰ আবাৰ।।

(ভা. দ্বা. স্ক. ১৮৬২৭)

মাৰ্কণ্ডেয় ঋষিয়ে হৃদয়ত বিষ্ণুক ধ্যান কৰা প্ৰসংগত আছে—

চন্দ্ৰ সূৰ্য জল অগ্নি পৃথিবী আকাশ।

(ভা. দ্বা. স্ক. ১৮৬৮৪)

বিষ্ণু মায়া দৰ্শন কৰিবলৈ গৈ মাৰ্কণ্ডেয় ঋষিৰ হোৱা দুৰৱস্থা বৰ্ণনাত আছে—

উৰ্মিৰ আস্ফালে জলৰ আন্দোলে

(ভা. দ্বা. স্ক. ১৮৬৯৮)

কত লক্ষ কোটি সহস্ৰ বৰিষ

জলত ভ্ৰমন্তে গৈল।

(ভা. দ্বা. স্ক. ১৮৭০২)

মাৰ্কণ্ডেয় ঋষিৰ স্তুতিত সন্তুষ্ট হৈ শিৱই বৰ দিয়া প্ৰসংগত আছে—

জলময় তীৰ্থ যত দেৱৰ প্ৰতিমা।

(ভা. দ্বা. স্ক. ১৮৭৬০)

হৰিশ্চন্দ্ৰ উপাখ্যানত ৰজা হৰিশ্চন্দ্ৰৰ গুণ বৰ্ণনাত আছে—

জল সাগৰক লাগি ভৈল অধিকাৰ।

(হ. উ. ১২)

হৰিশ্চন্দ্ৰ ৰজাই বিশ্বামিত্ৰক দান দিয়া প্ৰসংগত আছে—

এহি বুলি হাতে লৈয়া তিলকুশ জল।

(হ. উ. ৯৯)

ৰজা হৰিশ্চন্দ্ৰ আৰু ৰাণী শৈব্যা বনলৈ যোৱা প্ৰসংগত আছে—

বাকলি বসন কৰংগাৰ জল পাত্ৰ।।

(হ. উ. ১৫৭)

বনলৈ যাবলৈ ৰাজ্য এৰি ওলাই অহা ৰজা হৰিশ্চন্দ্ৰই প্ৰজাগণক ৰাজ্যলৈ উভতি যাবলৈ কোৱা প্ৰসঙ্গত আছে—

মহা জল বেগে যেন এক থান হোৱে যেন

খানিতেক থাকি মিল যাই।

বান্ধবৰ সমাগম      জানিবাহা সেহি সম

অসাৰ সংসাৰ সমুদায়।।

উপমা অলংকাৰ, ( হ. উ. ১৭৭)

বিশ্বমিত্র ঋষিয়ে ৰজা হৰিশ্চন্দ্রক ককর্থনা কৰা প্রসংগত আছে—

বচন যতেক তোৰ যেন জল ৰেখা।

উপমা অলংকাৰ, (হ. উ. ১৮৭)

ৰাজ্য এৰি বনবাসী হ'বলগীয়া হোৱা ৰাণী শৈব্যাৰ ক্লান্ত অৱস্থাৰ বৰ্ণনা প্রসঙ্গত আছে—

শিৰত সিঞ্চন্ত জল।

দহে দেহা সুকোমল।।

( হ. উ. ২১০)

অধ্যায়ন্তৰত কবিৰ আত্ম পৰিচয় প্রসংগত এনেদৰে আছে—

টেম্বুৰানী বন্ধে গ্রাম      ৰবদোৱা যাৰ নাম

লৌহিত্যৰ জলে অনুকূল।।

(হ. উ. ২৯২)

অন্য পুথিতো আত্ম পৰিচয় প্রসংগত এনে উক্তি আছে। (ব. হু. কা. ৩৫৪ আৰু উ. কা. ৰা. উ. অ. ১)

ঋষি বিশ্বামিত্রৰ শাপত শৰালি ৰূপ পোৱা বশিষ্ঠ আৰু ঋষি বশিষ্ঠৰ শাপত বক ৰূপ লাভ কৰা বিশ্বামিত্রৰ যুদ্ধ বৰ্ণনা প্রসংগত আছে—

মহা বেগে উৰ্মি কৰি উঠে সব জল।

( হ. উ. ৫৭৫)

পখাৰ চাটিত জল যায় স্বৰ্গ কোল।।

( হ. উ. ৫৭৬)

ৰুক্মিণী হৰণ কাব্যত ভীষ্মক ৰজাৰ চাৰিত্রিক বৈশিষ্ট্য বৰ্ণনা প্রসংগত আছে—

যেন জলময় ৰাজা নাহি কোপ তাপ।

উপমা অলংকাৰ, (ৰু. হ. কা. ১৪)

বেদনিধিৰ দ্বাৰকা দর্শন প্রসংগত আছে যে তাৰ সৰোবৰ সমূহ—

চাৰু জলে আছে ভৰি।

(ৰু. হ. কা. ১১৪)

শ্ৰীকৃষ্ণই বেদনিধি, বিশ্বকেতু, নৃপতিসহ চতুৰঙ্গ সেনালৈ মহা আড়ম্বৰেৰে কুণ্ডিল নগৰত প্ৰৱেশ কৰা বৰ্ণনা প্রসঙ্গত আছে—

অনেক ব্ৰাহ্মণ      কৰন্ত তৰ্পণ

নিৰ্মল জলত পশি।

(ৰু. হ. কা. ২০৪)

সয়ম্বৰ উপলক্ষে ৰুক্মিণীক গা ধুওৱা বৰ্ণনাত আছে—

আনিল পঞ্চাশ ঘট জল আতি জুৰ।।

(ৰু. হ. কা. ২৫৩)

ৰুক্মিণীয়েও ভৱানী মঠলৈ গৈ

ভৃংগাৰৰ জল লৈয়া পখালিলা ভৰি।

(ক. হ. কা. ২৬৫)

কৃষ্ণ ৰুক্মিণীৰ বিবাহ প্ৰসংগত এনেদৰে আছে—

সুবৰ্ণৰ ঘটে থৈলা জলে ফুল ভৰি।।

(ক. হ. কা. ৭৩০)

অজামিল উপাখ্যানত ৰজা পৰীক্ষিতৰ প্ৰশ্নৰ উত্তৰত শুক মুনিয়ে যমৰ নগৰৰ বৰ্ণনা কৰি কৈছে—

সাতো পাতালৰ তলৰ জলৰ

উপৰে যমৰ পুৰ।

( অ. উ. ৫২৬১)

বিষ্ণু দূতৰ প্ৰশ্নৰ উত্তৰত যমদূতে মানুহৰ চৈধ্য সাক্ষীৰ বিষয়ে কোৱা প্ৰসংগত আছে—

কাল জল বায়ু ধৰ্ম মহী এহি

চৈধ্য সাক্ষী দেখে আতি।।

(অ. উ. ৫৩৯৪)

উপদেশ প্ৰসংগত শংকৰদেৱে অথিৰ জীৱনৰ উপমা এইদৰে দিছে—

পদ্মপত্ৰ জল জীৱন চঞ্চল

কৈত কেতিক্ষণে যায়।

(অ. উ. ৫৪০৭)

বিষ্ণু দূতৰ ভগৱানৰ নামৰ মাহাত্ম্য কথন প্ৰসংগত আছে—

দ্ৰব্য সমে কৰে যেন জলক ভোজন।

উপমা অলংকাৰ, (অ. উ. ৫৪২১)

যমদূতৰ হাতৰ পৰা মুক্ত হৈ অজামিলে সমগ্ৰ দ্বিজজন্ম বিফলে নিয়াৰ অনুতাপত দগ্ধ হৈ মনোকষ্ট পোৱাৰ বৰ্ণনাত আছে—

জাহ্নবী জলত বংগে কৰিলন্ত স্নান।

(অ. উ. ৫৫০৯)

অমৃত মথন কাব্যত ত্ৰিদশ দেৱতা সহ ব্ৰহ্মাই বিষ্ণুক স্তুতি কৰা প্ৰসংগত আছে—

যেন বন হস্তীচয় এৰায় দাবাগ্নি ভয়

গঙ্গাৰ জলত দিয়া বুৰ।

(অ. ম. কা. ৪৯)

দেৱাসুৰে মন্দৰ পৰ্বত আনি সাগৰ মথিব খোজা প্ৰসংগত এনেদৰে আছে—

অগাধ সাগৰ জল বহিবাৰ নাই থল

(অ. ম. কা. ১৬২)

এই প্ৰসংগতে বিষ্ণুৰ কূৰ্ম অৱতাৰ বৰ্ণনাত আছে এনেকৈ—

অগাধ সাগৰ জল নমনিয়া পাৰ।

(অ. ম. কা. ১৬৬)

দৈত্য দানৱে সমুদ্র মন্থন কৰা বৰ্ণনাত এনেদৰে আছে—

নতাসে যোগাৱে সাগৰৰ ছিটা জল।

(অ. ম. কা. ১৮৮)

মহাভয়ে জলজন্তু পলাই দশোদিশ।।

(অ. ম. কা. ১৮৯)

সমুদ্র মন্থনত হলাহল বিষ উৎপন্ন হোৱাত দেৱাসুৰে ত্ৰাসত শিৱক স্তুতি কৰা বৰ্ণনাত আছে-

যিটো লেখে যতেক বৃষ্টিৰ জলধাৰা।

(অ. ম. কা. ২০১)

স্বয়ম্বৰ সভাত লক্ষ্মীয়ে বিষ্ণুৰ গলত বৰমাল্য দিয়া প্ৰসংগত এনেদৰে আছে—

সজল মেঘত বিজুলি চমক

যেন আছে দিয়া দেখা।।

(অ. ম. কা. ৩০৩)

হৰি কথাৰ ফল প্ৰসংগত শংকৰদেৱে এনেদৰে উপমাৰ ব্যৱহাৰ কৰিছে—

গংগাত মিসল হৱে বৃষ্টি জল

তাক কোন জনে বাছে।

হৰিৰ কথাত কিবা বঢ়া টুটা

তাতো মহাফল আছে।

উপমা অলংকাৰ, ( অ. ম. কা. ৩১৩)

পুত্ৰ শোকত অধীৰ ৰজা বিৰোচনক পাত্ৰ মন্ত্ৰীসকলে প্ৰবোধ দিয়া প্ৰসংগত আছে—

জলৰ পাকত বাজি একস্থান হোৱে জাজি

কতোক্ষণে এৰা এৰি হুই।

( অ. ম. কা. ৫৬০)

বলি ছলন কাব্যৰ মংগালাচৰণত কৃষ্ণৰ কথাৰ মাহাত্ম্য এইদৰেই তুলনা কৰিছে—

ইটো কৃষ্ণ কথা গংগা জল পটন্তৰ।

উপমা অলংকাৰ, ( ব. ছ. কা. ৭)

ইন্দ্ৰৰ অম্ৰাৱতীৰ সৰোবৰ সৌন্দৰ্য বৰ্ণন প্ৰসংগত আছে—

দেৱ বিদ্যাধৰে জলক্ৰীড়া কৰে

আশেষ সুৰ সুন্দৰী।

ৰংগে জুলি বাটি খেলে জল ছাটি

অসংখ্যাত অপেশ্বৰী।।

কতো ঘসি কুড় জলে দেই বুড়

সাম্ভৰে কতো কৌতুকে।

(ব. ছ. কা. ৪৭)

কাশ্যপ ঋষিৰ ধ্যান বৰ্ণন প্ৰসংগত আছে—

গংগাৰ জলত পশি নিৰজন স্থানে।।

( ব. ছ. কা. ১০২)

দেব মাতা অদিতিয়ে স্বৰ্গত কাশ্যপ ঋষিক শুশ্ৰূষা কৰা প্ৰসংগত আছে—

ভৃঙ্গাৰৰ জলে পখালিলা দুই ভৰি।

( ব. ছ. কা. ১০৪)

কাশ্যপ ঋষিয়ে দেৱমাতা অদিতিক পয়ব্ৰতৰ বিধিৰ বিষয়ে কোৱা প্ৰসংগত আছে -

ললাট দন্তৰ মাটি শৰীৰত ঘসি আতি

স্নানিবা বিচিত্ৰ স্ৰোত জলে।

( ব. ছ. কা. ১১৭)

প্ৰতিপদ দিন ভৈল বিধিমতে স্নানি জলে

.......................................

(ব. ছ. কা. ১১৮)

ব্ৰহ্মাই বিষ্ণুক স্তুতি কৰা প্ৰসংগত আছে—

তুমি কাল নদীত জগত ভাসি যায়।

যেন জল বেগে নেই জাজিক উটাই।।

(ব. ছ. কা. ১৫৬)

শ্ৰীকৃষ্ণৰ বামন অৱতাৰ বৰ্ণন প্ৰসংগত আছে—

হৃদয় প্ৰদেশে শ্ৰীবৎস প্ৰকাশে

যেন জলে পদ্ম পান্তি।।

উপমা অলংকাৰ, ( ব. ছ. কা. ১৬৮)

হিৰণাক্ষ্যই সাগৰকযুদ্ধদান ভিক্ষা কৰা প্ৰসংগত সাগৰে বিষ্ণুৰ অৱতাৰ বৰাহৰ সৈতেহে তেওঁ সমকক্ষ হ'ব বোলা প্ৰসংগত আছে—

অনন্ত জলৰ হন্তে পৃথিবী উদ্ধাৰি।

( ব. ছ. কা. ২৪১)

বামনে ৰজা বলিক তিনিপদ ভূমি বিচৰা প্ৰসংগত আছে—

যেন জল পৰি আগ্নি নিৰ্বানিক পায়।

উপমা অলংকাৰ, ( ব. ছ. কা. ২৭৪)

বলিৰ কৃষ্ণ ভক্তি বৰ্ণনাত আছে—

স্বামীৰ হাতত জল দেন্ত বিন্ধ্যাবলী।

( ব. ছ. কা. ৩০৪)

ৰজা বলিয়ে বামনক তিনিপদ ভূমি উৰ্ছগা কৰা প্ৰসংগত আছে—

সঞ্চ হাতে দিলা জল মাধৱৰ কৰে।

( ব. ছ. কা. ৩০৫)

******

সুবৰ্ণ ভৃঙ্গাৰে পটেশ্বৰী দেন্ত জল।

******

পাদোদক জল সব ঢালিলন্ত মাথে।।

( ব. ছ. কা. ৩০৬)

বামনৰ দ্বিতীয় পদে ব্ৰহ্মাণ্ড স্পৰ্শ কৰা প্ৰসংগত আছে—

ভিৰ পশিল জল ব্ৰহ্মাডিম্ব ভাগি।।

******

সেহি জলে বামনৰ চৰণ ধুৱাইলা।। (ব. ভ. কা. ৩২৯)

বামনক ত্ৰৈলোক্যৰ ৰজা ৰূপে আভিষিক্ত কৰা প্ৰসঙ্গত আছে—

দুৰ্বাক্ষত দধি ফল চাৰি সাগৰৰ জল

অনাইলা সুবৰ্ণ ঘট ভৰি। (ব. ছ. কা. ৫৪৭)

কুৰুক্ষেত্ৰ কাব্যত মংগলাচৰণ অধ্যায়ত কৃষ্ণৰ কুৰুক্ষেত্ৰ যাত্ৰা বৰ্ণনা প্ৰসংগত আছে—

নামিয়া জলত সৱে যাদৱ সন্ততি।। (কু. ক্ষে. কা. ৩০)

কৃষ্ণ মহিষীসকলে নাৰীসকলৰ সভাত নিজ নিজ বিবাহ বৰ্ণনা কৰা প্ৰসংগত জাম্বৱতীয়ে নিজৰ বিবাহ বৰ্ণনা কৰা সম্পৰ্কে এনেদৰে আছে—

উজবিল জল জন্তু কুম্ভীৰ মগৰ। (কু. ক্ষে. কা. ২১১)

সূৰ্যৰ দুহিতা কালিন্দীয়ে বিবাহ বৰ্ণনা কৰা প্ৰসঙ্গত আছে—

কৃষ্ণকেসে চিন্তো আসি যমুনাৰ জলে।। (কু. ক্ষে. কা. ২২৮)

তেনেকৈ বৃহৎ সেন দুহিতা লক্ষণাৰ বিবাহ বৰ্ণনা প্ৰসঙ্গত আছে—

জানি থিত মৎস্যৰ ছায়াক চাহি জলে। (কু. ক্ষে. কা. ৩০৪)

******

একবাৰ চাইল মাত্ৰ জলত আভায়।। (কু. ক্ষে. কা. ৩০৬)

বসুদেৱে নাৰদৰ পৰা অৰ্পণা কৰ্মৰ বিষয়ে জানিবলৈ বিচাৰোতে নাৰদে উত্তৰ দিয়া প্ৰসংগত এনেদৰে আছে—

যেন তীৰ বাসী গঙ্গা জল তেজি যায়।

অন্যত্ৰ জলত স্নানে সিদ্ধিক আশায়।। (কু. ক্ষে. কা. ৩৭৭)

বসুদেৱৰ কৃষ্ণস্তুতি প্ৰসংগত এনেদৰে পোৱা যায়—

আকাশে শবদ গুণে ৰসে সম জল। (কু. ক্ষে. কা. ৪৮৪)

তেনেদৰে দৈৱকীৰ পুত্ৰ আনয়ন প্ৰসংগত আছে—

উচৰ্গিয়া দিয়া জলে সমস্তে সন্তাৰ।। (কু. ক্ষে. কা. ৫৫৩)

'ভক্তি প্ৰদীপ'ত ভক্তিহীন জ্ঞান যোগৰ তুলনা প্ৰসংগত আছে—

মৎস্য আশা কৰে যেন বৃষ্টিৰ জলত।
শুধা জ্ঞান যোগ জানা সখি সেহিমত।।

উপমা অলংকাৰ, (ভ. প্ৰ. ২০)

কৃষ্ণই অৰ্জুনক গৃহ বাস সম্পৰ্কে কোৱা প্ৰসংগত আছে—

পুত্ৰ দাৰা ধন বস্ত্ৰ যেন জল ৰেখা।

(ভ. প্ৰ. ২৯১)

'অনাদি পাতন'ত মহা প্ৰলয় বৰ্ণনা প্ৰসংগত আছে—

নাহি জল নাহি থল নাহিকে আকাশ।

(অ. পা. ৩৮)

সৃষ্টিলীলা প্ৰসংগত জলৰ সৃষ্টি বৰ্ণনাত আছে—

ৰসগুণ হন্তে পাচে জল উতপতি।

(অ. পা. ৫৫)

মনৰ সৃষ্টি প্ৰসংগত আছে—

যেন সূৰ্য বিম্ব লৰে জলৰ লগত।
জলস্থিৰ ভৈলে বিম্ব থাকে পূৰ্ববত।।

উপমা অলংকাৰ, (অ. পা. ৬৮)

চৈধ্য ভুবন সৃষ্টি প্ৰসংগত আছে—

সুৱৰ্ণৰ ব্ৰহ্মাণ্ড জলতে ফুৰৈ ভাসি।

(অ. পা. ৭৮)

******

তাকবেঢ়ি আছে জলে জানা বিদ্যমানে।

(অ. পা. ৭৯)

তেনেদৰে সপ্ত সাগৰৰ বৰ্ণনা প্ৰসংগত আছে—

লোণ, গুড়, সুৰা, ঘৃত, দধি, দুগ্ধ, জল।

(অ. পা. ৯৭)

তেনেকৈ,

লক্ষ নামে জনাই দ্বীপ আছে তাত পৰে।
তাক বেঢ়ি আছে শুৱ সাগৰৰ জলে।

(অ. পা. ১২১)

******

তাক বেঢ়ি আছে মহাজলে বহুদূৰ।

(অ. পা. ১২৭)

******

জলকো চৌভিতি বেঢ়ি আছা ব্ৰহ্মাণ্ড।

(অ. পা. ১২৮)

পদ্ম কল্পৰ কথা প্ৰসঙ্গত এনেদৰে পোৱা যায় —

ঘোৰ প্ৰলয়ৰ জল দেখিলা সাক্ষাত।।

******

প্ৰলয়ৰ জলে কৰে পৰম আন্দোল।

(অ. পা. ২৪৫)

******

পৰম অগাধ জল সাগৰ অপাৰ।

(অ. পা. ২৫৭)

'নিমি নৱ সিদ্ধ সংবাদ'ত ভগৱন মায়া বৰ্ণনা অধ্যায়ত আছে—

পৰে জলধাৰা হস্তী শুণ্ডৰ সমান।<br>
প্ৰয়ল জলে কৰে জগত নিৰ্যনি।।

(নি. ন. সং. ১১৭)

যেৱে জলহন্তে বায়ু ৰস হৰি লয়।<br>
সেহি জল অগনিত হোৱে আসি লয়।।

(নি. ন. সং. ১২১)

সিদ্ধ দ্ৰংমিলৰ অৱতাৰ তত্ত্ব কথন প্ৰসংগত আছে—

প্ৰলয় জলত প্ৰভু তাৰিলা লীলায়।

(নি. ন. সং. ২৮৯)

ভগৱানত বিভিন্ন মূৰ্তি আৰু নাম কথন অধ্যায়ত আছে—

বিদেশত যাকে তাৰ ভুঞ্জে যিটো জল।<br>
সমস্ত ভকত হৈৱে হৃদয় নিৰ্মলি।।

(নি. ন. সং. ৩৯৭)

উত্তৰা কাণ্ড ৰামায়ণত দ্বাদশ অধ্যায়ত অযোধ্যাত শ্ৰীৰামচন্দ্ৰৰ ৰাজ অভিষেক প্ৰসংগত আছে—

চাৰি সাগৰৰ জল যোগাইলা বানৰ বল<br>
.............................

(উ. কা. ৰা. ৫)

পঞ্চদশ অধ্যায়ত লৱ-কুশই ৰামৰ আগত সীতাক নিৰ্বাসন দিয়া কাহিনী বৰ্ণনা কৰা প্ৰসংগত ৰাম মূৰ্চ্ছা যোৱা বৰ্ণনাত এনেদৰে আছে—

শিৰত সিঞ্চন্ত জল বিপ্ৰন্ত চামৰে।

(উ. কা. ৰা. ৬০)

সেই সময়ত তেওঁৰ ভাতৃসকলে প্ৰবোধ দিয়া প্ৰসংগত আছে—

জলৰ বেগত বাজি তিলেক মিলাই।।

(উ. কা. ৰা. ৭৯)

ত্ৰয়োবিংশ অধ্যায়ত সীতাৰ পাতাল প্ৰৱেশৰ পিচত পৃথিৱীৰ প্ৰতি ৰামৰ ক্ৰোধ প্ৰকাশ হৈছে

এইদৰে—

শুষিবোহো শৰে সাত সাগৰৰ জল।

(উ. কা. ৰা. ত্ৰ. অ. ৩৫)

সপ্তবিংশ অধ্যায়ত কালে সুৰচি নামে ঋষিৰ বেশ ধৰি অযোধ্যাত প্ৰবেশ কৰি শ্ৰীৰাম চন্দ্ৰৰ আগত নিজৰ পৰিচয় ব্যক্ত কৰি শ্ৰীৰাম অৱতাৰ সম্বৰণৰ অৰ্থে অনুৰোধ কৰা প্ৰসংগত আছে—

ধৰি মৎস্য কায় সত্যব্ৰত ৰায়

প্ৰলয় জলে তাৰিলা।

(উ. কা. ৰা. স. অ. ২২)

অষ্টাবিংশ অধ্যায়ত দুৰ্বাসাৰ বৰ্ণনাত আছে—

কটিত কপিন কৰংগাৰ জল পাত্ৰ।

(উ. কা. ৰা. অ. অ. ৩৪)

এই অধ্যায়তে লক্ষ্মণক বিচাৰি বামে যাত্ৰা কৰাৰ সময়ত সহযাত্ৰী হোৱাৰ আনন্দত অযোধ্যা বাসীয়ে

স্নান কৰি জলে সৰ্বস্ব সকলে

..................................

(উ. কা. ৰা. ৩১)

একত্ৰিংশ অধ্যায়ত ৰামচন্দ্ৰৰ স্বৰ্গযাত্ৰা বৰ্ণনা প্ৰসংগত আছে—

এহি তীৰ্থ জলতে সত্বৰে কৰি স্নান।

(উ. কা. ৰা. ৮০)

******

জাম্প দিয়া পৰে প্ৰজা তীৰ্থৰ জলত।

(উ. কা. ৰা. ৮১)

নাৰী সৰে জলত মজিয়া মহা ৰংগে।

(উ. কা. ৰা. ৯১)

জলত নামিলে হোৱে দিব্য কলেৱৰ।

(উ. কা. ৰা. ৯৩)

পত্নী প্ৰসাদ নাটকতো জল শব্দৰ ব্যৱহাৰ আছে—

তদনন্তৰ বালক সব গোবৎস সৱক জল পান কয়ল। আপোন জল পান কয়ল।

(প. প্ৰ. না. ক. সৃ.)

পাৰিজাত হৰণ নাটত নাৰদৰ মুখে ৰুক্মিণীক পাৰজাত পুষ্প দিয়া শুনি হোৱা সত্যভামাৰ অৱস্থাৰ বৰ্ণনাত এনেদৰে আছে—

নাসাত প্ৰাণবায়ু নাহি খেলে ............ শিৰে জল সিঞ্চল।

(পা. হ. না. ক. সৃ.)

তেনেকৈ কালী দমন নাটত কালি হ্ৰদৰ পানী খাই মৰতা হোৱা গোপ বালক সকলক কৃষ্ণৰ বিষয়ে কোৱা প্ৰসঙ্গত আছে—

"ওহি বিষ জল পানে হামুসব প্ৰাণ চাড়ি মৰল .....।"

কৃষ্ণই সখী সবক আশ্বাস দিয়া প্ৰসংগত আছে—

কালিন্দীৰ জল স্বস্থ কৰৰ ..................

কৃষ্ণই কালি হ্রদত কৰা লীলাৰ বৰ্ণনা কানাড়া ৰাগৰ পৰিতালৰ গীত এটিত এনেদৰে আছে--

কালিন্দী জলমহ খেলে যদুৰায়া।

তেনেকৈ,

শ্ৰীকৃষ্ণঃ ঐচন জলকেলি কৰিতে ............ ৷ (ক. সু.)

ৰুক্মিণী হৰণ নাটত সুৰভি ভাটৰ ৰুক্মিণীৰ ৰূপ বৰ্ণনা সূচক ভটিমাত আছে--

নয়নক পেখি পায়া বৰ লাজ।

কয়ল জাম্প কমল জল মাজ।।

(ব্যতিৰেক অলংকাৰ)

কৃষ্ণ বিৰহত তাপিত ৰুক্মিণী মুৰ্চা যোৱা প্ৰসংগত আছে--

..... শিৰে জল সিঞ্চল ................ (ক. সু.)

'কেলি গোপাল' নাটত কৃষ্ণই পৰম ভক্তা গোপীসকলক মৰমেৰে আশ্বাস দিয়াত গোপীসকলৰ বিৰহ দুই নুমাই যোৱা কাৰ্য তুলনা এনেদৰে আছে--

থৈচে বনাগ্নি বৃষ্টি জলে নিৰ্বনি ভৈল। উপমা অলংকাৰ, (ক. সু.)

ৰাসলীলা বৰ্ণনাত গৌৰী ৰাগৰ যতি তালৰ এটি গীতত এনেদৰে আছে--

হৰি কাহ্ন কৰ পংকজ জল মাজে। (ক. সু.)

শংখচূড় বধৰ পিচত কৃষ্ণই গোপী সব সহিতে--

...........যমুনাৰ জল প্ৰৱেশিয়া কৌতুকে জলকেলি আৰম্ভল .................. (ক. সু)

এই প্ৰসংগতে গৌৰী ৰাগৰ পৰিতালৰ গীতত এনেদৰে আছে--

কৰত গোপাল জলকেলি।

******

মত্ত গজ যৈচন জলমহ খেলত

...........................

জলকেলি সমাপ্ত হোৱাৰ পিচত--

........ নানা খেলনা কৰে জলকেলি সমাপল। (ক. সু)

ৰাম বিজয় নাটত বিশ্বামিত্ৰ মুনিয়ে ৰামৰ আগত সীতাৰ ৰূপ বৰ্ণনা কৰা প্ৰসংগত আছে--

নয়ান নিৰিখি কমল জল মাজ। (ব্যতিৰেক অলংকাৰ)

ললিত মৃণাল মজত জল পঙ্ক। (ব্যতিৰেক অলংকাৰ)

গৌৰী ৰাগৰ বিষম তালৰ এটি বৰগীতত এনেদৰে আছে--

অন্তৰ জল চুটয় কমল

কেদাৰ ৰাগৰ পাৱে পৰি হৰি শীৰ্ষক বৰগীতত মানুহৰ অস্থিৰ চিত্ত সম্পৰ্কে আছে—
কমল দল জল চিত্ত চঞ্চল
প্ৰতিবস্তুপমা অলংকাৰ

গুণমালাত কৃষ্ণই নন্দ বজাক বৰুণৰ হাতৰ পৰা উদ্ধাৰ কৰা প্ৰসংগত আছে—
নিলা আড়ম্বৰে জলৰ ভিতৰে। (গু. মা. ১২৩)

নীৰ ঃ
কীৰ্তনৰ শিশু লীলা অধ্যায়ৰ কৃষ্ণৰ গোপী বস্ত্ৰহৰণ লীলা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—
বিবস্ত্ৰে নামিল গৈয়া যমুনাৰ নীৰে। (কী. শি. লী. ৮১ )

ভাগৱতৰ দশম স্কন্ধতো এনে উল্লেখ আছে— (ভা. দ. স্ক. ১১৫৪৫)

ভাগৱতৰ দশম স্কন্ধত উপদেশ প্ৰসংগত জীৱনৰ অনিত্য স্বৰূপৰ তুলনা এনেদৰে কৰা হৈছে—
পদ্মৰ পত্ৰৰ নীৰ পৰি যেন নুহি থিৰ
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১০৭৭)

অজামিল উপাখ্যানত অজামিলৰ মুক্তিলাভ শীৰ্ষক অধ্যায়ত অজামিলে হেমৱন্ত পৰ্বত লৈ কৃষ্ণক ধ্যান কৰিবলৈ যোৱা প্ৰসংগত এনেদৰে আছে—
পৰম পবিত্ৰ স্থান বহে গংগা নীৰ।
তৈতে দেখে আছে দিব্য দেৱৰ মন্দিৰ।। (অ. উ. ৫৫০৭)

পাৰিজাত হৰণ নাটৰ আৰম্ভণিত দেৱ ভটিমাত এনেদৰে আছে—
বহে দুহোঁ ধাৰ সুৰেশ্বৰী নীৰ।

পানী ঃ
কীৰ্তৰ গজেন্দ্ৰোপাখ্যানত গ্ৰাহ গজেন্দ্ৰৰ যুদ্ধ প্ৰসংগত এনেদৰে আছে—
গ্ৰাহৰ বাঢ়িল বল পিয়া স্বাদ পানী। (কী. গ. উ. ২৬)

শিশুলীলা অধ্যায়ৰ কৃষ্ণৰ কালিদমন লীলা বৰ্ণনা প্ৰসংগত আছে—
তৃষাত সবে পিলে বিষ পানী।। (কী. শি. লী. ১২২)

নাৰদৰ কৃষ্ণ দৰ্শন অধ্যায়ত নাৰদক লক্ষ্মী আৰু কৃষ্ণই শুশ্ৰূষা কৰা প্ৰসংগত আছে—
লক্ষ্মী পানী দেন্ত ভৃঙ্গাৰ ধৰি। (কী. না. কৃ. দ. ২৩)

কৃষ্ণৰ লীলা মালা অধ্যায়ত কৃষ্ণৰ লীলা বৰ্ণনা প্ৰসংগত আছে—
মৰিল গৰু গোপ পিয়া পানী।

(কী. কৃ. লী. মা. ১৭)

ভাগৱতৰ প্ৰথম স্কন্ধত ৰজা পৰীক্ষিতে মৃগয়া কৰিবলৈ গৈ ধ্যানস্থ শমীক ঋষিৰ আশ্ৰমত প্ৰৱেশ কৰা প্ৰসংগত আছে এনেদৰে—

তৃষ্ণাত পীড়িত নৃপ খুজি নপাই পানী।

(ভা. প. স্ক. ৩৩৪)

তেনেকৈ ৰজা পৰীক্ষিতে গংগাৰ পাৰত কৃষ্ণ চিন্তা কৰিবলৈ লোৱাত তালৈ আগমণ হোৱা ঋষিসকলক করযোৰে প্ৰাৰ্থনা কৰি কোৱা প্ৰসংগত আছে—

ভৰি ধোৱা পানী থাকৈ যথাত বিপ্ৰৰ।
তাতো থাকিবাক যোগ্য নাহি ক্ষত্ৰিয়ৰ।।

(ভা. প্ৰ. স্ক. ৩৭২)

দশম স্কন্ধত গোকুলৰ গোপীসকলে যশোদাৰ পুত্ৰ জন্ম হোৱা বুলি শুনি সাজি কাছি গৈ আনন্দ উৎসৱ কৰা বৰ্ণনা এনেদৰে আছে—

হালধিৰ গুণ্ডি তৈল পানী মিসলাই।
অন্যো অন্যে সিঞ্চে গোবিন্দৰ গুণ গাই।।

(ভা. দ. স্ক. ১০৮০০)

বসুদেৱে নন্দক দৈৱগতিয়ে সুহৃদক একেঠাইতে থাকিবলৈ নিদিয়ে বুলি দুখ কৰা প্ৰসংগত আছে—

সোন্তৰ বেগত যেন উটি যায় জাজি।
নিমিষেক অন্তৰে পানীৰ বেগ বাজি।।

(ভা. দ. স্ক. ১০৮০৯)

কৃষ্ণই বকাসুৰ আৰু ব্যাসাসুৰ বধ কৰাৰ পিছৰ বৰ্ণনাত আছে—

সমস্ত বৎসক পিয়াইলন্ত পানী।

(ভা. দ. স্ক. ১০৯৯৯)

গোপ বালকৰ সৈতে কৃষ্ণৰ বনভোজন বৰ্ণনা প্ৰসংগত আছে—

পানী পিয়া কাছতে চৰোক বৎসগণ।।

(ভা. দ. স্ক. ১১০৪৫)

গাৱে গাৱে বৎসক পিয়াইলা নিয়া পানী।।

(ভা. দ. স্ক. ১১০৪৬)

কৃষ্ণৰ কালী দমন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কালীৰ হ্ৰদত নামি    নিৰন্তৰে গোপ শিশু
পাবৈ মানে পিলে বিষ পানী।

(ভা. দ. স্ক. ১১২১৮)

গোবিন্দে দেখান্ত পাছে    গৰু গোপ মৰি আছে
সৰ্পৰ হ্ৰদৰ পানী খাই।

(ভা. দ. স্ক. ১১২১৯)

কৃষ্ণই গৰু গোপ সকলোকে অমৃত নয়নে চাই জীৱন দান দিয়াৰ পিছত গোপ বালকসকলে পুনৰ্জীৱন পাই মৃত্যুৰ কাৰণ আলোচনা কৰা প্ৰসংগত আছে—

অন্যো অন্যো বোলেচাই এহি বিষ পানী খাই
এখনে আছিলো সবে মৰি।

(ভা. দ. স্ক. ১১২২০)

বৃন্দাবনৰ বাৰিষা ঋতুৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ভাৰিষাত নৱ পানী ব্যাপি পাৰৈ আসি।

(ভা. দ. স্ক. ১১৪৩৬)

বিপ্ৰপত্নী প্ৰসাদ আখ্যান বৰ্ণনাত কৃষ্ণই বৃন্দাবনত কৰা কাৰ্য বৰ্ণনাত এনেদৰে আছে—

নদী নমাই গোৱালে গৰুক পিয়াই পানী।

(ভা. দ. স্ক. ১১৫৮০)

উপদেশ প্ৰসংগত কৃষ্ণক এৰি অন্য দেৱতাক পূজা কৰা কাৰ্যৰ তুলনাত আছে—

গংগা জল এৰি কাদোৱানী পানী খাই।

প্ৰতীপ অলংকাৰ, (ভা. দ. স্ক. ১১৬৮৪)

একাদশ স্কন্ধ ভাগৱতৰ আৰম্ভণিতেই সমস্ত কাৰ্য ৰজা স্বৰূপ কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিবলৈ যোৱা প্ৰসংগত এনেদৰে আছে—

অমৃতক তেজি কোনে খায় খাৰ পানী।

প্ৰতীপ অলংকাৰ (ভা. এ. স্ক. ১৭৪৮০)

কৃষ্ণ উদ্ধৱ সংবাদ অধ্যায়ত উপদেশ প্ৰসংগত কৃষ্ণ নাম মাহাত্ম্য কথনত ক্ষুদ্ৰ কৰ্ম আৰু ঈশ্বৰৰ সেৱা তুলনা প্ৰসংগত এনেদৰে আছে—

অমৃতৰ সাগৰত ক্ৰীড়ৈ যিটো প্ৰাণী।
তাক এৰি সি কি আৰ খাই খাৰ পানী।।

প্ৰতিবস্তুপমা অলংকাৰ, (ভা. এ. স্ক. ১৭৭৪৭)

কৃষ্ণ বিয়োগৰ পিছত অৰ্জুনে কৃষ্ণ স্মৃতি ৰোমন্থন কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শত্ৰুৰ মাজত পিয়াইলো পানীক
ৰথৰ মেলিলো হয়।

(ভা. এ. স্ক. ১৮২৩৭)

ভাগৱতৰ দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিক বিষ্ণু মায়া দৰ্শন প্ৰসংগত এনেদৰে আছে—

একেশ্বৰে মাত্ৰ ৰৈলা অৱশেষ
তাংকো পাইলা পানী আসি।

******

কতো তল যান্ত কতো পানী খান্ত
..............................................

(ভা. দ্বা. স্ক. ১৮৬৯৮)

হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যত সৰ্বশ্ৰান্ত ৰজা হৰিশ্চন্দ্ৰই বিশ্বামিত্ৰ ঋষিৰ দক্ষিণাৰ ধন দিবৰ কাৰণে ৰাণী শৈব্যাই নিজক বিক্ৰী কৰিবলৈ কোৱাত শোকত অচেতন হৈ পৰা ৰজা হৰিশ্চন্দ্ৰক শৈব্যাই পৰিচৰ্যা কৰা প্ৰসংগত এনেদৰে আছে—

শিৰত সিঞ্চন্ত পানী বোলন্ত মধুৰ বাণী

প্ৰাণ এৰিবাক চাহকিক।

(হ. উ. কা. ২৭৯)

ঋষি বিশ্বামিত্ৰক দক্ষিণাৰ ধন দিবলৈ অপাৰগ হৈ পৰা নিঃস্ব হৰিশ্চন্দ্ৰ ৰজা আৰু ৰাণী শৈব্যা ভয়ত মূৰ্চা যোৱাত ঋষিয়ে ৰজাই ছল কৰি আছে বুলি চেতনা আনিবলৈ চেষ্টা কৰা বৰ্ণনাত এনেদৰে আছে—

কান্ধে ঘট ধৰি আনি মাথাত ঢালন্ত পানী

উঠ উঠ হৰিশ্চন্দ্ৰ ৰায়।

******

বোলন্ত অনেক বাণী ঢালন্ত শিৰত পানী

নৃপতিয়ে চক্ষু মেলি চাইল।

(হ. উ. কা. ২৮৯)

ব্ৰহ্মাই বকৰূপী বিশ্বামিত্ৰ আৰু শৰালি ৰূপী বশিষ্ঠৰ মাজৰ ভয়ংকৰ যুদ্ধৰ অৱসান ঘটাই দুয়োজনকে মৃত্যুৰ পৰা ৰক্ষা কৰা প্ৰসংগত এনেদৰে আছে—

দুয়ো চটকৰ শৰীৰক লাগি

মন্ত্ৰে সিঞ্চিলন্ত পানী।।

(হ. উ. কা. ৬০৮)

ৰুক্মিণী হৰণ কাব্যত ৰুক্মিণীয়ে সুমালিনী ধাইৰ আগত কৃষ্ণ আৰু শিশুপালক তুলনা কৰা প্ৰসংগত এনেদৰে আছে—

দুগ্ধ এৰি কোনজনে পিয়ে মাছো পানী।

প্ৰতীপ উলংকাৰ, (ৰু. হ. কা. ৯২)

কৃষ্ণৰ হাতত যুদ্ধত পৰাস্ত হৈ অপমানিত হোৱা শিশুপালৰ দুৰাৱস্থা বৰ্ণনা প্ৰসংগত আছে—

ভাত পানী অৰুচয় হাত ফোত নুগুচয়

কেহোঁয়েৰে নাহি বোল মাত।।

(ৰু. হ. কা. ৪৫২)

ৰুক্মবীৰে কৃষ্ণৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰা প্ৰসংগত এনেদৰে আছে—

মোৰেসে ভগিনী নেই কাৰো নাই হানি।

আনৰ জ্বৰত কোনে আনে পিয়ে পানী।।

(ৰু. হ. কা. ৪৫৮)

কৃষ্ণৰ হাতত ৰুক্ম বীৰৰ পতন হোৱা বাৰ্তা পাই মৃত্যু হোৱা বুলি ভাবি শোকত অজ্ঞান হৈ পৰা মাতৃ শশীপ্ৰভাক সেৱকিনীসকলে শুশ্ৰূষা কৰা প্ৰসংগত এনেদৰে আছে—

সেৱকিনী বৰ্গে আনি আথে বেথে ঢালে পানী

.........................।

(ৰু. হ. কা. ৬১৫)

কৃষ্ণ ৰুক্মিণীৰ বিবাহৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে যে দুয়োৰে কেশ একেলগ কৰি—

সুবৰ্ণ ভৃংগাৰে ৰাজা ঢালিলন্ত পানী।

(ৰু. হ. কা. ৭৫৭)

বিবাহত বাসুকিয়ে দহোটা মণি উৎসৰ্গ কৰা প্ৰসংগত এনেদৰে আছে—

একমণি আছে জংকাৰিলে পৰে পানী।।

(ক. হ. কা. ৭৬৩)

অমৃত মথন কাব্যত দেৱাসুৰৰ যুদ্ধত দৈত্যৰাজ বলি যুদ্ধত পৰা বুলি শুনি মূৰ্চা যোৱা ৰাণী বিন্ধ্যাৱলীক নাৰীসকলে পৰিচৰ্যা কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শিৰত সিঞ্চয় পানী বিঞ্চয় চামৰ আনি

..............................

(অ. ম. কা. ৬২৮)

বলিছলন কাব্যত বলি ৰজাৰ যজ্ঞশালালৈ অহা বামণ ৰূপী বিষ্ণুক চৰণ ভৰি ধুওৱাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ভৃংগাৰ ধৰিয়া পটেশ্বৰী দেন্ত পানী।

(ব. চ. কা. ২২৯)

কুৰুক্ষেত্ৰ কাব্যৰ দৈৱকীৰ পুত্ৰ আনয়ন অধ্যায়ত ৰাম কৃষ্ণ সুতলত প্ৰৱেশ কৰি বলি ৰজাৰ সভাত উপস্থিত হোৱাত দুয়োকে দৈত্যৰাজ বলি আৰু ৰাণীয়ে চৰণ ধুৱাই দিয়া প্ৰসংগত এনেদৰে আছে—

সুবৰ্ণ ভৃংগাৰে বিন্ধ্যাবলী দেন্ত পানী।।

(কু. ক্ষে. কা. ৫৪৩)

ভক্তি প্ৰদীপত ৰাম নামৰ মাহাত্ম্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

জগত পবিত্ৰ হোৱে শুনি ৰাম ৰাণী।
কাষ্ঠো দ্ৰৱো আতিশয় শিলা দ্ৰবে পানী।।

(ভ. প্ৰ. ৭৯)

কালী দমন নাটত কৃষ্ণৰ লগৰীয়া গোপ শিশুসকলে কালী হ্ৰদৰ বিষাক্ত জল পান কৰা প্ৰসংগত এনেদৰে আছে—

......সে বিষময় পানী............ পান কৰল............

(ক. সু.)

কৃষ্ণই বিষাক্ত পানী খাই মৃত হোৱা গোপ বালকসকলক অমৃত দৃষ্টিৰে নিৰীক্ষণ কৰি পুনৰ্জীৱন দিয়াৰ পিছত গোপ বালকসকলে কৃষ্ণক প্ৰণাম কৰা প্ৰসংগত এনেদৰে আছে—

আহে সখী ওহি বিষপানী পিয়ে প্ৰাণে মৰল হামি ....................

কৃষ্ণই কালিন্দী হ্ৰদৰ পানী নিৰ্মল কৰাৰ আশ্বাস দিয়া প্ৰসংগত এনেদৰে আছে—

ইহাক বিষপানী খাই তোৱা সবক বিপত্তি ভেল........... স্বস্থ কৰব।

ৰুক্মিণী হৰণ নাটত কৃষ্ণ ৰুক্মিণীৰ বিবাহ প্ৰসংগত এনেদৰে আছে যে ৰজা ভীষ্মকে দৰা কন্যাৰ কেশ একে ঠাই কৰি

পানী ঢালিতে ঃ তথি থৈচে কৌতুক মিলল..........

(ক. সু.)

ৰাম বিজয় নাটতো ৰাম সীতা বিবাহ প্ৰসংগত এনেকৈয়ে আছে—

........ সোহি সমএ ঃ বৰকন্যাক কেশ একঠান কৰি এ পানী ঢালিতে................

(ক. সু.)

বন ঃ

শংকৰদেৱৰ 'তেল লোন নাই শুদা ব্যঞ্জনৰ অপূৰ্ব স্বাদ' স্বৰূপ কোমল গীতটিত পানীৰে সমাৰ্থক বন শব্দৰ এনে প্ৰয়োগ আছে—

ভৱ দৱ দহন গহন বন শয়ন।

বাৰি ঃ

কালিদমন নাটত কনাড়া ৰাগৰ পৰিতালৰ 'কালিন্দি জল মহ' শীৰ্ষক গীতটিত কৃষ্ণই কালিহ্রদত জলক্ৰীড়া কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ক্ৰীড়া কৰতু বাৰি বনমালী।।

ৰুক্মিণী হৰণ নাটত ৰুক্মিণীয়ে সখী মদন মঞ্জৰীৰ মুখে তেওঁক শিশুপাললৈ দিয়া দিন বুলি শুনি কৃষ্ণ বিৰহ তাপত দগ্ধ হোৱা বৰ্ণনা গৌৰী ৰাগৰ জৌতিমান তালৰ 'হৰিবিনে ৰমনী' শীৰ্ষক গীতটিত এনেদৰে আছে—

ফোকাৰয় শ্বাস নয়নে ঝুৰে বাৰি।

বেদনিধিৰ হাতে ৰুক্মিণীৰ পত্ৰ পাই কৃষ্ণই বিলাপ কৰাৰ বৰ্ণনা গৌৰী ৰাগৰ ৰূপক তালৰ 'হৰি হৰি কিনা ভেলি' শীৰ্ষক গীতত এনেদৰে আছে—

কমল নয়ন পুৰি বাৰি ঝুৰাৱত

..............................

ৰুক্মিণী হৰণৰ পিছত বিপক্ষ ৰজা সকলৰ দৰ্প বাণী শুনি কৃষ্ণই সমৰ কৰা বৰ্ণনা মল্লাৰ ৰাগ, পৰিতালৰ 'যুদ্ধ দেহু যাদৱ ৰে' শীৰ্ষক গীতটিত এনেদৰে আছে—

বাৰি বাৰিষা যচ অম্বুদ বৰিষণ
হৰি কৰু শৰ সন্ধান ৰে।

(উপমা অলংকাৰ)

পাৰিজাত হৰণ নাটত নাৰদৰ মুখে ৰুক্মিণীক কৃষ্ণই পাৰিজাত পুষ্প দিয়া শুনি সত্যভামাই বিলাপ কৰাৰ বৰ্ণনা কল্যাণ ৰাগৰ জতিতালৰ 'মানিনী মাই' শীৰ্ষক গীতটিত এনেদৰে আছে—

মানিনী মাই, নয়ন পংকজে ঝুৰে বাৰি।

ৰাম বিজয় নাটত মুক্তি মংগল ভটিমাত এনেদৰে আছে—

বন্ধল সেতু প্ৰয়োধিত বাৰি।

বৰগীতত ধনশ্ৰী ৰাগ একতালিৰ 'মাই মাধৱ বিৰহে' শীৰ্ষক বৰগীতত এনেদৰে আছে—

পংকজ পাত অহিত হিম বাৰি।

## (ছ) বিজুলীৰ সমাৰ্থক শব্দ

তড়িত ঃ

কীৰ্তনৰ 'ধ্যান বৰ্ণনা'ত অধ্যায়ত বৈকুণ্ঠ পতিৰ ধ্যান বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তড়িত জড়িত জলদ প্ৰায়।

(উপমা অলংকাৰ, কী. ধ্যা. ব. ১৬)

ভাগবতৰ প্ৰথম স্কন্ধত অভিমুন্য পত্নী উত্তৰাৰ পুত্ৰই জন্ম গ্ৰহণ কৰিয়েই শ্ৰীকৃষ্ণৰ ৰূপ দৰ্শন কৰা প্ৰসংগত এনেদৰে আছে—

তড়িত জড়িত যেন নব ঘন খণ্ড।

(উপমা অলংকাৰ, ভা. প্ৰ. স্ক. ১০৮)

ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন ধাৰণ লীলা বৰ্ণনা প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত আছে—

যেন নব মেঘখণ্ড তড়িত জড়িত।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১১৭২৯)

পাৰিজাত হৰণ নাটৰ আৰণিৰ দেৰ ভটিমাত আছে এনেদৰে—

তড়িত জড়িত যচ নব ঘন খণ্ড।

উপমা অলংকাৰ, (পা. হ. না)

ৰুক্মিণী হৰণ নাটত শ্ৰীকৃষ্ণ বেদনিধি, দাৰুক আৰু উদ্ধৱৰ সৈতে কুণ্ডিললৈ যোৱাৰ প্ৰসংগত মাহুৰ ৰাগ পৰিতালৰ 'কুণ্ডিনকো আৱত' শীৰ্ষক গীতত আছে এনেদৰে—

তড়িত জড়িত যচ শোহে।

(উপমা অলংকাৰ)

কেলি গোপাল নাটত শ্ৰীকৃষ্ণৰ ৰাসলীলা বৰ্ণনা সূচক ৰাগ নাট আৰু পৰিতালৰ 'খেলে মধুৰ' শীৰ্ষ গীতত এনেদৰে আছে—

যৈচে তড়িত জড়িত মেঘ
মণ্ডলী পৰকাশেৰে।।

কৃষ্ণৰ নন্দকুমাৰ ৰূপ প্ৰকাশক গৌৰী ৰাগৰ 'তড়িতাম্বৰ শ্যাম সুন্দৰ' গীতত এনেদৰে আছে—

তড়িতাম্বৰ শ্যাম সুন্দৰ।

তেনেকৈ ধনাশ্ৰী ৰাগৰ এটি গীতত আছে -

পীত অম্বৰ তড়িত জ্যোতি।

**বিজুৰি ঃ**

পত্নী প্ৰসাদ নাটত বিপ্ৰসৱৰ কৰ্ম গৰ্ব দূৰ কৰি বিপ্ৰ পত্নীসকলক 'পৰম প্ৰসাদ' দান কৰি কৃষ্ণ গোপগণ সহিত গোকুললৈ যোৱা বৰ্ণনা সম্বলিত শ্যামৰাগ পৰিতালৰ 'গোপাল চলে গোকুলে লাই' শীৰ্ষক গীতটিত এনেদৰে আছে—

নৱঘন জিনি যৈচে বিজুৰি উজুৰা।।

ৰুক্মিণী হৰণ নাটত ৰুক্মিণীৰ সয়ম্বৰ সভাত প্ৰবেশ কৰা কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত গৌৰী ৰাগ, এক তালিৰ 'মধাই আৱত' শীৰ্ষক গীতটিত এনেদৰে আছে—

নবীন নীৰদ যচ বিজুৰি উজোৰা।।

তেনেদৰে শ্ৰীকৃষ্ণই ৰুক্মিণীসহ ৰুক্মিণীসহ দ্বাৰকাপুৰত প্ৰবেশ কৰা প্ৰসংগত তুড় ভাটিয়ালী ৰাগৰ, জ্যোতিমান তালৰ 'মিলল কৌতুক' শীৰ্ষক গীতটিত এনেদৰে আছে—

নীল নীৰদ যচ উজৰ বিজুৰী।

পাৰিজাত হৰণ নাটৰ আৰম্ভণিৰ ভটিমাত কৃষ্ণৰ ৰূপৰ প্ৰশস্তিত আছে এনেদৰে—

উজ্জুৰি বিজুৰি নহ তথি থিৰ।

শ্ৰীকৃষ্ণই সত্যভামা সহ পাৰিজাত আনিবলৈ যাত্ৰা কৰা প্ৰসংগত মাহুৰ ধনশ্ৰী ৰাগ, একতালিৰ 'কমলি প্ৰয়াণ' গীতত এনেদৰে আছে—

বিজুৰি উজ্জ্বল নৱ ঘন পৰকাশা।

ৰাম বিজয় নাটৰ আৰম্ভণি ভট্টিমাত এনেদৰে আছে—

ধন জন জীৱন যৌৱন বিজুৰি

(ৰূপক অলংকাৰ)

সখী কনকাৱতীয়ে সীতাৰ আগত সয়ম্বৰলৈ অহা ৰামচন্দ্ৰৰ ৰূপৰ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

শ্যাম মুকুতি পীত বাস।
ঘনে যৈচে বিজুৰি বিকাশ।।

বিবাহৰ অন্তত ৰাম আৰু সীতা অযোধ্যালৈ গমন কৰা বৰ্ণনা প্ৰসংগত তুড় ভাটিয়ালী ৰাগ, জৌতিমান তালৰ 'কৰত কৌতুক' শীৰ্ষক গীতটিত এনেদৰে আছে—

নীল ধন যচ বিজুৰি উৰ্জৰ
কুঞ্জৰ গমনী মাই।।

উপমা অলংকাৰ, (ৰা. বি. না)

**বিজুলী ঃ**

কীৰ্তনত বিজুলী বিষয়টি সচৰাচৰ উপমাবাচক শব্দৰূপেহে পোৱা গৈছে।

কীৰ্তনৰ গজেন্দ্ৰোপাখ্যানৰ শেষ অধ্যায়ত অনিত্য জীৱনৰ তুলনা কৰা হৈছে এইদৰে—

বিজুলী চমক যেন জীৱন অথিৰ।

উপমা অলংকাৰ, (কী. গ. উ. ৩৮)

ভাগৱতৰ প্ৰথম স্কন্ধ, একাদশ স্কন্ধ আৰু অজামিল উপাখ্যানতো এনে উক্তি আছে। (ভা. প্ৰ. স্ক. ৬৯, ১৭৬), (ভা. এ. স্ক. ১৮০৮২), (অ. উ. ৫৫৩২)।

কীৰ্তনৰ ৰাসক্ৰীড়া অধ্যায়ত দিনৰ ভাগত কৃষ্ণ সংগ সুখৰ পৰা বঞ্চিত গোপীসৱে কৃষ্ণ গুণ গোৱা প্ৰসংগত আছে—

শ্যামল মেঘত যেন বিজুলী সুথিৰ।

উপমা অলংকাৰ, (কী. ৰা. ক্ৰী. ১৭৭)

কৃষ্ণ আৰু গোপীৰ অনংগ কেলি বৰ্ণনাত আছে—

গোপীগণ ভৈলা বিজুলী প্ৰায়।

উপমা অলংকাৰ, (কী. ৰা. ক্ৰী. ২০৬)

'সামন্তক হৰণ' অধ্যায়ত দৈৱকীয়ে কৃষ্ণৰ চিন্তাত ক্ৰন্দন কৰা প্ৰসংগত আছে—

পীতবস্ত্ৰে শোভে কায়।
মেঘত বিজুলী প্ৰায়।।

(কী. সা. হ. ৪৪)

কৃষ্ণলীলা মালা অধ্যায়ত যুধিষ্ঠিৰৰ আগত কৃষ্ণই নিজ ৰূপ ব্যক্ত কৰা প্ৰসংগত এনেদৰে আছে—

বিজুলী বঞ্জে যেন নবঘন।

উপমা অলংকাৰ, (কী. কৃ. লী. মা. ৮০)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰবেশ বৰ্ণনা প্ৰসংগত বিজুলী শব্দৰ প্ৰয়োগ অতি চমৎকাৰ—

যেন মেঘ বিজুলী ছটাক।। (উপমা অলংকাৰ)

******

হেন তনু ভৈলা অন্তৰ্দ্ধান।
বিজুলী ছটক যেন ঠান।।

উপমা অলংকাৰ, (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১২৪)

দ্বাৰকাত প্ৰবেশৰ পিছত পিতৃ বসুদেৱে কৃষ্ণক আকোৱালি ধৰাৰ প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত আছে—

তাতে ইন্দ্ৰধনু থিৰ বিজুলী প্ৰকাশে। (ভা. প্ৰ. স্ক. ২০৭)

কৃষ্ণৰ ধেনুকাসুৰৰ বধ প্ৰসংগত আছে এনেদৰে—

বলোক পাইলেক যেদি বিজুলী সঞ্চাৰে।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১১১৮৯)

তেনেদৰে প্ৰলম্বাসুৰ বধ বৰ্ণনাত আছে—

বিজুলীৰ চিকি যেন অলংকাৰ চয়।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১১৩৮৩)

বৃন্দাবনৰ বাৰিষা ঋতুৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ঘনে ঘনে দেই আতি বিজুলী চমক।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১১৪২৭)

চঞ্চল বিজুলী চটা তাতো নুহি থিৰ।।
যেন মহা গুণৱন্ত পুৰুষক পাই।
তথাপিতো বেশ্যাৰ বুদ্ধিৰ থিৰ নাই।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৪১)

গোকুলত ইন্দ্ৰ যজ্ঞ ভংগ হোৱাত ইন্দ্ৰৰ আদেশত প্ৰলয়ৰ মেঘে গোকুলত ত্ৰাস সৃষ্টি কৰা বৰ্ণনাত এনেদৰে আছে—

আটাসতে কাণ ফাৰৈ
বিজুলী চমক মাৰৈ।। (ভা. দ. স্ক. ১১৬৯৯)

তেনেদৰে—

তিৰিমিৰি বিজুলী চমকচয় মাৰে। (ভা. দ. স্ক. ১১৭০৫)

ৰাস ক্ৰীড়া কৰি থকা অৱস্থাত অন্তৰ্দ্ধান হোৱা কৃষ্ণই গোপীসকলৰ সপ্ৰেম ভক্তিত তুষ্ট হৈ পুনৰ আবিৰ্ভাৱ হোৱাৰ প্ৰসংগত আছে—

সজল মেঘত যেন বিজুলী সঞ্চৰে।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১২০৬৭)

গোপীসবৰ ভক্তিত তুষ্ট হৈ কৃষ্ণই যত গোপী তত কৃষ্ণ ৰূপ ধৰি ৰাসলীলা কৰা প্ৰসংগত এনেদৰে আছে—

প্ৰকাশে বিজুলী তাতে যেন সৱে
গৌৰাংগী গোপীকা চয়।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১২১২২)

গোপীসকলে কৃষ্ণৰে সৈতে ক্ৰীড়া কৰি ৰজনী পাৰ কৰাৰ অন্তত দিনটো কৃষ্ণৰ গুণ বৰ্ণনা কৰি পাৰ কৰি দিয়া বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

উৰুস্থলে চটা দেখিয় লক্ষ্মীৰ
মেঘত বিজুলী যেন।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১২২৫৭)

কৃষ্ণ আৰু বলৰাম মথুৰালৈ গৈ ভ্ৰমণ কৰি ভ্ৰমণ কৰি ফুৰোতে ধনুৰ্যাগশালাত কংসৰ বজ্ৰ সম ধনুখন ভংগ কৰা প্ৰসংগত এনেদৰে আছে—

যেদি লাগ পাইলা আসি কংসৰ কটকে।
তাকো ধাইল দুয়ো যেন বিজুলী চটকে।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১২৫৯১)

শ্ৰীকৃষ্ণই কুবলয় হস্তী বধ কৰা প্ৰসংগত কৃষ্ণৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

নৱ মেঘ যেন বিজুলী সঞ্চৰে
চাহান নযায় দীপিতি।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১২৬২৭)

এনে বৰ্ণনা ভাগৱতৰ একাদশ স্কন্ধতো আছে। (ভা. এ. স্ক. ১৭৫৩২)

কংসৰ ৰংগশালাত ৰাম কৃষ্ণৰ চানুৰ আৰু মুষ্টিকৰ লগত মল্লযুদ্ধ বৰ্ণনাত এনেদৰে আছে—

ৰুচিকৰ শ্যামতনু তাতে পীতবাস।
নবীন মেঘত যেন বিজুলী প্ৰকাশ।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১২৬৪০)

কংসবধৰ বৰ্ণনাত কৃষ্ণৰ হাতত মৃত্যু বৰণ কৰি কংসই কৃষ্ণ ৰূপ লাভ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পীতবস্ত্ৰে শোভে চাৰু শ্যামকলেৱৰ।
বিজুলী ৰঞ্জিত যেন নৱ জলধৰ।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১২৭৫৫)

দশমৰ গোপী উদ্ধৱ সংবাদ অধ্যায়ত নন্দ যশোদাক কৃষ্ণৰ মাহাত্ম্য বুজোৱাৰ প্ৰসংগত আছে—

জ্বলে পীতবস্ত্ৰ যেন মেঘত বিজুলী।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১২৯৩৫)

যদুবংশ ধ্বংস হোবাৰ পিছত কৃষ্ণ মৌন হৈ অশ্বত্থৰ তলত বহি থকা প্ৰসংগত এনেদৰে আছে—

চাৰু শ্যাম কলেবৰ পীতবস্ত্ৰে মনোহৰ

মেঘত বিজুলী যেন জ্বলে।

(ভা. এ. স্ক. ১৭৮৪৮)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত শ্ৰীকৃষ্ণৰ প্ৰয়াগৰ বৰ্ণনাত এনেকৈ আছে—

দেখে নেদেখে বিজুলী চটকে

বৈকুণ্ঠে গিয়া উঠিল।।

(উপমা অলংকাৰ, ভা. এ. স্ক. ১৭৯৪০)

গুণমালাতো কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ প্ৰসংগত এনে উক্তি আছে। (গু. মা. ৪২৬)

বিদুৰে ধৃতৰাষ্ট্ৰক পত্নীসহ তীৰ্থত দেহ ত্যাগ কৰিবলৈ উপদেশ দি নিশাৰ ভাগতে গংগা পাৰ কৰোৱাৰ বৰ্ণনা প্ৰসংগত আছে—

শীঘ্ৰে চলি যান্ত যেন বিজুলী সঞ্চাৰ।।

(ভা. এ. স্ক. ১৮১৬৭)

দ্বাদশ স্কন্ধত শুকমুনিয়ে ৰজা পৰীক্ষিতৰ আগত কলিৰ ধৰ্ম কথন প্ৰসংগত এনেদৰে আছে—

বিজুলী চমক যেন চঞ্চল সদায়।

মেঘ সৱ হৈবেক কলিত তৰু প্ৰায়।।

(ভা. দ্বা. স্ক. ১৮৩৬৩)

ৰজা পৰীক্ষিতক তক্ষকে দংশন কৰিবলৈ যোৱা প্ৰসংগত এনেদৰে আছে—

বিজুলী সঞ্চাৰে আসি চেলেকি কোৱাৰি।

(উপমা অলংকাৰ, ভা. দ্বা. স্ক. ১৮৫৬৯)

মাৰ্কণ্ডেয় ঋষিয়ে তপস্যাৰ বলত দৰ্শন পোৱা নৰনাৰায়ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তপৰ প্ৰভাৱে যেন বিজুলী প্ৰকাশে।

(উপমা অলংকাৰ, ভা. দ্বা. স্ক. ১৮৬৪৬)

মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণুমায়া দৰ্শন প্ৰসংগত এনেদৰে আছে—

বিজুলী সাঞ্চাৰে হৃদয় বিদাৰে

পৃথিৱী বুৰাৱে ৰৱে।

(ভা. দ্বা. স্ক. ১৮৬৯৪)

তপমগ্ন মাৰ্কণ্ডেয় ঋষিৰ হৃদয়ত যোগমায়া বলেৰে প্ৰৱেশ কৰা শিৱৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বিকট পিংকত জটা বিজুলী উজ্জ্বল।।

লুপ্তোপমা অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৭৪৯)

হৰিশচন্দ্ৰ উপাখ্যানত ৰজা হৰিশচন্দ্ৰই মৃগয়া কৰিবলৈ যোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

জীৱ ভয়ে তেতিক্ষণে বিজুলী চমকে যেনে

বায়ু বেগে দিলেক লৰৰ।।

(উপমা অলংকাৰ, হ. উ. ৬৪)

বকৰূপী বিশ্বামিত্ৰ আৰু শৰালি ৰূপী বশিষ্ঠৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

কৰিলা উবাউ যেন বিজুলী চমকে।।

উপমা অলংকাৰ, (হ. উ. ৫৬২)

তেনেদৰে—

মাৰে পখা ছাটি দুয়ো বিজুলী সাপ্তাৰ।।

(উপমা অলংকাৰ, হ. উ. ৫৯২)

ৰুক্মিণী হৰণ কাব্যত ৰুক্মিণী হৰণৰ পিছত কৃষ্ণ আৰু বিপক্ষ ৰজা সকলৰ যুদ্ধত যাদৱ সেনাৰ পৰাক্ৰম বৰ্ণনা প্ৰসংগত এনেকৈ আছে—

বিজুলী চটকে যেন পলায় সেনা জাক।

(উপমা অলংকাৰ, ৰু. হ. কা. ৩৩১)

অজামিল উপাখ্যানত যমদুতে ভয়ত বিষ্ণু দুতক হাতজুৰি পৰিচয় সোধা প্ৰসংগত এনেদৰে আছে—

নবীন মেঘত যেন বিজুলী প্ৰকাশ।।

(উপমা অলংকাৰ, অ. উ. ৫৩৭৩)

অজামিলে কৃষ্ণৰ সাৰূপ্য ৰূপ লাভ কৰা বৰ্ণনা প্ৰসংগতো এনে উক্তি আছে। (উপমা অলংকাৰ, ৫৫১৯)।

যমদূতে যম ৰজাৰ আগত বিষ্ণু দুতৰ কাৰ্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

খেদি আসি পাইল যেন বিজুলী সঞ্চাৰে।।

উপমা অলংকাৰ, (অ. উ. ৫৫৬৬)

অমৃত মথন কাব্যত ত্ৰিদশ দেৱতাৰ সৈতে ব্ৰহ্মাই উদ্ধাৰৰ উপায় বিচাৰি বিষ্ণুক স্তুতি কৰা প্ৰসংগত এনেদৰে আছে—

ধৰি আছা চাৰি অস্ত্ৰ শৰীৰত পীত বস্ত্ৰ
মেঘে যেন বিজুলী প্ৰকাশে।

(অ. ম. কা. ৪৪)

দেৱাসুৰে সমুদ্ৰ মন্থন কৰিবলৈ মন্দৰ পৰ্বত অনা প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

ধৰি আছা অস্ত্ৰ গাৱে পীত বস্ত্ৰ
মেঘত যেন বিজুলী।।

(অ. ম. কা ১৪৯)

সমুদ্ৰ মন্থনত লক্ষ্মীৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ৰূপে প্ৰকাশন্ত শান্তি যেন বিজুলীৰ পান্তি

(অ. ম. কা. ২৩০)

লক্ষ্মীয়ে সয়ম্বৰ সভাত মাধৱক স্বামী ৰূপে বৰণ কৰা প্ৰসংগত এনেদৰে আছে—

সজল মেঘত বিজুলী চমক
যেন আছে দিয়া দেখা।।

(অ. ম. কা. ৩০৩)

অমৃত মন্থনৰ পিচত দেৱাসুৰৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বিজুলী চমকে শিলা বৰিষে প্ৰচুৰ।

(অ. ম. কা. ৫০০)

একে প্ৰসংগত বিষ্ণুৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

সজল জলদে যেন বিজুলী সুথিৰ।।

(অ. ম. কা. ৫১১)

বলিছলন কাব্যত দেব মাতা অদিতিৰ বিষ্ণু স্তুতি প্ৰসংগতো আৰু ভক্তি প্ৰদীপত কায়স্থই অজুৰ্নৰ আগত ঈশ্বৰ মূৰ্তি ধাৰণ কৰা প্ৰসংগত এনেদৰে আছে। (ব. চ. কা. ১৩৩), (ভ. প্ৰ. ২৫৪)।

দৈত্যৰাজ বলিক গৰুড়ে নাগ পাশেৰে বন্দী কৰি থোৱা অৱস্থাত উপস্থিত হোৱা প্ৰহ্লাদৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বিজুলী সুথিৰ যেন নৱ জলধৰ।

(উ. অ., ব. ছ. কা. ৪৪৮)

দৈত্যৰাজ বলিয়ে বামনৰ আজ্ঞা অনুসৰি সুতল পুৰত প্ৰৱেশ কৰা প্ৰসংগত সুতল পুৰৰ বৰ্ণনাত এনেদৰে আছে—

দিব্য শয্যা সব হেন মেঘত বিজুলী।

(ব. ছ. কা. ৫৭৬)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণই পত্নী পুত্ৰ বান্ধৱ সহ কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰা প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

নবীন মেঘত যেন বিজুলী সঞ্চাৰ।

(কু. ক্ষে. কা. ২৪)

'অনাদি পাতনত' সত্ত্বগুণ বিশিষ্ট বিষ্ণুৰূপ বৰ্ণনাত এনেদৰে আছে—

শোভে পীতবস্ত্ৰ যেন মেঘত বিজুলী।

(অ. পা. ১৩৬)

নিমি নৱ সিদ্ধ সংবাদতো কৃষ্ণমূৰ্তি বৰ্ণনাত এনেদৰে আছে। ( নি. ন. সি. সং. ৩৮৩)

তিনি গুণ বিশিষ্ট— ব্ৰহ্মা, ৰুদ্ৰ আৰু বিষ্ণুৱে দৰ্প কৰি একমতি নোহোৱাত সৃষ্টি নিসিজিল বুলি ৰূপালী নিজে প্ৰকাশ হোৱা বৰ্ণনাত এনেদৰে আছে—

নীল মেঘ যেন বিজুলী সঞ্চৰে
শৰীৰত পীতবাস।।

(অ. পা. ১৪৮)

উত্তৰাকাণ্ড ৰামায়ণৰ দ্বাত্ৰিংশ অধ্যায়ত ৰাম চন্দ্ৰই বিষ্ণুত প্ৰবেশ কৰা প্ৰসংগত এই উক্তি আছে।
(উ. কা. ৰা. ৯)

উত্তৰাকাণ্ড ৰামায়ণৰ পঞ্চবিংশ অধ্যায়ত অযোধ্যালৈ গৰ্গ ঋষিৰ আগমনৰ প্ৰসংগত এনেদৰে আছে—

সুবৰ্ণ পাখৰি চয় চিকিমিকি কৰে তয়
মেঘে যেন বিজুলী চটক।

(উ. কা. ৰা. ১৩)

দ্বাত্ৰিংশ অধ্যায়ত ৰামচন্দ্ৰৰ স্বৰ্গ যাত্ৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ৰাঘৱৰ গৈয়া কায় বিজুলী চটক প্ৰায়
প্ৰৱেশিলা বিষ্ণুৰ ৰূপতে।।

(উ. কা. ৰা. ৬)

বিদ্যুৎ ঃ

ভাগৱতৰ দশম স্কন্ধৰ বৃন্দাবনৰ বাৰিষা ঋতুৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে-

বিদ্যুৎ সঞ্চৰে বতাসে চঞ্চল।

(ভা. দ. স্ক. ১১৪২৯)

ভাগৱতৰ দশম স্কন্ধত ৰাসকেলি বৰ্ণনাত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

হাৰে কেয়ূৰ যেন মেঘত বিদ্যুত।

(ভা. দ. স্ক. ১১৯৩০)

ৰাস ক্ৰীড়াত অন্তৰ্দ্ধান হোৱা কৃষ্ণই পুনৰ দেখা দিয়াত গোপীসৱে কৃষ্ণক চাৰিওফালে বেঢ়ি ধৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

যেন মেঘখণ্ডক বিদ্যুতে আছে বেঢ়ি।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১২০৮২)

হৰিশচন্দ্ৰ উপাখ্যানত বক ৰূপী বিশ্বমিত্ৰ আৰু শৰালি ৰূপী বশিষ্ঠৰ যুদ্ধ বৰ্ণনা ক্ষেত্ৰত এনেদৰে আছে—

থাক থাক বুলি ধাইলা বিদ্যুত সাঞ্চাৰে।

উপমা অলংকাৰ, (হ. উ. ৫৫৯)

ৰুক্মিণী হৰণ কাব্যত শ্ৰীকৃষ্ণ মহা আনন্দৰে কুণ্ডিললৈ যাত্ৰা কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ৰথ গতি কৰে

বিদ্যুত সঞ্চাৰে

বায়ু বেগে যাই লৰি।।

উপমা অলংকাৰ, (ৰু. হ. কা. ২০৭)

শ্ৰীকৃষ্ণৰ লগত ৰুক্মীৰৰ যুদ্ধ বৰ্ণনা প্ৰসংগত কৃষ্ণই বান প্ৰহাৰ কৰা বৰ্ণনাত এনেদৰে আছে—

বিদ্যুত সঞ্চাৰে গৈয়া কুমৰক পাইল।

উপমা অলংকাৰ, (ৰু. হ. কা. ৫৫৫)

একেই প্ৰসংগতে ৰুক্মবীৰে কৃষ্ণৰ হিয়াত বজ্ৰ মুঠিৰে প্ৰহাৰ কৰা বৰ্ণনাত এনেদৰে আছে—

বিদ্যুত সঞ্চাৰে গই ৰথ মাহে উঠি।

কৃষ্ণৰ হিয়াত বৈসালেক বজ্ৰ মুঠি।।

উপমা অলংকাৰ, (ৰু. হ. কা. ৫৬৮)

অমৃত মথন কাব্যত দৈত্য দানৱৰ যুদ্ধৰ বৰ্ণনাত ইন্দ্ৰৰ বীৰত্ব বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বিদ্যুত সঞ্চাৰে ধাইল ধনুক টংকাৰি।

(অ. ম. কা. ৪২৯)

দৈত্য দানৱৰ যুদ্ধ বৰ্ণনাত কাৰ্তিক আৰু দৈত্য সেনাপতি তাৰকৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বিদ্যুত সঞ্চাৰে তাৰকক লগ পাইল।

(অ. ম. কা. ৪৪৬)

অগ্নি দেৱতা আৰু মহিষৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

প্ৰহাৰিলা শৰচয়

ভয়ংকৰ বজ্ৰময়

চলি যান্ত বিদ্যুত সঞ্চাৰে।
(উপমা অলংকাৰ, অ. ম. কা. ৪৭৬)

বলি বাসৱৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—
ৰূপে চক্ৰাকাৰে।
দুয়ো বিদ্যুত সঞ্চাৰে।।
(উপমা অলংকাৰ, অ. ম. কা. ৫৩২)

একে প্ৰসংগতে ইন্দ্ৰই বলিৰ উদ্দেশ্যে বজ্ৰ নিক্ষেপ কৰা বৰ্ণনাত এনেদৰে আছে—
ঝোত ঝোত অগ্নি কণিকা নিকালে
বিদ্যুত সঞ্চাৰে চলে।
(উপমা অলংকাৰ, অ. ম. কা. ৫৫৩)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণ বলৰাম আৰু নন্দ যশোদাৰ মিলন শীৰ্ষক অধ্যায়ত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—
কেয়ুৰ কংকন মণি মুকুতাৰ হাৰ।
শীল অম্বৰত যেন বিদ্যুত সঞ্চাৰ।।
(উপমা অলংকাৰ, কু. ক্ষে. কা. ১২৫)

দৈৱকীৰ পুত্ৰ আনয়ন শীৰ্ষক অধ্যায়ত ৰাম কৃষ্ণই যোগমায়া বলে সুতল পুৰীত প্ৰৱেশ কৰি বলিৰ সভাত উপস্থিত হোৱা প্ৰসংগত কৃষ্ণৰ ৰূপৰ বৰ্ণনাত এনেদৰে আছে—
বালকে ৰত্নৰ অলংকাৰ কলেৱৰে।
যেন লীন অম্বুদত বিদ্যুত সঞ্চাৰে।।
(কু. ক্ষে. কা. ৫৩২)

## (জ) মেঘৰ সমাৰ্থক শব্দ

**অম্বুদ ঃ**
কুৰুক্ষেত্ৰ কাব্যত দৈৱকীৰ পুত্ৰ আনয়ন শীৰ্ষক অধ্যায়ত ৰাম-কৃষ্ণ বলিৰ সভাত প্ৰৱেশ কৰা প্ৰসংগত এনেদৰে আছে—
যেন নীল অম্বুদত বিদ্যুত সঞ্চাৰে।।
(কু. ক্ষে. কা. ৫৩২)

'ৰুক্মিণী হৰণ নাট'ত কৃষ্ণ কুণ্ডিল অভিমুখে যাত্ৰা কৰা প্ৰসংগত মাহুৰ ৰাগ পৰিতালৰ 'কুণ্ডিনকো আৱত' শীৰ্ষক গীতত এনেদৰে আছে—
শ্যাম মুকুতি পীত অম্বৰ অম্বুদ
তড়িত জড়িত যচ শোহে।
অতিশয়োক্তি অলংকাৰ, (ৰু. হ. না)

তেনেকৈ কৃষ্ণই ৰুক্মিণীক হৰণ কৰাৰ পিচত সয়ম্বৰলৈ অহা বাকী ৰজাসকলৰ লগত কৃষ্ণৰ যুদ্ধৰ বৰ্ণনা প্ৰসংগত নাট মল্লাৰ ৰাগ পৰিতালৰ 'যুদ্ধ দেহ' শীৰ্ষক গীতত এনেদৰে আছে

বাৰি বাৰিষা যচ অম্বুদ বৰিষণ
হৰিকক শৰ সন্ধানৰে।

**ঘন ঃ**

শঙ্কৰদেৱৰ ৰচনাত শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনাত ঘন বিষয়টিৰ উপমান ৰূপে সঘন প্ৰয়োগ ঘটিছে। কীৰ্তনৰ কৃষ্ণ লীলা মালা অধ্যায়ৰ ষষ্ঠ কীৰ্তনত ৰজা যুধিষ্ঠিৰৰ আগত কৃষ্ণই নিজ ৰূপ ব্যক্ত কৰা প্ৰসংগত আছে—

শ্যাম তনু তাতে পীত বসন।
বিজুলী ৰঞ্জে যেন নব ঘন।। (কী. কৃ. লী. মা. ৭৯)

ভাগৱতৰ প্ৰথম স্কন্ধত উত্তৰাৰ নৱজাত পুত্ৰই শ্ৰীকৃষ্ণৰ ৰূপ দৰ্শন কৰা প্ৰসংগত এনেদৰে আছে—

তড়িত জড়িত যেন নব ঘন খণ্ড।। (উপমা অলংকাৰ) (ভা. প্ৰ. স্ক. ১০৮)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণৰ মহিমা দেখি ব্ৰহ্মা বিমোহিত হোৱা প্ৰসংগত আছে—

সবে ঘন শ্যাম তনু পৰম নিকুঞ্জ। (ভা. দ. স্ক. ১১১০৮)

ইয়াৰ পিচতে ব্ৰহ্মাৰ স্তুতি প্ৰসংগত আছে-

নমো নন্দ সুত তনু ঘনশ্যাম। (ভা. দ. স্ক. ১১১৩৮)

ভাগৱতৰ দশম স্কন্ধত অক্ৰুৰে কৃষ্ণক মথুৰালৈ লৈ যোৱাৰ পথত যমুনা নদীত স্নান কৰোতে পানীৰ তলত অনন্তৰ কোলাত কৃষ্ণক দেখা প্ৰসংগত আছে—

তাহান্তে কোলাত দেখন্ত কৃষ্ণক
তনু নৱঘনশ্যাম। (উপমা অলংকাৰ) (ভা. দ. স্ক. ১২৪৭০)

দশমত ব্ৰহ্মা আদি দেৱতাসকলৰ দ্বাৰকালৈ গমন অধ্যায়ত দ্বাৰকাপতি কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে—

নৱঘন যেন বিজুলী সঞ্চৰৈ
দেখন্তে আতি তৃপিতি। উপমা অলংকাৰ, (ভা. দ. স্ক. ১৭৫৩২)

একাদশ স্কন্ধ ভাগৱতত কৃষ্ণৰ ৰূপৰ বৰ্ণন প্ৰসংগত আছে—

হোৱৈ ঘনশ্যাম তনু শোভে পীতবস্ত্ৰ। (ভা. এ. স্ক. ১৭৭৭৩)

ভক্তি প্ৰদীপত কৃষ্ণই অৰ্জুনৰ আগত চতুৰ্ভুজ কৃষ্ণৰ স্বৰূপ বৰ্ণনা কৰা প্ৰসংগত আছে—

কন্দৰ্পৰো দৰ্প চুৰ হোৱে দেখি
তনু নব ঘনশ্যাম। (ভ. প্ৰ. ১৩৪ )

পত্নী প্ৰসাদ নাটত শ্যাম বাগ পৰিতালৰ 'গোপাল চলে' শীৰ্ষক গীতত শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসঙ্গত এনেদৰে আছে—

নৱঘন যিনি যৈচে বিজুৰি উজোৰা।।

প্ৰতীপ অলংকাৰ, (প. প্ৰ. না)

কালিয় দমন নাটতো কানাড়া বাগ, পৰিতালৰ 'কালিন্দি জলমহ' শীৰ্ষক গীত আক আশোৱাৰী বাগ পৰিতালৰ 'বালেক গোপালে' শীৰ্ষক বৰ গীতত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগতো এনে উল্লেখ আছে। কালি সপই কৃষ্ণৰূপ দৰ্শন কৰা প্ৰসংগত এনেদৰে আছে—

ঘনশ্যাম পীত বাস ..........।

লুপ্তোপমা, (কা. দ. না)

আশোৱাৰী বাগৰ শুন শুন ৰে শীৰ্ষক বৰগীতত শ্ৰীৰামচন্দ্ৰই বানৰ সেনা লৈ ৰাৱণক বধ কৰিবলৈ যোৱা বৰ্ণনাত এনেদৰে আছে—

গুৰু ঘন ঘন ঘোষ ঘৰিষণ গৰ্জন

শ্ৰবণে জনময় শংকা।

ধনশ্ৰী বাগ পৰিতালৰ 'দেখু সখী' শীৰ্ষক কৃষ্ণৰ ৰূপৰ প্ৰশস্তিসূচক এটি বৰগীতত আছে—

তনু অভিনৱ ঘন কালা।

উপমা অলংকাৰ, (বৰগীত)

গুণমালাতো কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে—

যেন নৱ ঘন তনু বিতোপন

উপমা অলংকাৰ, (গু, মা. ১৯৫)

**জলদ ঃ**

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ত বৈকুণ্ঠ পতি কৃষ্ণৰ ধ্যান বৰ্ণন প্ৰসংগত কৃষ্ণৰ পীতবস্ত্ৰ শোভিত শ্যাম বৰ্ণৰ দেহকৰ উপমা দিছে এইদৰে—

তড়িত জড়িত জলদ প্ৰায়।

(উপমা অলংকাৰ) (কী. ধ্যা. ব. ১৬)

তেনেকৈ শিশুলীলাত আছে—

সজল জলদ যেন শ্যাম।

(উপমা অলংকাৰ) (কী. শি. লী. ৯৩)

তনু সুকুমাৰ জলদ শ্যাম।

তুল্যযোগিতা অলংকাৰ, (কী. শি. লী. ১২৫)

ভাগৱতৰ দশম স্কন্ধত গোপী উদ্ধৱ সংবাদ অধ্যায়ত উদ্ধৱে নন্দ যশোদাৰ আগত কৃষ্ণৰ মাহাত্ম্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

সজল জলদ শ্যাম শৰীৰ নিকজ।

(ভা. দ. স্ক. ১২৯৩৫)

তেনেদৰে অমৃত মন্থন কাবাত বিষ্ণুৱে দেৱতা স্তুতিত সন্তুষ্ট হৈ দৰ্শন দিয়া প্ৰসংগত এনেদৰে আছে-

সজল জলদ যেন বিজুলী সুথিৰ।।

উপমা অলংকাৰ, (অ. ম. কা. ৫১১)

**জলধৰ ঃ**

ভাগৱতৰ দশম স্কন্ধত কংসৰ কাৰাগাৰত কৃষ্ণৰ জন্মৰ সময়ৰ পৰিৱেশ বৰ্ণনাত আছে—

সাগৰৰ লগত গৰ্জন্ত জলধৰ।। (ভা. দ. স্ক. ১০৭১৪)

কৃষ্ণৰ হাতত মৃত্যুবৰণ কৰি কংসেই পৰম গতি পোৱা বৰ্ণনা প্ৰসংগত কৃষ্ণৰ ৰূপৰ বৰ্ণনাত আছে—

বিজুলি ৰঞ্জিত যেন নব জলধৰ।। উপমা অলংকাৰ, (ভা.দ.স্ক. ১২৭৫৫)

ভক্তি প্ৰদীপত অন্ত্যজ চাণ্ডালীয়ে হৰিভক্তি বিমুখ বিপ্ৰই ইন্দ্ৰক পূজা কৰা দেখাৰ প্ৰসংগত আছে—

নমো জলধৰ সুন্দৰ শৰীৰ
সহস্ৰ নয়ন দেৱ। ( ভ. প্ৰ. ৫০ )

পাৰিজাত হৰণ নাটত দেৱমাতা অদিতিয়ে কৃষ্ণক স্তুতি কৰা প্ৰসংগত এনেদৰে আছে—

জয় জলধৰ তনু শ্যাম। (পা. হ. না)

দেৱী অতিদিৰ পৰা বিদায় লৈ কৃষ্ণ ঘুৰি অহা প্ৰসংগত গৌৰী ৰাগৰ জৌতি তালৰ লীলা গতি যায় শীৰ্ষক গীতত এনেদৰে আছে—

নব জলধৰ শোভিত তনু
পীত অম্বৰ ভাষা।।

**নীৰদ ঃ**

ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণই বৰুণৰ হাতৰ পৰা নন্দক উদ্ধাৰ কৰা প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

নবীন নীৰদ সম শ্যাম তনু
.......................... (উপমা অলংকাৰ, ১১৮৪৯)

ৰুক্মিণী হৰণ নাটত ৰুক্মিণীৰ স্বয়ম্বৰ সভাত প্ৰৱেশ কৰা প্ৰসংগত গৌৰী ৰাগৰ একতালিৰ 'মধাই আৰত' শীৰ্ষক গীতত কৃষ্ণৰ ৰূপৰ বৰ্ণনা এনেদৰে আছে—

নবীন নীৰদ যচ বিজুৰি উজোৰা। উপমা অলংকাৰ, (ৰু. হ. না.)

শ্ৰীকৃষ্ণই ৰুক্মিনীসহ দ্বাৰকাত প্ৰৱেশ কৰা প্ৰসংগত তুড় ভটিয়ালী ৰাগ, জৌতিমান তালৰ 'মিলন কৌতুক' শীৰ্ষক গীতটিত এনেদৰে আছে—

নীল নীৰদ যচ উজৰ বিজুৰি
.......................... উপমা অলংকাৰ, (ৰু. হ. না.)

মেঘ ঃ

কীৰ্তনৰ প্ৰহ্লাদ চৰিত্ৰ অধ্যায়ত নৃসিংহ অৱতাৰ বৰ্ণনত সিংহ নাদৰ তুলনা প্ৰসংগত এনেদৰে আছে—

প্ৰলয় মেঘৰ যেন সম্বাদ।।

উপমা অলংকাৰ (কী. প্ৰ. চ. ১৮৩)

গজেন্দ্ৰোপাখ্যান অধ্যায়ৰ শেষ কীৰ্তনত বিষ্ণু মায়া স্বৰূপ সংসাৰ বন্ধনৰ তুলনা এনেদৰে আছে—

আকাশত প্ৰকাশে মেঘৰ যেন ছায়া।

উপমা অলংকাৰ (কী. গ. উ. ৩৭)

শিশু লীলা অধ্যায়ত বসুদেৱে কৃষ্ণক নন্দৰ গৃহলৈ লৈ যোৱাৰ বৰ্ণনাত আছে—

বৰিষে কণিকা মেঘে ওপৰত গাজে।

(কী. শি. লী. ৫)

এই অধ্যায়তে ব্ৰহ্মাৰ কৃষ্ণস্তুতি প্ৰসংগত এনেদৰে আছে—

নমো গোপৰূপী মেঘ সম শ্যাম তনু।

উপমা অলংকাৰ (কী. শি. লী. ১০১)

কীৰ্তনৰ ৰাসক্ৰীড়া অধ্যায়ত কৃষ্ণই যত গোপী তত কৃষ্ণ ৰূপলৈ ৰাস কেলি কৰা বৰ্ণনাত আছে—

কৃষ্ণৰ অসংখ্য মূৰ্তি জ্বলে মেঘ নয়।

(কী. ৰা. ক্ৰী. ১৩৭)

এই অধ্যায়ত গোপীসকলে দিনত কৃষ্ণ বিৰহত আকুলহৈ কৃষ্ণৰ গুণ গোৱা প্ৰসংগত আছে—

শ্যামল মেঘত যেন বিজুলী সুথিৰ।।

উপমা অলংকাৰ. (কী. ৰা. ক্ৰী. ১৭৭)

মিত্ৰ বুলি মেঘে কৰে মধুৰ সম্বাদ।

(কী. ৰা. ক্ৰী. ১৮৫)

কৃষ্ণ গোপীৰ অনংগ কেলি বৰ্ণনাত আছে—

সজল মেঘ মাধৱৰ কায়।

(কী. ৰা. ক্ৰী. ২০৬)

শ্ৰীকৃষ্ণই কেশী অসুৰ বধ কৰা প্ৰসংগত অসুৰৰ বৰ্ণনাত আছে—

লাঙ্গুৰ ছাটিত মেঘ উড়াই।

(কী. ৰা. ক্ৰী. ২১০)

কংস বধ অধ্যায়ত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে—

যেনে মেঘে বলাকাৰ পান্তি।

উপমা অলংকাৰ (কী. ক. ব. ২৫৫)

অক্ৰুৰে কৃষ্ণক লৈ মথুৰালৈ যোৱা পথত স্নান কৰোতে পানীৰ তলত অন্তৰ কোলাত কৃষ্ণক দেখা প্ৰসংগত আছে—

মেঘ সম শ্যাম বসন পীত।

(কী. ক. ব. ২৭৮)

সামন্তক হৰণ অধ্যায়ত কৃষ্ণই জাম্বৱন্তক অহাৰ উদ্দেশ্য ব্যক্ত কৰা প্ৰসংগত আছে—

মেঘৰ গম্ভীৰ ধ্বনি দিলা সমিধান।

উপমা অলংকাৰ (কী. সা. হ. ৩৭)

কৃষ্ণৰ চিন্তাত অধীৰ হৈ দৈৱকীয়ে কৃষ্ণ গুণ বৰ্ণাই ক্ৰন্দন কৰা প্ৰসংগত আছে—

গীতবস্ত্ৰে শোভে কায়।

মেঘত বিজুলী প্ৰায়।।

উপমা অলংকাৰ (কী. সা. হ. ৪৪)

নাৰদৰ কৃষ্ণ দৰ্শন অধ্যায়ত দ্বাৰকা পুৰী বৰ্ণনাত আছে—

মেঘ বুলি তাক ময়ূৰ গণে

গৃহত পাড়িয়া নাছে সঘনে।

ভ্ৰান্তিমান অলংকাৰ (কী. না. কৃ. দ. ১৯)

বিপ্ৰপুত্ৰ আনয়ন অধ্যায়ত কৃষ্ণই জলৰ মাজত প্ৰৱেশ কৰা প্ৰসংগত আছে—

সুন্দৰ শৰীৰ মেঘ শ্যাম।

লুপ্তোপমা অলংকাৰ (কী. বি. পু. আ. ৩৩)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান অধ্যায়ত কৃষ্ণৰ ৰূপ বৰ্ণন প্ৰসংগত এনেদৰে আছে—

নৱ মেঘ যেন শ্যাম আকৃতি।

উপমা অলংকাৰ (কী. কৃ. বৈ. প্ৰ. ৮৭)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰৱেশ প্ৰসংগত এনেদৰে আছে—

যেন মেঘে বিজুলী ছটাক।

নৰাৰিলে কেৱে লক্ষিবাক।।

উপমা অলংকাৰ (কী. কৃ. বৈ. প্ৰ. ১২৩)

উৰেষা বৰ্ণন অধ্যায়ত মাধৱে লক্ষ্মীৰ আগত সৃষ্টি কাৰ্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

সজল মেঘ শৰীৰৰ কান্তি।

উপমা অলংকাৰ (কী. উ. ব. ৩২)

দ্বাদশ কীৰ্তনত বিশ্বামিত্ৰই ইন্দ্ৰদ্যুম্নৰ অনুৰোধত বিষ্ণু প্ৰতিমা নিৰ্মাণ কৰা প্ৰসংগত আছে—

কৃষ্ণক নিৰ্মিলা তনু মেঘ সম জ্বলে।

উপমা অলংকাৰ (কী. উ. ব. ১৩৭)

ত্ৰয়োদশ কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নৰ বিষ্ণু স্তুতি প্ৰসংগত এনেদৰে আছে—

তনু যাৰ জ্বলে মেঘ শ্যাম।

উপমা অলংকাৰ (কী. উ. ব. ১৪৫)

অষ্টাদশ কীৰ্তনত কৃষ্ণৰ স্তুতিৰ নিয়ম প্ৰসংগত আছে—

জয় নীল মেঘ সম শ্যাম জয়

.....................................

উপমা অলংকাৰ (কী. উ. ব. ১৮৪)

ভাগৱতৰ প্ৰথম স্কন্ধত যুধিষ্ঠিৰৰ ৰাজ্য লাভ আৰু ভীষ্মৰ মোক্ষ উৎসৱ প্ৰসংগত এনেদৰে আছে—

সংসাৰত ভ্ৰমাৱৈ মেঘক যেন বায়ু।

উপমা অলংকাৰ (ভা. প্ৰ. স্ক. ১৩৯)

দ্বাৰকাত প্রৱেশৰ পিচত পিতৃ বসুদেৱে কৃষ্ণক আকোৱালি লোৱা প্রসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে—

হোৱে যেৱে নৱ নীল মহামেঘ খণ্ড।

উপমা অলংকাৰ (ভা. প্র. স্ক. ২০৭)

তেনেকৈ ৰজা পৰীক্ষিতৰ কলি নিগ্রহ প্রসংগত আছে—

মেঘৰ গম্ভীৰ ধ্বনি বুলিলা বচন।

(ভা. প্র. স্ক. ২৬৩)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণৰ জন্ম বৰ্ণনা প্রসংগত এনেদৰে আছে—

সুন্দৰ শৰীৰ মেঘ সম শ্যাম বৰ্ণ।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১০৭২৬)

এই অধ্যায়তে উপদেশ প্রসংগত অনিত্য মানৱ জীৱনৰ এনেদৰে তুলনা দিয়া হৈছে—

...................

..........................

সম্যক মেঘৰ যেন ছায়া।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১০০৪)

শ্রীকৃষ্ণৰ অঘাসুৰ বধ প্রসংগত অঘাসুৰৰ ভয়াবহ ৰূপ বৰ্ণনাত এনেদৰে আছে—

ৰঙা মেঘ খণ্ড যেন ওপৰ ওঠ লেখি।

মেঘৰ ছায়াক তল ওঠ যেন দেখি।।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১০২৭)

কৃষ্ণই অঘাসুৰৰ মুখেৰে অসুৰৰ গৰ্ভত প্ৰৱেশ কৰা বৰ্ণনাত আছে—

মেঘত লুকায়া দেৱে কৰে হাহাকাৰ।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১০৩১)

কৃষ্ণ বলোৰামে সবান্ধৱে ধেনুকাসুৰক তালফল দলিয়াই আঘাত কৰি ঢাকি পেলোৱা দেহাটোৰ বৰ্ণনাত এনেদৰে আছে—

মেঘে ঢাকিলেক যেন গগন মণ্ডল।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১১৯৫)

কৃষ্ণৰ কালী দমন লীলা বৰ্ণনাত কৃষ্ণই কালী হ্রদত জাপ দিয়াত কালী সৰ্প মহাদৰ্পে খেদি আহি কৃষ্ণৰ ৰূপ দেখি স্তম্ভিত হোৱা বৰ্ণনা প্রসংগত এনেদৰে আছে—

নৱমেঘ সম শ্যাম তনু সুকুমাৰ।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১২৩৭)

কৃষ্ণই কালীক দমন কৰিবলৈ হ্রদত জাপ দিয়াৰ সময়ত গোকুলত বিমংগল দেখা বৰ্ণনা প্রসংগত আছে এনেদৰে—

সঘনে বৰিষে মেঘে হালধি ৰুধিৰ।

(ভা. দ. স্ক. ১১২৫২)

কালী দমন লীলা বৰ্ণনাৰ মাজতে প্রসংগ ক্রমে ৰমনক দ্বীপত কালী আৰু গড়ুৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

খণ্ড খণ্ড কৰে মেঘ লাঙ্গুৰ আছাৰে।

(ভা. দ. স্ক. ১১৩২৭)

প্ৰলম্বাসুৰ বধৰ বৰ্ণনাত প্ৰলম্বাসুৰৰ ভয়ংকৰ ৰূপৰ বৰ্ণনা প্ৰসংগত আছে—

জ্বলে দৈত্য দেহা ঘোৰ কাল মেঘ নয়।
(ভা. দ. স্ক. ১১৩৮৩)

প্ৰলয়ৰ মেঘ যেন তেজিল আটাস।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৩৮৮)

বৃন্দাবনৰ বৰ্ষা ঋতুৰ সৌন্দৰ্য বৰ্ণনাত মেঘৰ ব্যৱহাৰ এনেদৰে হৈছে—

গগণক ঢাকি মহা মেঘৰ আন্দোল।
(ভা. দ. স্ক. ১১৪২৭)

নিৰন্তৰে মেঘ গণে বৰষিলা জল।।
(ভা. দ. স্ক. ১১৩২৮)

নাদ শুনি মেঘৰ বেংগৰ বোল চলে।
গুৰু পাঠ দিলে যেন শিষ্য পাচে পঢ়ে।।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৩২)

যদ্যপি মুষল ধাৰে মেঘে বৰষিল।
(ভা. দ. স্ক. ১১৪৩৯)

লোকৰ সুহৃদ মেঘসব মহাধীৰ।
চঞ্চল বিজুলী চটা তাতো নুহি থিৰ।
যেন মহা গুণৱন্ত পুৰুষক পাই।
তথাপিতো বেশ্যাৰ বুদ্ধিৰ থিৰ নাই।।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৪১)

তেনেকৈ,

পঞ্চবৰ্ণে ৰচিত নিৰ্গুণ ইন্দ্ৰধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুনু পুনু।।
(ভা. দ. স্ক. ১১৪৪২)

চন্দ্ৰ জ্যোতি প্ৰকাশিত যিটো মেঘ গণ।
নজ্বলন্ত চন্দ্ৰো সেহি মেঘে ছয়া ছন্ন।।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৪৩)

তেনেদৰে,

মেঘৰ সম্বাদে মিলে আনন্দে প্ৰচুৰ।
চালি ধৰি নাচে আসি অনেক ময়ুৰ।।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৪৪)

এই কথাৰ লগত দুখত তাপিত গৃহ বাসীয়ে হৰি ভকতক পালে চিত্ত শান্ত কৰা কাৰ্যক তুলনা কৰা হৈছে।

তেনেকৈ,

মুষল ধাৰায়ে বৃষ্টি কৰৈ মেঘ যত।
ভাগে আলি সব মহা বৃষ্টিৰ বেগত।।
(ভা. দ. স্ক. ১১৪৪৭)

মেঘৰ এই কাৰ্যক কলি যুগত বেদ পথছন্ন কৰা পাষণ্ডৰ বাদৰ সৈতে তুলনা কৰা হৈছে।

তেনেদৰে,

বৰিষয় মেঘ গণে পৰিচ্ছেদ নাই।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৪৮)

মেঘৰ এই কাৰ্যক ৰাজাসৱে পুৰুহিতৰ বিধান মতে দীন দৰিদ্ৰক দান দিয়া কাৰ্যৰ লগত তুলনা কৰিছে

ইয়াৰ পিছতে শৰত কালৰ বৰ্ণনাত এনেদৰে আছে–

গগণ নিৰ্মলি স্বচ্ছ ভৈল জল

দুৰ গৈল মেঘ গণ।

(ভা. দ. স্ক. ১১৪৭২)

মেঘ আঁতৰি আকাশ নিৰ্মলি হোৱা কাৰ্যক যোগভ্ৰষ্ট জনে পুনৰ অভ্যাসৰ দ্বাৰা মন নিৰ্মলি কৰা কাৰ্যক তুলনা কৰিছে।

তেনেদৰে শৰতৰ মেঘৰ বিভিন্ন কাৰ্যক মানৱ জীৱনৰ বিভিন্ন কাৰ্যৰ লগত তুলনা কৰা হৈছে–

আকাত মেঘ যতেক আছিল

গুছাইল তাক প্ৰথমে।।

(ভা. দ. স্ক. ১১৪৭৪)

মেঘগণে জল সৰ্বস্ব এৰিয়া

শুষ্ক কৰিলেক গাৱ।

(ভা. দ. স্ক. ১১৪৭৭)

তেনেদৰে শৰত কালত শোভা বৰ্ণন প্ৰসংগত আকৌ আছে–

নাহি মেঘ লেশ নক্ষত্ৰ আশেষ

সহিতে শোভে আকাশ।

(ভা. দ. স্ক. ১১৪৮০)

চঞ্চল মেঘৰ ছায়া সম পুত্ৰ পত্নী জায়া

জীৱন যৌৱন ধন জন।

উপমা অলংকাৰ (ভা.দ.স্ক. ১১৪৮৫)

বসন্ত কালতকৈও মনোৰম শৰৎ কালত শ্ৰী দেখি আনন্দিত হোৱা গোপীসকলে কৃষ্ণ আৰু তেওঁৰ বংশী ধ্বনিক প্ৰশংসা কৰা প্ৰসংগত আছে–

বোলৈ নীল মেঘ কৰৈ মধুৰ সম্বাদ।

উৎপেক্ষা অলংকাৰ (ভা.দ.স্ক. ১১৫০৭)

মেঘে দেখি আসি বোলৈ এন্তে মোৰ মিত্ৰ।

নীল তনু পীত বস্ত্ৰ দেখিতে বিচিত্ৰ।।

এহি বুলি মেঘ হোৱৈ আসিয়া একত্ৰ।

মিত্ৰ বুলি উপৰত ধৰৈ ছায়া ছত্ৰ।।

(ভা.দ.স্ক. ১১৫২৩)

নন্দ আদি গোপসকলৰ ইন্দ্ৰ যজ্ঞ আয়োজন প্ৰসংগত এনেদৰে আছে–

তানে প্ৰিয় মুৰ্তি সবে মেঘগণ মানে।।
সিসব মেঘৰ পতি সহস্ৰ লোচন। (ভা.দ.স্ক. ১১৬৫২)

ইন্দ্ৰ যজ্ঞ আয়োজন কৰা দেখি শ্ৰীকৃষ্ণই ইন্দ্ৰৰ দৰ্প চূৰ্ণ কৰিবলৈ কোৱা প্ৰসংগত আছে—

ইন্দ্ৰক পুজিলে যেবে মেঘে বৰিষয়।
কৈত শুনি আছা বন পৰ্বতে পূজয়।। (ভা.দ.স্ক. ১১৬৫৭)

কৃষ্ণই সকলোকে গোবৰ্দ্ধন পৰ্বতক পূজা কৰিবলৈ কৈ পূজা যজ্ঞৰ অন্তত সকলো সম্ভাৰ নিজে ভোজন কৰা প্ৰসংগত আছে—

মেঘ যেন গাজৈ ঘনে তোলন্ত উগাৰ।। উপমা অলংকাৰ (ভা.দ.স্ক. ১১৬৭৬)

যজ্ঞ ভংগ হোৱাৰ বাবে ইন্দ্ৰই খণ্ডত আদেশ কৰা প্ৰসংগত আছে—

প্ৰলয়ৰ মেঘ আনি।
বুলি আদেশ বাণী।। (ভা.দ.স্ক. ১১৬৮৮)

শ্ৰীমদে হুয়া অন্ধ।
মেলিলা মেঘৰ বন্ধ।।
ভাঙিল শিকলি যত।
ভৈল মেঘ উনমত্ত।। (ভা. দ. স্ক. ১১৬৯৭)

ইন্দ্ৰৰ আদেশত মেঘগণে গোকুলত মুষল ধাৰে বৰষুণ দিয়া বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ইন্দ্ৰৰ আদেশে আসি মহা মেঘনাদ। (ভা.দ.স্ক. ১১৭০৪)

আকাশত সোমাই মেঘ বায়ুৰ আস্ফাল। (ভা.দ.স্ক. ১১৭০৬)

এই সময়তে কৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰা বৰ্ণনা প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত আছে—

যেন নৱ মেঘখণ্ড তড়িত জড়িত।। উপমা অলংকাৰ (ভা.দ.স্ক. ১১৭২৯)

কৃষ্ণৰ মহিমাত গোকুল বাসীৰ একো অপকাৰ কৰিব নোৱাৰি ইন্দ্ৰই মেঘগণক বৰষুণ দিবলৈ বাৰণ কৰা প্ৰসংগত আছে—

এৰ বৰিষণ সম্বৰ্ত্তক মেঘগণ।। (ভা.দ.স্ক. ১১৭৪৫)

গুচি গৈল মেঘগণ গগণ নিৰ্মল। (ভা.দ.স্ক. ১১৭৪৫)

কৃষ্ণৰ ৰাসলীলা বৰ্ণনা প্ৰসংগত গোপীসবে কৃষ্ণক চাৰিওফালে বেৰি ধৰা বৰ্ণনাত আছে—

যেন মেঘ খণ্ডক বিদ্যুতে আছে বেঢ়ি। উপমা অলংকাৰ (ভা.দ.স্ক. ১২০৮২)

[illegible] ।।

[illegible] মূৰ্তি জ্বলে যেন
সজল মেঘ আশয়।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২১২২)

গোপীসবে দিনৰ ভাগত কৃষ্ণৰ বিৰহত কৃষ্ণৰ গুণ বৰ্ণাই দুখ পাতলোৱা প্ৰসংগত আছে—
উৰুস্থলে চটা দেখিয় লক্ষ্মীৰ
মেঘত বিজুলী যেন।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২২৫৭)

ৰাম আৰু কৃষ্ণ পৰ্বতত উঠি বংশী নাদ কৰা প্ৰসংগত এনেদৰে আছে—
মিত্ৰ বুলি মেঘে মধুৰ গৰ্জনে
কৃষ্ণক কৰে সম্বাদ।
(ভা. দ. স্ক. ১২২৬৪)

কৃষ্ণৰ অৰিষ্টাসুৰ বধ প্ৰসংগত বৃষ ৰূপে যেদি অহা অৰিষ্টাসুৰৰ ভয়ানক ৰূপ বৰ্ণনাত আছে—
পৰ্বত বুলিয়া মেঘ সব চৰৈ তাত।
অতিশয়োক্তি অলংকাৰ (ভা.দ.স্ক. ১২২৮৭)

খণ্ড খণ্ড কৰৈ মেঘ লাঙ্গৰ চাটিত।
(ভা.দ.স্ক. ১২২৯৪)

কেশী অসুৰে কৃষ্ণক বধ কৰিবলৈ যেদি অহা বৰ্ণনাত এনেদৰে আছে—
লাঙ্গৰ চাটিত খণ্ড খণ্ড হুয়া
পৰয় মেঘ আকাশে।
(ভা.দ.স্ক. ১২৩২৯)

মহা ভয়ংকৰ প্ৰলয় কালৰ
যেন ঘোৰ মেঘ খণ্ড।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২৩৩০)

অক্ৰূৰে ৰাম কৃষ্ণক ৰথত তুলি লৈ মধুপুৰলৈ যাত্ৰা কৰা বৰ্ণনাত এনেদৰে আছে—
হৰ হৰ কৰি ৰথচক্ৰ চলৈ
মেঘৰ যেন সম্বাদ।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২৪৬৫)

এই প্ৰসংগতে কৃষ্ণৰ মাহাত্ম্য দেখি অক্ৰূৰে কৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে—
মেঘে ভৈল কেশ কুক্ষি সপত সাগৰ।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২৪৮৪)

মথুৰাত কৃষ্ণই কুবলয় হস্তী বধ কৰা প্ৰসংগত এনেদৰে আছে—
প্ৰলয়ৰ মেঘে যেন চিহৰিয়া
শৰীৰৰ বল জান্তে।।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২৬২২)

নবমেঘ যেন বিজুলী সাঞ্চৰে
চাহান নয়ায় দীপিতি।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২৬২৭)

চানুৰ আৰু মুষ্টিকৰ লগত ৰাম কৃষ্ণৰ মল্ল যুদ্ধৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে -
নবীন মেঘত যেন বিজুলী প্ৰকাশ।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২৬৪০)

সান্দীপণি মুনিৰ পুত্ৰ দান কৰি ৰাম কৃষ্ণ মথুৰালৈ আগমন কৰা বৰ্ণনাত আছে-
মেঘে যেন গাজে ৰথচক্ৰ ঘোষ
পুৰিলন্ত শংখধ্বনি।।
উপমা অলংকাৰ (ভা.দ.স্ক. ১২৮৪৭)

একাদশ স্কন্ধ ভাগৱত উপদেশ প্ৰসংগত অনিত্য জীৱনৰ বিষয়ে এনেদৰে আছে-
ক্ষেণেকে থাকিয়া ক্ষণকে অন্তৰৈ
সমাক মেঘৰ ছায়া।
উপমা অলংকাৰ (ভা.দ.স্ক. ১৭৬০৪)

প্ৰভাসতীৰ্থত যদুগণৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে-
বৰিষা কালৰ যেন মহামেঘ চয়।
উপমা অলংকাৰ (ভা.দ.স্ক. ১৭৮১০)

যদুবংশ ধ্বংস হোৱাৰ পিছত কৃষ্ণ মৌন হৈ অনবাসৰ তলত চতুৰ্ভুজ ৰূপ ধৰি বহি থকাৰ সময়ত কৃষ্ণৰ ৰূপ বৰ্ণনা প্ৰসংগত আছে-
চাৰু শ্যাম কলেবৰ পীতবস্ত্ৰে মনোহৰ
মেঘৰ বিজুলী যেন জ্বলে।
উপমা অলংকাৰ (ভা.দ.স্ক. ১৭৮৪৪)

দ্বাদশ স্কন্ধ ভাগৱতত কলিৰ ধৰ্ম কথন প্ৰসংগত এনেদৰে আছে-
মেঘ সব হৈবেক কলিত তৰু প্ৰায়।।
(ভা.দ.স্ক. ১৮৩৬৩)

এই স্কন্ধতে প্ৰাকৃত প্ৰলয় বৰ্ণনা প্ৰসংগত আছে-
মহামেঘে বৰিষয় শতেক বৎসৰ।
উপমা অলংকাৰ (ভা.দ.স্ক. ১৮৪৮৬)

আত্যান্তিক লয়ৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে-
যেন আকাশত মিলৈ সংহতি মেঘৰ।
ক্ষণেক থাকিয়া হবৈ ক্ষণেক অন্তৰ।।
উপমা অলংকাৰ (ভা.দ.স্ক. ১৮৪৯৩)

মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণুমায়া দৰ্শন প্ৰসংগত এনেদৰে পোৱা গৈছে-
মহা মহামেঘ সমুহে সোসাই
বায়ুৰ লগত আসে।
(ভা.দ.স্ক. ১৮৬৯৪)

দ্বাদশ স্কন্ধৰ শেষত হৰিনামৰ মাহাত্ম্য বৰ্ণনাত এনেদৰে আছে—

প্ৰচণ্ড বতাহে যেন উৰুৱাবে
নাথাকে মেঘ সঞ্চাৰ।

উপমা অলংকাৰ (ভা.দ.স্ক. ১৮৮৪০)

হৰিশ্চন্দ্ৰ উপাখ্যানত বক ৰূপী বিশ্বামিত্ৰ আৰু শৰালিৰূপী বশিষ্ঠৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

যেন মহা মেঘ সব প্ৰলয় কালৰ।

উপমা অলংকাৰ, (হ. উ. ৫৬৯)

প্ৰলয়ৰ মেঘ যেন গৰ্জে শতবাৰ।।

(হ. উ. ৫৯২)

ৰুক্মিণী হৰণ কাব্যত শ্ৰীকৃষ্ণ বেদনিধি সহ কুণ্ডিললৈ যোৱা বৰ্ণনাত আছে—

প্ৰলয়ৰ মেঘ যেন শোসাই বায়ু লাগি।

উপমা অলংকাৰ, (ৰু. হ. কা. ১৫২)

কুণ্ডিললৈ যোৱাৰ পথত কৌশম্বীৰ ৰজা বিশ্বকেতুৱে চতুৰংগ সেনাসহ কৃষ্ণক লগ দিয়াৰ বৰ্ণনাত আছে—

হস্তী চয় চিহঁৰয় মেঘ যেন গাজে।

উপমা অলংকাৰ (ৰু. হ. কা. ১৯০)

সয়ম্বৰ সভাত ৰুক্মিণীৰ প্ৰৱেশ প্ৰসংগত এনেদৰে আছে—

অল্প অল্প কৰি অমৃত সিঞ্চিল
মেঘে আকাশত থাকি।

(ৰু. হ. কা. ২৭৫)

ৰুক্মিণী হৰণৰ পিছত কৃষ্ণৰ বিপক্ষ ৰজাসকলেৰে সংঘটিত হোৱা যুদ্ধৰ বৰ্ণনাত আছে—

কাল মেঘদল যেন আতি ভয়ংকৰ।।

উপমা অলংকাৰ (ৰু. হ. কা. ২৯৭)

শ্ৰীকৃষ্ণৰ ৰথৰ ঘোঁৰা আৰু ৰুক্মিণীৰ স্বয়ম্বৰ সভাত উপস্থিত নৃপতিৰ নাম প্ৰসংগত ক্ৰমে মেঘপুষ্প (পদ ১৪৭) আৰু মেঘবৰ্ণ (পদ ৩৩৪) নাম দুটিও পোৱা যায়।

গদ সাত্যকি আদিৰ লগত প্ৰজংঘ আদি ৰজাৰ ৰণ বৰ্ণনাত আছে—

বাৰিষাৰ মেঘ যেন বৰষিল ধাৰে।

উপমা অলংকাৰ, (ৰু. হ. কা. ৩৮৪)

কৃষ্ণ ৰুক্মিণীৰ বিবাহ চাবলৈ দেৱতাসকলৰ লগতে সৰ্পসকল অহাৰ বৰ্ণনাত আছে—

নীল মেঘ বৰ্ণ বজ্ৰ জিহ্বা যুগন্ধৰ।

উপমা অলংকাৰ (ৰু. হ. কা. ৭২০)

খণ্ড খণ্ড হোৱে মেঘ লাঞ্জৰ প্ৰহাৰে।।

উপমা অলংকাৰ (ৰু. হ. কা. ৭২১)

অজামিল উপাখ্যানত উপদেশ প্ৰসংগত সংসাৰৰ অনিত্যতা ঘোষণা প্ৰসংগত এনেদৰে আছে—

তিলেক সংযোগ হুই তিলেকতে কিছু নুই

চঞ্চল মেঘৰ যেন ছায়া।

অ. উ. উপমা, (অ. উ. ৫২৬৮)

বিভিন্ন পাপৰ বিভিন্ন নৰক বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

ধৰি যমদূতে তাক মেঘে যেন গৰ্জে।

কুম্ভীপাকে তপত তেলত তাক ভাজে।।

(অ. উ. ৫২৭৯)

যমদূতৰ পৰা ৰক্ষা কৰিবলৈ আবিৰ্ভাৱ হোৱা বিষ্ণুদূতৰ ৰূপৰ বৰ্ণনাত এনেদৰে আছে—

নবীন মেঘৰ যেন বিজুলী প্ৰকাশ।।

উপমা অলংকাৰ (অ. উ. ৫৩৭৩)

অজামিলে কৃষ্ণৰ সাৰূপ্য ৰূপ লাভ কৰা প্ৰসংগত এনেদৰে আছে—

নবীন মেঘৰ যেন বিজুলী প্ৰকাশ।

উপমা অলংকাৰ (অ. উ. ৫৫১৯)

যমদূতৰ আগত যমৰজাই বিষ্ণুদূতৰ বিষয়ে বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

মেঘসম শ্যামপীত বস্ত্রে জাতিস্মাৰ।

উপমা অলংকাৰ অ. উ. ৫৫৫৮৭

অমৃত মন্থন কাব্যত ত্ৰিদশ দেৱতাসহ ব্ৰহ্মাই বিষ্ণুক স্তুতি কৰাৰ অন্তত বিষ্ণুৱে দেখা দিয়া প্ৰসংগত আছে—

ধৰি আছা চাৰি অস্ত্র শৰীৰত পীতবস্ত্র

মেঘে যেন বিজুলী প্ৰকাশে।

******

সুবিপুল বক্ষ স্থলে বিচিত্র শ্ৰীবৎস স্থলে

মেঘে যেন বলুকাৰ পান্তি।

উপমা অলংকাৰ, (অ. ম. কা ৪৪)

কৃষ্ণক দেখি ত্ৰিদশ দেৱতাসহ ব্ৰহ্মা, হৰই পুনৰ স্তুতি কৰা প্ৰসংগত আছে—

দেৱতাৰ তুতি শুনি মেঘৰ গম্ভীৰ ধ্বনি

মাতিলন্ত ত্ৰিজগতৰ পতি।

লুপ্তোপমা অংলকাৰ (অ. ম. কা. ৫০)

দেৱ দানৱৰ যুদ্ধত দেৱতাৰ দুৰ্গতি দেখি লক্ষ্মীপতি সেই ঠাইত উপস্থিত হোৱা প্ৰসংগত আছে—

ধৰি আছা অস্ত্র গাৱে পীত বস্ত্র

মেঘত যেন বিজুলী।

(অ. ম. কা ১৪৯)

দেৱাসুৰে সাগৰ মন্থন কৰা বৰ্ণনাত আছে এনেদৰে—

প্ৰলয়ৰ মেঘ যেন শৱদ তস্থুল।

উপমা অলংকাৰ (অ. ম. কা. ১৮০)

সমুদ্ৰ মন্থনত লক্ষ্মী দেৱীৰ আবিৰ্ভাৱ হোৱা প্ৰসংগত এনেদৰে আছে—

মেঘগণে আকাশত কৰৈ বাদ্য নানামত

উপমা অলংকাৰ (অ. ম. কা. ২৪০)

মেঘৰ এনুৱা ধ্বনি একোকালে নতু শুনি

উপমা অলংকাৰ (অ. ম. কা. ২৪১)

সমুদ্ৰ কণ্যা লক্ষ্মী দেৱীৰ সয়ম্বৰ সভাত উপস্থিত হোৱা নৰায়ণৰ ৰূপ বৰ্ণনাত আছে—

মেঘ সম শ্যাম তনু কমল লোচন।

উপমা অলংকাৰ (অ. ম. কা. ২৬১)

স্বয়ম্বৰ সভাত লক্ষ্মীৰ প্ৰৱেশ প্ৰসংগত আছে—

বাৱে নানা বাদ্য যেন মেঘৰ সম্বাদ।

উপমা অলংকাৰ (অ. ম. কা. ২৮১)

স্বয়ম্বৰত লক্ষ্মীয়ে মাধৱৰ ডিঙিত বৰমাল্য অৰ্পণ কৰা প্ৰসংগত আছে—

সজল মেঘত বিজুলী চমক

যেন আছে দিয়া দেখা।

উপমা অলংকাৰ (অ. ম. কা. ৩০৩)

দেৱতা দৈত্যৰ যুদ্ধত দুয়ো দলৰে শৰবৃষ্টিত বৰ্ণনা প্ৰসংগত আছে—

বাৰিষাৰ মেঘ যেন নাহিকে প্ৰকাশ।।

উপমা অলংকাৰ (অ. ম. কা. ৪২৫)

প্ৰলয় মেঘৰ যেন নাহি ধাৰা ছেদ।

উপমা অলংকাৰ (অ. ম. কা. ৪৫৮)

বলি আৰু ইন্দ্ৰৰ যুদ্ধ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মেঘ হয়া আকাশত অশেষ গৰ্জিলা।

(অ. ম. কা. ৪৯৩)

দেৱতা আৰু সৰ্পৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

মেঘে যেন গৰ্জি আসি চাপিলা নিকট।

উপমা অলংকাৰ (অ. ম. কা. ৪৯৫)

বল, পাক, নমুচি নামৰ তৌৰ বাণে ইন্দ্ৰক আঘাত কৰাত ইন্দ্ৰ ৰথে সমে অদৃশ্য হোৱা বৰ্ণনা প্ৰসংগত আছে—

মেঘত লুকাইলা যেন প্ৰকাণ্ড আদিত্য।

উপমা অলংকাৰ (অ. ম. কা. ৫৮১)

বলিছলন কাব্যত কাশ্যপৰ উপদেশত অদিতিয়ে ভগৱন্তক স্তুতি কৰা প্ৰসংগত আছে—

সজল মেঘত যেন বিজুলী সুথিৰ।

উপমা অলংকাৰ, (ব. ছ. কা. ১৩৩)

নাৰায়ণে বামন ৰূপে অদিতিৰ গৰ্ভত জন্ম লোৱাৰ পিছত বালকৰ ৰূপ বৰ্ণনাত আছে এনেদৰে—

মেঘ সম শ্যাম তনু অনুপাম

পীত বস্ত্ৰে আছে বজ্ৰি।

উপমা অলংকাৰ (ব. ছ. কা. ১৬৬)

নাৰায়ণে বালক বটু বেশে বলি ৰজাৰ যজ্ঞলৈ অহা প্ৰসংগত এনেদৰে আছে—

মন্দ সুগভীৰ মেঘে আকাশত গাজে।

(ব. ছ. কা. ২০৫)

মেঘে আকাশ থাকি।
ছায়া কৰি গাত্ৰ ঢাকি।।
সমস্ত দেৱতা চয়ে।
মেঘত লুকাৰে ভয়ে।।

(ব. ছ. কা. ২০৯)

উপদেশ প্ৰসংগত সংসাৰৰ সুখ দুখক তুলনা কৰা প্ৰসংগত আছে—

তিলেকতে অন্তৰে মেঘৰ যেন ছায়া।

উপমা অলংকাৰ (ব. ছ. কা. ৩৩৮)

দৈত্যপতি বলিয়ে বামনক ত্ৰৈলোক্য দান দিয়াত ক্ৰোধান্বিত হৈ দৈত্যগণে বামনক শৰবৃষ্টিৰে বেৰি লোৱা বৰ্ণনা প্ৰসংগত আছে—

মহা মেঘ চয় যেন বৰিষয়
বেঢ়ি মেৰু পৰ্বতক

উপমা অলংকাৰ (ব. ছ. কা. ৩৫৪)

বামনক উপেন্দ্ৰ নামে ত্ৰৈলোক্যৰ ৰজা ৰূপে অভিষিক্ত কৰা বৰ্ণনা প্ৰসংগত আছে—

বাৰে নানা বাদ্য চয় মেঘে পুষ্প বৰিষয়
কিন্নৰ চাৰণে কৰে ৰংগ।

উপমা অলংকাৰ (ব. ছ. কা. ৫৪৯)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণই সপৰিয়ালে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰা বৰ্ণনা প্ৰসংগত আছে—

নবীন মেঘত যেন বিজুলী সঞ্চাৰ।

উপমা অলংকাৰ (কু. ক্ষে. কা. ২৪)

কৃষ্ণই ব্ৰজৰ গোপীসগণক বন্ধু-বান্ধৱৰ সংযোগ বিয়োগ সম্পৰ্কে বুজোৱাৰ প্ৰসংগত আছে—

যেন মিলে মহা মেঘসমূহ আকাশে।

উপমা অলংকাৰ, (কু. ক্ষে. কা. ১৪৫)

বসুদেৱে নাৰদক অৰ্পণা কৰ্মৰ বিষয়ে সোধাত নাৰদৰ উত্তৰ প্ৰসংগত এনেদৰে আছে—

হিমে মেঘে ছন্ন হেন বোলে আদিত্যক।

(কু. ক্ষে. কা. ৩৭৮)

'অনাদি পাতন'ত মহাপ্ৰলয়ৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বাহুয় বৰিষ মেঘে বৰিষ একান্ত।
******
মেঘৰ গৰ্জনে ঘনে ঘনে বজ্ৰপাত।।

(অ. পা. ৩৩)

তিনিগুণে তিনি মূৰ্ত্তি সৃষ্টি প্ৰসংগত বিষ্ণুৰ ৰূপ বৰ্ণনাত আছে—

শোভে পীতবস্ত্ৰ যেন মেঘত বিজুলী।

উপমা অলংকাৰ (অ. পা. ১৩৬)

ব্ৰহ্মা, ৰুদ্ৰ আৰু বিষ্ণু তিনিওৱে একমত নেহোৱাৰ বাবে বনমালী নিজে আবিৰ্ভাব হোৱা প্ৰসংগত আছে—

নীল মেঘ যেন বিজুলী সঞ্চাৰে
শৰীৰত পীতবাস।।

উপমা অলংকাৰ, (অ. পা. ১৪৮)

ত্ৰিমূৰ্তিক ভগবানে নিৰ্দেশ দিয়া প্ৰসংগত এইদৰে আছে—

মেঘৰ গম্ভীৰ ধ্বনি দিলন্ত উত্তৰ।

লুপ্তোপমা অলংকাৰ, (অ. পা. ১৬৪)

'ভক্তিপ্ৰদীপ'ত এজন ব্ৰাহ্মণৰ ইন্দ্ৰ-পূজা বৰ্ণনা প্ৰসংগত আছে—

মেঘৰ অধিপ কশ্যপ নন্দন
ই তিনি লোকৰ নাথ।

(ভ. প্ৰ. ৫৩)

উত্তৰাকাণ্ড ৰামায়ণত লৱ কুশই লংকা কাণ্ড বৰ্ণনা কৰা প্ৰসংগত আছে—

মেঘে যেন গৰ্জিয়া জংকাৰি দশমাথ।

উপমা অলংকাৰ, (উ. কা. ৰা. ৭০)

তেনেকৈ—

বজ্ৰদ্ৰংষ্ট্ৰ দুষ্ট মেঘনাদৰ সোদৰ।

(উ. কা. ৰা. ৭৭)

দ্বাদশ অধ্যায়ত ৰাৱন বধ কৰি অযোধ্যালৈ ঘূৰি অহা ৰাম অযোধ্যাৰ ৰাজপাটত বহা বৰ্ণনা প্ৰসংগত আছে—

মেঘৰ গৰ্জন যেন মত্তহস্তী চিহ্নয়
আস্ফালে বজায় গজঘণ্টা।

উপমা অলংকাৰ, (উ. কা. ৰা. ৭)

দ্বাত্ৰিংশ অধ্যায়ত ৰামৰ কায়া বিযুক্ত প্ৰৱেশ কৰা প্ৰসংগত আছে—

মেঘে যেন বিজুলী সঞ্চাৰে।

উপমা অলংকাৰ, (উ. কা. ৰা. ৯)

## (ঝ) নদী সংশ্লিষ্ট অন্যান্য বিষয়

**ইন্দ্ৰচাপ ঃ**

পাৰিজাত হৰণ নাটৰ আৰম্ভণিৰ দেৱ ভটিমাত কৃষ্ণৰ ৰূপৰ প্ৰশস্তিত এনেদৰে আছে—

তথিকবো ইন্দ্ৰচাপ পৰকাশা।

(পা. হ. না.)

ইন্দ্ৰধনু ঃ

ভাগৱতৰ প্ৰথম স্কন্ধত শ্ৰীকৃষ্ণৰ দ্বাৰকা প্ৰবেশ প্ৰসংগত কৃষ্ণৰ ৰূপ বৰ্ণনাত এনেদৰে আছে-

তাতে ইন্দ্ৰধনু থিৰ বিজুলী প্ৰকাশে।।

প্ৰতীপ অলংকাৰ (ভা. প্ৰ. স্ক. ২০৭)

দশম স্কন্ধৰ বৰ্ষা বৰ্ণন অধ্যায়ত বাৰিষাৰ কাৰ্যৰ লগত নিৰ্গুণ পুৰুষৰ তুলনা প্ৰসংগত এনেদৰে আছে-

পঞ্চবৰ্ণে ৰচিত নিৰ্গুণ ইন্দ্ৰধনু।

গুণবন্ত মেঘত প্ৰকাশে পুনু পুনু।।

উপমা অলংকাৰ (ভা. দ. স্ক. ১১৪৪২)

তেনেকৈ দশম স্কন্ধত ৰাস লীলা প্ৰসংগত কৃষ্ণৰ কণ্ঠৰ বনমালাৰ বৰ্ণনাত এনেদৰে আছে

বৈজয়ন্তীমালা ইন্দ্ৰধনু ভৈল

এতেকে মেঘ উপাম।

উপমা অলংকাৰ (ভা. দ. স্ক. ১২১২২)

অমৃত মন্থন কাব্যত বিষ্ণুৰ ৰূপৰ বৰ্ণনাত তেওঁৰ বনমালাক তুলনা কৰা প্ৰসংগত এনেদৰে আছে-

ইন্দ্ৰধনু সমশোভে তাবে মধু গন্ধ লোভে

অনেক ভ্ৰমৰে কান্তি।

উপমা অলংকাৰ (অ. ম. কা. ৪৬)

কণিকা ঃ

ক্ষুদ্ৰতম পানীৰ টোপাল বুজোৱা কণিকা বিষয়টিও শঙ্কৰদেৱৰ দৃষ্টিৰ পৰা সাৰি যাব পৰা নাই। প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োটা ৰূপতেই কণিকা শব্দটো ব্যৱহাৰ হৈছে।

কীৰ্তনৰ শিশুলীলা অধ্যায়ত শিশু কৃষ্ণক বসুদেৱে নন্দৰ গৃহলৈ লৈ যোৱা বৰ্ণনাত আছে-

বৰিষে কণিকা মেঘে ওপৰত গাজে।

(কী. শি. লী. ৬)

একেই প্ৰসংগতে ভাগৱতৰ দশম স্কন্ধতো এনে ব্যৱহাৰ হৈছে। (ভা. দ. স্ক. ১০৭৫২)

ৰাস ক্ৰীড়া অধ্যায়ত কৃষ্ণই গোপীসকলৰ সৈতে ক্ৰীড়া কৰা বৰ্ণনাত আছে-

ঘৰ্ম জলে কণিকা গৰ্জনে ভৈলা গীত।

ৰূপক অলংকাৰ, (কী. ৰা. ক্ৰী ১৩৬)

ভাগৱতৰ দশম স্কন্ধত ব্ৰহ্মাৰ কৃষ্ণ স্তুতি প্ৰসংগত কৃষ্ণৰ অনন্ত মহিমা বৰ্ণনাত এনেদৰে আছে-

হিমৰ কণিকা গণে যিটো জনে

পৃথিৱীৰ লেখৈ ধুলি।

অনেক জনমে নজানিবে সিয়ো

তোমাৰ গুণ সমুলি।।

(ভা. দ. স্ক. ১১১৪৩)

অমৃত মন্থন কাব্যত দেৱাসুৰৰ সাগৰ মন্থন বৰ্ণনা প্ৰসংগত এনেদৰে আছে-

কবিলা কণিকা বৃষ্টি দেৱৰ উপৰে।।

(অ. ম. কা. ১৮৭)

**কালিন্দ্ৰি ঃ**

শংকৰদেৱৰ সাহিত্যত কালিন্দ্ৰি শব্দটোৰ প্ৰত্যক্ষ প্ৰয়োগ দেখা যায়। ভাগৱতৰ দ্বিতীয় স্কন্ধত ব্ৰহ্মাই বসুমতীক প্ৰবোধ দিয়া প্ৰসংগত এনেদৰে আছে—

কালিন্দিক শুদ্ধ কৰি দেৱ বনমালী।
ফণাত চৰিয়া কালী খেদাইবা নিকালি।।

(ভা. দ্বি. স্ক. ৫৬৩)

পাৰিজাত হৰণ নাটৰ মুক্তি মংগল ভটিমাত কালিন্দি হ্ৰদৰ বিষয়ে আছে—

কালিন্দ্ৰি হ্ৰদ যো মৰ্দল কালী।

কালিয় দমন নাটত কৃষ্ণই কালিন্দ্ৰি হ্ৰদত লীলা কৰাৰ বৰ্ণনা প্ৰসংগত কানাড়া ৰাগ পৰিতালৰ এটি

কালিন্দ্ৰি জলমহ খেলে যদুৰায়া।

তেনেদৰে, কালী দমনৰ অন্তত আছে—

শ্ৰীকৃষ্ণ কালিক দমিয়ে হ্ৰদ হন্তে দূৰ কৰিকহোঁ কৌতুকে কালিন্দ্ৰি তীৰে আৱল।

(কা. দ. না. ক.সু.)

গোপীসবৰ উদ্ধৱৰ আগত কৃষ্ণ বিৰহৰ দুখ প্ৰকাশক তুড় বসন্ত ৰাগ জৌতি তালৰ 'কহৰে উদ্ধৱ' শীৰ্ষক বৰগীটিত এনেদৰে আছে—

কালিন্দি দেখি সখী ফুটয় বুক।

স্মৰণোপমা অলংকাৰ, (বৰগীত)

তেনেদৰে একেভাৱ প্ৰকাশক কল্যাণ ৰাগ জৌতি তালৰ 'উদ্ধৱ বন্ধু' শীৰ্ষক বৰগীতটিত এনেদৰে আছে—

গিৰি বিৰিন্দাবন
দেখত কালিন্দি
তনু মন দহৰে সদায়।

স্মৰণোপমা অলংকাৰ

তেনেকৈ ধনশ্ৰী ৰাগ একতালিৰ 'কি কহবো উদ্ধৱ' শীৰ্ষক বৰগীতত আছে এনেদৰে—

নাহি চাৱৰ ধেনু কালিন্দি কূল।

শংকৰদেৱৰ 'বন্দো গোবিন্দা' শীৰ্ষক দেৱ ভটিমাটিত এনেদৰে আছে

কালী নাম
কালিন্দি তীৰে
ভুজংগম ৰাজ নিবাসে।

**গৰ্জন ঃ**

কীৰ্তনৰ ৰাসক্ৰীড়া অধ্যায়ত কৃষ্ণ গোপীৰ ৰাসলীলা বৰ্ণনাত এনেদৰে আছে—

ঘৰ্মজলে কণিকা গৰ্জনে ভৈলা গীত।

(ৰূপক অলংকাৰ, কী. ৰা. অ. ১৩৬)

এই প্ৰসংগত ভাগৱতৰ দশম স্কন্ধতো এনে উপমা আছে। (ভা. দ. স্ক. ১২১১২)

দামোদৰ বিপ্ৰ আখ্যানত কৃষ্ণই দামোদৰৰ আগত বাল্য কালৰ স্মৃতি ৰোমন্থন কৰা প্ৰসংগত এনেদৰে আছে—

গৰ্জনতে ভূমি লৰে  ঘনে ঘনে বজ্ৰ পৰে

..........................................

(কী. দা. বি. আ. ১১)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণৰ জন্মৰ সময়ৰ পৰিৱেশ বৰ্ণনাত আছে—

সাগৰৰ লগত গৰ্জন্ত জলধৰ। (ভা. দ. স্ক. ১০৭২৪)

গোকুলত ইন্দ্ৰ যজ্ঞ ভংগ হোৱাৰ বাবে ইন্দ্ৰই দিয়া আদেশ ক্ৰমে প্ৰলয়ৰ মেঘে গোকুলত ত্ৰাস সৃষ্টি কৰা প্ৰসংগত এনেদৰে আছে—

গগন মণ্ডলে থাকি।
গৰ্জে গোকুলক ঢাকি। (ভা. দ. স্ক. ১১৬৯৮)

গৰ্জনত মাটি লৰৈ কৰ্ণে হানৈ তাল।। (ভা. দ. স্ক. ১১৭০৬)

বলোৰাম আৰু কৃষ্ণই পৰ্বতত উঠি বংশী নাদ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মিত্ৰ বুলি মেঘে  মধুৰ গৰ্জনে
কৃষ্ণক কৰে সম্বাদ। (ভা. দ. স্ক. ১২২৬৪)

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিৰ ভগৱন্মায়া দৰ্শন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

দুৰ্ঘোৰ গৰ্জনে  যেন কান ফাটে
মেদিনী মণ্ডলো লৰে। (ভা. দ্বা. স্ক. ১৮৬৯৪)

হৰিশ্চন্দ্ৰ উপাখ্যানত ৰজা হৰিশ্চন্দ্ৰক কিনিবলৈ অহা বধ্যবধক নামৰ চাণ্ডালৰ বৰ্ণনাত এনেদৰে আছে—

মেঘৰ গৰ্জন যেন মুখত শুনি মাত। (উপমা অলংকাৰ, হ. উ. ৩৩৯)

অজামিল উপাখ্যানত বিভিন্ন পাপৰ বিভিন্ন নৰক শীৰ্ষক অধ্যায়ত জীয়াই জীয়াই পশু পক্ষী বন্ধা আৰু বন্ধাজনৰ শাস্তি বৰ্ণনাত এনেদৰে আছে—

ধৰি যমদূতে তাক মেঘে যেন গৰ্জে। (কী. অ. উ. ২৭৯)

অমৃত মথন কাব্যত দেৱসুৰৰ যুদ্ধ বৰ্ণনা প্ৰসংগত দৈত্যেন্দ্ৰই ইন্দ্ৰৰ লগত যুদ্ধ কৰা বৰ্ণনাত আছে এনেকৈ—

মেঘে যেন গৰ্জে কোপে বাসৱক চাই (অ. ম. কা. ৪৮৭)

ইন্দ্ৰৰ প্ৰভাৱ দেখি বলিয়ে সমুখ সমৰত যুদ্ধ কৰিব নোৱাৰিব বুলি জানি অসুৰ মায়া প্ৰয়োগ কৰা ক্ষেত্ৰত এনেদৰে আছে—

মেঘ হয়া আকাশত অশেষ গৰ্জিলা।
(অ. ম. কা. ৪৯৩)

মেঘ যেন গৰ্জি আসি চাপিলা নিকট।।
(অ. ম. কা. ৪৯৫)

আকাশক ঢাকি মেঘে গৰ্জয় অপাৰ।
(অ. ম. কা. ৫০০)

উত্তৰাকাণ্ড ৰামায়ণৰ একাদশ অধ্যায়ৰ লংকাকাণ্ড বৰ্ণনাত ৰাৱণে সসৈন্যে যুদ্ধ যাত্ৰা কৰা বৰ্ণনাত এনেদৰে আছে—

মেঘে যেন গৰ্জিয়া জংকাৰি দশমাথ।
(উ. কা. ৰা. এ. অ. ৭০)

দ্বাদশ অধ্যায়ত সীতাক উদ্ধাৰ কৰি ৰামচন্দ্ৰই অযোধ্যালৈ ঘুৰি আহি ৰাজপাটত অধিষ্ঠিত হোৱা সময়ত মংগলাচৰণ কৰা প্ৰসংগত এনেদৰে আছে—

মত্তহস্তী চিহৰয় মেঘৰ গৰ্জন যেন
আস্ফালে বজায় গজ ঘণ্টা।
উপমা অলংকাৰ, (উ. কা. ৰা. দ্বা. অ. ৭)

গাজ

কীৰ্তনৰ শিশুলীলা অধ্যায়ত প্ৰথম কীৰ্তনত বসুদেৱে কৃষ্ণক লৈ যোৱাৰ সময়ৰ পৰিবেশ বৰ্ণনাত এনেদৰে আছে—

বৰিষে কণিকা মেঘে ওপৰত গাজে।
(কী. শি. লী. ৬), ভা. দ. স্ক. ১০৭৫২)

সান্দীপনি মুনিক পুত্ৰ দান কৰি ৰামকৃষ্ণ মথুৰালৈ যোৱাৰ বৰ্ণনাত এনেদৰে আছে—

ৰথ চক্ৰ ঘোষ মেঘে যেন গাজে
পুৰিলন্ত শংখধ্বনি।
(উপমা অলংকাৰ, ভা. দ. স্ক. ১২৮৪৭)

শ্ৰীকৃষ্ণই বেদ নিধিৰ মুখে ৰুক্মিণীৰ বাৰ্তা পাই বেদনিধি, কৌশাম্বিৰ ৰজা বিশ্বকেতু আৰু চতুৰংগ সেনা লৈ কুণ্ডিল নগৰীলৈ যাত্ৰা কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

হস্তীসৱ চিহঁৰয় মেঘ যেন গাজে।
(উপমা অলংকাৰ, ৰু. হ. কা. ১৯০)

বলিছলন কাব্যত বামনৰূপী বিষ্ণুৱে বলিক ছলনা কৰিবলৈ বলিৰাজৰ যজ্ঞশালালৈ যাত্ৰা কৰা সময়ৰ সুমংগল পৰিবেশৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মন্দ সুগভীৰ মেঘে আকাশত গাজে।
(ব. ছ. কা ২০৫)

**জলবুদবুদ ঃ** কীৰ্তনৰ উৰেষা বৰ্ণনৰ দ্বাদশ কীৰ্তনত বিষ্ণুৰ দাৰুমূৰ্তি নিৰ্মাণ প্ৰসংগত বিপ্ৰৰূপী বিষ্ণুৱে ৰজা ইন্দ্ৰদ্যুম্নক সংসাৰৰ অনিত্য স্বৰূপ সম্বন্ধে কোৱা প্ৰসংগত এনেদৰে আছে—

যেন জলবুদ বুদ তিলে হোৱে ছয়া।

(উপমা অলংকাৰ, কী. উ. ব. ১৩০)

শংকৰদেৱে অন্যান্য ৰচনাতো সংসাৰৰ অনিত্য স্বৰূপ বৰ্ণনা প্ৰসংগত এই উপমাটি প্ৰয়োগ কৰিছে। যেনে–

জল বুদ বুদ যেন অথিৰ জীৱন।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১১১৩২, ভা. দ. স্ক. ১২২৫০, ভা. এ. স্ক. ১২৯৬৮, ভা. এ. স্ক. ১৭৫৮৮, অ. পা. ১৪২।

তেনেকৈ

যেন জলবুদ বুদ জলে লীন যায়।।

(উপমা অলংকাৰ, ভা. দ্বা. স্ক. ১৮৪০৮)

**জাজি ঃ**

ভাগৱতৰ প্ৰথম স্কন্ধত কুন্তীৰ কৃষ্ণ স্তৱ প্ৰসংগত এনেদৰে আছে—

যেন জাজি গঙ্গাক নিবোধ কৰে যদি।
সাগৰত পৰয় তথাপি দেৱ নদী।।

উপমা অলংকাৰ ( ভা. প্ৰ. স্ক. ১২৬ )

দশম স্কন্ধত বসুদেৱে নন্দৰ আগত দৈৱগতিয়ে যে সুহৃদক একেলগে থাকিবলৈ নিদিয়ে সেই কথা কৈ দুখ কৰা প্ৰসংগত আছে—

সোন্তৰ বেগত যেন উটি যায় জাজি ।
নিমিষেক অন্তৰে পানীৰ বেগ বাজি।

উপমা অলংকাৰ, (ভা.দ.স্ক. ১০৮০৯)

হৰি ভক্তি মাহাত্ম্য বৰ্ণনা কৰিবলৈ গৈ সংসাৰখনক নদীৰ লগত তুলনা কৰা প্ৰসংগত এনেদৰে আছে-

যত জীৱ বাশি আত জাজি উটি যায়।

(ভা. দ. স্ক. ১০৯৮৮)

হৰিশ্চন্দ্ৰ উপাখ্যানত বকৰূপী বিশ্বমিত্ৰ আৰু শৰালিৰূপী বশিষ্ঠৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

সৱে জীৱ জন্তু প্ৰজা জাজি যেন উটে।

(উপমা অলংকাৰ, হ. উ. ৫৭৫)

**ডুব ঃ**

ডুব বিষয়টি পানীৰে সৈতে জড়িত বিষয়। বিচক্ষণ কবি জনাই এই শব্দটিকো তেওঁৰ সাহিত্যত সুপ্ৰয়োগ ঘটাইছে —

কীৰ্তনৰ প্ৰহ্লাদ চৰিত্ৰ অধ্যায়ত হিৰণ্যকশিপুৱে প্ৰহ্লাদক শাস্তি দিয়া প্ৰসংগত এনেদৰে আছে—

জলত ডুবায়া উপৰে পাত
পেহুায়া কতোহো যান্তে।

(কী. প্ৰ. চ. ১৩১)

কীৰ্তনৰ বলিছলন অধ্যায়ৰ পঞ্চম কীৰ্তনৰ ঘোষাত নামৰ মহিমা কীৰ্তন কৰা প্ৰসংগত এনেদৰে আছে—

ৰাম পাৰ নাৱ কাছতে আছন্ত
মিছাতে ডুবিয়া মৰ।।

সাংগ ৰূপক, (কী. ব. ছ. ৫)

**তট ঃ**

কীৰ্তনৰ উৰেষা বৰ্ণনাৰ দ্বাদশ কীৰ্তনত ইন্দ্ৰদ্যুম্ন ৰজাক ব্ৰাহ্মণৰূপী বিষ্ণুৱে ব্ৰাহ্মণৰূপী বিশ্বকৰ্মাই বিষ্ণুৰ প্ৰতিমা সাজি দিয়াৰ আশ্বাস দিয়া প্ৰসংগত এনেদৰে আছে—

হেন শুনি এড়ি ৰাজা সাগৰৰ তট।
তৰু তলে বৈলা চাপি বিপ্ৰৰ নিকট।।

(কী. উ. ব. ১৩৪)

ভাগৱতৰ দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ আশ্ৰমৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পুষ্পভদ্ৰা নদী তটে প্ৰকটে প্ৰকাশে পুনু
পাথৰৰ স্তম্ভ মনোময়।।

(ভা. দ্বা. স্ক. ১৮৬২৬)

মাৰ্কণ্ডেয় ঋষিৰ ভগৱন্মায়া দৰ্শন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পুষ্পভদ্ৰা নদী তট নিকটত
বিষ্ণুক চিন্ততে আছে।।

(ভা. দ্বা. স্ক. ১৮৬৯৩)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণ মহিষী সকলে কুৰুক্ষেত্ৰৰ নাৰীসমাজৰ সভাত নিজ নিজ বিবাহ বৰ্ণনা কৰা প্ৰসংগত কালিন্দীয়ে কৰা বৰ্ণনাত এনেদৰে আছে—

পাইলা যমুনাৰ তট নিকট আহ্মাৰ।

(কু. ক্ষে. ক. ২২৯)

**তীৰ ঃ**

নদী, সৰোবৰ বা হ্ৰদ আদি জলাশয়ৰ তীৰ বিষয়টিও শংকৰদেৱে তেওঁৰ সৃষ্টিত সামৰি লৈছে। কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা অধ্যায়ত কূৰ্ম অৱতাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কূৰ্ম অৱতাৰ ভৈলা ক্ষীৰোদধি তীৰে।

(কী. চ. বিং. অ. ৩)

শিশু লীলা অধ্যায়ত গোপীনীৰ বস্ত্ৰহৰণ লীলা প্ৰসংগত এনেদৰে আছে—

গোপ কুমাৰিকা সৱে বস্ত্ৰ থৈয়া তীৰে।

(কী. শি. লী. ৮১)

এই অধ্যায়তে কালী দমন বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

কান্দে যমুনাৰ তীৰক বেঢ়ি। (কী. শি. লী. ১৩৫)

যমুনা তীৰত ৰঞ্চিল ৰাতি। (কী. শি. লী. ১৫৮)

জৰাসন্ধৰ যুদ্ধ অধ্যায়ত জৰাসন্ধৰ সৈন্য দলে কৃষ্ণৰ সৈতে দুনাই যুঁজিবলৈ সাজু হোৱা প্ৰসংগত এনেদৰে আছে—

যমুনা তীৰে ৰৈল ৰাজা ঝাক। (কী. জ. যু. ১০)

কীৰ্তনৰ শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত যদুবংশ ধ্বংস হোৱাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সাগৰৰ তীৰক ঢাকিলা মৰাশৰে। (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৮৩)

একেই প্ৰসংগতে ভাগৱতৰ একাদশ স্কন্ধতো এনে বৰ্ণনা আছে। (ভা. এ. স্ক. ১৭৮২৭)

পাছে বলভদ্ৰ গৈল সাগৰৰ তীৰ। (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৮৩)

তীৰ্থ কৰি ফুৰা বিদুৰে উদ্ধৱক লগ পোৱা প্ৰসংগত এনেকৈ আছে—

যমুনা তীৰত উদ্ধৱক পাইলা লাগ।। (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ১৮২)

উৰেষা বৰ্ণন অধ্যায়ৰ প্ৰথম কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নই মাধৱক আৰাধনা কৰিবলৈ গৈ দক্ষিণ সাগৰৰ পাৰত উপস্থিত হোৱা বৰ্ণনা প্ৰসংগত আছে—

পাইলন্ত দক্ষিণ সাগৰৰ গৈয়া তীৰ।। (কী. উ. ব. ১৮)

চতুৰ্থ কীৰ্তনত বিষ্ণুৱে ব্ৰহ্মাৰ আগত পুৰুষোত্তম ক্ষেত্ৰৰ বিষয়ে বৰ্ণোৱা প্ৰসংগত আছে—

দক্ষিণ সাগৰ তীৰে আছে সিদ্ধ বট।। (কী. উ. ব. ৩৯)

একাদশ কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নই বিষ্ণুৰ স্বপ্নাদেশ অনুসৰি সাগৰত ভাঁহি অহা তৰংগ দেখা পোৱা প্ৰসংগত আছে—

পাইলা সাগৰৰ তীৰ। (কী. উ. ব. ১২৪)

তেনেকৈ দ্বাদশ কীৰ্তনত দৰুমূৰ্ত্তি নিৰ্মাণ প্ৰসংগত বিপ্ৰৰূপী বিষ্ণুৱে ৰজাক মতাৰ প্ৰসংগত এনেদৰে আছে—

আসিয়োক ঐত এৰি সাগৰৰ তীৰ।। (কী. উ. ব. ১৩৩)

ভাগৱতৰ দশম স্কন্ধৰ আৰম্ভণিতে ব্ৰহ্মাই বসুমতীৰ দুখ দূৰ কৰাৰ উপায় বিচাৰি বিষ্ণুক আৰাধনা কৰিবলৈ যোৱা প্ৰসংগত এনেদৰে আছে—

ত্ৰিদশ সহিতে ভৈলা ক্ষীৰোদধি তীৰে।। (ভা. দ. স্ক. ১০৬৬৫)

গকুলৰ কৃষ্ণই খেৰি খেলা বৰ্ণনাত আছে—

যমুনা তীৰত ৰংগে খেলাবন্ত খেড়ি।

(ভা. দ. স্ক. ১০৯৭৭)

কৃষ্ণই কালী দমন কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

গোপ শিশু সমে যমুনাৰ তীৰে তীৰে<br>ধেনুগণ ফুৰন্ত চৰাই।

(ভা. দ. স্ক. ১১২১৮)

এই প্ৰসংগতে কালী হ্ৰদৰ বৰ্ণনাত এনেদৰে আছে—

মৰয় তীৰৰ তৰু নালাগে বিলম্ব।<br>জীৱে একে গাছ মাত্ৰ তীৰৰ কদম্ব।।

(ভা. দ. স্ক. ১১২২৭)

গোকুলৰ বিমংগল দেখা পাই নন্দ যশোদাসহ ব্ৰজবাসীয়ে কৃষ্ণক বিচাৰি বৃন্দাবনত উপস্থিত হোৱা বৰ্ণনাত আছে—

এহিমতে যমুনাৰ তীৰক আণ্টাইল।

(ভা. দ. স্ক. ১১২৫৯)

কালী সৰ্পৰ বান্ধত কৃষ্ণক মৃতপ্ৰায় অৱস্থাত অৱস্থাত দেখি সকলোৱে ক্ৰন্দন কৰা বৰ্ণনাত আছে—

কান্দে পৰি পৰি যমুনাৰ তীৰ বেঢ়ি।

(ভা. দ. স্ক. ১১২৬০)

কালিয় দমনৰ পিছত কৃষ্ণৰ বনাগ্নি পান লীলা বৰ্ণনা প্ৰসংগত আছে—

গোপগোপী যত<br>কৃষ্ণৰ লগত<br>যমুনা তীৰতে ৰৈল।।

(ভা. দ. স্ক. ১১৩৪৪)

বৃন্দাবনৰ বাৰিষা ঋতুৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত বাৰিষা কালত পশু-পক্ষীত কাৰ্য বৰ্ণনাত আছে এনেদৰে—

কণ্টকে যুগুত সৰোবৰৰ তীৰত।<br>তাতে বঞ্চে তথাপি চকোৰা পক্ষী যত।।<br>যেন গৃহবাস ঘোৰ দুখময় জানি।<br>তথাপিতো নেৰয় তাক দুৰাশয় প্ৰাণী।।

(উপমা অলংকাৰ, ভা. দ. স্ক. ১১৪৪৬)

গোপীসৱৰ কাত্যায়নী ব্ৰতৰ বিৱৰণ প্ৰসংগত এনেদৰে আছে—

এহিমতে পাইলা পাছে যমুনাৰ তীৰ।

(ভা. দ. স্ক. ১১৫৪১)

শ্ৰীকৃষ্ণৰ গোপীৰ বস্ত্ৰহৰণ লীলা প্ৰসংগত এনেদৰে আছে—

একদিনা পূৰ্বতে বস্ত্ৰ থৈয়া তীৰে।

(ভা. দ. স্ক. ১১৫৪৫)

বিপ্ৰ পত্নী প্ৰসাদ অধ্যায়ত বৃন্দাবনত কৃষ্ণই ধেনুচাৰি ফুৰা কাৰ্য বৰ্ণনা কৰা প্ৰসংগত আছে—

পাইলা পিছে যমুনাৰ তীৰ যদুৰায়।

(ভা. দ. ক. ১১৫৭৯)

ৰাম কৃষ্ণ দুয়ো বিপ্ৰৰ গৃহত উপস্থিত হোৱাত ব্ৰাহ্মণী সবে কৃষ্ণৰ ৰূপ দেখা প্ৰসংগত আছে—

যমুনাৰ তীৰে নৱ অশোকবনত।

(ভা. দ. স্ক. ১১৬০৫)

কৃষ্ণই গোপী সবৰ তেওঁৰ প্ৰতি ভক্তি বঢ়াবৰ উদ্দেশ্যে অন্তৰ্দ্ধান হোৱাত গোপীসবে কৃষ্ণ বিৰহত আতুৰ হৈ সকলোকে কৃষ্ণৰ বতৰা সুধি ফুৰা বৰ্ণনাত আছে—

যমুনা তীৰত থাকা তীৰ্থবাসী

মিছা নামাতিবা জানি।

(ভা. দ. স্ক. ১১৯৭০)

গোপীসবে কৃষ্ণৰ দুখত নিজকে কৃষ্ণ বুলি ভাবি কৃষ্ণৰ লীলা সমূহৰ অভিনয় কৰিবলৈ ধৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কতো বস্ত্ৰ থৈয়া তীৰে জলে গৈয়া পৰে।

(ভা. দ. স্ক. ১২০০০)

একাদশ স্কন্ধ ভাগৱতত যদুবীৰ সকলে পিণ্ডাৰক তীৰ্থত প্ৰসংগত খেলা কৰা প্ৰসংগত এনেদৰে আছে—

ফুৰৈ ক্ৰীড়া কৰি সাগৰৰ তীৰে তীৰে।

(ভা. এ. স্ক. ১৭৫০০)

যদুগণে যদুবংশৰ ঘাতক স্বৰূপ মূষল চূৰ্ণীকৃত কৰি সাগৰত পেলাই নিশ্চিহ্ন কৰিব খোজা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

চাপিল তীৰত সিটো ঢৌৰ আস্ফালত।।

(ভা. এ. স্ক. ১৭৫২১)

যদুবীৰ সকলে কৃষ্ণৰ উপদেশ অনুসৰি প্ৰভাস তীৰ্থলৈ গৈ কৰা কাৰ্য বৰ্ণনা প্ৰসংগত এনেকৈ আছে—

বসিলা তীৰত পাচে যত মহাবলী।।

(ভা. এ. স্ক. ১৭৭৯১)

কৃষ্ণৰ মায়াত বুদ্ধি ভ্ৰষ্ট হৈ যদুবীৰগণে পৰস্পৰৰ মাজত যুদ্ধত প্ৰবৃত্ত হোৱা বৰ্ণনা প্ৰসংগত আছে—

লাগিল সমৰ সাগৰৰ তীৰ জুৰি।

(ভা. এ. স্ক. ১৭৮০৩)

ঋষি শাপে সিটো সাগৰৰ তীৰ জুৰি

(ভা. এ. স্ক. ১৭৮১৬)

পূৰ্বৰ ঋষিৰ শাপ অনুসৰি কুলক্ষয় হোৱা দেখি বলোভদ্ৰই আত্মত্যাগ কৰা বৰ্ণনা প্ৰসংগত আছে—

সাগৰৰ তীৰত বসিলা পদ্মাসনে।

(ভা. এ. স্ক. ১৭৮৩৪)

দাৰুকে দ্বাৰকাত যদুবংশ ধ্বংসৰ বাতৰি দিয়া প্ৰসংগত এনেদৰে আছে

পৰিল সকলে সাগৰৰ তীৰ জুৰি।
(ভা. এ. স্ক. ১৭৯৬৮)

দ্বাৰকাৰ নাৰীগণে প্ৰভাস তীৰ্থলৈ গৈ মৃত যদুবীৰ সকলক দেখা প্ৰসংগত আছে—
সাগৰৰ তীৰক মৃতকে বেঢ়ি আছে।
(ভা. এ. স্ক. ১৭৯৭৪)

ইয়াৰ পিছত উদ্ধৱ আৰু বিদুৰৰ সাক্ষাৎ প্ৰসংগত এনেদৰে আছে—
যমুনা তীৰত মহা ভাগৱত
উদ্ধৱক পাইলা লাগ।
(ভা. এ. স্ক.১৮০৭৩)

কৃষ্ণ বিয়োগত উদ্ধৱে কৃষ্ণৰ কাৰ্যাবলী স্মৰণ কৰি দুখ কৰা বৰ্ণনা প্ৰসংগত এনেকৈ আছে—
ভ্ৰমিলন্ত যমুনাৰ তীৰত মুৰাৰি।
(ভা. এ. স্ক. ১৮১০৭)

দ্বাদশ স্কন্ধত তক্ষকে ব্ৰাহ্মণ বেশ ধৰি পৰীক্ষিত ৰজাক দংশন কৰিবলৈ যোৱা বৰ্ণাত এনেদৰে আছে—
তক্ষকে পাইলেক আসি ভাগিৰথী তীৰ।।
(ভা. দ্বা. স্ক. ১৮৫৬৬)

মাৰ্কণ্ডেয় ঋষিয়ে সাতকল্প দৰ্শনৰ অন্তত নিজকে পুনৰ আশ্ৰমত আৱিষ্কাৰ কৰা প্ৰসংগত এনেদৰে আছে—
পুষ্পভদ্ৰা নদীৰ তীৰত মহাসুখে।
(ভা. দ্বা. স্ক. ১৮৭৩৩)

হৰিশচন্দ্ৰ উপাখ্যানত সৰ্প দংশনত মৃত পুত্ৰ ৰোহিতাশ্বক কোলাত লৈ শোকাতুৰা ৰাণী শৈব্যাই গংগাত উটাবলৈ যোৱা বৰ্ণনাত এনেদৰে আছে—
গংগাৰ তীৰক কান্দন্তে লড়িলা
জ্বলিল পুত্ৰ সন্তাপ।
(হ. উ. ৩৭০)

শ্মশানত চাণ্ডাল ৰূপী ৰজা হৰিশচন্দ্ৰই ৰাণী আৰু মৃত পুত্ৰক চিনিব পাৰি শোকত অধীৰ হৈ তিনিও একেখনি চিতাতে ভস্ম হৈ যাবলৈ ওলোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—
গংগাতীৰে নিৰ্মিলা বহল চিতাখান।।
(হ. উ. ৪৪৬)

বলিছলন কাব্যত দৈত্যৰাজ বলিয়ে যজ্ঞ সমাপন কৰা প্ৰসংগত এনেদৰে আছে—
সেহি বেলা বলি যজ্ঞ কৰে সমাপত।
নৰ্মদা নদীৰ আসি উত্তৰ তীৰত।।
(ব. ছ. কা. ১৮৯)

বামন ৰূপী বিষ্ণু বলিৰ যজ্ঞশালালৈ যাত্ৰা কৰা প্ৰসংগত এনেকৈ আছে—
চলি যান্ত ধীৰে ধীৰে।
নৰ্মদা নদীৰ তীৰে।।
(বা. ছ. কা. ২১৩)

কুৰুক্ষেত্ৰ কাবাত নাৰদে বসুদেৱে মায়াত মোহিত কৃষ্ণ ৰূপী নাৰায়ণক অনাদৰ কৰা বুলি কোৱা প্ৰসংগত এনেদৰে আছে—

যেন তীৰ বাসী গংগাজল তেজি যায়।
অনাত্ৰ জলত স্নানে সিদ্ধিক আশায়।।

(কু. ক্ষে. কা. ৩৭৮)

ভক্তি প্ৰদীপত অৰ্জুনৰ আগত শ্ৰীকৃষ্ণই ভক্তা চাণ্ডালীৰ পূৰ্ব কথা কোৱা প্ৰসংগত আছে—

সখীগণে সমে খেলি খেলাইবাক
গংগাৰ তীৰত গৈলা।।

(ভ. প্ৰ. ৪৭)

চাণ্ডালিনীয়ে ইন্দ্ৰ দেৱতাক পূজা কৰি থকা এজন পুৰুষক গংগাৰ পাৰত দেখা পোৱা প্ৰসংগত এনেদৰে আছে—

কৰি কৃতাঞ্জলি জাহ্নবী তীৰত
বৈঠা বান্ধি বসি আছে।।

(ভ. প্ৰ. ৫৩)

চাণ্ডালিনীয়ে হৰি বিমুখ অধৰ্মী দ্বিজৰ সৈতে আলাপ কৰি বিষ্ণু পাদোদক গংগাত স্নান কৰি শুদ্ধ হ'ব খোজা প্ৰসংগত এনেদৰে আছে—

তীৰত উঠিয়া পাছে মনে অনুমানে।
বাহিৰ পাপ নষ্ট কৰে গংগা স্নানে।

(ভ. প্ৰ. ৭২)

উত্তৰা কাণ্ড ৰামায়ণৰ চতুৰ্থ অধ্যায়ত শ্ৰীৰামচন্দ্ৰই অশ্বমেধ যজ্ঞৰ আয়োজন কৰি লক্ষ্মণক আদেশ দিয়া প্ৰসংগত এনেদৰে আছে—

পুণ্য নদী গোমতীৰ তীৰত সত্বৰে গৈয়া
যজ্ঞশালা কৰিয়ো নিৰ্মাণ।।

(উ. কা. ৰাম. চ. অ. ১)

লক্ষ্মণেও ৰামৰ আদেশ অনুসৰি যজ্ঞশালা নিৰ্মান কৰা প্ৰসংগত আছে—

গোমতী নদীৰ তীৰে ৰত্নৰ মন্দিৰ বীৰে
সজাইলন্ত পৰম প্ৰাৰম্ভে।

(উ. কা. ৰাম. চ. অ. ৩)

সপ্তম অধ্যায়ত লৱ-কুশৰ ৰামচন্দ্ৰৰ যজ্ঞলৈ আগমন প্ৰসংগত এনেদৰে আছে—

অনুক্ৰমে পাইলা পাছে গোমতীৰ তীৰ।

(উ. কা. ৰা. স. অ. ৩)

পঞ্চবিংশ অধ্যায়ত গৰ্গ ঋষিয়ে তেওঁ অযোধ্যালৈ তাহাৰ কাৰণ ব্যাখ্যা কৰা প্ৰসংগত এনেদৰে আছে—

সিন্ধু নদী তীৰ জুৰি সৈন্ধৱ গন্ধৰ্ব ৰাজ
বহি আছে কৰি মহাগৰ্ব।

(উ. কা. ৰা. প. অ. ১৫)

তাক মাৰি দুয়োতীৰে বাজা পাতিয়োক প্ৰভু
মই হইলো সহায় লগত।
(উ. কা. ৰাম. ল. কু. ১৬)

ষষ্ঠবিংশ অধ্যায়ত ভৰতৰ পুত্ৰ তক্ষক আৰু পুস্কৰে সিন্ধু নদীৰ পাৰত ৰাজ্য স্থাপন কৰা বৰ্ণনাত এনেদৰে আছে—

পাতিলন্ত নগৰ নদীৰ দুই তীৰে।।
(উ. কা. ৰা. ষ. বিং. অ. ৩১)

উনবিংশ অধ্যায়ত ৰামচন্দ্ৰই লক্ষ্মণক বিচাৰি যোৱা বৰ্ণনাত এনেদৰে আছে—

ৰাঘৱো পাইলন্ত পাছে সৰযুৰ তীৰ।
(উ. কা. ৰা. উ. অ. ৭৩)

সৰযুৰ তীৰে তীৰে খোজক নিহালি।।
(উ. কা. ৰা. ৭৬)

একত্ৰিংশ অধ্যায়ত শ্ৰীৰামচন্দ্ৰৰ স্বৰ্গ যাত্ৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

সৰযুৰ তীৰে তীৰে আতি অনুপামে।
(উ. কা. ৰা. এ. অ. ৪১)

কালিদমন নাটত কৃষ্ণই কালিহ্ৰদত সৰ্প বন্ধনত মৃতকৰ দৰে পৰি থকা দেখি গোপবালক সকলৰ শোকাতুৰ অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

........... বহুত বিলাপ কৰি এ ঃ হ্ৰদক তীৰে ৰহল।
(ক. সূ.)

সেই সময়ত গোকুলত অমংগল দেখি নন্দ যশোদাই গোপ গোপীসবৰ সৈতে কালিহ্ৰদৰ পাৰত উপস্থিত হোৱা প্ৰসংগত এনেদৰে আছে—

......... নন্দ যশোদা হ্ৰদক তীৰ নাৱল।
(ক. সূ.)

শ্ৰীকৃষ্ণই কালি সৰ্পক দমন কৰাৰ পিছৰ কাৰ্য কৰা বৰ্ণনাত আছে এনেদৰে—

... কৌতুকে কালিন্দী তীৰে আৱল
(ক. সূ.)

কালী দমনৰ পিছত নিশা হোৱাত ব্ৰজবাসী গোকুললৈ নগৈ বৃন্দাবনত নিশা যাপন কৰা বৰ্ণনাত আছে এনেদৰে—

........... যমুনাক তীৰে শুতি ৰহল...
(ক. সূ.)

ৰামায়ণী কথাৰ অৱলম্বনত লিখা আশোৱাৰী ৰাগৰ পৰিতালৰ "শুন শুন ৰে..." শীৰ্ষক বৰগীতটিত এনেদৰে আছে—

ৰাৰিধি তীৰ তৰি কৰে গুৰুতৰ গিৰি
.............................

গুণমালাত বিতিয় প্ৰসংগত এনেদৰে আছে—

বস্ত্ৰ থৈয়া তীৰে     কেৱলে শৰীৰে।
(গু. মা. ১০৩)

যদুবংশ ধ্বংসৰ পিছত বলৰামে প্ৰভাসতীৰ্থত শৰীৰ ত্যাগ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

প্ৰভাসৰ তীৰ     তেজিলা শৰীৰ।
(গু. মা. ৩৩৪)

'বন্দো গোবিন্দা ঃ গোপী জনা নন্দা' শীৰ্ষক ভটিমাত কৃষ্ণৰ কালিদমন লীলা উল্লেখ প্ৰসংগত এনেদৰে আছে—

কলিন্দী তীৰে     কালী নাম
ভুজংগম ৰাজনিবাসে।

**দ্বীপ ঃ**

শংকৰদেৱৰ সাহিত্যত দ্বীপ বিষয়টিৰ প্ৰত্যক্ষভাৱে ব্যৱহৃত হৈছে।

কীৰ্তনৰ 'হৰমোহন' অধ্যায়ত শিৱই মোহিনীৰ ৰূপত ব্যাকুল হৈ খেদিফুৰা বৰ্ণনাত আছে—

খেদিয়া ফুৰন্ত হৰে দ্বীপ দ্বীপান্তৰ।।
(কী. হ. মো. অ. ৬১)

শিশুলীলা অধ্যায়ত কৃষ্ণই মাটিখোৱা প্ৰসংগত যশোদাই কৃষ্ণৰ মুখত সমস্ত জগত দেখা পোৱা বৰ্ণনাত আছে—

সাতোখন দ্বীপ সাতো সাগৰ।
(কৃ. শি. লী. ২৯)

উৰেষা বৰ্ণনৰ চতুৰ্থ কীৰ্তনত ইন্দ্ৰ নীলাময় মাধৱৰ প্ৰতিমা দৰ্শনৰ ফলকথন প্ৰসংগত আছে —

তোমাৰ প্ৰসাদে স্থান শ্বেতদ্বীপ পাৱে।।
(কী. উ. ব. ৪৪)

উৰেষা বৰ্ণনৰ উনবিংশ কীৰ্তনত বিষ্ণুৰ মৎস্য অৱতাৰৰ বিগ্ৰহ দৰ্শনৰ ফল কথন প্ৰসংগত আছে—

অন্তকালে কৰে শ্বেত দ্বীপক গমন।।
(কী. উ. ব. ১৯৬)

ভাগৱতৰ প্ৰথম স্কন্ধত ৰজা যুধিষ্ঠিৰৰ সাম্ৰাজ্য বিস্তাৰ প্ৰসংগত আছে—

সাগৰ পৰ্যন্ত পাইলা ৰাজা জম্বুদ্বীপ।।
(ভা. প্ৰ. স্ক. ১৮০)

পৰীক্ষিতৰ জন্ম বৃত্তান্ত প্ৰসংগত এনেদৰে আছে—

একেৰথে জম্বুদ্বীপ পাইবে মহাবলী।।
(ভা. প্ৰ. স্ক. ২২৬)

জিনিলন্ত জম্বুদ্বীপ ৰাজা একৰথে।।
(ভা. প্ৰ. স্ক. ২৩৫)

পৃথিৱী আৰু ধৰ্মৰ কথোপকথন প্ৰসংগত এনেদৰে আছে—

সিটো পৰীক্ষিত নৃপ     জিনিলন্ত জম্বুদ্বীপ
একলে কৰিয়া মহাগহ।

বৰিলা যতেক নৃপ জিনিলন্ত জম্বুদ্বীপ
লৈলা সাধি সৰে কতভাৱ।।

(ভা. প্ৰ. স্ক. ২৪৫)

পৰীক্ষিত ৰজাক শৃংগী মুনিয়ে শাপ দিয়া প্ৰসংগত এনেদৰে আছে
মনতে এৰিলা ৰাজা জম্বুদ্বীপ খণ্ড।

(ভা. প্ৰ. স্ক. ৩৬০)

পৰীক্ষিতে ব্ৰহ্ম শাপ পোৱাৰ পিছত ঋষিসকলে তেওঁৰ আগত পাণ্ডু বংশৰ প্ৰশস্তি গোৱা প্ৰসংগত আছে —

দেৱৰ দুৰ্লভ জম্বুদ্বীপ হেন ৰাজ
সমস্তকেতহি পাণ্ডো ভাই ভৈলা ৰাজ।।

(ভা. প্ৰ. স্ক. ৩৮৬)

ভাগৱতৰ দশম স্কন্ধত যশোদা, ৰোহিণী আৰু গোপীসকলে কৃষ্ণৰ অভিষেক আৰু ৰক্ষাবন্ধন কৰা প্ৰসংগত আছে এনেদৰে—

শ্বেতদ্বীপ পতি চিত ৰাখোক যতনে।।

(ভা. দ. স্ক. ১০৮৪০)

শ্ৰীকৃষ্ণৰ কালী দমন বৰ্ণনা প্ৰসংগত আছে এনেদৰে—
ৰমনক দ্বীপক সত্বৰে যাত্ৰাকৰ।

(ভা. দ. স্ক. ১১৩১৬)

ৰমনক দ্বীপত পৰিল সৰাঙ্করে।।

(ভা. দ. স্ক. ১১৩১৯)

ৰমনক দ্বীপসব সৰ্পৰ আলয়।।

(ভা. দ. স্ক. ১১৩২০)

কালি সৰ্পই কৃষ্ণৰ কথা মতে ৰমনক দ্বীপলৈ যোৱাৰ প্ৰসংগত আছে —
কৃষ্ণে উচ্ছাদিলা দুনাই দ্বীপতে বঞ্চিল।

(ভা. দ্বা. স্ক. ১১৩৩৭)

সান্দীপনি মুনিৰ পুত্ৰ উদ্ধাৰ আখ্যানৰ পিছৰ উপদেশ প্ৰসংগত কৃষ্ণৰ মাহাত্ম্য বৰ্ণন প্ৰসংগত আছে—

যেন ৰত্নদ্বীপ পাই আসে শুধা হাত লই
পাচত থাকুৰি মৰে হিয়া।

(উপমা অলংকাৰ ভা. দ. স্ক. ১২৮৬২)

দ্বাদশ স্কন্ধ ভাগৱতৰ যুগধৰ্ম কথন প্ৰসংগত এনেদৰে আছে—
কৰিলেক যিটো সাতো দ্বীপ অধিকাৰ।
তথাপি নপাইল তৃষ্ণা সাগৰৰ পাৰ।।

(ভা. দ্বা. স্ক. ১৮৩৯৭)

দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণু মায়া দৰ্শন প্ৰসংগত এনেদৰে আছে—

আছে সাতো দ্বীপ তৈতে দেখিল প্ৰত্যেক।।

(ভা. দ্বা. স্ক. ১৮৭২০)

ভাগৱতৰ সংক্ষিপ্ত বৰ্ণনা অধ্যায়তো এনেদৰে আছে—

ৰবিষ সমুদ্ৰ দ্বীপ পৰ্বত সমান।

(ভা. দ্বা. স্ক. ১৮৮০৩)

হৰিশচন্দ্ৰ উপাখ্যানৰ প্ৰস্তাৱনা অধ্যায়ত ৰজা হৰিশচন্দ্ৰৰ সাম্ৰাজ্য বৰ্ণন প্ৰসংগত এইদৰে পোৱা যায়—

সাতো দ্বীপা পৃথিৱীৰ লৱে কৰ ভাৰ।

(হ. উ. ১২)

ইয়াৰ পিছত ধৰ্ম পক্ষীয়ে জৈমিনি ঋষিৰ আগত ৰজা হৰিশচন্দ্ৰৰ গুণ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে —

কৃষ্ণৰ প্ৰসাদে নৃপ ভুঞ্জিলন্ত সাতোদ্বীপ

ধৰ্ম দেহা চুলে হৰে পাপ।

(হ. উ. ৫৭)

বিশ্বামিত্ৰক সকলো দান কৰি সৰ্বস্বান্ত হোৱা হৰিশচন্দ্ৰ ৰজ চিন্তিত হোৱা বৰ্ণনা প্ৰসংগত আছে এনেকৈ—

সাতোদ্বীপ পৃথিৱীত।

থানৰ নৱৈল হিত।।

(হ. উ. ২৩৭)

ৰুক্মিণী হৰণ কাব্যত শ্ৰীকৃষ্ণ ৰুক্মিণীৰ বিবাহলৈ নিমন্ত্ৰণ কৰা লোকসকলৰ প্ৰসংগত এনেদৰে আছে—

জম্বুদ্বীপ মানে ৰাজাগণ যত আছে।

(ৰু. হ. কা. ৬৬৮)

যত ৰাজা আছে জম্বুদ্বীপৰ ভিতৰে।।

(ৰু. হ. কা. ৬৭৭)

অমৃত মথন কাব্যত লক্ষ্মী দেৱীৰ সয়ম্বৰ বৰ্ণনাত আছে এনেদৰে—

দুনাই সমুদ্ৰে ৰত্নমালা দিলা গলে।

সপ্ত দ্বীপা পৃথিৱীত সম নোহে মোলে।

(অ. ম. কা. ২৪৬)

বলি ছলন কাব্যত বলিৰ পৰা বামনে তিনি পদ ভূমি দান বিচৰা প্ৰসংগত এনেদৰে আছে—

সাতো দ্বীপ পৃথিৱী দিৱাক পাৱো দান।

(ব. ছ. কা. ২৬৭)

ৰত্ন দ্বীপো পায়া হেন পাইলেক বিবুধি।

(ব. ছ. কা. ২৬৮)

প্ৰাৰ্থিয়োক মোত মই দেওঁ সাতদ্বীপ।

(ব. ছ. কা. ২৭০)

বলিৰ এনে বাক্য শুনি বামনে উত্তৰ দিয়া প্ৰসংগত আছে এনেদৰে—

সপ্তদ্বীপা পৃথিৱী কৰিলা আৱিষ্কাৰ।

(ব. ছ. কা. ২৭২)

বামনৰূপী বিষ্ণুৱে বলিৰজাৰ পৰা তিনিপদ ভূমি দান লোৱাৰ পিছত বামনৰ বিৰাট ৰূপৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পদ দুইত আছে সপ্ত দ্বীপা বসুন্ধৰী।

(ব. ছ. কা. ৩১৩)

'অনাদি পাতন'ত বসুমতীৰ অৱস্থান বৰ্ণন প্ৰসংগত আছে এনে ৰে—

সপ্তদ্বীপ বসুমতী সপত সাগৰ।

(অ. পা. ১১)

অনাদি পাতনত পাতালৰ সৃষ্টি বৰ্ণনাত সাত খণ্ড পৃথিৱীৰ লেখ দিয়া প্ৰসংগত শাল্মলী পুস্কৰ দ্বীপ (৯৬) জম্বুদ্বীপ (৯৮, ১১৯, ১২০), লক্ষ দ্বীপ, কুশ দ্বীপ (১২০), ক্ৰৌঞ্চ দ্বীপ (১২১), শাক দ্বীপ (১২২) শাল্মলী দ্বীপ, পুস্কৰ দ্বীপ (১২৩)-ৰ উল্লেখ আছে।

উত্তৰা কাণ্ড ৰামায়ণৰ একাদশ অধ্যায়ত লৱ-কুশই সীতাহৰণৰ বৰ্ণনা দিয়া প্ৰসংগত আছে—

সীতাক খুজিবে দ্বীপ দ্বীপান্তৰ গৈল।

(উ. কা. ৰা. ৩৫)

'কালিয় দমন' নাটত কৃষ্ণই কালী সৰ্পক দমন কৰাৰ পিছত কালি হ্ৰদ এৰি পূৰ্বৰ বাসস্থানলৈ যাবলৈ নিৰ্দেশ দিয়া প্ৰসংগত আছে এনেদৰে —

.......... সম্প্ৰতি ওঁহি যমুনাক হ্ৰদ চোড়ি তোহাৰি পূৰ্বস্থান ৰমনক দ্বীপ ঃ তাহেক লাগি সপৰিবাৰ চলহ...।।

**নাও/ নাৱ / নৌকা ঃ**

নাও/ নাৱ/নৌকা বিষয়টি প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়েধৰণে প্ৰয়োগ হৈছে।

ভৱনদী তৰণৰ উপায় স্বৰূপ হৰি নামত উপমান হিচাবে এই বিষয়টি বিভিন্ন ৰচনাত বিভিন্ন প্ৰসংগত প্ৰয়োগ হৈছে।

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ত দ্বিতীয় কীৰ্তনৰ ভণিতাত হৰি নামৰ মহিমা প্ৰকাশ হৈছে এনেদৰে—

দৃঢ় কৰি ধৰা হৰিৰ পাৰ।
পাপ সাগৰত এহিসে নাৱ।

ৰূপক অলংকাৰ, (কী. ধ্যা. ব. ২৮)

তেনেদৰে বলি ছলন অধ্যায় (ঘো. ৫), ভাগৱত দশম স্কন্ধত (ভা. দ. স্ক. ১২৪০৮), ভা. দ্বা. স্ক. ১৮৫০৫, অ. উ. ৫৫৩৮, ৫৬০১, ৫৬০৭) ব. ছ কা. ৪০৫, ভ. প্ৰ. ১৭২, আৰু কালিয় দমন নাট (মু. ম. ভ.)তো এই উপমা ব্যৱহাৰ হৈছে।

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ৰ দ্বিতীয় কীৰ্তনত কৃষ্ণই যদুগণক প্ৰভাস তীৰ্থলৈ যাবলৈ কোৱাৰ প্ৰসংগত আছে—

যেন মহা নাৱে সাগৰত কৰে পাৰ।

উপমা অলংকাৰ, (কী. শ্ৰী. বৈ. প্ৰ. ২২)

একেই প্ৰসংগতে ভাগৱতৰ একাদশ স্কন্ধতো এই উক্তি আছে। ভা. এ. স্ক. ১৭৫৭৮।

শ্ৰীকৃষ্ণ যদুগণেৰে সৈতে প্ৰভাসলৈ যাত্ৰা কৰা প্ৰসংগত আছে এনেদৰে—

নাৱে ভৈলা সাগৰৰ পাৰ।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৭০)

ভাগৱতৰ দশম স্কন্ধৰ আৰম্ভণিতে ৰজা পৰীক্ষিত শুকমুনিৰ পৰা নাৰায়ণৰ কৃষ্ণলীলা বিষয়ে জানিবলৈ প্ৰশ্ন কৰা প্ৰসংগত আছে—

মোৰ পিতামহ বৰ্গে কৃষ্ণ নৌকা পায়।

(ৰূপক অলংকাৰ, ভা. দ. স্ক. ১০৬৫৮)

কংসৰ কাৰাগৰত দৈৱকীৰ গৰ্ভত বিষ্ণুৱে স্থিতিলোৱা বুলি জানি ব্ৰহ্মা হৰে ত্ৰিদশ দেৱতা সহ স্তুতি কৰা প্ৰসংগত আছে—

তয়ু পাদ পদ্ম নৌকা দুই।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১০৭১৫)

এনে উপমা অন্য ঠাইতো আছে। (ভা. দ. স্ক. ১০৯৮৮, ১০৯৮৯, ১১১৫৯, ১৮০৬৭)।

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ আগে আগে কৃষ্ণই উদ্ধৱৰ আগত ভক্তিৰ মহিমা ব্যাখ্যা কৰা প্ৰসংগত নৰদেহক এইদৰে তুলনা কৰিছে—

নৰতনু নৌকা ইটো সুদৃঢ় সুসাৰ।

ৰূপক অলংকাৰ, (ভা. এ. স্ক. ১৭৭১০)

এনে উপমা অন্য প্ৰসংগতো আছে। ভা. দ্বা. স্ক. ১৮৪৫৪।

যদুগণ সদলবলে প্ৰভাসতীৰ্থলৈ যাত্ৰা কৰা বৰ্ণনাত আছে এনেদৰে—

ভৈলা সাগৰৰ পাৰ চৰিয়া নাৱত।

(ভা. এ. স্ক. ১৭৭৮৭)

যদুবংশ ধ্বংস বৰ্ণনাৰ অধ্যায়ৰ শেষৰ উপদেশত মানুহৰ সংসাৰ যাত্ৰাক নদীৰ সংশ্লিষ্ট নিভিন্ন বিষয়ৰ উপমাৰে এখনি ৰূপক চিত্ৰ অংকণ কৰি কৃষ্ণ ভক্তিৰ মাহাত্ম্য বৰ্ণনা কৰিবলৈ যোৱা প্ৰসংগত এনেদৰে আছে—

বেগ ভৈল দিন ৰাত্ৰি ধৈৰ্য বৃক্ষ খান আতি

তাৰিতে নপাৰে একো নাৱে।

একাদশ স্কন্ধৰ শেষত শংকৰদেৱে সাধু সংগৰ প্ৰয়োজনীয়তা সন্দৰ্ভত কৈছে—

সাধুৰ সংগেসে

হোৱে লয়লাসে

সংসাৰ সাগৰে নাৱ।

(ভা. এ. স্ক. ১৮৩১৭)

অজামিল উপাখ্যানৰ বিষ্ণুদূতৰ ভগবানৰ নামৰ মাহাত্ম্য কথন অধ্যায়ৰ শেষৰ উপদেশ প্ৰসংগত এনেদৰে আছে—

সংসাৰ সাগৰ নৌকা সুদৃঢ় সংসাৰ

ভকত গুৰুক আৰ কৰিবা কাণ্ডাৰ।।

(অ. উ. ৫৪৬৫)

অমৃত মথন কৰাত দেৱতা আৰু অসুৰৰ শৰে ইন্দ্ৰক ঢাকি পেলোৱাত বাকীসকল দেৱতা ভয়ত বিহ্বল হোৱা বৰ্ণনাত এনেদৰে আছে—

যেন বাণিজ্যৰ সাগৰত বুৰাই নাৱ।

(উপমা অলংকাৰ, অ. ম. কা. ৫৮৩)

বলিছলন কাব্যত দৈত্যৰ দলে স্বৰ্গৰাজ্য বেঢ়ি ধৰাৰ আৰু দৈত্যৰাজে শংখধ্বনি কৰাত ত্ৰস্তমান দেৱৰাজ ইন্দ্ৰই গুৰু বৃহস্পতিৰ ওচৰত উদ্ধাৰৰ উপায় বিচাৰি যোৱা প্ৰসংগত এনেদৰে আছে—

বলি সাগৰত তল যাওঁ সবান্ধৱে।।

আৰে বুদ্ধি নাৱে মোক কৰিয়ো উদ্ধাৰ।

(ৰূপক অলংকাৰ, ব. ছ. কা. ৬৫)

বামনে বলিক তিনিপদ ভূমি দান খোজাত বলিয়ে বামনক বুদ্ধিহত হোৱা বুলি কোৱা প্ৰসংগত এনেদৰে আছে—

ৰত্নদ্বীপো পায়া হেন পাইলেক বিবুধি।

বালিক নাৱত তোলে ৰত্নক নুসুধি।।

(উপমা অলংকাৰ, ব. ছ. কা. ২৬৮)

উত্তৰাকাণ্ড ৰামায়ণৰ দ্বাত্ৰিংশ অধ্যায়ত ৰামৰ শৰীৰ বিযুক্ত লয় পোৱা বৰ্ণনা প্ৰসংগত বিষ্ণু মাহাত্ম্য বৰ্ণনাত এনেদৰে আছে—

ভকত অভয় পাত্ৰ তাপহাৰি শ্বেত ছত্ৰ

সংসাৰ সাগৰে মহা নাৱ।

(ৰূপক অলংকাৰ, উ. কা. ৰা. ১২)

নিমি নৱ সিদ্ধ সংবাদত দ্ৰুমিল সিদ্ধই নিমি ৰজাৰ আগত অৱতাৰ তত্ত্ব কোৱাৰ প্ৰসংগত এনেদৰে আছে—

মৎস্য ৰূপে অৱতৰি পুৰুষ পুৰাণ।

পৃথিৱী নৌকাত তোলাই শস্যৰ বিধান।।

(ৰূপক অলংকাৰ, নি. ন. সং. ২৮৮)

দ্বাদশ স্কন্ধত পৰমাৰ্থ নিৰ্ণয় শীৰ্ষক অধ্যায়ত উপদেশ প্ৰসংগত এনেদৰে আছে—

শালৰ নাৱত যেন ভৰা দিলো শিলা।।

(ৰূপক অলংকাৰ, ভা. দ্বা. স্ক. ১৮৪৫৪)

ৰজা পৰীক্ষিতে ব্ৰহ্মজ্ঞান লাভ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

অসংখ্যাত নৌকা পুৰু সাজ কৰি

গংগাত বেঢ়িয়া আছে।

(ভা. দ্বা. স্ক. ১৮৫৫৩)

**নিৰ্ঘাতি ঃ**

কীৰ্তনৰ শিশু লীলা অধ্যায়ত কৃষ্ণৰ অৰ্জুন ভঞ্জন লীলা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

নিৰ্ঘাতি শংকিয়া যেদ আইলা গোপ ঝাক।

(কী. শি. লী. ৭০৭)

ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণই বক্ৰবাত অসুৰক নিধন কৰা প্ৰসংগত এনেদৰে প্ৰয়োগ হৈছে--

পৃথিৱী লৰিল যেন নিৰ্ঘাতি পতনে।

(ভা. দ. স্ক. ১০৮৮০)

শ্ৰীকৃষ্ণই কংক বধ কৰা বৰ্ণনাত কৃষ্ণই কংসৰ ওপৰত পৃথিৱীৰ ভৰ দিয়া প্ৰসংগত এনেদৰে আছে--

নিৰ্ঘাতি পতনে যেন গৈলা ভূমিচাল।।

উপমা অলংকাৰ (ভা. দ. স্ক. ১২৭৪৪)

একাদশ স্কন্ধ ভাগৱতত পিণ্ডাৰক তীৰ্থত ঋষিসকলে যদু বংশ ধ্বংস হ'ব বুলি অভিশাপ দিয়া প্ৰসংগত এনেদৰে আছে--

নিৰ্ঘাতি পতনে যেন বচন হৰিল।।

(ভা. এ. স্ক. ১৭৫১৩)

শ্ৰীকৃষ্ণ যদুগণ সমন্বিতে প্ৰভাস তীৰ্থলৈ যোৱাৰ সময়ত দ্বাৰকাত বিমংগল দেখা প্ৰসংগত এনেদৰে আছে--

সঘনে নিৰ্ঘাতি পৰৈ লৰৈ ভূমিখণ্ড।

(ভা. এ. স্ক. ১৭৫৬৬)

হস্তিনাপুৰত বিমংগল উপস্থিত হোৱা বৰ্ণনা প্ৰসংগতো এনেদৰে আছে। (ভা. এ. স্ক. ১৮১৮৪) কৃষ্ণ বিয়োগৰ পিছত ব্ৰজধামত হোৱা অমংগলৰ বৰ্ণনাতো এই উল্লেখ আছে। (ভা. এ. স্ক. ১৮৩০৪) হৰিশ্চন্দ্ৰ উপাখ্যানত ৰজা হৰিশ্চন্দ্ৰই মৃগয়া কৰিবলৈ যোৱা প্ৰসংগতো এনে বৰ্ণনা পোৱা যায়। (হ. উ. ৬২)

ৰুক্মিণী হৰণ কাব্যত জৰাসন্ধ আৰু বলোভদ্ৰই গদা আৰু মুষলেৰে যুদ্ধ কৰা বৰ্ণনা প্ৰসংগত আছে--

শুনি যেন নিৰ্ঘাতি বজ্ৰত বজ্ৰ পৰে।

উপমা অলংকাৰ (ৰু. হ. কা. ৪১১)

তেনেদৰে কল্পবীৰৰ বীৰত্ব বৰ্ণনাত আছে--

খাণ্ডাক ফিংকাৰে ধৰি মাৰে বাহু চাট।
নিৰ্ঘাতি পতনে যেন ভূমি মেলে ফাট।।

উপমা অলংকাৰ (ৰু. হ. কা. ৪৭৮)

'অমৃত মথন' কাব্যত বলি আৰু বাসৱৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে--

বেগে বজ্ৰ গৈয়া বলিৰ হিয়াত
নিৰ্ঘাতি যেন পৰিল।

(অ. ম. কা. ৫৫৪)

'অনাদি পাতন'ত শুকমুনিয়ে ৰজা পৰীক্ষিতৰ আগত মহাপ্ৰলয়ৰ কথা বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে-- যে ৰুদ্ৰ ৰূপে হৰই জগত সংহাৰ কৰিবলৈ--

তেজে ঘোৰ আটাস নিৰ্ঘাতি বজ্ৰ পৰে।

(অ. পা. ২৭)

তেনেদৰে প্ৰলয় অৱস্থাত--

দোপোৰি শবদে পৰে চৌপাশে নিৰ্ঘাতি।

(অ. পা. ৩৩)

'উত্তৰা কাণ্ড ৰামায়ণ'ৰ সপ্তবিংশ অধ্যায়ত অযোধ্যাত সংঘটিত [illegible] নানা বিমংগলৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

একে আকাশতে উদিত দুই চন্দ্ৰ
সঘনে নিৰ্ঘাত পৰে।
(উ. কা. ৰা স. বিং. অ. ২)

'কালিয় দমন' নাটত 'কৃষ্ণৰ মনুষ্য চেষ্টা দৰশি' কালিয় হ্ৰদত সৰ্প দংশনত মৃতপ্ৰায় অৱস্থাপ্ৰাপ্ত হোৱাৰ সময়তে গোকুলত অমঙ্গল চিন দেখা পোৱাৰ বৰ্ণনাত আছে এনেদৰে—

ঘন ঘন ভূমিকম্প জাই ঃ নিৰ্ঘাত পৰয় ঃ .......... (ক. সু.)

**পাদোদক ঃ**

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণন অধ্যায়ৰ প্ৰথম কীৰ্তনত বামন অৱতাৰ প্ৰসংগত এনেদৰে আছে—

তযু পাদোদকে গংগা ভৈলা উতপতি।।
(কী. চ. অ. ৬)

বলি ছলন কাব্যতো এই উল্লেখ আছে। (ব. ছ. কা. ৩২৯)

নাৰদৰ কৃষ্ণ দৰ্শন অধ্যায়ত কৃষ্ণই নাৰদক দেখা পোৱাৰ পিছত আছে এনেদৰে—

লৈলা পাদোদক শিৰত আনি।
(কী. না. কৃ. দ. ২৪)

দামোদৰ বিপ্ৰ আখ্যান অধ্যায়ত বিপ্ৰ দামোদৰ গৈ দ্বাৰকাত কৃষ্ণৰ ওচৰত উপস্থিত হোৱা প্ৰসংগত এনেদৰে আছে—

আপুনি চৰণ ধুৱাইলা বিপ্ৰৰ
পাদোদক লৈলা শিৰে।
(কী. দা. বি. প্ৰ. আ. ৮)

দৈৱকীৰ পুত্ৰ আনয়ন অধ্যায়ত বলিৰজাই বলোৰাম কৃষ্ণক সবংশে কৃষ্ণৰ চৰণত প্ৰণাম কৰা প্ৰসংগত আছে—

সবংশে শিৰত আনি লৈলা পাদোদক।
(ক. দৈ. পু. আ. ১১)

উৰেষা বৰ্ণন অধ্যয়নৰ শেষৰ কীৰ্তনত বিষ্ণু মাহাত্ম্য বৰ্ণন প্ৰসংগত আছে—

পাদোদক নিৰ্মাল্য মস্তকে থাকে যাৰ।
বোলা হৰি হৰি সেই বিষ্ণু অৱতাৰ।
(কী. উ. ব. ২২৫)

ভাগৱতৰ প্ৰথম স্কন্ধত কৃষ্ণ মাহাত্ম্য ব্যাখ্যা কৰা প্ৰসংগত আছে—

প্ৰভু পাদোদক বুলি মাথা পাতি
ধৰিলন্ত মহেশ্বৰে।
(ভা. প্ৰ. স্ক. ৩২০)

পৰীক্ষিত ৰজাক শৃংগী ঋষিয়ে শাপদিয়া প্ৰসংগ বৰ্ণনাত আছে—

জানি ৰাজা কৃষ্ণ পাদোদক ৰমহত।

(ভা. প্র. স্ক. ৩৬৩)

পৰীক্ষিত ৰজাৰ ওচৰলৈ শুকদেৱৰ আগমন প্রসংগত আছে—

সুবৰ্ণ ভৃঙ্গাৰে পখালিলা ভৰি
পাদোদক লৈলা মাথে।

(ভা. প্র. স্ক. ৪০৮)

ভাগৱতৰ দশম স্কন্ধত অক্রূৰে ৰামকৃষ্ণক মথুৰালৈ লৈ যাওঁতে মথুৰাৰ ওচৰ পোৱাত অক্রূৰে তেওঁলোকক আগবঢ়াই থবলৈ অহা গোপ গণেৰে সৈতে নিজ গৃহলৈ আমন্ত্রণ জনোৱাৰ প্রসংগত এনেদৰে আছে—

পাদোদক বুলি শিৰে লৈলা হৰে পাই।

(ভা. দ. স্ক. ১২৫০৭)

সবংশে কৰিবো তযু পাদোদকে স্নান।

(ভা. দ. স্ক. ১২৫০৮)

বাটত যাওঁতে সুদামা মালীয়ে কৃষ্ণ বলোৰামক পূজা কৰা প্রসংগত এনেদৰে আছে—

পাদোদকে সবান্ধৱে কৰিলন্ত স্নান।।

(ভা. দ. স্ক. ১২৫৪৯)

শ্রীকৃষ্ণ বলোৰামে সান্দীপণি মুনিৰ মৃত পুত্র উদ্ধাৰ কৰিবলৈ গৈ যমৰ নগৰলৈ যোৱাত যমৰজাই কৃষ্ণক শ্রদ্ধা প্রদর্শন কৰা বৰ্ণনা প্রসংগত আছে এনেদৰে—

পাদোদকে সকুটুম্বে কৰিলন্ত স্নান।

(ভা. দ. স্ক. ১২৮২৫)

একাদশ স্কন্ধত ব্রহ্মাত্রিপুৰাৰীৰ কৃষ্ণ স্তুতি প্রসংগত এনেদৰে আছে—

তযু পাদোদক গংগা জলে কৰি স্নান।।

(ভা. এ. ক. ১৭৫৫৫)

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিয়ে নৰ নাৰায়ণৰ স্তুতি কৰা প্রসংগত এনেদৰে আছে—

লৈলা পাদোদক দুইৰো পখালিয়া পাৱ।

(ভা. দ্বা. স্ক. ১৮৬৫২)

বলি ছলন কাব্যত দৈত্যৰাজ বলিয়ে যজ্ঞ শালালৈ অহা বামনক ভৰি ধুৱাই দিয়া প্রসংগত এনেদৰে আছে—

কৰিলন্ত দৈত্যেশ্বৰে পাদোদক পান।
(ব. ছ. কা. ২৩০)
যিটো পাদোদক হৰে ধৰি আছে শিৰে।

(ব. ছ. কা. ২৩০)

দৈত্যৰাজ বলিয়ে বামনক যি লাগে তাকে দান দিবলৈ অংগীকাৰ কৰা প্রসংগত আছে—

যেন পুণ্য পাইলো পাদোদকে কৰি স্নান।

(ব. ছ. কা. ২৩৪)

বলিয়ে বামনক তিনি পদ ভূমি উছর্গা কৰি প্রদক্ষিণ কৰি দণ্ডৱতে প্রণাম কৰা প্রসংগত এনেদৰে

আছে—

পাদোদক জল সৰে ঢালিলন্ত মাথে।

(ব. ছ. কা. ৩০৬/৩০৯)

বলিক ছলনাৰ পিছত কৃষ্ণই যজ্ঞৰ পূৰ্ণাহুতি দিবলৈ দৈত্যগুৰু শুক্ৰাচাৰ্যক কোবাত শুক্ৰাচাৰ্যই দিয়া উত্তৰ প্ৰসংগত এনেদৰে আছে—

প্ৰবেশিলা যজ্ঞস্থলি তযু পাদোদকে বলি
পৱিত্ৰ কৰিলা সৰে অংগ।

(ব. ছ. কা. ৫৩৯)

কুৰুক্ষেত্ৰ কাব্যত কুৰুক্ষেত্ৰত যাদৱগণৰ আগত মাধৱৰ গুণানু কীৰ্তন কৰা প্ৰসংগত এনেদৰে আছে—

যাৰ বাক্য বেদ পাদোদক গংগা
ত্ৰৈলোক্য পৱিত্ৰ কৰে।

(কু ক্ষে. কা. ৬৭)

কুৰুক্ষেত্ৰ তীৰ্থ যাত্ৰাত কৃষ্ণক দৰ্শন কৰিবলৈ অহা মুনিসকলক ৰাম কৃষ্ণই শ্ৰদ্ধা প্ৰদৰ্শন কৰা প্ৰসংগত এনেদৰে আছে—

পৰম সাদৰে পাদোদক লৈলা মাথে।

(কু. কা. ৩৪৫)

দৈৱকীৰ মৃত পুত্ৰ উদ্ধাৰ কৰিবলৈ গৈ ৰামকৃষ্ণ সুতল পুৰীত প্ৰৱেশ কৰি বলি ৰজাৰ সভাত উপস্থিত হোৱাত বহাই দুয়োকো সুবৰ্ণ পাত্ৰৰে চৰণ ধুওৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পৱিত্ৰ হোৱন্তে আছে যিটো পাদোদক।

(কু. ক্ষে. কা. ৫৪৩)

ভক্তি প্ৰদীপত কৃষ্ণ ভক্তা চাণ্ডালীয়ে কৃষ্ণ ভক্তিহীন এজন দ্বিজক দৰ্শন পোৱাৰ ফলত হোৱা পাপ গুচাবলৈ গংগা স্নান কৰা বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

বিষ্ণু পাদোদক কৰা আমাক পৱিত্ৰ।

(ভ. প্ৰ. ৭১)

**পুণ্ডৰী কাক্ষ**

কীৰ্তনৰ প্ৰহ্লাদ চৰিত্ৰ অধ্যায়ৰ দ্বিতীয় কীৰ্তনৰ ঘোষাত এনেদৰে আছে—

পুণ্ডৰীকাক্ষ কৰা কৃপা
ৰাম কৰা দায়া কমললোচন।

(ৰূপক অলংকাৰ, প্ৰ. চ. ঘো. ২)

**ফেন ঃ**

কীৰ্তনৰ 'উৰেষা বৰ্ণন'ৰ অষ্টাদশ কীৰ্তনত জগন্নাথ স্তুতি প্ৰসংগত আছে—

কাম ক্ৰোধ গ্ৰাহে সদায়ে অকুল
দুঃখচয় ভৈল ফেন।

ৰূপক অলংকাৰ, (উ. ব. ১৮৫)

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণক বসুদেৱে নন্দৰ গৃহলৈ লৈ যোৱা প্ৰসংগত যমুনা নদী বৰ্ণনাত আছে—

বাৰিষা যমুনা নদী ফেনে ফোটোকাৰ।

(ভা. দ. স্ক. ১০৭৫৩)

ভাগৱতৰ দ্বাদশ স্কন্ধত যুগধৰ্ম কথন প্ৰসংগত এনেদৰে আছে—

ফেন সম দেহ হোৱে ক্ষণেকে বিনাশ।

(উপমা অলংকাৰ, ভা. দ্ব. স্ক. ১৮৩৯৩)

'হৰিশচন্দ্ৰ উপাখ্যান'ত সৰ্বস্বান্ত হৈ ৰাজ্যৰ বাহিৰলৈ যাত্ৰা কৰা ৰজা হৰিশচন্দ্ৰই শোকাকুল প্ৰজাগণক উভতি যাবলৈ কৈ ক্ষণস্থায়ী বান্ধৱ সমাগমৰ কথা কোৱাৰ প্ৰসংগত এনেদৰে আছে—

মহা জল বেগে যেন এক থান হোৱে ফেন  
খানিতেক থাকি মিল যাই।  
বান্ধৱৰ সমাগম জানিবাহা সেহিসম  
অসাৰ সংসাৰ সমুদায়।।

উপমা অলংকাৰ, (হ. চ. উ. ১৭৭)

**বজ্ৰ / বজ্ৰপাত ঃ**

ভাগৱতৰ প্ৰথম স্কন্ধত অশ্বত্থামাৰ হাতত পঞ্চপুত্ৰৰ মৃত্যু হোৱাৰ বাতৰি পাই দ্ৰৌপদীয়ে পোৱা মনোকষ্ট বৰ্ণনা প্ৰসংগত আছে—

শোকে নুহিথিৰ হিয়া দুই ছিৰ  
ভৈলা যেন বজ্ৰপাত

(ভা. প্ৰ. স্ক. ৭৩)

এই প্ৰসংগত অশ্বত্থামাই প্ৰহাৰ কৰা ব্ৰহ্মাস্ত্ৰ অৰ্জুনে খণ্ডন কৰা প্ৰসংগত আছে—

ব্ৰহ্মাণ্ডো লৰিল পৰিল বজ্ৰত  
বজ্ৰৰ যেন সন্ধান।

উপমা অলংকাৰ, (ভা. প্ৰ. স্ক. ৮০)

কৃষ্ণৰ পুতনা বধ প্ৰসংগত এনেদৰে আছে—

ভুই গৈল সৰ্বলোকে বোলে বজ্ৰ পৰে।।

ভ্ৰান্তিমান অলংকাৰ, (ভা. দ. স্ক. ১০৮২৯)

গোপ শিশুসকলে দেখা পোৱা বকাসুৰক তুলনা প্ৰসংগত আছে—

বজ্ৰৰ সন্ধানে পৰ্বত শিখৰ  
যেন পৰি আছে খসি।

উপমা অলংকাৰ, (ভা. দ. স্ক. ১০৯৯৯)

বলোৰামে প্ৰলম্বাসুৰ বধ কৰা প্ৰসংগত এনেদৰে আছে—

বজ্ৰে যেন বিদাৰিল গিৰিৰ শিখৰ।  
ভৈল দুই ছিৰ শিৰ বীৰ প্ৰলম্বৰ।।

উপমা অলংকাৰ (ভা. দ. স্ক. ১১৩৯১)

গোকুলত ইন্দ্ৰ যজ্ঞ ভংগ হোৱাত ইন্দ্ৰৰ আদেশত প্ৰলয়ৰ মেঘে গোকুলত ক্ৰমে সৃষ্টি কৰা বৰ্ণনাত আছে—

শব্দ আস্ফালবৰে।
ঘনে ঘনে বজ্ৰ পৰে।।
(ভা. দ. স্ক. ১১৬৯৯)

তেনেদৰে—

বজ্ৰৰ নিপাতে যেন জ্বলৈ গৰ্ভত্ৰাস
(ভা. দ. স্ক. ১১৭০৪)

শ্ৰীকৃষ্ণৰ অৰিষ্টাসুৰ বধ প্ৰসংগত অৰিষ্টাসুৰৰ ভয়ংকৰ ৰূপ বৰ্ণনাত আছে এনেদৰে—

তাৰ ঘোৰ নাদত পৃথিৱী খণ্ড লৰৈ।
দশোদিশ সচকিত বোলে বজ্ৰ পৰৈ।।
হেনঘোৰ নাদ দৈত্য মাৰৈ বজ্ৰ পশি।
(ভা. দ. স্ক. ১২২৮৬)

মথুৰাত কৃষ্ণই নিমিষতে কংসৰ ধনু ভংগ কৰাৰ ফলত সৃষ্টি হোৱা শব্দৰ তুলনা এনেদৰে আছে—

বজ্ৰৰ পতনে যেন জ্বলৈ মহাত্ৰাস।।
(উপমা অলংকাৰ ভা. দ. স্ক. ১২৫৮৮)

কৃষ্ণ আৰু চালুৰৰ মল্লযুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

বাৰে হাততালি কতো ৰংগে ৰিংগ পাৰে।
বজ্ৰৰ পতনে যেন কৰ্ণে তাল মাৰে।।
(উপমা অলংকাৰ, ভা. দ. স্ক. ১২৬৭৮)

যদুবীৰ সকলে পৰস্পৰে পৰস্পৰক মাদুৰী বনেৰে কোবোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

শৰীৰত পৰে যেন বজ্ৰৰ সন্ধান।
(ভা. এ. স্ক. ১৭৮১৩)

ৰজা হৰিশচন্দ্ৰই ৰাণী শৈব্যাক দাসী হিচাপে বিক্ৰী কৰিব খোজাত এজন ব্ৰাহ্মণে যিমান ধন লাগে দি কিনিবলৈ বিচৰা প্ৰসংগত ৰজাৰ মনৰ অৱস্থা বৰ্ণনাত এনেদৰে আছে—

ব্ৰাহ্মণৰ শুনি বজ্ৰ সমান বচন।
মহাদুখে নৃপতিৰ বিদাৰিল মন।।
(উপমা অলংকাৰ, হ. উ. কা. ৩০৯)

বশিষ্ঠ ঋষিয়ে বিশ্বামিত্ৰ ঋষিক ব্ৰহ্মাদণ্ডেৰে স্কন্ধপাত কৰিবলৈ উদ্যত হোৱাত দুয়োজনৰে মাজত হোৱা দণ্ড যুদ্ধ বৰ্ণনাত এনেদৰে আছে যে —

সম্যকাৰ শুনিয়া বজ্ৰত বজ্ৰপাত।।
(হ. উ. ৫৩৯)

ৰুক্মিন হৰণ কাব্যত বলোভদ্ৰ আৰু জৰাসন্ধৰ মুষল আৰু গদা যুদ্ধ বৰ্ণনা প্ৰসংগত এনেকৈ আছে—

শুনি যেন নিৰ্ঘাত বজ্ৰত বজ্ৰ পৰে।
(উপমা অলংকাৰ, ৰ. হ. কা. ৪১১)

অনাদি পাতনত মহাপ্ৰলয়ৰ কথা শীৰ্ষক অধ্যায়ত ৰুদ্ৰৰূপে ঈশ্বৰে জগত সংহাৰ কৰা বৰ্ণন প্ৰসংগত এনেদৰে আছে—

তেজে ঘোৰ আটাস নিৰ্ঘাত বজ্ৰ পৰে।

(অ. পা. ২৭)

তেনেদৰে—

মেঘৰ গৰ্জনে ঘনে ঘনে বজ্ৰপাত।।

(অ. পা. ৩৩)

ৰামবিজয় নাটত কানাডা ৰাগ জৌতিমান তালৰ 'চললি কৌশিক' শীৰ্ষক গীতত কৌশিক মুনিয়ে ৰাম লক্ষ্মনক লৈ আশ্ৰমলৈ যোৱাৰ পথত উপস্থিত হোৱা তাৰকা ৰাক্ষসীৰ ভয়াবহ ৰূপৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

পৱল পিশাচী তেজি আটাস।<br>
বজ্ৰপাতে যৈচে লোক তৰাস।।

শ্ৰীৰামচন্দ্ৰই সীতাৰ স্বয়ম্বৰত হৰধনু ভংগ কৰা প্ৰসংগত এনেদৰে আছে—

ধনু ভাগি পচাৰেছিড়ল। যৈচন বজ্ৰপাত ভৈল তদ্বৎ

(উপমা অলংকাৰ, ক. সু.)

**বজোৰাৰ ঃ**

ভাগৱতৰ দশম স্কন্ধত কৃষ্ণক বসুদেৱে নন্দৰ গৃহলৈ লৈ যোৱা প্ৰসংগত আছে—

ঢৌ দেখি লাগে ভয় ভাগে বজোৰাৰ।।

(ভা. দ. স্ক. ১০৭৫৩)

একাদশ স্কন্ধ ভাগৱতত যদুবংশ ধ্বংস বৰ্ণনাৰ পিছৰ উপদেশ প্ৰসংগত এইদৰে আছে—

লোভে তৃষ্ণা চৰৈ আত মোহ ভৈল মহাপাক<br>
বজোৰাৰ বিষয় জগৰ।

(ৰূপক অলংকাৰ, ১৭৮৫৯)

একাদশ স্কন্ধ ভাগৱতত ব্যাধৰ হাতত শৰবিদ্ধ হোৱা কৃষ্ণৰ চতুৰ্ভুজ ৰূপ দেখি ব্যাধে কাকুতি কৰাত কৃষ্ণই অভয় দিয়া বৰ্ণনাৰ পিছৰ উপদেশ প্ৰসংগত হৰি ভকতিৰ মাহাত্ম্য ব্যাখ্যাত এনেদৰে আছে—

লোভে তৃষ্ণা চৰৈ আত মোহ ভৈলা মহাপাক<br>
বজোৰাৰ বিষয় জগৰ।

(ভা. এ. স্ক. ১৭৮৫৯)

**বৰিষণ ঃ**

বৰিষণ বিষয়টো বৰষিলা, বৰিষে, বৰিষৈ, বৰিষয়, বৰিষিলা আদি ৰূপত বিভিন্ন প্ৰসংগত ব্যৱহাৰ কৰা হৈছে।

কীৰ্তনৰ শিশু লীলা অধ্যায়ত বসুদেৱে কৃষ্ণক নন্দৰ গৃহলৈ পলুৱাই লৈ যোৱা বৰ্ণনাত আছে—

বৰিষে কণিকা মেঘে ওপৰত গজে। (কী. শি. লী. ৬)

এই অধ্যায়ত বৰুণৰ দুতে নন্দক লৈ যোৱা বৰ্ণনা প্ৰসংগত আছে—

ইন্দ্ৰে কৰিলন্ত সাতদিন বৰিষণ। (কী. শি. লী. ৭৯)

দামোদৰ বিপ্ৰ আখ্যানত কৃষ্ণই বাল্য বন্ধু দামোদৰৰ আগত পুৰণি স্মৃতি ৰোমন্থন কৰা প্ৰসংগত আছে—

যাওঁ কথা মাতে হাসি আকস্মিতে তৈতে আসি
পাইলে ঘোৰ বাত বৰিষণে। (কী. দা. বি. আ. ১১)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান অধ্যায়ত উদ্ধৱে বিদুৰৰ আগত কৃষ্ণলীলা বৰ্ণনা কৰা প্ৰসংগত আছে—

বৰষিলা ইন্দ্ৰে কৰিয়া খংগ। (কী. শ্ৰী. কৃ বৈ. প্ৰ. ২০৮)

ভাগৱতৰ দশম স্কন্ধত বৃন্দাবনৰ বাৰিষা ঋতুৰ বৰ্ণনাত আছে—

নিৰন্তৰে মেঘগণে বৰিষিলা জল। (ভা. দ. স্ক. ১১৪২৯)

বৰ্ষণ কাৰ্যক মহা মহন্তে দুখীক দান দিয়া কাৰ্যৰ লগত তুলনা কৰিছে।
কৃষ্ণই গোকুলত ইন্দ্ৰ যজ্ঞ আয়োজন প্ৰসংগত এনেদৰে আছে—

ইন্দ্ৰক পূজিলো যেৱে মেঘে বৰিষয়।
..............................
তথাপি বৰিষে শিলা পৰ্বত সংকটে। (ভা. দ. স্ক. ১২৬৫৭)

তথাপি বৰিষে শিলা পৰ্বত সংকটে। (ভা. দ. স্ক. ১২৬৫৭)

ইন্দ্ৰযজ্ঞ ধ্বংসৰ বাবে ইন্দ্ৰই খণ্ডত দিয়া আদেশ অনুসৰি প্ৰলয়ৰ মেঘে গোকুলত ত্ৰাসৰ সৃষ্টি কৰা প্ৰসংগত আছে এনেদৰে—

আকৰ্ণ শবদে বৰিষয় জলধাৰে। (ভা. দ. স্ক. ১১৭০৬)

শ্ৰীকৃষ্ণই গিৰি-গোবৰ্দ্ধনক ছত্ৰৰূপে তুলি ধৰি গোকুলবাসীক আশ্বাস দিয়া প্ৰসংগত আছে—

চিকৰিবে পাবে আৰ বাত বৰিষণ। (ভা. দ. স্ক. ১১৭২২)

কৃষ্ণৰ একো অপকাৰ কৰিব নোৱাৰি ইন্দ্ৰই মেঘগণৰ আদেশ কৰা প্ৰসংগত আছে—

এৰ বৰিষণ সম্বৰ্তক মেঘচয়।। (ভা. দ. স্ক. ১১৭৪৪)

শ্ৰীকৃষ্ণই গোবৰ্দ্ধন পৰ্বত ধাৰণ কৰি গোকুলবাসীক প্ৰচণ্ড বাত বৃষ্টিৰ পৰা ৰক্ষা কৰাত সকলো আনন্দিত হৈ নন্দ আৰু গোপসকলে কৃষ্ণৰ মহিমাৰ বিষয়ে আলোচনা কৰা প্ৰসংগত এনেদৰে আছে—

মথভংগ খংগে          ইন্দ্রে বৰষিল
গোকুল মাৰিবো বুলি।
(ভা. দ. স্ক. ১১৭৭৯)

অন্য প্ৰসংগতো এই বৰ্ণনাৰ পুনৰাবৃত্তি হৈছে। গোপী উদ্ধৱ সংবাদ শীৰ্ষক অধ্যায় ভা. দ. স্ক. ১২৯০৯, আৰু উদ্ধৱৰ বিলাপ শীৰ্ষক অধ্যায় ভা. এ. স্ক. ১৮১০৮ এই কথা আছে।

ভাগৱতৰ একাদশ স্কন্ধত প্ৰভাসতীৰ্থত যদুবংশৰ মাজত সংঘটিত হোৱা যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

বাৰিষা কালৰ যেন মহা মেঘচয়।
নকৰে বিচ্ছেদ জানি বাণ বৰিষয়।।
উপমা অলংকাৰ, (ভা. এ. স্ক. ১৭৮১০)

ভাগৱতৰ দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণুমায়া দৰ্শন প্ৰসংগত এনেদৰে আছে—

বেঢ়িয়া চৌপাশে          ঢাকিয়া আকাশে
বৰিষে মুষল ধাৰে।
উপমা অলংকাৰ, (ভা. দ্বা. স্ক. ১৮৬৯৫)

ৰুক্মিণী হৰণ কাব্যত কৃষ্ণ ৰুক্মিণী হৰণৰ পিছত যাদৱ সেনা আৰু ৰুক্মিণীৰ বৰমাল্যৰ পৰা বঞ্চিত প্ৰজংঘ আদি ৰজাসকলৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

পৰিঘ পট্টিশ আনো অস্ত্ৰ একেবাৰে।
বাৰিষাৰ মেঘ যেন বৰষিল ধাৰে।।
(উপমা অলংকাৰ, ক. হ. কা. ৩৮৪)

অমৃত মন্থন কাব্যত দৈত্য দানৱৰ যুদ্ধ বৰ্ণনাতো এনে উপমা আছে। অ. ম. কা. ৪০৮।

দৈত্য দানৱৰ যুদ্ধত দৈত্যৰাজ বলিয়ে সমুখ অসুৰৰ মায়া বলে মেঘ ৰূপ ধৰি বিপক্ষৰ সেনা নিপাত কৰা বৰ্ণনাত এনেদৰে আছে—

বিজুলী চমকে শিলা বৰিষে প্ৰচুৰ।
(অ. ম. কা. ৫০০)

নমুচি নামৰ দৈত্যই ইন্দ্ৰৰ লগত হোৱা যুদ্ধত শৰবৰ্ষণ কৰা প্ৰসংগত এনেদৰে আছে—

মেঘে যেন বৰিষিল পৰ্বতক চানি।
(অ. ম. কা. ৫৭৫)

ৰুক্মিণী হৰণ কাব্যত ৰুক্মিণী হৰণৰ পিছত স্বয়ম্বৰ লৈ অহা ৰজাসকলৰ দৰ্প শুনি কৃষ্ণই যুদ্ধ কৰা বৰ্ণনা নাট মল্লাৰ ৰাগ পৰিতালৰ 'যুদ্ধ দেহ যাদৱ' শীৰ্ষক গীতটিত এনেদৰে আছে—

বাৰি বাৰিষা যচ          অম্বুদ বৰিষল
হৰি কৰু শৰ সন্ধান ৰে।

**বৰুণ ঃ**

বৰুণ হৈছে বৃষ্টিৰ দেৱতা। এই বিষয়টিৰো নানা প্ৰসংগত শংকৰদেৱৰ সাহিত্যৰাজিত প্ৰত্যক্ষভাৱে ব্যৱহৃত হৈছে।

কীৰ্তনৰ শিশুলীলা অধ্যায়ত নন্দক বৰুণৰ হাতৰ পৰা উদ্ধাৰ কৰাৰ বৰ্ণনা প্ৰসংগত আছে—

নন্দক নিলেক বৰুণৰ দুতে ধৰি।
বৰুণৰ পৰা তাংক আনিলা উদ্ধাৰি।। (কী. শি. লী. ৭৮)

কীৰ্তনৰ কৃষ্ণ লীলা মালা অধ্যায় (কী. কৃ. লী. মা ২৬), আৰু ভাগৱতৰ দশম স্কন্ধত (ভা. দ. স্ক. ১১৮১৮, ১২০০১) এনে উক্তি আছে।

কালযৱন বধ অধ্যায়ত কৃষ্ণৰ দ্বাৰকা নগৰীৰ বৰ্ণনা প্ৰসংগত আছে এইদৰে—

বৰুণে পঠাইলা হয় চয় শুক্ল বৰ্ণ। (কী. কা. ব. ৫৫)

বিপ্ৰপুত্ৰ আনয়ন অধ্যাত কৃষ্ণই বিপ্ৰ পুত্ৰক বিচৰা প্ৰসংগত আছে এনেকৈ—

অগনি বৰুণ বায়ু চন্দ্ৰ নৈঋতিৰ।
সবাবোমানক বিচাৰিলা মহাবীৰ।। (কী. বি. পু. আ. ১৯)

ভাগৱতৰ দশম স্কন্ধত বৰুণৰ দুতে নন্দন হৰণ কৰা প্ৰসংগত আছে—

বৰুণে নিলন্ত জানি জতৰ স্বামী।। (ভা. দ. স্ক. ১১৮২০)

আথেযে বৰুণ উঠিলা গাৰ চালি। (ভা. দ. স্ক. ১১৮২১)

বৰুণ লোকৰ পৰা আনিলা উদ্ধাৰি। (ভা. দ. স্ক. ১১৮২৭)

দ্বাদশ স্কন্ধৰ ভাগৱতৰ সংক্ষিপ্ত বৰ্ণনা প্ৰসংগত গোকুলত কৃষ্ণলীলা বৰ্ণনা প্ৰসংগত এনেদৰে আছে। (ভা. দ্বা. স্ক. ১৮৮২১)

ৰুক্মিনী হৰণ কাব্যত কৃষ্ণ ৰুক্মিনীৰ বিবাহত দেৱতাসকলে উচৰ্গা কৰা বৰ্ণনাত এনেদৰে আছে—

কুবেৰ বৰুণ অষ্ট বসু বসুমতী। (ৰু. হ. কা. ৭৬৭)

অজামিল উপাখ্যানত যমদূতৰ আগত যমৰজাই বিষ্ণুৰ মাহাত্ম্য বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

কুবেৰ বৰুণ বসু বায়ু দিকপাল।।
তাহান লীলাক আমি নজানোহো কেৰ।। (অ. উ. ৫৫৮০)

অমৃত মথনত লক্ষ্মী দেৱীৰ সয়ম্বৰ সভাত পিতৃ সমুদ্ৰই সভাত উপস্থিত থকা মুখ্য প্ৰাৰ্থীসকলক চিনাকী কৰি দিয়া প্ৰসংগত এইদৰে আছে—

কুবেৰ বৰুণ বায়ু ৰবি শশী কাল। (অ. ম. ২৬৩)

এই কাব্যত দৈত্য দানৱৰ যুদ্ধ বৰ্ণনাত বৰুণ আৰু হেতিৰ যুদ্ধ প্ৰসংগত এনেদৰে আছে—

বৰুণে তোমৰ লৈয়া   হেতিক হাম্ফুলি গৈয়া
..........................................

বৰুণ থমকি আছি সাহস্তম হুয়া কাছি
ধৰিলা হেতিক ৰথে উঠি।
(অ. ম. ক. ৪৭০)

অনাদি পাতনত মনুষ্য দেহৰ মহিমা কথন প্ৰসংগত এনেদৰে আছে—
জিহ্বাত বৰুণ বাক্য বহ্নিৰ সাঞ্চাৰ।।
(অ. পা. ২১৩)

গুণমালাত কৃষ্ণই নন্দক বৰুণৰ হাতৰ পৰা উদ্ধাৰ কৰা বৰ্ণনাত আছে এনেদৰে—
বৰুণ কিংকৰে নন্দক সম্বৰে।
(গু. মা. ১৫২)

**বাৰিষা ঃ**

ভাগৱতৰ প্ৰথম স্কন্ধত নাৰদৰ পূৰ্বজন্ম কথা প্ৰসংগত আছে—
বঞ্চিলা বাৰিষা ব্ৰাহ্মণৰ ঘৰে আসি।
(ভা. প্ৰ. স্ক. ৪৬)

দশম স্কন্ধত বসুদেৱে কৃষ্ণক নন্দ-গৃহলৈ লৈ যোৱা প্ৰসংগত আছে—
বাৰিষা যমুনা নদী ফেনেফোটোকাৰ।
(ভা. দ. স্ক. ১০৭৫৩)

বৃন্দাবনৰ বৰ্ষা ঋতু বৰ্ণনা প্ৰসংগত এনেদৰে আছে—
গ্ৰীষ্ম গৈলে ঋতু আহি বাৰিষা মিলিল।
(ভা. দ. স্ক. ১১৪২৬)

দুনাই সূৰ্য এৰি দেন্ত বাৰিষা কালত।
(ভা. দ. স্ক. ১১৪২৮)

তপ উপবাসে শুকাই থকা দেহ ভোজনৰ পিছত পুনৰ পুষ্ট হোৱাৰ লগত বাৰিষাৰ স্পৰ্শত পৃথিৱী পুষ্ট হোৱাৰ কথা তুলনা কৰা প্ৰসংগত আছে এনেদৰে—
বাৰিষা কালত দুনাই পুষ্ট ভৈলমহী।।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৩০)

তেনেকৈ কলিযুগত বেদশাস্ত্ৰ ছন্ন হৈ পাষণ্ডৰ বচন সকলোৱে শুনাৰ লগত তুলনা কৰা প্ৰসংগত আছে—
জুইৰ আংগনি জ্বলৈ বাৰিষা নিশাত।
নকৰে প্ৰকাশ তাক নক্ষত্ৰে সাক্ষাত।।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৩)

তেনেকৈ—
প্ৰকাশে বাৰিষা নানা বৰ্ণে বসুমতী।
জ্বলৈ ৰাজশ্ৰীয়ে যেন সম্পত্তি।
(ভা. দ. স্ক. ১১৪৩৪)

বাৰিষাত নৱ পানী ব্যাপি পাৱৈ আসি।
(ভা. দ. স্ক. ১১৪৩৬)

বৃন্দাবনৰ পশু পক্ষী সবেও
বাৰিষা ঋতুৰ শ্ৰীক চান্ত ভ্ৰমি বন।।
(ভা. দ. স্ক. ১১৪৫৮)

কৃষ্ণয়ো—
প্ৰশংসন্ত কৃষ্ণেও বাৰিষাৰ শ্ৰীক চাই।
(ভা. দ. স্ক. ১১৪৬২)

ইয়াৰে পৰৱৰ্তী অধ্যায়ত বৃন্দাবনৰ শৰত কালৰ শোভা বৰ্ণনা প্ৰসংগত শৰতকালে পৃথিৱীত চাৰি কাৰ্য সাধন কৰা কথা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

যত জীৱ জন্তু সংকটে আছিলে
ঘোৰ বাৰিষাৰ পদে।
(ভা. দ. স্ক. ১১৪৭৪)

ভাগৱতৰ একাদশ স্কন্ধত প্ৰভাস তীৰ্থত যদুবংশৰ মাজত সংঘটিত হোৱা যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

বাৰিষা কালৰ যেন মহা মেঘচয়।
নকৰে বিচ্ছেদ ছানি বান বৰিষয়।।
উপমা অলংকাৰ, (ভা. এ. স্ক. ১৭৮১০)

ৰুক্মিণী হৰণ কাব্যত ৰুক্মিণী হৰণৰ পিছত যাদৱ সেনা আৰু ৰুক্মিনীৰ বৰমাল্যৰ পৰা বঞ্চিত প্ৰজংঘ আদি ৰজা সকলৰ যুদ্ধ বৰ্ণনাত এনেদৰে আছে—

বাৰিষাৰ মেঘ যেন বৰষিল ধাৰে।।
উপমা অলংকাৰ, (ৰু. হ. কা. ৩৮৪)

অমৃত মথন কাব্যত দৈত্য দানৱৰ যুদ্ধ বৰ্ণনাতো এনেদৰে আছে।
(অ. ম. কা. ৪০৮)

এই প্ৰসংগতে দুই পক্ষৰে শৰ বৰ্ষণৰ তুলনাত আছে—

বাৰিষাৰ মেঘ যেন নাহিকে প্ৰকাশ।।
উপমা অলংকাৰ, (অ. ম. কা. ৪২৫)

ৰুক্মিনী হৰণ নাটত ৰুক্মিনী হৰণৰ পিছত বৰমাল্যৰ পৰা বঞ্চিত ৰজা সকলৰ দৰ্প বাণী শুনি কৃষ্ণই সমৰ সজ্জা কৰা বৰ্ণনা নাট মল্লাৰ, ৰাগৰ পৰিতালৰ 'যুদ্ধ দেহু যাদৱ' শীৰ্যক গীতটিত এনেদৰে আছে—

অম্বুদ বৰিষল
বাৰি বাৰিষা যচ
হৰি কৰু শৰ সন্ধান ৰে।

**বুৰ ঃ**

কীৰ্তনৰ গজেন্দ্ৰ উপাখ্যান অধ্যায়ত ত্ৰিকুট পৰ্বতৰ সৰোবৰত গজেন্দ্ৰৰ জলক্ৰীড়া বৰ্ণন প্ৰসংগত আছে—

গজেন্দ্রে ঘনে ঘনে পাবে বুৰ।।

(কী. গ. উ. ১৯)

কংসবধ অধ্যায়ত অক্রুৰে কৃষ্ণ বলৰামক মথুৰালৈ লৈ যাওঁতে যমুনা নদীত স্নান কৰা বৰ্ণনাত আছে—

বুড় দিয়া মন্ত্র জপিলা পাছে।
দুনাই বুড় দিলা বিস্ময় হুই।।

(কী. ক. ব. ২৭৩)

দশম স্কন্ধ ভাগৱতত একেই প্ৰসংগতে এনে উক্তি আছে। (ভা. দ. স্ক. ১২৪৬৮)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত কৃষ্ণৰ প্ৰয়াণৰ পিছৰ বৰ্ণনা প্ৰসংগত আছে—

ক্ষণেকতে দ্বাৰকাক বুৰাইলা সাগৰে।

(কী. কৃ. বৈ. প্ৰ. ১৪৩)

উৰেষা বৰ্ণন অধ্যায়ৰ ষোড়শ কীৰ্তনত মাৰ্কণ্ডেয় হ্ৰদৰ মন্ত্ৰ উচ্চাৰণ বিধি প্ৰসংগত আছে—

শুদ্ধ হৈয়া ক্ৰোধে জিনি   বুৰ দিয়া বাৰ তিনি
শুনিয়োক যেন মন্ত্ৰ তাৰ।।

(কী. উ. ব. ১৬৯)

ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণই অঘাসুৰ বধ কৰা বৰ্ণনাত এইদৰে আছে—

ইবাৰ বুৰিল আৰে সমুলি আমাৰ।
(ভা. দ. স্ক. ১১০৩১)

কৃষ্ণৰ কালীদমন লীলা বৰ্ণনাত কালি হ্ৰদে ৰমনক দ্বীপ এৰি কালি হ্ৰদলৈ অহা আখ্যান বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

হেন শুনি বেগে আসি হ্ৰদে দিলা বুৰ।

(ভা. দ. স্ক. ১১৩০৩)

নন্দ ৰজাক বৰুণৰ দূতে হৰণ কৰা বৰ্ণনাত নন্দ ৰজাই একাদশী ব্ৰত পালন কৰা বৰ্ণনা প্ৰসংগত আছে এনেদৰে—

আথেবেথে বুৰ দিলা যমুনাৰ জলে।।

(ভা. দ. স্ক. ১১৮১৮)

শ্ৰীকৃষ্ণই নন্দ ৰজাক বৰুণৰ দূতে নিয়া বুলি জানি—

দিলন্ত পাচতে বুৰ যমুনাত নামি।

(ভা. দ. স্ক. ১১৮২০)

কৃষ্ণই পাঞ্চজন্য দৈত্য বধ কৰি সান্দীপনি মুনিৰ পুত্ৰ উদ্ধাৰ কৰা প্ৰসংগত আছে এনেদৰে—

দিলন্ত জলত বুৰ নামি নাৰায়ণে।।

(ভা. দ. স্ক. ১২৮১৮)

ৰুক্মিণী হৰণ কাব্যত ৰুক্ম বীৰে কৃষ্ণৰ লগত যুদ্ধ কৰিবলৈ গৈ নিজৰ বীৰত্ব ঘোষণা কৰা প্ৰসংগত এনেদৰে আছে—

সাগৰত বুৰ দিয়া পাতালে লুকায়।

(ৰু. হ. কা. ৪৬২)

অমৃত মথন কাব্যত কূৰ্ম অৱতাৰ শীৰ্ষক অধ্যায়ত কৃষ্ণই কূৰ্ম ৰূপে সাগৰত নমাৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

দিলা বুৰ সাগৰত ডেৰ দিয়া নামি।

(অ. ম. কা. ১৬৯)

দৈত্য দানৱৰ সাগৰ মন্থন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

মগৰ কুম্ভীৰ মৎস কচ্ছপৰ পাল।
জীৱ ভয়ে বুৰ দিয়া পশিল পাতাল।।

(অ. ম. কা. ১৮০)

বলি ছলনত ইন্দ্ৰৰ অমৰাৱতীৰ সৰোবৰৰ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কতো ঘসিকুড় জালোদেই বুৰ
সাম্ভোৰে কতো কৌতুকে।

(ব. ছ. কা. ৪৭)

ভক্তি প্ৰদীপত হৰিভক্তি বিমুখ দ্বিজক দেখি আৰু আলাপ কৰি অপবিত্ৰ হোৱা আৰু পাপে স্পৰ্শ কৰা বুলি ভৱা চান্দালীয়ে শুদ্ধ হ'বৰ বাবে গংগাত স্নান কৰা প্ৰসংগত এনেদৰে আছে——

দিলে বুৰ অষ্টাধিক এক শতবাৰ।।

(ভ. প্ৰ. ৭১)

গুণমালাত অক্ৰূৰে কৃষ্ণ বলোৰামক মথুৰালৈ লৈ যাওঁতে যমুনা নদীত স্নান কৰা প্ৰসংগত এনেদৰে আছে—

অক্ৰূৰ সচলে বুৰ দিলা জলে।।

(গু. মা. ১৪৩)

## বুৰাই

ভাগৱতৰ দ্বাদশ স্কন্ধত মাৰ্কণ্ডেয় ঋষিৰ ভগন্ময় মায়া দৰ্শন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বিজুলী সাকাৰে হৃদয় বিদাৰে
পৃথিৱী বুৰাৱে ৰৱে।

(ভা. দ্বা. স্ক. ১৮৬৯৪)

চাৰিয়ো ভিতিৰ সাগৰৰ উৰ্মি
পৃথিৱী আসে বুৰাই।।

(ভা. দ্বা. স্ক. ১৮৬৯৫)

হৰিশ্চন্দ্ৰ উপাখ্যানত বকৰূপী বিশ্বমিত্ৰ আৰু শৰালি ৰূপী বশিষ্ঠৰ যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে —

পৃথিৱী বুৰাৱে সামৰাজে যাই তল।।

(হ. উ. ৫৭৫)

**বুৰি ঃ**

একাদশ স্কন্ধ ভাগৱতত প্ৰভাসতীৰ্থত যদুবংশৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাত এনেদৰে আছে—

সেনাৰ শোণিতে নদী বৰৈ বালি বুৰি ।।

(ভা. এ. স্ক. ১৭৮০৩)

**বাতবৃষ্টি ঃ**

কীৰ্তনৰ কংস বধ অধ্যায়ত কংসৰ সভাত কৃষ্ণক দশৰূপে দেখা পোৱা বৰ্ণনাত আছে এনেদৰে—

ৰাখিল গোকুল মহা বাত-বৃষ্টি হন্তে।

(কী. ক. ব. ৩৮২)

দামোদৰ বিপ্ৰ আখ্যানত কৃষ্ণই বাল্য বন্ধু দামোদৰৰ আগত পুৰণি স্মৃতি ৰোমন্থন কৰা প্ৰসংগত আছে—

বাত বৃষ্টি পীড়িলে আমাক।

(কী. বি. দা. আ. ১২)

শ্ৰীকৃষ্ণই জন্মৰ পিছত তেওঁৰ চতুৰ্ভুজ ৰূপ দেখি পিতৃ মাতৃয়ে ভয় খোৱা প্ৰসংগত তেওঁলোকৰ ভয় নিবাৰণ কৰিবলৈ পূৰ্বজন্মৰ কথা কোৱা প্ৰসংগত আছে এনেদৰে—

সাহিলাহা হিম ৰৌদ্ৰ বৃষ্টিবাত।

(ভা. দ. স্ক. ১০৭৪৩)

কৃষ্ণই গোবৰ্দ্ধন পৰ্বত ছত্ৰৰ দৰে গোকুলৰ প্ৰজাৰ ওপৰত ধাৰণ কৰি আশ্বাস দিয়া প্ৰসংগত আছে—

ঐত বৃষ্টি বাতৰ নাহিকৈ কিছু ত্ৰাস।

(ভা. দ. স্ক. ১১৭২৪)

কৃষ্ণৰ কৃপাত—

নোচোৱয় বাত বৃষ্টি আৰু একো দুখে।

(ভা. দ. স্ক. ১১৭২৫)

সেই বৰ্ণনাতে ইন্দ্ৰৰ আদেশত মেঘগণে বৃষ্টি সম্বৰণ কৰা প্ৰসংগত আছে—

বাতবৃষ্টি যেবে গৈল     সবেয়ো বিস্ময় ভৈল।

(ভা. দ. স্ক. ১১৭৬৪)

চানুৰ আৰু মুষ্টিকৰ লগত ৰামকৃষ্ণৰ মল্লযুদ্ধৰ উদ্যোগ শীৰ্ষক অধ্যায়ত ৰামকৃষ্ণ ৰংগশালাত প্ৰৱেশ কৰা প্ৰসংগত কৃষ্ণৰ মহিমা বৰ্ণনাত এনেদৰে আছে—

বাতবৃষ্টি হন্তে নিস্তাৰিলা গোপপুৰ।

(ভা. দ. স্ক. ১২৬৫৯)

**বৃষ্টি/বৃষ্টিপাত ঃ**

কীৰ্তনৰ ৰাসক্ৰীড়া অধ্যায়ত গোপী সবে কৃষ্ণগুণ গাই কৃষ্ণক বিচাৰি ফুৰা প্ৰসংগত আছে—

বাখিলা বৃষ্টিতো হন্তে। (কী. বা. ক্ৰী. ৮৬)

ভাগবতৰ দশম স্কন্ধতো একেই প্ৰসংগত এই উক্তি আছে। (ভা. দ. স্ক. ১২০৪৬)

কৃষ্ণৰ লীলা মালা অধ্যায়ত কৃষ্ণৰ লীলা বৰ্ণনাত আছে—

কৰিলা বৃষ্টি ইন্দ্ৰে ক্ৰোধ কৰি। (কী. কৃ. লী. মা. ২৪)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াগ অধ্যায়তো তেনেদৰে উদ্ধৱে বিদুৰৰ আগত কৃষ্ণ লীলা বৰ্ণনা কৰা প্ৰসংগত আছে—

বাখিলা ব্ৰজক বৃষ্টিৰ হন্তে।। (কী. শ্ৰী. কৃ. বৈ. প্ৰ. ২০৯)

ভাগবতৰ দশম স্কন্ধত বৃন্দাবনৰ বাৰিষা ঋতু বৰ্ণনাৰ লগতে বৃষ্টি বিষয়তো মানব জীৱনত সংঘটিত বিভিন্ন কাৰ্যৰ সতে তুলনা কৰা প্ৰসংগত আছে—

বৃষ্টি জল পায়া শস্য কৰে হলফল। (ভা. দ. স্ক. ১১৪৩৫)

বৃক্ষসবে বৃষ্টিৰ শিফায়ে পিৱৈ জল।
উপমা অলংকাৰ, (ভা. দ. স্ক. ১১৪৪৫)

মুষল ধাৰায়ে বৃষ্টি কৰি মেঘ যত।
ভাগৈ আলি সৱ মহাবৃষ্টিৰ বেগত।। (ভা. দ. স্ক. ১১৪৪৭)

বাৰিষা ঋতুত বৃন্দাবনৰ পশু পখীৰ কাৰ্য বৰ্ণনাত আছে—

বৃষ্টি আসৈ দেখি কতো গহ্বৰে পৈশন্ত। (ভা. দ. স্ক. ১১৪৫৮)

বিপ্ৰপত্নী প্ৰসাদ আখ্যান বৰ্ণনত কৃষ্ণই সখীগণৰ আগত বৃক্ষক প্ৰশংসা কৰা প্ৰসংগত আছে—

থাকৈ সহি ৰহি মহা ৰৌদ্ৰ বৃষ্টিপাত। (ভা. দ. স্ক. ১১৫৭৭)

গোকুলত নন্দ আদি গোপগণে ইন্দ্ৰ যজ্ঞৰ আয়োজন কৰা প্ৰসংগত আছে—

কৰৈ জলবৃষ্টি সৰ্বলোকৰ জীৱন। (ভা. দ. স্ক. ১১৬৫২)

কৃষ্ণৰ গোবৰ্দ্ধন পৰ্বত ধাৰণ প্ৰসংগত এনেদৰে আছে—

এৰাইল মৰণ ভয় বৃষ্টি উতপাত। (ভা. দ. স্ক. ১১৭৩৯)

কৃষ্ণৰ একো অপকাৰ কৰিব নোৱাৰি ইন্দ্ৰই বিবৰ্ণ মুখে মেঘগণক বৰিষণ সম্বৰণ কৰিবলৈ কোৱা প্ৰসংগত এনেদৰে আছে—

আউৰ বৃষ্টি কৰি কাৰ উক্ৰাস চাই। (ভা. দ. স্ক. ১১৭৪৪)

ইন্দ্ৰৰ আদেশত মেঘ গুছি যোৱাত দশোদিশ সুপ্ৰসন্ন দেখি কৃষ্ণই পিতৃ মাতৃ গোপগণক নিৰ্ভয়

দিয়া প্ৰসংগত এনেদৰে আছে—

এবে সবে সুখাইলে বৃষ্টিৰ জলমানে।

(ভা. দ. স্ক. ১১৭৪৭)

ইন্দ্ৰই লাজে-ভয়ে ক্ৰন্দন কৰি কৃষ্ণক স্তুতি কৰা প্ৰসংগত আছে—

বৰিষবাক মনে কৰিলোহো বৃষ্টিপাত।

(ভা. দ. স্ক. ১১৮০১)

ৰাস ক্ৰীড়া কৰি থকা অৱস্থাতে কৃষ্ণ অন্তৰ্দ্ধান হোৱাত গোপীসবে নিজকে কৃষ্ণ বুলি ভাবি কৃষ্ণ লীলাৰ অভিনয় কৰা বৰ্ণনাত আছে—

মই কৃষ্ণ আছো কি কৰিবে বৃষ্টি পাতে।।

(ভা. দ. স্ক. ১১৯১৫)

গোপী সবৰ ভকতিত বশ্য হৈ ভক্ত বৎসল কৃষ্ণই যতগোপী তত কৃষ্ণ ৰূপ লৈ বৃন্দাবনত ৰাসক্ৰীড়া কৰা বৰ্ণনাত এনেদৰে আছে—

গুণগীত ভৈল মেঘৰ গৰ্জনি  
বৃষ্টি জল ভৈল ঘাম।

ৰূপক অলংকাৰ, (ভা. দ. স্ক. ১২১২২)

দ্বাদশ স্কন্ধত কলিকালৰ ধৰ্ম কথন প্ৰসংগত এনেদৰে আছে—

অনাবৃষ্টি দুৰ্ভিক্ষত কতো হুইবে ক্ষয়।

(ভা. দ্বা. স্ক. ১৮০৫৮)

শুকমুনিয়ে ৰজা পৰীক্ষিতৰ আগত প্ৰাকৃত প্ৰলয়ৰ বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

নোহে বৃষ্টি শতেক বৰিষ পৃথিৱীত।

(ভা. দ্বা. স্ক. ১৮৪৮৫)

অমৃত মথন কাব্যত কবি পৰিচয় অধ্যায়ত কবিয়ে ভাগৱত অনুবাদ কৰোতে বড়া টুটা হোৱা প্ৰসংগত এনেদৰে কৈছে—

গংগাত মিসল হৰে বৃষ্টি জল  
তাত কোনজনে বাছে।  
হৰিৰ কথাত যিবা বড়া টুটা  
তাতো মহাফল আছে।।

উপমা অলংকাৰ, (অ. ম. কা. ৩১৩)

ভক্তি প্ৰদীপত শ্ৰীকৃষ্ণই অৰ্জুনক ভক্তিহীন জ্ঞানযোগৰ বিষয়ে কোৱা প্ৰসংগত এনেদৰে আছে—

মস্য আশা কৰে যেন বৃষ্টিৰ জলত।  
শুধা জ্ঞান যোগ জানা সখি সেহিমত।।

উপমা অলংকাৰ, (ভ. প্ৰ. ২০)

অনাদি পাতনৰ মহাপ্ৰলয়ৰ কথা শীৰ্ষক অধ্যায়ত ৰূদ্ৰৰূপে ঈশ্বৰে জগত সংহাৰ কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

বাহুয় বৰিষ মানে ভৈলা অনাবৃষ্টি।

(অ. পা. ২৯)

নিমি নৰসিদ্ধ সংবাদত ভগৱন্মায়া বৰ্ণন শীৰ্ষক অধ্যায়ত কৃষ্ণই সৃষ্টি কাৰ্য সংহাৰ কৰা প্ৰসংগত আছে এনেদৰে—

হোৱৈ অনাবৃষ্টি পাছে শতেক বৎসৰ।

(নি. ন. সি. সং. ১১৫)

মৃণাল ঃ

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ত বৈকুণ্ঠ পুৰীৰ সৰোবৰৰ শোভা বৰ্ণনত আছে—

লীলায়ে মৃণাল ভুঞ্জে উভঞ্জি।

(কী. ধ্যা. ব. ৩)

তেনেদৰে হৰমোহন অধ্যায়ত দিব্য উপবনৰ সৰোবৰৰ বৰ্ণনা প্ৰসংগত আছে—

শোভে চক্ৰবাক ৰাজহংস জাক

মৃণাল ভুঞ্জে উভঞ্জি।।

(কী. হ. অ. ২৮)

কংসবধ অধ্যায়ত অক্ৰূৰে কৃষ্ণ বলৰামক মথুৰালৈ লৈ যোৱা পথত যমুনানদীত স্নান কৰোতে পানীৰ তলত অনন্তক দেখা বৰ্ণনাত আছে—

মৃণাল ধৱল যেন শৰীৰ।

উপমা অলংকাৰ, (কী. ক. ব. ২৭৬)

উৰেষা বৰ্ণন অধ্যায়ত দক্ষিণ সাগৰৰ পাৰৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা প্ৰসংগত সৰোবৰৰ বৰ্ণনাত আছে—

ৰাজহংস ভুঞ্জে তাত মৃণাল উভঞ্জি।

(কী. উ. ব. ২১)

ভাগৱতৰ দশম স্কন্ধৰ শৰত কালৰ বৃন্দাবনৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগতো এই উক্তি আছে। (ভা. দ. স্ক. ১১৪৮৯)

ভাগৱতৰ প্ৰথম স্কন্ধত পৰীক্ষিতৰ কলি নিগ্ৰহ প্ৰসংগত আছে—

মৃণাল ধৱল বৃষ কাম্পে তৰতৰি।

উপমা অলংকাৰ, ( ভা. প্ৰ. স্ক. ২৬১)

দ্বিতীয় স্কন্ধত ভগৱন্তই ব্ৰহ্মাক বৈকুণ্ঠ দৰ্শন কৰোৱা প্ৰসংগত বৈকুণ্ঠৰ ভক্তসবৰ বৰ্ণনাত আছে—

প্ৰবাল মৃণাল সম সুবৰ্ণ শৰীৰ।

উপমা অলংকাৰ, (ভা. দ্বি. স্ক. ৬২৫)

ৰামবিজয় নাটত বিশ্বামিত্ৰই ৰামচন্দ্ৰৰ আগত সীতাৰ ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

হেৰিয়ে ভুজযুগ মিলল উচ্ছংক।

ললিত মৃণাল মজ জল পংক।।

(প্ৰতীপ অলংকাৰ)

**মোলান ঃ**

কীৰ্তনৰ ধ্যান বৰ্ণন অধ্যায়ত বিষ্ণু ৰূপ বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

চাৰু চতুৰ্ভুজ শোভে সুঠান।
ললিত বলিত নীল মোলান।।

(কী. ধ্যা. ব. ১৬৩)

ৰুক্মিণী হৰণ কাব্যত ৰুক্মিণীৰ ৰূপ বৰ্ণনা প্ৰসংগত এই বিষয়টি প্ৰয়োগ হৈছে।

বাহু যুগ জলে যেন কোমল মোলান।

(ৰু. হ. কা. ২২)

একেই প্ৰসংগতে ৰুক্মিণী হৰণ নাটতো একেই উপমা আছে।

সেই দৰে অমৃত মথন কাব্যত লক্ষ্মীৰ ৰূপ বৰ্ণনা প্ৰসংগতো এনেদৰে পোৱা যায়—

মোলানৰ পাৰ সুবলিত বাহু দুই।।

(অ. ম. কা. ৩৪০)

**শিকৰ ঃ**

পাৰিজাত হৰণ নাটৰ আৰম্ভণিৰ দেৱ ভট্টিমাত কৃষ্ণ প্ৰশস্তিত এনেদৰে আছে—

বৰিষে শিকৰ অমিয়া নিতান্ত।।

**শিশিৰ ঃ**

কীৰ্তনৰ প্ৰহ্লাদ চৰিত্ৰ অধ্যায়ত চাৰি সিদ্ধই বৈকুণ্ঠ দ্বাৰত জয় বিজয়ক অভিশাপ দিয়াৰ সময়তে অভ্যন্তৰৰ পৰা কৃষ্ণ লক্ষ্মীসহ ওলাই অহা প্ৰসংগত আছে—

তাতে চন্দ্ৰকান্তে স্ৰৱে শিশিৰ।

(কী. প্ৰ. চ. ৩১)

হৰিশচন্দ্ৰ উপাখ্যানত ভিক্ষুকৰ বেশত ৰাজ্যৰ বাহিৰলৈ যাবলগীয়া হোৱা ৰজা হৰিশচন্দ্ৰৰ পত্নী শৈব্যাৰ শাৰীৰিক কষ্ট বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

তৰতৰি শুখাই আতি বদন মণ্ডল।
শিশিৰ লাগিয়া যেন সংকোচ কমল।।

উপমা অলংকাৰ (হ. উ. ১৫৯)

কেলি গোপাল নাটত কৃষ্ণই গোপীসৰক বৃন্দাবন আৰু তেওঁক দৰ্শন কৰি উভতি যাবলৈ কোৱাত গোপীসকলৰ বিমৰ্ষ অৱস্থা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

.......... মুখ মলিন ভেল। যৈচে শিশিৰ পৰি পদ্ম সংকোচিত ভেল......

উপমা অলংকাৰ, (কে. গো.)

**শিলাবৃষ্টি ঃ**

ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন পৰ্বত ধাৰণ লীলা প্ৰসংগত বিষয়টি এনেদৰে ব্যৱহৃত হৈছে—

শিলাবৃষ্টি কৰৈ হৰৈ চৈতন্য সবাৰে।
(ভা. দ. স্ক. ১১৭০৬)

শিলা সম্পা বৃষ্টি বৰ বায়ুৰ আন্দোল।
(ভা. দ. স্ক. ১১৭০৮)

শিলাবৃষ্টি পৰৈ ছিণ্ডে হাড় মুৰ ঘাৰ।
(ভা. দ. স্ক. ১১৭০৯)

পায়া গোপ গোপী শিলাবৃষ্টিৰ সন্ধান।
শীতবাতে অতি তনু তৰতৰি মান।।
(ভা. দ. স্ক. ১১৭১১)

ঘোৰ শিলাবৃষ্টি বাতে মিলাৰে প্ৰলয়।।
(ভা. দ. স্ক. ১১৭১৫)

তৰিল গোকুল শিলাবৃষ্টিৰ সংকট।
(ভা. দ. স্ক. ১১৭২৬)

দ্বাদশ স্কন্ধ ভাগৱতত মাৰ্কণ্ডেয় ঋষিৰ বিষ্ণুমায়া দৰ্শন বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কৰে শিলাবৃষ্টি নষ্টকৰে সৃষ্টি
সঘনে অস্ত্ৰ প্ৰহাৰে।
(ভা. দ. স্ক. ১৮৬৯৪)

স্নান ঃ

কীৰ্তনৰ হৰমোহন অধ্যায়ৰ শেষৰ কীৰ্তনত ভাগৱত তত্ত্ব ব্যাখ্যা প্ৰসংগত এনেদৰে আছে—

যত মহাযজ্ঞ দান কোটি কোটি তীৰ্থ স্নান
কেহো আৰ নপাৰে ওচৰ।
(কী. হ. মো. ৯৭)

জৰাসান্ধৰ যুদ্ধ অধ্যায়ৰ শেষত কৃষ্ণ নামৰ শ্ৰেষ্ঠত্ব প্ৰসংগত এনেদৰে আছে—

যত মহা যজ্ঞ দান।
তপ জপ তীৰ্থ স্নান।।
(কী. জ. যু. ৪৭)

কৃষ্ণলীলা মালা অধ্যায়ত ষষ্ঠ কীৰ্তনত আছে এনেদৰে—

তীৰ্থত স্নানিয়া ফুৰন্তে ৰাম।
(কী. কৃ. লী. মা. ৩২)

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত দ্বিতীয় কীৰ্তনত কৃষ্ণই যদুগণৰ আগত প্ৰভাস তীৰ্থৰ মাহাত্ম্য কথন কৰা প্ৰসংগত আছে—

তৈতে স্নানি চন্দ্ৰে এড়াইলন্ত যক্ষ্মাৰোগ।
(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ২১)

তৃতীয় কীৰ্তনত উদ্ধৱে কৃষ্ণই যাদৱ বংশক সংহাৰ কৰি নিজেও পৃথিৱী এৰিব বুলি জানি কৃষ্ণৰ আগত দুখ কৰা প্ৰসংগত আছে—

শয়নে ভোজনে স্নানে তোহাৰ ৰহস্য স্থানে
সদাসেবা কৰি থাকো আমি।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ২৮)

একাদশ স্কন্ধ ভাগৱতত একেই প্ৰসংগতে এনে উক্তি আছে। (ভা. দ. স্ক. ১৭৫৯৮)

ষষ্ঠ কীৰ্তনত কৃষ্ণই যাদৱগণক স্ত্ৰী বাল বৃদ্ধ সকলক দ্বাৰকাত থৈ প্ৰভাস তীৰ্থলৈ যাবলৈ লগ ধৰা প্ৰসংগত আছে—

প্ৰভাসক চলি যাওঁ আমি।
স্নান দান কৰো জলে নামি।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৬৮)

অষ্টম কীৰ্তনত যদুবংশ ধ্বংসৰ অন্তত বলোভদ্ৰই প্ৰাণ ত্যাগ কৰাৰ পিছত কৃষ্ণই নিজে অশ্বথৰ তলত বহা প্ৰসংগত এনেদৰে আছে—

স্নান কৰি গৈলা অশ্বথ তলে।।

(কী. শ্ৰী. কৃ. বৈ. প্ৰ. ৮৫)

উৰেষা বৰ্ণন অধ্যায়ৰ সপ্তম কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নই বিষ্ণু আৰাধনাৰ চিন্তাত আকুল হোৱা বৰ্ণনাত এনেদৰে আছে—

নকৰে নৃপতি স্নান ভোজন।।

(কী. উ. ব. ৭৮)

এই অধ্যায়ৰ একাদশ কীৰ্তনত ৰজা ইন্দ্ৰদ্যুম্নই বিষ্ণুৰ স্বপ্নাদেশ অনুসৰি সাগৰ পাৰত উপস্থিত হোৱা বৰ্ণনাত এনেদৰে আছে—

সাগৰত পৰি স্নান।
দিলন্ত বিবিধ দান।

(কী. উ. ব. ১২২)

চতুৰ্দশ কীৰ্তনত ইন্দ্ৰদ্যুম্ন ৰজাৰ স্তুতিত সন্তুষ্ট হৈ বিষ্ণুৱে তেওঁক আশীৰ্বাদ দিয়া প্ৰসংগত আছে এনেদৰে—

আত স্নান কৰিয়ো যাইবেক ইন্দ্ৰ থান।

(কী. উ. ব. ১৫২)

যোড়শ কীৰ্তনত মাৰ্কণ্ডেয় হ্ৰদৰ স্নান বিধি প্ৰসংগত এনেদৰে আছে—

নমো শিৱ মহা শান্ত সমস্ত পাপৰ অন্ত
স্নান কৰো মাৰ্কণ্ডেয় হ্ৰদে।

..............................................

স্নান অৱসানে পাছে শিৱৰ দৌলক আছে
তাক লাগি কৰিব গমন।।

(কী. উ. ব. ১৭০)

ঊনবিংশ কীৰ্তনত পুৰুষোত্তম ক্ষেত্ৰ তীৰ্থ দৰ্শনৰ ফল কথন প্ৰসংগত এনেদৰে আছে—

'শ্বেত গংগা জলে বিধিৱৎ স্নান কৰে।

(কী. উ. ব. ১৯৬)

হেন উচ্চাৰিয়া বিধিৰতে স্নান কৰে।
তেৰেসে স্নানৰ সৰে ফল পাৱে নৰে।।

(কী. উ. ব. ২০০)

বিংশ কীর্ত্তনত জ্যেষ্ঠ মাসত শ্রীক্ষেত্রৰ নদ নদীৰ মাহাত্ম্য বর্ণনা প্রসংগত আছে—

স্নান দান কৰিলে অক্ষয় হোৱে তাত।।

(কী. উ. ব. ২০৪)

যেন ফল পাৱে তাসম্বাত স্নান দানে।।

(কী. উ. ব. ২১২)

ভাগৱতৰ প্ৰথম স্কন্ধত নাৰদৰ পূর্বজন্ম কথন প্রসংগত আছে এনেদৰে—

স্নান পান কৰি ভৈলো সুস্থ কলেৱৰ।

(ভা. প্র. স্ক. ৫৪)

দশম স্কন্ধত কৃষ্ণ জন্মৰ পিছত সেই অদ্ভুত বালকক দেখি উল্লাসিত মনে বসুদেৱে—

আথেবেথে সপটে কৰিলা মনে স্নান।

(ভা. দ. স্ক. ১০৭২৯)

গোকুলত কৃষ্ণৰ জন্মৰ পিছত হোৱা নন্দোৎসৱৰ বর্ণনাত এনেদৰে আছে—

কৰিলা সপটে স্নান পৰম আনন্দে।।

(ভা. দ. স্ক. ১০৭৯০)

কৃষ্ণৰ ধেনুকাসুৰ বধ প্ৰসংগত হৰি নামৰ মাহাত্ম্য বর্ণন প্রসংগত এনেদৰে আছে—

নামে দান পুণ্য নামে কোটি তীর্থ স্নান।

(ভা. দ. স্ক. ১১২১৫)

কৃষ্ণ কালিয়া দমন লীলা প্ৰসংগত কালীক দমন কৰাৰ পিছত ৰমন দ্বীপলৈ যাবলৈ আদেশ দি কৃষ্ণই কালী হ্ৰদক আশীৰ্বাদ দিয়াৰ প্রসংগত আছে—

পিতৃক তর্পন্ত যিটো আত কৰি স্নান।

(ভা. দ. স্ক. ১১৩১৬)

গোপীসবৰ কাত্যায়নী ব্ৰতৰ বিৱৰণ প্ৰসংগত এনেদৰে আছে—

কৰন্ত বিবস্ত্রে স্নান গোপ বধূ যত।

(ভা. দ. স্ক. ১১৫৪২)

ৰজা নন্দই একাদশী ব্ৰত পালন কৰা বর্ণনাত এনেদৰে আছে—

নিশাভাগে স্নানিবাক গৈলা মহামুনি।

(ভা. দ. স্ক. ১১৮১৭)

ৰজা নন্দ, গোপগণ আৰু গোপকুমাৰ সকলে দেৱী অম্বিকা দৌল দৰশন কৰিবলৈ যোৱাৰ বর্ণনাত আছে—

সৰস্বতী দ্বীপত কৰিয়া সবে স্নান।

(ভা. দ. স্ক. ১২২০৩)

অক্রূৰে ৰামকৃষ্ণক লৈ মথুৰালৈ যাত্ৰা কৰা পথত সন্ধ্যা কৰা বর্ণনাত আছে—

বিধিৰতে স্নানি নিমজিয়া জলে

জপিলন্ত মন্ত্র পাচে।

(ভা. দ. স্ক. ১২৪৬৭)

অক্রুৰ সহিত ৰামকৃষ্ণ মথুৰাৰ ওচৰ পোৱাত অক্রূৰে তেওঁলোকক আগবঢ়াই দিবলৈ অহা গোপগণৰ সৈতে নিজৰ গৃহলৈ আমন্ত্রণ জনোৱা প্ৰসংগত আছে—

সবংশে কৰিবো তযু পাদোদকে স্নান।

(ভা. দ. স্ক. ১২৫০৮)

কৃষ্ণ মথুৰালৈ যোৱা বাৰ্তা পাই মথুৰাবাসীয়ে কৃষ্ণ দৰ্শন কৰিবলৈ যোৱা বৰ্ণনা প্ৰসংগত আছে—

নকৰিলে স্নান কতো তৈল নৈলা শিৰে।।

(ভা. দ. স্ক. ১২৫২২)

শ্রীকৃষ্ণই পাঞ্চজন্য দৈত্য বধ কৰা প্ৰসংগত যমৰ নগৰলৈ যোৱাত যমৰজাই কৃষ্ণক ভক্তি কৰা বৰ্ণনাত আছে—

পাদোদকে সকুটুম্বে কৰিলন্ত স্নান।

(ভা. দ. স্ক. ১২৮২৫)

একাদশ স্কন্ধ ভাগৱতত ব্ৰহ্মা আদি দেৱতাসকল দ্বাৰকালৈ গমন অধ্যায়ত ব্ৰহ্মা ত্ৰিপুৰাৰীৰ কৃষ্ণ স্তুৱৰি প্ৰসংগত এনেদৰে আছে—

তযু পাদোদক গংগা জলে কৰি স্নান।

(ভা. এ. স্ক. ১৭৫৫৫)

কৃষ্ণই যদুগণৰ আগত প্ৰভাস তীৰ্থৰ মহিমা ব্যাখ্যা কৰা প্ৰসংগত এনেদৰে আছে—

প্ৰভাসত স্নানিলা গুচিল সৱে ক্লেশ।

(ভা. এ. স্ক. ১৭৫৭৬)

তেনেদৰে দানৰ মাহাত্ম্য প্ৰসংগত এনেদৰে আছে—

আসা প্ৰভাসক গৈয়া কৰো স্নান দান।।

(ভা. এ. স্ক. ১৭৫৭৭)

কৃষ্ণ উদ্ধৱ সংবাদ অধ্যায়ত কৃষ্ণই উদ্ধৱৰ আগত শ্ৰৱণ কীৰ্তনৰ মহিমা বৰ্ণনা কৰা প্ৰসংগত এনেদৰে আছে—

তপ জপ তীৰ্থ স্নান যিটো ফল মহাদান

(ভা. এ. স্ক. ১৭৬৭৬)

জপ তপ তীৰ্থ স্নান মন্ত্ৰ জাপ্য যোগ জ্ঞান
নাম উচ্চৰন্তে সৱে সিজে।।

(ভা. এ. স্ক. ১৭৬৭৯)

কৃষ্ণই উদ্ধৱক বদৰিকাশ্ৰমলৈ যাবলৈ উপদেশ দিয়াৰ প্ৰসংগত আছে—

গংগাত কৰিয়া স্নান জপিবা আমাৰ নাম

(ভা. এ. স্ক. ১৭৭৫৩)

শ্রীকৃষ্ণই যদুবীৰগণক প্ৰভাস তীৰ্থলৈ যাবলৈ কোৱা প্ৰসংগত এনেদৰে আছে—

বিধিৰতে তীৰ্থক সবংশে কৰা স্নান।

(ভা. এ. স্ক. ১৭৭৮১)

কৃষ্ণৰ বিয়োগত উদ্ধৱে কৃষ্ণৰ কাৰ্যাবলী স্মৰণকৰি শোক কৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

স্নান কৰি দ্বিজক দক্ষিণা দিলা দান।
(ভা. এ. স্ক. ১৮১১৮)

স্নান কৰি প্ৰভু পাছে প্ৰভাসৰ জলে।
(ভা. এ. স্ক. ১৮১১৯)

কৃষ্ণ বিয়োগৰ দুখত পাণ্ডৱ সকলৰ অৱস্থা বৰ্ণন প্ৰসংগত এনেদৰে আছে—

নাই স্নান পান প্ৰজা তেজিলে আহাৰ।
(ভা. এ. স্ক. ১৮২৫৩)

দ্বাদশ স্কন্ধ ভাগৱতত কলিকালৰ বৈশিষ্ট্য বৰ্ণন প্ৰসংগত আছে এনেদৰে—

শৰীৰক খসি পিসি যিটো কৰে স্নান।
হুইবেক কলিত অলংকাৰ এহিমান।।
(ভা. দ্বা. স্ক. ১৮৩৫১)

কলি কালত কৃষ্ণ কীৰ্তনৰ ফল লাভ কথন প্ৰসংগত আছে—

যেন ফল পাৱে তপ জপ তীৰ্থ স্নানে।
(ভা. দ্বা. স্ক. ১৮৫০৭)

হৰিশ্চন্দ্ৰ উপাখ্যানত চাণ্ডাল ৰূপী হৰিশচন্দ্ৰই মৃত পুত্ৰক আৰু ৰাণী শৈব্যাক চিনিব পাৰি শোকাতুৰ হৈ তিনিও একেখনি চিতাতে জাহ যাবলৈ ওলোৱা প্ৰসংগত এনেদৰে আছে—

স্নানিলন্ত গৈয়া দুয়ো নামি গংগাজলে।
(হ. উ. ৪৪৭)

ৰুক্মিণী হৰণ কাব্যত শ্ৰীকৃষ্ণই বেদনিধি, বিশ্বকেতু নৃপতিসহ চতুৰংগৰ সেনালৈ কুণ্ডিল নগৰত প্ৰৱেশ কৰা প্ৰসংগত নগৰৰ বৰ্ণনাত নাৰীসকলৰ বিষয়ে এনেদৰে আছে—

যাই জাকে জাক
স্নান কৰিবাক
গাৱে তৈল কুড় ঘসি।।
(ৰু. হ. কা. ২০৩)

তেনেদৰে নগৰৰ ব্ৰাহ্মণ সকলৰ বিষয়ে আছে এনেকৈ—

সুমৰন্ত হৰি
স্নান দান কৰি
কতো কাথৰত বসি।।
(ৰু. হ. কা. ২০৪)

স্বয়ম্বৰ উপলক্ষে ৰাণী শশীপ্ৰভাই সেৱকিনীসকলক ৰুক্মিণীক সোনকালে গা ধুৱাবলৈ আদেশ দিয়া প্ৰসংগত এনেকৈ আছে—

ৰুক্মিণীক সকালে কৰায়ো নিয়া স্নান।
(ৰু. হ. কা. ২৫৩)

অজামিল উপাখ্যানত গ্ৰন্থাকাৰৰ পৰিচয় শীৰ্ষক পদত উপদেশ প্ৰসংগত এনেদৰে আছে—

যিটো তাতে পাৱৈ ৰস
মাধৱৰ নাম যশ
সিসি মহা মহন্ত উত্তম।
যতেক পৰম জ্ঞান
মহা তীৰ্থ স্নান দান

কোটি ভাগো তাক নুহি সম।।

(অ. উ. কা. ৫৬১৩)

তেনেকৈ উপাখ্যানৰ শেষত উপদেশ প্ৰসংগত হৰি নামৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিবলৈ যোৱা প্ৰসংগত এনেদৰে আছে—

যত তপ তীৰ্থ স্নান যাগযোগ মহাজ্ঞান
জানা সবে নামৰ কিংকৰ।।

(অ. উ. ৫৬৭৭)

অমৃত মথন কাব্যত সমুদ্ৰ মন্থন ওপজা সাগৰ কন্যা লক্ষ্মীৰ সয়ম্বৰ উপলক্ষে দেৱতা, প্ৰকৃতি সকলো ব্যস্ত হৈ পৰা বৰ্ণনাত এনেদৰে আছে—

দেৱীৰ স্নানৰ হেতু বসন্ত মলয় ঋতু
গন্ধ পুষ্প ধৰিয়া সম্ভৃত।

(অ. ম. কা. ২৩৯)

এই প্ৰসংগতে লক্ষ্মীয়ে স্নান কৰা প্ৰসংগত এনেদৰে আছে—

তিনিয়ো লোকৰ মাৰ হুয়া অতি শুদ্ধ ভাৱ
এহিমতে কৰিলন্ত স্নান।

(অ. ম. কা. ২৪১)

স্নান অৱসানে তাক প্ৰবন্ধে পিন্ধিলা।

(অ. ম. কা. ২৪৪)

সমুদ্ৰ মন্থনত উঠি অহা অমৃত পান কৰিবলৈ মোহিনী বেশী কৃষ্ণৰ কথা মতে দৈত্য দানৱ সকলো পবিত্ৰ হৈ অহা প্ৰসংগত এনেদৰে আছে—

সাগৰত নামিয়া কৰিলা স্নান দান।।

(অ. ম. কা. ৩৬১)

বলি ছলন কাব্যত দেৱমাতা অদিতিক দেৱতাৰ দুখ দুৰ্গতি দূৰ হ'বৰ কাৰণে কাশ্যপ ঋষিয়ে পয়োব্ৰতৰ বিধান দিয়া প্ৰসংগত এইদৰে আছে—

বৰাহ দন্তৰ মাটি শৰীৰত ঘসি আতি
স্নানিবা বিচিত্ৰ সোত জলে।।

(ব. ছ. কা. ১১৭)

প্ৰতিপদ দিন ভৈলে বিধিমতে স্নানি জলে
এৰি লোভ ক্ৰোধ মোহ দন্ত।

(ব. ছ. কা. ১১৮)

দৈত্যৰাজ বলিৰ যজ্ঞশালাত প্ৰবেশ কৰা বামনক বলিয়ে অৰ্চনা কৰা প্ৰসংগত এনেদৰে আছে—

কৰিলন্ত দৈত্যেশ্বৰে পাদোদক পান।
শিৰত ঢালিয়া ৰংগে কৰিলন্ত স্নান।।

(ব. দ. কা. ২৩০)

যেন পুণ্য পাইলো পাদোদকে কৰি স্নান।
কোটি অশ্বমেধ যাক নুহিকে সমান।।

(ব. দ. কা. ২৩৪)

কুৰুক্ষেত্ৰ কাব্যত কৃষ্ণই ৰুক্মিণী প্ৰমুখ্যে মহিষীসকল পিতৃ-মাতৃ আৰু যাদৱসকলৰ সৈতে কুৰুক্ষেত্ৰ তীৰ্থলৈ যাওতে কুৰুক্ষেত্ৰৰ সমীপত যাদৱ সকলে পিতৃ তৰ্পণ কৰা প্ৰসংগত এনেদৰে আছে—

ৰামৰ হ্ৰদত ৰংগে কৰিলন্ত স্নান। (কু. ক্ষে. কা. ৩০)

কৰিলা আপুনি স্নান দান বিধিৰতে।। (কু. ক্ষে. কা. ৩৪)

কৃষ্ণ বলোৰাম আৰু নন্দ-যশোদাৰ মিলন শীৰ্ষক অধ্যায়ত যশোদাই দৈৱকীৰ আগত কৃষ্ণৰ পূৰ্বৰ কথা স্মৰণ কৰা প্ৰসংগত এনেদৰে আছে—

স্নান কৰাই পিন্ধাওঁ গন্ধ চন্দন ভূষণ। (কু. ক্ষে. কা. ১১০)

বসুদেৱে নাৰদক অৰ্পণা কৰ্মৰ বিষয়ে সোধাত নাৰদে মায়াত মোহিত হৈ বসুদেৱে দেৱ নাৰায়ণক কাষতে থকাতো চিনি নোপোৱা বুলি কোৱা প্ৰসংগত এনেদৰে আছে—

যেন তীৰ বাসী গংগাজল তেজি যায়।
অন্যত্ৰ জলত স্নানে সিদ্ধিক আশায়।। (কু. ক্ষে. কা. ৩৭৭)

বসুদেৱে কুৰুক্ষেত্ৰত যজ্ঞ আৰম্ভ কৰা প্ৰসংগত এনেদৰে আছে—

স্নানিয়া পিন্ধিলা ধৌত বস্ত্ৰ অলংকাৰ। (কু. ক্ষে. কা. ৩৯১)

ৰাম হ্ৰদে নামি আগ কৰি যজমান।
কৰিলন্ত ঋষিসৱে অৱভৃথ স্নান।। (কু. ক্ষে. কা. ৪০৯)

'ভক্তি প্ৰদীপ'ত হৰি ভক্ত চাণ্ডালীয়ে হৰি বিমুখ অধৰ্মী দ্বিজৰ সৈতে আলাপ কৰি অপবিত্ৰ হোৱাৰ বাবে গংগা স্নান কৰি পৱিত্ৰ হ'ব খোজা প্ৰসংগত এনেদৰে আছে—

সখী সমস্তক বোলে ঝাণ্টে কৰো স্নান। (ভ. প্ৰ. ৭০)

সযত্নে কৰিলা স্নান বোলে স্তুতি বাক। (ভ. প্ৰ. ৭১)

কিন্তু স্নান কৰি চাণ্ডালীয়ে মনৰ পাপ নষ্ট নোহোৱা বুলি অনুমান কৰা প্ৰসংগত এনেদৰে আছে—

বাহিৰৰ পাপ নষ্ট কৰে গংগা স্নানে।। (ভ. প্ৰ. ৭২)

চাণ্ডালীয়ে নাৰদৰ আগত কৃষ্ণ নাম জপ কৰি মনৰ পাপ গুচাব খোজাৰ কথা কোৱা প্ৰসংগত এনেদৰে আছে—

নুগুচে মনৰ পাপ কোটি তীৰ্থ স্নানে। (ভ. প্ৰ. ৮৪)

অনাদি পাতনত জম্বুদ্বীপৰ জম্বু নদীৰ বৰ্ণনা প্ৰসংগত এনেকৈ আছে—

দেৱ ঋষি গন্ধৰ্ব স্নানন্ত নিৰন্তৰ।

জম্বু নদী সম আন নাহি সমসৰ।।

(অ. পা. ১০৬)

উত্তৰা কাণ্ড ৰামায়ণৰ অষ্টাদশ অধ্যায়ত শ্ৰীৰাম চন্দ্ৰই সীতাৰ আগমনৰ অপেক্ষাত বৈ থকা বৰ্ণনাত এনেদৰে আছে—

স্নান দান কৰি দেৱক আদৰি
বসিলা আহি সভাত।।

(উ. কা. ৰা. অ. অ. ১৭)

পঞ্চবিংশ অধ্যায়ৰ শেষত উপদেশ প্ৰসংগত পুণ্য কথা ৰামায়ণ শ্ৰৱণৰ ফলৰ বিষয়ে এনেদৰে আছে—

কোটি শত তীৰ্থ স্নান তপজপ যজ্ঞ দান
কোটি ভাগ তাক সম নুই।

(উ. কা. ৰা. ২২)

অষ্টবিংশ অধ্যায়ত লক্ষ্মণ বৰ্জনৰ পিছত শোকত আতুৰ হৈ শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক বিচাৰি যাত্ৰা কৰাৰ সময়ত সহযাত্ৰী হৈ ওলোৱা অযোধ্যাবাসীৰ বৰ্ণনাত আছে—

স্নান কৰি জলে সৰ্বস্ব সকলে
ব্ৰাহ্মণক দান কৰৈ।

(উ. কা. ৰা. অ. বি. অ. ৩১)

উনত্ৰিংশ অধ্যায়ত লক্ষ্মণ বিৰহৰ তাপত তাপিত ৰামচন্দ্ৰই

স্নান কৰি পিন্ধিলন্ত ধৌত বস্ত্ৰ দুই।।

(উ. কা. ৰা. ২৮)

একত্ৰিংশ অধ্যায়ত শ্ৰীৰামচন্দ্ৰৰ স্বৰ্গ যাত্ৰা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

কৰিলন্ত ৰামে সৰযুত পাছে স্নান।

(উ. কা. ৰা. এ. অ. ৭)

এহি তীৰ্থ জলতে সত্বৰে কৰি স্নান।

(উ. কা. ৰা. এ. অ. ৮০)

দ্বাত্ৰিংশ অধ্যায়ত ৰামচন্দ্ৰই ভৰত আৰু শত্ৰুঘ্নৰ সতে হিমৱন্ত পৰ্বতৰ মূলৰ তীৰ্থত স্নান কৰা প্ৰসংগত এনেদৰে আছে—

ভাতৃসব সমে সিটো তীৰ্থৰ নামিয়া পাছে
সপটে কৰিলা গৈয়া স্নান।

(উ. কা. ৰা. দ্বা. অ. ৪)

এই অধ্যায়ৰ শেষত উপদেশ প্ৰসংগত ৰাম নামৰ মহিমা বৰ্ণন প্ৰসংগত এনেদৰে আছে—

ৰামে কোটি শত তীৰ্থ স্নান।

(উ. কা. ৰা. ৩৫)

গুণমালাত কৃষ্ণৰ গোপী ৰঞ্জনৰ বৰ্ণনাত এনেদৰে আছে—

যমুনাৰ নীৰে স্নানি ধীৰে ধীৰে।

(গু. মা. ১৩২)

হলিৰামৰ দ্বিবিধ বানৰ বধ উল্লেখ প্ৰসংগত এনেদৰে আছে—

তীৰ্থ স্নান কৰি কৰ্মক প্ৰচাৰি।

(গু. মা. ২৫৪)

শ্ৰীকৃষ্ণই যদুবংশ ধ্বংসৰ অৰ্থে যদুগণক প্ৰভাস তীৰ্থলৈ লৈ যোৱা বৰ্ণনা প্ৰসংগত এনেদৰে আছে—

প্ৰভাসক নিল জলত স্নানিল।।

(গু. মা. ৩৩১)

**সোন্ত**

ভাগৱতৰ দশম স্কন্ধত বসুদেৱে নন্দৰ আগত সুহৃদ সংযোগৰ বিষয়ে কোৱা প্ৰসংগত এনেদৰে আছে—

সোন্তৰ বেগত যেন উটি যায় জাজি।
নিমিষেক অন্তৰে পানীৰ বেগ বাজি।।

(ভা. দ. স্ক. ১০৮০৯)

**স্ৰোত ঃ**

বলিছলন ক্ষাব্যত কাশ্যপ ঋষিয়ে দেৱমাতা অদিতিক পয়োব্ৰতৰ বিধান দিয়া প্ৰসংগত এনেদৰে আছে—

বৰাহ দন্তৰ মাটি শৰীৰত ঘসি আতি
স্নানিবা বিচিত্ৰ স্ৰোত জলে।

(ব. ছ. কা. ১১৭)

**হিম ঃ**

ভাগৱতৰ দশম স্কন্ধত কংসৰ কাৰাগাৰত কৃষ্ণৰ জন্মৰ পিছত বসুদেৱ দৈৱকীৰ ভয় নিবাৰণৰ বাবে কৃষ্ণই তেওঁলোকক পূৰ্বজন্মৰ কথা কোৱাৰ প্ৰসংগত আছে—

সহিলাহা হিম মহা ৰৌদ্ৰ বৃষ্টি বাত।

(ভা. দ. স্ক. ১০৭৪৩)

ব্ৰহ্মাৰ কৃষ্ণস্তুতি প্ৰসংগত কৃষ্ণৰ অনন্ত মহিমা বৰ্ণনাত এনেদৰে আছে—

হিমৰ কণিকা গণৈযিটো জন
পৃথিৱীৰ লেখৈ ধূলি।
ব্যতিৰেক অলংকাৰ, (ভা. দ. স্ক. ১১১৪৩)

কুৰুক্ষেত্ৰ কাব্যত বসুদেৱে মুনিবৰ নাৰদক অৰ্পনা কৰ্মৰ বিষয়ে প্ৰশ্ন কৰাত নাৰদে বসুদেৱে কৃষ্ণৰ মায়াত মোহিত হৈ কাষতে থকা পৰম পুৰুষ নাৰায়ণক পুত্ৰ বুলি অনাদৰ কৰা বুলি কোৱা প্ৰসংগত এনেদৰে আছে—

নিচিনে ঈশ্বৰ বুলি দৈৱকীৰ পোক।
হিমে মেঘে ছন্না হেন বোলে আদিতাক।।

(কু. ক্ষে. কা. ৩৭৮)

ভক্তি প্ৰদীপত অৰ্জুনৰ স্তুতিত কৃষ্ণই নিজ ৰূপে অৰ্জুনৰ আগত দৰ্শন দিয়া প্ৰসংগত এনেদৰে আছে—

চন্দ্ৰ সম মুখত বেকত ঘৰ্ম বিন্দু।
হিম কণা সমে যেন জ্বলে পূৰ্ণ ইন্দু।।
উপমা অলংকাৰ, (ভ. প্ৰ. ২৫৭)

নিমি নৱসিদ্ধ সংবাদত কবি সিদ্ধই নিমিৰজাৰ আগত কৃষ্ণৰ মাহাত্ম্যৰ বিষয়ে কোৱাৰ প্ৰসংগত এনেদৰে কৈছে—

যেন হিম পৰি জুৰায় তাহাৰ হৃদয়।
উপমা অলংকাৰ, (নি. ন. সি. সং. ৯৭)

গোপী বিৰহ বৰ্ণনা সূচক ধনশ্ৰী ৰাগ, একতালিৰ মাই মাধৱ বিৰহে... শীৰ্ষক বৰগীতটিত এনেদৰে আছে—

পংকজ পাত অহিত হিম বাৰি।

**ক্ষীৰ সাগৰ ঃ**

কীৰ্তনৰ শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত সপ্তদশ কীৰ্তনত কৃষ্ণক যদুগণে ঈশ্বৰ বুলি চিনি নাপাই সমভাব কৰা প্ৰসংগত এনেদৰে আছে—

ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মৎস্যে যেন বোলে ইও একে জলচৰ।।
সেহিমতে ঈশ্বৰক পায়া যদু গণ।
মনে মানি লন্ত এন্তে জ্ঞাতি একজন।।
(উপমা অলংকাৰ) (কী. কৃ. বৈ. প্ৰ. ১৯৫)

অমৃত মন্থন কাব্যত বিষ্ণুৱে দেৱতাসকলক ক্ষীৰ সাগৰ মন্থন কৰিবলৈ উপদেশ দিয়া প্ৰসংগত এনেদৰে আছে—

মত্ৰিঁও হুইবো পৰিপষ্থি ক্ষীৰ সাগৰক মথি
দুৰ্লভ অমৃত কৰা পান।।
(অ. ম. কা. ৫২)

ইন্দ্ৰই দৈত্যৰাজ বলিক সমুদ্ৰ মন্থনৰ বিষয়ে কোৱা প্ৰসংগত আছে—

অমৃতক পাই ক্ষীৰ সাগৰক মথি।।
(অ. ম. কা. ১২১)

শ্ৰীকৃষ্ণই ক্ষীৰ সাগৰৰ পাৰলৈ যোৱা প্ৰসংগত আছে—

ৰংগে বিষ্ণু ৰথ ধৰিলন্ত পথ
ক্ষীৰ সাগৰক লাগি।
(অ. ম. কা. ১৫৫)

**ক্ষীৰোদধি ঃ**

কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণন অধ্যায়ত বিষ্ণুৰ কূৰ্ম অৱতাৰ প্ৰসংগত আছে—

কূৰ্ম অৱতাৰ ভৈলা ক্ষীৰোদধি তীৰে

(কী. চ. অ. ৩)

ভাগৱতৰ দ্বিতীয় স্কন্ধত ব্ৰহ্মাই বসুমতীক প্ৰবোধ দিয়া প্ৰসংগত আছে—

তেহো সবে যাইবো মই ক্ষীৰোদধি তীৰে।

(ভা. দ্বি. স্ক. ৫৪৮)

ভাগৱতৰ দশম স্কন্ধৰ আৰম্ভণিতে অন্যায়-অত্যাচাৰৰ ভাৰ সহিব নোৱাৰি ব্ৰহ্মাৰ ওচৰত দুখ কৰা বসুমতীৰ দুখ সহিব নোৱাৰি উদ্ধাৰৰ উপায় বিচাৰি বিষ্ণুক ধ্যান কৰা প্ৰসংগত আছে—

ত্ৰিদশ সহিতে গৈলা ক্ষীৰোদধি তীৰে।

(ভা. দ. স্ক. ১০৬৬৫)

আলোচিত বিষয়সমূহৰ উপৰিও নদীৰে সৈতে নিবিড় সম্পৰ্কিত উটি, উটন্ত, একাৰ্ণৱ, কংক, কাখৰ, কূল, কোঢ়া, চকোৰা, জলচৰ, জলজন্তু, জলবায়ু, জলাঞ্জলি, তিতন্ত, তিতা, তিতিল, তিলোদক, তিয়াইলা, তৃষ্ণা, ধুৱাইলা, পখালি, পখালিলা, পখালৈ, পদজল, পাক, পাৰ, বেগ, ভসাইলা, ভাসি, ভাসৈ আদি বিষয় তথা শব্দসমূহ বৰ্ণনীয় বিষয় আৰু প্ৰসংগ অনুযায়ী ৰজিতা খোৱাকৈ সুযমভাৱে ব্যৱহৃত হৈ শংকৰদেৱৰ সাহিত্য সম্ভাৰ সমৃদ্ধ কৰিছে।

পাদটীকা ঃ

১) কেশদা মহন্ত ঃ কাব্য তত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য, পৃ ৪-৫

২) কেশৱানন্দ গোস্বামী ঃ ভাৰতীয় পটভূমিত শংকৰী সাহিত্য আৰু সত্ৰীয়া সংগীত, পৃ ১৯

৩) চৈয়দ আব্দুল মালিক ঃ মই অসমীয়া (কবিতা)।

৪) তীৰ্থনাথ শৰ্মা ঃ সাহিত্য বিদ্যা পৰিক্ৰমা, পৃ ৬৬-১৪৫।

সোনাপতি দেৱ শৰ্মা ঃ সাহিত্যৰ সাজ।

৫) বাণীকান্ত কাকতি ঃ নাম ঘোষা (বাণীকান্ত কাকতি ৰচনাৱলী), পৃ- ৫১। ■

## চতুৰ্থ অধ্যায়

## শংকৰদেৱৰ জীৱনৰ সৈতে সম্পৃক্ত নদী আৰু তৎসংশ্লিষ্ট বিষয়

পূৰ্বৰ আলোচনাৰ পৰা এই কথাই প্ৰতীয়মান হয় যে শংকৰদেৱৰ চিন্তা চৰ্চাত নদী আৰু নদীৰ লগত সম্পৰ্ক থকা বিষয়সমূহে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। আজীৱন নদীৰ লগত বিশেষকৈ লুইতৰ নদীৰ লগত তেওঁৰ সম্পৰ্ক আছিল গভীৰ। শৈশৱত সাঁতুৰি নাদুৰি উমলি ফুৰা লুইতখন তেওঁৰ পিছৰ জীৱনত যাতায়াতৰ মূল পথ হৈ পৰিছিল। সেয়ে নৈৰ দুপাৰ, সোঁত, বেগ, চাকনৈয়া, পকনিয়া, নাও, জলচৰ জীৱ, মানুহৰ তৃষ্ণা আদি বিষয়সমূহ তেওঁ সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰি সেইবিলাকক মানৱ জীৱনৰ বিভিন্ন বিষয়ৰ লগত তুলনা কৰিবলৈ সক্ষম হৈছে। একশৰণ নাম ধৰ্মৰ প্ৰচাৰক শংকৰদেৱে কৃষ্ণ ভক্তিৰ মাহাত্ম্য প্ৰচাৰৰ অৰ্থে ভাগৱতৰ দশম স্কন্ধত এখনি স্পষ্ট, সুন্দৰ, সহজবোধ্য আৰু চিত্তাকৰ্ষক ৰূপক চিত্ৰ অংকণ কৰিছে এনেদৰে—

আশা নামে নদীঘোৰ একমতে নাই ওৰ
ধনে আৰো ভৈল মহাজল।।
লোভে তৃষ্ণা চৰৈ আত মোহ ভৈলা মহা পাক
বজোৰাৰ বিষয় জগৰ।
চিন্তা ভৈল দুয়োপাৰ মাংস ছিণ্ডি খাই গাৰ
কাম ক্ৰোধ কুম্ভীৰে মগৰ।।
বেগ ভৈল দিন ৰাত্ৰি ধৈৰ্য বৃক্ষ খানে আতি
তাৰিতে নপাৰে একো নাৱে।
নপাই আৰ পাৰ কুল জগতৰ আদি মূল
কৃষ্ণৰ ভকতি নুহি যাৱে।।

******

পৰম বান্ধৱ হৰি যাৰ নাম লৈলেতৰি
তাংক ভজা তেজি আন কাম।
আশা নদী হৌক ছেদ খণ্ডোক বিষয় খেদ
নিৰন্তৰে বোলা ৰাম ৰাম।।

(ভা. দ. স্ক. ১৭৮৬০)

শংকৰদেৱৰ জীৱন যাত্ৰাকালত ঘটা বিভিন্ন ঘটনা বা পৰিস্থিতিতো নদী আৰু নদী সম্পৰ্কীয় বিষয়ৰ সংযোগ ঘটিছে। এই অধ্যায়ত সেই বিষয়ে কিছু আভাস দিয়া হ'ল।

শংকৰদেৱৰ জন্ম হয় ১৩৭১ শকত, মধ্য অসমৰ আলিপুখুৰীত। তেওঁৰ জন্মস্থানৰ সৈতে জড়িত 'আলিপুখুৰী' নামটো ও এই প্ৰসংগত এক উল্লেখযোগ্য বিষয়। অনাহাতে শংকৰদেৱে তেওঁৰ ৰচনা ৰাজিত আত্ম পৰিচয় প্ৰসংগত নিজৰ জন্মস্থান বৰদোৱাৰ পৰিচয় দিবলৈ গৈ লোহিত, লৌহিত্য ব্ৰহ্মপুত্ৰৰ

অনুকূল বুলি কৈ বিশেষ সন্তুষ্টি লাভ কৰিছে। উদাহৰণস্বৰূপে—

'বৰদোৱা নামেগ্ৰাম শস্যে মৎস্যে অনুপাম
লোহিত্যৰ আতি অনুকূল।'

(ভা. দ. স্ক. ১২১২৬)

'বৰদোৱা নামে গ্ৰাম শস্যে মৎস্যে অনুপাম
ব্ৰহ্মাপুত্ৰ বস্ত যাৰ কাছে।

(ভা. এ. স্ক. ১৮০২০)

'বৰদোৱা নামে আছিলেক গ্ৰাম
টেম্বুৱানী বন্ধে সাৰ।
কাছতে লোহিত সৰ্ব গুণন্বিত
স্বৰ্গেসে উপমা যাৰ।"

(অ. ম. কা. ৩০৯)

'টেম্বুৱানী বন্ধেগ্ৰাম বৰদোৱা যাৰ নাম
লোহিত্যৰ জলে অনুকুল।'

(হ. উ. ২৯২)

'বৰদোৱা নামে গ্ৰাম শস্যে মৎস্যে অনুপাম
লোহিত্যৰ জলে অনুকুল।'

(উ. কা. ৰা. উ. বি. অ. ১)

শংকৰদেৱৰ পিতৃ শিৰোমণি ভূঞা কুসুম্বৰে সদাশিৱৰ বৰত তেওঁক পুত্ৰ ৰূপে লাভ কৰে। শংকৰদেৱৰ জন্ম কাহিনীৰ লগতো এটি নদী বিষয়ক কথা জড়িত হৈ আছে।

কুসুম্বৰ ভূঞাই সত্যসন্ধ্যা আৰু অনুধৃতিক বিবাহ কৰোৱাৰ পিছত 'বংশধৰ পিণ্ডজলক পুত্ৰ' নোহোৱাৰ বাবে চিন্তিত হৈ আছিল। সেই সময়ত বুঢ়া খা দলৈৰ ঘৰত এজনী কপিলী বৰণৰ গাই আছিল আৰু গাইজনীয়ে ন ঘটি গাখীৰ দিছিল। প্ৰত্যেক নিশাই তাই লুইত সাতুৰি পাৰ হৈ—

"পথা পুলুকা দি জাই পুনু সেই তত্ততে গল দি থাকেহি গাটি তিতা
পাইঃ গুৱালে লক্ষ কৈ একদিনা যুপি আছেঃ দেখে চাই সিঙ্গেৰে জপনা
কাতিকৈ গল ওলাই ঃ পাছ ধৰি ইও গৈছে লুইত পাৰ হৈ সিঙ্গৰি গোপেশ্বৰত
হাম্বা দিলেগৈ ঃ পূজাৰি উঠি ন ঘটি দুগ্ধ খিৱাই গোপেশ্বৰ সদাশিৱক স্নান
কৰাই ভোগ দি এ ঃ পুনু আহি সেই তত্ততে বাথানে বলহি ঃ পাচে গুৱালে
আহি নৌকা বাই ঃ পুৰা সবাতে কলে আচৰ্য অদ্ভুত কথা।।"

(গু. চ. ক. ছেদ - ১৯)

তাকে শুনি কুসুম্বৰ ভূঞাই জাগ্ৰত শিৱ বুলি মানি গোপেশ্বৰ সদাশিৱক বিধিমতে পূজা দিছিল। সেই পূজাত সন্তুষ্ট হৈ শিৱই কুসুম্বৰক পুত্ৰ লাভৰ অৰ্থে বৰ দিছিল।

উক্ত কাহিনীৰ লগত জড়িত লক্ষ্য কৰিবলগীয়া বিষয়টো এয়ে যে গাইজনীয়ে গাখীৰ দিবলৈ যাওঁতে ব্ৰহ্মাপুত্ৰ পাৰ হৈ গৈছিল আৰু গুৱালেও ব্ৰহ্মাপুত্ৰইদি নাও বাই গৈছে সমস্ত ঘটনাটো পৰ্যবেক্ষণ কৰিছিল।

শংকৰদেৱৰ শৈশৱ কালৰ লগতো লুইতৰ সম্পৰ্ক গভীৰ। ভাদমহীয়া ভৰা লুইত সাতুৰি পাৰ হোৱাটো তেওঁৰ বাবে লৰালিৰ খেলাৰ দৰেহে আছিল।

"আৰু শিশুসবৰে ভাব্ৰমহা লুইত সাঙ্খুৰি ঃ চোট নাঞ নি এ আনসবে ঃ মাজতে খনোসৰ উঠে ঃ কতো পাৰ হৈ না এ আহে পুনু গুৰুজনে সাঙ্খুৰি আহে।।"

(গু. চ. ক. ছে. ৪৩)

এনে আৰু বহু কথা তেওঁৰ শৈশৱৰ লগত জড়িত হৈ আছে। মহেন্দ্ৰ কন্দলিৰ টোলত পঢ়ি থকা অৱস্থাতে—

"আৰু তিনিষাঠি ছাত্ৰে কন্দলিৰ সাত বেঞ্চ নাঞ নমাব নপাৰিলে গুৰু একলে নমালে ব্ৰহ্মপুত্ৰ।"

(ক. গু. চ. ছে. ৫৮)

"আৰ একদিনা লুইতে স্নান কৰাত সবে ছাত্ৰেৰে এটা সিহু ধৰি মাৰিছে কাৰণে।।"

(ক. গু. চ. ছে. ৫৯)

"আৰ কথাা বান্ধি বুৰ দি দুই ভাৰ মানে কাটল মাছ ধৰি সাঙ্গিকৈ আনিছে।"

(গু. চ. ক. ছে. ৬০)

তেনেদৰে যোগশাস্ত্ৰ পঢ়িবলৈ গৈ শংকৰদেৱে 'জলত এপৰো বুৰ দি থাকে বস্ত্ৰ নিতিতে।"

(ক. গু. চ. ছে. ৬১)

প্ৰথমা পত্নী সূৰ্যৱতীৰ তিৰোভাৱৰ পিছত সংসাৰৰ প্ৰতি বিৰক্ত হৈ শংকৰদেৱে বাৰজন ভক্তৰ সৈতে তীৰ্থ ভ্ৰমণ কৰিবলৈ যায়। আৰু বাৰ বছৰ ধৰি বিভিন্ন তীৰ্থ ভ্ৰমণ কৰে। প্ৰথমে জগন্নাথ ক্ষেত্ৰত উপস্থিত হৈ মাহিন্দ্ৰ কন্দলি আদি যাত্ৰীক দেশলৈ ওভোতাই পঠাই আঠজন ভক্তেৰে সৈতে দক্ষিণ ভাৰতলৈ যায়—

"পুন্নভৰা কৰতিয়া প্ৰথমে স্নানকৈ ভাগিৰথি চিলিপুৰ ঘাটে স্নান দান কৈলে।। তাৰ পৰা গৈ গয়াত বিষ্ণুপদত চৈধে পুৰুষৰ পিণ্ডদিছে ফল্গুতীৰে ঃ দানকৈ দখিনলৈ গ'ল।।"

(গু. চ. ক. ৬৪)

এই বাৰ বছৰীয়া তীৰ্থ ভ্ৰমণ কালত তেওঁ যমুনা, গংগা আদিত স্নান কৰি অযোধ্যা পাই সৰযু নদীত স্নানদান কৰিছে। অন্যান্য ঠাই ফুৰি যেতিয়া "নিজ আপুন কৃষ্ণদেৱৰ বৃন্দাবন গকুল পালেগৈ তেতিয়া—

"ৰহি কালিন্দতীৰে কালি হ্ৰদে স্নান কৈ কদমতলে বাচ কৰিছে"

(গু. চ. ক. ছে. ৬৫)

ইয়াৰ পিছতে অন্য ঠাই ফুৰাৰ লগতে যমুনা, গংগা, পয়োস্মিনি, পুস্পভদ্ৰা, সোণাৰু, গণ্ডুকি আৰু অন্য তীৰ্থ সমূহত স্নান কৰে। তাৰপৰাগৈ ৰামেশ্বৰ সেতু খণ্ড পাই। সাগৰত স্নান পান কৈ বিভিন্ন ঠাই

দৰ্শন কৰি গোদাবৰী, গোমতী, পঞ্চবটী আদিত স্নান কৰে। তেনেদৰে নৰ্মদা, গোদাবৰী, মহানদী আদিত
স্নান কৰি উৰিষ্যাৰ শ্ৰীক্ষেত্ৰত উপস্থিত হয়গৈ। তাতো চেত গংগা, মাৰ্কণ্ডেয়, চন্দন সৰোবৰ, সিন্ধুৰাজ,
পাতালী গংগা আদিত স্নান কৰি দেৱ দৰ্শন কৰে। এইদৰে তাত এবছৰ থাকি অন্য তীৰ্থক্ষেত্ৰ ভ্ৰমি আলি
পুখুৰীলৈ উভতি আহে।

শংকৰদেৱৰ দ্বিতীয় বিবাহৰ পিছত আলিপুখুৰীত পাচ বছৰ থাকি টেম্বুৱানীলৈ উঠি আহে।
টেম্বুৱানীৰ ভকতসকলৰ সৈতে হৰি নাম কীৰ্তন কৰি পোন্ধৰ দিন থকাৰ পিছত তাত পানীৰ সমস্যাই
দেখা দিয়ে। তাৰ পূব দিশত থকা বৰপেটা বিললৈও বহুত দূৰ আছিল আৰু তাত গড়, ভালুক থকাত
তাৰ পৰা পানী আনিবলৈ যোৱাটোও ভয়ৰ কথা আছিল। সকলোৰে কষ্ট পাই কথাটো শংকৰদেৱক
জনোৱাত তেওঁ ভগৱন্তই জল দিব বুলি কৈ ভকতসকলক দিনে নিশাই নাম গাবলৈ উপদেশ দিলে।
সেইমতে ভকতসকলে নাম গালে। শংকৰদেৱে দোভাগ নিশা বৰুৱাণিত গৈ গোৰোহাত হেঁচা দি
ওপৰমুৰাকৈ এডাল কাঁড় নিক্ষেপ কৰিলে। তেতিয়া—

"গিৰগিড় শব্দে আকাশীগঙ্গা নামিলহি পূৰ্বৰো নিমিত।। পুৱাদেখে যাই
ভক্তে বাকৰ বাৰিতে বিল জল হ'ল ঃ"

(গু. চ. ক. ছে. ৭২)

এবাৰ টেম্বুৱানীৰ ওচৰেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ বা সুঁতিয়েদি পানী আহি টেম্বুৱানী জানত সোমাই
প্ৰজাৰ খেতি বাতি নষ্ট কৰিছিল। তেতিয়া কেতাই খা, বুঢ়া খা, ৰাম খা আদি বাৰভূঞাসকলে দক্ষিণ পাৰে
চামধৰাৰ পৰা কপিলী মুখলৈ, উত্তৰ পাৰে ৰৌতাৰ পৰা শিঙৰী লৈ এই ভূখণ্ডৰ লোকক একত্ৰিত কৰি
পানী ভেটিবলৈ বান্ধ নিৰ্মাণ কৰিলে কিন্তু বাৰে বাৰে সেই বান্ধ পানীয়ে ভাঙি পেলালে। তেতিয়া সমস্যা
সমাধানৰ বাবে শংকৰদেৱক আৰু মহেন্দ্ৰ কন্দলি, গোবিন্দ মিশ্ৰ, খৰা মিশ্ৰ, ৰামসৰস্বতী আদি পণ্ডিতসকলক
আমন্ত্ৰণ কৰি এখন সভা পাতিলে। শংকৰদেৱে সভাত ক'লে যে শাস্তীয়েহে এই জান বান্ধিব পাৰিব আৰু
যি গৰাকী তিৰোতাই পলেৰে ব্ৰহ্মাপুত্ৰৰ পৰা পানী আনিব পাৰিব তেৰেই শান্তি বুলি বিবেচিত হ'ব।
উপস্থিত বিপ্ৰসকলে নিজ নিজ গৃহত শান্তি তিৰোতা আছে বুলি ক'লে যদিও তেওঁলোকৰ পত্নীসকলে
'পলেৰে পানী অনা' পৰীক্ষা দিবলৈ সাহস নকৰিলে। সেই সময়তে পূৰ্ণানন্দ নামে এজন হীন লোক পত্নী
যোগমায়াৰে সৈতে লুইতেদি উজাই গৈ আছিল। যোগমায়াই নদীৰ পাৰতে বহা সভাখনৰ বিষয়ে স্বামীক
সুধি সকলো জানিব পাৰি নিজকে শান্তি বুলি দাবী কৰি স্বামীৰ হাক বচন নুশুনি পলেৰে পানী অনা
পৰীক্ষা দিবলৈ ইচ্ছা কৰিলে। নৈৰ পাৰতে বৈ থকা বলদা মুদৈয়ে তেওঁলোকৰ কথোপকথন শুনি
শংকৰদেৱক জনোৱাত তেওঁ দুয়োকে মাতি পঠিয়ালে। শংকৰদেৱে যোগমায়াক এযোৰ পৰিষ্কাৰ কাপোৰ
আৰু এটা পল দি আশীৰ্বাদ কৰিলে। যোগমায়াই শংকৰদেৱক সেৱা কৰি পলত পানী আনিলেগৈ। কিন্তু
চাৰি আঙুল কম হ'ল। তেতিয়া শংকৰদেৱে তাৰ কাৰণ সোধাত যোগমায়াই ক'লে যে এবাৰ তেওঁ পাত
কাটিবলৈ কাঁচিখন দিওঁতে ভনী জোৱায়েকৰ মুখ দেখিছিল। শংকৰদেৱে সেই দোষ ক্ষমা কৰাত যোগমায়াই
পুনৰ পলটো সম্পূৰ্ণ কৰি পানী আনি শান্তি কন্যা বুলি প্ৰমাণিত হ'ল আৰু পলৰ পানীখিনি জানত ঢালি
দিয়াত

"বেগ জুৰ হ'ল ঃ সবেলোকে মাটি দি খুন্দি বান্ধিলে সান্তিজান নাম হ'ল।"

(গু. চ. ক. ছে. ৭৮)

ভূঞা সকল আৰু ভূঞা ৰাজ্যৰ সমীপত বাস কৰা কছাৰীসকলৰ মাজত সদ্ভাৱ নাছিল। কছাৰী

আৰু ভূঞাসকলৰ খেতি পথাৰ একে আছিল আৰু গৰুও একেলগে চৰাইছিল। কছাৰীবিলাকে সুবিধা পালেই সুৰাপান কৰি নিজৰ গৰুক ভূঞাৰ পথাৰৰ ধান খুৱায়। ভূঞাসকলে কছাৰীৰ অত্যাচাৰত অতীষ্ঠ হৈ এবাৰ বুদ্ধি কৰি ভোজ খাবলৈ মাতি নহতো কছাৰীক কাটিলে। সেইকাৰণে কছাৰী ৰজাই ভূঞাসকলক আক্ৰমণ কৰিবলৈ আহিলত ভূঞাসকলে পৰিত্ৰাণৰ উপায় বিচাৰি শংকৰদেৱক কথাটো জনালে। শংকৰদেৱে কছাৰীৰ আক্ৰমণৰ কাৰণ জানিব পাৰি ভৱিষ্যতে প্ৰাণী বধ নকৰিবলৈ সকিয়াই দি সকলোকে লুইত পাৰ হৈ পলাবলৈ ক'লে—। গুৰু বাক্য মানি লুইতেও বাম হৈ বাট দিলে— এনেকৈ—

> “এতি ক্ষণে ওলাহক লুইত পাৰ হ ঃ জাৰ জি পাই থাপতে লৈ ভাগিল ঃ ধান বস্ত্ৰ গো মহ সবৰ বল ঃ গৈ ব্ৰহ্মাপুত্ৰ পালে দেখে নৌকা নাই ঃ গুৰু বোলে এইটে নাম হক থাব পাইহিহে।। নামি গৈচে জাঙ্গ থালে যমুনা নন্দক সমুদ্ৰে বামক পথ দিয়াদি ব্ৰহ্মাপুত্ৰ অগাধ জলে গুৰুবাক্যে তৰঙ্গ হৈ পথ দিলে।। সবে লোক নামি গৈছে গুৰুজন গৰাতে আছে ঃ সবাবে পাচত নামি দুবেএও মান গৈছে ঃ তেনেতে কচাৰি দা শেল ধেনু বাৰু এ খেদি পালেগৈ ঃ শৰ শেল যুৰি হানে আৰু ঃ দেখি গুৰু মাত লগালে ঃ তেতি সম এ জলতে গীতা শাস্ত্ৰখান উটা পাই ধৰি দাঙ্গি ঃ বোলে মই বৈৰাগী সন্ন্যাসী অগিৎহে ঃ তহঁতৰ দ্ৰোহী নহএও পা ঃ বোলে আমাৰনো মানুহ কোন মাইলে ঃ বোলে এই ভোৰে মাৰি পলাইচে ভাগি ঃ পাচে নামি গৈছে খেদি অনেক কচাৰী ঃ গুৰু আগত গৈছে ঃ দৃষ্টিৰে দেখি লুইতক চাৰিও নামি আটাল গুৰুজনো উঠিল উত্তৰে ঃ আথাওনি হৈ সবে কচাৰী ভাঙ্গি তেনেই মাৰ গ'লঃ”
>
> (কী. গু. চ. ক. ছে. ৮৪)

ইয়াৰ পিছত ভূঞাসকলে বৌতাত থিতাপি লয়। বৌতাত থকাৰ সময়তে এদিন ৰাতি কোচসকলে আক্ৰমণ কৰিছে বুলি আকাশীবাণী শুনি ভূঞাসকল গাংমৌলৈ যায়। গাংমৌত পাঁচ বছৰ থকাৰ পিছত ডফলাৰ উপদ্ৰৱত থাকিব নোৱাৰি ভূঞাসকল উজাই গৈ চাংগিনি কোমোৱাকটা নামে ঠাইত থিতাপি লয়। তাত চাৰিমাহ থকাৰ পিছত সেই ঠাই বাৰিষাৰ পানীত তল যোৱাত সাময়িকভাবে মলুবালৰ আটিত চোম গছৰ ওপৰত চাং সাজি কোনোমতে দুমাহ অতিবাহিত কৰিলে। তাতেই শংকৰদেৱৰ জ্যেষ্ঠ পুত্ৰৰ জন্ম হয়।

> “..... কোমোৱা কটাত বল (চাৰিমাহ) পানি তল গ'ল ঃ মলবালৰ আটিত গৈ চাঙ্গ পাতি (চোম গাচে) আছিল দুমাহ ঃ তৈতে বৰ ঠাকুৰ দেৱৰ জন্ম ঃ”
>
> (গু. চ. ক. ছে. ৮৭)

শংকৰদেৱে মলুৱা আটিত থকাৰ সময়তে

> “জীৱৰ কৃপাকৈ বিষয়ৰ দুখ দেখাই ভৱটুপিৰয়ৰ দুটি গীত কৰিচে।। পাএ পৰি হৰি।।গোপাল কি গতি কৈলে।”
>
> (গু. চ. ক. ছে. ৮৭)

> “মাচ পানীৰ ঠেক খেতিত খেতিও জলে নিলে ডফলাবো জোট”—

এইবোৰ কাৰণতে ভূঞা সকল লুইত পাৰ হৈ বেলগুৰি ধুৱাহাটা গ্ৰামত বাস

কৰিবলৈ লয়।

ধুবাহাটা বেলগুৰিত শংকৰদেৱ আৰু মাধৱদেৱৰ 'মণিকাঞ্চন সংযোগ'ৰ পিছত দুয়োজনাই ভক্তি ধৰ্ম প্ৰচাৰৰ অৰ্থে লুইতেদি যাত্ৰা কৰিছিল আৰু যতেই নাম ধৰ্ম প্ৰচাৰৰ অনুকুল পৰিবেশ দেখিছিল ততেই নাও বান্ধিছিল। উদাহৰণ স্বৰূপে—

"আৰ একদিনা দুওজনা গুৰু ঠাকুৰ আতা জাতি মধাই আনো ভক্তেৰে গৈছে ঘুৰি লুইতে ভটিয়াই ......... পাছে তেনেতে লুইতৰ দিয়াত গো চাবিছে এটি চাণ্ডালৰ চৰা তেঞ্ৰ বুলিলে বান্ধৱ কৃষ্ণ পাচে গুৰুজনে বোলে ই বালক চৰা ঃ ইয়াৰ মুখৎ যে নাম আহিল এই দেশত নাম ধৰ্ম বস্তু প্ৰচাৰ হ'ব ঘুৰি নাঞ্ৰ চমু চাপিলহি ঃ" (গু. চ. ক. ছে. ১৯৩)

ধৰ্ম প্ৰচাৰ কৰিবলৈ যাওঁতে যতেই মাছ পানী আদিৰ সুচল আছিল ততেই নাও বান্ধি শংকৰদেৱে ভক্ত সৱৰ সৈতে জিৰণি লৈছিল। উদাহৰণস্বৰূপে এদিন লুইতে উজাই যাওঁতে কুঢ়ি, ৰৰালি মাছ জপিয়াই নাৱত পৰা দেখি শংকৰদেৱে ক'লে—

'ৰৰাংপো নাঞ্ৰ বৈ ভকতে উঠি চকচো মাটিঃ খাৰে পানি এ মাচে সজ জেন দেখো ঃ উঠি গৈ চাই সজ দেখি কলেহি ঃ ভক্তে সমে গল উঠি...' (গু. চ. ক. ছে. ১৬১)

কবি শংকৰদেৱ এজন সুদক্ষ সমালোচক কাব্য ৰসিক। তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱ আৰু আন ভক্তসৱৰ সৈতে লুইতেদি ধৰ্ম প্ৰচাৰ যাত্ৰাকালত ভক্তসকলে শংকৰদেৱৰ আজ্ঞামতে গীত পদ ৰচনা কৰিছে আৰু শংকৰদেৱে তাৰ নিৰপেক্ষ সমালোচনাও কৰিছে। সমালোচনা কৰিবলৈ যাওঁতে তেওঁ কবিতাৰ ৰসবিচাৰকৰ সেইবোৰক গৈ সম্পৰ্কীয় বিষয়ৰ সৈতে তুলনা কৰিছে। উদাহৰণ স্বৰূপে— এদিন শংকৰদেৱ মাধৱদেৱ নাৰায়ণ দাস ঠাকুৰ আতা আৰু জতীমধাই আন ভক্তসৱৰ সৈতে ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ লুইতৰ পাৰতে নাও বান্ধিছিল। সেই সময়তে তেওঁলোকৰ কাব্য প্ৰতিভাৰ উমান ল'বলৈ শংকৰদেৱে মাধৱদেৱ নাৰায়ণ দাস ঠাকুৰ আতা আৰু জতী মধাইক একোটিকৈ কবিতা ৰচনা কৰিবলৈ দিলে আৰু লগে লগে তাৰ সমালোচনাও কৰিলে—

"বোলে বৰা পো এও কতক কবিতা কৰা ঃ নাৰায়ণ দাসে ও কৰা ঃ মাধাএ ও কৰা।।".......... তেহে গুৰুজনে বোলে ৰৰাপোএ যি কবিতা কৰিলে সাত পাতাল স্বৰ্গ সাত বৈকুণ্ঠ ভেদি গ'ল ঃ নৌকা চাদি উপচি গ'ল ঃ .... নাৰায়ণ দাসৰ কবিতা নাঞ্ৰ চপচপিয়া হ'ল।। মধাইৰ কবিতাহে তলিতে লুকাল।।" (গু. চ. ক. ছে. ১৯৩)

অন্য এদিন এনেদৰে যাওঁতে গজিয়া ঘাটতে মৃতদেহ এটা দাহ কৰি আছিল আৰু মৃতকৰ স্ত্ৰীয়ে ওচৰতে বহি কান্দি থকা দেখি শংকৰদেৱে মাধৱদেৱক তাৰ কাৰণ সোধাত— মাধৱদেৱে মায়াত মোহিত হৈ অজ্ঞানবশতঃ তেনে কৰিছে বুলি ক'লে। তেতিয়া শংকৰদেৱে মাধৱদেৱকো এনেকৈ কান্দিবলৈ কোৱাত মাধৱদেৱে কথাৰ গূঢ়াৰ্থ বুজি সেই মুহূৰ্তত কাকুতি ঘোষা ৰচনা কৰিলে।

"তেহে শ্ৰীমাধৱদেৱে আম্মাক মনে ধৰি পৰমগুৰু চৰণত বিনাই কান্দিচে ঃ কাকুতি কৈ ঃ কিমতে ভকতি ...।।

(গু. চ. ক. ছে. ১৯৯)

শংকৰদেৱৰ প্ৰধান শিষ্য বৰাপো মাধৱদেৱৰ গুৰু ভক্তি তুলনাবিহীন। তেওঁৰ গুৰু ভক্তিৰ জৰিয়তে প্ৰকাশিত হোৱা শংকৰৰেৰ মহিমাৰ লগত নদী বা পানী সম্পৰ্কীয় নানা কথা জড়িত হৈ আছে— উদাহৰণ স্বৰূপে—

"আৰ এদিন গুৰুজনে স্নান কৰিছে পাৰত বালি মাটি চিটিকি পৰিছে ঃ পদ জল বৈ গৈছে সবেও খছে ঃ ছোট আতা দেখি মনে বোলে ঃ জি বস্ত্ৰ মহেশে জটা পাতি ধৰে ঃ বলি এ সবংশে সুতল পালে ঃ দে এ নপাই ঃ এই বুলি কোৰ দা লৈ বাহ আনি গাত খানি দলঙ্গ বৈ গৃহক বেৰি ভাৰ দি দিলে।।"

(গু. চ. ক. ১৫৭)

'এদিন মাধৱদেৱে বাকলি বামৰ সতে মৰামাৰিত মাটি পানী লোৱাৰ সময়তে—

"পূৰ্ণভৰা গংগা তীৰতে দুই বামুন বাগি সঠা নামে আহে ঃ অনেক পুৰাণ ভাৰত সংহিতা তন্ত্ৰ লৈ বাদলৈ গুৰুজানক ঃ নাএঃ নপাই বাৰ্ত্তা সুধিলে ঃ বোলে শঙ্কৰ ঠাই যাব লাগিলে কেনি উতৰিম ঃ বোলে যদিহে বাদে আহিচ নেথাই জা ঃ যদিহে গুৰু মানি আহিচ আথুহে হ'ব আহ ঃ নামি চাই দেখে দ ঃ তেহে গুৰু মানিবলৈ নিচই কই ঠালে একাঠু হ'ল আহি ইপাৰে (উটা) গৰত থৈ শাস্ত্ৰ সব কাটি উটালে ... তাৰে পৰা কাকত কূটা যান হ'ল নদীৰ থানে সৈতে।'

(গু. চ. ক. ৩৮৩)

পাট বাউসীত থাকোতে এদিন ডাৱৰীয়া বতৰত গধূলি শংকৰদেৱে স্নান কৰাত পিছদিনা পিন্ধিবলৈ কাপোৰ নাইকিয়া হ'ল।

"বোলে আজি আঙ্গচ নুসুকাবহে কালৈ পিন্ধিবলৈ ঃ পাট ভুনিপচৰা যুৰিও অনাবলৈ নহ'ল ঃ তেহে চোট আতা সুনি গৈ গনককুচিত ভোজন পাতি কৰি আতৈ সব সুলত গ'ল।। আন্ধাৰ দুপৰ নিশা বৃষ্টি এবুকু এককাল জল ঠাই ঠাই হাবৈ জংঘল বোকা মহ বাগ হাতি।।... এইমতে বিল জান হাবি উতৰি পালেগৈ তিনিপৰ নিশাত দিয়াকৰ মণ্ডলৰ গৃহ।। মাতিলে .... তেহে মৰলে নবীন বস্ত্ৰ দি সলোৱাই যুই ধৰি গা সেকি ঃ বস্ত্ৰযুৰি দি নৌকাৰে থৈ গলহি ঃ।"...

আশৈশৱ প্ৰকৃতিৰ লীলা খেলা চাই অভিজ্ঞতা পুষ্ট শংকৰদেৱে বতৰ চাই বৰষুণৰ বতৰাও দিব জানিছিল। উদাহৰণ স্বৰূপে দ্বিতীয় বাৰ তীৰ্থ যাত্ৰাৰ সময়ত পদব্ৰজে ভক্তসবৰ সৈতে যাত্ৰাকৰোতে এদিন —

"এখন চোতালৰ মান মেঘ দিচে ঃ দেখি চোত আতাবোলে বাপ খৰকৈ হঠাজক ঃ ডাবৰ দিচে ঃ গুৰু বোলে ই মেঘে একো নকৰে ঃ গৈচে বৃষ্টি নানিলে। আৰ এদিন গৈচে ঃ দোন এটাৰ মানে ডাবৰ দিচিলঃ গুৰুজন বোলে বৰাৰ পো মেঘখানি দিচে কুচিত ঃ খৰকৈ বলা ঃ চোট আতা বোলে কালি তেত খনিও একো নহ'ল।। সি কি কৰিব বাপ ঃ গুৰু বোলে নহই ই কুচিত (মেঘ) ঃ পাচে তৎকালে আনিলে বৃষ্টি।"

(গু. চ. ক. ছেদ. ২৮০)

শংকৰদেৱৰ দ্বিতীয়বাৰৰ তীৰ্থ ভ্ৰমণ কালত সকলোৱে হৰি কথা আলোচনা কৰি গৈ থাকোতে এদিন বিনাই গঞ্জৰ কাষতে এজুপি বট গছৰ তলত ৰাতি কটাইছিল।

"তাতে বৌ বাহনে গঙ্গা আহি স্বপ্নত দিব্যৰূপে দেখা দি আগ বঢ়াই সেৱা কৰিচেহি।"

(গু. চ. ক. ২৮৬)

ইয়াৰ পিছতে গুৰু ভকত সমন্বিতে সকলোৱে জিয়াগঞ্জত গংগাত স্নান কৰি কাটুৱা গংগা পাৰ হৈ সাগৰৰ পাৰে পাৰে জগন্নাথ ক্ষেত্ৰলৈ যাত্ৰা কৰিছে। জগন্নাথ পাই ৰাতি সকলো মাৰ্কণ্ডেয় হ্ৰদৰ পাৰতে আছে। পুৱা সমুদ্ৰ স্নান কৰোতে সমুদ্ৰই শংকৰদেৱক ঈশ্বৰ বুলি সেৱা কৰিলে।

"প্ৰাতসে শৌচ শুদ্ধি হৈ সমুদ্ৰ স্নান কৈলে ঢৌতে সাগৰে সাগৰ জুলি বস্ত্ৰ দি সেৱা কৈলে।"

(গু. চ. ক. ছে. ১৯১)

জগন্নাথ শ্ৰীক্ষেত্ৰত শংকৰদেৱে তেওঁৰ ভক্তসবৰ সৈতে পঞ্চতীৰ্থত স্নান দান কৰে।

শংকৰদেৱৰ জীৱনৰ শেষ সময়ছোৱাৰ দুটিমান কথাও এই প্ৰসংগত উল্লেখ কৰিব পৰা যায়। পিছৰ ছোৱা জীৱন কালত শংকৰদেৱে ভেলাটবাউসীত থকা সময়তে তেওঁৰ সকলো সাংসাৰিক কৰ্ম শেষ হয়। শংকৰদেৱে পূৰ্বতে মাধৱদেৱক কৈছিল যে তেওঁ অন্তিম সময়ত সংসাৰ আৰু বিষয়ৰ মাজত নাথাকে। সম্ভৱতঃ সেয়ে তেওঁ জীৱনৰ অন্তিম দিনকেইটা পৰিয়ালৰ সংগ এৰি কোচবেহাৰত কটাবলৈ ইচ্ছা কৰি যাত্ৰাৰ আগদিনা শ্ৰীৰাম আতালৈ খবৰ পঠালে যে পিছদিনা তেওঁ কোচবেহাৰলৈ যাত্ৰা কৰি এৰাতি গণককুচিত কটাব—

"তেহে নৌকাত উঠি যাত্ৰাকৈ গৈ গণককুচিতে ৰহিছেগৈ ঃ চোট আতা আগবাঢ়ি নাৱতে তুলি নিলেহি—

(গু. চ. ক. ছে. ৩৯০)

পিছদিনা সকলো ভকতকে মাধৱদেৱকে তেওঁ বুলি ভাবি শ্ৰদ্ধা ভক্তি কৰিবলৈ উপদেশ দিলে আৰু মাধৱদেৱক ঘোষা ৰচনা কৰিবলৈ উপদেশ দি ক'লে—

"আমাৰ পাচত যেন বৌ বৰালিৰে পৰা ডনিকা বই জেন কৈ ঃ দহ হাজাৰ বৈকুণ্ঠৰ নাম দিবা ঃ এই বুলি নাঞ্চ মেলি গ'ল ভটিয়াই।"

(গু. চ. ক. ৩৯২)

গণককুছিৰ পৰা যাত্ৰা কৰি শংকৰদেৱে শুভ্ৰা পাটগিৰিৰ ঘাটতে নিশাটো কটালে। তাতে কামপুৰীয়া

নামে এজন লোক আহি তেওঁক সেৱা কৰিলত শংকৰদেৱে জনালে যে—

"বোলা তোম্রা আজি সাবধান হোৱা নৌকাজান আহিব ঃ তেহে আনন্দে
সেৱাকৈ গ'ল ঃ নিশা ভক্তে নাঞ্জ বঠাৰ শব্দসাৰি সুনিচল।"

(গু. চ. ক. ৩৯২)

ইয়াৰ পিছদিনা শংকৰদেৱে নৌকাৰে আহি কুমাৰ গাৰি নামৰ ঠাইত নিশাটো কটাই পিছদিনা গদাধৰ নদীৰে যাত্ৰা আৰম্ভ কৰি ভগামোৰ নামৰ ঠাইত আৰু তাৰ পিছৰ নিশাটো বিজয়পুৰত কটালে। তাৰ পিছত—

"তোৰোচা উজাই ঘৰঘৰি মুখে বৈ ঃ ফিৰদিনা কাকতকুটাৰ গুৰৰি
ঘাটে উঠিছেগৈ ভক্তে সম ঃ"

(গু. চ. ক. ৩৯৪)

ইয়াতেই শংকৰদেৱৰ নৌকা যাত্ৰাৰ সামৰণি পৰে।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়ছোৱাত ভকতসৱে আকাশত কিংকিণীৰ কণজুন ধ্বনি, নাম কীৰ্তনৰ শব্দ আৰু নাৱৰ শব্দত শুনিছিল—

"আকাশে কিঙ্কিণী, কণঝুণ নাম কীৰ্তনৰ ধ্বনি শুনি নৌকাৰ
ঃ চাই ঃ নেদেখে ঃ"

(গু. চ. ক. ৪০০)

বৰনৈ লুইতৰ পাৰতে জীৱন নাটৰ পাতনি মেলি লুইতৰ পানীয়েদি যাত্ৰা কৰি হৰিনাম বস্তু প্ৰচাৰ কৰি বৰ অসমৰ ভেটি বান্ধি যোৱা শংকৰদেৱৰ প্ৰয়াণৰ পিছত কোচবেহাৰত উত্তৰে তোৰোচা নদীৰ দখিনে মানছে পচিমে কাকতকুটাৰ কিনাৰতে তেওঁৰ নৰদেহা সংস্কাৰ কৰা হয়।

"তেহে ৰামানন্দ ঠাকুৰ, লাপনিয়াল বাংগন বিৰ বৰিয়াল গুৰু এই চাৰি
ঃ কমলি ধৰা পৰ্মানন্দ পাচজনে গুৰুজন শয়ন কৰা পিৰাখানিতে নি ঃ উত্তৰে
তোৰোচা দখিনে মানছে ঃ পচিমে কাকৎকুটাৰ কিনাৰে দহন সংস্কাৰ কৰিচেনি।"

(গু. চ. ক. ৪০২)

শংকৰদেৱৰ জীৱন কালত ঘটা বিভিন্ন ঘটনা, ধৰ্ম প্ৰচাৰ কাৰ্য, তেওঁৰ ৰচনা ৰাজিক বিষয় বস্তু হিচাপে লৈ পৰৱৰ্তী সময়ত লোক কবিয়ে ৰচনা কৰা বিভিন্ন গীত মাত অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে। এই গীত মাতবোৰত নদী নাও আদি বিভিন্ন বিষয়ৰ অৱতাৰণা হৈছে। এইবোৰে অসমীয়া জন মানসৰ শংকৰদেৱৰ প্ৰতি থকা অসীম ভক্তিৰ অনুপম চিত্ৰ এখনি সুন্দৰকৈ প্ৰতিফলিত কৰে। উদাহৰণ স্বৰূপে—

"লুইতৰ বছৰী বানে হে ৰাম
উটুৱাই টৈমনি জানে হে ৰাম (টেম্বুৱানা)
দেখি গুৰুজনে বুলিলে বাণী
শান্তি হ'লেহে বৰ ই পানী।"

******

"ভটিয়াই যাওঁতে শ্ৰীগুৰু শংকৰে
বালিতে বান্ধিলা বাহা।

নাও শিমলুৰা বঠা শিমলুৰা
আৰু শিমলুৰা ছৈ
চৈবে ভিতৰত গুৰুজান বহিছে
চকুৰি ভকতক লৈ।"

"দশম কীৰ্তন ঘোষা অমৃতে ভৰা নৌকা
ৰত্নাৱলী সেই নৌকাৰ ব'ঠা।"

"উজাই আহিলে শংকৰদেউ ঈশ্বৰে
লুইতে পাতিলে জান।
ধীৰে ধীৰে কৰি বায়ুৰে চলালে
পালেহি বৰদোৱা থান।"

"অ' হৰি এ নাম সৰোবৰ
সৰোবৰৰ পদুমক'লি
শ্ৰীমন্ত শংকৰ।" ■

## নিৰ্বাচিত গ্ৰন্থপঞ্জী

**ক) শংকৰদেৱৰ গ্ৰন্থসমূহ ঃ**

১) অংকমালা ঃ সম্পা.– ড° কেশবানন্দ দেৱ গোস্বামী, বনলতা, ডিব্ৰুগড়, তৃতীয় সংস্কৰণ, ১৯৯৯।

২) অংকাৱলী ঃ সম্পা.– কালিৰাম মেধি, গুৱাহাটী, ১৯৫০।

৩) অংকীয়া নাট ঃ সম্পা.– বিৰিঞ্চি কুমাৰ বৰুৱা, গুৱাহাটী, ১৯৫৪।

৪) উত্তৰাকাণ্ড ৰামায়ণ (সপ্তকাণ্ড ৰামায়ণৰ অন্তৰ্গত), অজন্তা প্ৰকাশন, ১৯৮৫।

৫) কীৰ্তন ঃ সম্পা.– ড° মহেশ্বৰ নেওগ, লয়াৰ্ছ বুক ষ্টল, পানবজাৰ, গুৱাহাটী।

৬) কীৰ্তন ঃ সম্পা.– তীৰ্থনাথ গোস্বামী, ধলৰ সত্ৰ পুথিভঁৰাল, যোৰহাট, ১৯৭৫।

৭) কীৰ্তন ঃ সম্পা.– ড° কেশবানন্দ দেৱ গোস্বামী, ডিব্ৰুগড়, ১৯৮২।

৮) বৰগীত ঃ সম্পা. ঃ নগেন শইকীয়া, কৌস্তুভ প্ৰকাশন, দ্বিতীয় প্ৰকাশ, ২০০৪।

৯) বৰগীত ঃ সম্পা. ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, দত্ত বৰুৱা পাবলিচিং কো. প্ৰা. লি., গুৱাহাটী, ২০০৮।

১০) বৰগীত ঃ সম্পা. ঃ ড° দিজেন্দ্ৰনাথ ভকত, চন্দ্ৰ প্ৰকাশ, ১৯৯৭ ।

১১) বৰগীত ঃ সম্পা. ঃ গৰ্গনাৰায়ণ চৌধুৰী, গুৱাহাটী, ১৩৮৫ শকাব্দ।

১২) ভক্তি প্ৰদীপ ঃ সম্পা. ঃ শ্ৰীমহেশ্বৰ নেওগ, বৰুৱা ব্ৰাদাৰ্ছ, যোৰহাট, ৪৯৫ শংকৰাব্দ।

১৩) ভক্তি প্ৰদীপ ঃ সম্পা. ঃ ড° নবীন চন্দ্ৰ শৰ্মা, জ্যোতি প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৩।

১৪) ভক্তি প্ৰদীপ ঃ সম্পা. ঃ মোহন চন্দ্ৰ মহন্ত, যোৰহাট, ১৮৮১ শক।

১৫) ৰুক্মিণী হৰণ কাব্য ঃ সম্পা. ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, দত্ত বৰুৱা পাবলিচিং কো. প্ৰা. লি., গুৱাহাটী, ১৯৯২।

১৬) ৰুক্মিণী হৰণ কাব্য ঃ সম্পা. ঃ সত্যেন্দ্ৰ নাথ শৰ্মা, গুৱাহাটী-১৯৬২।

১৭) শংকৰদেৱৰ নাট ঃ সম্পা. ঃ মহিম বৰা, অসম প্ৰকাশন পৰিষদ, ১৯৮৯।

১৮) শ্ৰীশংকৰ বাক্যামৃত ঃ সম্পা ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, দত্ত বৰুৱা পাবলিচিং কো. প্ৰা. লি., গুৱাহাটী, ১৯৬৪।

১৯) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বাক্যামৃত ঃ সম্পা. ঃ শ্ৰীধৰ্মেশ্বৰ চুতীয়া, শ্ৰীমন্ত শংকৰদেৱ সংঘ, ১৯৯৮।

২০) শ্ৰীমদ্ভাগৱত ঃ সম্পা ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, দত্ত বৰুৱা পাবলিচিং কো. প্ৰা. লি., গুৱাহাটী, ১৯৮৬।

২১) শ্ৰীমদ্ভাগৱত ঃ সম্পা ঃ ড° কেশবানন্দ দেৱ গোস্বামী, বনলতা, ডিব্ৰুগড়, তৃতীয় সংস্কৰণ, ২০০৭।

**খ) চৰিত পুথি ঃ**

১) ঠাকুৰ দৈত্যাৰি ঃ মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰী মাধৱদেৱ চৰিত। সম্পা ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, নলবাৰী, ৫০৯ শংকৰাব্দ।

২) ঠাকুৰ ৰামচৰণ ঃ গুৰু চৰিত ঃ সম্পা ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, দত্ত বৰুৱা পাবলিচিং কো. প্ৰা. লি., বিংশ প্ৰকাশ, ২০০৭।

মহেশ্বৰ নেওগ, ১৯৫৭।
৩) দ্বিজ ৰামানন্দ গুৰু চৰিত ঃ সম্পা ঃ দুৰ্গাধৰ বৰকটকী, যোৰহাট, দ্বিতীয় প্ৰকাশ, ১৯৮৬।
৪) দ্বিজ ভূষণ শ্ৰীশ্ৰীশংকৰদেৱ ঃ সম্পা ঃ দুৰ্গাধৰ বৰকটকী, যোৰহাট, দ্বিতীয় প্ৰকাশ, ১৯৮৬। গুৱাহাটী, ১৯৭৭।
৫) নেওগ মহেশ্বৰ (সম্পা) ঃ সৰদোৱা গুৰু চৰিত, গুৱাহাটী, ১৯৭৭।
৬) নেওগ মহেশ্বৰ (সম্পা) ঃ গুৰু চৰিত কথা, লয়াৰ্ছ বুক ষ্টল, পানবজাৰ, গুৱাহাটী ২য় তাঙৰণ,
১৯৯৯।
৭) বৰ কাকতী সঞ্জীৱ কুমাৰ ঃ পূৰ্ণাঙ্গ কথা গুৰু চৰিত ঃ বাণী মন্দিৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৭।
৮) বেজবৰুৱা দীননাথ ঃ বৰচৰিত, যোৰহাট, ১৯৮৭।

**সহায়ক গ্ৰন্থ ঃ**

১) কোঁচ জীৱন চন্দ্ৰ ঃ ফকৰা যোজনা, বনলতা, ১৯৯৯।
২) গগৈ লীলা ঃ বিহুগীত আৰু বনঘোষা, বনলতা, ডিব্ৰুগড়, ২০০৮।
৩) গোস্বামী কেশৱানন্দ ঃ ভাৰতীয় পটভূমিত শংকৰী সাহিত্য আৰু সত্ৰীয়া সংগীত, বনলতা, ডিব্ৰুগড়,
২০০১।
৪) গোস্বামী কেশৱানন্দ ঃ শংকৰদেৱ অধ্যয়ন প্ৰসংগ ঐতিহ্য আৰু পৰম্পৰা, বাণী মন্দিৰ, ২০০৫।
৫) গোস্বামী জয়জ্যোতি (সম্পা ) ঃ শংকৰদেৱ আৰু ভক্তি আন্দোলন, শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ
সমিতি, ২০০৪।
৬) গোস্বামী ত্ৰৈলোক্য নাথ ঃ নন্দন তত্ত্ব প্ৰাচ্য আৰু পাশ্চাত্য, বাণী প্ৰকাশ, ২০০০।
৭) গোস্বামী দুলাল (সম্পা) ঃ সত্ৰমঞ্জুৰী।
৮) গোস্বামী সত্যেন্দ্ৰ নাৰায়ণ ঃ অসমীয়া সাহিত্য সংস্কৃতিৰ সমীক্ষা।
৯) গোহাঁই হীৰেন ঃ কীৰ্তন পুথিৰ ৰস বিচাৰ, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী ১৯৮৭।
১০) চলিহা ভৱ প্ৰসাদ (সম্পা) ঃ অসমীয়া আখ্যান গীত সংগ্ৰহ, অসম প্ৰকাশন পৰিষদ, মাৰ্চ, ২০০৫।
১১) চলিহা ভৱ প্ৰসাদ (সম্পা) ঃ শংকৰী সংস্কৃতিৰ অধ্যয়ন, শ্ৰীমন্ত শংকৰদেৱ সংঘ, ১৯৯৯।
১২) চলিহা ভৱ প্ৰসাদ (সম্পা) ঃ শংকৰী সাহিত্যৰ সমীক্ষা ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ, নগাঁও, ১৯৮১।
১৩) চৌধুৰী ৰীণা ঃ সাহিত্যত ব্ৰহ্মপুত্ৰ, অসম প্ৰকাশন পৰিষদ, ২০০৭।
১৪) দাস নাৰায়ণ ঃ শংকৰী সাহিত্যৰ ভূমিকা, ৰীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৮৮।
১৫) দলৈ চক্ৰেশ্বৰ ভট্টাচাৰ্য ঃ অনুবাদ ঃ যোগিনী তন্ত্ৰ, দত্ত বৰুৱা এণ্ড কো. ১৯৯৪।
১৬) নেওগ মহেশ্বৰ ঃ শ্ৰীশ্ৰী শঙ্কৰদেৱ, চন্দ্ৰ প্ৰকাশ, সপ্তম সংস্কৰণ, ১৯৮৭।
১৭) নেওগ মহেশ্বৰ ঃ অসমীয়া গীতি সাহিত্য, চন্দ্ৰ প্ৰকাশ, ১৯৮৭।
১৮) নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, ২০০৮।
১৯) বৰ্মন শিৱনাথ ঃ শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃতি আৰু কৃতিত্ব, পূৰ্বাঞ্চল প্ৰকাশ, দ্বিতীয় প্ৰকাশ, ১৯৮৯।
২০) বৰ্মন শিৱনাথ (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, ২য় খণ্ড, আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি
সংস্থা, অসম, ১৯৯৭।
২১) বৰা প্ৰফুল্ল চন্দ্ৰ ঃ আধুনিক অসমীয়া সাহিত্যত শঙ্কৰদেৱ প্ৰসঙ্গ, ষ্টুডেণ্টচ ষ্টৰচ, বৰুৱা বামুণ গাঁও,
১৯৮৮।
২২) বৰা লক্ষীনন্দন ঃ যাকেৰি নাহিকে উপাম, জ্যোতি প্ৰকাশ, ২০০০।

২৩) বেজবৰুৱা লক্ষ্মীনাথ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ, (বেজবৰুৱা গ্ৰন্থাৱলী), প্ৰথম খণ্ড গুৱাহাটী, ১৯৬৮।
২৪) বেজবৰুৱা লক্ষ্মীনাথ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ, জ্যোতি প্ৰকাশন, ১৯৯৭।
২৫) বৈশ্য ভুবনেশ্বৰী (সম্পা.) ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি, অসমীয়া বিভাগ, কটন কলেজ, গুৱাহাটী, ১৯৯১।
২৬) ভকত দ্বিজেন্দ্ৰনাথ ঃ কীৰ্ত্তন আৰু সমীক্ষাত্মক আলোচনা, চন্দ্ৰ প্ৰকাশ, তৃতীয় প্ৰকাশ, ২০০৭।
২৭) মহন্ত কেশদা ঃ কাব্য তত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য, বনলতা, ২০০০।
২৮) মহন্ত কেশদা ঃ উত্তৰ ৰাম চৰিত আৰু মেঘদূত কাব্য, বনলতা, ২০০০।
২৯) মহন্ত কেশদা ঃ ভৱভূতি ঃ ব্যক্তিত্ব আৰু সাহিত্য আৰু কালিদাসৰ সাহিত্য, মহন্ত প্ৰকাশন, ১৯৭৩।
৩০) মহন্ত কেশদা ঃ কালিদাসৰ সাহিত্য, বাণী প্ৰকাশ, ১৯৮১।
৩১) মহন্ত কেশদা ঃ অসমীয়া ৰামায়ণী সাহিত্য কথাবস্তুৰ আঁতিগুৰি), যোৰহাট, ১৯৮৪।
৩২) মহন্ত কেশদা ঃ মহাপুৰুষীয়া সাহিত্য ঃ কেইটিমান দিশ, যোৰহাট, ১৯৮৭।
৩৩) মহন্ত বাপচন্দ্ৰ ঃ ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ, যোৰহাট, ১৯৮৭।
৩৪) মহন্ত বাপচন্দ্ৰ ঃ যুগান্তৰত শঙ্কৰদেৱ, যোৰহাট, ১৯৯১।
৩৫) মহন্ত প্ৰদীপজ্যোতি (সম্পা.) ঃ শ্ৰীমন্ত শঙ্কৰদেৱৰ সমাজ আৰু সংস্কৃতি, পূবেৰুণ প্ৰকাশ, ২০০০।
৩৬) মহন্ত প্ৰদীপজ্যোতি, গোস্বামী জয়জ্যোতি (সম্পা.) ঃ কল্পতৰু, ২০০০।
৩৭) মহন্ত প্ৰদীপজ্যোতি ঃ শঙ্কৰদেৱৰ শিল্পলোক, পূৰ্বাঞ্চল প্ৰকাশন, গুৱাহাটী, ২০০৭।
৩৮) মহন্ত নিৰুপমা ঃ সৰ্বগুণাকৰ, বাণী মন্দিৰ, ২০০৭।
৩৯) মহন্ত ৰুমী ঃ শঙ্কৰদেৱৰ সাহিত্যৰ নন্দন তাত্ত্বিক অধ্যয়ন, কোঁৱামৰা সত্ৰ, শিৱসাগৰ, ১৯৯৯।
৪০) শইকীয়া শোভন চন্দ্ৰ ঃ শঙ্কৰী সাহিত্যৰ কেইটিমান দিশ, কিতাপ ঘৰ, ১৯৯৬।
৪১) শৰ্মা তীৰ্থনাথ ঃ সাহিত্য বিদ্যা পৰিক্ৰমা, বাণী প্ৰকাশ, অষ্টম প্ৰকাশ, ২০০১।
৪২) শৰ্মা সোনাপতি দেৱ ঃ সাহিত্যৰ সাজ, বাণী প্ৰকাশ, চতুৰ্থ প্ৰকাশ, ১৯৯৭।
৪৩) শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ গুৱাহাটী, ২০০৬।
৪৪) শৰ্মা সত্যেন্দ্ৰনাথ ঃ ৰামায়ণৰ ইতিবৃত্ত, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৮৪।
৪৫) শৰ্মা হেমন্ত কুমাৰ ঃ অসমীয়া লোকগীতি সঞ্চয়ন, বীণা লাইব্ৰেৰী, দ্বিতীয় তাগুৰণ, ১৯৯০।
৪৬) শৰ্মা দলৈ হৰিনাথ ঃ শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা (২য় খণ্ড), পদ্মপ্ৰিয়া লাইব্ৰেৰী, বৰপেটা, ১৯৯৫।
৪৭) শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ গুৱাহাটী, ২০০৬।
৪৮) শৰ্মা শশী ঃ আদি দশম (এক বিজ্ঞানসম্মত ঐতিহাসিক বিশ্লেষণ), জাৰ্ণাল এম্পৰিয়াম, ২০০০।
৪৯) শৰ্মা শশী ঃ অসমত বিষ্ণু, বৈষ্ণৱ আৰু শঙ্কৰদেৱ, জ্যোতি প্ৰকাশ, নলবাৰী, ২০০৭।
৫০) শাস্ত্ৰী বিশ্বনাৰায়ণ ঃ সাহিত্য দৰ্পন, যোৰহাট, ১৯৬৪।

সংস্কৃত গ্ৰন্থ
১। গোস্বামী মালিনী (সম্পা) শ্ৰীমদ্ভাগৱত পুৰাণ - [illegible], হৰফ প্ৰকাশনী, কলেজ ষ্ট্ৰীট, কলিকতা
২। দত্ত ৰমেশ চন্দ্ৰ (অনু) ঋগ্বেদ-সংহিতা- ১, দত্ত বৰুৱা এণ্ড কোম্পানী, গুৱাহাটী (১৯৯৪)
৩। দলৈ চক্ৰেশ্বৰ ভট্টাচাৰ্য (অনু) যোগিনীতন্ত্ৰম্

ইংৰাজী গ্ৰন্থ ঃ

1. Barua B. K. : Sankardeva : Vaisnavite saint of Assam, Guwahati, 1962.
2. Barua B. K. : Studies in Early Assamese Literature, Guwahati, 1953.
3. Baruah Hem : Assamese literature, National Book Trust, New Delhi- 1965.
4. Kakati Banikanta : Visnuite myth and Legends, Guwahati, 1952.
5. Kakati Banikanta : The Life and Teachings of Sankardeva, Netesam and Co. 1922.
6. Kakati B. K. (Ed) : Aspects of Early Assamese Literature, Gauhati University, Gauhati, 1959.
7. Medhi Kaliram : Studies in the Vaisnava Literature and Culture of Assam, Ed. by S. N. Sarma, Jorhat, 1978.
8. Nandi S. K. : Studies in Modern Indian Aesthetics, Indian Institute of Advanced Studies, Simla, 1975.
9. Neog Dimbeswar : New Light on History of Asamiya Literature, Guwahati, 1962.
10. Neog Dimbeswar : Jagat Guru Sankardeva, Nagaon, 1963.
11. Neog Maheswar : Sankardeva and His Time, Early History of the Vaisnava Faith and Movement in Assam, Guwahati, 1965.
12. Neog Maheswar : Sankardeva and His Predecessors, Guwahati, 1953.
13. Neog Maheswar : Sankardeva, National Book Trust, 5th edition, 2006.
14. Sarma S. N. : The Neo-Vaisnavite Movement and the Satra Institution of Assam, Gauhati University.

অভিধান ঃ

১) চন্দ্ৰকান্ত অভিধান ঃ অসম সাহিত্য সভা, যোৰহাট, দ্বিতীয় তাঙৰণ, ১৯৬২।
২) আধুনিক অসমীয়া অভিধান ঃ অসম প্ৰকাশন পৰিষদ, প্ৰথম তাঙৰণ, ১৯৭৭।
৩) হেম কোষ ঃ হেমচন্দ্ৰ বৰুৱা, ২০০৭।
৪) বৈষ্ণৱ শব্দকোষ ঃ ভাৰত বৰা (সংকলন আৰু সম্পাদনা), গ্ৰন্থ সংস্কৃতি, যোৰহাট, প্ৰথম প্ৰকাশ ২০০৭।
৫) সংস্কৃত অসমীয়া অভিধান (সংকলন) ঃ কিৰণ শৰ্মা, চন্দ্ৰ প্ৰকাশ, ২০০৫।